ইতিহাস কাক কয়

মূল ঃ ই. এইচ. কাৰ

অনুবাদ ঃ লক্ষ্মীনাথ তামুলী

অসম প্ৰকাশন পৰিষদ

গুৱাহাটী - ৭৮১ ০২১

ITIHAS KAK KOY : a book on critical studis on what is history, its philosophy, translated by Laxmi Nath Tamuly from the orginial version of What is History, authored by E. H. Carr and published by the Publication Board Assam, Guwahati -781 021, Assam, India.
First Edition, December 2005 **Price : Rs. 150.00**

অসম প্ৰকাশন পৰিষদৰ আগতীয়া লিখিত অনুমতি অবিহনে এই গ্ৰন্থ বা ইয়াৰ কোনো অংশ ফটোকপি, ৰেকৰ্ডিং আদিৰ দৰে কোনো ইলেক্ট্ৰনিক বা যান্ত্ৰিক উপায়েৰে, অথবা কোনো তথ্যৰ সংগ্ৰহ-পুনৰ ব্যৱহাৰ প্ৰণালীৰে পুনৰ প্ৰকাশ কৰিব নোৱাৰিব বা আন কোনো ৰূপতে ব্যৱহাৰ কৰিব নোৱাৰিব।

No part or whole of this publication may be reproduced or utilized in any form or by any means, electronic or mechanical, including photocopying, recording or by any information storage and retrieval system, without the prior permission in writing from Publication Board Assam.

প্ৰকাশক
ড° ৰফিকুজ জামান আই এ এছ
সচিব
অসম প্ৰকাশন পৰিষদ
গুৱাহাটী-৭৮১ ০২১

প্ৰথম সংস্কৰণ ঃ ডিছেম্বৰ ২০০৫

মূল্য ঃ ১৫০·০০ টকা

মুদ্ৰক
ভৱানী অফ্‌ছেট এণ্ড ইমেইজিং চিষ্টেমছ্‌ প্ৰাঃ লিঃ
লাচিত লেন, ৰাজগড় ৰোড, গুৱাহাটী-৭৮১ ০০৭
দূৰভাষ ঃ ০৩৬১-২৪৫৫৭৩৪, ২৫২৪০৫৬, ২৫২৮১৫৫

ভূমিকা

ব্যক্তি আৰু সমাজৰ বৰ্তমানটো অতীত আৰু ভৱিষ্যতৰ লগত সম্পৰ্কায়িত। বৰং অতীতৰ কৰ্ম-কাণ্ড, বিশ্বাস-সংশয় আৰু অভিজ্ঞতাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সমাজ-জীৱনৰ সৰ্বস্তৰতে—লাগিলে যি ভাব-জগত, সাহিত্য-জগত নাইবা প্ৰায়োগিক জগততে হওক মানুহে সদায় অতীতৰ পৰা পোৱা শিক্ষাৰ লগত বাস্তৱসন্মত জ্ঞান প্ৰয়োগ কৰে।

কিন্তু দেখা যায় যে জীৱনত অতীতৰ শিক্ষা সদায় মধুৰ নহয়। বুৰঞ্জীৰ পুনৰাবৃত্তি ঘটে।

বুৰঞ্জীৰ বিষয়বস্তু কি হ'ব পাৰে, ইয়াৰ ৰচনা-পদ্ধতি, সামাজিক প্ৰভাৱ আদিও এতিয়া বুৰঞ্জীৰ বিষয়-বস্তু হৈছেগে। বহু-পঠিত ই এইচ কাৰৰ গ্ৰন্থখনৰ ভাব-ভাষা, বিষয়-বস্তু অতি দুৰূহ। গ্ৰন্থখন অসমীয়ালৈ অনুবাদ কৰা বাবে শ্ৰীলক্ষ্মীনাথ তামুলীক আমাৰ কৃতজ্ঞতা জনাইছো। গ্ৰন্থখন অনুবাদ কৰা কালত শ্ৰীতামুলী পৰিষদৰ সচিব পদত আছিল। সেই সময়ত তেওঁ গ্ৰন্থখন আৰু ঐতিহাসিক দাৰ্শনিক ই এইচ কাৰ সম্পৰ্কত লেখা টোকা দুটা ক্ৰমে পাতনি আৰু 'ই এইচ কাৰঃ ঐতিহাসিক দাৰ্শনিক' শীৰ্ষকেৰে গ্ৰন্থখনত সন্নিৱিষ্ট কৰা হ'ল।

ড° ৰফিকুজ জামান আই এ এছ
সচিব
অসম প্ৰকাশন পৰিষদ

গুৱাহাটী
ডিচেম্বৰ ২০০৫

পাতনি

ইতিহাস আৰু ইতিহাস তত্ত্ব সম্পৰ্কে ই. এইচ. কাৰৰ (Edward Hallett Carr) What is History শীৰ্ষক গ্ৰন্থখনৰ প্ৰামাণিকতা, গুৰুত্ব আৰু জনপ্ৰিয়তা সৰ্বজনবিদিত। গ্ৰন্থখনত প্ৰকাশ পোৱা মতামত আৰু দৃষ্টিভংগী প্ৰায় অবিতৰ্কিত হৈ ৰৈছে বুলিয়েই ক'ব পাৰি। ১৯৮২ চনত কাৰৰ মৃত্যুৰ পিছত নৱৈৰ দশকত উত্তৰ আধুনিকতাবাদীসকলৰ দুই-চাৰিজনে কাৰৰ দুই-এটা মতামতৰ সমালোচনা কৰা দেখা গৈছিল। তৎসত্ত্বেও কিন্তু গ্ৰন্থখনৰ মৌলিকতা অবিতৰ্কিত হৈয়ে ৰৈছে।

পৰিবৰ্তিত সময় আৰু পৰিবেশত কাৰৰ কোনো কোনো দৃষ্টিকোণ আৰু মতামত নিশ্চয় সমালোচনা আৰু বিতৰ্কৰ বিষয় হৈ পৰিবগৈ পাৰে। বিশেষকৈ কাৰে বিশ্বাস কৰা দৰ্শন মাৰ্ক্সবাদৰ প্ৰায়োগিক দিশ সম্পৰ্কে নৱৈৰ দশকৰ আৰম্ভণিতে সমাজতান্ত্ৰিক চোভিয়েট যুক্তৰাষ্ট্ৰৰ পতনে বহুতকে ভবাই তুলিছে, বহুবোৰ প্ৰশ্ন উত্থাপিত হৈছে। তেনে হোৱাটো নিতান্তই স্বাভাৱিক। মাৰ্ক্সবাদৰ আধাৰত ১৯১৭ চনত প্ৰতিষ্ঠা হোৱা সমাজতান্ত্ৰিক চোভিয়েট যুক্তৰাষ্ট্ৰৰ ১৯৯২ চনত পতন ঘটিল। যুক্তৰাষ্ট্ৰখন ভাগি কেইবাখনো স্বাধীন ৰাষ্ট্ৰত পৰিণত হ'ল; সমাজতান্ত্ৰিক আৰ্হিৰ শাসন আৰু অৰ্থনীতিৰো সলনি হ'ল। এই ঐতিহাসিক ঘটনাটোৱে মাৰ্ক্সবাদী দৰ্শন আৰু সাম্যবাদী সমাজ-ব্যৱস্থাৰ সম্পৰ্কে বহুবোৰ প্ৰশ্ন আৰু সন্দেহৰ অৱতাৰণা কৰিছে। এইটোও কিন্তু অস্বীকাৰ কৰিব নোৱাৰি যে সমাজতান্ত্ৰিক চোভিয়েট যুক্তৰাষ্ট্ৰৰ পতনে ব্যৱস্থাটোৰ আধাৰ হিচাপে থকা মাৰ্ক্সবাদৰ পতন কিম্বা উচ্ছেদ হোৱাটো প্ৰমাণ নকৰে। দহ বছৰ বা এশ বছৰৰ ঘটনাৰ ওপৰত নিৰ্ভৰ কৰি পাঁচশ বছৰ বা এহেজাৰ বছৰৰ ইতিহাসৰ ৰায় দিব নোৱাৰি। আমেৰিকাৰ উত্তৰ আধুনিক ৰাজনৈতিক বিজ্ঞানৰ তাত্ত্বিকে উদাৰনৈতিক গণতন্ত্ৰকে (liberal democracy) 'মানৱ প্ৰজাতিৰ আদৰ্শগত বিৱৰ্তনৰ অন্তিম বিন্দু' আৰু 'মানৱীয় চৰকাৰৰ সৰ্বশেষ পদ্ধতি' বুলি খাটাং ৰায় দিলেও সেই ৰায়ৰ যথাৰ্থতা আৰু স্থায়িত্ব সন্দেহাতীত কিম্বা অবিতৰ্কিত নহয়। মনত ৰাখিবলগীয়া কথা বোধকৰো এইটোও যে দেশ আৰু সভ্যতাৰ উত্থান-পতন অৱশ্যম্ভাৱী আৰু অৱধাৰিত ঐতিহাসিক ঘটনা, কিন্তু ভাৱাদৰ্শৰ গ্ৰহণ কিম্বা বৰ্জন হ'লেও মৃত্যু নহয়। ভাৱাদৰ্শ স্তিমিত হৈ পৰিব পাৰে আৰু আনকি অপ্ৰচলিত হৈয়ো পৰিব পাৰে, কিন্তু সভ্যতাৰ দৰে ধ্বংসাৱশেষ এৰি থৈ নিঃশেষ হৈ নাযায়। কোনোবা যুগত বিশেষ পৰিবেশ-পৰিস্থিতিত সি পুনৰ প্ৰাসংগিক হৈ উঠিবগৈ পাৰে। বৰ্তমান পৃথিৱীৰ সমাজ আৰু সভ্যতাৰ অভূতপূৰ্ব আৰু অভাৱনীয়

প্ৰগতি আৰু বিকাশৰ আঁৰে আঁৰে সমান্তৰালভাৱে প্ৰায় প্ৰতিখন সমাজৰে বৃহৎ সংখ্যক জনসাধাৰণ অভাৱনীয় দুখ-দুৰ্গতিৰ সন্মুখীন হৈ আহিছে। সুখ-ভোগ আৰু দুখ-ভোগ দুয়োটাতে তাৰতম্য বৃদ্ধি হৈ আহিছে। ভোগৰ তাৰতম্যই ক্ষোভ-বিক্ষোভৰ উৎপত্তি আৰু বিস্তৃতিৰ বিন্দু হিচাপে পৰিগণিত হৈ আহিছে। এসময়ত তাৰতম্যৰ হ্ৰাস কিম্বা নিৰ্মূলৰ তাগিদা সমাজত সৃষ্টি হ'বগে পাৰে। অৰ্থনীতি আৰু ৰাজনীতিৰ নতুন নতুন তত্ত্ব আৰু সূত্ৰৰ কায়দাৰে কিমান দিনলৈ বঞ্চিত আৰু বিপৰ্যস্ত মানুহক সংঘবদ্ধ হোৱাৰ পৰা আঁতৰাই ৰাখিব পাৰিব, সেইটো এতিয়াই অনুমান কৰিব নোৱাৰি। যোগাযোগ ব্যৱস্থাৰ অভূতপূৰ্ব সাফল্যই বিশ্বৰ চুক-কোণৰ বৃহত্তৰ জনসাধাৰণো মুহূৰ্তৰ ভিতৰতে সংগঠিত আৰু সংঘবদ্ধ হোৱাৰ সম্ভাৱনা আজি বাস্তৱ হৈ পৰিছে। সেয়ে গ্ৰন্থখনত প্ৰকাশ পোৱা অভিমত আৰু দৃষ্টিকোণক কোনোমতেই অপ্ৰাসংগিক বুলি ক'ব নোৱাৰি।

কাৰৰ What is Historyৰ প্ৰথম সংস্কৰণ ১৯৬১ চনত প্ৰকাশ হৈছিল। গ্ৰন্থখনৰ অসমীয়া অনুবাদ এটা তেতিয়াৰ পৰাই অনুভূত হৈছিল যদিয়ো বিগত চাৰিটা দশকত কোনেও গ্ৰন্থখনৰ সম্পূৰ্ণ অনুবাদ কৰাৰ বা কৰোৱাৰ প্ৰচেষ্টা হাতত লোৱা দেখা নগ'ল। অসম প্ৰকাশন পৰিষদে গ্ৰন্থখনৰ সম্পূৰ্ণ মুকলি অনুবাদ এটা প্ৰকাশ কৰি সামাজিক বৌদ্ধিক দায়িত্ব এটাই পালন কৰিছে।

ঊনবিংশতিম্ গুৱাহাটী গ্ৰন্থমেলাত প্ৰকাশ কৰিব পৰাকৈ বৌদ্ধিক আৰু সাংস্কৃতিকভাৱে সচেতন ডেকা ইতিহাসৰ অধ্যাপক এজনক গ্ৰন্থখন অনুবাদ কৰি দিবলৈ দিয়া হৈছিল। কিন্তু ছমাহ মানৰ পিছতহে তেওঁৰ অসমৰ্থতা প্ৰকাশ কৰাত কটন মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক শ্ৰদ্ধেয় শ্ৰীযুত উপেন্দ্ৰনাথ শৰ্মাক গ্ৰন্থখন অনুবাদ কৰি দিয়াৰ দায়িত্ব দিয়া হৈছিল। অত্যন্ত খৰ-খেদাকৈ তেখেতে গ্ৰন্থখনৰ অনুবাদ এটা প্ৰস্তুত কৰি দিছিল। ফাইনেল প্ৰুফ চোৱাৰ সময়ত অনুবাদটো পঢ়ি কেইবাটাও এৰাব নোৱৰা কাৰণত ঊনবিংশতিতম্ গ্ৰন্থমেলাত অনুবাদটো প্ৰকাশ কৰিব পৰা নগ'ল। কাৰৰ গ্ৰন্থখনৰ অন্যতম অনুগামীসকলৰে এজন হিচাপে সেয়ে আমি নিজেই গ্ৰন্থখনৰ সম্পূৰ্ণ মুকলি অনুবাদ কৰিবলৈ ললো। অনুবাদটো কাৰৰ গ্ৰন্থখনৰ ১৯৮৭ চনত প্ৰকাশিত দ্বিতীয় সংস্কৰণটোৰ পৰা কৰা হৈছে। নতুন সংস্কৰণটোৰ বাবে কাৰে আগতীয়াকৈ লেখা পাতনিখন আৰু দ্বিতীয় সংস্কৰণটোৰ বাবে কাৰে সংগ্ৰহ কৰা টোকা, খচৰা আদিৰ পৰা আৰ. ডব্লিউ. ডেভিচে (R.W. Davies) লেখা সুদীৰ্ঘ টোকাটোৰ অনুবাদো সন্নিবিষ্ট কৰি দিয়া হৈছে। শ্ৰীযুত উপেন্দ্ৰ নাথ শৰ্মাৰ অনুবাদটো প্ৰকাশ কৰিব পৰা নগ'ল যদিয়ো পৰিষদৰ অনুৰোধ ৰক্ষা কৰি তেখেতে অত্যন্ত খৰ-ধৰকৈ অনুবাদ এটা কৰি দিছিল কাৰণে তেখেতলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। অনুবাদ কৰি থাকোতে বিভিন্ন বিষয়ত বন্ধুবৰ ৰঞ্জিৎ কুমাৰ দেৱগোস্বামী আৰু ড° ৰাজেন শইকীয়াৰ

লগত আলোচনা কৰি সহায় লৈছিলো। দুয়োলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলো। গ্ৰন্থখনৰ বাংলা অনুবাদটো মুঠেই নিৰ্ভৰযোগ্য নহয় যদিয়ো আমি বিভিন্ন প্ৰতিশব্দৰ কাৰণে,— বিশেষকৈ লেটিন, জাৰ্মান, ফৰাচী ভাষাৰ শব্দ আৰু খণ্ডবাক্যসমূহৰ অৰ্থ তাৰ পৰাই বুটলি লৈছো।

What is Historyৰ অসমীয়া প্ৰতিৰূপ হিছাপে আমি 'ইতিহাস কি?' ব্যৱহাৰ কৰিবলৈ বিচাৰিছিলো। কিন্তু ড° ৰাজেন শইকীয়াই শিৰোনামাটো খাপচাৰা হ'ব বুলি উল্লেখ কৰি 'ইতিহাস কাক কয়' ৰাখিবলৈ দিয়া পৰামৰ্শকে গ্ৰহণ কৰি অনুবাদটোৰ নাম 'ইতিহাস কাক কয়' ৰখা হ'ল। অনুবাদটোৱে সুধী সমাজৰ চাহিদা পূৰাবলৈ সক্ষম হ'লেই আমাৰ অনুবাদৰ শ্ৰম আৰু প্ৰকাশন পৰিষদে প্ৰকাশ কৰাৰ ব্যয় সাৰ্থক হ'ব।

কাৰৰ What is History গ্ৰন্থখনক কোনোৱে ইংৰাজী ভাষাৰ সহজ-সৰল গ্ৰন্থ বুলি কয়। মোৰ দৰে ইংৰাজী ভাষাৰ সীমিত জ্ঞানৰ মানুহৰ বাবে অত্যন্ত জটিল গ্ৰন্থ। গ্ৰন্থখনৰ বিষয়বস্তু কেৱল তত্ত্ব আৰু দৰ্শনৰ। দুয়োটাই জটিল বিষয়। পৰিবেশনৰ ষ্টাইল বক্তৃতাধৰ্মী। বক্তৃতাত বক্তব্যৰ স্বাৰ্থত কেতিয়াবা একোটা বাক্যই এক-তৃতীয়াংশৰ পৰা প্ৰায় আধা পৃষ্ঠা জুৰি আছে। তাতে কাৰৰ চমৎকাৰ কথনভংগীৰ উপৰিও উপমা-অলংকাৰেৰে ভাষা চপচপীয়া হৈ আছে। সেয়ে মোৰ বাবে অনুবাদ কৰাটো বৰ কষ্টসাধ্য কাম হ'ল। সেয়ে অনুবাদটো সম্পূৰ্ণ শুদ্ধ হৈছে বুলি নিজেই আশ্বস্ত হ'ব নোৱাৰিলো। নিৰ্বাচন কৰি লোৱা প্ৰতিশব্দই অৰ্থ উপলব্ধি কৰাত পাঠকক বিমোৰত পেলোৱাৰ আশংকা কৰি বন্ধনীৰ ভিতৰত শব্দ আৰু খণ্ডবাক্য কিছুমানৰ ইংৰাজী ৰূপটোকো দিয়া হৈছে। কিছুমান পৰিচিত ইংৰাজী শব্দৰ অসমীয়া প্ৰতিশব্দ মই বিচাৰি মনত পেলাবই নোৱাৰিলো; তেনেবোৰ শব্দৰ প্ৰতিশব্দৰ পৰিৱৰ্তে ভাব বা অৰ্থৰ অনুবাদ দিলে বাক্য আৰু বক্তব্যৰ সাৱলীলতা আৰু শক্তি ৰক্ষা কৰাটো অসম্ভৱ হৈ পৰে কাৰণে অসমীয়া লিপিত মূল ইংৰাজী শব্দটোকে ব্যৱহাৰ কৰিছো। Joker, cynic, Humanities, classics, orthodox church, thesis, shorthand, secular, paradox, radical, ration, prophet, nostalgia আদি শব্দবোৰৰ সম্ভৱস্থানত প্ৰতিশব্দ দিয়া হৈছে যদিয়ো বেছিভাগ ক্ষেত্ৰতে ইংৰাজী শব্দটোকে অসমীয়া লিপিত ব্যৱহাৰ কৰিছো। বিষয় হিছাপে Humanities আৰু Classics শব্দই যিমানবোৰ বিষয় সামৰে, এটা প্ৰতিশব্দত প্ৰকাশ কৰিবলৈ মই অসমৰ্থ। সেয়ে পাঠকৰ ওপৰত নিজৰ অক্ষমতাৰ বাবে ক্ষমা বিচাৰিছো।

গুৱাহাটী
আগষ্ট ২০০৫

লক্ষ্মীনাথ তামুলী

ই. এইচ. কাৰ ঃ ঐতিহাসিক দাৰ্শনিক (১৮৯২-১৯৮২)

ইতিহাস আৰু ইতিহাস তত্ত্বৰ আন্তৰ্জাতিক খ্যাতিসম্পন্ন ঐতিহাসিক এড্‌ৱাৰ্ড হালেট কাৰৰ (Edward Hallett Carr) ইতিহাস তত্ত্ব আজিও অবিসম্বাদী ইতিহাস তত্ত্ব হৈ আছে। ১৯৬১ চনত তেওঁৰ ইতিহাস তত্ত্বৰ গ্ৰন্থ What is History প্ৰকাশ হোৱাৰে পৰা ইতিহাসৰ বিভিন্ন দিশ আৰু তত্ত্ব সম্পৰ্কে কাৰে দিয়া অভিমত প্ৰায় অপৰিৱৰ্তনীয় হৈ ৰৈছে। কাৰৰ মৃত্যুৰ পাছত কাৰে প্ৰগতিৰ প্ৰতি স্থাপন কৰা আশাবাদৰ বিৰুদ্ধে বৃটেইনতে অভিজ্ঞতাবাদী দৰ্শনৰ (Empiricalist) প্ৰবক্তাসকলে সমালোচনা কৰিছিল যদিও কাৰৰ বস্তুনিষ্ঠ ব্যাখ্যাৰ তত্ত্বক নাকচ কৰিব নোৱাৰিলে। যোৱা শতিকাৰ নব্বৈৰ দশকত উত্তৰ আধুনিকতাৰ প্ৰবক্তাসকলৰ দুই চাৰিজনে কাৰৰ ইতিহাস তত্ত্বক সমালোচনাৰ বিষয় কৰি ল'লেও কাৰৰ বক্তব্য এতিয়ালৈকে অক্ষত হৈ ৰৈছে।

১৮৯২ চনত উত্তৰ লণ্ডনৰ পৰিয়াল এটাৰ জ্যেষ্ঠতম পুত্ৰ হিছাপে জন্ম গ্ৰহণ কৰা কাৰে লণ্ডনৰে Merchant Taylor স্কুলত শিক্ষাৰম্ভ কৰি ১৯১১ চনত বৃত্তি লৈ ট্ৰিনিটি কলেজত নামভৰ্তি কৰিছিল আৰু ১৯১৬ চনত কেমব্ৰিজৰ ট্ৰিনিটি কলেজৰ পৰাই য'ত তেওঁ Craven Scholarও আছিল, ক্লাচিকচ্‌ত অনাৰ্চৰ প্ৰথম শ্ৰেণীৰ ডিগ্ৰী লোৱাৰ ওপৰিও লেটিন ফকৰা-যোজনা (epigram), লেটিন কবিতা আৰু গ্ৰীক অনুবাদত বিশ্ববিদ্যালয়ৰ পুৰস্কাৰ বিজেতা হৈছিল। প্ৰথম বিশ্বযুদ্ধই তেওঁক বিধি-পথালি নিদিয়াহেঁতেন তেওঁ কেমব্ৰীজতেই ক্লাচিকচ্‌ৰ অধ্যাপক হ'ব পাৰিলেহেঁতেন। তাৰ বিপৰীতে তেওঁ কুৰি বছৰ কাল কূটনীতিবিদ হ'ল। বহুতে সেইটোক আকস্মিকতা (accident) বুলিয়েই পিছত অভিহিত কৰিছিল আৰু সেই আকস্মিকতাই তেওঁৰ জীৱনৰ পৰৱৰ্তী ষাঠি বছৰৰ বৌদ্ধিক যাত্ৰাক গঢ় দিছিল। ট্ৰিনিটি কলেজতেই তেওঁ আলফ্ৰেড নৰ্থ হোৱাইট্‌হেড্ (Alfred North Whitehead), এ. ই হাউচমেন (A.E. Housman), জেমচ্ জৰ্জ ফ্ৰেজাৰ (James George Frazer) আৰু বাৰ্ট্ৰাণ্ড ৰাছেলৰ দৰে সেই সময়ৰ প্ৰথিতযশা পণ্ডিত অধ্যাপকৰ সান্নিধ্য লাভ কৰিছিল। ১৯১৬ চনত তেওঁ বৃটিছ বৈদেশিক কাৰ্যালয়ৰ চাকৰিত যোগদান কৰি ১৯৩৬ চনত পদত্যাগ কৰালৈকে কাৰ্যনিৰ্বাহ কৰিছিল। প্ৰথম বিশ্বযুদ্ধৰ শেষত অনুষ্ঠিত হোৱা পেৰিচৰ শান্তি সভাতো (Paris Peace Conference) তেওঁ আকস্মিকভাৱেই যোগ দিছিল। পিছত তেওঁ জাতিসংঘৰ (League of Nations) উপদেষ্টা পদতো নিযুক্ত হৈছিল। বৃটিছ বৈদেশিক কাৰ্যালয়ৰ

চাকৰি কৰাৰ সময়তে কাৰক যেতিয়া ৰিগাৰ (Riga) কাম-কাজ চোৱা-চিতা কৰিবলৈ নিযুক্ত কৰিছিল, তেতিয়াৰ পৰা তেওঁ ক্ৰমান্বয়ে ৰুচিয়াৰ সাহিত্য আৰু সংস্কৃতিৰ প্ৰতি আকৃষ্ট হৈছিল। কাৰৰ নিজৰ ভাষাতে তেওঁৰ সেই নিযুক্তি আছিল "Shifted onto the Russian Revolution।" বৈদেশিক কাৰ্যালয়ৰ চাকৰিৰ অভিজ্ঞতাৰেই আন্তৰ্জাতিক ৰাজনীতিৰ মেৰপেচৰ ১৯৩৯ চনত প্ৰকাশিত The Twenty Years' Crisis শীৰ্ষক গ্ৰন্থখন তেওঁ লেখি উলিয়াইছিল। আকৃষ্ট হোৱাৰ অৱশ্যে ঐতিহাসিক পটভূমি আছিল। প্ৰথম বিশ্বযুদ্ধৰ ধ্বংসলীলাই ইউৰোপলৈ নৈৰাশ্যবাদ আৰু হতাশগ্ৰস্ততা আনি দিছিল। তাৰ মাজত প্ৰগতি আৰু বিকাশৰ আশাবাদ প্ৰাচীন ৰাচিয়ান সাম্ৰাজ্যৰ বুকুত সংযুক্ত সমাজতান্ত্ৰিক চোভিয়েট ৰাচিয়াৰ নৱজন্ম হৈছিল। শতিকা জোৰা শক্তিশালী জাৰৰ শাসন উৎখাত কৰি নতুন শাসনতন্ত্ৰ প্ৰতিষ্ঠাৰ পশ্চাতত সেই দেশ আৰু জাতিক অনুপ্ৰাণিত কৰা কলা আৰু সাহিত্য সম্ভাৰ থাকিবই লাগিব বুলি কাৰে অনুমান কৰিছিল। কাৰৰ আগ্ৰহ আৰু ঔৎসুক্যৰ কাৰণো সেয়ে আছিল। সেই উদগ্ৰ আগ্ৰহ আৰু ঔৎসুক্যৰ ফলস্বৰূপে ১৯৩১ চনত কাৰৰ Dostoevsky (1821-1881): A New Biography, ১৯৩৩ চনত The Romantic Exiles : A Nineteenth Century Portrait Gallery, ১৯৩৪ চনত Karl Marx : A study of Fanaticism আৰু ১৯৩৭ চনত Michael Bakunin শীৰ্ষক মূল্যবান গ্ৰন্থ প্ৰকাশ হৈছিল।

১৯৩৬ চনত কাৰে University College of Wales at Aberyswythত International Politics-অৰ Woodraw Wilson Professor হিচাপে নিযুক্তি পায়। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত তেওঁ লণ্ডনৰ The Times-অৰ সহকাৰী সম্পাদক হিচাপেও কাম কৰিছিল আৰু লেবাৰ পাৰ্টী ক্ষমতালৈ অহাত তেওঁ প্ৰভূত বৰঙণি যোগাইছিল। এই সময়তে তেওঁ The Twenty Years' Crisis : An Introduction to the study of International Relations-অৰ ওপৰিও ১৯৪২ চনত Conditions of Peace, ১৯৪৫ চনত Nationalism and After, ১৯৪৬ চনত The Soviet Impact on the Western World আৰু ১৯৫১ চনত The New Society প্ৰকাশ কৰে।

দুখন বিশ্বযুদ্ধৰ বিভীষিকাৰ অভিজ্ঞতাই লিবাৰেল ইংলেণ্ডৰ প্ৰমূল্যৰ প্ৰতি থকা বিশ্বাসত খহনীয়া আৰম্ভ কৰিছিল আৰু তেওঁ জন্ম হোৱা, ডাঙৰ-দীঘল হোৱা গতানুগতিকাৰ পৰা আঁতৰি অন্যত্ৰ আশ্ৰয়ৰ সন্ধান কৰাৰ প্ৰেৰণা যোগাইছিল। তেওঁ মাৰ্ক্সবাদৰ প্ৰতি আকৃষ্ট হোৱাৰ এইটোৱেই পটভূমি আছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পাছতে তেওঁ অক্সফোৰ্ডৰ বেলিয়ল (Balliol) কলেজত টিউটৰ হিচাপে যোগদান কৰে। অৱশ্যে ১৯৫৫ চনত তেওঁ কেমব্ৰিজৰ ট্ৰিনিকি কলেজৰ ফেল' হিচাপে যোগদান কৰে আৰু ১৯৬৬ চনত বেলিয়ল কলেজৰো অনাৰেৰী ফেল' হয়। কেমব্ৰীজলৈ তেওঁৰ প্ৰত্যাবৰ্তনৰ কাৰণ এই

নাছিল যে The Times কাকতে তেওঁক অব্যাহতি দিছিল; বৰং ৫২ বছৰ বয়সত তেওঁ বুজি উঠিছিল যে, প্ৰভাৱিত চোভিয়েট ৰুচিয়াৰ ইতিহাসখন লেখিবলৈ তেওঁক অধিক সুচল স্থান এখনৰ প্ৰয়োজন। ১৯৮২ চনৰ নৱেম্বৰ মাহত মৃত্যুৰ সময়লৈকে তেওঁ ট্ৰিনিটি কলেজতে জ্ঞানৰ সাধনা আৰু অধ্যাপনা কৰি আছিল। অক্সফোৰ্ডত থকা সময়তেই তেওঁ বিখ্যাত হৈ পৰা তেওঁৰ জীৱনৰ কীৰ্তিস্তম্ভ চৈধ্যটা বৃহৎ আকাৰৰ খণ্ডত A History of Soviet Russia (১৯৫১-১৯৭৮) প্ৰকাশ হয়। প্ৰথম তিনিটা খণ্ডৰ নাম The Bolshevik Revolution 1917-1923, ১৯২৩-২৪ চনৰ কাহিনীৰে The Interragnum নামেৰে চতুৰ্থ খণ্ড, পঞ্চমৰ পৰা অষ্টম খণ্ড Socialism in one Country আৰু Foundations of a Planned Economy শীৰ্ষকেৰে নৱমৰ পৰা চতুৰ্দশ খণ্ড প্ৰকাশ পাইছিল। ১৯৬১ চনত কাৰৰ ইতিহাস তত্ত্বৰ বিখ্যাত গ্ৰন্থ What is History প্ৰকাশ পায়। ১৯৬১ চনত কেমব্ৰিজ বিশ্ববিদ্যালয়ত G.M. Trevelyan স্মাৰক বক্তৃতামালাৰ ছয়টা সুনিৰ্দিষ্ট বক্তৃতাক ছয়টা অধ্যায়ত সামৰি গ্ৰন্থখন প্ৰকাশ কৰে। সেই কেইখনৰ ওপৰিও ১৯৭৯ চনত The Russian Revolution : From Lenin to Stalin (1917-1929), ১৯৮০ চনত From Napoleon to Stalin and other Essays আৰু ১৯৮২ চনত The Twilight of the Comintern, 1930-1935 প্ৰকাশ হয়।

দ্বিতীয় বিশ্বযুদ্ধত ৰাচিয়াই প্ৰদৰ্শন কৰা অনমনীয় দৃঢ়তাই ১৯৪৪ চনৰ শেষৰ ফালে কাৰৰ দৃষ্টি আকৰ্ষণ কৰিছিল। সেয়ে ১৯১৭ চনৰ বিপ্লৱৰ পিছৰ পৰা ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক শৃংখলাত ৰাচিয়া কেনেকৈনো জাকত-জিলিকা হৈ উঠিছিল, সিয়ে তেওঁক আগ্ৰহান্বিত কৰি তুলিছিল।

ঐতিহাসিক অমলেশ ত্ৰিপাঠীয়ে লেখিছিল যে, চৈধ্যটা খণ্ডত বিভক্ত কাৰৰ বিপ্লৱ আৰু বিপ্লৱোত্তৰ চোভিয়েট ৰাচিয়াৰ ইতিহাসৰ মহাভাৰতৰ দৰে বিস্তাৰ আৰু গভীৰতাই তেওঁলৈ বিশ্বজোৰা খ্যাতি আনি দিছিল। তাৰ আগতে ৰুচ বিপ্লৱে যেন প্ৰকৃত ঐতিহাসিক বিচাৰি পোৱা নাছিল। কেৱল বৃহদায়তনৰ বাবে নহয়, অগণিত তথ্যৰ পক্ষপাতহীন মূল্যবিচাৰ, বৈজ্ঞানিক বিশ্লেষণ আৰু সাৱলীলতাত এনে কৃতিত্ব অতুলনীয় বুলিয়েই ক'ব পাৰি। প্ৰখ্যাত ৰুচ বিশেষজ্ঞ আৰু ট্ৰট্‌স্কিৰ জীৱনীকাৰ আইজাক ডয়সাৰৰ (Isac Deutscher) মতে হাৰ্বাডৰ ট্ৰট্‌স্কিৰ সংগ্ৰহ দেখাৰ পিছত তেওঁ পতিয়ন গৈছে যে কাৰতকৈ আৰু অধিক ক'বলৈ একো নাই। টেইলৰৰ (A.J.P. Taylor) দৰে সাম্যবাদ বিৰোধী ঐতিহাসিকেও স্বীকাৰ কৰিছে যে প্ৰত্যেক ঐতিহাসিক, প্ৰত্যেক অৰ্থনীতিবিদ, আনকি প্ৰতিজন বলচেভিক কাৰৰ ওচৰত ইমানেই ঋণী যে সেই ঋণৰ জোখ লোৱাটো সম্ভৱ নহয়।

প্ৰথম খণ্ডৰ পাতনিত কাৰে লিখিছিল যে— "মই বিপ্লৱৰ ইতিহাস লেখাৰ প্ৰয়াস

কৰা নাই, বিপ্লৱৰ পৰা যি ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক ব্যৱস্থাৰ জন্ম হ'ল, তাৰহে ইতিহাস লেখাৰ কথা ভাবিছো।" অধ্যাপক অমলেশ ত্ৰিপাঠীয়ে অভিমত দি লেখিছিল যে স্পষ্টকৈ ক'তো বীৰ বন্দনাক প্ৰশ্ৰয় নিদিলেও কাৰৰ চোভিয়েট ৰুচিয়াৰ ইতিহাসৰ প্ৰাণ-পুৰুষ আছিল লেনিন, ঠিক যিদৰে মমচেনে লিখা ৰোম সাধাৰণতন্ত্ৰৰ ইতিহাসৰ প্ৰাণ-পুৰুষ চীজাৰ আছিল। ৰাচিয়াৰ ইতিহাসত ১৯১৭ চনৰ পৰা ১৯২৯ চনলৈকে ৰাচিয়াৰ উত্তৰণক কাৰে লেনিন ষ্টেলিনলৈ উত্তৰণ হোৱা বুলি গণ্য কৰিছিল। বিশ্বৰ অন্যত্ৰ বিপ্লৱৰ পৃষ্ঠপোষকতা কৰিবলৈ আৰু জনসাধাৰণক ক্ষমতা প্ৰদান কৰিব পৰা প্ৰতিজ্ঞাবদ্ধ (Committed) বিপ্লৱীৰ সৰু দল এটাৰ এজন বুলি লেনিনে নিজকে গণ্য কৰিছিল। আনহাতে ষ্টেলিনে তেওঁৰ সিদ্ধান্তসমূহ নিজেই ল'বৰ বাবে সম্পূৰ্ণ কৰ্তৃত্ব বিচাৰিছিল আৰু বিৰোধীসকলৰ বাবে কঠোৰ হৈছিল। ষ্টেলিনে ৰাচিয়াৰ আত্ম-নিৰ্ভৰশীলতাৰ বাবে প্ৰশানযন্ত্ৰক কঠোৰভাৱে নিয়ন্ত্ৰণ কৰিছিল আৰু বিশ্ব-বিপ্লৱৰ নীতি প্ৰত্যাহাৰ কৰি সৰ্বপ্ৰথমে ৰাচিয়াক সকলো দিশতে আত্ম-নিৰ্ভৰশীল কৰি তুলিবলৈ বিচাৰিছিল। কুমিন্টাৰ্ণ নীতিক চোভিয়েট ৰাচিয়াৰ নীতিলৈ পৰিৱৰ্তিত কৰিছিল আৰু সমাজবাদক ৰাচিয়াৰ জাতীয়তাবাদৰ লগত একাকাৰ কৰি লৈছিল। তৎসত্বেও কাৰে আমাক সোঁৱৰাই দিয়ে যে কেৱল ষ্টেলিনেহে ৰাচিয়াক মহান ঔদ্যোগিক শক্তিত পৰিণত কৰিছিল। ১৯৭৮ চনত পেৰি এণ্ডাৰচনৰ (Perry Anderson) লগত হোৱা সাক্ষাৎকাৰ এটাত কাৰে কৈছিল যে যদিহে লেনিন তেওঁ সম্পূৰ্ণ প্ৰতিভাৰে (Faculties) সৈতে কুৰিৰ আৰু ত্ৰিশৰ দশকলৈকে জীয়াই থাকিলেহেঁতেন, তেৰোঁ ষ্টেলিনে সন্মুখীন হোৱা একেখিনি সমস্যাৰেই সন্মুখীন হ'ব লাগিলেহেঁতেন। তেনে পৰিস্থিতিত লেনিনৰো যাত্ৰাপথ সুগম নহ'লহেঁতেন; কিন্তু ষ্টেলিনৰ হাতত যি ঘটি গ'ল, তেনেদৰে বোধকৰো নঘটিলহেঁতেন। ষ্টেলিনে কৰাৰ দৰে তেওঁ নথি-পত্ৰৰ বিকৃতি নঘটালেহেঁতেন। ৰাচিয়াৰ আমোলাতন্ত্ৰৰ আদিম আৰু নিষ্ঠুৰ পৰম্পৰাৰ (Primitive and cruel traditions of Russian bureaucracy) সংমিশ্ৰণত ষ্টেলিনৰ ব্যক্তিত্বই বিপ্লৱলৈ ওপৰৰ পৰা এবিধ বিশেষ ধৰণৰ পাশৱিক গুণ জাপি দিছিল। অৱশ্যে কাৰে সেইটোক ইতিহাসৰ আকস্মিকতা বা দুৰ্ঘটনা (accident of history) বুলিহে অভিমত দিছিল। তথাপিতো তেওঁৰ চৈধ্যটা খণ্ডত সমাপ্ত ৰাচিয়াৰ ইতিহাসখন তেওঁৰ ৰচনাৰ কীৰ্তিস্তম্ভ আৰু বস্তুনিষ্ঠ ইতিহাস ৰচনাৰ ক্ষেত্ৰত মাইলস্তম্ভ হিছাপেই স্বীকৃত হৈ আছে।

কলেবৰ অৰ্থাৎ পৃষ্ঠাৰ সংখ্যাৰ ফালৰ পৰা কাৰৰ What is History গ্ৰন্থখন সৰু, কিন্তু অত্যন্ত জনপ্ৰিয়, বিতৰ্কিত আৰু ইতিহাস সম্পৰ্কে তেওঁৰ জ্ঞান আৰু উপলব্ধিৰ ব্যাপ্তি আৰু গভীৰতাৰ দলিল। ইমান ব্যাপক আৰু জটিল বিষয় এটা অতি সহজ-সৰলভাৱে আৰু সংক্ষিপ্তকৈ কাৰৰ পূৰ্বে কোনোৰেই প্ৰকাশ কৰা নাছিল। ১৯৬১ চনত কাৰৰ What is History প্ৰকাশ হোৱাৰ পিছত ইতিহাস-তত্ত্ব বৌদ্ধিক আলোচনা

আৰু গৱেষণাৰ বিষয় হিচাপে গোটেই পৃথিৱীতে জনপ্ৰিয় হৈ পৰিল। ইতিহাস ৰচনাৰ ৰীতি আৰু কৌশলৰ নতুন পৰীক্ষা-নিৰীক্ষাও বিশ্বৰ বিভিন্ন প্ৰান্তত আৰম্ভ হ'ল। গ্ৰন্থখনত প্ৰকাশ পোৱা কাৰৰ কিছু মতামত সৰ্বজনগ্ৰাহ্য নহ'ব পাৰে, তৎসত্বেও কিন্তু সেয়া সুকীয়া আৰু স্বতন্ত্ৰ মতবাদ হিচাপেই স্বীকৃত।

১৯৬১ চনৰ জানুৱাৰী-মাৰ্চ মাহত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত George Macaulay Trevelyan স্মাৰক বক্তৃতামালাৰ ছয়োটা বক্তৃতাক সামৰি ১৯৬১ চনত What is History প্ৰকাশ পায়। তথ্য কি, ঐতিহাসিকে কিদৰে তথ্যৰ ব্যৱহাৰ কৰে, ব্যক্তি আৰু সমাজৰ আন্তঃক্ৰিয়া কি, কেনেদৰে বসবাস কৰা সমাজ, পৰিবেশ আৰু পাৰিপাৰ্শ্বিকতাই ঐতিহাসিক দৃষ্টিকোণ আৰু দৰ্শন গঢ় দিয়ে; ইতিহাস, বিজ্ঞান আৰু নৈতিকতাৰ সম্পৰ্ক আৰু ভূমিকা কি; ইতিহাসত কাৰ্যকাৰণ তত্বৰ ভূমিকা; নিৰৱচ্ছিন্ন প্ৰগতিৰ কাহিনী হিচাপে ইতিহাস, ইতিহাসৰ প্ৰসাৰমান দিগন্ত ইত্যাদি বিষয়বস্তুক ছয়টা সুকীয়া সুকীয়া অধ্যায়ত সামৰি লৈছে।

উনৈশ শতিকাটোক তথ্যৰ মহান যুগ বুলি কাৰে মন্তব্য দিছিল। উনৈশ শকিতাটোত ইতিহাস সম্পৰ্কে প্ৰত্যক্ষবাদীসকলৰ (Positivists) দৃষ্টিভংগী জন লকৰ (Locke) পৰা আৰম্ভ কৰি বাৰ্ট্ৰাণ্ড ৰাছেললৈকে অভিজ্ঞতাবাদী বা অনুভৱবাদীসকলৰ (Empiricists) লগত খাপ খাইছিল। সেয়ে ইতিহাস সম্পৰ্কে দুয়োটা দাৰ্শনিক গোষ্ঠীৰ দৃষ্টিভংগী একে আছিল। তেওঁলোকৰ মতে প্ৰথমে তথ্য নিৰ্ণয় কৰা আৰু পাছত সেইবোৰৰ ভিত্তিত সিদ্ধান্তলৈ অহা। তেওঁলোকৰ মতে ইন্দ্ৰিয় সংবেদনৰ দৰেই তথ্যই পৰ্যবেক্ষকক বাহিৰৰ পৰা আঘাত কৰে আৰু তথ্য ঐতিহাসিকজনৰ চেতনাৰ পৰা স্বতন্ত্ৰ। তথ্য গ্ৰহণৰ প্ৰক্ৰিয়াটো সুপ্ত (passive), তথ্য গ্ৰহণৰ পিছতহে ঐতিহাসিকে সেইবিলাকৰ ওপৰত ক্ৰিয়া কৰে। কাৰৰ মতে ইয়াকে সচৰাচৰ বা সৰ্বসাধাৰণ দৃষ্টিভংগীৰ ইতিহাস (common-sense view of history) বুলি কোৱা হয়। ইয়াৰ মতে সুনিশ্চিত তথ্যৰ সাৰ সংকলনেই ইতিহাস। ঐতিহাসিকৰ বাবে তথ্যসমূহ মাছ বেচা মানুহৰ চালনীত থকা মাছৰ দৰে নথি, লিপি আদিত উভৈনদী হৈ থাকে। ঐতিহাসিকে সেইবোৰ সংগ্ৰহ কৰে, ঘৰলৈ নিয়ে, ৰান্ধে আৰু যিটো ষ্টাইলেই তেওঁৰ ভাল লাগে, সেইমতেই পৰিবেশন কৰে। এওঁলোকে 'বিতৰ্কিত ব্যাখ্যাৰ আবেষ্টিত মগুহ'তকৈ (Surrounding pulp of disputable facts) 'তথ্যৰ কঠিন শাহ'টোক (hard core of facts) বেচি পছন্দ কৰে। ৰগৰ কৰি কাৰে কৈছিল যে— "ফলৰ কঠিন শাহটোতকৈ মগুহাল অংশটো অধিক লাভজনক বুলি এওঁলোকে পাহৰি থাকে।" পোনপটীয়াকৈ তথ্য সংগ্ৰহ কৰক আৰু তাৰ পিছত নিজৰ বিক্ষত ব্যাখ্যাৰ অস্থায়ী বালিগৰাত (shifting sands of interpretation) জাঁপ দিয়ক,— এম্পিৰিকেল আৰু কমনচেন্স গোষ্ঠীৰ ইতিহাসৰ এয়ে অন্তিম প্ৰজ্ঞা। কাৰৰ মতে এইটো শুদ্ধ নহয়। হাউচমেনৰ (A.E. Housman)

বক্তব্য 'Accuracy is a duty, not a virtue' উদ্ধৃত কৰি কাৰে কৈছিল যে— "ঐতিহাসিকক তথ্যৰ নিৰ্ভুলতাৰ বাবে প্ৰশংসা কৰিবলৈ হ'লে এজন স্থপতিবিদক পৰিপক্ক কাঠ অথবা সুমিশ্ৰিত কংক্ৰিট ব্যৱহাৰৰ কাৰণে প্ৰশংসা কৰাৰ দৰে হ'ব।"

"ঐতিহাসিকৰ বাবে নিৰ্ভুলতা প্ৰয়োজনীয় (necessary) চৰ্ত হ'ব পাৰে, কিন্তু তেওঁৰ অপৰিহাৰ্য (essential) কৰ্তব্য নহয়। ইয়াৰ কাৰণে ঐতিহাসিকজনে ইতিহাসৰ 'সহায়ক বিজ্ঞান' (Auxiliary Sciences) প্ৰত্নতত্ত্ব, শিলালিপি, মুদ্ৰাতত্ত্ব, কালপঞ্জি আদিৰ ওপৰত নিৰ্ভৰ কৰিব পাৰে। তথ্যই নিজেই ইতিহাস ক'ব পাৰে বুলি কোৱাটো সত্য নহয়। ঐতিহাসিকে বিচৰা মতেহে তথ্যই ইতিহাস কয়; ঐতিহাসিকেহে সিদ্ধান্ত ল'ব কোনখিনি তথ্য তেওঁ কি প্ৰসংগত পৰিবেশ কৰিব।..... ঐতিহাসিক এজনৰ দ্বৈত দায়িত্ব এয়ে যে তেওঁ কিছুমান তাৎপৰ্যপূৰ্ণ (significant) তথ্য আৱিষ্কাৰ কৰি সেইবোৰক ঐতিহাসিক তথ্যলৈ ৰূপান্তিৰত কৰিব লাগিব আৰু আন বহুবোৰ তাৎপৰ্যহীন (insignificant) তথ্যক অনৈতিহাসিক (unhistorical) বুলি প্ৰত্যাখ্যান কৰিব লাগিব। পৰ্যাপ্ত পৰিমাণৰ অবিতৰ্কিত (irrefutable) আৰু বস্তুনিষ্ঠ (objective) তথ্যৰ সমাবেশকে ইতিহাস বুলি গণ্য কৰা জনে হয় বেয়া কাম বুলি ইতিহাস পৰিত্যাগ কৰিব লাগিব, নহ'লে ডাক-টিকট সংগ্ৰহত ধৰিব লাগিব, অথবা কিবা প্ৰকাৰৰ পুৰাতত্ত্ব চৰ্চা কৰিব লাগিব, নহ'লে পগলা ফাটেকত জীৱন সামৰিব লাগিব। তথ্য উদং থৈলা এটাৰ দৰে, তাত আপুনি কিবা কিছুমান ভৰাই নিদিয়ালৈকে সি নিজে পোন হৈ উঠিব নোৱাৰে। পোন কৰিবলৈ ভৰাবলগীয়াখিনিয়েই হৈছে ঐতিহাসিক ব্যাখ্যা, তথ্যৰ ব্যাখ্যা (interpretation)। ঐতিহাসিকৰ তথ্য বাস্তৱিকতে মৎস ব্যৱসায়ীৰ চালনীত থকা মাছৰ দৰে নহয়। সেইবোৰ বিশাল আৰু কোনো সময়ত দুৰ্গম মহাসমুদ্ৰত সাঁতুৰি ফুৰা মাছৰ নিচিনাহে। ঐতিহাসিকে কি ধৰণৰ মাছ ধৰিব সেইটো আংশিকভাৱে আকস্মিকতাৰ (chance) আৰু প্ৰধানকৈ মহাসাগৰৰ কোন অংশত মাছ ধৰিবলৈ তেওঁ পছন্দ কৰিব আৰু কি সঁজুলি ব্যৱহাৰ কৰিব তাৰ ওপৰতে নিৰ্ভৰ কৰিব। এই দুয়োটা উপাদান আকৌ নিৰ্ভৰ কৰিব— কি ধৰণৰ মাছ তেওঁ ধৰিবলৈ বিচাৰে তাৰ ওপৰত। মোটামুটিভাৱে ঐতিহাসিকে তেওঁ বিচৰা তথ্য পাবগৈ। ইতিহাস মানে ব্যাখ্যা (interpretation)। ইতিহাস হৈছে 'বিতৰ্কিত তথ্যৰ মগুহে আগুৰা ব্যাখ্যাৰ কঠিন শাহ'— "a hard core of interpretation surrounded by a pulp of disputable facts."

তথ্যই নিজাকৈ ইতিহাস ক'ব পাৰে বুলি ভবা অভিজ্ঞতাবাদীসকলৰ বাবে ঐতিহাসিক নথিৰ গুৰুত্ব অসীম। আনকি উনবিংশ শতিকাত তেওঁলোকে কেৱল তথ্যৰেই জড়োপাসনা কৰা নাছিল, নথি-পত্ৰবো (documents) জড়োপাসনাত ব্যস্ত হৈছিল। নথি-পত্ৰৰ তথ্যক ঐতিহাসিকে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত কাৰে দিয়া মন্তব্য অতি চিত্তাকৰ্ষক। তথ্যৰ মন্দিৰত তেওঁলোকৰ বাবে নথি-পত্ৰাদি বিগ্ৰহস্বৰূপে আছিল। শ্ৰদ্ধাবান ঐতিহাসিকে

মুখ দোঁৱাই সেইবিলাকৰ কাষ চাপিছিল আৰু সম্ভ্ৰমেৰে কথা কৈছিল। কাৰে লিখিছিল যে—

"নথিৰ লেখকে যি ভাবিছিল তাতকৈ বৰ বেছি আমাক কোনো লিখিত নথিয়েই ক'ব নোৱাৰে,— তেওঁ যি ভাবিছিল সেয়ে ঘটিছিল, তেওঁ যি ভাবিছিল সেয়াই ঘটা উচিত আছিল বা ঘটিব পাৰে, বা সম্ভৱতঃ কেৱল আনক তেওঁ যি ভবাই তুলিবলৈ বিচাৰিছিল তাকেইহে ভাবিছিল। এইবোৰৰ কোনোটোৱেই একো নুবুজায়, যেতিয়ালৈকে ঐতিহাসিকে সেইবোৰৰ বিচাৰ নকৰে আৰু অৰ্থোদ্ধাৰ নকৰে। তথ্য নথি-পত্ৰতেই পোৱা যাওক বা অন্যতেই পোৱা যাওক, ঐতিহাসিকে প্ৰয়োগ কৰাৰ আগেয়ে সেইবোৰ পৰিশোধিত (Process) কৰি ল'ব লাগিব।"

লিখিত নথিৰ বিশ্বাসযোগ্যতা সম্পৰ্কে সাঁকিয়াই দি কাৰে আক্ষেপৰ সুৰত কৈছিল যে—

"মধ্যযুগৰ মানুহৰ বিষয়ে প্ৰায় সকলোবোৰ জ্ঞাততথ্য তেওঁ (অৰ্থাৎ ঐতিহাসিক বা নথিৰ লেখকে) যিদৰে— বিশ্বাস কৰিছিল আৰু আনেও তেনেদৰেই বিশ্বাস কৰাটোকে বিচৰা মানুহে আমাৰ বাবে পূৰ্ব-নিৰ্বাচিত কৰি থৈ গৈছে, য'ত আমি বিপৰীত সাক্ষ্যও হয়তো পাব পাৰিলোহেঁতেন, সেইবোৰ পুনৰুদ্ধাৰৰ কোনো সম্ভাৱনা নোহোৱাকৈ হেৰাই গ'ল। লুপ্ত প্ৰজন্মৰ ঐতিহ্যৰ বোজা স্বৰূপ ঐতিহাসিক, লিপিকাৰ আৰু কালপঞ্জি লেখোতাসকলে পুনৰ্নিৰ্ধাৰণৰ সম্ভাৱনা পৰ্যন্ত শেষ কৰি অতীতৰ নক্সা নিৰ্ধাৰণ কৰি থৈ গৈছে।" ঐতিহাসিকে লেখিবলৈ লোৱা ঐতিহাসিক যুগৰ সমাজ বা ব্যক্তিৰ অন্তৰঙ্গতা অনুভৱ বা আয়ত্ব নকৰিলে অতীত অৱলোকন যথাযথ নহ'বও পাৰে। কাৰে অতীতৰ প্ৰতি ঐতিহাসিকক 'সহানুভূতিশীল' নহ'বৰ বাবে সতৰ্ক কৰি দি কৈছে যে—

"অতীত সম্পৰ্কে এক 'কল্পিত অন্তৰ্দৃষ্টিয়েহে' (imaginative understanding) ঐতিহাসিকক অতীত সম্পৰ্কে সঠিককৈ বুজাত সহায় কৰিব।..... অতীতক ভালপোৱাটো পুৰণি মানুহ আৰু পুৰণি সমাজৰ প্ৰতি স্মৃতিকাতৰ ৰোমান্টিকতাৰ (Nostalgic romanticism) প্ৰকাশ হৈ পৰিব পাৰে আৰু বৰ্তমান বা ভৱিষ্যত সম্পৰ্কে বিশ্বাস আৰু আগ্ৰহ হেৰুৱাই পেলাব পাৰে।.... অতীতক ভালপোৱা নাইবা অতীতৰ পৰা নিজকে মুক্ত কৰি লোৱাটো— এই দুইটাৰে এটাও ঐতিহাসিকৰ কৰ্তব্য নহয়; বৰ্তমানক বুজাৰ চাবিকাঠি হিছাপে অতীতক আয়ত্বাধীন কৰা আৰু বুজাহে তেওঁৰ কৰ্তব্য।"

তথ্য আৰু ঐতিহাসিকৰ সম্পৰ্কৰ সন্ধানে আমাক এটা সংকটজনক পৰিস্থিতিৰ মুখামুখি কৰাই দিয়ে। ঐতিহাসিকে বস্তুনিষ্ঠ বা তন্ময় (objective) তথ্য সংকলন, ব্যাখ্যাৰ ওপৰত তথ্যৰ নিঃচৰ্ত প্ৰাধান্যৰ শিলাখণ্ড (Scylla) আৰু ইতিহাসক ঐতিহাসিকৰ মৃন্ময় (subjective) মনৰ ফচল বুলি কোৱা চাকনৈয়াৰ (charybdis) মাজত জাহাজ চলাবলগীয়া হয়। কাৰে সেয়ে কৈছিল যে—

"ঐতিহাসিকজন তেওঁৰ তথ্যৰ নিমাখিত ভৃত্য অথবা স্বৈৰাচাৰী প্ৰভু নহয়। ঐতিহাসিক আৰু তেওঁৰ তথ্যৰ সম্পৰ্ক হ'ল সমতা, পৰস্পৰে এৰাধৰাৰ সম্পৰ্ক।.... ঐতিহাসিক আৰু ইতিহাসৰ তথ্য দুয়ো দুয়োৰে বাবে এৰাব নোৱাৰা। তথ্য অবিহনে ঐতিহাসিকজন ঠেৰহীন আৰু অসাৰ্থক; আকৌ ঐতিহাসিক অবিহনেও তথ্য মৃত আৰু অৰ্থশূন্য। ইতিহাস কি বুলি উত্থাপন কৰা প্ৰশ্নটোৰ প্ৰথম উত্তৰটো হ'ল ঃ ইতিহাস হৈছে ঐতিহাসিক আৰু তেওঁৰ তথ্যৰ মাজৰ পাৰস্পৰিক আন্তঃক্ৰিয়াৰ এক নিৰবচ্ছিন্ন প্ৰক্ৰিয়া, অতীত আৰু বৰ্তমানৰ মাজত অন্তহীন সংলাপ।"

ব্যক্তিক সমাজৰ পৰা সুকীয়াকৈ ভাবিব নোৱাৰি, দুয়ো অবিচ্ছেদ্য। জন্মৰ লগে লগেই সমাজ আৰু পাৰিপাৰ্শ্বিকতাই ব্যক্তিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। ভাষা, বিশ্বাস, আচাৰ-সংস্কাৰ আদি ব্যক্তিজীৱনৰ মৌলিক বৈশিষ্ট্যবোৰ আমি জন্ম হোৱা, বাস কৰা সমাজখনৰ পৰাই আয়ত্ব কৰি লওঁ। ঐতিহাসিকজনো এজন ব্যক্তি, সামাজিক প্ৰাণী। অন্য মানুহৰ দৰেই তেৰোঁ তেওঁ বাসকৰা সমাজখনৰ সৃষ্টি আৰু সচেতন কিম্বা অসচেতন মুখপাত্ৰ। এনে এটা স্থিতিৰ পৰাই ঐতিহাসিকজনে ঐতিহাসিক অতীতৰ তথ্য বিচাৰে। আমি কেতিয়াবা ইতিহাসক 'চলন্ত শোভাযাত্ৰা' (moving procession) বুলি কওঁ। ঐতিহাসিকে ঈগলৰ দৰে ওপৰৰ পৰা বা ভি. আই. পি. লোকে পেৰেডত অভিবাদন গ্ৰহণত পৰ্যবেক্ষণ কৰাৰ দৰে অতীত পৰ্যবেক্ষণ কৰিব নোৱাৰে। ঐতিহাসিকজনো শোভাযাত্ৰাটোৰ আন এটা অংশত কষ্ট কৰি খোজ দি যোৱা নিমাখিত প্ৰাণীহে (dim figure)। এবাৰ সোঁৱে, এবাৰ বাওঁে অথালি-পথালিকৈ গৈ থাকোঁতে শোভাযাত্ৰাটোৰ বিভিন্ন অংশৰ আনুষঙ্গিক স্থিতিও অবিৰতভাবে পৰিবৰ্তিত হৈ যায়। ঐতিহাসিকজনকো সামৰি শোভাযাত্ৰাটো আগবঢ়াৰ লগে লগে নতুন কল্পদৃষ্টি আৰু নতুন দৃষ্টিকোণ অহৰহ তেওঁৰ চিন্তাত উপস্থিত হয়। শোভাযাত্ৰাটোৰ যিটো স্থানত তেওঁ নিজকে বিচাৰি পায়, সিয়েই অতীত সম্পৰ্কে তেওঁৰ দৃষ্টিভংগী নিৰ্ধাৰণ কৰে। সেয়ে কাৰে দুটা গুৰুত্বপূৰ্ণ সত্যলৈ আঙুলিয়াই দি কৈছিল—

"প্ৰথমতে, ঐতিহাসিকজনে নিজে কোনটো দৃষ্টিকোণৰ পৰা বিষয়টো পৰ্যবেক্ষণ কৰিছে সেইটো অনুধাৱন কৰি নোলোৱাকৈ ঐতিহাসিকজনৰ লেখা আপুনি কেতিয়াও সম্পূৰ্ণকৈ বুজিব বা উপলব্ধি কৰিব নোৱাৰিব; দ্বিতীয়তে, সেই দৃষ্টিকোণ আকৌ নিজেই এক সামাজিক আৰু ঐতিহাসিক পটভূমিত শিপাই থাকে। পাহৰি নাযাব যে—এসময়ত মাৰ্ক্সে কোৱাৰ দৰে শিক্ষকেও নিজকে শিক্ষিত কৰি ল'ব লাগিব। আধুনিক বাগাড়ম্বৰে (jargon) ক'বলৈ হ'লে Brain wash কৰা জনৰেই আপোনা-আপুনি Brain wash হৈ যায়।"

ঐতিহাসিকজনো যিহেতু সামাজিক প্ৰাণী, তেওঁ বসবাস কৰা, তেওঁ কাম কৰা সমাজখন তেওঁৰ লেখাত বিম্বিত হৈ পৰে। কাৰে নিজেই স্বীকাৰ কৰিছিল যে দ্বিতীয়

বিশ্বযুদ্ধৰ আগত, যুদ্ধখন চলি থাকোঁতে আৰু যুদ্ধৰ পিছত লেখা তেওঁৰ লেখাবোৰতো স্ব-বিৰোধিতা (contradictions) আৰু বিসঙ্গতি (inconsistencies) বিচাৰি পোৱা যাব। বিগত পঞ্চাশ বছৰত বিশ্ব জোকাৰি যোৱা ঘটনাৱলীৰ দ্বাৰা প্ৰভাৱিত নোহোৱা ঐতিহাসিক তেওঁৰ ঈৰ্ষাৰ পাত্ৰ বুলি অভিহিত কৰি কাৰে কৈছিল—

"কেৱল ঘটনাহে (events) যে প্ৰবহমান, এইটো নহয়। ঐতিহাসিক নিজেও প্ৰৱাহিত। আপুনি যেতিয়া ইতিহাসগ্ৰন্থ এখন পঢ়িবলৈ লয়, বেটুপাতত গ্ৰন্থকাৰৰ নামটো চোৱাই যথেষ্ট নহয়,— প্ৰকাশনৰ তাৰিখ বা লিখাৰ তাৰিখলৈকো চাওক— এইটোহে কেতিয়াবা বেছি অৰ্থবোধক (revealing)। আমি একেখন নদীতে দুবাৰ খোজ দিব নোৱাৰো বুলি কোৱা দাৰ্শনিকগৰাকী যদি সঁচা হয়, তেন্তে একেই কাৰণতে এইটোও সম্ভৱতঃ সত্য যে একেজন ঐতিহাসিকেই দুখন কিতাপ লেখিব নোৱাৰে।"

অৰ্থাৎ ঘটনা প্ৰৱাহ আৰু প্ৰবহমান সামাজিক ঐতিহাসিক পটভূমিৰ পৰিপ্ৰেক্ষিতত প্ৰতিখন গ্ৰন্থৰ লগতে এজন সুকীয়া লেখক বা ঐতিহাসিক প্ৰতিভাত হৈ পৰে। দৃষ্টিকোণো সুকীয়া হৈ পৰে। এজন ঐতিহাসিকেই দুখন গ্ৰন্থত দুজন সুকীয়া ঐতিহাসিক হিচাপে বিৰিঙি উঠাৰ উদাহৰণ হ'ল জৱাহৰলাল নেহৰু। ১৯৩৩ চনত Glimpses of World History লেখা জৱাহৰলাল নেহৰুজন দ্বিতীয় বিশ্বযুদ্ধৰ পাছত ১৯৪৬ চনত Discovery of Indiaৰ নেহৰুজন একে নহয়। প্ৰৱাহিত শোভাযাত্ৰাৰ দুটা সুকীয়া স্থিতিত দুটা দৃষ্টিকোণৰ ইতিহাস লেখা আমি দুজন জৱাহৰলাল নেহৰুক দেখিবলৈ পাওঁ। সেয়ে কাৰে মন্তব্য দিছিল—

"মই পূৰ্ব বক্তৃতাত কৈছিলো যে ইতিহাস অধ্যয়ন কৰাৰ আগেয়ে ঐতিহাসিকজনক অধ্যয়ন কৰক। এতিয়া মই সংযোগ কৰিম যে ঐতিহাসিকজনক অধ্যয়ন কৰাৰ আগতে তেওঁৰ ঐতিহাসিক আৰু সামাজিক বাতাবৰণ অধ্যয়ন কৰক। এজন ব্যক্তি হিচাপে ঐতিহাসিকজনো ইতিহাস আৰু সমাজৰে সৃষ্টি আৰু এই দ্বৈত দৃষ্টিকোণৰপৰাই ইতিহাসৰ ছাত্ৰই ঐতিহাসিকজনক বুজিবলৈ শিকিব লাগিব।"

হেগেলে লেখিছিল যে এটা যুগৰ মহৎ লোক সেইজনেই, যি তেওঁৰ যুগৰ আকাঙ্ক্ষাক (will) বাংময় কৰি তুলিব পাৰে, তেওঁৰ সমাজক ক'ব পাৰে তেওঁৰ সমাজৰ আকাঙ্ক্ষা কি আৰু সেই আকাঙ্ক্ষাক বাস্তৱায়িত কৰিব পাৰে। তেওঁ যি কৰে সেয়াই হৈছে তেওঁৰ যুগৰ প্ৰাণ আৰু সত্তা; তেওঁ তেওঁৰ যুগক বাস্তৱায়িত (actualises) কৰে। কাৰে তিনিপ্ৰকাৰৰ মহৎলোক চিনাক্ত কৰিছিল। উচ্চ পৰ্যায়ৰ সৃজনী প্ৰতিভা থকা মহৎ লোকে তেওঁলোকক মহত্বলৈ লৈ যোৱা শক্তিসমূহক সৃষ্টি কৰিব পাৰে, গঢ় দিব পাৰে। ক্ৰমৱেল, লেনিন এই শ্ৰেণী মহৎ ব্যক্তি আছিল। ইতিমধ্যে সৃষ্টি হৈ থকা শক্তিসমূহৰ বোকোচাত উঠি আন কিছুমান লোক মহৎ হয়। নেপোলিয়ন, বিচমাৰ্ক, গান্ধীজী এই শ্ৰেণীৰ মহৎ লোক আছিল। আৰু এক শ্ৰেণী মহৎ লোক আছে, যি নিজৰ

যুগৰ চিন্তা-ভাবনাতকৈ ইমানেই আগবঢ়া হয় যে সমসাময়িক সমাজে তেওঁৰ মহত্ব চিনিবই নোৱাৰে, পৰৱৰ্তী প্ৰজন্মইহে বুজি উঠেগৈ। কাৰে সেয়ে কৈছিল যে এইটো চিনাক্ত কৰি লোৱাটো অপৰিহাৰ্য যে প্ৰতিজন মহৎ লোকেই এজন বিশিষ্ট (outstanding) ব্যক্তি, যি একে সময়তে ঐতিহাসিক প্ৰক্ৰিয়াটোৰ জাতক আৰু কাৰক (agent), আকৌ একেসময়তে যিয়ে মানুহৰ চিন্তা আৰু পৃথিৱীৰ ৰূপৰ (Shape) পৰিবৰ্তনৰ সাধন কৰিব পৰা সামাজিক শক্তিসমূহৰ প্ৰতিনিধি (representative) আৰু স্ৰষ্টা। ইয়াৰ আঁত ধৰি কাৰে কৈছিল যে—

"ইতিহাস হৈছে এক সামাজিক প্ৰক্ৰিয়া য'ত ব্যক্তিক সামাজিক সত্তা হিছাপে প্ৰয়োগ কৰা হয় আৰু আমাৰ পথত থিয় কৰোৱা সমাজ আৰু ব্যক্তিৰ মাজৰ কল্পিত বিৰোধক আমাৰ চিন্তাক আউল লগাবলৈ ব্যৱহাৰ কৰা অলীক তত্ত্বৰ (red herring) বাহিৰে আন একো নহয়। ঐতিহাসিক আৰু তেওঁৰ তথ্যৰ মাজৰ পাৰস্পৰিক আন্তঃক্ৰিয়াৰ যি প্ৰক্ৰিয়াৰ কথা কোৱা হৈছিল, যাক অতীত আৰু বৰ্তমানৰ মাজত সংলাপ বুলি কোৱা হৈছিল, সেয়া বিমূৰ্ত (abstract) আৰু নিঃসঙ্গ (isolated) ব্যক্তিৰ পৰিবৰ্তে বৰ্তমান আৰু অতীত সমাজৰ মাজৰ সংলাপহে। বৰ্তমানৰ পোহৰতহে আমাৰ বাবে অতীত বোধগম্য হৈ উঠিব পাৰে, আকৌ অতীতৰ পোহৰতহে আমি বৰ্তমানটো বুজি উঠিব পাৰিম। অতীতৰ সমাজক বুজি উঠিবলৈ সক্ষম কৰি তোলা আৰু বৰ্তমানৰ সমাজৰ ওপৰত মানুহৰ প্ৰভুত্ব (mastery) বৃদ্ধি কৰোৱাই ইতিহাসৰ দ্বৈত কৰ্তব্য।"

১৯০৩ চনৰ জানুৱাৰী মাহত দিয়া বক্তৃতা এটাত বিউৰিয়ে (J.B. Bury) ঘোষণা কৰিছিল যে ইতিহাসো বিজ্ঞান ঃ বঢ়াও নহয়, টুটাও নহয় (nothing more, nothing less)। বিজ্ঞানীৰ পৰিবৰ্তে ঐতিহাসিকেই ইয়াৰ বিৰোধিতা কৰিছিল। কাৰে যুক্তি সহকাৰে কৈছিল যে প্ৰাকৃতিক বিজ্ঞানৰ দৰে নহ'লেও পদ্ধতি (method) আৰু উদ্দেশ্যৰ ক্ষেত্ৰত ইতিহাসেও বিজ্ঞানৰ দৰেই সামাজিক দায়িত্ব পালন কৰে। ঐতিহাসিকে অতীত অনুসন্ধানৰ বাবে ব্যৱহাৰ কৰা যুক্তিসংগত ধাৰণা বা প্ৰকল্পবোৰৰ (hypotheses) বিজ্ঞানীয়ে ব্যৱহাৰ কৰা প্ৰকল্পবোৰৰ সৈতে লক্ষণীয়ভাৱে একে। ইতিহাসত যুগ বিভাজন তথ্য (fact) নহয়, ধাৰণাহে (hypotheses)। আনকি ইতিহাসক ভৌগোলিক পৰিসীমাৰে ভাগ কৰাও এটা ধাৰণাহে, তথ্য নহয়। ইতিহাসেও কোনো একক বা অনন্যক (Unique) লৈ ব্যস্ত নহয়। তাৰ বিপৰীতে একক আৰু সাধাৰণক (General) লৈয়ে ইতিহাসৰ কাৰবাৰ। ই ইতিহাসে পুনৰাবৃত্তি কৰে বুলি কোৱা সাধাৰনিকৰণো (generalisation) নহয়। বিভিন্ন সময়ত ঘটা দুটা বা ততোধিক ঐতিহাসিক ঘটনাৰ চকুতলগাকৈ সাদৃশ্য থকা যেন লাগিলেও ঘটনাবোৰৰ পৰিণাম সম্পূৰ্ণ সুকীয়া সুকীয়া হয়। তেনেদৰেই ইতিহাসে একোৱেই নিশিকায় বুলি কোৱা অভিযোগো সত্য নহয়। কাৰে সেয়ে কৈছিল—

"ইতিহাসৰ পৰা শিকা কেতিয়াও একপক্ষীয় প্ৰক্ৰিয়া নহয়। অতীতৰ পোহৰত

বৰ্তমান জানিবলৈ হ'লে বৰ্তমানৰ পোহৰত অতীতক শিকিব লাগিব। দুয়োটাৰে— আন্তঃসম্পৰ্কৰ (interrelation) যোগেদি অতীত আৰু বৰ্তমান সম্পৰ্কে গভীৰ প্ৰজ্ঞা (understanding) বঢ়াই তোলাই ইতিহাসৰ কৰ্তব্য।"

ঐতিহাসিক এজন ফাঁচীৰ হুকুম জাৰি কৰা বিচাৰক নহয়। সেয়ে ঐতিহাসিকৰ আলোচ্য চৰিত্ৰ সম্পৰ্কে ব্যক্তিগত ঘটনাৰ ওপৰত ৰায় (Judgement) নিদিয়াটোৱেই তেওঁৰ কৰ্তব্য হোৱা উচিত। অষ্টম হেন্‌ৰি এজন বেয়া স্বামী অথচ ভাল ৰজা আছিল। বেয়া স্বামী হোৱাটোৱে তেওঁ জড়িত ঐতিহাসিক ঘটনা প্ৰভাৱিত কৰিলে তেনে কাৰ্য ঐতিহাসিকৰ বিচাৰ্য হৈ পৰিব পাৰে। কিন্তু ঘটনাৱলী, অনুষ্ঠান অথবা অতীতৰ প্ৰশাসনীয় নীতি (policies) আদি সম্পৰ্কে ঐতিহাসিকে নিজা ৰায় দিব পাৰে। ইতিহাস মানেই হৈছে এনে এক সংগ্ৰামৰ প্ৰক্ৰিয়া, য'ত,— ভালেই হওক বা বেয়াই হওক, কোনোবা এটা দল জিকিবই, কোনোবা এটা দল হাৰিবই। দুয়োটাৰে ভিতৰত যিহেতু এটা জিকিবই, তেনেক্ষেত্ৰত হৰাটোৱেই সকলোখিনি ভৰিবলগীয়া হয়গৈ। কষ্টভোগ বা নিৰ্যাতন (suffering) ইতিহাসত সহজাত (indigenous)। ইতিহাসৰ প্ৰতিটো মহান যুগতে যিদৰে বিজেতা আছে, ঠিক তেনেদৰেই আহত-নিহতো (causalities) আছে। সেইবোৰৰ উচিত-অনুচিত জোখাৰ কোনো মাপকাঠি নাই যদিয়ো কিবা এটা নিৰপেক্ষ মূল্যায়ণ কৰাটো বাঞ্ছনীয়। বচৱেলে (Boswell) লেখাৰ দৰে সাধাৰণ সমতাৰ ক্ষেত্ৰত কোনোৱেই সুখী নোহোৱাতকৈ কোনোবা কিছুমান অসুখী হোৱাই শ্ৰেয় (it is better that some should be unhappy than that none should be happy.)। সেয়ে কাৰে মন্তব্য দিছিল যে—

"আমি যেতিয়া দেখ্‌দেখ্‌কৈ চূড়ান্ত আৰু অনা-ঐতিহাসিক প্ৰমূল্যবোৰ বিবেচনা কৰি চাওঁ, তেতিয়া আমি দেখো যে সেইবোৰৰ শিপাও ইতিহাসতে সোমাই আছে। বিশেষ বিশেষ স্থান আৰু কালত বিশেষ এবিধ প্ৰমূল্য বা আদৰ্শৰ আৱিভাৱ সেই স্থান আৰু কালৰ ঐতিহাসিক পৰিস্থিতিয়েই ব্যাখ্যা কৰিব পাৰে। সমতা, স্বাধীনতা, ন্যায় অথবা প্ৰাকৃতিক বিধি-বিধান জাতীয় বিভিন্ন— 'hypothetical absolutes' বোৰৰ বাস্তৱিক বক্তব্যবোৰ (practical Contents) যুগে যুগে বা মহাদেশে মহাদেশে পৃথক পৃথক হয়। প্ৰতিটো গোষ্ঠীৰে (group) নিজা প্ৰমূল্য থাকে, যিবোৰৰ শিপাও ইতিহাসতে পোত খাই থাকে।.... ইতিহাস অথবা সমাজৰ পৰা বিচ্ছিন্ন (divorced) বিমূৰ্ত মান (standard) বা প্ৰমূল্যবোৰ বিমূৰ্ত ব্যক্তিৰ দৰেই ভ্ৰম মাথোন। চিৰিয়াছ ঐতিহাসিক তেৱেঁই, যি ইতিহাসৰ সিপাৰে নিজৰ নিজা প্ৰমূল্যৰ বস্তুনিষ্ঠতাৰ পৰিৱৰ্তে প্ৰমূল্যবোৰৰ ঐতিহ্‌হাসিকভাৱে নিৰ্ধাৰিত চৰিত্ৰ চিনাক্ত কৰিব পাৰে।"

কাৰে খোলোচা কণ্ঠৰেই কৈছিল যে ইতিহাসক বিজ্ঞানৰ সংজ্ঞাত অন্তৰ্ভুক্ত কৰাৰ বিৰোধিতা বৈজ্ঞানিকসকলে কৰাৰ পৰিৱৰ্তে ঐতিহাসিক আৰু দাৰ্শনিকসকলেহে কৰি

আহিছে। বিৰোধটোৱে বিজ্ঞান আৰু হিউমেনিটিজৰ মাজত থকা বিভেদমূলক পুৰণি বিভাজনটোকে প্ৰতিফলিত কৰিছে, য'ত বিজ্ঞানক কেৱল প্ৰযুক্তিবিদৰ কৌশল বুলি ভবাৰ বিপৰীতে Humanities এ শাসক শ্ৰেণীৰ বিস্তৃত সংস্কৃতিক প্ৰতিনিধিত্ব কৰিছিল বুলি ভবা হৈছিল। ইতিহাসক বিজ্ঞান বুলি অভিহিত কৰিবলৈ অস্বীকাৰ কৰাটোৱে তথাকথিত 'দুটা-সংস্কৃতি'ৰ (two cultures) দাবীটো চিৰস্থায়ী কৰিব। বিবদমান বিষয়টোৰ সম্পৰ্কত নিজা অভিমত দি কাৰে কৈছিল যে

"বিৰোধটো নিৰাময়ৰ উপায়টো হৈছে বৈজ্ঞানিক আৰু ঐতিহাসিকৰ মাজত অভিন্নতাৰ লক্ষ্যৰ (aim) চিনাক্তকৰণৰ কাৰণে গভীৰ বুজাবুজি সৃষ্টিত উৎসাহ দিব লাগিব আৰু ইয়েই ইতিহাস আৰু বিজ্ঞানৰ দৰ্শনৰ প্ৰতি নতুন আৰু ক্ৰমবৰ্ধমান আগ্ৰহৰ প্ৰধান প্ৰমূল্য হ'ব লাগিব। বিজ্ঞানী, সমাজ বিজ্ঞানী আৰু ঐতিহাসিক সকলোৱেই একেটা অধ্যয়নৰে বিভিন্ন শাখা-প্ৰশাখাত জড়িত হৈ আছে ঃ মানুহ আৰু তাৰ পৰিবেশ অধ্যয়ন, পাৰিপাৰ্শ্বিকতাত মানুহৰ প্ৰভাৱ আৰু মানুহৰ ওপৰত পৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ। অধ্যয়নৰ উদ্দেশ্যও একেই ঃ পাৰিপাৰ্শ্বিকতাৰ ওপৰত মানুহৰ প্ৰজ্ঞা আৰু প্ৰভুত্ব বৃদ্ধি কৰা। পদাৰ্থবিদ, ভূ-তাত্ত্বিক, মনোবৈজ্ঞানিক আৰু ঐতিহাসিকৰ পূৰ্বানুমান (suppositions) আৰু পদ্ধতিৰ খুটি-নাটিত ব্যাপক পাৰ্থক্য আছে হয়, কিন্তু ব্যাখ্যাৰ মৌলিক উদ্দেশ্য আৰু প্ৰশ্নোত্তৰৰ মৌলিক পদ্ধতিৰ সম্পৰ্কত ঐতিহাসিক আৰু প্ৰাকৃতিক বিজ্ঞানী ঐক্যবদ্ধ। অনান্য বিজ্ঞানীৰ দৰেই ঐতিহাসিকজনো এক প্ৰাণী যি নিৰন্তৰ এইটো প্ৰশ্নই সোধে ঃ কিয় (why)?"

প্ৰতিটো ঘটনাৰে এক বা একাধিক কাৰণ থাকে, যিবোৰ আন ধৰণে ঘটিবই নোৱাৰিলেহেঁতেন যদিহে কাৰণবোৰ সুকীয়া নহ'লহেঁতেন। Determinism কেৱল ইতিহাসৰে সমস্যা নহয়, সকলোবোৰ মানৱীয় ব্যৱহাৰৰে সমস্যা। সাধাৰণ মানুহৰ দৰেই ঐতিহাসিকেও বিশ্বাস কৰে যে মানুহৰ কাৰ্যাৱলীৰ পৃষ্ঠভূমিত কাৰণ আছে আৰু সেইবোৰ নিশ্চিত কৰিব পাৰি। তেনেধৰণৰ অনুমান কৰিব নোৱাৰিলে ইতিহাসৰ প্ৰতি আগ্ৰহেই কমি যাব। গতিকে ঐতিহাসিকে কাৰণ অনুসন্ধান কৰিবই লাগিব।

ইতিহাসত আকস্মিকতাৰ (accident) উল্লেখ অতীতৰ পৰাই আছিল। পলিবিয়াচেই (Polybius, 200 B.C to 118 B.C.) সৰ্বপ্ৰথমে ইতিহাসত আকস্মিকতাৰ ভূমিকাৰ উল্লেখ কৰিছিল। মাৰ্ক্সেও লেখিছিল যে ইতিহাসত আকস্মিকতাৰ স্থান নথকাহেঁতেন বিশ্বৰ ইতিহাস বৰ বেছি ৰহস্যবাদী চৰিত্ৰৰ হৈ পৰিলহেঁতেন। কাৰে অৱশ্যে মাৰ্ক্সৰ বিৰোধিতা নকৰাকৈ কৈছিল যে মাৰ্ক্সে ইয়াকেহে বুজাবলৈ বিচাৰিছিল যে আকস্মিকতা বৰ বেছি গুৰুত্বপূৰ্ণ নহয়, কিয়নো ই ঘটনাক ত্বৰান্বিত বা স্থবিৰ কৰিব পাৰে কিন্তু ঘটনাৰ গতিধাৰা সলাই দিব নোৱাৰে। চিৰিয়াচ ঐতিহাসিকে এইটো আঙুলিয়াই দিয়া উচিত যে বহুবোৰ আকস্মিকতা প্ৰকৃততে মুঠেই আকস্মিক নহয়; সেইবোৰ যুক্তিসংগতভাৱে

ব্যাখ্যা কৰিব পাৰি আৰু অৰ্থবহভাৱে উপস্থাপন কৰিবও পাৰি। ঘটনাৰ কাৰণসমূহে ঐতিহাসিকৰ ঐতিহাসিক প্ৰক্ৰিয়াৰ ব্যাখ্যা নিৰ্দ্ধাৰণ কৰে, আকৌ তেওঁৰ ব্যাখ্যাই কাৰণসমূহ নিৰ্বাচন আৰু ক্ৰমানুকৰণ (marshalling) কৰাটো নিৰ্দ্ধাৰণ কৰে। এনে কৰোতে তুলনামূলকভাৱে অৰ্থপূৰ্ণ (significant) কাৰণ বা কাৰণসমূহেই তেওঁৰ ব্যাখ্যাৰ আধাৰ হৈ পৰে। এইক্ষেত্ৰত কাৰৰ বক্তব্য আছিল,—

"কাৰ্য আৰু কাৰণৰ অগণন পৰিণামৰ (sequence) পৰা ঐতিহাসিকে সেইখিনি, কেৱল সেইখিনি বাচি উলিয়াব যিখিনি ঐতিহাসিকভাৱে অৰ্থবহ; সেইখিনিক যুক্তিসিদ্ধ ভাষ্য (explanation) আৰু ব্যাখ্যাৰে সজোৱাটো তেওঁৰ সামৰ্থ্যৰ ওপৰত নিৰ্ভৰ কৰে। কাৰ্যকাৰণৰ বাকীবোৰ পৰিণামক আকস্মিকতাৰ কাৰণে তেওঁ প্ৰত্যাখ্যান কৰিব এইকাৰণে নহয় যে, কাৰ্যকাৰণৰ সম্পৰ্কটো সেইবোৰত সুকীয়া, বৰং এইকাৰণেহে যে, সিহঁত নিজেই অপ্ৰাসংগিক। সেইবোৰক লৈ ঐতিহাসিকে একো কৰিবলৈ নাই, সেইবোৰ যুক্তিবাদী ব্যাখ্যাৰ বাবে খাপ নোখোৱা আৰু সেয়ে অতীত অথবা বৰ্তমানৰ কাৰণে অৰ্থহীন।"

কাৰে ইতিহাসক প্ৰগতি বুলি মনে-প্ৰাণে বিশ্বাস কৰিছিল আৰু দৃঢ়তা আৰু প্ৰত্যয়েৰে সৈতে ৰাজহুৱাকৈ কৈছিল। তেওঁ ইয়াকো কৈছিল যে ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত বৃটেইনৰ প্ৰগতিয়ে শীৰ্ষবিন্দু পোৱাৰ সমসাময়িকভাৱে বৃটেইনত প্ৰগতিৰ মতবাদ (cult of progress) লেখক-ঐতিহাসিকৰ মাজত জনপ্ৰিয় হৈ উঠিছিল আৰু তেনে এটা পৰিবেশতে তেওঁৰো জন্ম হৈছিল। ঊনবিংশ শতিকাৰ অগ্ৰজসকলৰ লগতে তেৰোঁ সমাজৰ প্ৰগতিত বিশ্বাস কৰিছিল। তাৰোপৰি বিজ্ঞান আৰু প্ৰযুক্তিৰ উদ্ভাৱন আৰু প্ৰয়োগে বিশ্বৰ চুকে-কোণে মানুহৰ আধিপত্য বিস্তাৰ হৈছিল। কাৰৰ শিক্ষাগুৰু ডাম্‌পিয়াৰে (William Dampier) ১৯১০ চনত ঘোষণা কৰিছিল যে ভৱিষ্যতৰ যুগবোৰে প্ৰকৃতিৰ সম্পদৰাজিৰ ওপৰত মানুহৰ কৰ্তত্ব আৰু তেওঁৰ স্বজাতিৰ মংগলৰ কাৰণে সেইবোৰৰ বুদ্ধিদীপ্ত ব্যৱহাৰৰ কোনো সীমাই দেখিবলৈ নাপাব। অৱশ্যে ১৯৬১ চনত যেতিয়া স্মাৰক বক্তৃতামালা প্ৰদান কৰিছিল, তাৰ পূৰ্বেই দুখন বিশ্বযুদ্ধই পৃথিৱীত অভূতপূৰ্ব ধ্বংসলীলা সংঘটিত কৰি অবৰ্ণনীয় অত্যাচাৰ দুৰ্যোগেৰে কেইবা কোটি মানুহৰ জীৱন নিপিষ্ট কৰি দিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰে পৰাই আৰম্ভ হোৱা বিশ্বব্যাপ্ত শীতল যুদ্ধই তৃতীয় বিশ্বযুদ্ধ এখনৰ সম্ভাৱনা প্ৰকট কৰি তোলাৰ সময়ত মানুহে সমাজ, সভ্যতা আৰু ইতিহাসৰ প্ৰগতিত আস্থা হেৰুৱাই পেলাইছিল। তেনে হতাশ, দুৰ্যোগ আৰু অনিশ্চয়তাৰ পৰিবেশ সত্বেও কাৰে পৰম প্ৰত্যয়েৰে সমাজ, সভ্যতা আৰু ইতিহাসৰ প্ৰগতিত আস্থাৰ ঘোষণা কৰিছিল।

"ঊন্‌বিংশ শতিকাৰ চিন্তানায়কসকলে স্বীকাৰ কৰি লোৱা সীমিত আৰু স্পষ্টকৈ নিৰ্ধাৰিত ইতিহাসৰ প্ৰগতিৰ লক্ষ্যৰ ধাৰণাটো অলাগতিয়াল আৰু বন্ধ্যা বুলি প্ৰমাণিত

হৈছিল। প্ৰগতিত বিশ্বাস মানে প্ৰগতিৰ কোনো স্বয়ংক্ৰিয় অথবা অনিবাৰ্য প্ৰক্ৰিয়াৰ ওপৰত বিশ্বাস নহয়, বৰং মানৱীয় সম্ভাৱনাসমূহৰ প্ৰগতিশীল বিকাশৰ ওপৰত বিশ্বাস কৰাটোহে বুজায়।"

নেমিয়াৰে লেখিছিল যে, "ঐতিহাসিকে অতীত কল্পনা কৰে আৰু ভৱিষ্যত সোঁৱৰে (imagine the past and remember the future)।" মন্তব্যটো আচহুৱা আৰু ওভোতা যেন লাগিব পাৰে। কাৰে ব্যাখ্যা কৰি কৈছিল যে, অতীতক ব্যাখ্যা কৰাৰ চাবিকাঠি কেৱল ভৱিষ্যতেহে যোগান ধৰিব পাৰে আৰু কেৱল এইটো অৰ্থতে আমি ইতিহাসৰ চূড়ান্ত বস্তুনিষ্ঠতাৰ কথা ক'ব পাৰো। ই একেলগে ইতিহাসৰ নায্যতা (Justification) আৰু কৈফিয়ৎ (explanatin) যে অতীতে ভৱিষ্যত আৰু ভৱিষ্যতে অতীত পোহৰাই তোলে। সমাজৰ ভৱিষ্যত আৰু ইতিহাসৰ ভৱিষ্যতৰ ওপৰত নিজৰ বিশ্বাস ঘোষণা কৰি কাৰে কৈছিল যে—

"যিখন সমাজে নিজে নিজে ভৱিষ্যতে প্ৰগতি সাধনৰ ওপৰত বিশ্বাস হেৰুৱাই, সেই সমাজে তুৰন্তেই অতীতৰ প্ৰগতিৰ সম্পৰ্কতো আগ্ৰহ হেৰুৱাই।"

What is Historyৰ দ্বিতীয় সংস্কৰণৰ বাবে প্ৰস্তুত কৰা টোকাত হব্‌চৰ (Hobbes) বক্তব্য এটা তেওঁ সমৰ্থন কৰিছিল ঃ

"আমাৰ অতীতৰ ধাৰণাৰে আমি এক ভৱিষ্যত গঢ়িম।" আৰ্ণষ্ট ব্লখৰ (Ernst Bloch) প্ৰবচন এটাৰে তেওঁৰ টোকাৰ সামৰণি মাৰিছিল ঃ "the free genesis is not in the beginning but in the end"- প্ৰকৃত উৎপত্তি আৰম্ভণিত নহয়, সামৰণিতহে।

'প্ৰসাৰমান দিগন্ত' শীৰ্ষক অন্তিম অধ্যায়টোত কাৰে পোন্ধৰ-যোল্ল শতিকাৰ পৰা কুৰি শতিকাৰ মাজভাগলৈকে বিশ্বই বিভিন্ন দিশত লাভ কৰা প্ৰগতিৰ চুম্বক ৰূপৰেখা আঁকিছে। মানুহে তেওঁৰ পাৰিপাৰ্শ্বিকতাৰ পৰিৱৰ্তে নিজকে বুজি উঠিবলৈ বিচৰা আৰম্ভ কৰিলে। যুক্তিৰ ক্ষেত্ৰৰ লগতে ইতিহাসতো এক নতুন মাত্ৰা সংযোগ হ'ল। তেওঁ য'ৰ পৰা আহিছিল সেই ছাঁ-পোহৰলৈ (twilight) আগ্ৰহেৰে ঘূৰি চাইছিল এনে এক প্ৰত্যাশাৰে যে, সিয়ে যেন তেওঁ আগবাঢ়িবলৈ ধৰা পথৰ অস্পষ্টতাত তাৰ দুৰ্বল পোহৰৰ ৰেখা বিচাৰি পায়। অতীত, বৰ্তমান আৰু ভৱিষ্যতক যেন ইতিহাসৰ অন্তহীন জিঞ্জিৰিৰে গাঁঠি পেলালে। ডেকাৰ্টে (Descartes) সেই যুক্তিৰ যুগটোৰ অগ্ৰদূত আছিল। ৰুচোৱে আত্মোপলব্ধি আৰু আত্ম-চেতনাৰ ক্ষেত্ৰত নতুন দিশ উন্মোচন কৰিছিল। মানুহে সতৰ্কতা আৰু সচেতনতাৰে জাতি গঠন কৰা আৰম্ভ কৰিলে। মানুহ এতিয়া সম্পূৰ্ণকৈ প্ৰকৃতিৰ ওপৰত তেওঁৰ ক্ষমতা আৰু নিজৰ ওপৰত তেওঁৰ কৰ্তৃত্ব আৰু তেওঁ মানি চলিবৰ কাৰণে আইন প্ৰণয়নৰ অধিকাৰ বুজি উঠিল। হেগেল, মাৰ্ক্স, আদাম স্মিথ আদিয়ে অৰ্থনীতি আৰু সমাজবিজ্ঞানৰ ক্ষেত্ৰত নতুন তত্ত্বৰে মানুহক নতুন আৰ্থ-সামাজিক

ব্যৱস্থাৰ প্ৰতি সচেতন কৰি তুলিলে। মনস্তত্ত্বত ফ্ৰয়দে (Freud), জনসংখ্যা তত্ত্বত মালথুচে মানুহক নিজৰ ভৱিষ্যত সম্পৰ্কে সতৰ্ক কৰি দিলে। মানুহে নিজৰ সচেতন প্ৰচেষ্টাৰে নিজক আৰু সমাজক পৰিৱৰ্তন কৰিব পৰা হ'ল। শিক্ষা জাতীয় পৰিকল্পনাৰ অন্তৰ্ভুক্ত বিষয় হৈ পৰিল। মানুহে কেৱল অনুসন্ধান নহয়, নিজৰ পৰিবেশ, সমাজব্যৱস্থা আৰু নিজৰ ভাগ্যক ৰূপান্তৰ কৰাৰ শিক্ষা আহৰণ কৰিলে। যুক্তিবাদী প্ৰক্ৰিয়াৰ প্ৰয়োগ কুৰি শতিকাৰ প্ৰধান গুৰুত্বপূৰ্ণ দিশ হৈ পৰিল। শিল্প-বিপ্লৱৰ পাছত, সামাজিক বিপ্লৱ, প্ৰযুক্তিগত বিপ্লৱ আৰু বৈজ্ঞানিক বিপ্লৱৰ মাধ্যমত যুক্তিৰ জগতখন অধিক প্ৰসাৰিত হ'ল। ইতিহাসৰ অন্য মহান অগ্ৰগতিৰ দৰে এইবোৰৰ অগ্ৰগতিৰো খৰচ আৰু লোকচানৰ তহবিল আছে, কোনোবাই সেইবোৰ বহন কৰিবলৈ বাধ্য হৈছে; অগ্ৰগতিবোৰৰ পৰা বিপদো আছে, কোনোবা সেইবোৰৰ সন্মুখীন হ'ব লগা হৈছে। আজিকালি পূৰ্বৰ গৌৰৱ হেৰুওৱা একালৰ প্ৰতিপত্তিশালী দেশৰ সংশয়বাদী, চিনিক (cynics) আৰু দুৰ্যোগৰ প্ৰফেটসকলৰ নেতিবাচক স্থিতি সত্ত্বেও ইতিহাসৰ এই প্ৰগতি অব্যাহত আছে।

১৯৬১ চনত গ্ৰন্থখন প্ৰকাশৰ পাছত কাৰে নিজেই গ্ৰন্থখনৰ দ্বিতীয় সংস্কৰণ এটাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছিল। এসময়ত কাৰৰ সহযোগী আৰু দ্বিতীয় সংস্কৰণটো যুগুতাই দিয়া ডেভিচৰ (R.W. Davies) মতে কাৰে ১৯৭২ চনৰ পৰাই সেই উদ্দেশ্যে ব্যাপক পঢ়াশুনা কৰিছিল আৰু বিস্তৰ টোকা প্ৰস্তুতি কৰিছিল। আনকি দ্বিতীয় সংস্কৰণটোৰ কাৰণে পাতনি এখনো লেখি শেষ কৰিছিল। গ্ৰন্থখনৰ সংস্কাৰ সাধিবলৈ পোৱাৰ আগতে ১৯৮২ চনৰ নৱেম্বৰ মাহত কাৰৰ মৃত্যু হয়। তেওঁ এৰি থৈ যোৱা পাতনি আৰু টোকাসমূহৰ পৰা তেওঁৰ পৰিকল্পিত সংস্কৰণৰ আভাস পোৱা যায়। অনুবাদটোৰ লগত দ্বিতীয় সংস্কৰণত প্ৰকাশিত পাতনি আৰু ডেভিচে সম্পাদনা কৰি প্ৰস্তুত কৰি দিয়া 'Notes Towards a Second Edition of What is History' ৰো অনুবাদ গ্ৰন্থখনত সংযোগ কৰি দিয়া হৈছে কাৰণে সেই পাতনি আৰু টোকাত প্ৰকাশ পোৱা কাৰৰ দৃষ্টিভংগীৰ ইয়াত পুনৰাবৃত্তি পৰিহাৰ কৰা হ'ল।

গুৱাহাটী
আগষ্ট ২০০৫

লক্ষ্মীনাথ তামুলী

দ্বিতীয় সংস্কৰণৰ পাতনি

১৯৬০ চনত যেতিয়া মই 'ইতিহাস কাক কয়'ৰ ছয়টা বক্তৃতাৰ প্ৰথম খচৰা সম্পূৰ্ণ কৰিছিলো, পশ্চিমৰ জগতখনৰ তেতিয়াও দুখন বিশ্বযুদ্ধ আৰু ৰুচ আৰু চীনৰ বিপ্লৱৰ পৰা হোৱা আঘাতত মূৰ আচন্দ্ৰাই কৰিয়েই আছিল। অবোধ আত্ম-বিশ্বাস আৰু প্ৰগতিত স্বতঃসিদ্ধ বিশ্বাসৰ ভিক্টোৰীয়ান যুগটো বহুদূৰ পিছত পৰি ৰৈছিল। পৃথিৱীখন অশান্ত, আনকি ভয়াবহ ঠাই হৈ পৰিছিল। তথাপিও আমি যে আমাৰ কিছুমান সমস্যাৰ পৰা আঁতৰি অহাটো আৰম্ভ কৰিছিলো, তাৰ লক্ষণ সঞ্চিত হোৱাটোও আৰম্ভ হৈ গৈছিল। যুদ্ধৰ পৰিণাম হিছাপে ব্যাপকভাৱে ভৱিষ্যতবাণী কৰা বিশ্বৰ অৰ্থনৈতিক সংকট নঘটিল। প্ৰায় মন নকৰাকৈয়ে আমি নিঃশব্দে বৃটিছ সাম্ৰাজ্যখন বিলোপ কৰি পেলালো। হাঙ্গেৰি আৰু চুয়েজ খাল সংকট আঁতৰি গৈছিল অথবা আমি পাহৰি পেলাইছিলো। চোভিয়েট ৰুচিয়াত নিৰ্ষ্টেলিনীকৰণ (de-stalinization) আৰু আমেৰিকা যুক্তৰাষ্ট্ৰত নিৰ্মেক্‌কাৰ্থীকৰণে (de-McCarthyzation) প্ৰশংসনীয় অগ্ৰগতি লাভ কৰিছিল। জাৰ্মানী আৰু জাপানৰ ১৯৪৫ চনৰ সামগ্ৰিক ধ্বংসৰ পৰা দ্ৰুতবেগে পুনৰুদ্ধাৰ হৈছিল আৰু চমকপ্ৰদ অৰ্থনৈতিক অগ্ৰগতি আৰম্ভ কৰিছিল। দ্য গলৰ (De Gaulle) নেতৃত্বত ফ্ৰান্সে নিজৰ শক্তি পুনৰ্জীৱিত (renew) কৰিছিল। যুক্তৰাষ্ট্ৰত আইছেনআৱাৰৰ (Eisenhower) সময়ৰ ৰুগ্নতা শেষ হৈ আহিছিল; আশাৰ কেনেডী যুগৰ দোকামোকালি আৰম্ভ হ'ব ধৰিছিল। দক্ষিণ আফ্ৰিকা, আয়াৰলেণ্ড, ভিয়েটনাম আদি কলংকিত স্থানবোৰ এতিয়াও দূৰৈত ৰাখিব পাৰি। পৃথিৱীৰ চৌপাশৰ ষ্টক- এক্সেঞ্জবোৰৰ দ্ৰুত বিকাশ আৰম্ভ হৈছিল (booming)।

ভৱিষ্যতৰ ওপৰত যি আশাবাদ আৰু বিশ্বাসৰ প্ৰকাশেৰে মই ১৯৬১ চনৰ বক্তৃতালানি সামৰিছিলো, এই অৱস্থাসমূহে অন্ততঃ এক উপৰুৱা নায্যতা প্ৰদান কৰিলে। পৰৱৰ্তী কুৰিটা বছৰে সেই আশা আৰু সন্তুষ্টি বিফলতাত পৰ্যবসিত কৰিলে। পাৰমাণৱিক বিলুপ্তিৰ ভাবুকিক লগত সামৰি দুগুণ তীব্ৰতাৰে শীতল যুদ্ধ পুনৰ আৰম্ভ হ'ল। ঔদ্যোগিক দেশসমূহক বিধ্বস্ত কৰি দি আৰু সমগ্ৰ পাশ্চাত্য সমাজত নিবনুৱা সমস্যাৰ কেন্সাৰ বিয়পাই দি বিলম্বিত অৰ্থনৈতিক সংকট এক প্ৰতিশোধপৰায়ণ ভাব লৈ আৰম্ভ হ'ল। এতিয়া আৰু কোনো এখন দেশেই হিংসা আৰু সন্ত্ৰাসৰ প্ৰতিকূলতাৰ (antagonism) পৰা মুক্ত নহয়। মধ্য-প্ৰাচ্যৰ তেল উৎপাদন কৰা দেশবোৰৰ বিপ্লৱে পশ্চিমীয়া ঔদ্যোগিক জাতিসমূহৰ প্ৰতি প্ৰতিকূলতাৰে শক্তিৰ তাৎপৰ্যপূৰ্ণ পৰিৱৰ্তন আনিলে। বিশ্ব-প্ৰৱাহত

'তৃতীয় বিশ্ব' নিষ্ক্ৰিয়ৰ (passive) পৰা এক সক্ৰিয় (positive) আৰু অশান্ত উপাদানলৈ ৰূপান্তৰিত হ'ল। এনে পৰিস্থিতিত আশাবাদৰ যিকোনো অভিব্যক্তিকে অসম্ভৱ যেন লাগিব। সকলো কথাই দুৰ্দশাৰ প্ৰবক্তা (prophet) সকলৰ পক্ষত। চাঞ্চল্যকাৰী লেখক আৰু সাংবাদিকসকলে কষ্টসাধ্যভাৱে প্ৰস্তুত কৰা আৰু প্ৰচাৰ মাধ্যমৰ যোগেদি প্ৰচাৰিত আসন্ন মহাপ্ৰলয়ৰ (doom) ছবি প্ৰাত্যহিক কথা-বাৰ্তাৰ শব্দভাণ্ডাৰত সোমাই পৰিছে। বিশ্বৰ বিলুপ্তি সম্পৰ্কে প্ৰচলিত ভৱিষ্যতবাণীটো আগেয়ে কোনোটো শতিকাতেই ইমান সমীচিন যেন লগা নাছিল।

তথাপি এইটো ক্ষেত্ৰত সাধাৰণ কাণ্ডজ্ঞানে (common sense) দুটা গুৰুত্বপূৰ্ণ আপত্তি (reservations) সোঁৱৰাই দিয়ে। প্ৰথমতে, অবিসম্বাদী তথ্যৰ ওপৰত আধাৰিত বুলি দাবী কৰিলেও, ভৱিষ্যত সম্পৰ্কে নৈৰাশ্যজনক নিৰ্ণয় এক বিমূৰ্ত তাত্বিক সৃষ্টি। জনগণৰ বৃহত্তম অংশটোৱে সেইটো মুঠেই বিশ্বাস নকৰে; তেওঁলোকৰ আচাৰ-আচৰণেই তেওঁলোকৰ অবিশ্বাসৰ প্ৰমাণ। অত্যন্ত নিষ্ঠাৰে মানুহে প্ৰেম কৰে, গৰ্ভধাৰণ কৰে আৰু শিশু লালন-পালন কৰে। পৰৱৰ্তী প্ৰজন্মৰ কুশল-মঙ্গলৰ অৰ্থে ব্যক্তিগত আৰু চৰকাৰীভাৱে স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰত প্ৰচুৰ মনোযোগ দিয়া হয়। অবিৰতভাৱে শক্তিৰ নতুন উৎসৰ সন্ধান কৰা হয়। নতুন উদ্ভাৱনসমূহে উৎপাদনৰ দক্ষতা বৃদ্ধি কৰিছে। অগণন ক্ষুদ্ৰ সঞ্চয়িতাই জাতীয় সঞ্চয়-পত্ৰ, গৃহ-নিৰ্মাণ চ'চাইটি আৰু ইউনিট ট্ৰাষ্টত বিনিয়োগ কৰে। ভৱিষ্যত প্ৰজন্মৰ উপকাৰৰ অৰ্থে স্থাপত্য আৰু শিল্পৰ জাতীয় ঐতিহ্য সংৰক্ষণৰ বাবে ব্যাপক উৎসাহ দেখুৱা হয়। এনে এটা সিদ্ধান্ত ল'বলৈ হেঁপাহ হয় যে আসন্ন ধ্বংসৰ ওপৰত বিশ্বাস অসন্তুষ্ট বুদ্ধিজীৱীৰ গোষ্ঠী এটাতেই সীমাবদ্ধ, যিসকলেই বৰ্তমানৰ প্ৰচাৰৰ সিংহভাগৰ বাবে জগৰীয়া।

মোৰ দ্বিতীয় আপত্তিটো সৰ্বাত্মক দুৰ্যোগৰ (universal disaster) এই ভৱিষ্যতবাণীবোৰৰ ভৌগোলিক উৎসৰ লগত সম্পৰ্কিত, যিবোৰ ঘাইকৈ,— আচলতে মই ক'বলৈ প্ৰলোভিতেই হ'ব লাগে যে, নিৰঙ্কুশভাৱেই (exclusively) পশ্চিম ইউৰোপ আৰু ইয়াৰ বৈদেশিক পুলি-পোখাবোৰৰ (overseas offshoots) পৰা উদ্ভৱ। ইয়াত আচৰিত হ'বলগীয়া একো নাই। পাঁচ শতাব্দী ধৰি এইবোৰ দেশ বিশ্বৰ অবিসম্বাদী প্ৰভু হৈ আছিল। বৰ্বৰ অন্ধকাৰৰ বহিৰ্জগতৰ মাজত কিছু বিশ্বাসজনকভাৱে তেওঁলোকে সভ্যতাৰ আলোকৰ প্ৰতিনিধিত্ব কৰা বুলি দাবী কৰিব পাৰে। এই দাবীক ক্ৰমবৰ্ধিতভাৱে প্ৰত্যাহ্বান জনোৱা আৰু প্ৰত্যাখান কৰা যুগ এটাই বিপৰ্যয় সৃষ্টি কৰিবলৈ বাধ্য। এইটো সমানেই আচৰিত হ'বনলগীয়া কথা যে, এই অশান্তিৰ উৎসকেন্দ্ৰ, গভীৰতম বৌদ্ধিক নৈৰাশ্যবাদৰ স্থান বৃটেইনতে বিচাৰি পোৱা যাব ; কাৰণ অন্য ক'তো উনৈশ শতিকাৰ গৌৰৱ আৰু কুৰি শতিকাৰ নিস্তেজতা (drabness), উনৈশ শতিকাৰ শ্ৰেষ্ঠতা

(supremacy) আৰু কুৰি শতিকাৰ মাজৰ বৈসাদৃশ্য ইমান লক্ষ্যণীয় আৰু ইমান বেদনাদায়ক নহয়। এই মনোভাব পশ্চিম ইউৰোপত আৰু সম্ভৱতঃ কিছু কম পৰিমাণে উত্তৰ আমেৰিকাতো বিয়পি পৰিছে। এই সকলোবোৰ দেশেই ঊনৈশ শতিকাৰ মহান সম্প্ৰসাৰণৰ যুগটোত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। কিন্তু এনে মনোভাব পৃথিৱীৰ ক'ৰবাত আছে বুলি মই সন্দেহ কৰাৰ কোনো যুক্তি বিচাৰি পোৱা নাই। এহাতেদি যোগাযোগৰ অলঙ্ঘনীয় প্ৰাচীৰৰ সৃষ্টি, আনহাতে শীতল যুদ্ধৰ উদ্দেশ্যমুখী প্ৰচাৰৰ (propaganda) নিৰবচ্ছিন্ন স্ৰোতে চোভিয়েট যুক্তৰাষ্ট্ৰৰ পৰিস্থিতিৰ কোনো মনোমত মূল্যায়ণ কৰাটো কষ্টসাধ্য কৰি তুলিছে। কিন্তু যি দেশৰ জনগণৰ এক বিশাল গৰিষ্ঠ সংখ্যক এই বিষয়ে নিশ্চয় সচেতন যে তেওঁলোকৰ বৰ্তমানৰ অভিযোগ যিয়েই নহওক লাগিলে, পঁচিশ, বা পঞ্চাশ বা এশ বছৰৰ পূৰ্বতকৈ বৰ্তমানৰ অৱস্থা বহুদূৰ উন্নত, সেই দেশত ভৱিষ্যত সম্পৰ্কে ব্যাপক হতাশাই খুঁটি পুতি বহিছে বুলি কোনেও বিশ্বাসেই নকৰিব। এচিয়াত জাপান আৰু চীন দুয়োখন দেশেই তেওঁলোকৰ নিজস্ব সুকীয়া সুকীয়া উপায়েৰে অগ্ৰগামী দৃষ্টিৰ স্থানত অৱস্থিত। মধ্য-প্ৰাচ্য আৰু আফ্ৰিকাত আনকি যিবোৰ অঞ্চল এতিয়াও অশান্ত, তাতো বিভিন্ন উত্থানশীল জাতিয়ে যিমান অন্ধভাৱেই নহওক লাগিলে, তেওঁলোকে বিশ্বাস কৰা এক ভৱিষ্যতৰ বাবে সংগ্ৰাম চলাই আহিছে।

মোৰ সিদ্ধান্ত হ'ল যে, যি সন্মুখত ধ্বংস আৰু অৱক্ষয়ৰ বাহিৰে একো দেখা নাই আৰু প্ৰগতি অথবা মানব প্ৰজাতিৰ অগ্ৰগতিৰ যিকোনো সম্ভাৱনাৰ বিশ্বাসক অসম্ভৱ বুলি নস্যাৎ কৰে, সেই সংশয়বাদ আৰু নৈৰাশ্যৰ বৰ্তমানৰ টোটো সম্ভ্ৰান্তবাদৰ (elitism) এটা ৰূপ,— সম্ভ্ৰান্ত সামাজিক গোষ্ঠীবোৰৰ সৃষ্টি, যাৰ নিৰাপত্তা আৰু বিশেষাধিকাৰক সংকটটোৱে আটাইতকৈ লক্ষ্যণীয়ভাৱে খহাই পেলাইছে আৰু সেইবোৰ সম্ভ্ৰান্ত দেশবোৰৰ সৃষ্টি, যিবোৰৰ বাদবাকী বিশ্বৰ দেশবোৰৰ ওপৰত থকা এসময়ৰ অবিসম্বাদী আধিপত্য ধূলিসাৎ হৈ গৈছে। বুদ্ধিজীৱীসকলেই এই আন্দোলনৰ প্ৰধান ধ্বজাবাহক, তেওঁলোকেই সেৱা আগবঢ়াই অহা শাসকীয় সামাজিক গোষ্ঠীৰ ধ্যান-ধাৰণা তেওঁলোকেই সৰবৰাহ কৰে (সমাজ এখনৰ ধ্যান-ধাৰণা সেই সমাজৰ শাসক শ্ৰেণীৰেই ধ্যান-ধাৰণা)। এইটো অপ্ৰাসংগিক যে উল্লিখিত বুদ্ধিজীৱীসকলৰে কিছুসংখ্যক মূলতঃ অন্য সামাজিক গোষ্ঠীৰ অন্তৰ্ভুক্ত হ'ব পাৰে; কাৰণ, বুদ্ধিজীৱী হোৱা সূত্ৰে তেওঁলোক অৱধাৰিতভাৱে (automatically) সম্ভ্ৰান্ত বুদ্ধিজীৱীসকলৰ লগত একাকাৰ হৈ পৰে। বুদ্ধিজীৱীসকলে সংজ্ঞাৰ সূত্ৰৰেই এটা সম্ভ্ৰান্ত গোষ্ঠী তৈয়াৰ কৰে।

অৱশ্যে বৰ্তমান প্ৰসংগত আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো এয়ে যে যিমানেই সুসংবদ্ধ নহওক লাগিলে, এখন সমাজত সকলো গোষ্ঠীতেই (আৰু ঐতিহাসিকে প্ৰায়ে তেওঁলোকক তেনেদৰে গণ্য কৰাটো উচিতেই) নিৰ্দিষ্ট সংখ্যক ব্যতিক্ৰমী অথবা বিসম্বাদী লোক

থাকে। এইটো বিশেষকৈ বুদ্ধিজীৱীসকলৰ মাজত ঘটাৰ সম্ভাৱনাই বেছি। সমাজৰ প্ৰধান পূৰ্বধাৰণাবোৰ সাধাৰণভাৱে গ্ৰহণ কৰি লোৱা আৰু সেইবোৰ পূৰ্বধাৰণাক প্ৰত্যাহ্বান হিছাপে লোৱা বুদ্ধিজীৱীসকলৰ মাজৰ গতানুগতিক (routine) বিতৰ্কবোৰৰ বিষয়ে মই কোৱা নাই। পাশ্চাত্যৰ গণতান্ত্ৰিক সমাজবোৰত যেতিয়ালৈকে তেনে প্ৰত্যাহ্বানবোৰ এমুঠিমান বিসম্বাদীৰ মাজতে সীমাবদ্ধ হৈ ৰ'য়, সেইবোৰ সহ্য কৰা হয় আৰু যিসকল বিসম্বাদীয়ে সেইবোৰৰ প্ৰত্যাহ্বান প্ৰচাৰ কৰে, তেওঁলোকে পাঠক আৰু এৰিধ শ্ৰোতাও পাব পাৰে। চিনিক (cynic) সকলে ক'ব পাৰে যে, প্ৰত্যাহ্বানকাৰীসকলক এই কাৰণেই সহ্য কৰা হয় যে তেওঁলোক সংখ্যাত অসংখ্যও নহয় কিম্বা বিপজ্জনক হৈ উঠিবলৈ প্ৰভাৱশালীও নহয়। যোৱা চল্লিছ বছৰে মই বুদ্ধিজীৱীৰ লেবেলখন কঢ়িয়াই ফুৰিছো; আৰু সাম্প্ৰতিক বছৰবোৰত মই ক্ৰমবৰ্ধিতভাৱে নিজকে বৌদ্ধিক বিসম্বাদী হিছাপে চাইছো আৰু আনেও দেখিছে। ইয়াৰ এটা সহজ ব্যাখ্যা আছে। মই নিশ্চয় এতিয়াও লেখি থকা নিচেই এমুঠিমান বুদ্ধিজীৱীৰে এজন, যি বিশ্বাস আৰু আশাবাদৰ মহান ভিক্টোৰিয়ান যুগৰ ভৰ-দুপৰীয়া নহয়, বৰং অপৰাহ্নৰ ৰেঙণিতহে ডাঙৰ-দীঘল হোৱা আৰু আনকি আজিও মোৰ বাবে পৃথিৱীখনক চিৰন্তন আৰু উদ্ধাৰহীন অবক্ষয়ৰ পথত বুলি ভাবিবলৈ কষ্ট হয়। পশ্চিমৰ আৰু বিশেষকৈ আজিৰ, এইখন দেশৰ বুদ্ধিজীৱীসকলৰ মাজত প্ৰচলিত ধাৰাসমূহৰ পৰা পৰৱৰ্তী পৃষ্ঠাবোৰত মই নিজকে নিলগত ৰখাৰ যত্ন কৰিম এইটো দেখুৱাবলৈ যে তেওঁলোক বিপথগামী হৈছে বুলি মই কিয় আৰু কেনেকৈ ভাবোঁ আৰু ভৱিষ্যত সম্পৰ্কে আশাবাদী নহ'লেও অন্ততঃ এক সুস্থতৰ আৰু অধিক সমতাপূৰ্ণ দৃষ্টিভংগী গ্ৰহণৰ নতুন দাবী জনাম।

ই. এইচ. কাৰ

সূচীপত্ৰ

ভূমিকা/০.০৩

পাতনি/০.০৫

ই. এইচ. কাৰ ঃ ঐতিহাসিক দাৰ্শনিক/০.০৯

দ্বিতীয় সংস্কৰণৰ পাতনি/০.২৫

এক

ঐতিহাসিক আৰু তেওঁৰ তথ্য/১

দুই

সমাজ আৰু ব্যক্তি/২৩

তিনি

ইতিহাস বিজ্ঞান আৰু নৈতিকতা/৪৬

চাৰি

ইতিহাসত কাৰ্য-কৰণ/৭৪

পাঁচ

প্ৰগতি হিছাপে ইতিহাস/৯৩

ছয়

প্ৰসাৰমান দিগন্ত/১১৫

সাত

পাদটীকা/১৩৭

আঠ

ই. এইচ. কাৰৰ ফাইলৰ পৰা ঃ 'ইতিহাস কাক কয়'ৰ
দ্বিতীয় সংস্কৰণ এটাৰ বাবে যুগুতোৱা টোকা/১৪৮

এক

ঐতিহাসিক আৰু তেওঁৰ তথ্য

ইতিহাস কাক কয় ? কোনেও যাতে এই প্ৰশ্নটো অৰ্থহীন অথবা অবাস্তৱ বুলি নেভাবে, তাৰবাবে কেম্‌ব্ৰিজ মডাৰ্ণ হিষ্ট্ৰিৰ ক্ৰমে প্ৰথম আৰু দ্বিতীয় সংস্কৰণৰ লগত সম্পৰ্কিত দুটা ছেদক মোৰ আলোচ্য পাঠ হিছাপে বাছি ল'ম। ১৮৯৬ চনৰ অক্টোবৰত কেম্‌ব্ৰিজ ইউনিভাৰচিটি প্ৰেছৰ পৰিচালনা সমিতিক তেওঁ সম্পাদনা কৰিবলৈ লোৱা কামৰ বিষয়ে দিয়া প্ৰতিবেদনত এক্টনে লেখিছিল যে—

> 'উনবিংশ শতিকাই সমৰ্পণ কৰি থৈ যাবলৈ ওলোৱা পৰিপূৰ্ণ জ্ঞানৰ আটাইতকৈ বেছি সংখ্যক মানুহৰ উপকাৰত অহাকৈ নথিবদ্ধ কৰি যোৱাৰ এয়া এক অনন্য সুযোগ। ...... সুবিবেচনাপূৰ্ণ শ্ৰম বিভাজনৰ দ্বাৰা আমি এইটো সম্পন্ন কৰিব পাৰো আৰু আন্তৰ্জাতিক গৱেষণাৰ আটাইতকৈ পৰিপক্ক সিদ্ধান্তসমূহ আৰু অন্তিম নথিটো পৰ্যন্ত আমি প্ৰত্যেক ব্যক্তিৰ দৃষ্টিগোচৰ কৰিব পাৰো।
>
> 'আমি এই প্ৰজন্মত চূড়ান্ত ইতিহাস পাব নোৱাৰো; কিন্তু গতানুগতিক (conventional) ইতিহাসক আমি বাতিল কৰিব পাৰো আৰু যিহেতু সকলোবোৰ তথ্যই এতিয়া আমাৰ আয়ত্তৰ ভিতৰত আৰু প্ৰতিটো সমস্যাকেই সমাধান কৰা সম্ভৱ হৈ উঠিছে, সেয়ে এটাৰ পিছত এটাকৈ আমি আমাৰ যাত্ৰাপথৰ কোনটো বিন্দুত উপনীত হৈছোহি, সেইটো দেখুৱাই দিব পাৰো।'[১]

আৰু প্ৰায় ঠিক ষাঠি বছৰৰ পাছত এদিন চূড়ান্ত ইতিহাস প্ৰণয়ন কৰাটো সম্ভৱ হ'ব বুলি এক্টন আৰু তেওঁৰ সহযোগীসকলে কৰা বিশ্বাসৰ ওপৰত মন্তব্য দি কেম্‌ব্ৰিজ মডাৰ্ণ হিষ্ট্ৰিৰ দ্বিতীয় সংস্কৰণৰ সাধাৰণ ভূমিকাত অধ্যাপক ছাৰ জৰ্জ ক্লাৰ্কে কৈছিল যে—

> 'পৰৱৰ্তী প্ৰজন্মৰ ঐতিহাসিকসকল তেনে কোনো সম্ভাবনাৰ প্ৰতি উন্মুখ নহ'ল। তেওঁলোকৰ সৃষ্টি বাৰম্বাৰ অতিক্ৰান্ত (superseded) হোৱাটোকে তেওঁলোকে আশা কৰিছিল। তেওঁলোকৰ ধাৰণা এয়ে আছিল যে অতীতৰ জ্ঞান এক বা একাধিক মানৱমনৰ যোগেদি আমালৈ আহিছে আৰু সেইবোৰ তেওঁলোকে সংসাধিত (process) কৰিছে, সেয়ে সেইবোৰ অপৰিবৰ্তনীয় মৌলিক আৰু নৈৰ্ব্যক্তিক পৰমাণুৰ দ্বাৰা গঠিত হ'ব নোৱাৰে। .... এই অনুসন্ধান অন্তহীন যেন লাগে আৰু কিছুমান ধৈৰ্যহীন পণ্ডিতে সংশয়বাদত আশ্ৰয় বিচাৰিছে অথবা এনে এক তত্ত্বৰ আশ্ৰয় লৈছে যে যিহেতু সকলোবোৰ ঐতিহাসিক সিদ্ধান্ততে বিভিন্ন ব্যক্তি আৰু তেওঁলোকৰ দৃষ্টিভংগী জড়িত হৈ আছে আৰু প্ৰতিটো দৃষ্টিভংগীয়েই সুন্দৰ, সেয়ে 'বস্তুনিষ্ঠ' (objective) ঐতিহাসিক সত্য বুলি একো নাই।'[২]

যিহেতু পণ্ডিতসকলে পৰস্পৰে দেখ্‌দেখ্‌কৈ বিৰোধিতা কৰিছে, বিষয়টোত অনুসন্ধানৰ অৱকাশ আছে। মই ভাবোঁ যে ১৮৯০ৰ দশকত লেখা যিকোনো কথাকে নিৰৰ্থক (nonsense) বুলি চিনাক্ত কৰিব পৰাকৈ মই আপ-টু-ডেট। কিন্তু ১৯৫০ৰ দশকৰ যিকোনো লেখাকে স্বাভাৱিকভাৱেই অৰ্থবহ বুলি দৃঢ় বিশ্বাসী হোৱাৰ জোখাৰে কিন্তু মই এড্‌ভান্সড্‌ নহওঁ। বাস্তৱিকতে, ইতিমধ্যেই হয়তো আপোনালোকৰ মনত খেলাইছে যে এই অনুসন্ধানে ইতিহাসৰ প্ৰকৃতিতকৈ ব্যাপকতৰ কিবা এটালৈ আপোনালোকৰ দৃষ্টি ঘূৰাই দিব। এক্টন আৰু ছাৰ জৰ্জ ক্লাৰ্কৰ এই বিৰোধ দুয়োটা ঘোষণাৰ মাজৰ সময়ছোৱাত সমাজ সম্পৰ্কে আমাৰ সামগ্ৰিক দৃষ্টিভংগীৰ ঘটা পৰিৱৰ্তনৰ প্ৰতিফলন। এক্টনে শেষ ভিক্টোৰিয়ান যুগৰ ইতিবাচক বিশ্বাস, স্পষ্ট-দৃষ্টিৰ আত্ম-বিশ্বাসৰ পৰা কৈছিল আৰু ছাৰ জৰ্জ ক্লাৰ্কৰ ঘোষণাত পৰাজিত প্ৰজন্মৰ বিমূঢ়তা আৰু দিশহাৰা সংবাদ প্ৰতিধ্বনিত হৈছে। আমি যেতিয়া 'ইতিহাস কাক কয়?' প্ৰশ্নটোৰ উত্তৰ দিয়াৰ প্ৰয়াস কৰোঁ, সচেতনভাৱেই হওক বা অচেতনভাৱেই হওক, আমাৰ উত্তৰটোৱে সময়ৰ গতিপ্ৰবাহত আমাৰ স্থিতিক প্ৰতিফলিত কৰে আৰু আমি বসবাস কৰা সমাজ সম্পৰ্কে আমি কি ধাৰণা পোষণ কৰোঁ এই ব্যাপকতৰ প্ৰশ্নটোৰ উত্তৰৰ অংশ হৈ পৰে। নিকট-নিৰীক্ষণত মোৰ বিষয়টো তুচ্ছ (trivial) যেন লাগিব বুলি মোৰ কোনো সংশয় নাই। মই এইটোহে ভয় কৰিছো যে এনে এটা বিশাল আৰু গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰাৰ কাৰণে মোক কোনোবাই দাম্ভিক বুলি ক'ব পাৰে।

উনবিংশ শতিকা তথ্যৰ মহান যুগ আছিল। 'হাৰ্ড টাইমচ্‌' (Hard Times) গ্ৰন্থত মিঃ গ্ৰেডগ্ৰাইণ্ডে (Gradgrind) কৈছিল যে 'মই যি বিচাৰোঁ, সেয়া হ'ল তথ্য। জীৱনত কেৱল তথ্যহে বিচাৰোঁ।' উনবিংশ শতিকাৰ ঐতিহাসিকসকল মোটামুটিভাৱে তেওঁৰ লগত একমত। ১৮৩০ৰ দশকত যেতিয়া ৰেংকে (Ranke) ইতিহাসক নৈতিক ৰূপ দিয়াৰ বিৰুদ্ধে যুক্তিসংগত প্ৰতিবাদ কৰি মন্তব্য দিছিল যে, ঐতিহাসিকৰ কাম হ'ল "বাস্তৱিকতে যেনে আছিল ঠিক তেনেদৰেই দেখুওৱা", (wie es eigentlich gewesen) এই অনতিগভীৰ আপ্তবাক্যটোৱে বিস্ময়কৰ সাফল্য লাভ কৰিছিল। এই যাদুকৰী শব্দ-মালাকে বীজমন্ত্ৰৰ দৰে আওৰাই তিনি প্ৰজন্মৰ জাৰ্মান, বৃটিছ আৰু আনকি ফৰাচী ঐতিহাসিকসকল যুদ্ধক্ষেত্ৰলৈ আগুৱাই গৈছিল— যিটো বীজমন্ত্ৰ আনবোৰ বীজমন্ত্ৰৰ দৰেই নিজাকৈ চিন্তা কৰাৰ ক্লান্তিকৰ বাধ্যবাধকতাৰ পৰা বাচি থকাৰ তাগিদাত সৃষ্টি হৈছিল। ইতিহাসক বিজ্ঞান বুলি দাবী কৰিবলৈ উদ্‌গ্ৰীৱ হৈ থকা প্ৰত্যক্ষবাদীসকলেও (positivists) এই তথ্যোপাসনাৰ (cult of facts) সপক্ষে তেওঁলোকৰ প্ৰভাৱক প্ৰয়োগ কৰিছিল। প্ৰত্যক্ষবাদীসকলে কৈছিল যে প্ৰথমে তথ্য নিৰূপণ কৰা আৰু তাৰ পাছত সেইবোৰৰ ভিত্তিত তোমাৰ সিদ্ধান্তলৈ আহা। গ্ৰেট বৃটেইনত লকৰ (Locke)

পৰা বাৰ্ট্ৰাণ্ড ৰাছেললৈকে বৃটিছ দৰ্শনত প্ৰভাৱশালী অভিজ্ঞতাবাদী (empiricist) ঐতিহ্যৰ লগত ইতিহাসৰ এই দৃষ্টিকোণ নিখুঁতভাৱে খাপ খাই পৰিছিল। জ্ঞানৰ অভিজ্ঞতাবাদী তত্ত্বই বিষয় আৰু বিষয়ীৰ (subject and object) মাজত সম্পূৰ্ণ বিভাজন এটা আগতীয়াকৈ ধৰি লয়। ইন্দ্ৰিয়লব্ধ চেতনাৰ দৰে তথ্যয়ো বাহিৰৰ পৰা পৰ্যবেক্ষকৰ ওপৰত ক্ৰিয়া কৰে আৰু ই তেওঁৰ চৈতন্যৰ পৰা স্বতন্ত্ৰ। গ্ৰহণৰ প্ৰক্ৰিয়াটো সুপ্ত ঃ তথ্য গ্ৰহণ কৰাৰ পিছতহে তেওঁ সেইবিলাকৰ ওপৰত কাম আৰম্ভ কৰে। অভিজ্ঞতাবাদী মতবাদৰ উপযোগী অথচ উদ্দেশ্যধৰ্মী অক্সফৰ্ড ছৰ্টাৰ ইংলিছ ডিক্সনাৰীয়ে তথ্যক 'সিদ্ধান্তৰ পৰা স্বতন্ত্ৰ প্ৰাপ্ত-তথ্যৰ (datum) অভিজ্ঞতা বুলি সংজ্ঞা নিৰ্ধাৰণ কৰি দুয়োটা প্ৰক্ৰিয়াৰ মাজত স্পষ্টকৈ পাৰ্থক্য থকা বুলি কৈছে। ইয়াকে ইতিহাসৰ সৰ্বসাধাৰণ দৃষ্টিভংগী (Common-sense view of History) বুলি ক'ব পাৰি। মাছ বেপাৰীৰ চালনীত মাছ থকাৰ দৰে লিপি, নথি-পত্ৰাদিত ঐতিহাসিকৰ তথ্য উভৈনদী হৈ থাকে। ঐতিহাসিকে সেইবোৰ সংগ্ৰহ কৰে, ৰান্ধে আৰু যিটো ষ্টাইলেই তেওঁৰ ভাল লাগে, সেইমতেই পৰিবেশন কৰে। এক্টন যিহেতু মুঠেই ভোজনবিলাসী নাছিল, সেয়ে তেওঁ সেইবোৰ সাধাৰণভাৱেই (plain) পৰিবেশন কৰিবলৈ বিচাৰিছিল। প্ৰথম কেম্ব্ৰিজ মডাৰ্ণ হিষ্ট্ৰিৰ লেখকসকললৈ লেখা নিৰ্দেশমূলক চিঠিখনত তেওঁ ইতিহাসখনৰ বাবে প্ৰয়োজনীয়তাৰ ঘোষণা কৰি লেখিছিল যে "আমাৰ ৱাটাৰলু এনে হ'ব লাগিব, যিয়ে ফৰাচী আৰু ইংৰাজ, জাৰ্মান আৰু ওলন্দাজ সকলোকে সমানে সন্তুষ্ট কৰিব; লেখকসকলৰ তালিকা পৰীক্ষা নকৰালৈকে কোনোৱেই যেন ক'ব নোৱাৰে অক্সফৰ্ডৰ বিশ্বপে ক'ত কলম সামৰিলে আৰু ফেয়াৰবাৰ্ণ (Fairbairn) বা গেস্কেটে (Gasquet) আৰু লিবাৰমান (Liebermann) বা হেৰিচনে (Harrison) ক'ত কলম ধৰিলে।"[৩] আনকি এক্টনৰ দৃষ্টিভংগীক সমালোচনা কৰা ছাৰ জৰ্জ ক্লাৰ্কেও ইতিহাসত 'তথ্যৰ কঠিন শাহটোক' 'বিতৰ্কিত ব্যাখ্যাৰ আবেষ্টিত মগুহ'তকৈ[৪] বেছি পছন্দ কৰিছিল—ফলৰ কঠিন শাহটোতকৈ মগুহাল অংশটো অধিক লাভজনক বুলি বোধহয় তেওঁ পাহৰি গৈছিল। প্ৰথমতে, পোনপটীয়াকৈ তথ্য সংগ্ৰহ কৰক, তাৰ পিছত নিজৰ বিপৰ্যয়ৰ বিস্মৃত ব্যাখ্যাৰ অস্থায়ী বালিগৰাত (Shifting sands) জাঁপ দিয়ক— অভিজ্ঞতাবাদী, সৰ্বসাধাৰণ দৃষ্টিভংগীৰ ঐতিহাসিক মতাৱলম্বীসকলৰ ইতিহাস সম্পৰ্কে এয়ে অন্তিম প্ৰজ্ঞা আছিল। ইয়ে বিখ্যাত লিবাৰেল সাংবাদিক চি. পি. স্কটৰ (C. P. Scott) চিত্তাকৰ্ষী আপ্তবাক্যটোলৈ মনত পেলায় ঃ "তথ্য পূজনীয়, সিদ্ধান্ত অবাৰিত" (Facts are sacred, opinion is free).[৫]

কিন্তু বাস্তৱিকতে তেনে নহয়। মই আমাৰ জ্ঞানৰ প্ৰকৃতি সম্পৰ্কে দাৰ্শনিক আলোচনাত প্ৰবৃত্ত নহওঁ। এই উদ্দেশ্যে আমি ধৰি লওঁ যে চিজাৰে ৰুবিকন পাৰ হোৱা

আৰু কোঠাটোৰ মাজত মেজ এখন থকা এই দুয়োটা তথ্য একে বা তুলনীয় পৰ্যায়ৰ, কিয়নো দুয়োটা তথ্যই আমাৰ চেতনাত একে বা তুলনীয় ধৰণে প্ৰৱেশ কৰে আৰু সিহঁতক জনা মানুহজনৰ ক্ষেত্ৰত দুয়োটায়েই একেই ধৰণৰ বস্তুনিষ্ঠ চৰিত্ৰৰ। আনকি এই সাহসী আৰু বৰ বেছি সম্ভৱপৰ যেন নলগা ধাৰণাৰ ক্ষেত্ৰত আমাৰ যুক্তি লগে লগেই অসুবিধাৰ সন্মুখীন হয় এই কাৰণেই যে অতীত সম্পৰ্কীয় সকলোবোৰ তথ্যই ঐতিহাসিক তথ্য নহয় বা ঐতিহাসিকে সেইবোৰক ঐতিহাসিক তথ্য হিছাপে গণ্য নকৰে। অতীতৰ বিষয়ে পোৱা আন তথ্যৰাজিৰ পৰা ঐতিহাসিক তথ্যক পৃথক হিছাপে চিহ্নিত কৰাৰ মাপকাঠিনো কি?

ঐতিহাসিক তথ্য কি? এইটো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন— যিটোক আমি কিছু নিকটতৰ সান্নিধ্যৰ পৰা নিৰীক্ষণ কৰিব লাগিব। সৰ্বসাধাৰণ দৃষ্টিকোণৰ ঐতিহাসিকৰ মতে এনে কিছুমান মৌলিক তথ্য আছে, যিবোৰ সকলোবোৰ ঐতিহাসিকৰ বাবে একে আৰু প্ৰকৃততে ক'ব লাগিলে সেইবোৰেই ইতিহাসৰ মেৰুদণ্ড,— উদাহৰণস্বৰূপে ১০৬৬ চনত হেষ্টিংচৰ যুদ্ধখন হৈছিল। কিন্তু এই দৃষ্টিভংগীয়ে দুটা পৰ্যবেক্ষণ দাবী কৰে। প্ৰথমতে, ঐতিহাসিকসকল এনে ধৰণৰ তথ্যৰ ওপৰত বৰ বেছি নিৰ্ভৰশীল নহয়। সেই বিখ্যাত যুদ্ধখন যে ১০৬৬ চনত হৈছিল, ১০৬৫ বা ১০৬৭ চনত নহয়, আৰু যুদ্ধখন হেষ্টিংচতহে হৈছিল, ইষ্টব'ৰ্ণ বা ব্ৰাইটনত নহয়, সেইটো জনাটো নিঃসন্দেহে গুৰুত্বপূৰ্ণ। ঐতিহাসিকে এইবোৰ কথাত ভুল কৰিব নালাগিব। কিন্তু এনে ধৰণৰ প্ৰশ্ন উত্থাপন কৰিলে মোৰ হাউচ্‌মেনৰ (Housman) এই মন্তব্যটোলৈ মনত পৰে যে "তথ্যৰ নিৰ্ভুলতা এটা কৰ্তব্য, কিন্তু গুণ নহয়।" ঐতিহাসিকক তেওঁৰ নিৰ্ভুলতাৰ কাৰণে প্ৰশংসা কৰিবলৈ হ'লে, এজন স্থপতিবিদক তেওঁৰ নিৰ্মাণত তেওঁ পৰিপক্ক কাঠ আৰু সুমিশ্ৰিত কংক্ৰিট ব্যৱহাৰৰ কাৰণে প্ৰশংসা কৰাৰ দৰে হ'ব। তেওঁৰ কামৰ ই এক প্ৰয়োজনীয় চৰ্ত হ'ব পাৰে, কিন্তু তেওঁৰ অপৰিহাৰ্য কৰ্তব্য নহয়। মুঠৰ ওপৰত এনেবোৰ বিষয়ত ঐতিহাসিকে ইতিহাসৰ 'সহায়ক বিজ্ঞান' প্ৰত্নতত্ত্ব, শিলালিপি, মুদ্ৰাতত্ত্ব, কালপঞ্জি আদিৰ ওপৰত নিৰ্ভৰ কৰাৰ অধিকাৰ আছে। বিশেষজ্ঞ এজনৰ দৰে মৃৎপাত্ৰৰ অৱশেষ এটুকুৰা বা মাৰ্বল এটুকুৰাৰ উৎপত্তি আৰু সময় নিৰ্ণয় কৰিবলৈ, অস্পষ্ট লিপিৰ পাঠোদ্ধাৰ কৰিবলৈ আৰু কোনোবা এটা তাৰিখ নিৰ্ধাৰণ কৰিবলৈ বৃহৎ অংকৰ গণনা কৰিবলৈ ঐতিহাসিক এজনৰ বিশেষ দক্ষতা থাকিবই লাগিব বুলি কোনো কথা নাই। এই তথাকথিত মৌলিক তথ্যবোৰ সকলো ঐতিহাসিকৰ বাবে একে আৰু সেইবোৰ সাধাৰণতে ঐতিহাসিকৰ বাবে কেঁচামালহে, সেইবোৰ নিজেই ইতিহাস নহয়। দ্বিতীয় পৰ্যবেক্ষণটো এইটোৱেই যে এই মৌলিক তথ্যসমূহ নিৰ্ধাৰণ কৰাৰ প্ৰয়োজনীয়তা সেই তথ্যসমূহৰ কোনো গুণৰ ওপৰত নিৰ্ভৰ নকৰে, ঐতিহাসিকৰ পূৰ্ব-সিদ্ধান্তৰ ওপৰতহে নিৰ্ভৰ কৰে।

চি. পি. স্কটৰ নীতিবাক্য সত্ত্বেও আজি প্ৰত্যেক সাংবাদিকেই জানে যে উপযুক্ত তথ্যৰ নিৰ্বাচন আৰু বিন্যাসেহে জনমত প্ৰভাবান্বিত কৰাৰ আটাইতকৈ কাৰ্যকৰী উপায়। এইটো সচৰাচৰ কোৱা হয় যে তথ্যই আপোনাআপুনি ইতিহাস ক'ব পাৰে। এইটো অৱশ্যে সঁচা নহয়। ঐতিহাসিকে বিচৰা মতেহে তথ্যই ইতিহাস কয় ঃ ঐতিহাসিকেহে সিদ্ধান্ত ল'ব কোনখিনি তথ্য তেওঁ কি প্ৰসংগত আৰু কেনে বিন্যাসেৰে পৰিবেশন কৰিব। মই ভাবোঁ এইটো পিৰাণ্ডেলোৰ (Pirandello) চৰিত্ৰবোৰৰে এটাই কোৱাৰ দৰে যে তথ্য এটা থৈলাৰ দৰে, তাৰ ভিতৰত কিবা কিছুমান নভৰোৱালৈকে সি থিয় হৈ নুঠে। যুদ্ধখন ১০৬৬ চনত হেষ্টিংচত হোৱা কথাটো জানিবলৈ আমাৰ আগ্ৰহৰ প্ৰধান কাৰণটো হ'ল এয়ে যে ঐতিহাসিকসকলে ইয়াক গুৰুত্বপূৰ্ণ ঐতিহাসিক ঘটনা বুলি বিবেচনা কৰে। ঐতিহাসিকে তেওঁৰ নিজস্ব কাৰণত সিদ্ধান্ত লৈছিল যে চিজাৰে ৰুবিকন নামৰ ক্ষুদ্ৰ সুঁতিটো পাৰ হোৱাটো এটা ঐতিহাসিক তথ্য, অথচ তাৰ পূৰ্বে বা পৰৱৰ্তী কালত নিযুত নিযুত মানুহ ৰুবিকন পাৰ হোৱাটোৱে কাৰোৰ আগ্ৰহ উদ্ৰেক নকৰে। এই যে আপুনি এই ঘৰটোলৈ আধা ঘণ্টা আগেয়ে খোজকাঢ়ি বা চাইকেলত বা গাড়ীত উঠি আহিল, সেই কথাটো চিজাৰে ৰুবিকন পাৰ হোৱাৰ দৰেই অতীত সম্পৰ্কে এটা তথ্য। ঐতিহাসিকসকলে সম্ভৱতঃ এইটো আওকাণ কৰিব। অধ্যাপক টেলকট পাৰ্চন্‌চে (Talcott Parsons) এবাৰ বিজ্ঞানক "বাস্তৱৰ প্ৰতি প্ৰজ্ঞাৰ দিক্‌বিন্যাসৰ নিৰ্বাচিত পদ্ধতি"[৬] বুলি অভিহিত কৰিছিল। কথাটো বোধকৰো আৰু বেছি সৰলভাৱে বুজাব পৰা গ'লহেঁতেন। কিন্তু অন্যান্য বিষয়ৰ দৰে ইতিহাসো তেনে ধৰণৰেই। ঐতিহাসিক অনিবাৰ্যভাৱে চিলেক্‌টিভ্। ঐতিহাসিকজনৰ ব্যাখ্যাৰ পৰা স্বতন্ত্ৰ আৰু বস্তুনিষ্ঠভাৱে ঐতিহাসিক তথ্যৰ কঠিন শাহ এটা থাকে বুলি থকা বিশ্বাস অযুক্তিকৰ বিভ্ৰান্তি, কিন্তু সেইটো নিৰ্মূল কৰাও কঠিন।

যিটো প্ৰক্ৰিয়াৰে অতীতৰ বিষয়ে সাধাৰণ তথ্য এটা ঐতিহাসিক তথ্যলৈ ৰূপান্তৰিত হয়, সেইটো চোৱা যাওক। ১৮৫০ চনত ষ্টেলিব্ৰিজ ৱেক্‌চত (Stalybridge Wakes) এটা তুচ্ছ বিবাদৰ পৰিণামত জিঞ্জাৰ-ব্ৰেড বিক্ৰেতা এজনক উন্মত্ত জনতাই গুৰিয়াই গুৰিয়াই মাৰি পেলাইছিল। এইটো ইতিহাসৰ তথ্য হয়নে? এবছৰৰ আগতে মই অকণো ইতস্ততঃ নকৰাকৈ ক'লোহেঁতেন 'নহয়'। এখন স্বল্পখ্যাত স্মৃতিকথাত এজন প্ৰত্যক্ষদৰ্শীয়ে ঘটনাটো লিপিবদ্ধ কৰি থৈ গৈছে;[৭] কিন্তু কোনো এজন ঐতিহাসিকেই ঘটনাটো উল্লেখ কৰাৰ বাবে যোগ্য বিবেচিত কৰা মোৰ দৃষ্টিগোচৰ হোৱা নাই। এবছৰৰ আগেয়ে ডঃ কিট্‌চন ক্লাৰ্কে (Kitson Clark) অক্সফ'ৰ্ডত ফ'ৰ্ড বক্তৃতামালাত ঘটনাটো উল্লেখ কৰিছিল।[৮] এই উল্লেখে ঘটনাটোক ঐতিহাসিক তথ্যত পৰিণত কৰিলেনে? মই ভাবোঁ এতিয়াও নাই কৰা। মই ক'ব বিচাৰিছো যে ইয়াৰ বৰ্তমান স্থিতিয়ে ইয়াক ঐতিহাসিক

তথ্যৰ নিৰ্বাচিত সংঘৰ সদস্যভুক্ত হ'বৰ বাবে প্ৰস্তাব কৰা হ'ল। ই এতিয়া এজন সমৰ্থক (seconder) আৰু এদল পৃষ্ঠপোষকৰ (sponsors) প্ৰতীক্ষাত আছে। এইটো এনে হ'বগৈ পাৰে যে পৰৱৰ্তী কেইবছৰমানত আমি এই তথ্যটোক ঊনবিংশ শতিকাৰ ইংলেণ্ডৰ বিষয়ে লেখা নিবন্ধ আৰু গ্ৰন্থৰ প্ৰথমে পাদটীকাত দেখিবলৈ পাম, তাৰ পিছত লেখাবোৰৰ পাঠত আৰু তাৰ পৰৱৰ্তী বিশ বা ত্ৰিশ বছৰত ই ঐতিহাসিক তথ্য হিছাপে প্ৰতিষ্ঠিত হৈ পৰিব পাৰে। ইয়াৰ বিকল্প হিছাপে কোনেও ইয়াক গুৰুত্ব নিদিবও পাৰে, আৰু তেনে পৰিস্থিতিত ড° কিট্চন ক্লাৰ্কে ইয়াক যি সাহসিকতাৰে উদ্ধাৰৰ প্ৰচেষ্টা চলাইছিল, পুনৰ অতীতৰ বিষয়ে সেই অনৈতিহাসিক তথ্যৰ ত্ৰিশংকুৰ স্বৰ্গলৈ প্ৰত্যাগমন কৰিব। এই দুটাৰ পৰিণতিৰ কোনটো ঘটিব সেইটো কিহে সিদ্ধান্ত কৰিব? মই ভাবোঁ, ড° কিট্চন ক্লাৰ্কে যি তত্ত্ব বা ব্যাখ্যাৰ সমৰ্থনত এই ঘটনাটো উল্লেখ কৰিছিল, আন আন ঐতিহাসিকে সেইটোক বৈধ আৰু তাৎপৰ্যপূৰ্ণ বুলি গ্ৰহণ কৰাৰ ওপৰত এইটো নিৰ্ভৰ কৰিছে। ঐতিহাসিক তথ্য হিছাপে ইয়াৰ মৰ্যাদা এক ব্যাখ্যাৰ প্ৰশ্নৰ লগত জড়িত। ব্যাখ্যাৰ এই উপাদানটো ইতিহাসৰ প্ৰতিটো তথ্যতে সোমাই পৰে।

মোক এটা ব্যক্তিগত স্মৃতি সুঁৱৰিবলৈ অনুমতি দিব নেকি? বহু বছৰৰ আগেয়ে মই যেতিয়া এই বিশ্ববিদ্যালয়ত প্ৰাচীন ইতিহাস অধ্যয়ন কৰিছিলো, তেতিয়া মোৰ এটা বিশেষ বিষয় আছিল 'পাৰ্চিয়ান যুদ্ধৰ সময়ৰ গ্ৰীচ'। মই মোৰ চেল্ফত পোন্ধৰ কি কুৰিখন গ্ৰন্থ সংগ্ৰহ কৰিছিলো আৰু মই ধৰি লৈছিলো যে সেই গ্ৰন্থকেইখনত মোৰ বিষয়টোৰ সকলোবোৰ তথ্য লিপিবদ্ধ কৰা আছে। ধৰি লোৱা যাওক,— যিটো প্ৰায় সচাঁই,— সেই গ্ৰন্থ কেইখনত সেই সময়লৈকে জনা অথবা জানিব পৰা সকলোবোৰ তথ্যই সন্নিবিষ্ট হৈছিল। নিশ্চয় কোনোবাই জনা অগণন তথ্যৰাশিৰ মাজৰ পৰা কি আকস্মিক অথবা পিহন-প্ৰক্ৰিয়াৰে তথ্যৰ সূক্ষ্ম নিৰ্বাচন কৰি থৈ যোৱাৰ পিছত সেইবোৰ ইতিহাসৰ তথ্য হ'বলৈ বাচি থাকিল, সেইটো গমি চোৱাৰ কথা মোৰ মনত কেতিয়াও নেখেলাইছিল। মোৰ সন্দেহ হয় যে আনকি আজিও প্ৰাচীন আৰু মধ্যযুগীয় ইতিহাসৰ এটা আকৰ্ষণ এয়ে যে সংগ্ৰহৰ সামৰ্থ্যৰ জোখাৰে (manageable compass) সকলোবোৰ তথ্য সংগ্ৰহ কৰি আমাৰ হাতত অৰ্পণ কৰি থৈ গৈছে বুলি ই আমাৰ বিভ্ৰান্তিৰ (illusion) সৃষ্টি কৰে: ইতিহাসৰ তথ্য আৰু অতীত সম্পৰ্কে অন্যান্য তথ্যৰ মাজৰ বিৰক্তিৰ পাৰ্থক্য অদৃশ্য হৈ পৰে, কিয়নো জ্ঞাত কিছুমান তথ্য ঐতিহাসিক তথ্য বুলি স্বীকৃত। দুয়োটা যুগৰ ওপৰতে কাম কৰা বিউৰীয়ে (Bury) কৈছিল যে "প্ৰাচীন আৰু মধ্যযুগীয় ইতিহাসৰ নথিসমূহ ছিদ্ৰৰে ভৰপূৰ।"[৯] ইতিহাসক বহুত হেৰোৱা টুকুৰাৰে ভৰা এক প্ৰকাণ্ড জিগ্-শ্ব' (Jig-saw) বুলি কোৱা হয়। কিন্তু কেৰোণবোৰেই প্ৰধান সমস্যা নহয়। খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাৰ গ্ৰীচ সম্পৰ্কে আমাৰ ছবিখন যে ত্ৰুটিপূৰ্ণ সেয়া

এইবাবে নহয় যে ভালেমান তথ্য দুৰ্ভাগ্যবশতঃ হেৰাই গৈছে, কিন্তু মুখ্যতঃ এইবাবেহে যে এথেন্স নগৰৰ এক ক্ষুদ্ৰ জনসমষ্টিয়ে ছবিখন অংকন কৰি থৈ গৈছে। এথেনীয়ান নাগৰিক এজনে যি দৃষ্টিৰে গ্ৰীচক চাইছিল, সেই দৃষ্টিৰে আমি বহুত কথাই জানো; কিন্তু স্পাৰ্টান বা কৰিন্থিয়ান বা থিবান এজনৰ চকুত ই কেনেদৰে প্ৰতিভাত হৈছিল, সেই বিষয়ে আমি একো নজনাৰ দৰে— পাৰ্চীয়ান অথবা এথেন্সৰে দাস অথবা আন অ-নাগৰিক বাসিন্দাসকলৰ কথা নক'লোৱেই বা। দৈৱ বা আকস্মিকতাই সিমান নহয়, যিসকল মানুহে সচেতনভাৱেই হওক বা অচেতনভাৱেই হওক, এক বিশেষ দৃষ্টিভংগী আৰু চিন্তাৰ দ্বাৰা উদ্বুদ্ধ হৈ সেই চিন্তা আৰু দৃষ্টিভংগীক সমৰ্থন কৰা তথ্যক সংৰক্ষণযোগ্য বিবেচনা কৰি যিমানকৈ আমাৰ ছবিখন আমাৰ বাবে পুৰ্ব-নিৰ্বাচিত আৰু পুৰ্ব-নিৰ্ধাৰিত কৰি থৈ গৈছে। সেই একেদৰেই মই যেতিয়া আধুনিক বুৰঞ্জী এখনত মধ্য যুগৰ কথা পঢ়োঁ যে মধ্য যুগত মানুহ গভীৰভাৱে ধৰ্মৰ প্ৰতি অনুৰক্ত আছিল, মোৰ আচৰিত লাগে আমি এই কথা কেনেকৈ জানিলো আৰু কথাবোৰ সঁচা জানো। মধ্যযুগৰ ইতিহাসৰ তথ্য বুলি আমি যিবোৰ কথা জানো, সেই সকলোবোৰ পেচাগতভাৱে ধৰ্মৰ তত্ত্ব আৰু অভ্যাসত ব্যস্ত কেইবা প্ৰজন্মৰ ইতিবৃত্তকাৰসকলে আমাৰ বাবে নিৰ্বাচিত কৰি থৈ গৈছে, যিসকলে সেয়ে সেইটোক সৰ্বোচ্চ গুৰুত্বপূৰ্ণ বুলি ভাবিছিল আৰু সেই সম্পৰ্কীয় সকলোখিনি লিপিবদ্ধ কৰিছিল আৰু আনবোৰ কথা আওকাণ কৰিছিল। ৰুচ কৃষকসকল যে নিষ্ঠাবান ধাৰ্মিক আছিল, সেই ছবিখন ১৯১৭ চনৰ বিপ্লৱে ধ্বংস কৰি পেলাইছিল। সঁচাই হওক বা মিছাই হওক, নৈতিকভাৱে ধাৰ্মিক মধ্যযুগৰ মানুহৰ ছবিখন অধ্বংসনীয়, কিয়নো মধ্যযুগৰ মানুহৰ বিষয়ে প্ৰায় সকলোবোৰ জ্ঞাত-তথ্য তেওঁ যিদৰে বিশ্বাস কৰিছিল, আৰু আনেও তেনেদৰেই বিশ্বাস কৰাটোকে বিচৰা মানুহে আমাৰ বাবে পুৰ্ব-নিৰ্বাচিত কৰি থৈ গৈছে, য'ত আমি বিপৰীত সাক্ষ্যও হয়তো পাব পাৰিলোহেঁতেন, সেইবোৰ পুনৰুদ্ধাৰৰ কোনো সম্ভাৱনা নোহোৱাকৈ হেৰাই গ'ল। লুপ্ত প্ৰজন্মৰ ঐতিহ্যৰ বোজা স্বৰূপ ঐতিহাসিক, লিপিকাৰ আৰু কালপঞ্জি লেখোতাসকলে পুনৰ-নিৰ্ধাৰণৰ সম্ভাৱনা পৰ্যন্ত শেষ কৰি দি অতীতৰ নক্সা নিৰ্ধাৰণ কৰি থৈ গৈছে। নিজকে মধ্যযুগীয় ঐতিহাসিক হিচাপে প্ৰশিক্ষিত কৰি লোৱা অধ্যাপক বাৰাকলাফে (G. Barraclough) লেখিছিল যে "আমি পঢ়া ইতিহাস যদিও তথ্যৰ ওপৰত প্ৰতিষ্ঠিত, কঢ়া কথাৰে ক'বলৈ হ'লে মুঠেই তথ্যভিত্তিক নহয়, বৰং এলানি গৃহীত সিদ্ধান্তহে।"[১০]

কিন্তু আমি আধুনিক ঐতিহাসিকৰ পৃথক অথচ সমানেই গুৰুত্বপূৰ্ণ দুৰৱস্থা এটালৈ দৃষ্টি দিম। প্ৰাচীন বা মধ্যযুগীয় ঐতিহাসিক ব্যাপক চালন-জাৰণ (winnowing) প্ৰক্ৰিয়াটোৰ প্ৰতি কৃতজ্ঞ হ'ব পাৰে, যিয়ে বহু বছৰ ধৰি নিয়ন্ত্ৰিত পৰিমাণৰ ঐতিহাসিক তথ্য তেওঁক অৰ্পণ কৰিছে। লিটন ষ্ট্ৰেচিয়ে (Lytton Strachey) তেওঁৰ কৌতুকভৰা

ঢঙত কৈছিল যে অজ্ঞতাই (ignorance) ঐতিহাসিক প্ৰথম প্ৰয়োজনীয় উপাকৰণ, যি অজ্ঞতাই সহজবোধ কৰে আৰু স্পষ্টীকৃত কৰে, যি নিৰ্বাচন আৰু বৰ্জন কৰে।[১১] যেতিয়া মই প্ৰাচীন বা মধ্যযুগীয় ইতিহাস প্ৰণয়নত ব্যস্ত হৈ থকা সতীৰ্থসকলৰ অফুৰন্ত সামৰ্থ্যৰ প্ৰতি ঈৰ্ষান্বিত হওঁ, কেতিয়াবা মই হওঁৱেই, তেতিয়া মই তেওঁলোকৰ এই প্ৰতিচ্ছায়া দেখি সান্ত্বনা পাওঁ যে তেওঁলোক ইমান দক্ষ প্ৰধানকৈ এই কাৰণেই যে তেওঁলোক তেওঁলোকৰ বিষয় সম্পৰ্কে অজ্ঞ। আধুনিক ঐতিহাসিকে এই সহজাত অজ্ঞতাৰ কোনোটোকেই ভোগ কৰিবলৈ নেপায়। তেওঁৰ নিজৰ বাবে প্ৰয়োজনীয় অজ্ঞতা তেওঁ নিজেই প্ৰস্তুত কৰি ল'ব লাগিব— যিমানেই তেওঁ নিজৰ সময়ৰ ওচৰ চাপি আহিব সিমানেই বেছিকৈ। কম সংখ্যক তাৎপৰ্যপূৰ্ণ আবিষ্কাৰ কৰি সেইবোৰক ঐতিহাসিক তথ্যলৈ পৰিণত কৰা আৰু আন অসংখ্য তথ্যক অনৈতিহাসিক বুলি পৰিত্যাগ কৰাৰ দ্বৈত-দায়িত্ব তেওঁ পালন কৰিব লাগে। এইটো সৰ্বাধিক পৰিমাণৰ অখণ্ডনীয় আৰু বস্তুনিষ্ঠ তথ্যৰ সমাৱেশকে ইতিহাস বুলি গণ্য কৰা ঊনবিংশ শতিকাৰ গোড়ামিটোৰ (heresy) পৰিপন্থী আছিল। যিসকলে এই গোড়ামিটোৰ ওচৰত নতি স্বীকাৰ কৰে, তেওঁলোকে হয় বেয়া কাম বুলি ইতিহাস বাদ দিব লাগিব অথবা ডাক-টিকট সংগ্ৰহত ধৰিব লাগিব নতুবা অন্য প্ৰকাৰ পুৰাতত্ত্বত ধৰিব লাগিব অথবা পগলা ফাটেকত জীৱন শেষ কৰিব লাগিব। যোৱা এশটা বছৰত আধুনিক ঐতিহাসিকসকলৰ ওপৰত এই গোড়ামিৰ প্ৰভাৱ ইমানেই সৰ্বনাশী হ'ল যে তাৰ ফলত জাৰ্মানী, গ্ৰেট বৃটেইন আৰু যুক্তৰাষ্ট্ৰত ভাবী ঐতিহাসিকসকলে কম গুৰুত্বপূৰ্ণ ঘটনা সম্পৰ্কে অধিকতৰ জ্ঞান আহৰণ কৰি এক বৃহৎ আৰু ক্ৰমবৰ্ধিত তথ্যসৰ্বস্ব নিৰস (dry-as-dust) ইতিহাস, সূক্ষ্মতাৰ বিশেষত্বপূৰ্ণ মন'গ্ৰাফ সৃষ্টি কৰি কোনো চিন-মোকাম নৰখাকৈ তথ্যৰ সাগৰত হেৰাই গৈছিল। মোৰ আশংকা এয়ে যে লিবাৰেল আৰু কেথলিক অনুগামীসকলৰ সংঘাততকৈয়ো এই গোড়ামিয়েই ঐতিহাসিক হিছাপে এক্টনক নিৰুদ্যম (frustrated) কৰিছিল। তেওঁৰ শিক্ষাগুৰু ডলিঞ্জাৰৰ (Döllinger) বিষয়ে আগবয়সত লেখা এখন ৰচনাত তেওঁ লেখিছিল যে "তেওঁ ত্ৰুটিপূৰ্ণ (imperfect) সমলেৰে নেলেখে আৰু তেওঁৰ বাবে সমলসমূহ সদায়েই ত্ৰুটিপূৰ্ণ।"[১২] নিঃসন্দেহে ইয়াৰ দ্বাৰা এক্টনে যেন নিজৰ সম্পৰ্কেই এক আগতীয়া ৰায় (anticipatory verdict) দিছিল, যিটো এজন ঐতিহাসিকৰ বাবে আশ্চৰ্যজনকভাৱে অনন্যসাধাৰণ (strange phenomenon of a historian) আছিল যাক এইখন বিশ্ববিদ্যালয়ৰ আধুনিক ইতিহাসৰ ৰেজিয়াছ চেয়াৰত (Regius Chair) এতিয়ালৈকে অধিষ্ঠিতসকলৰ ভিতৰত আটাইতকৈ কৃতী (distinguished) অধিকাৰী বুলি বহুতেই স্বীকাৰ কৰিছিল কিন্তু যিজনে কোনো ইতিহাস ৰচনা কৰা নাছিল। তেওঁৰ মৃত্যুৰ পাছতে প্ৰকাশ হোৱা কেমব্ৰিজ মডাৰ্ণ হিষ্ট্ৰিৰ প্ৰথম খণ্ডটোৰ

ভূমিকা-টোকাত এক্টনে নিজৰ এপিটাফ লেখি থৈ গৈছে য'ত তেওঁ অনুশোচনা কৰি কৈছিল যে ঐতিহাসিকৰ ওপৰত পৰা তাগিদাৰ হেঁচাই "তেওঁক লেখকৰ (Man of letters) পৰা এখন বিশ্বকোষ সংকলয়িতালৈ পৰিণত কৰাৰ ভাবুকিৰ সৃষ্টি কৰিছিল।"[১৩] কিবা ভুল হৈ গৈছিল। যিটো ভুল হৈ গৈছিল সেইটো এয়ে আছিল যে অক্লান্ত আৰু অন্তহীন নিখুঁত তথ্য (hard facts) সংকলনকে ইতিহাসৰ আধাৰ হিছাপে বিশ্বাস কৰাটো, যিটো বিশ্বাসৰ মতে তথ্যই আপোনা-আপুনি ইতিহাস ক'ব পাৰে আৰু আমি প্ৰয়োজনৰ জোখাৰে তথ্য পাবই নোৱাৰো, আৰু ইতিহাস কাক কয় বুলি তেওঁলোকে প্ৰশ্ন কৰিবলৈ এনে এটা বিশ্বাস সেই সময়ত এনে প্ৰশ্নাতীত আছিল যে খুব কম সংখ্যক ঐতিহাসিকেহে তেতিয়া এইটো প্ৰয়োজনীয় বুলি ভাবিছিল আৰু কোনো কোনোৱে আজিকালিও ইয়াক অপ্ৰয়োজনীয় বুলিয়েই ভাবে।

উনৈশ শতিকাৰ তথ্যৰ জড়োপাসনাক (fetishim) নথি-পত্ৰৰ জড়োপাসনাৰ দ্বাৰা সম্পূৰ্ণ আৰু ন্যায়সংগত কৰা হৈছিল। তথ্যৰ মন্দিৰত তেওঁলোকৰ বাবে নথি-পত্ৰাদি বিগ্ৰহ স্বৰূপ (Ark of the Covenant) আছিল। শ্ৰদ্ধাবান ঐতিহাসিকে মূৰ দোঁৱাই সেইবিলাকৰ কাষ চাপিছিল আৰু সম্ভ্ৰমেৰে কথা কৈছিল। আপুনি যদি নথি-পত্ৰত ইয়াক পাইছে, তেন্তে ঘটনা তেনে ধৰণৰেই। কিন্তু আমি যদি সেইবোৰৰ ভিতৰত প্ৰৱেশ কৰোঁ— ৰাজাজ্ঞা (decrees), সন্ধি, খাজনাৰ হিছাপ, চৰকাৰী কাৰ্যবিৱৰণী (blue-books), চৰকাৰী চিঠি-পত্ৰ, ব্যক্তিগত চিঠি আৰু দিনলেখা আদিয়ে আমাক কি কয়? নথিৰ লেখকে যি ভাবিছিল তাতকৈ বৰ বেছি আমাক কোনো লিখিত নথিয়েই ক'ব নোৱাৰে,— তেওঁ যি ভাবিছিল সেয়াই ঘটা উচিত আছিল বা ঘটিব পাৰে, বা সম্ভৱতঃ কেৱল আনক তেওঁ যি ভবাই তুলিবলৈ বিচাৰিছিল তাকেইহে ভাবিছিল। ঐতিহাসিকে সেইবোৰৰ ওপৰত কাম নকৰালৈকে আৰু অৰ্থোদ্ধাৰ নকৰালৈকে এইবোৰৰ কোনোটোৱেই একো নুবুজায়। তথ্য নথি-পত্ৰতেই পোৱা যাওক বা অন্যতেই পোৱা যাওক, ঐতিহাসিকে প্ৰয়োগ কৰাৰ আগেয়ে সেইবোৰ পৰিশোধিত (process) কৰি ল'ব লাগিব ঃ মোক যদি এইটো সেইদৰে ক'বলৈ কয়, ঐতিহাসিকে তথ্যৰ যি ব্যৱহাৰ কৰে সেয়া হৈছে পৰিশোধিত প্ৰক্ৰিয়া (processing process) অৰ্থাৎ সঠিক তথ্য আহৰণৰ প্ৰক্ৰিয়া।

মই ক'বলৈ চেষ্টা কৰা কথাখিনি মই ভালদৰে জনা উদাহৰণ এটাৰে স্পষ্ট কৰিব খুজিছো। ১৯২৯ চনত যেতিয়া ভাইমাৰ ৰিপাব্লিকৰ বৈদেশিক মন্ত্ৰী গুস্তাভ ষ্ট্ৰেচমানৰ (Gustav Stresemann) মৃত্যু হৈছিল, তেওঁ ছবছৰ ধৰি বৈদেশিক মন্ত্ৰী হৈ থকা সময়ৰ লগত সম্পৰ্কিত সম্পূৰ্ণ তিনিশ বাকচ চৰকাৰী, অৰ্ধ-চৰকাৰী আৰু ব্যক্তিগত কাগজৰ প্ৰকাণ্ড স্তুপ এটা এৰি থৈ গৈছিল। তেওঁৰ বন্ধু-বান্ধৱ আৰু আত্মীয়সকলে

তেনে এজন মহান ব্যক্তিৰ স্মৃতিত এটা স্মৃতিসৌধ নিৰ্মাণ কৰাৰ কথা ভাবিছিল। তেওঁৰ বিশ্বস্ত সচিব বাৰ্ণহাৰ্ড (Bernhard) কামত লাগি গ'ল আৰু তিনি বছৰৰ ভিতৰত তিনিশ বাকচ নথিৰ পৰা নিৰ্বাচন কৰি Stresemann's Vermächtnis (ষ্ট্ৰেচমানৰ উত্তৰাধিকাৰ) নামৰ চকুত লগা শিৰোনামাৰে প্ৰতিটো খণ্ডত ৬০০ পৃষ্ঠাকৈ তিনিটা বৃহৎ খণ্ড প্ৰকাশ কৰি উলিয়ায়। সাধাৰণ অৱস্থাত নথিসমূহ কোনোবা ভূ-গৰ্ভস্থ গুদাম ঘৰ (celler) বা আতালত (attic) ভেঁকুৰ লাগি চিৰদিনৰ বাবে হেৰাই গ'লহেঁতেন; অথবা সম্ভৱতঃ এশ বছৰমানৰ পিছত কোনোবা উৎসুক পণ্ডিতে সেইখিনি বিচাৰি পাই বাৰ্ণহাৰ্ডৰ পাঠৰ লগত তুলনা কৰি চাবলৈ বিচাৰিলেহেঁতেন। কিন্তু যি ঘটিল, সেইটো বহুত বেছি নাটকীয়। ১৯৪৫ চনত নথিসমূহ বৃটিছ আৰু আমেৰিকান চৰকাৰৰ হাতত পৰিল আৰু তেওঁলোকে গোটেইখিনিৰ ফটোগ্ৰাফ কৰি লণ্ডনৰ পাব্লিক ৰেকৰ্ড অফিচ আৰু ৱাছিংটনৰ নেচনেল আৰ্কাইভৰ পণ্ডিতসকলৰ তত্ত্বাৱধানত দি দিলে, যাতে যদিহে আমাৰ প্ৰয়োজনীয় ধৈৰ্য আৰু আগ্ৰহ আছে তেন্তে আমি বাৰ্ণহাৰ্ডে প্ৰকৃততে কি কৰিছিল সেইটো আবিষ্কাৰ কৰিব পাৰোঁ। তেওঁ যি কৰিছিল, সেইটো বৰ বেছি অস্বাভাৱিক নাইবা হতভম্ব হবলগীয়াও নাছিল। ষ্ট্ৰেচমান যেতিয়া ঢুকাইছিল, ল'কাৰ্ণো, জাতিসংঘত জাৰ্মানীৰ অন্তৰ্ভুক্তি, ডাৱেছ এণ্ড ইয়ং আঁচনি (Dawes and Young Plan) আৰু আমেৰিকাৰ ঋণ, ৰাইন'লেণ্ডৰ পৰা মিত্ৰশক্তিৰ দখলদাৰী সৈন্যবাহিনী প্ৰত্যাহাৰ আদি তেওঁৰ পশ্চিমীয়া নীতি এলানি চমকপ্ৰদ সাফল্যৰে গৌৰৱান্বিত হৈ পৰিছিল। ইয়াক ষ্ট্ৰেচমানৰ বৈদেশিক নীতিৰ গুৰুত্বপূৰ্ণ আৰু ফলপ্ৰসূ (rewarding) ভূমিকা বুলি ক'ব পাৰি আৰু ই বাৰ্ণহাৰ্ডৰ নথি নিৰ্বাচন অধিক স্থান দখল কৰাটো অস্বাভাৱিক নাছিল। আনহাতে, ষ্ট্ৰেচমানৰ প্ৰাচ্যনীতি, চোভিয়েট ইউনিয়নৰ লগত জাৰ্মানীৰ সম্পৰ্কই কোনো বিশেষ দিশলৈ গতি কৰা নাছিল আৰু যিহেতু তুচ্ছ পৰিণতিত শেষ হোৱা বৈদেশিক আলোচনাৰ বৃহৎ নথি-পত্ৰবোৰ বৰ বেছি আকৰ্ষণীয় নাছিল আৰু সেইবোৰে ষ্ট্ৰেচমানৰ খ্যাতিলৈকো কোনো ৰঙণি আগনবঢ়ায়, নথি নিৰ্বাচনৰ প্ৰক্ৰিয়াটো অধিক সংযমী (rigorous) হোৱা উচিত আছিল। বাস্তৱিকতে ষ্ট্ৰেচমানে চোভিয়েট ইউনিয়নৰ লগত সম্পৰ্কৰ ক্ষেত্ৰত অধিক দৃঢ় আৰু উদ্বিগ্ন মনোযোগ দিছিল আৰু সেইবোৰে সামগ্ৰিকভাৱে তেওঁৰ বৈদেশিক নীতিত বাৰ্ণহাৰ্ডৰ নিৰ্বাচিত নথিৰ পাঠকে ধাৰণা কৰিব পৰাতকৈ বৰ বেছি ডাঙৰ ভূমিকা পালন কৰিছিল। মোৰ ধাৰণা মতে, সাধাৰণ ঐতিহাসিকে সন্দেহাতীতভাৱে বিশ্বাস কৰা বহুবোৰ প্ৰকাশিত নথিৰ সংগ্ৰহতকৈ বাৰ্ণহাৰ্ডৰ খণ্ডকেইটা বেছি বিশ্বাসযোগ্য।

ইয়াতেই মোৰ কাহিনী শেষ হোৱা নাই। বাৰ্ণহাৰ্ডৰ খণ্ডকেইটা প্ৰকাশ হোৱাৰ কিছুসময়ৰ পিছতেই হিটলাৰ ক্ষমতালৈ আহিছিল। জাৰ্মানীত ষ্ট্ৰেচমানৰ নাম পাহৰণিৰ গৰ্ভলৈ ঠেলি দিয়া হ'ল আৰু খণ্ডকেইটা বজাৰৰ পৰা অন্তৰ্ধান হ'ল ঃ বহুতো, সম্ভৱতঃ

বেছিভাগ কপি ধ্বংস কৰা হ'ল। আজিকালি 'ষ্ট্ৰেচমানৰ উত্তৰাধিকাৰ' এখন দুষ্প্ৰাপ্য গ্ৰন্থ। কিন্তু পশ্চিম অঞ্চলত ষ্ট্ৰেচমানৰ খ্যাতি উচ্চ প্ৰশংসিত। ১৯৩৫ চনত এজন ইংৰাজ প্ৰকাশকে বাৰ্ণহাৰ্ডৰ নিৰ্বাচিত নথিৰ পৰা নিৰ্বাচন কৰি গ্ৰন্থখনৰ চমু অনুবাদ এটা প্ৰকাশ কৰি উলিয়াইছিল; সম্ভৱতঃ মূল গ্ৰন্থখনৰ এক-তৃতীয়াংশ বাদ দিয়া হৈছিল। জাৰ্মান ভাষাৰ পৰা কৰা অনুবাদৰ কাৰণে প্ৰখ্যাত হৈ পৰা চাটনে (Sutton) তেওঁৰ কাম দক্ষতাৰে আৰু নিয়াৰিকৈ সম্পন্ন কৰিছিল। পাতনিত তেওঁ ব্যাখ্যা কৰি কৈছিল যে ইংৰাজী সংস্কৰণটো "যৎসামান্য চমুওৱা হৈছে, যাৰ প্ৰতি ইংৰাজ পাঠক বা ছাত্ৰৰ আগ্ৰহ কম হ'ব তেনে ধৰণৰ অতি ক্ষণস্থায়ী বুলি ভৱা কিছু অংশহে বাদ দিয়া হৈছে।"[১৪] এয়া অৱশ্যে স্বাভাৱিক। কিন্তু ইয়াৰ ফলত বাৰ্ণহাৰ্ডে ইতিমধ্যে কমাই প্ৰকাশ কৰা ষ্ট্ৰেচমানৰ প্ৰাচ্যনীতি আমাৰ দৃষ্টিৰ পৰা আৰু বেছি দূৰলৈ আঁতৰি গ'ল আৰু চাটনৰ খণ্ডবিলাকত চোভিয়েট ইউনিয়নৰ চেগা-চোৰোকা উল্লেখহে ঘটিল আৰু তাকো ষ্ট্ৰেচমানৰ গুৰুত্বপূৰ্ণ পশ্চিমীয়া বৈদেশিক নীতিৰ পৰিপ্ৰেক্ষিতত অবাঞ্ছিত অনুপ্ৰৱেশকাৰী হিচাপেহে। তথাপি এইটো নিঃসন্দেহে ক'ব পাৰি যে মুষ্টিমেয় বিশেষজ্ঞক বাদ দি আন সকলোৰে বাবে নথি-পত্ৰ সমূহতো নহয়েই, স্বয়ং বাৰ্ণহাৰ্ডতকৈয়ো চাটনেহে পশ্চিমৰ জগতত ষ্ট্ৰেচমানৰ কণ্ঠৰ প্ৰতিনিধিত্ব কৰিছে। ১৯৪৫ চনৰ বোমা বৰ্ষণত নথি-পত্ৰবোৰ ধ্বংস হোৱাহেঁতেন আৰু বাৰ্ণহাৰ্ডৰ খণ্ডকেইটা নোহোৱা হৈ যোৱাহেঁতেন, চাটনৰ প্ৰামাণিকতা আৰু স্বীকৃতি প্ৰশ্নাতীত হৈ ৰ'লহেঁতেন। মূলৰ অভাৱত ঐতিহাসিকসকলে কৃতজ্ঞতাৰে গ্ৰহণ কৰা নথি-পত্ৰৰ ছপা সংকলনবোৰৰ ইয়াতকৈ অধিক সুৰক্ষিত আধাৰ নাই।

কিন্তু মই মোৰ কাহিনী আৰু এখোজ আগুৱাই নিব বিচাৰোঁ। আমি বাৰু বাৰ্ণহাৰ্ড আৰু চাটনৰ কথা বাদ দি আমি এই ভাবি কৃতজ্ঞ হোৱা উচিত যে আমি যদি বিচাৰোঁ তেতিয়াহ'লে অৰ্বাচীন ইউৰোপীয় ইতিহাসৰ কিছু গুৰুত্বপূৰ্ণ ঘটনাৰ অন্যতম প্ৰধান অংশীদাৰৰ প্ৰামাণিক নথি-পত্ৰ আমি আলোচনা কৰিব পাৰোঁ। কাগজ-পত্ৰবিলাকে আমাক কি কয়? অন্যান্য বিষয়ৰ লগতে সেইবোৰত চোভিয়েটৰ ৰাষ্ট্ৰদূতৰ লগত ষ্ট্ৰেচমানৰ বাৰ্লিনত হোৱা শতাধিক আৰু চিচাৰিণৰ (Chicherin) লগত হোৱা কুৰিটামান আলোচনাৰ নথি আছে। এই নথি-পত্ৰসমূহৰ এটা উমৈহতীয়া বৈশিষ্ট্য আছে। সেইবোৰে ষ্ট্ৰেচমানে আলোচনাবোৰত সিংহভাগ লোৱাটো অংকিত কৰিছে আৰু তেওঁ যুক্তিসমূহ সুন্দৰ বলিষ্ঠভাৱে উপস্থাপন কৰিছিল বুলি আৰু অন্যহাতে আলোচনাৰ আন অংশগ্ৰহণকাৰীসকলৰ বক্তব্য জোৰা-টাপলি মৰা (scanty), আউলীয়া (confused) আৰু প্ৰত্যয়হীন আছিল বুলি বিবৃত কৰিছে। কূটনৈতিক কথোপকথনৰ সকলোবোৰ নথি-পত্ৰৰ ই এক পৰিচিত বৈশিষ্ট্য। প্ৰকৃততে কি ঘটিছিল, নথি-পত্ৰবোৰে সেইটো আমাক নকয়, কেৱল ষ্ট্ৰেচমানে যি ভাবিছিল তাকে ঘটিছিল অথবা তেওঁ আনে কেনেদৰে

ভবাটো বিচাৰিছিল, অথবা তেওঁ নিজে যেনেদৰে ভবাটো বিচাৰিছিল, তেনেদৰেই ঘটিছিল। চার্টন বা হার্ণহার্ডে নহয়, নির্বাচনৰ প্রক্রিয়াটো ষ্ট্রেচমানেহে আৰম্ভ কৰিছিল। ধৰক, একেখিনি কথোপকথনৰ বাবে আমি যদি চিচাৰিণৰ নথি-পত্রখিনি পালোহেঁতেন, তাৰ পৰা চিচাৰিণে যি ভাবিছিল কেৱল সেইটোহে জানিলোহেঁতেন আৰু বাস্তৱিকতে কি ঘটিছিল সেইটো তেতিয়া ঐতিহাসিকে নিজৰ মনত পুনৰ নির্মাণ কৰি ল'ব লাগিব। নিঃসন্দেহে তথ্য আৰু নথি ঐতিহাসিকৰ বাবে অপৰিহার্য। কিন্তু সেইবোৰৰ জড়োপাসনা (fetish) নকৰিবা। সেইবোৰে নিজে নিজে ইতিহাস ৰচনা নকৰে; সেইবোৰে নিজাকৈ ইতিহাস কাক কয়? এই ক্লান্তিকৰ প্রশ্নটোৰ ৰেডিমেড উত্তৰ নিদিয়ে।

এইখিনিতে মই উনৈশ শতিকাৰ ঐতিহাসিকসকল সাধাৰণতে ইতিহাসৰ দর্শন সম্পর্কে কিয় উদাসীন আছিল সেই সম্পর্কে দুআষাৰমান কোৱা উচিত হ'ব। খণ্ডবাক্যটো ভল্টেয়াৰে (Voltaire) উদ্ভাৱন কৰিছিল আৰু তেতিয়াৰে পৰা ই বিভিন্ন অর্থত ব্যৱহৃত হৈ আহিছে; কিন্তু মই যদি ইয়াক ব্যৱহাৰ কৰোঁ, তেন্তে মই ইয়াক 'ইতিহাস কাক কয়?' প্রশ্নটোৰ উত্তৰ হিছাপে ব্যৱহাৰ কৰিম। পশ্চিম ইউৰোপৰ বুদ্ধিজীৱীসকলৰ বাবে উনবিংশ শতিকাটো আত্মবিশ্বাস আৰু আশাবাদ নিঃসৰিত হোৱা নিজঞ্জাল (comfortable) যুগ আছিল। মুঠৰ ওপৰত তথ্যাদি সন্তোষজনক আছিল: আৰু সেইবিলাকৰ বিষয়ে অস্বস্তিকৰ প্রশ্ন কৰা আৰু উত্তৰ দিয়াৰ প্রৱণতা তুলনামূলকভাৱে দুর্বল আছিল। ৰেংকেই (Ranke) নিষ্ঠাৰে বিশ্বাস কৰিছিল যে তেওঁ যদি তথ্যৰ যত্ন লয়, দৈৱিক শক্তিয়ে (divine providence) ইতিহাসৰ অর্থৰ যত্ন ল'ব; আৰু বার্কহার্টে (Burckhardt) এক অধিক আধুনিক চিনিচিজমৰ পৰশেৰে মন্তব্য দিছিল যে "আমি সনাতন প্রজ্ঞাৰ উদ্দেশ্যত দীক্ষিত নহয়।" অধ্যাপক বাটাৰফিল্ডে (Butterfield) আপাত সন্তুষ্টিৰে যথেষ্ট পলমকৈ ১৯৩১ চনত লক্ষ্য কৰিছিল যে, "ঐতিহাসিকসকলে বস্তুৰ প্রকৃতি আৰু আনকি তেওঁলোকৰ নিজৰ বিষয়ৰ প্রকৃতিৰ সম্পর্কেও খুব কম চিন্তা-ভাৱনা কৰিছে।"[১৫] এই বক্তৃতামালাৰ মোৰ পূর্বসূৰী ড° এ. এল. ৰাউজে (Dr. A.L. Rowse) অধিক সঠিকভাৱে সমালোচনাত্মক হৈ ছাৰ উইনষ্টন চার্চিলে প্রথম বিশ্বযুদ্ধৰ বিষয়ে লেখা World Crisis শীর্ষক গ্রন্থখনৰ বিষয়ে লেখিছিল যে ব্যক্তিত্ব, নিখুঁত বর্ণনা আৰু প্রাণশক্তিত ই যদিও ট্রট্স্কিৰ (Trotsky) History of the Russian Revolutionৰ সমকক্ষ, এটা ক্ষেত্রত গ্রন্থখন নিকৃষ্ট: "ইয়াৰ পশ্চাতত ইতিহাসৰ দর্শন অনুপস্থিত।"[১৬] বৃটিছ ঐতিহাসিকবৃন্দ ইয়াৰ প্রতি আকর্ষিত নহ'ল এই কাৰণে নহয় যে তেওঁলোকে ইতিহাসৰ কোনো অর্থই নাই বুলি বিশ্বাস কৰিছিল, বৰং তেওঁলোকে বিশ্বাস কৰিছিল যে ইতিহাসৰ অর্থ অন্তর্নিহিত হৈ থাকে আৰু ই স্বতঃস্পষ্ট (implicit and self-evident), লিবাৰেল উনৈশ শতিকাৰ ইতিহাস সম্পর্কীয় দৃষ্টিকোণৰ লগত মুক্ত বাণিজ্যৰ (Laissez-faire)

অৰ্থনৈতিক তত্ত্বৰ লগত নিকট সাদৃশ্য আছিল,— যিটো জগত সম্পৰ্কে—এক সৌম্য (serene) আৰু আত্মবিশ্বাসৰ দৃষ্টিভংগীৰ ফচল আছিল। প্ৰত্যেকেই নিজৰ নিজৰ নিৰ্দিষ্ট কামত ব্যস্ত হওক, অদৃশ্য হাতে (বা দৈব্যই) সাৰ্বজনীন সমন্বয়ৰ যত্ন ল'ব। ইতিহাসৰ তথ্যসমূহ নিজেই উচ্চতৰ বস্তুৰ ফালে এক কল্যাণকামী আৰু আপাততঃ অনন্ত প্ৰগতিৰ সৰ্বোত্তম তথ্যৰ প্ৰকাশ। এইটো আদিম সৰলতাৰ যুগ আছিল আৰু ঐতিহাসিকসকলে তেওঁলোকক ঢাকি দিবলৈ দৰ্শনৰ টুকুৰা এটাও নোহোৱাকৈ ইতিহাসৰ দেৱতাৰ সন্মুখত নগ্ন আৰু নিৰ্লজ্জভাৱে গাৰ্ডেন অৱ ইডেনত ভ্ৰমি ফুৰিছিল। তেতিয়া আমাৰ পাপৰ জ্ঞান হ'ল আৰু এক 'পতন'ৰ অভিজ্ঞতা অনুভৱ কৰিলো; আৰু যিসকল ঐতিহাসিকে আজিও ইতিহাসৰ দৰ্শনক বাদ দিয়াৰ ভাও জোৰে, তেওঁলোকে এক নুডিষ্ট কল'নিৰ (nudist colony) সদস্যৰ দৰেই বৃথাই অথচ আত্ম-সচেতনভাৱে বাগিচাৰ ওচৰে-পাজৰে গাৰ্ডেন অৱ ইডেন এখন পুনৰ সৃষ্টি কৰিবলৈ যত্ন কৰি আছে। আজি আৰু সেই অস্বস্তিকৰ প্ৰশ্নটো এৰাই চলাৰ কোনো উপায় নাই।

যোৱা পঞ্চাশ বছৰত 'ইতিহাস কাক কয়?' এই প্ৰশ্নটোৰ বিষয়ে ভালেমান গুৰুত্বপূৰ্ণ কাম কৰা হৈছে। ঐতিহাসিক তথ্যৰ প্ৰাধান্য আৰু স্বতন্ত্ৰতাৰ তত্ত্বৰ বিৰুদ্ধে প্ৰথম প্ৰত্যাহ্বানটো আহিছিল ১৮৮০ আৰু ১৮৯০ ৰ দশক দুটাত জাৰ্মানীৰ পৰা— যিখন দেশে ঊনবিংশ শতিকাৰ লিবাৰেলিজমৰ শান্তিপূৰ্ণ ৰাজত্বক ওফৰাই দিছিল। যিসকল দাৰ্শনিকে প্ৰত্যাহ্বানটো জনাইছিল, এতিয়া তেওঁলোকৰ নামটোৰ অৱশিষ্টহে ৰোৱাৰ বাহিৰে তেওঁলোকক প্ৰায় পাহৰি যোৱা হৈছে। তেওঁলোকৰ মাজত কেৱল ডিল্‌থেইহে (Dilthey) গ্ৰেট বৃটেইনত কিছু বিলম্বিত স্বীকৃতি লাভ কৰিছে। শতিকাটো শেষ হোৱাৰ আগেয়ে এই দেশখনত সমৃদ্ধি আৰু আত্ম-বিশ্বাস ইমানেই বেছি আছিল যে তথ্যৰ তত্ত্বক (cult of facts) আক্ৰমণ কৰা বিধৰ্মী (heretics)বোৰৰ প্ৰতি মনোযোগ দিয়াৰ কোনো অৱকাশেই নাছিল। কিন্তু নতুন শতিকাটোৰ আৰম্ভণিতে আৰিয়াটো (torch) ইটালীৰ হাতলৈ গৈছিল, য'ত ক্ৰ'চেই (Croce) এক ইতিহাসৰ দৰ্শনৰ প্ৰচাৰ আৰম্ভ কৰিছিল, যিটো বহু পৰিমাণে জাৰ্মান চিন্তাবিদসকলৰ ওচৰত ধৰুৱা আছিল। সকলোবোৰ ইতিহাসেই 'সমসাময়িক ইতিহাস' [11] বুলি ক্ৰ'চেই ঘোষণা কৰিছিল আৰু তাৰ দ্বাৰা তেওঁ এই অৰ্থ কৰিছিল যে ইতিহাস মাইকৈ বৰ্তমানৰ চকুৰে আৰু তাৰ সমস্যাৰাজিৰ পোহৰত কৰা অতীত অৱলোকন আৰু সেয়ে ঐতিহাসিকৰ প্ৰধান কাম হ'ল লিপিবদ্ধ কৰা নহয়, মূল্যায়ণ (evaluate) কৰাহে; কাৰণ, তেওঁ যদি মূল্যায়ণেই নকৰে, কোনবোৰ কথা লিপিবদ্ধ কৰাৰ বাবে যোগ্য, সেই কথা তেওঁ জানিব কেনেকৈ? ১৯১০ চনত আমেৰিকান ঐতিহাসিক কাৰ্ল বেকাৰে (Carl Becker) পোনপটীয়াকৈ প্ৰৰোচনামূলক (provocative) ভাষাৰে যুক্তি দৰ্শাইছিল যে "তেওঁ সেইবোৰক সৃষ্টি কৰি নোলোৱালৈকে

কোনো ঐতিহাসিকৰ বাবেই তথ্যৰ অস্তিত্ব নাথাকে।"[১৮] এই প্ৰত্যাহ্বানসমূহলৈ তেতিয়া মনোযোগ দিয়া হোৱা নাছিল। ১৯২০ চনৰ পিছতহে ফ্ৰান্স আৰু গ্ৰেট বৃটেইনত ক্ৰ'চেৰ জনপ্ৰিয়তা আৰম্ভ হৈছিল। এইটো বোধহয় এই কাৰণে নহয় যে জাৰ্মান পূৰ্বসূৰীসকলতকৈ ক্ৰ'চে সূক্ষ্মতৰ চিন্তাবিদ অথবা শ্ৰেষ্ঠতৰ শৈলীবিদ (stylist) আছিল, বৰং এই কাৰণেহে যে ১৯১৪ চনৰ পূৰ্বৰ বছৰবোৰৰ তুলনাত প্ৰথম বিশ্বযুদ্ধৰ পিছত আমাৰ ওপৰত তথ্যৰ হাঁহি ক্ৰমান্বয়ে মোলান পৰি আহিছিল আৰু সেয়ে এবিধ দৰ্শন আমাৰ বাবে সুগম হৈ উঠিছিল যিয়ে তথ্যৰ গৌৰৱ তুচ্ছ কৰিব বিচাৰিছিল। অক্সফ'ৰ্ডৰ দাৰ্শনিক আৰু ঐতিহাসিক কলিংউদৰ (Collingwood) ওপৰত ক্ৰ'চেৰ গুৰুত্বপূৰ্ণ প্ৰভাৱ পৰিছিল, যি বৰ্তমান শতিকাটোৰ একমাত্ৰ বৃটিছ চিন্তাবিদ, যি ইতিহাসৰ দৰ্শনলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াইছিল। তেওঁ পৰিকল্পনা কৰি লোৱা মতে প্ৰণালীবদ্ধ গৱেষণা গ্ৰন্থ (treatise) এখন লেখিবলৈ তেওঁ জীয়াই নাথাকিল; কিন্তু তেওঁ বিষয়টো সম্পৰ্কে লেখা প্ৰকাশিত আৰু অপ্ৰকাশিত প্ৰবন্ধবোৰ তেওঁৰ মৃত্যুৰ পিছত এটা খণ্ডত সংকলিত কৰি ১৯৪৫ চনত The Idea of History শিৰোনামাৰে প্ৰকাশ কৰা হৈছিল।

কলিংউদৰ দৰ্শন নিম্নোক্ত ধৰণে সংক্ষিপ্তকৰণ কৰিব পাৰি। 'কেৱল অতীতৰ বাবেই অতীত' নাইবা 'অতীত সম্পৰ্কে ঐতিহাসিকৰ চিন্তাৰ স্বাৰ্থ'— এই দুটাৰ কোনো এটাই ইতিহাসৰ দৰ্শনৰ বিবেচ্য নহয়, বৰং 'দুয়োটাৰে পাৰস্পৰিক সম্পৰ্ক'হে ইয়াৰ বিবেচ্য। (এই নীতিবাক্যটোৰে 'ইতিহাস' শব্দটোৰ দুটা প্ৰচলিত অৰ্থ প্ৰতিফলিত কৰে,— ঐতিহাসিকে পৰিচালনা কৰা অনুসন্ধান আৰু তেওঁ অনুসন্ধান কৰা ঘটনাৰ শৃংখলা)। "ঐতিহাসিকে যি অতীত অধ্যয়ন কৰে, সি মৃত অতীত নহয়, বৰং এনে এক অতীত, যি কিছুমান অৰ্থত বৰ্তমানতো জীৱন্ত হৈ থাকে।" কিন্তু অতীতৰ কৰ্ম এটা নিষ্প্ৰাণ, অৰ্থাৎ ঐতিহাসিকৰ কাৰণে নিৰৰ্থক যেতিয়ালৈকে তাৰ পশ্চাতত থকা চিন্তা তেওঁ বুজি উঠিব নোৱাৰে। সেয়ে 'সকলো ইতিহাসেই চিন্তাৰ ইতিহাস' আৰু 'যাৰ ইতিহাস তেওঁ অধ্যয়ন কৰিছে, সেই চিন্তাক ঐতিহাসিকৰ মনত পুনৰ নিৰ্মাণ কৰাই হ'ল ইতিহাস।' ঐতিহাসিকৰ মনত অতীতৰ যি পুনৰ নিৰ্মাণ হয়, সেইটো অভিজ্ঞতাবাদী প্ৰমাণৰ ওপৰত নিৰ্ভৰশীল। কিন্তু ই নিজে এক অভিজ্ঞতাবাদী (empirical) প্ৰক্ৰিয়া নহয় আৰু কেৱল তথ্যৰ পুনৰাবৃত্তিতো তাৰ গঠন নহয়। তাৰ বিপৰীতে পুনৰনিৰ্মাণৰ প্ৰক্ৰিয়াটোৰে তথ্যৰ নিৰ্বাচন আৰু বিশ্লেষণ নিয়ন্ত্ৰণ কৰে : প্ৰকৃততে ইয়েই সেইবোৰক ঐতিহাসিক তথ্যত পৰিণত কৰে। এইক্ষেত্ৰত কলিংউদৰ দৰ্শনৰ প্ৰায় ওচৰ চপা অধ্যাপক ওক্‌শ্বতে (Oakeshot) কৈছিল যে "ঐতিহাসিকৰ অভিজ্ঞতাই হৈছে ইতিহাস। ইয়াক ঐতিহাসিকৰ বাহিৰে কোনেও 'নিৰ্মাণ' (made) নকৰে : ইতিহাস লেখাই ইয়াক নিৰ্মাণৰ একমাত্ৰ উপায়।"[১৯]

যদিয়ো ই কিছুমান গুৰুত্বপূর্ণ আঁসোৱাহ (reservations)ৰ উদ্রেক কৰে, এই অন্তৰ্ভেদী সমালোচনাই কেইটামান অৱহেলিত সত্যক পোহৰলৈ আনে।

প্রথমতে, ইতিহাসৰ তথ্য আমি কেতিয়াও 'বিশুদ্ধ' (pure) ৰূপত নাপাওঁ, যিহেতু বিশুদ্ধ ৰূপত সেইবোৰৰ অস্তিত্ব নাথাকে আৰু থাকিবও নোৱাৰে; সেইবোৰ সদায় লিপিকাৰৰ মনৰ মাজেদি প্রতিসৰিত হয়। ই ইয়াকে সূচায় যে যেতিয়া আমি ইতিহাস ৰচনাত প্রবৃত্ত হওঁ, আমাৰ প্রধান বিবেচ্য ইতিহাসখনৰ তথ্য হোৱাটো উচিত নহয়, বৰং ইতিহাসখন লেখা ঐতিহাসিকজনহে হোৱা উচিত। যিজন মহান ঐতিহাসিকৰ সন্মানার্থে আৰু যিগৰাকীৰ নামত এই বক্তৃতামালা প্রতিষ্ঠিত, তেওঁকেই মই উদাহৰণ হিচাপে লওঁ। তেওঁৰ আত্মজীৱনীত, আমাক জনোৱা মতে, ট্রেভেলিয়ান (Trevelyan) 'ঘৰত কিছু পৰিমাণে সমৃদ্ধ হুইগ- ঐতিহ্যত (whig tradition) ডাঙৰ-দীঘল হৈছিল'[২০]; আৰু মোৰ আশা, মই যদি তেওঁক হুইগ ঐতিহ্যৰ অন্তিম যদিয়ো অন্ত নোহোৱা (the last but not the least) মহান ইংৰাজ লিবাৰেল ঐতিহাসিক বুলি অভিহিত কৰোঁ, তেওঁ বোধকৰোঁ প্রত্যাখান নকৰিব। হুইগ- ঐতিহাসিকসকলৰ ভিতৰত অতুলনীয়ভাৱে শ্রেষ্ঠতম জর্জ অটো ট্রেভেলিয়ানৰ পৰা মেকলেলৈকে তেওঁৰ বংশলতা বিনা কাৰণত বিচাৰি চোৱা নাছিল। ড° ট্রেভেলিয়ানৰ আটাইতকৈ চমৎকাৰ আৰু পৰিণত সৃষ্টি England Under Queen Anne এনে পটভূমিতে লেখিছিল আৰু এই পটভূমিৰ পৰিপ্রেক্ষিতত পঢ়িলেহে গ্রন্থখনৰ সম্পূর্ণ অর্থ আৰু তাৎপর্য পাঠকৰ হৃদয়ংগম হ'ব। এইক্ষেত্রত লেখকে প্রকৃততে পাঠক বিফল হোৱাৰ কোনো অজুহাত ৰখা নাই। কাৰণ ডিটেক্টিভ্ উপন্যাসৰ সমজদাৰ পাঠকৰ কৌশল অনুসৰি আপুনি সামৰণিটো যদি আৰম্ভণিতেই পঢ়ি লয়, তৃতীয় খণ্ডটোৰ শেষৰ কেইটামান পৃষ্ঠাত আমি আজিকালি ইতিহাসৰ হুইগ ব্যাখ্যা বুলি কোৱা সর্বোৎকৃষ্ট সাৰাংশটো আপুনি বিচাৰি পাব; আৰু আপুনি দেখিবলৈ পাব যে ট্রেভেলিয়ানে যি চেষ্টা কৰিছিল, সেইটো হৈছে হুইগ ঐতিহ্যৰ উৎপত্তি আৰু বিকাশৰ অনুসন্ধান আৰু পক্ষপাতহীন আৰু যথার্থভাৱে হুইগৰ প্রতিষ্ঠাতা তৃতীয় উইলিয়ামৰ মৃত্যুৰ পৰৱর্তী বছৰকেইটাত তাৰ শিপাডাল চিনাক্ত কৰিছিল। বোধহয় এইটো যদিয়ো ৰাণী এনিৰ ৰাজত্বকালৰ ঘটনাৱলীৰ সংগত (conceivable) ব্যাখ্যা নহয়, তথাপিয়ো ট্রেভেলিয়ানৰ হাতত ই এক বৈধ আৰু সফল ব্যাখ্যা আছিল। কিন্তু ইয়াৰ নিজৰ সম্পূর্ণ মূল্য বুজিবলৈ হ'লে ঐতিহাসিকে কি কৰি আছে সেইটো বুজি উঠিব লাগিব। কাৰণ কলিংউদে কোৱাৰ দৰে তেওঁৰ নাটকৰ চৰিত্রসমূহৰ (dramatis personae) মনত কি চিন্তাই খেলা কৰিছে ঐতিহাসিকে সেই চৰিত্রাভিনেতাসমূহৰ চিন্তাক তেওঁৰ চিন্তাত পুনৰ নির্মাণ (re=enact) কৰি ল'ব লাগিব যাতে পাঠকেও নিজাববীয়াকৈ ঐতিহাসিক মনত কি ঘটিছিল সেইটো পুনৰ নির্মাণ কৰি ল'ব লাগিব।

তথ্য অধ্যয়ন কৰিবলৈ লোৱাৰ আগেয়ে আপুনি ঐতিহাসিকজনক অধ্যয়ন কৰিব লাগিব। সৰ্বোপৰি এইটো দুৰ্জ্ঞেয় (abstruse) কাম নহয়। যেতিয়া তেওঁলোকক চেইন্ট জুড কলেজৰ মহান পণ্ডিত জোনচ্‌ৰ (Jones) গ্ৰন্থ এখন পঢ়িবলৈ পৰামৰ্শ দিয়া হৈছিল, তেতিয়া স্নাতক শ্ৰেণীৰ বুদ্ধিবানসকলে চেইন্ট জুড কলেজত পঢ়া তেওঁলোকৰ বন্ধুৰ ওচৰলৈ গৈ জানিবলৈ বিচাৰিছিল, জোনচ্‌ মানুহজন কেনেধৰণৰ আৰু তেওঁৰ চিন্তাত কি কি মৌ-মাখিৰ বাহ আছে (what bees he has in his bonnet)। যেতিয়া আপুনি ইতিহাস গ্ৰন্থ এখন পঢ়ে, সদায় সেই মৌ-মাখিৰ গুণগুণনিলৈ কাণ দিব। আপুনি যদি একোকেই শুনিবলৈ পোৱা নাই, তেনেহ'লে হয় আপুনি স্বৰবধিৰ (tone deaf), নহয় আপোনাৰ ঐতিহাসিকজন নিৰ্জীৱ বা নিষ্কদ্যম (dull dag)। বাস্তৱিকতে তথ্য মাছ-বেপাৰীৰ চালনীত থকাৰ দৰে নাথাকে। সেইবোৰ বিশাল আৰু কোনো সময়ত দুৰ্গম মহাসমুদ্ৰত সাঁতুৰি ফুৰা মাছৰ নিচিনাহে ; ঐতিহাসিকে কি ধৰণৰ মাছ ধৰিব সেইটো আংশিকভাৱে আকস্মিকতাৰ (chance) আৰু প্ৰধানকৈ মহাসাগৰৰ কোন অংশত মাছ ধৰিবলৈ তেওঁ পছন্দ কৰিব আৰু কি সঁজুলি ব্যৱহাৰ কৰিব তাৰ ওপৰতে নিৰ্ভৰ কৰিব ; এই দুয়োটা উপাদান আকৌ নিৰ্ভৰ কৰিব কি ধৰণৰ মাছ তেওঁ ধৰিবলৈ বিচাৰে তাৰ ওপৰত। মুঠতে ঐতিহাসিকে তেওঁ বিচৰা তথ্য পাবই। ইতিহাস মানে ব্যাখ্যা। প্ৰকৃততে ছাৰ জৰ্জ ক্লাৰ্কৰ অভিমতটো ওলোটাই থিয় কৰাই দি মই যদি কওঁ যে ইতিহাস হৈছে "বিতৰ্কিত তথ্যই আগুৰা ব্যাখ্যাৰ কঠিন শাহ", মোৰ মন্তব্যটো নিঃসন্দেহে একপক্ষীয় আৰু বিভ্ৰান্তিকৰ হ'ব, কিন্তু সাহসেৰে সৈতে মই ভাবোঁ যে মূল আপ্তবাক্যটোতকৈ ই বেছি একপক্ষীয় আৰু বিভ্ৰান্তিকৰ নহ'ব।

বেছি পৰিচিত দ্বিতীয় কথাটো এয়ে যে ঐতিহাসিকে যিবোৰ মানুহক লৈ ইতিহাস লেখে, সেইসকলৰ মন আৰু তেওঁলোকৰ কাৰ্যকলাপৰ পৃষ্ঠভূমিত যি চিন্তা থাকে সেইবোৰ সম্পৰ্কে ঐতিহাসিকৰ কল্পনাদীপ্ত অন্তৰ্দৃষ্টিৰ (imaginative understanding) প্ৰয়োজন। মই 'কল্পনাদীপ্ত অন্তৰ্দৃষ্টি' বুলি কৈছোঁ, 'সহানুভূতি' (sympathy) কোৱা নাই, জানোচা সহানুভূতি বুলিলে মতৈক্য (agreement) বুলি কোনোবাই ধৰি লয়। উনবিংশ শতিকা মধ্যযুগীয় ইতিহাসত দুৰ্বল আছিল, কাৰণ মধ্যযুগীয় মানুহৰ প্ৰতি কল্পনাদীপ্ত অন্তৰ্দৃষ্টিৰ সৃষ্টি হ'বলৈ মধ্যযুগীয় মানুহৰ কুসংস্কাৰপূৰ্ণ বিশ্বাস (superstitious belief) আৰু তেওঁলোকে উচটাই (inspired) দিয়া বৰ্বৰতাই এক বিতৃষ্ণাৰ সৃষ্টি কৰিছিল। অথবা ত্ৰিশ বছৰীয়া যুদ্ধৰ বিষয়ে বাৰ্কহাৰ্টে দিয়া নিন্দাসূচক (censorious) মন্তব্যটোকে চাওক ঃ "কেথলিকেই হওক বা প্ৰটেষ্টাণ্টেই হওক, ধৰ্মবিশ্বাসৰ মুক্তিক জাতিৰ সংহতিতকৈ উচ্চ স্থান দিয়াটো ধৰ্মমতৰ কাৰণে কলংকপূৰ্ণ।"[২১] নিজৰ দেশ ৰক্ষাৰ্থে হত্যা কৰাটো শুদ্ধ আৰু প্ৰশংসনীয়, কিন্তু নিজৰ ধৰ্ম ৰক্ষাৰ্থে হত্যা কৰাটো দুৰাচাৰী আৰু ভ্ৰান্তিমূলক,—

এই বিশ্বাসত লালিত-পালিত হোৱা উনবিংশ শতিকাৰ লিখাবেল ঐতিহাসিকৰ পক্ষে ত্রিশ বছৰীয়া যুদ্ধখন যুঁজাসকলৰ মনৰ অৱস্থা বুজি পোৱাটো দুৰূহ কাম আছিল। মই বর্তমান কাম কৰি থকা ক্ষেত্ৰখনত এই দুৰূহতা অত্যন্ত গুৰুতৰ। প্ৰতিপক্ষৰ মনত কি ঘটি আছে, সেইটো বুজাৰ বাবে আনকি একেবাৰে প্ৰাথমিক পৰ্যায়ৰ কল্পনাদীপ্ত অন্তর্দৃষ্টি আয়ত্ত কৰাৰ অক্ষমতাই যোৱা দহ বছৰত ইংৰাজী ভাষা কোৱা দেশবোৰত চোভিয়েট ইউনিয়নৰ আৰু চোভিয়েট ইউনিয়নত ইংৰাজী ভাষা কোৱা দেশবোৰৰ বিষয়ে লেখা বহুবোৰ কথা বিকৃত কৰিছে যাৰ ফলত প্ৰতিপক্ষই প্ৰতিপক্ষৰ কথা আৰু কামক দুৰভিসন্ধিমূলক, অৰ্থহীন আৰু ভণ্ডামি হিচাপে দেখুৱাৰ যত্ন কৰা হৈ আছে। যাৰ বিষয়ে লেখিবলৈ লোৱা হয়, তেওঁলোকৰ মনৰ লগত ঐতিহাসিকে কিবা প্ৰকাৰৰ সংযোগ সাধন নকৰাকৈ ইতিহাস লেখিব নোৱাৰি।

তৃতীয় কথাটো হ'ল এয়ে যে আমি কেৱল বৰ্তমানৰ দৃষ্টিৰেহে অতীত চাব আৰু বুজিব পাৰোঁ। ঐতিহাসিকজন তেওঁ নিজৰ যুগৰ মানুহ আৰু তেওঁৰ মানৱীয় অস্তিত্বৰ পৰিবেশে তেওঁক তেওঁৰ যুগৰ লগত সাঙুৰি ৰাখে। আনকি গণতন্ত্ৰ, সাম্ৰাজ্য, যুদ্ধ, বিপ্লৱ আদি যিবোৰ শব্দ তেওঁ ব্যৱহাৰ কৰে, সেইবোৰৰ সমকালীন ব্যঞ্জনা থাকে আৰু তেওঁ সেইবোৰ পৰিত্যাগ কৰিব নোৱাৰে। এনে ধৰণৰ ফান্দত নপৰা যেন দেখুৱাবলৈ প্ৰাচীনকালৰ বিষয়ে লেখা ঐতিহাসিকসকলে প'লিচ (polis), প্লেব্‌ছ্‌ৰ (plebs) দৰে শব্দৰ মূলৰূপবোৰ ব্যৱহাৰ কৰে। ই তেওঁলোকক সহায় কৰা নাই। তেওঁলোকো বৰ্তমান কালতে বাস কৰে আৰু যিদৰে তেওঁলোকে অপৰিচিত আৰু অপ্ৰচলিত শব্দ ব্যৱহাৰ কৰি অতীতলৈ পুলুকা মাৰিব নোৱাৰে, তেনেদৰেই ক্লেমিছ (Chlamys– গ্ৰীক পোছাক) অথবা টোগা (toga– ৰোমান পোছাক) পিন্ধি বক্তৃতা দিলেই তেওঁলোক বেছি ভাল গ্ৰীক বা ৰোমান ঐতিহাসিক হ'ব নোৱাৰে। একাদিক্ৰমে ফৰাচী ঐতিহাসিকসকলে ফৰাচী বিপ্লৱত পেৰিচৰ জনতাই যি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল সেইটো বুজাবলৈ লে সাঁ-কুলোত (les sans-culottes), লে পিউপ্‌ল্ (le people), ল কানেই (la canaille), লে ব্ৰা-নু (les bras-nus) আদি নাম ব্যৱহাৰ কৰিছিল কিন্তু খেলখনৰ কিটিপবোৰ বুজি পোৱাসকলে জানে যে সেই সকলোবোৰ ৰাজনৈতিক স্বীকৃত (affiliation) আৰু এটা বিশেষ ব্যাখ্যাৰ মেনিফেষ্টোহে আছিল। তথাপি ঐতিহাসিকে নিৰ্বাচন কৰিবই লাগিব ঃ ভাষাৰ ব্যৱহাৰেই তেওঁক নিৰপেক্ষ হোৱাত বাধা দিব। এইটো কেৱল শব্দৰেই প্ৰশ্ন নহয়। যোৱা এশ বছৰ ধৰি ইউৰোপত শক্তিৰ ভাৰসাম্যৰ (balance of power) পৰিবৰ্তনে মহান ফ্ৰেডেৰিকৰ (Frederick the Great) প্ৰতি থকা বৃটিছ ঐতিহাসিকৰ দৃষ্টিভংগী ওলোটা হৈ গৈছে। খ্ৰীষ্টান গীৰ্জাৰ কেথলিক আৰু প্ৰটেষ্টাণ্টৰ মাজৰ শক্তিৰ ভাৰসাম্যৰ পৰিবৰ্তনে লয়োলা (Loyola),

ৰুশ্চাৰ আৰু ক্ৰমৱেলৰ প্ৰতি থকা দৃষ্টিভংগীয়ো গভীৰভাৱে পৰিবৰ্তন কৰিছে। ফৰাচী বিপ্লৱ সম্পৰ্কে যোৱা চল্লিশ বছৰত ফৰাচী ঐতিহাসিকসকলে লেখা ইতিহাসৰ উপৰুৱা জ্ঞান থাকিলেই চিনাক্ত কৰি উলিয়াব পাৰি ইয়াৰ ওপৰত ১৯১৭ চনৰ ৰাচিয়াৰ বিপ্লৱৰ প্ৰভাৱ কিমান। ঐতিহাসিকজন অতীতৰ মানুহ নহয়, বৰ্তমানৰহে। অধ্যাপক ট্ৰেভৰ-ৰোপাৰে (Travor-Roper) আমাক কৈছে যে, "ঐতিহাসিকে" অতীতক ভালপোৱা উচিত।"[২২] ই এক দ্ব্যৰ্থক নিৰ্দেশ। অতীতক ভালপোৱাটো সহজেই পুৰণি ব্যক্তি আৰু পুৰণি সমাজৰ প্ৰতি এক স্মৃতিকাতৰ (nostalgic) ৰোমান্টিকতাৰ প্ৰকাশ হৈ পৰিব পাৰে, যিটো বৰ্তমান বা ভবিষ্যতৰ ওপৰত বিশ্বাস আৰু আগ্ৰহ হেৰুৱাই পেলোৱাৰ লক্ষণ হ'ব পাৰে।[২৩] আওপুৰণি খণ্ডবাক্যৰেই (cliche'for cliche) মই নিজকে 'অতীতৰ মৃত হাত'ৰ পৰা মুক্ত কৰি লোৱাটো পছন্দ কৰিম। অতীতক ভাল পোৱা অথবা নিজকে অতীতৰ পৰা মুক্ত কৰি লোৱা কোনোটোৱেই ঐতিহাসিকৰ কৰ্তব্য নহয়, বৰং বৰ্তমানক জনাৰ চাবি-কাঠি হিছাপে অতীতক বুজা আৰু আয়ত্ত কৰাহে তেওঁৰ কৰ্তব্য।

তথাপি যাক মই কলিংউদৰ ইতিহাসৰ দৃষ্টিভংগীৰ কিছুমান অন্তৰ্দৃষ্টি বুলি কৈছো, সেইবোৰৰ কিছুমান বিপদ সম্পৰ্কে আলোচনা কৰাৰ সময় সমাগত হৈছে। যদিহে এটা যুক্তিসংগত সিদ্ধান্তলৈ আহিবলৈ বিচৰা হয়, ইতিহাস সৃষ্টিত ঐতিহাসিকৰ ভূমিকাৰ ওপৰত গুৰুত্ব দিয়াটোৱে বস্তুনিষ্ঠ ইতিহাস ৰচনাৰ সম্ভাৱনাকে নাকচ কৰে ঃ ঐতিহাসিকে যি সৃষ্টি কৰে সিয়েই ইতিহাস। তেওঁৰ সম্পাদকে অপ্ৰকাশিত টোকা এটাৰ পৰা উদ্ধৃত কৰা মতে এটা সময়ত কলিংউদ নিম্নোক্ত সিদ্ধান্তটোত উপনীত হৈছিল ঃ

> 'চেণ্ট আগষ্টিনে প্ৰাৰম্ভিক খ্ৰীষ্টিয়ান দৃষ্টিভংগীৰে ইতিহাস চাইছিল; সপ্তদশ শতিকাৰ ফৰাচী লোকৰ দৃষ্টিৰে টিলামোৰে (Tillamont); গিবনে (Gibbon) অষ্টাদশ শতিকাৰ ইংৰাজৰ দৃষ্টিৰে; মমচেনে (Mommsen) উনবিংশ শতিকাৰ জাৰ্মান দৃষ্টিৰে ইতিহাস চাইছিল। কোনটো দৃষ্টিভংগী শুদ্ধ আছিল সেইটো সোধাৰ দৰকাৰ নাই। ইয়াৰ প্ৰতিটোৰ ক্ষেত্ৰতে যিজনে যি দৃষ্টিভংগী গ্ৰহণ কৰিছিল তেওঁৰ বাবে কেৱল সেইটোৱেইহে সম্ভৱ আছিল।'[২৪]

ইতিহাস সম্পৰ্কে ফ্ৰুডে (Froude) মন্তব্য দি কৈছিল যে, ইতিহাস "এটা শিশুৰ আখৰৰ বাকচ, যাৰে আমি বিচৰা যিকোনো শব্দ বানান কৰিব পাৰোঁ",[২৫]— এইটো সৰ্বাত্মক সংশয়বাদৰ নামান্তৰ মাথোন। কেৱল তথ্য-সংকলনকে ইতিহাস বুলি কোৱা দৃষ্টিভংগীৰ বিৰুদ্ধে 'জোৰা-টাপলি মৰা ইতিহাস'ৰ (Scissors-and-paste history) বিৰুদ্ধে তেওঁৰ প্ৰতিক্ৰিয়া হিছাপে কলিংউদে ইতিহাসক মানৱ মস্তিষ্কৰ পৰা বৈ-কাটি উলিওৱা কিবা এটা (something) বুলি প্ৰায় বিপদজনক সিদ্ধান্তৰে ওচৰ চাপি আহিছে আৰু 'কোনো বস্তুনিষ্ঠ ঐতিহাসিক সত্য নাই' বুলি মই ইয়াৰ আগতে উদ্ধৃত কৰা

ছাৰ জৰ্জ ক্লাৰ্কৰ হেলেটোৰ সিদ্ধান্তটোলৈ উভতি গৈছে। ইতিহাসৰ কোনো অৰ্থ নাই ;— এই তত্ত্বৰ ঠাইত ইয়াত আমালৈ অৰ্থৰ এক অসীমত্বৰ (infinity) তত্ত্ব আগবঢ়োৱা হ'ল, যিক্ষেত্ৰত কোনোটোৱেই কোনোটোতকৈ অধিক শুদ্ধ আৰু যি বহুক্ষেত্ৰত একেটা অৰ্থকেই সূচায়গৈ। দ্বিতীয়টো তত্ত্ব নিঃসন্দেহে প্ৰথমটোৰ দৰেই অগ্ৰহণীয়। পৰ্বত এটা বিভিন্ন কোণৰ (angles) পৰা চালে বিভিন্ন আকৃতিৰ দেখাৰ দৰে বস্তুগতভাৱে (objectively) পৰ্বতটোৰ কোনো আকৃতিয়েই নাই অথবা তাৰ আকৃতি অনন্ত বুলি ধৰি ল'ব নোৱাৰি। এইটোৱে এইটোও নুসূচায় যে যিহেতু ইতিহাসৰ তথ্য প্ৰতিষ্ঠা কৰাত ব্যাখ্যাই এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু যিহেতু বৰ্তমানৰ কোনো ব্যাখ্যাই সম্পূৰ্ণভাৱে বস্তুনিষ্ঠ নহয়, সেয়ে এটা ব্যাখ্যা আন এটা ব্যাখ্যাৰ দৰেই অৰ্থবহ (good) আৰু নীতিগতভাৱে ইতিহাসৰ তথ্য বস্তুনিষ্ঠ ব্যাখ্যাৰ বাবে নিৰ্ভৰযোগ্য (amenable) নহয়। ইতিহাসত বস্তুনিষ্ঠতাই প্ৰকৃততে কি বুজায়, সেইটো মই পৰৱৰ্তী পৰ্যায়ত আলোচনা কৰিম।

কিন্তু তথাপি কলিংউদৰ প্ৰাগানুমানত (hypothesis) গুৰুতৰ বিপদ এটা প্ৰচ্ছন্ন হৈ আছে। যদিহে ঐতিহাসিকে অনিবাৰ্যভাৱে তেওঁ লেখিবলৈ লোৱা ঐতিহাসিক সময়ক নিজৰ সময়ৰ দৃষ্টিৰে চায় আৰু বৰ্তমানক বুজাৰ চাবিকাঠি হিছাপে অতীতৰ সমস্যাৱলী অধ্যয়ন কৰে, তেওঁ পোনপটীয়াকৈ তথ্যৰ প্ৰয়োগবাদী (pragmatic) দৃষ্টিভংগীত পতিত নহ'বগৈনে আৰু বৰ্তমানৰ কিছুমান অভীষ্টৰ যথোপযুক্ততাই ইয়াৰ সঠিক ব্যাখ্যাৰ আৰ্হি বুলি ধৰি নল'বনে? এইটো প্ৰাগানুমানৰ মতে ইতিহাসৰ তথ্যৰ কোনো মূল্যই নাই, ব্যাখ্যাই সকলো। নীৎসেই (Nietzsche) ইতিমধ্যে ইয়াৰ সূত্ৰটো ডাঠি ঘোষণা কৰিছিল যে 'এটা সিদ্ধান্তৰ (opinion) ভ্ৰান্তি আমাৰ বাবে কোনো আঁসোৱাহ নহয়, প্ৰশ্নটো হ'ল ই কিমানদূৰ জীৱন-সহায়ক, জীৱন-সংৰক্ষক, প্ৰজাতি-সংৰক্ষক, সম্ভৱতঃ প্ৰজাতি-সৃষ্টিকাৰক।'[২৬] আমেৰিকান প্ৰয়োগবাদী (pragmatists) সকলে অবিপদভাৱে আৰু কম নিষ্ঠাৰে একে বাটেৰেই বাট বুলিছিল। জ্ঞান হ'ল কোনো উদ্দেশ্য সাধনৰ বাবে আয়ত্ত কৰা জ্ঞান। উদ্দেশ্যৰ কাৰ্যকাৰিতাৰ (validity) ওপৰতে জ্ঞানৰ কাৰ্যকাৰিতা নিৰ্ভৰ কৰে। কিন্তু আনকি যেতিয়া এনে তত্ত্বৰ প্ৰচাৰ কৰা নহয়, তাতো তাৰ প্ৰয়োগ প্ৰায়েই অস্বস্তিকৰ হয়। মই মোৰ নিজৰ অধ্যয়নৰ ক্ষেত্ৰতে মাত্ৰাধিক ব্যাখ্যাই তথ্যক গৰকি পেলোৱা এনে বহুবোৰ উদাহৰণ দেখিছো যে এই বিপদৰ বাস্তৱতা সম্পৰ্কে সেইবোৰ সচেতন নহয়। চোভিয়েট আৰু চোভিয়েট বিৰোধী গোষ্ঠীৰ (school) কিছু উগ্ৰ ইতিহাস অধ্যয়ন কৰিলে কেতিয়াবা ভ্ৰমাত্মক (illusiory) ঊনৈশ শতিকাই আশ্ৰয় গ্ৰহণ কৰা (haven) বিশুদ্ধ তথ্যনিৰ্ভৰ ইতিহাসে এটা নিৰ্দিষ্ট নষ্টালজিয়াৰ জন্ম দিয়াটো একো আচৰিত কথা নহয়।

তেতিয়াহ'লে কুৰি শতিকাৰ মাজভাগত তথ্যৰ প্ৰতি ঐতিহাসিকৰ দায়িত্বৰ সংজ্ঞা আমি কিদৰে নিৰ্ধাৰণ কৰিম? তথ্য আৰু নথি-পত্ৰক বৰ বেছি অৱজ্ঞা কৰাৰ অভিযোগৰ পৰা ৰক্ষা পাবলৈ মই ভাবোঁ যে বিগত বছৰবিলাকত নথি-পত্ৰৰ পম খেদি আৰু সেইবোৰ পৰীক্ষা-নিৰীক্ষা কৰি অজস্ৰ সময় ব্যয় কৰিছো আৰু মোৰ ঐতিহাসিক লেখনি যথাৰ্থ পাদটীকা-সম্বলিত তথ্যৰে ভৰাই তুলিছো। তথ্যৰ প্ৰতি ঐতিহাসিকে সন্মান দেখুওৱা কৰ্তব্য তথ্যৰ নিৰ্ভুলতাৰ প্ৰতি তেওঁৰ দায়-দায়িত্বতে শেষ নহয়। তেওঁ যি বিষয় সম্পৰ্কে লেখিবলৈ ব্যস্ত হৈছে আৰু তাৰ কাৰণে যি ধৰণৰ ব্যাখ্যা তেওঁ ঠিক কৰি লৈছে, সেই সম্পৰ্কীয় সকলো জনা অথবা জানিব পৰা প্ৰাসংগিক তথ্য যিকোনো এটা অৰ্থতেই তেওঁ বিচাৰি লোৱাৰ যত্ন কৰিবই লাগিব। তেওঁ যদি ভিক্টোৰিয়ান ইংৰাজ এজনক নৈতিক আৰু যুক্তিবাদী হিছাপে অংকিত কৰিবলৈ বিচাৰে, তেন্তে তেওঁ ১৮৫০ চনত ষ্টেলিব্ৰীজ ৱেক্‌চ্‌ত যি ঘটিছিল সেইটো পাহৰিলে নহ'ব। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে ব্যাখ্যাই যে ইতিহাসৰ জীৱনী শক্তি (life blood), তাক তেওঁ পৰিহাৰ কৰিব। সাধাৰণ লোকে, অৰ্থাৎ অনা-বিদ্যায়তনিক (non-academic) বন্ধু অথবা অনান্য বিদ্যায়তনিক শৃংখলাৰ বন্ধু-বান্ধৱে কেতিয়াবা মোক সোধে যে যেতিয়া ইতিহাস গ্ৰন্থ এখন লেখিবলৈ লয়, ঐতিহাসিকজনে কেনেকৈ লেখে। সৰ্বজনবিদিত (commonest) ধাৰণাটো এয়ে যে ঐতিহাসিকজনে দুটা সুস্পষ্টভাৱে (sharply) চিহ্নিত কৰিব পৰা পৰ্ব অথবা যুগত (phases or periods) তেওঁৰ কামখিনি বিভক্ত কৰি লয়। প্ৰথমতে তেওঁ দীঘলীয়া প্ৰাৰম্ভিক সময় তেওঁৰ সমল-অধ্যয়ন আৰু তথ্যৰে টোকাবহী ভৰাই পেলোৱাত খৰচ কৰে ঃ সেইটো পৰ্যায় শেষ হোৱাৰ পাছত তেওঁ তেওঁৰ সমলখিনি আঁতৰাই ৰাখে, লেখা বহী উলিয়াই লয় আৰু আৰম্ভণিৰে পৰা শেষলৈকে তেওঁ লেখিবলৈ লয়। মোৰ বাবে এইটো অবিশ্বাস্য আৰু অসংগত চিত্ৰ। মোৰ ক্ষেত্ৰত, যেতিয়াই মই মূল সমল (capital source) বুলি ভবা কিছুমান তথ্য পাওঁ, তেতিয়া খজুৱতিটো তীব্ৰ হৈ উঠে আৰু মই লেখা আৰম্ভ কৰোঁ,— আৰম্ভণিৰ পৰাই যে আৰম্ভ কৰিম তাৰ কোনো মানে নাই, বৰং কোনো এঠাইৰ পৰা বা যিকোনো ঠাইৰ পৰাই লেখা আৰম্ভ কৰি দিওঁ। তাৰপিছত পঢ়া আৰু লেখা যুগপৎ চলে। যিহেতু মই পঢ়া অব্যাহত ৰাখোঁ, লেখাখিনিত নতুন কথা সংযোগ ঘটে, কিছুমান বাদ পৰে, পুনৰ্গঠন কৰা হয় আৰু কেতিয়াবা বাতিল কৰাও হয়। লেখাই পঢ়াক নিৰ্দেশ কৰে, পৰিচালনা কৰে আৰু অৰ্থবহ (fruitful) কৰি তোলে ঃ যিমানেই মই বেছি লেখোঁ, সিমানেই মই কি বিচাৰোঁ সেইটো গম পাই যাওঁ, কাৰণ তেতিয়াই মই যিটোক বিচাৰি পাওঁ, সেইটোৰ মৰ্মাৰ্থ (significance) আৰু প্ৰাসংগিকতা মই বেছি ভালকৈ বুজি উঠোঁ। যিদৰে কিছুমান মানুহে দবাখেলৰ বোৰ্ড আৰু প্ৰতিদ্বন্দ্বী খেলুৱৈৰ অবিহনে নিজৰ চিন্তাতেই

দবাখেলখন খেলে, সেইদৰেই সম্ভৱতঃ কোনো কোনো ঐতিহাসিকে কলম, কাগজ অথবা টাইপ-ৰাইটাৰ ব্যৱহাৰ নকৰাকৈয়ে গোটেই প্ৰাৰম্ভিক লেখাখিনি মনতেই কৰি লয় ঃ এনে এটা প্ৰতিভাক মই ঈৰ্ষা কৰোঁ, কিন্তু অনুকৰণ কৰিব নোৱাৰোঁ। কিন্তু মোৰ দৃঢ় বিশ্বাস এয়ে যে অৰ্থনীতিবিদসকলে যাক 'বিনিয়োজন' (input) আৰু 'উৎপাদন' (output) বুলি কয়, ঠিক তেনেদৰেই যিকোনো সফল ঐতিহাসিকেই দুয়োটা প্ৰক্ৰিয়াকে যুগপৎ চলায় আৰু কাৰ্যক্ষেত্ৰত দুয়োটা কাম এটা একক প্ৰক্ৰিয়াৰ অংশ। যদি আপুনি দুয়োটাকে পৃথক কৰাৰ যত্ন কৰে, অথবা ইটোক সিটোতকৈ অগ্ৰাধিকাৰ দিয়ে, তেনেহ'লে আপুনি দুটা গোড়ামিৰ (heresies) যিকোনো এটাৰ কবলত পৰিব। হয় আপুনি অৰ্থহীন আৰু তাৎপৰ্যহীন জোৰা-টাপলি মৰা ইতিহাস লেখিব লাগিব, অথবা প্ৰচাৰ-পুস্তিকা (propaganda) লেখিব লাগিব বা ঐতিহাসিক উপন্যাস লেখিব লাগিব আৰু অতীতৰ তথ্য ব্যৱহাৰ কৰি ইতিহাসৰ লগত সম্পৰ্কবিহীন এবিধ অতিশয়োক্তিৰ ৰচনা (embroider) লেখিব লাগিব।

সেয়ে ইতিহাসৰ তথ্যৰ লগত ঐতিহাসিকৰ অনুসন্ধানে আমাক এহাতেদি ব্যাখ্যাৰ ওপৰত তথ্যৰ নিঃচৰ্ত প্ৰাধান্যৰ, তথ্যৰ বস্তুনিষ্ঠ (objective) সংকলনকে ইতিহাস বুলি কোৱাৰ এক অসমৰ্থনীয় (untenable) তত্ত্বৰ স্কাইলা (Scylla) আৰু আনহাতেদি যি ইতিহাসৰ তথ্য প্ৰতিষ্ঠা কৰে আৰু ব্যাখ্যাৰ প্ৰক্ৰিয়াৰ মাজেদি সিহঁতক আয়ত্তাধীন কৰি (masters) ঐতিহাসিকৰ মনৰ মন্ময় (subjective) সৃষ্টি হিছাপে, অতীতত ভাৰকেন্দ্ৰ থকা ইতিহাসৰ দৃষ্টিভংগী আৰু বৰ্তমানত ভাৰকেন্দ্ৰ থকা (centre of gravity) ইতিহাসৰ দৃষ্টিভংগীৰ সমানেই অসমৰ্থনীয় ইতিহাসৰ তত্ত্বৰ চাৰিব্‌দিচৰ (charybdis) মাজত নাও চলাবলগীয়া হোৱাৰ দেখ্‌দেখ্ বিপদসংকুল পৰিস্থিতিত উপস্থিত কৰালে। (স্কাইলা হৈছে গ্ৰীক পুৰাণত ৰাক্ষসিনী হিছাপে বৰ্ণিত ইটালীৰ মেচিনা প্ৰণালীত থকা এক বিপদজনক শিলাখণ্ড আৰু চাৰিব্‌দিচ হৈছে তাৰ ওচৰতে থকা সাগৰত ভয়ানক চাকনৈয়া সৃষ্টি হোৱা অঞ্চল— অনুবাদক)। কিন্তু আমাৰ পৰিস্থিতি ভবাতকৈ কম বিপদসংকুল। বিশেষ আৰু সাধাৰণ, অভিজ্ঞতাবাদ বা অনুভৱবাদ আৰু তাত্ত্বিক, বস্তুনিষ্ঠ (objective) আৰু বিষয়ীগত (subjective) ধৰণৰ বিভিন্ন ৰূপত তথ্য আৰু ব্যাখ্যাৰ বৈপৰীত্যৰ (dichotomy) লগত এই বক্তৃতামালাত পুনৰ মুখামুখি হ'ম। ঐতিহাসিকৰ সংকট মানৱপ্ৰকৃতিৰেই প্ৰতিফলন। সম্ভৱতঃ একেবাৰে বাল্যাৱস্থা আৰু চূড়ান্ত বৃদ্ধাৱস্থাৰ বাহিৰে মানুহ সম্পূৰ্ণকৈ তেওঁৰ পৰিবেশৰ লগত জড়িত নহয় আৰু নিঃচৰ্তভাৱে পৰিবেশৰ দাসো নহয়। আনহাতে, তেওঁ তাৰ পৰা সম্পূৰ্ণভাৱে স্বাধীনো নহয় আৰু তাৰ নিঃচৰ্ত প্ৰভুও নহয়। পৰিবেশৰ লগত মানুহৰ সম্পৰ্ক যেনে, বিষয়বস্তুৰ লগত ঐতিহাসিকৰ সম্পৰ্কও তেনে। ঐতিহাসিকজন তথ্যৰ নিমাখিত দাসো নহয় নতুবা

স্বেচ্ছাচাৰী মালিকো নহয়। ঐতিহাসিক আৰু তেওঁৰ তথ্যৰ মাজৰ সম্বন্ধ সমতাৰ সম্বন্ধ, দিয়া-লোৱাৰ সম্বন্ধ। যিকোনো লেখি থকা ঐতিহাসিকেই জানে যে যদি তেওঁ ভবা আৰু লেখাৰ সময়ত তেওঁ যি কৰি আছে সেইটো প্ৰতিফলিত হোৱাটো তেওঁ স্তব্ধ কৰি দিয়ে, তেতিয়া ঐতিহাসিকজন তেওঁৰ তথ্যক তেওঁৰ ব্যাখ্যাৰ আৰু তেওঁৰ ব্যাখ্যাক তেওঁৰ তথ্যৰ গঢ় দিয়াৰ এক নিৰৱচ্ছিন্ন প্ৰক্ৰিয়াত জড়িত হৈ পৰে। এটাক আনটোৰ ওপৰত প্ৰাধান্য দিয়াটো অসম্ভৱ কথা।

ঐতিহাসিকে আনে আৰু তেওঁ নিজে নিৰ্বাচন কৰা সাময়িক তথ্য আৰু এটা সাময়িক (Provisional) ব্যাখ্যাৰ ভিত্তিত তেওঁৰ কাম আৰম্ভ কৰে। ইটো অথবা সিটোৰ পাৰস্পৰিক সম্পৰ্কৰ দ্বাৰা তেওঁ কাম কৰি থাকোঁতে তথ্যৰ ব্যাখ্যা, তথ্যৰ নিৰ্বাচন আৰু শৃংখলাক্ৰমৰ সূক্ষ্ম আৰু সম্ভৱতঃ আংশিকভাৱে অসচেতন পৰিৱৰ্তন ঘটে। আৰু এই পাৰস্পৰিক কাৰ্যটো বৰ্তমান আৰু অতীতৰ পাৰস্পৰিকতাৰ লগতো জড়িত, কিয়নো ঐতিহাসিকজন বৰ্তমানৰ অংশ আৰু তথ্যসমূহ অতীতৰ। ঐতিহাসিক আৰু ইতিহাসৰ তথ্য দুয়োয়েই দুয়োৰে বাবে অপৰিহাৰ্য। তথ্য অবিহনে ঐতিহাসিকজন শিপাহীন আৰু নিষ্ফল আৰু ঐতিহাসিক অবিহনে তেওঁৰ তথ্যও মৃত আৰু অৰ্থহীন। সেয়ে 'ইতিহাস কাক কয়?' এই প্ৰশ্নটোৰ মোৰ প্ৰথম উত্তৰ এয়ে যে— ই হ'ল ঐতিহাসিক আৰু তেওঁৰ তথ্যৰ মাজত কথোপকথনৰ (interaction) এক নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া, বৰ্তমান আৰু অতীতৰ মাজত এক অন্তহীন সংলাপ।

দুই
সমাজ আৰু ব্যক্তি

এইযে প্ৰশ্নটো 'কোন আগ ?— সমাজ নে ব্যক্তি ?'— এই প্ৰশ্নটো কুকুৰা আৰু কণীৰ বিষয়ে সোধা প্ৰশ্নটোৰ দৰে। আপুনি ইয়াক এক যুক্তিপূৰ্ণ অথবা এক ঐতিহাসিক প্ৰশ্ন হিছাপে যিদৰেই গণ্য নকৰক লাগিলে, যিটোক তাৰ বিপৰীত আৰু সমানেই একপক্ষীয় মন্তব্যৰে শুধৰাই দিয়াৰ প্ৰয়োজন নথকাকৈ কোনোটোৰ পক্ষেই আপুনি অভিমত দিব নোৱাৰিব। সমাজ আৰু ব্যক্তি অবিচ্ছেদ্য ; তেওঁলোক পৰস্পৰে বিপৰীত নহয়, বৰং তেওঁলোক পৰস্পৰে অপৰিহাৰ্য (necessary) আৰু পূৰ্ণতাদায়ক (complementary)। ডনৰ (Donne) বিখ্যাত উক্তিটোৰ দৰে "কোনো মানুহেই সম্পূৰ্ণভাৱে আত্মস্থ দ্বীপ সদৃশ নহয়; প্ৰতিজন মানুহেই মহাদেশখনৰ এটা টুকুৰা, সাগৰৰ (main) এটা অংশ।"[1] সেইটো সত্যৰ এটা দিশ। আনহাতেদি ক্লাচিকেল ব্যক্তিস্বাতন্ত্ৰ্যবাদী (individualist) জন ষ্টুৱাৰ্ট মীলৰ আপ্তবাক্যটোলৈ চাওক : 'একত্ৰ কৰিলেই মানুহ আন এবিধ সত্তালৈ (substance) ৰূপান্তৰিত হৈ নাযায়।"[2] নিশ্চয় নাযায়। কিন্তু প্ৰচলিত বিভ্ৰান্তিটোৰ মতে 'একত্ৰ হোৱাৰ পূৰ্বেও' মানুহ আছিল অথবা কিবা প্ৰকাৰৰ সত্তা হিছাপেই আছিল। আমাৰ জন্মৰ লগেলগেই জগতখনে আমাৰ ওপৰত ক্ৰিয়া কৰা আৰম্ভ কৰে আৰু আমাক কেৱল জীৱতাত্ত্বিক সত্তাৰ পৰা সামাজিক সত্তালৈ ৰূপান্তৰিত কৰে। ঐতিহাসিক অথবা ইতিহাস-পূৰ্ব সময়ৰ প্ৰতিটো স্তৰত জন্ম হোৱা প্ৰতিজন মানুহেই এখন সমাজত জন্ম গ্ৰহণ কৰে আৰু প্ৰথমৰ পৰাই সেই সমাজেই তেওঁক গঢ়ে। তেওঁ যি ভাষা কয়, সেইটোও তেওঁৰ ব্যক্তিগত উত্তৰাধিকাৰিত্ব নহয়, বৰং তেওঁ ডাঙৰ-দীঘল হোৱা জনগোষ্ঠীটোৰ পৰা পোৱা সামাজিক আহৰণহে। ভাষা আৰু পৰিবেশ দুয়োটাই তেওঁৰ চিন্তাৰ চৰিত্ৰ নিৰ্দিষ্ট কৰাত সহায় কৰে ; তেওঁৰ প্ৰাৰম্ভিক ধ্যান-ধাৰণা (ideas) সমূহো তেওঁলৈ আনৰ পৰাই আহে। এইটো সঠিকভাৱেই কোৱা হয় যে সমাজৰ পৰা বিচ্ছিন্ন হোৱা ব্যক্তি বোবা আৰু হৃদয়হীন (mindless) হ'ব। ব্যক্তি এগৰাকীক সমাজৰ পৰা বিচ্ছিন্ন হিছাপে কল্পনা কৰি চোৱাৰ প্ৰয়াসটোৰ কাৰণেই ৰবিনছন ক্ৰুচোৰ সাধুটোত চিৰন্তন আকৰ্ষণ আছে। অৱশ্যে প্ৰচেষ্টাটো বিফলতাত পৰ্যবসিত হ'ল। ৰবিনছন এক বিমূৰ্ত ব্যক্তি নহয়, বৰং ইয়ৰ্কৰ এজন ইংৰাজহে ; তেওঁ তেওঁৰ বাইবেলখন লগত লৈ গৈছে আৰু তেওঁৰ জনগোষ্ঠীৰ দেৱতাৰ উপাসনাও কৰিছে।

সাধুটোৱে তৎক্ষণাৎ তেওঁৰ 'মানুহ' ফ্রাইডেক তেওঁৰ ওচৰলৈ আনি দিয়ে আৰু এখন নতুন সমাজ নির্মাণ আৰম্ভ হৈ গ'ল। আন এটা প্রাসংগিক সাধু হ'ল ডষ্টয়েভস্কিৰ 'ডেভিলছ্'ত কিৰিলভৰ সাধুটো, যি নিজৰ নিৰংকুশ স্বাধীনতা সাব্যস্ত কৰিবলৈ আত্মহত্যা কৰিছিল। আত্মহত্যাই এজন ব্যক্তিৰ একমাত্র চূড়ান্তভাৱে মুক্ত কাম; আন প্রতিটো কর্মই কিবা নহয় কিবা প্রকাৰে তেওঁৰ সমাজৰ সদস্যপদৰ লগত জড়িত।[৩]

নৃতত্ত্ববিদসকলে সাধাৰণতে কয় যে আদিম মানুহ বহু কম পৰিমাণে ব্যক্তিকেন্দ্রিক আছিল আৰু সভ্য মানুহতকৈ বহু বেছি পৰিমাণে তেওঁৰ সমাজে তেওঁক গঢ় দিছিল। কথাষাৰত কিছু সত্যতা আছে। সৰলতৰ সমাজবোৰ বেছি একেআগী (uniformed) এই অৰ্থত যে বেছি জটিল আৰু উন্নত (advanced) সমাজতকৈ সেইবোৰ সমাজে ব্যক্তিগত দক্ষতা আৰু পেচাৰ (occupations) ক্ষেত্রত বহুত কম বৈচিত্র্য (diversity) দাবী কৰে আৰু বহুত কম সুযোগ-সুবিধা প্রদান কৰে। এই অৰ্থত ক্রমবর্ধমান ব্যক্তিমুখীকৰণ আধুনিক বিকাশমান সমাজৰ অৱশ্যম্ভাৱী (necessary) সৃষ্টি আৰু তাৰ ওপৰৰ পৰা তললৈকে সকলোবোৰ কাম-কাজতে ই ব্যাপ্ত হৈ আছে। কিন্তু সমাজৰ এই ব্যক্তিমুখী প্রক্রিয়া আৰু বর্ধিষ্ণু শক্তি তথা বান্ধোনৰ ভিতৰত বিৰোধ (antithesis) এটা প্রতিষ্ঠা কৰিবলৈ গ'লে গুৰুতৰ ভুল কৰা হ'ব। সমাজৰ বিকাশ আৰু ব্যক্তিৰ বিকাশ হাতত ধৰাধৰিকৈ ঘটে আৰু এটাই আনটোক প্রভাৱিত কৰে। বাস্তৱিকতে জটিল আৰু উন্নত সমাজ বুলিলে আমি এনে এখন সমাজৰ কথা কওঁ যে যিখন সমাজত ইজনৰ ওপৰত সিজন ব্যক্তিৰ আন্তঃনির্ভৰশীলতাই উন্নত অথচ জটিল ৰূপ ধাৰণ কৰে। ব্যক্তিগত সদস্যৰ চৰিত্র আৰু চিন্তা গঢ় দিয়াৰ ক্ষেত্রত আৰু তেওঁলোকৰ মাজত নির্দিষ্ট পৰিমাণৰ অনুবর্তিতা (conformity) আৰু অভিন্নতা (uniformity) জগাই তোলাৰ ক্ষেত্রত আদিম জনজাতীয় জনসম্প্রদায়তকৈ আধুনিক জাতীয় জনসম্প্রদায়সমূহৰ দক্ষতা (power) কম ভাবি লোৱাটো বিপদজনক হ'ব। জৈৱিক পাৰ্থক্যৰ ভিত্তিত জাতীয় চৰিত্র সৃষ্টি হোৱা বুলি থকা পুৰণি ধাৰণাটো ইতিমধ্যে বিস্ফোৰিত হৈ গৈছে; কিন্তু সমাজ আৰু শিক্ষাৰ বিভিন্ন জাতীয় পটভূমিৰ পৰা উদ্ভৱ হোৱা জাতীয় চৰিত্রৰ বিভিন্নতা কোনেও নুই কৰিব নোৱাৰে। 'মানৱ প্রকৃতি' নামৰ মায়াময় সত্তাটো (elusive entity) দেশ আৰু শতাব্দীৰ ভিন্নতাৰ অনুযায়ী ইমান বেছি বিভিন্ন যে ইয়াক প্রচলিত সামাজিক অৱস্থা (conditions) আৰু সামাজিক পৰম্পৰাই (conventions) গঢ় দিয়া এক ঐতিহাসিক পৰিঘটনা (phenomenon) নহয় বুলি ভবাটো কঠিন। ধৰক, আমেৰিকান, ৰুচ আৰু ভাৰতীয়সকলৰ মাজত বহুত পাৰ্থক্য আছে। কিন্তু কিছুমান আৰু সম্ভৱতঃ আটাইতকৈ গুৰুত্বপূর্ণ পার্থক্যসমূহে মানুহৰ মাজত সামাজিক সম্পর্কৰ বিভিন্ন দৃষ্টিভংগীৰ ৰূপ লয়, অথবা, আন কথাত সমাজ কেনেদৰে গঠিত হ'ব লাগে তাৰ

ধৰণৰ (way) ৰূপ লয়, যাতে সামগ্ৰিকভাৱে আমেৰিকান, ৰাচিয়ান আৰু ভাৰতীয় সমাজৰ মাজৰ বিভিন্নতা অধ্যয়ন আমেৰিকান, ৰাচিয়ান আৰু ভাৰতীয় মানুহৰ অধ্যয়নৰ সৰ্বোত্তম উপায় (way) হৈ পৰে। আদিম মানুহৰ দৰে সভ্য মানুহকো একে কাৰ্যকৰীভাৱে সমাজেই গঢ় দিয়ে ঠিক যিদৰে তেওঁ সমাজক গঢ় দিয়ে। আপুনি যিদৰে কুকুৰাজনী নোহোৱাকৈ কণীটো পাব নোৱাৰে, ঠিক তেনেদৰেই কণীটো নোহোৱাকৈ কুকুৰাজনীয়ো পাব নোৱাৰে।

য'ৰ পৰা পাশ্চাত্য জগতখনে সদ্যহতে ভুমুকি মাৰিবলৈ ধৰিছে, উল্লেখনীয় আৰু অসাধাৰণ ঐতিহাসিক সময়ে সেইটোক আমাৰ বাবে অস্পষ্ট কৰি নেপেলোৱাহেঁতেন এই দেখ্‌দেখ্ সত্যবোৰ সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়োজনেই নহ'লহেঁতেন। ব্যক্তিবাদৰ মতবাদটো আধুনিক ঐতিহাসিক কল্পগাথাবোৰৰ (myths) ভিতৰত আটাইতকৈ বেছি ব্যাপক। বাৰ্কহাৰ্টৰ (Burckhardt) Civilization of the Renaissance in Italy গ্ৰন্থৰ মতে, বিশেষকৈ 'ব্যক্তিৰ বিকাশ' উপ-শিৰোনামাৰে লেখা দ্বিতীয় অংশটোৰ মতে ব্যক্তিৰ মতবাদটো নৱজাগৰণৰ পৰাই আৰম্ভ হৈছিল, যেতিয়া মানুহ তেতিয়ালৈকে 'কোনো এটা গোষ্ঠী (race), জাতি (people), দল (party), পৰিয়াল অথবা নিগমৰ (corporation) সদস্য হিছাপে সচেতন আছিল', অৱশেষত 'এক আধ্যাত্মিক ব্যক্তি হৈ পৰিল আৰু তেনেদৰেই পৰিচিত হৈ পৰিছিল।' পৰৱৰ্তী সময়ত ঔদ্যোগিক আৰু মুক্ত-বাণিজ্যৰ (laissez-faire) মতবাদৰ আৰম্ভণিৰ লগে লগে মতবাদটো পুঁজিবাদ আৰু প্ৰটেষ্টান্টিজমৰ উত্থানৰ লগত সাঙোৰ খাই পৰিল। ফৰাচী বিপ্লৱে ঘোষণা কৰা মানুহ আৰু নাগৰিকৰ অধিকাৰ প্ৰকৃততে ব্যক্তিৰ অধিকাৰ ঘোষণাই আছিল। ব্যক্তিবাদেই (individualism) মহান উনবিংশ শতিকাৰ উপযোগিতাবাদী দৰ্শনৰ (utilitarianism) আধাৰ আছিল। ভিক্টোৰিয়ান লিবাৰেলিজমৰ এক বৈশিষ্ট্যপূৰ্ণ নথি মৰ্লিৰ (Morley) প্ৰবন্ধ On Compromiseত ব্যক্তিস্বাতন্ত্ৰ্যবাদ আৰু উপযোগিতাবাদক 'মানুহৰ সুখ আৰু স্বাচ্ছন্দ্যৰ ধৰ্ম' বুলি অভিহিত কৰিছিল। 'কঠোৰ ব্যক্তিবাদ' (rugged individualism) মানৱ প্ৰগতিৰ মুল সুৰ আছিল। এইটো এটা বিশেষ ঐতিহাসিক যুগৰ আদৰ্শৰ (ideology) সৰ্বাংশে যুক্তিসংগত (perfecly sound) আৰু বৈধ বিশ্লেষণ হ'ব পাৰে। কিন্তু যিটোক মই স্পষ্ট কৰি দিব বিচাৰোঁ সেইটো এয়ে যে আধুনিক বিশ্বৰ উত্থানৰ সহযাত্ৰী হিছাপে ক্ৰমবৰ্ধিত ব্যক্তিস্বাতন্ত্ৰ্যবাদ উন্নত সভ্যতাৰ এক স্বাভাৱিক প্ৰক্ৰিয়া আছিল। এটা সামাজিক বিপ্লৱে কিছুমান নতুন সামাজিক শ্ৰেণীক (group) ক্ষমতাত অধিষ্ঠিত কৰিছিল। সচৰাচৰ হোৱাৰ দৰেই ই ব্যক্তিৰ মাধ্যমেদি আৰু ব্যক্তিগত বিকাশলৈ সা-সুবিধা আগবঢ়াই কাৰ্যক্ষম হৈছিল; আৰু যিহেতু পুঁজিবাদৰ আৰম্ভণি স্তৰত উৎপাদন আৰু বিতৰণৰ কেন্দ্ৰবোৰ (units) ঘাইকৈ গাইগুটীয়া ব্যক্তিৰ হাতত আছিল,

নতুন সামাজিক শ্ৰেণীৰ আদৰ্শই সামাজিক শৃংখলাত ব্যক্তিগত উদ্যমৰ ভূমিকাক প্ৰবল গুৰুত্ব দিছিল। কিন্তু সমগ্ৰ প্ৰক্ৰিয়াটো ঐতিহাসিক বিকাশৰ এটা বিশেষ স্তৰৰ প্ৰতিনিধিত্ব কৰা সামাজিক প্ৰক্ৰিয়া আছিল, আৰু তাক সমাজৰ বিৰুদ্ধে ব্যক্তিয়ে কৰা বিদ্ৰোহ অথবা সামাজিক বাধা-নিষেধবোৰৰ পৰা ব্যক্তিৰ এক মুক্তি হিছাপে ব্যাখ্যা কৰিব নোৱাৰি।

বহুবোৰ লক্ষণে ইংগিত দিয়ে যে আনকি এই বিকাশ আৰু এই আদৰ্শৰ কেন্দ্ৰবিন্দু (focus) পাশ্চাত্য জগততো ইতিহাসৰ এই যুগটো তাৰ অন্তিম অৱস্থাত উপনীত হৈছে : মই ইয়াত লোক গণতন্ত্ৰৰ (mass democracy) উত্থান অথবা ঘাইকৈ সামূহিক ৰূপৰ অৰ্থনৈতিক উৎপাদন আৰু সংগঠনে মুখ্যতঃ ব্যক্তিকেন্দ্ৰিক ব্যৱস্থাক ক্ৰমান্বয়ে বিতাৰণ (replacement) কৰিলে সেইটোৰ ওপৰত গুৰুত্ব নিদিওঁ। কিন্তু এই সুদীৰ্ঘ আৰু ফলপ্ৰসূ যুগটোৱে সৃষ্টি কৰা ভাবাদৰ্শ পশ্চিম ইউৰোপ আৰু ইংৰাজী ভাষা কোৱা দেশবোৰত এতিয়াও এক প্ৰভাৱশালী শক্তি। যেতিয়া আমি বিমূৰ্ত ভাষাৰে স্বাধীনতা আৰু সমতা অথবা ব্যক্তিগত স্বাধীনতা আৰু সামাজিক ন্যায়ৰ কথা কওঁ, আমি যেন পাহৰি থাকিবলৈ বিচাৰোঁ যে বিমূৰ্ত ধাৰণাৰ (ideas) মাজত সংঘৰ্ষ সংঘটিত নহয়েই। এইবোৰ ঠিক ব্যক্তি আৰু সমাজৰ মাজত হোৱা সংগ্ৰাম নহয়, সমাজত থকা ব্যক্তিৰ বিভিন্ন গোষ্ঠীৰ (groups) মাজৰ সংগ্ৰামহে, কিয়নো প্ৰতিটো গোষ্ঠীয়েই নিজৰ বাবে অনুকূল হোৱা সামাজিক নীতিসমূহ প্ৰবৰ্তন (promote) কৰিবলৈ বিচাৰে আৰু নিজৰ বাবে প্ৰতিকূল (inimical) হোৱা সামাজিক নীতিবোৰক বিফল কৰিবলৈ বিচাৰে। এতিয়া আৰু এটা ডাঙৰ সামাজিক আন্দোলনৰ অৰ্থত নহয় বৰং ব্যক্তি আৰু সমাজৰ মাজত কৃত্ৰিম (false) বিৰোধিতাৰ অৰ্থতহে ব্যক্তিবাদ আজি এটা স্বাৰ্থজড়িত (interested) গোষ্ঠীৰ শ্লোগান হৈ পৰিছে আৰু তাৰ বিবদমান চৰিত্ৰৰ বাবে পৃথিবীত কি ঘটিছে সেইটো বুজি পোৱাত বাধাৰ সৃষ্টি হৈছে। ব্যক্তিক উপায় (means) হিছাপে আৰু সমাজ বা ৰাষ্ট্ৰক লক্ষ্য (end) হিছাপে গণ্য কৰাৰ বিকৃতিৰ (perversion) বিৰুদ্ধে প্ৰতিবাদ হিছাপে ব্যক্তিবাদী তত্ত্বৰ বিৰুদ্ধে মোৰ ক'বলগীয়া একো নাই। কিন্তু সমাজৰ বাহিৰত ব্যক্তিৰ এটা বিমূৰ্ত স্থিতিৰ ধাৰণা লৈ যদি আমি কাৰ্য কৰিবলৈ যত্ন কৰোঁ, তেন্তে আমি অতীত কিম্বা বৰ্তমান সম্পৰ্কে কোনো বাস্তৱ উপলব্ধিত উপনীত হ'বগৈ নোৱাৰিম।

আৰু মই যে ইতিমধ্যে মূল বিষয় এৰি ফালৰি কাটি গৈছিলো (digression), ইয়ে মোক তাৰ অন্তিম বিন্দুত উপস্থিত কৰালে। ইতিহাসৰ সৰ্বসাধাৰণ দৃষ্টিভংগীয়ে ইতিহাসক মানুহে মানুহৰ বিষয়ে লেখা কিবা এবিধ বুলি গণ্য কৰে। এই দৃষ্টিভংগী ঊনবিংশ শতিকাৰ লিবাৰেল ঐতিহাসিকসকলে খাটাংকৈ গ্ৰহণ কৰিছিল আৰু উৎসাহিত কৰিছিল, কিন্তু যথাৰ্থতে ভুল নহয়। কিন্তু এতিয়া ইয়াক অতি-সৰলীকৃত (over-

simplified) আৰু অসম্পূৰ্ণ (inadequate) যেন লাগে আৰু আমি ইয়াক গভীৰভাবে অনুসন্ধান কৰাৰ প্ৰয়োজন আছে। ঐতিহাসিকৰ জ্ঞান তেওঁৰ একচেটিয়া ব্যক্তিগত সম্পত্তি নহয় ঃ সম্ভৱতঃ জ্ঞানৰ সঞ্চয়ত বহু প্ৰজন্ম আৰু বহু বিভিন্ন দেশৰ মানুহ সহভাগী আছিল। ঐতিহাসিকে মানুহৰ যিবোৰ কৰ্ম অধ্যয়ন কৰে তেওঁলোক শূন্যতাত কাম কৰা নিঃসংগ ব্যক্তি নহয় ঃ তেওঁলোকে এখন বিগত সমাজৰ প্ৰসংগত আৰু প্ৰেৰণাত কাম কৰিছিল। মোৰ শেষৰ বক্তৃতাটোত মই ইতিহাসক বৰ্তমান সময়ৰ ঐতিহাসিক আৰু অতীতৰ তথ্যৰ মাজত এক সংলাপ আৰু কথোপকথনৰ প্ৰক্ৰিয়া হিছাপে বৰ্ণনা কৰিছিলো। এতিয়া মই সমীকৰণটোৰ দুয়োটা দিশত থকা ব্যক্তিগত আৰু সামাজিক উপাদানৰ আপেক্ষিক গুৰুত্ব সম্পৰ্কে অনুসন্ধান কৰি চাব খুজিছো। ঐতিহাসিকসকল কিমান দূৰ একক ব্যক্তি আৰু কিমান দূৰ তেওঁলোকৰ সমাজৰ আৰু তেওঁলোকৰ সময়ৰ সৃষ্টি? ইতিহাসৰ তথ্যসমূহ কিমান দূৰ একক ব্যক্তি সম্পৰ্কীয় আৰু কিমান দূৰ সামাজিক তথ্য?

ঐতিহাসিকজন তেনেহ'লে এক একক (individual) মানব সত্তা (being)। আন মানুহৰ দৰেই তেৰোঁ এক সামাজিক অস্তিত্ব (phenomenon) আৰু তেওঁ যিখন সমাজত বাস কৰে, সেইখন সমাজৰে সৃষ্টি আৰু সেইখন সমাজৰে সচেতন অথবা অসচেতন মুখপাত্ৰ ঃ এনে অৰ্হতাৰেই (capacity) তেওঁ ঐতিহাসিক অতীতৰ তথ্যৰ ওচৰ চাপে। আমি কেতিয়াবা ইতিহাসৰ গতিধাৰাক 'চলন্ত শোভাযাত্ৰা' বুলি কওঁ। উপমাটো যথেষ্ট শুদ্ধই, যদিহে ই ঐতিহাসিক গৰাকীক নিজকে এটা নিৰ্জন ওখ পৰ্বতৰ পৰা তলৰ দৃশ্য নিৰীক্ষণ কৰা ঈগল অথবা সৈন্য-শিবিৰত অভিবাদন গ্ৰহণ কৰা ভি. আই. পি. বুলি ভাবি ল'বলৈ প্ৰলোভিত নকৰে। বাস্তৱিকতে দুয়োটাৰে এটাও নহয়। ঐতিহাসিকজনো শোভাযাত্ৰাটোৰ আন এটা অংশত কষ্ট কৰি খোজ দি যোৱা আন এটি নিমাখিত প্ৰাণীহে (dim figure)। এবাৰ সোঁৱে, এবাৰ বাৱেঁ অথালি-পথালিকৈ আৰু কেতিয়াবা নিজেই পশ্চাদ্-গতি কৰি শোভাযাত্ৰাটোত গৈ থাকোঁতে শোভাযাত্ৰাটোৰ বিভিন্ন অংশৰ আপেক্ষিক (relative) স্থিতিও অবিৰতভাবে পৰিবৰ্তিত হৈ গৈ থাকে আৰু উদাহৰণ স্বৰূপে তেতিয়া ই সংগতভাৱেই ক'ব পাৰে যে এক শতিকাৰ আগৰ আমাৰ প্ৰ-পিতামহ সকলতকৈ আমি আজি মধ্যযুগৰ অধিক ওচৰ চাপিব পাৰিছো, অথবা ডাণ্টেৰ যুগতকৈ চীজাৰৰ যুগ আমাৰ অধিক ওচৰৰ হৈ পৰিছে। ঐতিহাসিকজনকো সামৰি শোভাযাত্ৰাটো আগবাঢ়ি যোৱাৰ লগে লগে নতুন মনন দৃষ্টি (vistas), নতুন দৃষ্টিকোণে (angles) অনবৰতে শোভাযাত্ৰাটোত ভুমুকি মাৰে। ঐতিহাসিকো ইতিহাসৰে অংশ। শোভাযাত্ৰাটোৰ যিটো বিন্দুত ঐতিহাসিকজনে তেওঁক নিজকে আৱিষ্কাৰ কৰে, সিয়েই অতীত সম্পৰ্কে তেওঁৰ দৃষ্টিকোণ নিৰ্ধাৰণ কৰে।

ঐতিহাসিকগৰাকীৰ আলোচ্য যুগটো তেওঁৰ নিজৰ সময়ৰ পৰা দূৰ অতীতৰ হ'লেও এই স্বতঃসিদ্ধ সত্যতাটো (truism) কম সত্য নহয়। মই যেতিয়া প্ৰাচীন ইতিহাস অধ্যয়ন কৰিছিলোঁ, বিষয়টোৰ দুখন ক্লাছিক গ্ৰন্থ আছিল,— বোধহয় এতিয়াও আছে,— গ্ৰ'টৰ (Grote) History of Greece আৰু মমচেনৰ (Mommsen) History of Rome. ১৮৪০ৰ দশকত লেখা এজন শিক্ষিত ৰেডিকেল বেংকাৰ গ্ৰ'টেই এথেনীয়ান গণতন্ত্ৰৰ এক আদৰ্শমূলক প্ৰতিচ্ছবিত বিকাশশীল আৰু ৰাজনৈতিকভাৱে প্ৰগতিশীল বৃটিছ মধ্যবিত্ত শ্ৰেণীৰ আশা-আকাঙ্ক্ষাক মূৰ্ত কৰি তুলিছিল, য'ত পেৰিক্লিচ (Pericles) বেন্থামপন্থী (Benthamite) সংস্কাৰক হিছাপে অংকিত হৈছিল আৰু অমনোযোগিতাৰ ভমকত এথেন্স সাম্ৰাজ্যত পৰিণত হৈছিল। এথেন্সৰ দাসত্বৰ সমস্যাটোৰ প্ৰতি গ্ৰ'টৰ অৱজ্ঞাই নতুন ইংৰাজ কাৰখানাৰ শ্ৰমিক শ্ৰেণীৰ সমস্যাটোৰ মুখামুখি হ'বলৈ তেওঁ নিজেও অন্তৰ্ভুক্ত হৈ থকা গোষ্ঠীটোৰ বিফলতাকে প্ৰতিফলিত কৰে বুলি ক'বলৈ গ'লে বোধহয় কল্পনাপ্ৰসূত নহ'ব। ১৮৪৮-১৮৪৯ চনৰ জাৰ্মান বিপ্লৱৰ বিমূঢ়তা (muddles) আৰু অৱমাননাৰ পৰা মোহভংগ হোৱা মমচেন এজন জাৰ্মান লিবাৰেল আছিল। ফলিত ৰাজনীতিৰ (realpolitik) নাম আৰু ধাৰণাটো জন্ম হোৱা ১৮৫০ৰ দশকটোত লেখা মমচেন নিজৰ ৰাজনৈতিক আশা-আকাঙ্ক্ষা পূৰণ কৰিবলৈ বিফল হোৱা জাৰ্মান জাতিয়ে এৰি থৈ যোৱা বিশৃংখলতা (mess) নিৰাময় কৰিবলৈ এজন শক্তিশালী পুৰুষৰ প্ৰয়োজনীয়তাৰ চেতনাৰে উদ্বুদ্ধ হৈছিল; আৰু তেওঁৰ সৰ্বজনবিদিত চীজাৰৰ আদৰ্শীকৰণ (idealization) আছিল ধ্বংসস্তূপৰ পৰা জাৰ্মানীক বচাবলৈ শক্তিশালী পুৰুষ এজনৰ প্ৰয়োজনৰ প্ৰতি থকা আকুতিৰ সৃষ্টি আৰু সেই অকৰ্মণ্য চেলেপু আৰু অবিশ্বাসী দীৰ্ঘসূত্ৰী উকীল-ৰাজনীতিক চিচেৰো (Cicero) ১৮৪৮ চনত ফ্ৰাংকফৰ্টৰ পাউলিকিৰ্চিৰ (Paulikirche) বাক-বিতণ্ডাৰ (debates) পৰা পোনে পোনে অহাটো উপলব্ধি নকৰিলে আমি তেওঁৰ ইতিহাসক তাৰ প্ৰকৃত মূল্যৰে মূল্যায়ণ কৰিব নোৱাৰিম। বাস্তৱিকতে কোনোবাই যদি কয় যে আজি গ্ৰ'টৰ History of Rome গ্ৰন্থখনে খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাৰ এথেনীয়ান গণতন্ত্ৰৰ বিষয়ে যিমান কয়, ১৮৪০ৰ দশকৰ ইংৰাজ দাৰ্শনিক ৰেডিকেলসকলৰ চিন্তাৰ বিষয়েও সমানেই কয়, অথবা ১৮৪৮ চনটোৰে জাৰ্মান লিবাৰেলসকলক কি কৰিছিল সেইটো জানিবলৈ মমচেনৰ History of Rome খনক তেওঁৰ এখন পাঠ্যপুথি হিছাপে লোৱা উচিত, তেন্তে সেইটোক মই সংযমহীন বিসংগতি (outrageous paradox) বুলি নেভাবোঁ। ইয়ে মহান ঐতিহাসিক গ্ৰন্থ হিছাপে গ্ৰন্থ দুখনৰ মৰ্যাদা নস্যাৎ নকৰে। মমচেনৰ মহত্ত্ব তেওঁৰ History of Rome ত নহয়, বৰং তেওঁৰ লিপিসমূহৰ (inscriptions) সাৰ সংকলন আৰু তেওঁৰ ৰোমান সাংবিধানিক আইন সম্পৰ্কে কৰা কৰ্মৰ ওপৰতহে বুলি বিউৰীয়ে (Bury) তেওঁৰ

উদ্বোধনী ভাষণত যি আৰ্হি (fashion) প্ৰতিষ্ঠা কৰিছিল, সেইটো মানি ল'বলৈ মোৰ ধৈৰ্য নাই : কাৰণ, ইয়ে ইতিহাসক সংকলনৰ পৰ্যায়লৈ নমাব। বৰ্তমানৰ সমস্যাৰাজিৰ অন্তৰ্দৃষ্টিয়ে যেতিয়া ঐতিহাসিকৰ অতীতবীক্ষা আলোকিত কৰি তোলে, তেতিয়াহে চমুকৈ মহৎ ইতিহাস ৰচিত হয়। প্ৰায়েই সকলোৱে আশ্চৰ্য প্ৰকাশ কৰে যে গণতন্ত্ৰৰ পতনৰ পাছত মমচেনে তেওঁৰ ইতিহাস ৰচনা অব্যাহত ৰাখিবলৈ বিফল হ'ল। তেওঁৰ সময়ৰ নতুবা সুবিধাৰ নাইবা জ্ঞানৰ এটাৰো অভাৱ নাছিল। কিন্তু মমচেনে যেতিয়া তেওঁৰ ইতিহাসখন লেখিছিল, জাৰ্মানীত শক্তিশালী পুৰুষজনৰ তেতিয়ালৈকে আবিৰ্ভাৱ হোৱা নাছিল। তেওঁৰ কৰ্মময় জীৱনত শক্তিশালী পুৰুষ এগৰাকীয়ে ক্ষমতা দখল কৰি ল'লে যি সমস্যাৰ সৃষ্টি হৈছিল, সেইটো তেতিয়ালৈকে বাস্তৱায়িত হোৱা নাছিল। এই সমস্যাটো ৰোমান দৃশ্যপটত পুনৰাই পৰিকল্পনা (project) কৰিবলৈ মমচেনক একোৱেই অনুপ্ৰাণিত কৰা নাছিল; আৰু সাম্ৰাজ্যখনৰ ইতিহাস অলিখিত হৈয়ে থাকি গ'ল।

আধুনিক ঐতিহাসিকসকলৰ মাজৰ পৰা এনে ঘটনাৰ বহুত উদাহৰণ দিয়াটো সহজ। মোৰ শেষৰ বক্তৃতাটোত তেওঁ ডাঙৰ-দীঘল হোৱা হুইগ ঐতিহ্যৰ কীৰ্তিস্তম্ভ হিচাপে ড° ট্ৰেভেলিয়ানৰ England Under Queen Anneক মই সন্মান জনাইছিলো। যাক আমাৰ বহুতেই প্ৰথম মহাসমৰৰ পাছৰ পৰাই শৈক্ষিক দৃশ্যপটত আবিৰ্ভাব হোৱা শ্ৰেষ্ঠতম বৃটিছ ঐতিহাসিক বুলি গণ্য কৰোঁ, সেই ছাৰ লিউইচ নেমিয়েৰ (Sir Lewis Namier) সম্ভ্ৰমজনক (imposing) আৰু বৈশিষ্ট্যপূৰ্ণ কৃতিত্বৰ বিষয়ে আমি বিবেচনা কৰি চাওঁ। নেমিয়েৰ এগৰাকী প্ৰকৃত ৰক্ষণশীল (conservative) আছিল,— টিপিকেল (typical) সংৰক্ষণশীল নাছিল, যাক আঁচুৰিলে (scratch) ৭৫ শতাংশ লিবাৰেল ওলাই পৰিব, বৰং এনে এজন সংৰক্ষণশীল যাৰ সমকক্ষ বিগত এশ বছৰতকৈয়ো অধিক কাল বৃটিছ ঐতিহাসিকসকলৰ মাজত দেখা পোৱা নাযায়। যোৱা শতিকাটোৰ মাজভাগ আৰু ১৯১৪ চনৰ মাজৰ কালছোৱাত বৃটিছ ঐতিহাসিক এজনৰ পক্ষে ঐতিহাসিক পৰিৱৰ্তনক ভালৰ বাবে হোৱা পৰিৱৰ্তন বুলি ভবাৰ বাহিৰে আন কোনো বিকল্পৰ সম্ভাৱনাই নাছিল। ১৯২০ৰ দশকত আমি এনে এক যুগলৈ আগবাঢ়িলো য'ত পৰিৱৰ্তন ভৱিষ্যতৰ বাবে ভয়ৰ লগত সহযোগী হোৱাৰ আৰম্ভণি হৈছিল আৰু বেয়াৰ বাবেও পৰিৱৰ্তন হ'ব পাৰে বুলি ভাবিব পৰা হৈছিল, যিটো সংৰক্ষণশীল চিন্তাধাৰাৰ পুনৰজন্মৰ যুগ আছিল। এক্টনৰ লিবাৰেলিজমৰ দৰে নেমিয়েৰৰ সংৰক্ষণশীলতায়ো এক মহাদেশীয় (continental) পৃষ্ঠভূমিত মেলা শিপাৰ পৰাই শক্তি আৰু গভীৰতা আহৰণ কৰিছিল।[৪] ফিচাৰ (Fisher) অথবা টয়নবীৰ (Toynbee) দৰে নেমিয়েৰৰ শিপাডাল উনবিংশ শতিকাৰ লিবাৰেলিজমত নাছিল আৰু তাৰ বাবে নষ্টালজিক অনুশোচনাতো ভোগা নাছিল। প্ৰথম বিশ্বযুদ্ধ আৰু বিনচীয়া (abortive) শান্তিয়ে লিবাৰেলিমৰ দেউলীয়াত্ব

উদঙাই দিয়াৰ পাছত প্ৰতিক্ৰিয়া কেৱল দুই প্ৰকাৰৰ হোৱাই স্বাভাৱিক আছিল,— সমাজবাদ অথবা সংৰক্ষণশীলতাবাদ। নেমিয়েৰ সংৰক্ষণশীল ঐতিহাসিক হিচাপে প্ৰতিভাত হ'ল। তেওঁ দুখন নিৰ্বাচিত ক্ষেত্ৰত কাম কৰিছিল আৰু দুয়োটা পছন্দেই তাৎপৰ্যপূৰ্ণ আছিল। ইংৰাজৰ ইতিহাসত তেওঁ অন্তিম যুগটোলৈ ঘূৰি গৈছিল, য'ত শাসক শ্ৰেণীয়ে এখন শৃংখলিত আৰু স্থানু (static) সমাজত প্ৰতিষ্ঠা (position) আৰু ক্ষমতা দখলৰ যুক্তিসংগত সন্ধানত ব্যস্ত হ'বলৈ সক্ষম হৈছিল। ইতিহাসৰ পৰা মনক (mind) আঁতৰাই অনা বুলি কোনোবাই নেমিয়েৰক দোষাৰোপ কৰিছিল।[৫] এইটো সম্ভৱতঃ এক খুব অনুকূল (fortunate) খণ্ডবাক্য নহয়, কিন্তু সমালোচকজনে যি ক'বলৈ বিচাৰিছে, সেইটো বুজা যায়। তৃতীয় জৰ্জ সিংহাসনত আৰোহণ কৰাৰ সময়ত ৰাজনীতি তেতিয়াও ধ্যান-ধাৰণাৰ (ideas) অতিপাত গোড়ামিৰ (fanaticism) পৰা আৰু প্ৰগতিৰ ওপৰত আৱেগপ্ৰৱণ বিশ্বাসৰ পৰা মুক্ত হৈ আছিল, যি ফৰাচী বিপ্লৱৰ সৈতে বিশ্বত বিয়পি পৰিছিল আৰু বিজয়োল্লাসিত (triumphant) লিবাৰেলিজমৰ শতিকাটোক আগবঢ়াই আনিছিল। কোনো ধ্যান-ধাৰণা নাই, বিপ্লৱ নাই, নাই লিবাৰেলিজমো ঃ নেমিয়েৰে এই সকলো ধৰণৰ বিপদৰ পৰা তেতিয়াও নিৰাপদ,—যদিয়ো দীৰ্ঘ দিন নিৰাপদ হৈ নাথাকিল, এটা যুগৰ চমকপ্ৰদ (brilliant) বৰ্ণনাচিত্ৰ (portrait) আমাক দিয়াৰ সিদ্ধান্ত কৰিছিল।

কিন্তু নেমিয়েৰৰ পছন্দৰ দ্বিতীয় বিষয়টোও সমানেই তাৎপৰ্যপূৰ্ণ আছিল। ইংৰাজ, ফৰাচী আৰু ৰুচ,— এই মহান আধুনিক বিপ্লৱকেইটা নেমিয়েৰে গা-এৰাই গৈছিল,— এই কেইটাৰ এটাৰ বিষয়েও তেওঁ যথাৰ্থতে একো লেখি থৈ যোৱা নাই,— আৰু ১৮৪৮ চনৰ ইউৰোপীয় বিপ্লৱ সম্পৰ্কে এক অন্তৰ্ভেদী অধ্যয়ন দি যোৱাৰ সিদ্ধান্ত কৰিছিল, যিটো বিপ্লৱ বিফল হৈছিল আৰু সমগ্ৰ ইউৰোপতে লিবাৰেলিজমৰ বৰ্ধিষ্ণু (rising) আশাৰ ক্ষেত্ৰত এক অন্তৰায় হৈ পৰিছিল, সশস্ত্ৰ সৈন্যৰ সন্মুখত ধ্যান-ধাৰণাবোৰৰ, সৈন্যবাহিনীৰ মুখামুখি হওঁতে গণতন্ত্ৰীসকলৰ ফোপোলা স্বৰূপটো দাঙি ধৰিছিল। ৰাজনীতিৰ নিষ্ঠাবান ব্যৱসায়ত ধ্যান-ধাৰণাৰ অনাহূত প্ৰৱেশ (intrusion) নিষ্ফল আৰু বিপদজনক ঃ এই অপমানজনক ব্যৰ্থতাক 'বুদ্ধিজীৱীৰ বিপ্লৱ' আখ্যা দি নেমিয়েৰে এই নীতি-বাক্যটো লগাই দিছিল। আমাৰ সিদ্ধান্ত কেৱল আনুমানিক নহয়; কাৰণ, যদিও নেমিয়েৰে ইতিহাসৰ দৰ্শন সম্পৰ্কে প্ৰণালীবদ্ধভাৱে একো লেখা নাছিল, কেইবছৰমান আগেয়ে প্ৰকাশিত এখন ৰচনাত তেওঁৰ চিৰাচৰিত স্বচ্ছতা আৰু তীক্ষ্ণতাৰে সৈতে তেওঁ নিজকে প্ৰকাশ কৰিছিল। তেওঁ লেখিছিল যে "গতিকে মানুহে যিমান কমকৈ তেওঁৰ মনৰ মুকলি প্ৰকাশক ৰাজনৈতিক তত্ত্ব আৰু মতবাদেৰে ভাৰাক্ৰান্ত কৰি তোলে, তেওঁৰ চিন্তাৰ কাৰণে সিমানেই কল্যাণকৰ।" তেওঁ ইতিহাসৰ পৰা মনক আঁতৰাই অনাৰ অভিযোগটোক নাকচ নকৰাকৈ উল্লেখ কৰি তেওঁ কৈছিল যে—

> 'কিছুমান ৰাজনৈতিক দাৰ্শনিকে এক "ক্লান্তিকৰ বিৰতি" আৰু দেশত সাধাৰণ ৰাজনীতি সম্পৰ্কে বৰ্তমান যুক্তিৰ অভাৱৰ বিষয়ে অভিযোগ কৰে; যেতিয়া কৰ্মসূচী (programmes) আৰু আদৰ্শ দুয়ো পক্ষই পাহৰি যায়, প্ৰকৃত সমস্যাৰ কাৰ্যকৰী সমাধান বিচৰা হয়। কিন্তু মোৰ বাবে এই দৃষ্টিভংগীয়ে এক মহত্তৰ জাতীয় পৰিপক্কতাৰ আভাস দিয়ে আৰু মই মাথোন আশা কৰিব পাৰোঁ যে ৰাজনৈতিক দৰ্শনৰ কাৰ্যকলাপৰ দ্বাৰা ব্যাহত নোহোৱাকৈ ই দীৰ্ঘ দিন অব্যাহত থাকে।'*

এই মুহূৰ্তত মই এই দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰিব নোখোজোঁ ঃ সেইটো পৰৱৰ্তী বক্তৃতা এটালৈ স্থগিত ৰাখিলো। এতিয়া মোৰ উদ্দেশ্য হ'ল কেৱল দুটা গুৰুত্বপূৰ্ণ সত্যৰ উদাহৰণ দিয়াটো ঃ প্ৰথমতে, ঐতিহাসিকজনে নিজে কোনটো দৃষ্টিকোণৰ পৰা এইটো পৰ্যবেক্ষণ কৰিছে প্ৰথমে সেইটো অনুধাৱন কৰি নোলোৱাকৈ ঐতিহাসিকজনৰ লেখা আপুনি কেতিয়াও সম্পূৰ্ণকৈ বুজিব বা উপলব্ধি কৰিব নোৱাৰিব; দ্বিতীয়তে, সেই দৃষ্টিকোণ আকৌ নিজেই এক সামাজিক আৰু ঐতিহাসিক পটভূমিত শিপাই থাকে। মাৰ্ক্সে এসময়ত কোৱাৰ দৰে পাহৰি নেযাব যে— শিক্ষকে নিজকে শিক্ষিত কৰি ল'ব লাগিব; আধুনিক অতি বাগাড়ম্বৰেৰে ক'বলৈ হ'লে brain-wash কৰাজনৰেই আপোনা-আপুনি brain-wash হৈ যায়। ইতিহাস লেখিবলৈ আৰম্ভ কৰাৰ পূৰ্বে ঐতিহাসিকজনো ইতিহাসৰে সৃষ্টি।

মই এইমাত্ৰ যিসকল ঐতিহাসিকৰ বিষয়ে ক'লো,— গ্ৰ'টে আৰু মমচেন, ট্ৰেভেলিয়ান আৰু নেমিয়েৰ,— তেওঁলোকৰ প্ৰত্যেকেই ক'বলৈ গ'লে এক একক সামাজিক আৰু ৰাজনৈতিক সাঁচত ঢলা ; তেওঁলোকৰ প্ৰথম আৰু অন্তিম লেখাৰ মাজত দৃষ্টিভংগীৰ কোনো লক্ষণীয় পৰিৱৰ্তন ঘটা নাছিল। কিন্তু দ্ৰুত পৰিৱৰ্তনৰ যুগবোৰত কিছুমান ঐতিহাসিকে তেওঁলোকৰ ৰচনাত এখন সমাজ আৰু এক সামাজিক ব্যৱস্থাকে প্ৰতিফলিত কৰা নাছিল, বৰং বিভিন্ন সামাজিক অৱস্থাৰ (social order) এক অনুক্ৰমহে (succession) প্ৰতিফলিত কৰিছিল। এই কথাৰ মই জনা সৰ্বোৎকৃষ্ট উদাহৰণ হ'ল, মহান জাৰ্মান ঐতিহাসিক মেইনকে (Meinecke), যাৰ জীৱন আৰু কৰ্মৰ পৰিসৰ অগতানুগতিকভাৱে (unusually) দীঘলীয়া আছিল আৰু তেওঁ তেওঁৰ দেশৰ ভাগ্যৰ এলানি বৈপ্লৱিক আৰু বিপৰ্যয়মূলক পৰিৱৰ্তন সামৰি লৈছিল। ইয়াৰ ফলশ্ৰুতিত আমি তিনিজন সুকীয়া সুকীয়া মেইনকেক বিচাৰি পাওঁ, প্ৰতিগৰাকীয়েই এক সুকীয়া ঐতিহাসিক যুগৰ মুখপাত্ৰ আৰু প্ৰতিগৰাকীয়েই তেওঁৰ তিনিখন প্ৰধান গ্ৰন্থৰ একোখনৰ যোগেদি তেওঁৰ বক্তব্য প্ৰকাশ কৰিছিল। ১৯০৭ চনত প্ৰকাশিত Weltbürgerthum and Nationalstaatৰ (বিশ্ব নাগৰিকত্ব আৰু জাতীয় ৰাষ্ট্ৰ) মেইনকে গৰাকীয়ে বিচমাৰ্কীয় ৰাইখত (Bismarckian Reich) জাৰ্মানীৰ জাতীয় আদৰ্শ বাস্তৱায়িত হোৱাটো প্ৰত্যয়েৰে সৈতে (confidently) প্ৰত্যক্ষ কৰিছে,— মেট্‌চিনিৰ

(Mazzini) পৰা আৰম্ভ কৰি পৰৱৰ্তী উনৈশ শতিকাৰ বহু চিন্তাবিদৰ দৰে জাতীয়তাবাদক বিশ্বজনীনতাবাদৰ (universalism) সৰ্বোচ্চ ৰূপ বুলি চিনাক্ত কৰিছিল ঃ এইটো বিচ্‌মাৰ্কৰ যুগৰ অদ্ভুত ভিল্‌হেল্‌মিনেৰ (Wilhelmine) পৰিণামৰ সৃষ্টি আছিল। ১৯২৫ চনত প্ৰকাশিত Die Idee der Staatsräsonত (ৰাষ্ট্ৰীয় অস্তিত্বৰ ধাৰণা) মেইনকেই ভাইমাৰ ৰিপাব্লিকৰ (Weimar Republic) খণ্ডিত আৰু বিমূঢ় মনেৰে সৈতে কৈছে ঃ ৰাজনীতিৰ জগতখন ৰাষ্ট্ৰৰ যুক্তি (raison d'état) আৰু ৰাজনীতি বহিৰ্ভূত এক নৈতিকতাৰ অ-মীমাংসিত সংঘাতৰ ৰণভূমিত পৰিণত হৈছে, কিন্তু অন্তিম উপায় হিছাপে সেই নৈতিকতাই ৰাষ্ট্ৰৰ জীৱন আৰু নিৰাপত্তাক অগ্ৰাহ্য (override) কৰিব নোৱাৰে। শেষত ১৯৩৬ চনত প্ৰকাশিত Die Entstehung des Historismusৰ (ইতিহাসবাদৰ উৎপত্তি) মেইনকে, নাজী বন্যাই যেতিয়া তেওঁৰ শৈক্ষিক সন্মানসমূহ ধুই-মচি লৈ গ'ল, যি আছে, সিয়েই শুদ্ধ বুলি স্বীকৃতি দিয়া ইতিহাসবাদক (Historicism) নাকচ কৰি আৰু ঐতিহাসিক আপেক্ষিকতাবাদ আৰু এক অতিযৌক্তিক চূড়ান্তৰ (super-rational absolute) মাজত অস্থিৰভাৱে দোদুল্যমান হৈ নৈৰাশ্যৰ এক আৰ্তনাদ কৰিছে। সৰ্বশেষত, যেতিয়া মেইনকেই তেওঁৰ বৃদ্ধ বয়সত দেখিলে যে তেওঁৰ দেশ ১৯১৮ চনতকৈয়ো বেছি ধ্বংসাত্মক সামৰিক পৰাজয়ত বশীভূত হৈ পৰিল, তেওঁ ১৯৪৬ চনত Die Deutsche Katastropheত (জাৰ্মান বিপৰ্যয়) নিঃসহায়ভাৱে ইতিহাসক এক অন্ধ, নিৰ্দয় দৈৱ বুলি কোৱা বিশ্বাসলৈ প্ৰত্যাগমন কৰিছিল।[৭] মনস্তত্ত্ববিদ বা জীৱনীকাৰজন এইক্ষেত্ৰত ব্যক্তি হিছাপে মেইনকেৰ বিকাশটোৰ প্ৰতি আগ্ৰহান্বিত হ'ব ঃ যি উপায়েৰে মেইনকেই বৰ্তমান সময়ৰ স্পষ্টভাৱে বিপৰীতধৰ্মী তিনিটা অথবা আনকি চাৰিটা ধাৰাবাহিক (successive) যুগক ঐতিহাসিক অতীতত প্ৰতিফলিত কৰিছে, ঐতিহাসিকজনৰ আকৰ্ষণ সেইটোৰ প্ৰতিহে হ'ব।

নতুবা আমি ঘৰৰ কাষৰে উল্লেখযোগ্য উদাহৰণ এটা লওঁ। ১৯০৩ৰ কালাপাহাৰী (iconoclastic) দশকটোত যেতিয়া লিবাৰেল পাৰ্টিক কাৰ্যক্ষম শক্তি হিছাপে বৃটিছ ৰাজনীতিৰ পৰা নিৰ্বাসিত কৰিছিল, অধ্যাপক বাটাৰফিল্ডে (Butterfield) The Whig Interpretation of History খন লেখিছিল, যিখনে বিৰাট আৰু প্ৰাপ্য সফলতা লাভ কৰিছিল। বহুত দিনৰ পৰাই এইখন উল্লেখনীয় গ্ৰন্থ আছিল— সেইবোৰৰে সামান্যতম কাৰণ ইয়ো যে গ্ৰন্থখনৰ এশ ত্ৰিশতকৈয়ো অধিক পৃষ্ঠাত হুইগ ব্যাখ্যাক সমালোচনা কৰিছিল, কোনো সূচিকাৰ (index) সহায় নোলোৱাকৈ মই যিমানখিনি চিনাক্ত কৰিব পাৰিছো, ই ফক্সৰ (Fox) বাহিৰে এজনো হুইগৰ নাম উল্লেখ কৰা নাই যিজন কেতিয়াও ঐতিহাসিক নাছিল, অথবা ই এক্টনৰ বাহিৰে এজনো ঐতিহাসিকৰ নাম লোৱা নাই যিজন হুইগেই নাছিল।[৮] কিন্তু খুটি-নাটি আৰু সম্পূৰ্ণ নিভুৰ্লতাৰ অভাৱ হ'লেও কটূক্তিৰ

চমকনিৰে সেইখিনিৰ ক্ষতিপূৰণ কৰিছিল। পাঠক নিঃসন্দেহ হ'ব পাৰিছিল যে হুইগ ব্যাখ্যা নিকৃষ্ট আছিল; আৰু ইয়াৰ বিৰুদ্ধে অনা অভিযোগবোৰৰে এটা এয়ে আছিল যে ই 'বৰ্তমানৰ প্ৰসংগত অতীত অধ্যয়ন কৰিছিল'। এইটো প্ৰসংগত অধ্যাপক বাটাৰফিল্ড দ্ব্যৰ্থহীন আৰু কঠোৰ আছিল :

> সেয়ে ক'বলৈ হ'লে বৰ্তমানত দৃষ্টি নিবদ্ধ কৰি অতীত অধ্যয়ন কৰাটোৱেই ইতিহাসৰ সকলো পাপ আৰু কূটতৰ্কৰ (sophistries) উৎস। 'অনৈতিহাসিক' (unhistorical) শব্দটোৰ পৰা আমি যি বুজোঁ, ই তাৰে সাৰমৰ্ম।*

বাৰ বছৰ পাৰ হৈ গ'ল। কালাপাহাৰিত্বৰ (iconoclasm) ফেচনবো অন্ত পৰিল। অধ্যাপক বাটাৰফিল্ডৰ দেশ অনবৰতে 'সেয়ে ক'বলৈ হ'লে বৰ্তমানত দৃষ্টি নিবদ্ধ কৰি' অতীত স্মৰণ কৰা এজন মহান নেতাৰ অধীনত এনে এখন যুদ্ধত জড়িত হৈ পৰিছিল যাক হুইগ ঐতিহ্যত মূৰ্ত হৈ উঠা সাংবিধানিক স্বাধীনতাৰ ৰক্ষাৰ্থে যুঁজা যুঁজ বুলি প্ৰায়ে কোৱা হৈছিল। ১৯৪৪ চনত প্ৰকাশিত The Englishman and his History শীৰ্ষক সৰু গ্ৰন্থ এখনত অধ্যাপক বাটাৰফিল্ডে ইতিহাসৰ হুইগ ব্যাখ্যাক 'ইংৰাজৰ' ব্যাখ্যা বুলি সিদ্ধান্ত কৰাই নহয়, বৰং 'তেওঁৰ ইতিহাসৰ সৈতে ইংৰাজলোকৰ মিত্ৰতা' আৰু 'অতীত আৰু বৰ্তমানৰ বিবাহ-বন্ধন' বুলি পৰম উৎসাহেৰে কৈছিল।[10] দৃষ্টিভংগীৰ এই বৈপৰীত্যবোৰলৈ দৃষ্টি আকৰ্ষণ কৰাটো প্ৰতিকূল সমালোচনা নহয়। দ্বিতীয়-বাটাৰফিল্ডৰ (Deutero-Butterfield) হতুৱাই প্ৰথম-বাটাৰফিল্ডক (Proto-Butterfield) খণ্ডন কৰা, অথবা মাতাল অধ্যাপক বাটাৰফিল্ডক অমদ্যপায়ী অধ্যাপক বাটাৰফিল্ডৰ লগত সংঘৰ্ষ লগাই দিয়া মোৰ উদ্দেশ্য নহয়। মই এই সম্পৰ্কে সম্পূৰ্ণকৈ সজাগ যে যদি কোনোবাই মই যুদ্ধখনৰ পূৰ্বে, যুদ্ধৰ সময়ত আৰু যুদ্ধখনৰ পাছত লেখা কিছুমান বস্তু পৰীক্ষা কৰি চোৱাৰ কষ্টকণ কৰে, তেন্তে তেওঁ মই আনৰ ক্ষেত্ৰত ধৰা পেলোৱা জ্বলন্ত বৈপৰীত্য (contradictions) আৰু বিসংগতি (inconsistencies)বোৰৰ দৰেই একেই জ্বলন্ত বৈপৰীত্য আৰু বিসংগতি মোৰ লেখাত ধৰা পেলোৱাটোত তেওঁৰ কোনো কষ্টই নহ'ব। বিগত পঞ্চাশ বছৰৰ পৃথিৱী কঁপোৱা ঘটনাৱলীৰ মাজেদি জীৱন অতিবাহিত কৰাৰ পিছতো যাৰ দৃষ্টিভংগীৰ মৌলিক পৰিবৰ্তন হোৱা নাই বুলি যদি সততাৰে দাবী কৰিব পাৰে, তেনে ঐতিহাসিকক ঈৰ্ষা কৰা উচিত হ'বনে নহয় সেই সম্পৰ্কে মই নিশ্চিত নহওঁ। ঐতিহাসিকসকলৰ কৰ্মই তেওঁ কাম কৰা সমাজখনক কিমান অন্তৰংগভাৱে প্ৰতিবিম্বিত কৰে সেইটো দেখুওৱাটোহে মোৰ উদ্দেশ্য। কেৱল ঘটনাৱলীহে প্ৰৱাহিত হৈ আছে তেনে নহয়। ঐতিহাসিকজন নিজেও প্ৰৱাহিত হৈ আছে। যেতিয়া আপুনি কোনো এক ঐতিহাসিক গ্ৰন্থ অধ্যয়ন কৰিবলৈ লয়, নাম-পৃষ্ঠাত গ্ৰন্থকাৰজনৰ নামটো চাই লোৱাই যথেষ্ট নহয় : প্ৰকাশৰ অথবা লেখাৰ তাৰিখো চাওক,— কেতিয়াবা এইটোহে অধিক বাংময় হৈ পৰে। আপুনি একেখন নদীতে দুবাৰ খোজ পেলাব

নোৱাৰে বুলি কোনো দাৰ্শনিক গৱাকী যদি শুদ্ধই আছিল, একেই কাৰণতে এইটোও বোধহয় সমানেই সত্য যে একেজন ঐতিহাসিকে দুখন গ্ৰন্থ লেখিব নোৱাৰে।

আৰু আমি যদি খন্তেকৰ বাবে ব্যক্তিগত ঐতিহাসিকৰ পৰা যাক ঐতিহাসিক ৰচনাৰ বহল প্ৰৱণতা (trend) বুলি ক'ব পাৰি তালৈ যাওঁ, তেতিয়া ঐতিহাসিকজন কি পৰিমাণে তেওঁৰ সমাজৰ সৃষ্টি সেই কথা পৰিষ্কাৰ হৈ পৰিব। কোনো ব্যতিক্ৰম নথকাকৈ উনৈশ শতিকাৰ বৃটিছ ঐতিহাসিকসকলে ইতিহাসৰ গতিক প্ৰগতিৰ তত্ত্বৰ প্ৰকাশ বুলি গণ্য কৰিছিলঃ লক্ষণীয়ভাৱে দ্ৰুত প্ৰগতিৰ অৱস্থা এটাত সমাজ এখনৰ আদৰ্শক তেওঁলোকে প্ৰকাশ কৰিছিল। যেতিয়ালৈকে ই আমাৰ অনুকূলে যোৱা যেন লাগিছিল, বৃটিছ ঐতিহাসিকৰ বাবে ইতিহাস অৰ্থৰে (meaning) পৰিপূৰ্ণ আছিল; বৰ্তমান ই যেতিয়া আওবাটেৰে মোৰ ল'লে, ইতিহাসৰ অৰ্থ— ধৰ্মদ্ৰোহিতা (heresy) হৈ পৰিল। প্ৰথম বিশ্বযুদ্ধৰ পাছত টয়নবীয়ে ইতিহাসৰ সৰলৰৈখিক দৃষ্টিভংগীক (liner view) বৃত্তাকাৰ (cyclical) তত্ত্বৰে সলাই পেলাবলৈ জোৰদাৰ চেষ্টা চলাইছিল, যিটো এখন ক্ষয়িষ্ণু সমাজৰ বিশিষ্ট ভাবাদৰ্শ আছিল।[11] টয়নবীৰ বিফলতাৰ পাছৰে পৰা বৃটিছ ঐতিহাসিকসকলে বেছিভাগ ক্ষেত্ৰতে তেওঁলোকে হাত দাঙি দি ইতিহাসৰ কোনো সাধাৰণ আৰ্হি (pattern) নাই বুলি ঘোষণা কৰি সন্তুষ্ট থাকিল। এইক্ষেত্ৰত ফিচাৰে (Fisher) কৰা টুলুঙা (banal) মন্তব্য এটাই[12] যোৱা শতিকাত ৰেংকেৰ উপমাটোৰ দৰেই প্ৰায় ব্যাপক জনপ্ৰিয়তা অৰ্জন কৰিছিল। যদি কোনোবাই মোক কয় যে যোৱা ত্ৰিশ বছৰৰ বৃটিছ ঐতিহাসিকসকলে তেওঁলোকৰ গভীৰ ব্যক্তিগত অন্তৰ্মুখিতাৰে আৰু তেওঁলোকৰ চোৰ-চাঙত (garret) উঠি শেহৰাতিলৈকে কাম কৰি এই হৃদয়ৰ পৰিৱৰ্তনত অভিজ্ঞ হৈছে, মই তেনে তথ্যক প্ৰতিবাদ কৰাৰ প্ৰয়োজনীয়তা আছে বুলি নেভাবোঁ। কিন্তু সেইসকলো ব্যক্তিগত চিন্তা-ভাৱনা আৰু উজাগৰী নিশাক (oil-burning) মই এক সামাজিক পৰিঘটনা (phenomenon), ১৯১৪ চনৰ পিছৰে পৰা আমাৰ সমাজৰ চৰিত্ৰ আৰু দৃষ্টিভংগীৰ এটা মৌলিক পৰিৱৰ্তনৰ বহিৰ্প্ৰকাশ আৰু ফচল বুলি গণ্য কৰাটো অব্যাহত ৰাখিম। সমাজ এখনে যি ধৰণৰ ইতিহাস লেখে অথবা লেখিবলৈ বিফল হয়, তাতকৈ সমাজ এখনৰ চৰিত্ৰ সম্পৰ্কে অধিক তাৎপৰ্যপূৰ্ণ নিৰ্দেশিকা আন একোৱেই নাই। ওলন্দাজ ঐতিহাসিক গেইলে (Geyl) তেওঁৰ Nepoleon For and Against শীৰ্ষক ইংৰাজীলৈ অনূদিত কৌতূহলোদ্দীপক (fascinating) মনোগ্ৰাফত দেখুৱাইছে কেনেকৈ উনৈশ শতিকাৰ ফৰাচী ঐতিহাসিকসকলে নেপোলিয়নৰ সম্পৰ্কে দিয়া ধাৰাবাহিক সিদ্ধান্তবোৰে গোটেই শতিকাটো ধৰি ফৰাচী লোকৰ ৰাজনৈতিক জীৱন আৰু চিন্তাৰ পৰিৱৰ্তিত আৰু দ্বন্দ্বময় উদাহৰণ এটা প্ৰতিফলিত কৰিছিল। অন্য মানৱ সত্তাৰ দৰেই ঐতিহাসিকৰ চিন্তা-ভাৱনাও স্থান আৰু কালৰ পৰিবেশে গঢ় দিয়ে।

এই সত্যটোক সম্পূৰ্ণভাৱে চিনাক্ত কৰি লৈয়ো এক্টনে ইতিহাসতেই ইয়াৰ পৰা পলাই থাকিবলৈ বিচাৰিছিল ঃ

> ইতিহাস (তেওঁ লেখিছিল) কেৱল অন্য সময়ৰ অসংগত প্ৰভাৱৰ পৰাই নহয়, বৰং আমাৰ নিজৰ সময়ৰ অসংগত প্ৰভাৱ, পৰিবেশৰ একনায়কত্ব আৰু আমাৰ শ্বাস-প্ৰশ্বাসৰ বায়ুৰ হেঁচাৰ পৰা আমাৰ ত্ৰাণকৰ্তা হ'ব লাগিব।[১৩]

ইতিহাসৰ ভূমিকা সম্পৰ্কে ই এক বৰ বেছি আশাবাদী মূল্যায়ণ। কিন্তু মই বিশ্বাস কৰাৰ প্ৰয়াস কৰিম যে যি ঐতিহাসিকে উচ্চস্বৰে প্ৰতিবাদ কৰে যে তেওঁ এজন গাইগুটীয়া ব্যক্তিহে, সামাজিক ব্যক্তি (social phenomenon) নহয়, তেওঁতকৈ যি ঐতিহাসিক তেওঁৰ নিজৰ পৰিস্থিতি সম্পৰ্কে অত্যন্ত সচেতন, তেওঁ তাৰ উৰ্ধ্বলৈকো আগুৱাবলৈ (transcending) সক্ষম, আৰু তেওঁৰ নিজৰ সমাজৰ, দৃষ্টিভংগীৰ আৰু অন্য সময়ৰ আৰু অন্য দেশৰ বিভিন্নতাসমূহৰ মৌলিক চৰিত্ৰ উপলব্ধি কৰিবলৈকো বেছি সক্ষম। নিজৰ সামাজিক আৰু ঐতিহাসিক পৰিস্থিতিৰ উৰ্ধ্বলৈ উঠিবলৈ মানুহৰ সামৰ্থ্য তেওঁ কিমান মননশীলতাৰে (sensitivity) সৈতে তাৰ লগত তেওঁৰ একাত্মকতাৰ (involvement) পৰিসৰ চিনাক্ত কৰে সেইটোৰ দ্বাৰা নিয়ন্ত্ৰিত (conditioned) যেন লাগে।

মোৰ প্ৰথম বক্তৃতাত মই কৈছিলো ঃ ইতিহাস অধ্যয়নৰ আগেয়ে আপুনি ঐতিহাসিকজনক অধ্যয়ন কৰি লওক। এতিয়া মই সংযোগ কৰিম ঃ ঐতিহাসিকজনক অধ্যয়ন কৰাৰ আগেয়ে তেওঁৰ ঐতিহাসিক আৰু সামাজিক পৰিবেশ অধ্যয়ন কৰি লওক। ব্যক্তিসত্ত্বা হিছাপে ঐতিহাসিকজনো ইতিহাস আৰু সমাজৰে জাতক; এই দ্বৈত-আলোকতে ইতিহাসৰ ছাত্ৰই ঐতিহাসিকজনক মূল্যায়ণ কৰাটো (regard) শিকিব লাগিব।

সদ্যহতে আমাক ঐতিহাসিক গৰাকীক এৰিবলৈ আৰু একেখিনি সমস্যাৰ পোহৰতে মোৰ সমীকৰণটোৰ সিটো দিশ— ইতিহাসৰ তথ্য— বিবেচনা কৰিবলৈ দিয়ক। ঐতিহাসিকৰ অনুসন্ধানৰ উদ্দেশ্য ব্যক্তি-সমষ্টিৰ আচৰণ ব্যৱহাৰ নে সামাজিক শক্তিসমূহৰ কৰ্ম? ইয়াত মই এখন চিনাকি-থলীলৈ (well-trodden ground) আগবাঢ়ো। কিছু বছৰৰ আগেয়ে যেতিয়া ছাৰ ইছায়া বাৰ্লিনে (Sir Isaiah Berlin) Historical Inevitability (ঐতিহাসিক অনিবাৰ্যতা) শীৰ্ষক এখন বুদ্ধিদীপ্ত আৰু জনপ্ৰিয় ৰচনা (essay) প্ৰকাশ কৰিছিল,— যাৰ মূল তত্ত্বটোলৈ মই এই বক্তৃতালানিৰ শেষৰ ফালে ঘূৰি যাম,— তেওঁ মিষ্টাৰ টি. এছ. এলিয়েটৰ (T.S.Eliot) ৰচনাৰ পৰা বাছি-বিচাৰি উলিয়াই 'বিশাল নৈৰ্ব্যক্তিক শক্তিসমষ্টি' খণ্ডবাক্যটো ৰচনাখনৰ শীৰ্ষত জুৰি দিছিল; আৰু গোটেই ৰচনাখনতে তেওঁ ব্যক্তিকে ইতিহাসৰ নিৰ্ণায়ক উপাদান বুলি ভবাসকলক বাদ দি যিসকলে 'বিশাল নৈৰ্ব্যক্তিক শক্তিসমষ্টি'ত বিশ্বাস কৰা সকলক ঠাট্টা-মস্কৰা কৰি (pokes) ৰগৰ কৰিছিল। মই যাক ইতিহাসৰ বেয়া ৰজা জন তত্ত্ব (Bad King John

theory) বুলি ক'ম,— যিটো দৃষ্টিকোণৰ মতে ব্যক্তিৰ চৰিত্ৰ আৰু আচৰণেই ইতিহাসৰ সকলো,—তাৰ এক দীঘলীয়া বংশাৱলী আছে। ব্যক্তিগত প্ৰতিভাক ইতিহাসৰ সৃজনী শক্তি বুলি প্ৰতিপন্ন কৰাৰ বাসনাটো ঐতিহাসিক চেতনাৰ আদিম স্তৰসমূহৰ বৈশিষ্ট্য আছিল। প্ৰাচীন গ্ৰীকসকলে তেওঁলোকৰ অতীতৰ কীৰ্তি-কলাপবোৰত তেওঁলোকে স্ৰষ্টা বুলি ভবা বিভিন্ন প্ৰতিনিধিমূলক বীৰৰ নামৰ লেবেল লগাই দিবলৈ ভাল পাইছিল, তেওঁলোক মহাকাব্যসমূহ হোমাৰ নামৰ চাৰণ কবি এজনৰ নামত আৰু তেওঁলোকৰ আইন-কানুন আৰু অনুষ্ঠানাদি এজন লাইকাৰগাচ (Lycurgus) অথবা এজন চ'লনত (Solon) আৰোপ কৰিছিল। সেই একে প্ৰৱণতা নৱজাগৰণৰ সময়ত পুনৰাবিৰ্ভাৱ হৈছিল যেতিয়া প্ৰাচীন কালৰ বিষয়ে ইতিহাস লেখা ঐতিহাসিকতকৈ ক্লাচিকেল পুনৰুত্থানত জীৱনীকাৰ নীতিজ্ঞ প্লুটাৰ্ক (Plutarch) বহুত বেছি জনপ্ৰিয় আৰু প্ৰভাৱশালী ব্যক্তি আছিল। ক'বলৈ গ'লে, বিশেষকৈ এইখন দেশত আমি সকলোৱে এই তত্ত্বটো আমাৰ মাতৃৰ কোলাতে শিকোঁ; আৰু আজি আমি বোধকৰোঁ মানি লোৱা উচিত হ'ব যে এইটোত কিবা ল'ৰামতীয়া (childish) অথবা অন্ততঃ শিশুসুলভ (child like) চৰিত্ৰ নিহিত আছে। সমাজ যেতিয়া সৰলতৰ আছিল আৰু ৰাজহুৱা কাম-কাজবোৰ এমুঠিমান জনাজাত ব্যক্তিয়ে কৰা যেন লাগিছিল, তেতিয়া ইয়াৰ কিছু বিশ্বাসযোগ্যতা আছিল। আমাৰ সময়ৰ অধিকতৰ জটিল সমাজত ই নিঃসন্দেহে খাপ নাখায়; আৰু ঊনৈশ শতিকাত জন্ম হোৱা সমাজতত্ত্বৰ নতুন বিজ্ঞান এই বৰ্দ্ধিষ্ণু জটিলতাৰে প্ৰতিক্ৰিয়া (response) আছিল। তথাপি পুৰণি ঐতিহ্য বিলুপ্ত নহয়। এই শতিকাটোৰ আৰম্ভণিতে 'মহান লোকৰ জীৱনীয়েই ইতিহাস' বুলি কোৱা আপ্তবাক্যটো এতিয়াও সন্মানীয়। মাত্ৰ দহ বছৰৰ আগেয়ে এজন বিশিষ্ট মাৰ্কিন ঐতিহাসিকে সম্ভৱতঃ বৰ বেছি গুৰুতৰ ধৰণে নহ'লেও তেওঁৰ সতীৰ্থসকলক তেওঁলোকক 'সামাজিক আৰু অৰ্থনৈতিক শক্তিসমূহৰ পুতলা' হিছাপে গণ্য কৰি 'ঐতিহাসিক চৰিত্ৰসমূহক গণহত্যা কৰা হ'ল' বুলি অভিযুক্ত কৰিছিল।[১৪] এই তত্ত্বৰ নিচাসক্ত ভক্তবৃন্দ আজিকালি এই বিষয়ত লাজকুৰীয়া; কিন্তু কিছু অনুসন্ধানৰ পাছত মিচ্ ৱেজউডৰ (Miss Wedgwood) কিতাপৰ পাতনিত মই এক উত্তম সমসাময়িক মন্তব্য বিচাৰি পালো।

> গোষ্ঠী বা শ্ৰেণী হিছাপে তেওঁলোকৰ আচৰণতকৈ (তেওঁ লেখিছে) ব্যক্তি হিছাপে মানুহৰ আচৰণ মোৰ বাবে বেছি আকৰ্ষণীয়। আন যিকোনো প্ৰৱণতাৰ (bias) দৰেই এই প্ৰৱণতাৰেও ইতিহাস লেখিব পাৰি; ই বেছি বিভ্ৰান্তিকৰো নহয়, কমো নহয়......। তেওঁলোকৰ নিজা মূল্যায়ণ মতেই এই মানুহবোৰে কেনেকৈ অনুভৱ কৰে আৰু তেওঁলোকে কৰাৰ দৰে কিয় কৰে, গ্ৰন্থখনত সেইটোকে বুজাৰ চেষ্টা কৰা হৈছে।[১৫]

এই উক্তিটো সুস্পষ্ট (precise); আৰু যিহেতু মিচ্ ৱেজউড এগৰাকী জনপ্ৰিয় লেখিকা, মই নিঃসন্দেহ যে বহু মানুহে তেওঁ ভবাৰ দৰেই ভাবে। উদাহৰণস্বৰূপে ড° ৰাউজে (Dr. Rowse) আমাক জনাইছে যে এলিজাবেথীয়ে ব্যৱস্থাটো (system) ভাগি গৈছিল কাৰণ প্ৰথম জেমচে (James I) সেইটো বুজি পাবলৈ অসমৰ্থ হৈছিল আৰু সোতৰ শতিকাৰ ইংৰাজ বিপ্লবটো প্ৰথম দুজন ষ্টুৱাৰ্ট ৰজাৰ মূৰ্খামিৰ (stupidity) কাৰণে সংঘটিত হোৱা এক 'দুৰ্ঘটনা' আছিল।[১৬] আনকি ড° ৰাউজতকৈ অধিক আত্মসংযমী (austere) ঐতিহাসিক ছাৰ জেমচ্ নীলেও (Sir James Neale) টিউডৰ ৰাজতন্ত্ৰই কি প্ৰতিনিধিত্ব কৰে তাৰ ব্যাখ্যাতকৈ কেতিয়াবা ৰাণী এলিজাবেথৰ প্ৰতি প্ৰশংসা প্ৰকাশ কৰিবলৈ অধিক আগ্ৰহী হোৱা যেন লাগে; আৰু মই অলপ আগতে উদ্ধৃত কৰা ৰচনাখনত ছাৰ ইছায়া বাৰ্লিনে এনে সম্ভাৱনা দেখি ভয়ানকভাৱে উদ্বিগ্ন হৈছিল যে ঐতিহাসিকসকল জেংঘীচ খান আৰু হিটলাৰক বেয়া মানুহ বুলি অভিযুক্ত কৰিবলৈ পাহৰি যাব পাৰে।[১৭] বেয়া ৰজা জন আৰু ভাল ৰাণী বেছ (Good Queen Bess) তত্ত্বটো বিশেষভাৱে প্ৰভাৱশালী (rife) হৈ উঠে যেতিয়া আমি সাম্প্ৰতিক সময়ৰ অধিক ওচৰ চাপোঁ। সাম্যবাদৰ উৎপত্তি আৰু চৰিত্ৰ বিশ্লেষণ কৰাতকৈ সাম্যবাদক কাৰ্ল মাৰ্ক্সৰ মানস-সন্তান বুলি কোৱাটো উজু (মই এই ফুলপাহি অলপ দিনৰ আগৰ ষ্টকব্ৰ'কাৰৰ চাৰকুলাৰ এখনৰ পৰা ছিঙি আনিছো), তাৰ গভীৰ সামাজিক কাৰণসমূহ অধ্যয়ন কৰাতকৈ বলচেভিক বিপ্লৱৰ কাৰণে দ্বিতীয় নিক'লাচৰ মূৰ্খামি বা জাৰ্মান সোণক জগৰীয়া কৰাটো সহজ, আন্তৰ্জাতিক সম্পৰ্কৰ ব্যৱস্থাটোৰ গভীৰতাত থকা বিকলাৱস্থাতকৈ এই শতিকাৰ বিশ্বযুদ্ধ দুখনক দ্বিতীয় উইলিয়াম আৰু হিটলাৰৰ ব্যক্তিগত বজ্জাতি (wickedness) হিছাপে চোৱাটো সহজ।

মিচ ৱেজউডৰ উক্তিটোৱে তেনেহ'লে দুটা প্ৰস্তাৱ একত্ৰিত কৰিছে। প্ৰথমটো হ'ল এয়ে যে গাইগুটীয়া ব্যক্তি হিছাপে মানুহৰ আচৰণ তেওঁলোকৰ গোষ্ঠী বা শ্ৰেণী হিছাপে কৰা আচৰণৰ পৰা পৃথক আৰু ঐতিহাসিকে ন্যায়সংগতভাৱেই যিকোনো এটাৰ বিষয়ে আলোচনা কৰাটো পছন্দ কৰিব পাৰে। দ্বিতীয়টো এয়ে যে মানুহৰ কামৰ সচেতন উদ্দেশ্যৰ অধ্যয়নেই গাইগুটীয়া ব্যক্তি হিছাপে তেওঁলোকৰ আচৰণৰ অধ্যয়ন।

ইতিমধ্যেই মই ইমানখিনি কোৱাৰ পিছত প্ৰথম পইণ্টটো সম্পৰ্কে মই কষ্ট নকৰিলেও হ'ব। এইটো এনে নহয় যে মানুহক তেওঁৰ গোষ্ঠীৰ এজন সদস্য হিছাপে চোৱাতকৈ তেওঁক গাইগুটীয়া ব্যক্তি হিছাপে চোৱাটো বেছি বা কম বিভ্ৰান্তিজনক; দুয়োটাৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিবলৈ যোৱাটোহে বিভ্ৰান্তিকৰ হ'ব। সংজ্ঞা অনুসৰি ব্যক্তি এখন সমাজৰ এজন সদস্য, অথবা সম্ভৱতঃ একাধিক সমাজৰ সদস্য— যাক দল, শ্ৰেণী, গোষ্ঠী, জাতি অথবা আপুনি যি বুলিয়েই কওক লাগিলে, প্ৰথম পৰ্যায়ৰ

জীৱবিজ্ঞানীসকলে চৰাই, পশু আৰু মাছক স্থলা, একোৰিয়াম আৰু খ'-কেচত প্ৰজাতি অনুসৰি শ্ৰেণীবিভাগ কৰি সন্তুষ্ট হৈছিল আৰু জীৱন্ত প্ৰাণীক পৰিবেশৰ পটভূমিত অধ্যয়ন নকৰিছিল। সম্ভৱতঃ সমাজবিজ্ঞানসমূহো আজি সেই আদিম পৰ্যায়ৰ পৰা সম্পূৰ্ণকৈ ওলাই আহিব পৰা নাই। কোনো কোনো মানুহে মনস্তত্ত্বক (psychology) মানুহৰ বিজ্ঞান আৰু সমাজতত্ত্বক (sociology) সমাজৰ বিজ্ঞান বুলি দুয়োটাৰে পাৰ্থক্য নিৰ্ণয় কৰে; আৰু সকলোবোৰ সামাজিক সমস্যাক শেহান্তৰত ব্যক্তিগত মানবীয় আচৰণৰ বিশ্লেষণলৈ পৰ্যবসিত কৰিব পৰা দৃষ্টিকোণটোক 'মনোবিজ্ঞানবাদ' (psychologism) নামেৰে অভিহিত কৰে। কিন্তু ব্যক্তিৰ সামাজিক পৰিবেশ অধ্যয়ন কৰিবলৈ বিফল হোৱা মনস্তত্ত্ববিদজন বেছি দূৰ আগবাঢ়িব নোৱাৰে।[১৮] মানুহক গাইগুটীয়া ব্যক্তি হিচাপে লেখা জীৱনী আৰু মানুহক সামগ্ৰিকৰ (whole) অংশ হিচাপে গণ্য কৰা ইতিহাসৰ মাজত এটা পাৰ্থক্য সৃষ্টি কৰিবলৈ আৰু ভাল জীৱনীয়ে বেয়া ইতিহাস সৃষ্টি কৰে বুলি পৰামৰ্শ দিবলৈ প্ৰলোভিত হোৱা যায়। এক্টনে এসময়ত লেখিছিল যে ব্যক্তি চৰিত্ৰৰ প্ৰতি অনুপ্ৰাণিত আগ্ৰহে ইতিহাসৰ প্ৰতি মানুহৰ দৃষ্টিভংগী যিমান বেছি ভ্ৰান্তি আৰু পক্ষপাতিত্ব (unfairness) সৃষ্টি কৰিছে, আন একোৱেই সিমান কৰা নাই।[১৯] কিন্তু এই পাৰ্থক্যও অবাস্তৱ। জি. এম. ইয়ঙে (G.M.Young) তেওঁৰ 'Victorian England' শীৰ্ষক গ্ৰন্থৰ নাম-পৃষ্ঠাত উল্লেখ কৰা ভিক্টোৰীয় প্ৰবচনটোৰ আঁৰতো মই আশ্ৰয় বিচৰা নাই: 'ভৃত্যইহে মানুহৰ বিষয়ে কথা পাতে, ভদ্ৰলোকে বিষয়ৰহে আলোচনা কৰে।'[২০] কিছুমান জীৱনী ইতিহাসলৈ গুৰুত্বপূৰ্ণ অৱদান: মোৰ নিজৰ অধ্যয়নৰ ক্ষেত্ৰতে আইজাক ডিউটচাৰৰ (Isaac Deutscher) ষ্টেলিন আৰু ট্ৰট্স্কিৰ জীৱনী দুখন অসাধাৰণ উদাহৰণ। ঐতিহাসিক উপন্যাসৰ দৰেই বাকীবোৰ সাহিত্যৰ অন্তৰ্ভুক্ত। অধ্যাপক ট্ৰেভৰ ৰোপৰে (Trevor Roper) লেখিছে যে "লিটন ষ্ট্ৰেচীৰ বাবে ঐতিহাসিক সমস্যাবোৰ সদায়েই আৰু একমাত্ৰ ব্যক্তিগত আচৰণ আৰু ব্যক্তিগত চেৰাবলিয়ালিৰ (eccentricity) সমস্যাহে। ঐতিহাসিক সমস্যা, ৰাজনীতি আৰু সমাজৰ সমস্যাৰ তেওঁ কেতিয়াও উত্তৰ বিচৰা নাছিল অথবা তেওঁ সেইবোৰ প্ৰশ্নই উত্থাপন কৰা নাছিল।'[২১] ইতিহাস লেখিবলৈ বা পঢ়িবলৈ কোনোৱেই বাধ্য নহয়; আৰু অতীতৰ বিষয়ে অতি উত্তম গ্ৰন্থ লেখিব পাৰি, যিবোৰ কেতিয়াও ইতিহাস নহয়। কিন্তু এই বক্তৃতামালাত মই কৰিবলৈ ভবাৰ দৰে মই ভাবো যে পৰম্পৰাগতভাৱেই সমাজত মানুহৰ অতীত সম্পৰ্কে অনুসন্ধান কৰাৰ প্ৰক্ৰিয়াটোৰ বাবে 'ইতিহাস' শব্দটো সংৰক্ষণ কৰি ৰাখিবলৈ আমাৰ অধিকাৰ আছে।

দ্বিতীয় পইণ্টটো, অৰ্থাৎ ব্যক্তিয়ে কিয় 'তেওঁলোকৰ নিজা মূল্যায়ণ মতেই, তেওঁলোকে কৰাৰ দৰে কিয় কৰে?' এই সম্পৰ্কে অনুসন্ধান কৰাই ইতিহাসৰ কাম বুলি

কোৱা কথাষাৰ প্ৰথম দৃষ্টিতে চূড়ান্তভাৱে আচহুৱা (odd); আৰু মোৰ সন্দেহ হয় যে অন্য সংবেদনশীল লোকৰ দৰেই মিচ বেজউডেও যি কয়, সেইটো নকৰে। যদিহে তেওঁ কৰে, তেতিয়াহ'লে তেওঁ কিবা এক অদ্ভুত (queer) ইতিহাস লেখিব লাগিব। আজি প্ৰত্যেকেই জানে যে মানুহ প্ৰজাতিটোৱে সদায় বা সম্ভৱতঃ আনকি অভ্যাসজনিতভাৱেও যিবোৰ সম্পৰ্কে তেওঁলোক সম্পূৰ্ণভাৱে সচেতন বা যিবোৰক তেওঁলোকে সত্য বুলি ঘোষণা কৰে (avow), তেনে উদ্দেশ্যাৱে কাম নকৰে; আৰু অবচেতন বা অঘোষিত উদ্দেশ্যবোৰৰ পৰা অন্তৰ্দৃষ্টি বাদ দিয়াটো নিশ্চয়কৈ এটা চকু ইচ্ছাকৃতভাৱে বন্ধ কৰি লৈ নিজৰ কামত আগবঢ়াৰ দৰে হ'ব। অৱশ্যে কোনো কোনো মানুহৰ মতে ঐতিহাসিকে সেইটোৱেই কৰা উচিত। পইণ্টটো এইটোৱেই। যেতিয়ালৈকে আপুনি এইটো কৈ সন্তুষ্টি লাভ কৰে যে ৰজা জনৰ (King John) বেয়াখিনি (badness) তেওঁৰ খঁক বা মূৰ্খামি বা স্বেচ্ছাচাৰী হোৱাৰ আকাঙ্ক্ষাক লৈয়ে সৃষ্টি, তেন্তে আপুনি ব্যক্তিগত গুণাগুণৰ পৰিভাষাত কথা কৈছে যিটো আনকি নাৰ্চাৰী পৰ্যায়ৰ বুৰঞ্জীতো বোধগম্য হ'ব। কিন্তু আপুনি যদি এবাৰ ক'বলৈ আৰম্ভ কৰে যে ৰজা জন সামন্তবাদী বেৰণসকলক ক্ষমতাৰোহণৰ পৰা বাধা দিয়া ন্যস্ত স্বাৰ্থৰ অসচেতন হাতিয়াৰ আছিল, তেন্তে আপুনি ৰজা জনৰ বেয়াখিনিৰ কাৰণে কেৱল এটা অধিক জটিল আৰু কৃত্ৰিম (sophisticated) দৃষ্টিভংগীৰেইযে সূচনা কৰিছে তেনে নহয়, বৰং ঐতিহাসিক ঘটনাসমূহ ব্যক্তিৰ সচেতন কৰ্মৰ দ্বাৰা নিৰ্ধাৰিত হোৱাৰ পৰিবৰ্তে কিছুমান বাহ্যিক আৰু সৰ্বশক্তিমান শক্তিয়েহে তেওঁলোকৰ অসচেতন আকাঙ্ক্ষাক নিয়ন্ত্ৰণ কৰে বুলি পৰামৰ্শ দিয়াৰ দৰে হ'ব। এইটো অৱশ্যে অৰ্থহীন কথা। মোৰ নিজৰ কথা ক'বলৈ হ'লে ঐশ্বৰিক কৰ্তৃত্ব (divine providence), বিশ্বাত্মা (world spirit), স্বপ্ৰকাশিত দৈৱ (manifest destiny), এটা কেপিটেল H আখৰেৰে আৰম্ভ কৰা History অথবা কেতিয়াবা ঘটনা-প্ৰৱাহক নিয়ন্ত্ৰিত কৰা বুলি ভবা যিকোনো ধৰণৰ বিমূৰ্ততাত (abstractions) মোৰ কোনো বিশ্বাস নাই; আৰু মই চৰ্তহীনভাৱে মাৰ্ক্সৰ এই মন্তব্যটো সমৰ্থন কৰোঁ ঃ

> '*ইতিহাসে* একোৱেই নকৰে, ই কোনো অতুল সম্পদশালীও নহয়, কোনো যুদ্ধও নকৰে। *মানুহে,* প্ৰকৃত জীৱন্ত *মানুহেহে* সকলো কৰে, ধাৰণ কৰে আৰু যুঁজে।'[২২]

এই প্ৰশ্নটোৰ সন্দৰ্ভত মই যি দুটা মন্তব্য কৰিব লাগিব, সেই দুটাৰ এটাৰো ইতিহাসৰ বিমূৰ্ত তত্ত্বৰ লগত একো সম্পৰ্ক নাই আৰু সেয়া সম্পূৰ্ণভাৱে অভিজ্ঞতাবাদী পৰ্যবেক্ষণৰ ওপৰত নিৰ্ভৰশীল।

প্ৰথমটো এয়ে যে ইতিহাস বহুত ক্ষেত্ৰত সংখ্যাৰ ওপৰত নিৰ্ভৰশীল এটা বিষয়। 'মহৎ লোকৰ জীৱনীয়েই ইতিহাস' বুলি কৰা দুৰ্ভাগ্যজনক দাবীটোৰ বাবে কাৰ্লাইলেই

(Carlyle) দায়ী। কিন্তু তেওঁৰ আটাইতকৈ বাংময় আৰু আটাইতকৈ মহত্তম ঐতিহাসিক ৰচনাত কি কৈছে শুনকচোন :

'পঁচিশ নিযুত হৃদয়ৰ ওপৰত নির্মমভাৱে পৰা ক্ষুধা আৰু নগ্নতা আৰু বৈধ কৰি তোলা নিপীড়ন (righteous oppression) : গ্রাম্য আভিজাত শ্রেণী, চহকী ব্যবসায়ী আৰু দার্শনিক প্রবক্তাৰ বিতর্কিত দর্শন অথবা আহত অহমিকা নহয়, এয়াহে আছিল ফৰাচী বিপ্লৱৰ প্রধান চালিকা-শক্তি; এনে ঘটিলে তেনে ধৰণৰ সকলোবোৰ বিপ্লৱতে, সকলোবোৰ দেশতে একেই ঘটিব।'[২৩]

অথবা লেনিনে কোৱাৰ দৰে 'য'তেই বৃহৎসংখ্যক জনসাধাৰণ (masses) থাকে, ৰাজনীতি তাতেইহে আৰম্ভ হয়, য'ত হাজাৰ হাজাৰ থাকে তাত নহয়, য'ত নিযুত নিযুত থাকে, তাতেইহে চিৰিয়াছ ৰাজনীতিৰ আৰম্ভণি হয়।"[২৪] কার্লাইল আৰু লেনিনৰ 'নিযুতবোৰ' নিযুত নিযুত ব্যক্তি আছিল : তেওঁলোকৰ কোনোবেই নৈর্ব্যক্তিক নাছিল। এইটো প্রশ্নৰ আলোচনাত কেতিয়াবা অজ্ঞাতনামিতাকে (anonymity) নৈর্ব্যক্তিক বুলি বিভ্রান্ত হোৱা দেখা যায়। আমি নামবোৰ নজনাৰ কাৰণেই মানুহ হিচাপে মানুহৰ অথবা ব্যক্তি হিছাপে ব্যক্তিৰ পৰিচয় নোহোৱা হৈ নাযায়। মিঃ এলিয়টৰ 'বিশাল নৈর্ব্যক্তিক ব্যক্তিসমষ্টি' প্রকৃততে ব্যক্তিয়েই, যাক সাহসী আৰু ভলভলীয়া (franker) সংৰক্ষণশীল ক্লেৰেন্ডনে (Clarendon) 'নামহীন মলিয়ন মানুহ'[২৫] বুলি অভিহিত কৰিছিল। এই নামহীন নিযুত নিযুত ব্যক্তিয়েই কম-বেছি পৰিমাণে অসচেতনভাৱেই একত্রিত হয় আৰু এক সামাজিক শক্তিত পৰিণত হয়। ঐতিহাসিকে সাধাৰণ পৰিস্থিতিত এজন অসন্তুষ্ট কৃষক অথবা এখন অসন্তুষ্ট গাঁৱক স্বীকৃতি দিয়াটো প্রয়োজন নকৰে। কিন্তু হাজাৰ হাজাৰ গাঁৱৰ নিযুত নিযুত অসন্তুষ্ট কৃষকসকল এটা উপাদান যিটোক কোনো ঐতিহাসিকেই আওকাণ নকৰিব। যিবোৰ কাৰণে জোনচ্‌ক (Jones) বিয়া কৰোৱাত বাধা দিলে, সেইবোৰে ঐতিহাসিকক আগ্রহান্বিত নকৰে যেতিয়ালৈকে একেখিনি কাৰণেই জোনচৰ প্রজন্মৰ বহু হাজাৰ ব্যক্তিক বিয়া কৰোৱাৰ পৰা বাৰণ নকৰে আৰু বিবাহৰ সংখ্যা হ্রাস কৰে : তেনেক্ষেত্রত সেইবোৰ ঘটনা ঐতিহাসিকভাৱে গুৰুত্বপূর্ণ হৈ পৰিব পাৰে। সংখ্যালঘুসকলেই আন্দোলন আৰম্ভ কৰে বোলা সচৰাচৰ কথিত কথাষাৰত (platitude) আমি উদ্বিগ্ন হোৱাটো নিষ্প্রয়োজন। সকলোবোৰ স্মৰণীয় (effective) আন্দোলনতেই মুষ্টিমেয় নেতা আৰু অগণন জনতা থাকে; কিন্তু এইটোৱে এনে নুবুজায় যে কৃতকার্যৰ বাবে অগণন জনতা নিষ্প্রয়োজন। ইতিহাসত সংখ্যা সদায়েই ধর্তব্য।

মোৰ দ্বিতীয় পর্যবেক্ষণটো অধিকতৰভাৱে স্বীকৃত। বিভিন্ন চিন্তাদর্শৰ লেখকসকল এই মন্তব্যৰ লগত একমত যে ব্যক্তিগত মানৱ সত্তাৰ কর্মবোৰৰ প্রায়ে এনে পৰিণাম হয় যিবোৰ কর্তাসকলৰ (actors) অথবা বাস্তৱিকতে আন ব্যক্তিৰো অভিপ্রেত (intended) অথবা আকাংক্ষিত (desired) নাছিল। খ্রীষ্টানে বিশ্বাস কৰে যে তেওঁৰ

প্ৰায়ে নিজৰ স্বাৰ্থপৰ উদ্দেশ্যৰে সচেতনভাৱে কৰা কামবোৰৰ ক্ষেত্ৰতো ব্যক্তি ঈশ্বৰৰ উদ্দেশ্যৰ অসচেতন প্ৰতিভূ। মেণ্ডেভিলৰ (Mandeville) 'ব্যক্তিগত দুষ্কাৰ্য— ৰাজহুৱা কল্যাণ' এনে আৱিষ্কাৰৰ এটা পুৰণি আৰু স্বেচ্ছাকৃতভাৱে কৰা পেৰাডক্সিকেল উক্তি আছিল। যদিয়ো মানুহে নিজৰ ব্যক্তিগত আকাঙ্ক্ষা চৰিতাৰ্থ হোৱা বুলি নিজেই বিশ্বাস কৰিবলৈ লয়, যিয়ে ব্যক্তিক তেওঁৰ উদ্দেশ্য সিদ্ধিৰ কাৰণে কাম কৰিবলৈ উদগায়, সেই আদাম স্মিথৰ অদৃশ্য হাত (hidden hand) আৰু হেগেলৰ (Hegel) 'যুক্তিৰ ধূৰ্তালি' (cunning of reason) ইমানেই পৰিচিত যে উদ্ধৃতিৰ প্ৰয়োজনেই নাই। মাৰ্ক্সে তেওঁৰ Critique of Political Economy গ্ৰন্থৰ পাতনিত লেখিছিল যে 'উৎপাদনৰ উপায়েৰে সামাজিক উৎপাদনত মানুহ তেওঁলোকৰ ইচ্ছাৰ পৰা স্বতন্ত্ৰ নিৰ্দিষ্ট আৰু প্ৰয়োজনীয় সম্পৰ্কত প্ৰৱেশ কৰে।' আদাম স্মিথৰ বক্তব্যৰ প্ৰতিধ্বনি তুলি War and Peaceত টলষ্টয়ে লেখিছিল যে 'মানুহ সচেতনভাৱে তেওঁৰ বাবে জীয়াই থাকে, কিন্তু মানৱতাৰ সাৰ্বিক ঐতিহাসিক উদ্দেশ্য সাধনৰ ক্ষেত্ৰত তেওঁ এক, অসচেতন হাতিয়াৰ মাত্ৰ।'[২৬] আৰু ইতিমধ্যে যথেষ্ট দীঘল হৈ পৰা এই সংকলনটো (anthology) সম্পূৰ্ণ কৰিবলৈ এয়া অধ্যাপক বাটাৰফিল্ড ঃ ঐতিহাসিক ঘটনাৱলীৰ চৰিত্ৰতে এনে কিবা কিছুমান আছে যিয়ে ইতিহাসৰ গতিধাৰাক এনে এটা দিশলৈ এনে এক মোৰ (twist) দিয়ে যিটো কাৰোৰেই কাম্য নাছিল।'[২৭] এশ বছৰৰ সৰু সুৰা স্থানীয় যুঁজ-বাগৰবোৰৰ পাছত ১৯১৪ চনৰে পৰা আমি দুখন ডাঙৰ বিশ্বযুদ্ধ পালো। এইটো বিষয়ৰ এনে এক গ্ৰহণযোগ্য ব্যাখ্যা হ'ব নোৱাৰে যে উনৈশ শতিকাৰ শেষৰ তিনি-চতুৰ্থাংশ কালছোৱাতকৈ কুৰি শতিকাৰ প্ৰথমাৰ্ধত বেছি সংখ্যক মানুহে যুদ্ধ বিচাৰিছিল বা তেনেই কম সংখ্যক মানুহেহে শান্তি কামনা কৰিছিল। এইটো বিশ্বাস কৰিবলৈ টান যে কোনোবা ব্যক্তিয়ে ১৯৩০ চনৰ বৃহৎ অৰ্থনৈতিক মন্দাৱস্থাক (economic depression) পছন্দ (willed) বা আকাঙ্ক্ষা (desired) কৰিছিল। তৎসত্ত্বেও নিঃসন্দেহে প্ৰত্যেকেই সচেতনভাৱে একেবাৰে সুকীয়া সুকীয়া উদ্দেশ্যৰে অনুসৰণ কৰা কাৰ্যকলাপেই ইয়াক সংঘটিত কৰিছিল। ব্যক্তিৰ উদ্দেশ্য আৰু তেওঁৰ কৰ্মৰ পৰিণামৰ মাজত হোৱা বৈষম্যৰ কাৰণ নিৰ্ণয় কৰিবলৈ পশ্চাৎদৰ্শী (retrospective) ঐতিহাসিক এজনৰ বাবে অপেক্ষা কৰাৰ কোনো প্ৰয়োজন নাই। ১৯১৭ চনৰ মাৰ্চত উড্ৰ উইল্‌চনৰ (Woodrow Wilson) বিষয়ে লজে (Henry Cabot Lodge:1850-1924) লেখিছিল যে 'তেওঁ যুদ্ধত জড়িত হ'বলৈ নিবিচাৰে, কিন্তু মই ভাবোঁ যে ঘটনা-প্ৰবাহে তেওঁক উটুৱাই লৈ যাব।'[২৮] 'মানুহৰ উদ্দেশ্যৰ পৰিভাষাৰ ব্যাখ্যা'ৰ[২৯] অথবা কৰ্তাসকলে (actors) তেওঁলোকৰ অভিপ্ৰায় সম্পৰ্কে নিজে দিয়া বৰ্ণনাৰ 'তেওঁলোকৰ নিজা মূল্যায়ণ মতেই তেওঁলোকে কৰাৰ দৰে কিয় কৰে'ৰ ভিত্তিত ইতিহাস ৰচনা কৰিব পাৰে বুলি কোৱা সকলো সাক্ষ্যকে

ই নস্যাৎ কৰাৰ পৰামৰ্শ দিয়ে। ইতিহাসৰ তথ্য প্ৰকৃততে মানুহৰ সম্পৰ্কে তথ্য, কিন্তু মানুহে অকল্পনীয়াকৈ কৰা কামৰ নহয় আৰু বাস্তৱেই হওক বা কল্পিতই হওক, যি অভিপ্ৰায়েৰে মানুহে নিজে কাম কৰিছে বুলি ধৰি লয় সেইবোৰ কামবো নহয়। এই তথ্যবোৰ হ'ল সমাজত এজনৰ লগত আনজন ব্যক্তিৰ পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে আৰু ব্যক্তিয়ে তেওঁলোকৰ কাৰ্যকলাপৰ যি পৰিণতি বাঞ্ছা কৰে প্ৰায় তাৰ পৰা সুকীয়া আৰু কেতিয়াবা একেবাৰে বিপৰীত পৰিণাম সৃষ্টি কৰা সামাজিক শক্তিসমূহৰ সম্পৰ্কৰ তথ্য।

মোৰ শেহৰ বক্তৃতাটোত আলোচনা কৰা কলিংউডৰ ইতিহাসৰ দৃষ্টিভংগীৰ এটা গুৰুতৰ ভ্ৰান্তি এয়ে আছিল যে ঐতিহাসিকে অনুসন্ধান কৰিবলৈ লোৱা কৰ্মৰ পশ্চাতত থকা চিন্তাধাৰা ব্যক্তিগত কৰ্তাৰ চিন্তাধাৰা। এইটো এটা ভুল ধাৰণা। সেই কৰ্মৰ পশ্চাতত কি আছিল সেইটোৱেই ঐতিহাসিক গৰাকীয়ে কৰিবলগীয়া অনুসন্ধান; আৰু এইক্ষেত্ৰত ব্যক্তিগত কৰ্তাজনৰ সচেতন চিন্তা অথবা সচেতন উদ্দেশ্য সম্পূৰ্ণ অপ্ৰাসংগিক।

এইখিনিতে মই ইতিহাসত বিদ্ৰোহী অথবা বিসম্বাদী (dissident) লোকৰ ভূমিকাৰ বিষয়ে অলপ কোৱা উচিত বুলি ভাবোঁ। সমাজৰ বিৰুদ্ধে বিদ্ৰোহত ব্যক্তিৰ ছবিখন হাজিৰ কৰালে ব্যক্তি আৰু সমাজৰ মাজত ভুৱা বিৰোধিতাক (antithesis) পুনৰ প্ৰৱৰ্তন কৰিব লাগিব। কোনো সমাজেই সম্পূৰ্ণভাৱে একেআগী (homogeneous) নহয়। প্ৰতিখন সমাজেই সামাজিক সংঘাতৰ (conflicts) যুদ্ধভূমি আৰু যিসকল ব্যক্তি প্ৰতিষ্ঠিত কৰ্তৃত্বৰ বিৰুদ্ধে থিয় দিয়ে তেওঁলোকো প্ৰতিষ্ঠিত কৰ্তৃত্বৰ সমৰ্থকসকলতকৈ কোনোগুণেই সেইখন সমাজৰে কম সৃষ্টি আৰু প্ৰতিফলন নহয়। দ্বিতীয় ৰিচাৰ্ড (Richard II) আৰু মহান কেথেৰাইনে (Catherine the Great) চতুৰ্দশ শতিকাৰ ইংলেণ্ড আৰু অষ্টাদশ শতিকাৰ ৰাচিয়াৰ শক্তিশালী সামাজিক শক্তিক প্ৰতিনিধিত্ব কৰিছিল ঃ কিন্তু একে সমানেই প্ৰতিনিধিত্ব কৰিছিল মহান ভূমিদাস (serf) বিদ্ৰোহৰ নেতা ৱাট টাইলাৰ (Wat Tyler) আৰু পুগাচেভে (Pugachev)। ৰজা আৰু বিদ্ৰোহী একেদৰেই তেওঁলোকৰ সময় আৰু দেশৰ বিশেষ পৰিস্থিতিৰ সৃষ্টি। ৱাট টাইলাৰ আৰু পুগাচেভক সমাজৰ বিৰুদ্ধে বিদ্ৰোহত নমা ব্যক্তি বুলি বৰ্ণনা কৰাটো এক বিভ্ৰান্তিকৰ সৰলীকৰণ হ'ব। তেওঁলোক কেৱল তেনেকুৱা ব্যক্তি হোৱাহেঁতেন ঐতিহাসিকে কেতিয়াও তেওঁলোকৰ নামেই নুশুনিলেহেঁতেন। তেওঁলোকৰ অনুগামীৰ ব্যাপকতাই ইতিহাসত তেওঁলোকৰ ভূমিকা নিৰ্ণয় কৰে আৰু সামাজিক ঘটনা হিছাপে তাৎপৰ্যপূৰ্ণ হৈ পৰে অথবা একেবাৰেই নোহোৱাৰ দৰেই হ'লহেঁতেন। অথবা আমি এক অতি সূক্ষ্মৰুচিসম্মত (sophisticated) স্তৰৰ এজন অতি বিখ্যাত বিদ্ৰোহী আৰু ব্যক্তিবাদী মানুহৰ কথা লওঁ। নীৎসেই (Nietzsche) যিমান বেছি প্ৰচণ্ডতাৰে (violently) আৰু যিমান বেছি উগ্ৰতাৰে

(radically) তেওঁৰ সময় আৰু দেশৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া কৰিছিল, খুব কম মানুহেইহে কৰে। তথাপি নীৎসে ইউৰোপীয় সমাজৰ আৰু বিশেষকৈ জাৰ্মান সমাজৰ প্ৰত্যক্ষ সৃষ্টি আছিল, — যিটো ঘটনা (phenomenon) চীন বা পেৰুত সংঘটিত হ'ব নোবাৰিলেহেঁতেন। নীৎসেৰ সমসাময়িক সকলতকৈ তেওঁৰ মৃত্যুৰ এক পুৰুষৰ পাছত এইটো বেছি স্পষ্টতৰ হৈছিল যে ইউৰোপীয় আৰু বিশেষকৈ জাৰ্মান সামাজিক শক্তিসমূহ কিমান শক্তিশালী হৈ উঠিছিল, যিটো সেইজন ব্যক্তিত প্ৰতিভাত হৈ উঠিছিল আৰু তেওঁৰ নিজৰ প্ৰজন্মতকৈয়ো উত্তৰপুৰুষৰ বাবে নীৎসে অধিক তাৎপৰ্যপূৰ্ণ হৈ পৰিছিল।

ইতিহাসত বিদ্ৰোহীৰ ভূমিকাতো মহৎ লোকৰ ভূমিকাৰ কিছু সাদৃশ্য আছে। এতিয়াও কেতিয়াবা তাৰ কুৎসিৎ মূৰটো দাঙি থিয় হোৱা ইতিহাসৰ মহান ব্যক্তিৰ তত্ত্বটো— বিশেষকৈ ভাল ৰাণী বেছ গোষ্ঠীৰ উদাহৰণটো বিগত বছৰবোৰত অপ্ৰচলিত হৈ পৰিল। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত আৰম্ভ কৰা জনপ্ৰিয় ইতিহাসৰ পাঠ্যপুথিৰ চিৰিজ এটাৰ সম্পাদকে তেওঁৰ গ্ৰন্থকাৰ সকলক 'এগৰাকী মহৎলোকৰ জীৱনী একোখনেৰে একোটা গুৰুত্বপূৰ্ণ ঐতিহাসিক বিষয়বস্তু (theme) উপস্থাপন কৰিবলৈ' আহ্বান জনাইছিল; আৰু এ. জে. পি. টেইলৰে (A.J.P. Taylor) তেওঁৰ চমু ৰচনাসমূহৰে এখনত আমাক জনাইছিল যে 'আধুনিক ইউৰোপৰ ইতিহাস নেপোলিয়ন, বিচমাৰ্ক আৰু লেনিন— এই তিনিগৰাকী মহামানৱৰ (titans) জীৱনীৰ আলমত লেখিব পাৰি',[৩০] যদিয়ো তেওঁৰ অধিক গুৰুত্বপূৰ্ণ ৰচনাত তেওঁ তেনে দুঃসাহসিক প্ৰকল্প গ্ৰহণ নকৰিলে। ইতিহাসত মহান লোকৰ ভূমিকা কি? মহান লোকজনো এজন ব্যক্তি আৰু এজন অসাধাৰণ (outstanding) ব্যক্তি হিছাপে অসাধাৰণ গুৰুত্বৰ এটা সামাজিক ঘটনাও। গিবনে লক্ষ্য কৰিছিল যে 'এইটো এটা নিশ্চিত (obvious) সত্য যে বিস্ময়কৰ (extraordinary) চৰিত্ৰসমূহৰ বাবে সময়ো অনুকূল হ'ব লাগিব আৰু ক্ৰমৱেল (Cromwell) অথবা ৰেট্‌জৰ (Retz) প্ৰতিভা বৰ্তমান বিস্মৃতিত লীন হৈ যাব পাৰিলেহেঁতেন।'[৩১] মাৰ্ক্সে তেওঁৰ The Eighteenth Brumaire of Louis Bonaparte (লুই বোনাপাৰ্টৰ অষ্টাদশ ব্ৰুমেইৰ) গ্ৰন্থত ইয়াৰ বিপৰীত লক্ষণহে নিৰ্ণয় কৰিছিল : 'ফ্ৰান্সত শ্ৰেণী যুদ্ধই এনে পৰিস্থিতি আৰু সম্পৰ্কৰ সৃষ্টি কৰিছিল য'ত এক নিতান্তই মজলীয়া থাপৰ মানুহে বীৰৰ বেশৰ পেখম ধৰিব পাৰিছিল।' বিচমাৰ্ক যদি অষ্টাদশ শতিকাত জন্ম গ্ৰহণ কৰিলেহেঁতেন,— এক উদ্ভুট কল্পনা, কিয়নো তেতিয়া তেওঁ বিচমাৰ্কেই নহ'লহেঁতেন,— তেওঁ জাৰ্মানীক একত্ৰিত কৰিবলৈ নেপালেহেঁতেন আৰু বোধকৰোঁ মুঠেই মহান লোক হ'ব নোবাৰিলেহেঁতেন। কিন্তু মই ভাবোঁ যে টলষ্টয়ে কৰাৰ দৰে মহান লোকসকলক 'ঘটনাক নামকৰণ কৰা লেবেল' বুলি আমি অবমূল্যায়ণ (decry) কৰাও প্ৰয়োজন নাই। কেতিয়াবা অৱশ্যে মহান লোক তত্ত্বটোৰ অশুভ তাৎপৰ্যও থাকিব পাৰে। নীৎসেৰ

অতিমানব (superman) এক ঘৃণিত (repellent) চৰিত্ৰ। হিটলাৰৰ বিষয়টো অথবা চোভিয়েট ইউনিয়নৰ 'ব্যক্তিত্বৰ তত্ত্ব'ৰ নিৰ্দয় পৰিণামবোৰৰ কথা মনত পেলোৱাৰ প্ৰয়োজনীয়তা মই অনুভব কৰা নাই। কিন্তু মহান লোকৰ মহানতাৰ অৱমূল্যায়ণ কৰাও মোৰ উদ্দেশ্য নহয় ঃ নতুবা— মই এই তত্ত্বটোলৈকো সমৰ্থন আগবঢ়াওঁ যে 'মহৎ লোকসকল প্ৰায় সদায়েই অসৎ মানুহ।' ইতিহাসৰ বাস্তৱ ধাৰাবাহিকতাত প্ৰতিবন্ধকতা সৃষ্টি কৰিবলৈ বাকচৰ পৰা অজ্ঞাতৰ পৰা অলৌকিকভাৱে উলিয়াই অনা পুতলাৰ দৰে মহৎ লোকসকলক ইতিহাসৰ বাহিৰত স্থাপন কৰি তেওঁলোকৰ মহত্ত্বৰ গুণত তেওঁলোক ইতিহাসত প্ৰতিষ্ঠিত হোৱাটো চাবলৈ বিচৰা দৃষ্টিভংগীটোকহে মই নিৰুৎসাহ কৰিব বিচাৰোঁ।[৩২] হেগেলৰ ধ্ৰুপদী বৰ্ণনাতকৈ ভাল বৰ্ণনা আমি কৰিব পাৰিম বুলি মই আজিও নেভাবোঁ ঃ

> 'এটা সময় বা যুগৰ মহৎ ব্যক্তি সেইজনেই যি সেই যুগৰ ইচ্ছা বা অভীপ্সাক (will) শব্দৰে বাংময় কৰি তুলিব পাৰে, তেওঁৰ যুগক সময়ৰ এষণা কি তাক ক'ব পাৰে আৰু তাক প্ৰতিপন্ন কৰি দেখুৱাবও পাৰে। তেওঁ যি কৰে সেয়াই তেওঁৰ যুগৰ প্ৰাণ (heart) আৰু সত্তা (essence); তেওঁ তেওঁৰ যুগক বাস্তৱত ৰূপ দিয়ে (actualises)।'[৩৩]

ড° লিবিছেও (Dr. Leavis) যেতিয়া কৈছিল যে মহৎ লেখকসকল 'তেওঁলোকে পৃষ্ঠপোষকতা কৰা মানৱীয় উপলব্ধিৰ কাৰণেই তাৎপৰ্যপূৰ্ণ', তেৰোঁ তেনে কিবা এটাকে বুজাইছিল।[৩৪] মহান ব্যক্তিসকল হয় সদায়েই প্ৰতিষ্ঠিত শক্তিসমূহৰ প্ৰতিনিধি, নহয় শাসনাধিষ্ঠিত কতৃৰ্ত্বক প্ৰত্যাহ্বান জনাবলৈ যিবোৰ শক্তিৰ প্ৰয়োজন, সেই শক্তিসমূহক সৃষ্টি কৰিবলৈ তেওঁ সহায় আগবঢ়াই তাৰ প্ৰতিনিধিত্ব কৰে। কিন্তু তুলনামূলকভাৱে নেপোলিয়ন বা বিচমাৰ্কৰ দৰে ইতিমধ্যেই সৃষ্ট শক্তিৰ বোকোচাত উঠি মহানতালৈ উঠা সকলতকৈ ক্ৰমৱেল বা লেনিনৰ দৰে মহানতালৈ কঢ়িয়াই লৈ যোৱা শক্তিসমূহক গঢ় দিয়াত সহায় কৰা মহান ব্যক্তিসকলৰ ক্ষেত্ৰত বোধকৰোঁ উচ্চতৰ সৃজনী-প্ৰতিভা আৰোপ কৰিব পাৰি। আমি সেইসকল মহান ব্যক্তিকো পাহৰা অনুচিত, যিসকলৰ চিন্তা সমসাময়িক যুগতকৈ ইমান আগবাঢ়ি যায় যে তেওঁলোকৰ মহানতা পৰৱৰ্তী পুৰুষতহে স্বীকৃত হয়। যিয়ে জগতৰ ৰূপৰ (shape) আৰু মানুহৰ চিন্তাৰ পৰিবৰ্তন সাধে, মহান ব্যক্তিসকল সেই ঐতিহাসিক প্ৰক্ৰিয়াটোৰ একেধাৰে জাতক আৰু কাৰক (a product and an agent) আৰু আনহাতে, সামাজিক শক্তিসমূহৰ একেধাৰে প্ৰতিনিধি আৰু জনক (representative and the creator)। ঐতিহাসিকে কৰা অনুসন্ধান আৰু তেওঁ অনুসন্ধান কৰা অতীতৰ তথ্য— এই দুয়োটা অৰ্থতে ইতিহাস এক সামাজিক প্ৰক্ৰিয়া য'ত ব্যক্তিক সামাজিক সত্তা হিছাপে প্ৰয়োগ কৰা হয়; আৰু সমাজ আৰু ব্যক্তিৰ মাজৰ যি কল্পিত বিৰোধ (imaginary antithesis), সেয়া মাজ পথত আমাৰ চিন্তাক বিভ্ৰান্ত

কৰা অলীক তত্ত্বৰ (red-herring) বাহিৰে আন একো নহয়। যিটোক মই অতীত আৰু বৰ্তমানৰ মাজৰ সংলাপ বুলি কৈছিলো, সেই ঐতিহাসিক আৰু তেওঁৰ তথ্যৰ মাজত কথোপকথনৰ পাৰস্পৰিক প্ৰক্ৰিয়াটো বিমূৰ্ত আৰু বিচ্ছিন্ন ব্যক্তিৰ মাজৰ সংলাপ নহয়, বৰং বৰ্তমানৰ সমাজ আৰু অতীতৰ সমাজৰ মাজৰ সংলাপহে। বাৰ্কহাৰ্টৰ ভাষাত 'ইতিহাস হৈছে এটা যুগে আন এটা যুগৰ শ্ৰেষ্ঠ বুলি ভবা (worthy) খিনিৰ লিপিবদ্ধ ৰূপ'[৩৫] কেৱল বৰ্তমানৰ আলোকতহে অতীত আমাৰ বাবে বোধগম্য হৈ উঠিব আৰু কেৱল অতীতৰ আলোকতহে আমি আমাৰ বৰ্তমানটো সম্পূৰ্ণকৈ বুজি উঠিব পাৰিম। অতীতৰ সমাজক বুজি পাবলৈ মানুহক সক্ষম কৰি তোলা আৰু বৰ্তমানৰ সমাজৰ ওপৰত মানুহৰ প্ৰভুত্ব (mastery) বৃদ্ধি কৰাই ইতিহাসৰ দ্বৈত কৰ্তব্য।

তিনি
ইতিহাস বিজ্ঞান আৰু নৈতিকতা

মই যেতিয়া নিচেই সৰু আছিলো, দেখাত মাছ যেন লাগিলেও তিমি যে মাছ নহয় সেইটো জানিবলৈ পাই পুলকিত হৈছিলো। আজিকালি এই শ্ৰেণী বিভাজনৰ প্ৰশ্নটোৱে মোক কম প্ৰভাবিত কৰে; আৰু ইতিহাস বিজ্ঞান নহয় বুলি খাটাংকৈ কৈ দিলেও সেইটোৱে মোক অযথা উদ্বিগ্ন নকৰে। এই পাৰিভাষিক প্ৰশ্নটো ইংৰাজী ভাষাৰ নিজা মেজাজ (eccentricity)। প্ৰতিটো ইউৰোপীয় ভাষাতেই 'বিজ্ঞান' শব্দৰ সমাৰ্থক অৰ্থই বিনাদ্বিধাই ইতিহাসকো সামৰে। কিন্তু ইংৰাজ ভাষী জগতত এই প্ৰশ্নটোৰ পশ্চাতত এক সুদীৰ্ঘ অতীত আছে আৰু ই উত্থাপন কৰা বিষয়বোৰেই ইতিহাসৰ পদ্ধতি সম্পৰ্কীয় সমস্যাৱলীৰ এক সুবিধাজনক পাতনি।

অষ্টাদশ শতিকাৰ শেষত যেতিয়া জগত সম্পৰ্কে মানুহৰ জ্ঞান আৰু মানুহৰ নিজৰ দৈহিক বৈশিষ্ট্যসমূহ সম্পৰ্কে জ্ঞানলৈ বিজ্ঞানে অত্যন্ত গৌৰৱময় বৰঙণি আগবঢ়াইছিল, তেতিয়া বিজ্ঞানে মানুহৰ সমাজ সম্পৰ্কে জ্ঞানক আৰু অধিক আগুৱাই নিব পাৰিবনে নোৱাৰে সেইটো প্ৰশ্নও উত্থাপিত হ'বলৈ আৰম্ভ কৰিছিল। গোটেই উনৈশ শতিকা ধৰি ইতিহাসকে ধৰি সমাজবিজ্ঞানৰ ধাৰণাসমূহ ক্ৰমান্বয়ে বিকশিত হৈ আছিল ; আৰু যি পদ্ধতিৰে বিজ্ঞানে প্ৰকৃতিৰ জগতক অধ্যয়ন কৰিছিল, সেই একে পদ্ধতি মানৱীয় কাৰ্যকলাপৰ অধ্যয়নতো প্ৰয়োগ কৰা হৈছিল। এইটো যুগৰ আগডোখৰত নিউটনীয় ঐতিহ্যৰ প্ৰভাৱ আছিল। প্ৰকৃতি জগতৰ দৰেই সমাজকো এক প্ৰকাৰৰ কাৰ্যপ্ৰণালী (mechanism) বুলি গণ্য কৰা হৈছিল; ১৮৫১ চনত প্ৰকাশিত হাৰ্বাট স্পেন্সাৰৰ (Herbert Spencer) গ্ৰন্থ Social Statics (সামাজিক স্থিতিবিদ্যা) খনৰ শিৰোনামাটো এতিয়াও সুঁৱৰি চোৱা হয়। এনে পৰম্পৰাতে লালিত-পালিত হোৱা বাৰ্ট্ৰাণ্ড ৰাছেলে পৰৱৰ্তী সময়ত এইটো যুগৰ কথা যেতিয়া সুঁৱৰিছিল, তেতিয়া তেওঁ আশা কৰিছিল যে এটা সময়ত 'যান্ত্ৰিক বস্তুৰ গণিতৰ দৰেই অতি সূক্ষ্মভাৱে মানুহৰ ব্যৱহাৰৰো এক গণিত' সৃষ্টি হ'ব।[১] তাৰ পিছত ডাৰউইনে (Darwin) আন এটা বৈজ্ঞানিক বিপ্লৱ ঘটাইছিল; আৰু জীৱবিদ্যাৰ (biology) পৰাই সূত্ৰ (Cue) গ্ৰহণ কৰি সমাজবিজ্ঞানীসকলে সমাজকো এক জীৱদেহ (organism) বুলি ভাবিবলৈ আৰম্ভ কৰিছিল। ভূতত্ত্বৰ ক্ষেত্ৰত ইতিমধ্যে লায়লে (Lyell) আৰম্ভ কৰাটোক সম্পূৰ্ণ কৰি লৈ

ডাৰউইনে বিজ্ঞানলৈ ইতিহাস আমদানি কৰাটোৱেই ডাৰউইনীয় বিপ্লৱৰ প্ৰকৃত গুৰুত্ব আছিল। এতিয়াৰ পৰা বিজ্ঞান স্থানু (static) আৰু অনাদি-অনন্ত (timeless)[২] পৰিবৰ্তে পৰিবৰ্তন আৰু বিকাশৰ প্ৰক্ৰিয়াক লৈহে উদ্বিগ্ন হৈ পৰিল। বিজ্ঞানত হোৱা বিবৰ্তনে ইতিহাসৰ প্ৰগতিক (progress) নিশ্চিত আৰু সম্পূৰ্ণ কৰি তুলিলে। অৱশ্যে মই মোৰ প্ৰথম বক্তৃতাত বৰ্ণনা কৰাৰ দৰে ঐতিহাসিক পদ্ধতিৰ আৰোহী (inductive) দৃষ্টিকোণক সলাই দিয়া ধৰণৰ একো এটা নঘটিল ঃ প্ৰথমে তথ্য সংগ্ৰহ কৰক আৰু তাৰ পিছত সেইবোৰ ব্যাখ্যা কৰক। প্ৰশ্নাতীতভাৱে এইটো ধাৰণা কৰা হৈছিল যে সেয়েই বিজ্ঞানৰো পদ্ধতি। ১৯০৩ চনৰ জানুৱাৰী মাহত তেওঁৰ উদ্বোধনী বক্তৃতাৰ সামৰণী বক্তব্যত তেওঁ যেতিয়া ইতিহাসক 'বঢ়াও নোহোৱা, টুটাও নোহোৱা বিজ্ঞান' বুলি বৰ্ণনা কৰিছিল, বিউৰীৰ (Bury) চিন্তাত স্পষ্টভাৱে এইটো দৃষ্টিভংগীয়েই আছিল। বিউৰীৰ উদ্বোধনী বক্তৃতাৰ পঞ্চাশ বছৰৰ পাছত ইতিহাসৰ এই দৃষ্টিভংগীৰ বিৰুদ্ধে শক্তিশালী প্ৰতিক্ৰিয়া প্ৰত্যক্ষ কৰিবলগা হৈছিল। ১৯৩০ৰ দশকত লেখাৰ সময়ত কলিংউদে বৈজ্ঞানিক অনুসন্ধানৰ বিষয় হিচাপে প্ৰকৃতিৰ জগত আৰু ইতিহাসৰ জগতৰ মাজত এক সুস্পষ্ট বিভাজন- ৰেখা অংকন কৰিবলৈ বিশেষভাৱে উৎকণ্ঠিত হৈ পৰিছিল; আৰু এই কালছোৱাত উপলুভা কৰাৰ বাহিৰে বিউৰীৰ আপ্তবাক্যটো কাচিৎহে উদ্ধৃত কৰা হৈছিল। কিন্তু সেই সময়ত ঐতিহাসিকসকলে মনোযোগ দিবলৈ বিফল হোৱা কথাটো এয়ে আছিল যে উল্লিখিত কালছোৱাত বিজ্ঞান নিজেই এটা গভীৰ বিপ্লৱৰ সম্মুখীন হৈছিল, যিটোৱে ভুল কাৰণত হ'লেও আমি ভবাতকৈ বিউৰীক বেছি শুদ্ধ বুলি প্ৰতিপন্ন কৰিছিল। ভূতত্ত্বৰ ক্ষেত্ৰত লায়লে আৰু জীৱবিদ্যাৰ ক্ষেত্ৰত ডাৰউইনে যি কৰিছিল, এতিয়া সেইটো জ্যোতিৰ্বিজ্ঞানৰ (astronomy) ক্ষেত্ৰতো ঘটিল, যিটোৱে বিশ্বব্ৰহ্মাণ্ডখনে কেনেকৈ আমি দেখা ৰূপটো পালে, তাৰ বিজ্ঞান হৈ পৰিল আৰু আধুনিক পদাৰ্থবিদসকলে আমাক অনবৰতে সোঁৱৰাই থাকিল যে তেওঁলোকে যি অনুসন্ধান কৰে সেইবোৰ তথ্য (facts) নহয়, ঘটনাহে (events)। এশ বছৰৰ আগতকৈ আজিকালি ঐতিহাসিকে বিজ্ঞানৰ জগতত যিমান স্বস্তি অনুভৱ কৰিছিল, তাতকৈ অধিক স্বস্তি অনুভৱ কৰাৰ কিছু অজুহাত বিচাৰি পালে।

আইনৰ ধাৰণাৰ প্ৰতি প্ৰথমে দৃষ্টি দিওঁ। গোটেই অষ্টাদশ আৰু ঊনবিংশ শতিকা ধৰি বৈজ্ঞানিকসকলে ধাৰণা কৰিছিল যে প্ৰকৃতিৰ নিয়মবোৰ (laws of nature), যেনে নিউটনৰ গতিসূত্ৰ, মাধ্যাকৰ্ষণৰ সূত্ৰ, বয়লৰ (Boyle) সূত্ৰ, বিৱৰ্তনৰ সূত্ৰ ইত্যাদিবোৰ আবিষ্কাৰ কৰা আৰু স্থায়ীভাৱে প্ৰতিষ্ঠা কৰা হ'ল আৰু নিৰীক্ষিত তথ্যৰ ভিত্তিত আৰোহণ (induction) প্ৰক্ৰিয়াৰে আৰু তেনে অধিক সূত্ৰ (laws) আবিষ্কাৰ আৰু প্ৰতিষ্ঠা কৰাই বৈজ্ঞানিকসকলৰ কৰ্তব্য। সূত্ৰ (law) শব্দটো গেলিলিওৰ পৰা নিউটনলৈকে গৌৰৱৰ

ডাৱৰ ফালি ওলাই আহিছিল। সমাজজিজ্ঞাসু (students of society) সকলেও সচেতনভাৱেই হওক অথবা অসচেতনভাৱেই হওক, তেওঁলোকৰ অধ্যয়নৰ বৈজ্ঞানিক স্থিতি প্রতিপন্ন কৰাৰ হেঁপাহেৰে একেই ভাষা ব্যৱহাৰ কৰিছিল আৰু একেখিনি পদ্ধতিকে অনুসৰণ কৰা বুলি তেওঁলোকে নিজে বিশ্বাস কৰিবলৈ লৈছিল। গ্রেছামৰ সূত্র (Gresham's law) আৰু আদাম স্মিথৰ বজাৰৰ সূত্র প্রয়োগ কৰি ৰাজনৈতিক অর্থবিদসকলেই (political economists) এই ক্ষেত্রত প্রথমে প্রবেশ কৰিছিল। বার্কে (Burke) 'প্রকৃতিৰ সূত্রতে আধাৰিত বাণিজ্যৰ সূত্র অৱশেষত ঈশ্বৰৰে বিধান (Laws of God)' বুলি মনোযোগ আকর্ষণ কৰিছিল।[১] মালথাচে (Malthus) জনসংখ্যাৰ সূত্র আগবঢ়াইছিল, লাছালে (Lassalle) এক লৌহ-কঠোৰ মজুৰিৰ সূত্র আৰু মার্ক্সে তেওঁৰ Capitalৰ (পুঁজি) মুখবন্ধত 'আধুনিক সমাজৰ অর্থনৈতিক গতিসূত্র' আৱিষ্কাৰ কৰিছিল বুলি দাবী কৰিছিল। বাক্‌লেই (Buckle) তেওঁৰ History of Civilizationৰ (সভ্যতাৰ ইতিহাস) সামৰণিত এই বিশ্বাস ব্যক্ত কৰিছিল যে মানুহৰ কার্যকলাপবোৰ 'সার্বজনীন আৰু বিচ্যুতিবিহীন কালনিষ্ঠতাৰ (undeviating regularity) এক মহিমান্বিত নীতি-বিধানেৰে (principle) ব্যাপ্ত' হৈ আছে। আজিকালি এই পৰিভাষা যিমানেই পুৰণিকলীয়া সিমানেই দাম্ভিক যেনো লাগে আৰু ই প্রাকৃতিক বিজ্ঞানীসকলৰ বাবে যিমান পুৰণিকলীয়া, সমানেই সমাজবিজ্ঞানীসকলৰ বাবেও পুৰণিকলীয়া। বিউৰীয়ে তেওঁৰ উদ্বোধনী বক্তৃতাটো দিয়াৰ আগৰ বছৰত ফৰাচী গণিতজ্ঞ হেনৰী পইনকাৰে (Henri Poincare' - আঁৰি পোয়াঁকাৰ?) La Science et l'hypothese (বিজ্ঞান আৰু প্রকল্প) নামেৰে এখন সৰু গ্রন্থ প্রকাশ কৰিছিল যি বৈজ্ঞানিক চিন্তা-চর্চাত এটা বিপ্লৱৰ সূচনা কৰিছিল। পইনকাৰৰ মূল প্রতিপাদ্য এয়ে আছিল যে বিজ্ঞানীসকলে উত্থাপন কৰা সাধাৰণ প্রতিজ্ঞাসমূহ (general propositions), যিক্ষেত্রত সেইবোৰ কেৱল সংজ্ঞার্থ নহয় অথবা ভাষাৰ ব্যৱহাৰাৰ্থে কৰা কেৱল কৃত্রিম প্রথা (disguised conventions) নহয়, সেইবোৰ ওপৰঞ্চি চিন্তা-চর্চাক (thinking) সংহত আৰু সংগঠিত (crystallize and organize) কৰিবলৈ কৰা পৰিকল্পনাৰ পূর্বানুমানহে (hypotheses), যিবোৰ সদায় সত্যাসত্য নিৰূপণ, পৰিমার্জন অথবা খণ্ডন-সাপেক্ষ। এই সকলোবোৰেই এতিয়া সাধাৰণ কথা হৈ পৰিছে। নিউটনৰ গর্ব 'মই কোনো পূর্বানুমান তৈয়াৰ কৰা নাই' (hypotheses non fingo) আজিকালি ফোপোলা আৱাজত পৰিণত হৈছে আৰু যদিয়ো বিজ্ঞানীসকলে, আনকি সমাজবিজ্ঞানীসকলেও পুৰণি দিনৰ কথা ভাবি এতিয়াও মাজে-সময়ে কেতিয়াবা বিভিন্ন সূত্রৰ (laws) কথা কয়, তেওঁলোকে ওঠৰ আৰু ঊনৈশ শতিকাৰ বিজ্ঞানীসকলে সেইবোৰৰ বিশ্বজনীনতাত যিদৰে বিশ্বাস কৰিছিল, তেনেদৰে নকৰে। এইটো স্বীকৃত হৈছে যে বিজ্ঞানীসকলে নতুন আৱিষ্কাৰ কৰে আৰু নতুন জ্ঞান আহৰণ কৰে যথার্থ

(precise) আৰু সামগ্ৰিক (comprehensive) সূত্ৰসমূহ প্ৰতিষ্ঠা কৰি নহয়, বৰং নতুন অনুসন্ধানৰ বাবে দুৱাৰ মুকলি কৰি ৰাখি পূৰ্বানুমানসমূহক উপস্থাপন কৰিছে। দুজন আমেৰিকান দাৰ্শনিকে বৈজ্ঞানিক পদ্ধতি সম্পৰ্কে লেখা এখন মান-বিশিষ্ট (standard) পাঠ্যপুথিত বিজ্ঞানৰ পদ্ধতিক 'মূলতঃ বৃত্তাকাৰ' বুলি বৰ্ণনা কৰি লেখিছিল যে ঃ

> 'যাক "তথ্য" বুলি অভিযুক্ত কৰা হয়, সেই আকৰ্ষণীয় অভিজ্ঞতাবাদী সমলৰ পৰাই আমি সূত্ৰসমূহৰ বাবে সাক্ষ্য সংগ্ৰহ কৰোঁ, আৰু সেই সূত্ৰসমূহৰ ভিত্তিত আমি অভিজ্ঞতাবাদী সমলৰ নিৰ্বাচন, বিশ্লেষণ আৰু ব্যাখ্যা কৰোঁ।'[৪]

'বৃত্তাকাৰ' (circular) শব্দটোতকৈ 'পাৰস্পৰিক' (reciprocal) শব্দটো বোধহয় বেছি গ্ৰহণযোগ্য হ'লহেঁতেন, কাৰণ পৰিণতি সেই একে ঠাইলৈ প্ৰত্যাবৰ্তন নহয়, বৰং সূত্ৰ আৰু তথ্য, তত্ত্ব আৰু প্ৰয়োগৰ এই পাৰস্পৰিক ক্ৰিয়া-প্ৰক্ৰিয়াটোৰ যোগেদি নতুন আবিষ্কাৰলৈ আগুৱাই যোৱাতহে। সকলো ধৰণৰ চিন্তা-চৰ্চাতেই নিৰ্দিষ্ট পৰ্যবেক্ষণভিত্তিক পূৰ্বানুমানৰ প্ৰয়োজন হয় যিয়ে বৈজ্ঞানিক চিন্তা সম্ভৱ কৰি তোলে, কিন্তু সেই চিন্তাৰ আলোকতে সেইবোৰ আকৌ সংশোধন সাপেক্ষ। আন কিবা প্ৰসংগত অথবা আন কিবা উদ্দেশ্যত এই পূৰ্বানুমানসমূহ কাৰ্যকৰী (valid) হ'ব পাৰে যদিও আন কিছুমান ক্ষেত্ৰত সেইবোৰ অকাৰ্যকৰী (invalid) বুলি প্ৰমাণিত হ'বগৈ পাৰে। সেইবোৰে বাস্তৱিকতে আমাৰ নতুন অন্তৰ্দৃষ্টি সঞ্চাৰ আৰু আমাৰ জ্ঞান বৃদ্ধি কৰাত কাৰ্যকৰী হয় নে নহয় সেই অভিজ্ঞতাবাদী (empirical) পৰীক্ষাটো সকলো ক্ষেত্ৰতে প্ৰযোজ্য। ৰাডাৰফোৰ্ডৰ (Rutherford) পদ্ধতিক তেওঁৰে আটাইতকৈ বিশিষ্ট ছাত্ৰসকলৰে আৰু সহকৰ্মীৰে এজনে অলপতে বৰ্ণনা কৰিছিল যে ঃ

> 'নিউক্লিয়াৰ পৰিলক্ষণসমূহে (phenomena) কেনেদৰে কাম কৰে, সেইটো ৰাদ্ধনিৰৰত কি ঘটিছে তাক জনাৰ দৰে প্ৰকাশ কৰি দিয়াৰ কৌশলটো জানিবলৈ তেওঁৰ এক দুৰন্ত স্পৃহা আছিল। কিছুমান মৌলিক সূত্ৰ প্ৰয়োগ কৰি তেওঁ এটা তত্ত্বৰ ধ্ৰুপদী প্ৰণালীত (classical manner) এটা ব্যাখ্যাৰ অনুসন্ধান কৰিছিল বুলি মোৰ মনে নধৰে; যিমান দূৰলৈকে কি ঘটি আছে সেইটো জনাৰ পিছত তেওঁ তাতেই সন্তুষ্ট আছিল।'[৫]

এই বৰ্ণনাটো সেই ঐতিহাসিকৰ ক্ষেত্ৰতো সমানেই প্ৰযোজ্য, যি মৌলিক সূত্ৰৰ অন্বেষণ পৰিত্যাগ কৰিছে আৰু ঘটনাবোৰে কিদৰে ক্ৰিয়া কৰে সেই সম্পৰ্কে অনুসন্ধান কৰিয়েই সন্তুষ্ট হয়।

তেওঁৰ অনুসন্ধানৰ প্ৰক্ৰিয়াত ঐতিহাসিকে ব্যৱহাৰ কৰা পূৰ্বানুমানৰ লগত বৈজ্ঞানিকে ব্যৱহাৰ কৰা পূৰ্বানুমান লক্ষণীয়ভাৱে একে। উদাহৰণস্বৰূপে, প্ৰটেষ্টাণ্টিজিম আৰু পুঁজিবাদৰ মাজৰ সম্পৰ্কৰ বিষয়ে মাক্স ৱেবাৰে (Max Weber) কৰা সেই

বিখ্যাত বৈশিষ্ট্য নির্ণয়ৰ (diagnosis) কথাটোকে ধৰক। আজি সেইটোক কোনেও সূত্ৰ বুলি নকয়, যদিও অতীতৰ এটা যুগত সেইটোক তেনে ধৰণেৰেই স্বাগতম্ জনোৱা হৈছিল। ই এনে এক পূৰ্বানুমান, যি ইয়েই অনুপ্ৰাণিত কৰা অনুসন্ধানৰ ক্ষেত্ৰত কিছু কিছু ক্ষেত্ৰত সংশোধন কৰিছিল যদিও নিঃসন্দেহে ই দুয়োটা আন্দোলন সম্পৰ্কে আমাৰ উপলব্ধিৰ পৰিধি ব্যাপকতৰ কৰি তুলিছিল। অথবা, মাৰ্ক্সৰ এই মন্তব্যটো লওক : 'হস্তচালিত যন্ত্ৰই (Hand-mill) আমাক এখন সামন্তপ্ৰভুৰ সমাজ দিছে আৰু বাষ্প-চালিত যন্ত্ৰই (stream-mill) আমাক এখন শিল্প পুঁজিপতিৰ সমাজ দিছে।'[৮] মাৰ্ক্সে সম্ভৱতঃ দাবী কৰিলেও আধুনিক পৰিভাষাত ই কেতিয়াও সূত্ৰ (law) নহয়, কিন্তু অধিক অনুসন্ধান আৰু নতুন উপলব্ধিলৈ আঙুলিয়াই দিয়া ই এক ফলপ্ৰসূ পূৰ্বানুমান হ'ব পাৰে। এনে ধৰণৰ পূৰ্বানুমানবোৰ চিন্তা-চৰ্চাৰ অপৰিহাৰ্য সঁজুলি। ১৯০০ দশকটোৰ আগভাগৰ বিখ্যাত জাৰ্মান অৰ্থনীতিবিদ ভেৰ্ণাৰ চমবাৰ্টে (Werner Sombart) মাৰ্ক্সবাদ ত্যাগ কৰা সকলক আমনি দিয়া এবিধ 'অস্বস্তিকৰ অনুভূতি'ৰ কথা স্বীকাৰ কৰিছিল :

> 'আমি যেতিয়া (তেওঁ লেখিছিল) অস্তিত্বৰ জটিলতাৰ মাজত আমাক এতিয়ালৈকে পৰিচালিত কৰা সুবিধাজনক ফৰ্মূলাবোৰ হেৰুৱাওঁ, নতুনকৈ থাউনি নোপোৱালৈকে অথবা সাঁতুৰিবলৈ নিশিকালৈকে আমি তথ্যৰ মহাসমুদ্ৰত ডুব যোৱা যেন অনুভৱ কৰোঁ।'[৯]

ইতিহাসত যুগ-বিভাজনৰ বিতৰ্কটো এই শ্ৰেণীৰ অন্তৰ্গত। ইতিহাসক বিভিন্ন যুগত ভাগ কৰাটো তথ্য নহয় বৰং এটা প্ৰয়োজনীয় পূৰ্বানুমান অথবা চিন্তাৰ সঁজুলি, যেতিয়ালৈকে ই আলোকিত কৰি তোলে তেতিয়ালৈকে ই বৈধ আৰু ইয়াৰ বৈধতা ব্যাখ্যাৰ ওপৰতো নিৰ্ভৰশীল। মধ্যযুগ কেতিয়া শেষ হৈছিল এই বিষয়ত দ্বিমত থকা ঐতিহাসিকৰ নিৰ্দিষ্ট কিছুমান ঘটনাৰ ব্যাখ্যাতো মত-পাৰ্থক্য হ'ব। প্ৰশ্নটো তথ্যৰ প্ৰশ্ন নহয়, কিন্তু ই অৰ্থহীনো নহয়। একেদৰেই ভৌগোলিক ক্ষেত্ৰ হিচাপে ইতিহাসৰ বিভাজনো এক তথ্য নহয়, বৰং এটা পূৰ্বানুমানহে : ইউৰোপীয় ইতিহাস বুলিলে কোনো কোনো প্ৰসংগত বৈধ আৰু ফলপ্ৰসূ পূৰ্বানুমান হ'ব পাৰে আৰু আন কিছুমান প্ৰসংগত ই বিভ্ৰান্তিকৰ আৰু ক্ষতিকাৰক হ'ব পাৰে। বেছি সংখ্যক ঐতিহাসিকেই ধাৰণা কৰে যে ৰাচিয়া ইউৰোপৰে অংশ, কিন্তু কিছুমানে সেইটো দৃঢ়তাৰে অস্বীকাৰ কৰে। ঐতিহাসিকে গ্ৰহণ কৰা পূৰ্বানুমানৰ পৰাই তেওঁৰ দুৰ্বলতা (bias) বিচাৰ কৰিব পাৰি। মই সমাজবিজ্ঞানৰ পদ্ধতি সম্পৰ্কীয় এটা সাধাৰণ ঘোষণা উদ্ধৃত কৰিবই লাগিব, কাৰণ প্ৰাকৃতিক বিজ্ঞানী হিচাপে প্ৰশিক্ষণ পোৱা মহান সমাজবিজ্ঞানী এজনে ঘোষণাটো কৰিছিল। তেওঁৰ জীৱনৰ চল্লিছৰ দশক আৰম্ভ হোৱাৰ পূৰ্বেই সমাজৰ বিষয়ে লেখিবলৈ আৰম্ভ কৰা জৰ্জেচ চোৰেল (Georges Sorel) পেচাত এজন অভিযন্তা আছিল আৰু আনকি অতিসৰলীকৰণৰ আশংকা

সত্ত্বেও এটা পৰিস্থিতিৰ (situation) বিশেষ উপাদানবোৰক পৃথক কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিছিল ঃ

> 'মানুহে নিজৰ উপলব্ধি অনুসৰি (তেওঁ লেখিছিল) আগবঢ়া উচিত; তেওঁ সাম্ভাব্য আৰু আংশিক পূৰ্বানুমানবোৰ পৰীক্ষা কৰি চোৱা উচিত আৰু উত্তৰোত্তৰ (progressive) সংশোধনৰ বাবে সদায় দুৱাৰ মুকলি কৰি ৰাখি অস্থায়ী অনুমানতে (provisional approximations) সন্তুষ্ট থাকিব লাগিব।'[৮]

এইটো আমি উনৈশ শতিকাৰ দৃষ্টিভংগীৰ পৰা বহুদূৰ আঁতৰি অহাৰ ইংগিত, যেতিয়া এষ্টনৰ দৰে ঐতিহাসিকৰ দৰেই বিজ্ঞানীসকলেও সুপৰীক্ষিত তথ্য সংগ্ৰহৰ মাধ্যমেৰে সকলোবোৰ বিতৰ্কিত বিষয় নিষ্পত্তি কৰিব পৰা এক সৰ্বাত্মক জ্ঞান-ভাণ্ডাৰ প্ৰতিষ্ঠা হোৱালৈ বাট চাই ৰৈছিল। আজিকালি বৈজ্ঞানিক আৰু ঐতিহাসিক উভয়েই তেওঁলোকৰ ব্যাখ্যাৰ মাধ্যমেৰে তেওঁলোকৰ তথ্যক একাষৰীয়া কৰি থৈ আৰু তথ্যৰ আধাৰত তেওঁলোকৰ ব্যাখ্যাক পৰীক্ষা কৰি লৈ এক আংশিক (fragmentary) পূৰ্বানুমানৰ পৰা আন এটা পূৰ্বানুমানলৈ ক্ৰমাগতভাৱে আগবাঢ়ি যোৱাৰ অধিক সংযত (modest) আশা পোষণ কৰে আৰু তেওঁলোক যি বাটেদি আগবাঢ়িছে, মোৰ দৃষ্টিত দুয়োটা মৌলিকভাৱে পৃথক নহয়। মোৰ প্ৰথম বক্তৃতাটোত অধ্যাপক বাৰাকলাফৰ মন্তব্য এটাৰ উদ্ধৃতি দি কৈছিলো যে ইতিহাস 'মুঠেই তথ্যভিত্তিক নহয়, বৰং এলানি গৃহীত সিদ্ধান্তহে।' মই যেতিয়া এই বক্তৃতামালা প্ৰস্তুত কৰি আছিলো, এইখন বিশ্ববিদ্যালয়ৰে এজন পদাৰ্থবিদে বি. বি. চি.ৰ সম্প্ৰচাৰণ এটিত 'বিশেষজ্ঞসকলে ৰাজহুৱাকৈ গ্ৰহণ কৰি লোৱা ঘোষণা'কে বৈজ্ঞানিক সত্যৰ সংজ্ঞা বুলি কৈছিল।[৯] ইয়াৰ কোনোটো ফৰ্মূলায়েই সম্পূৰ্ণভাৱে সন্তোষজনক নহয়,— মই বস্তুনিষ্ঠতাৰ প্ৰশ্নটো আলোচনা কৰোঁতে ইয়াৰ কাৰণসমূহ স্পষ্ট হ'ব। এজন ঐতিহাসিক আৰু এজন পদাৰ্থবিদে স্বতন্ত্ৰভাৱে একেটা সমস্যাকে ঠিক একেখিনি কথাৰেই সূত্ৰবদ্ধ কৰাটো কিন্তু লক্ষণীয় কথা।

অসাৱধান মানুহৰ বাবে সদৃশতা (analogies) এক কুখ্যাত ফান্দ ঃ গাণিতিক আৰু প্ৰাকৃতিক বিজ্ঞানৰ, অথবা এই শ্ৰেণীৰ বিভিন্ন বিজ্ঞানৰ মাজত যিদৰে বিৰাট পাৰ্থক্য আছে, ঠিক তেনেদৰেই এই বিজ্ঞানসমূহ আৰু ইতিহাসৰ মাজতো এটা মৌলিক প্ৰভেদ নিৰ্ণয় কৰিব পাৰি আৰু এই প্ৰভেদতাই ইতিহাসক,— আৰু বোধহয় অনান্য তথাকথিত সমাজবিজ্ঞানবোৰকো,—বিজ্ঞান বুলি অভিহিত কৰাটোক বিভ্ৰান্তিকৰ বুলি প্ৰতিপন্ন কৰিব বুলি থকা বিশ্বাসৰ যুক্তিসমূহ মই সম্ভ্ৰমেৰে সৈতে বিবেচনা কৰিম। এই আপত্তিবোৰ,— যিবোৰৰে কিছুমান বেছি বিশ্বাসযোগ্য,—চমুকৈ এনেধৰণৰ ঃ (১) ইতিহাসে একান্তভাৱে অনন্যক (unique) আৰু বিজ্ঞানে সাধাৰণক (general) চৰ্চা কৰে, (২) ইতিহাসে কোনো শিকনি (lessons) নিশিকায়, (৩) ইতিহাস ভৱিষ্যতবাণী কৰিবলৈ বিফল, (৪) ইতিহাস প্ৰয়োজনীয়ভাৱেই ব্যক্তিনিষ্ঠ (subjective), যিহেতু

মানুহে নিজকেই পৰ্যবেক্ষণ কৰে আৰু (৫) বিজ্ঞানৰ বিপৰীতে ইতিহাস ধৰ্ম আৰু নৈতিকতা সম্পৰ্কীয় বিষয়সমূহৰ লগতো জড়িত। এটা এটাকৈ মই প্ৰতিটো আপত্তি (point) পৰীক্ষা কৰি চাম।

প্ৰথমতে, এইটো অভিযুক্ত কৰা হৈছে যে ইতিহাসে অনন্য আৰু নিৰ্দিষ্ট (particular) আৰু বিজ্ঞানে সাধাৰণ আৰু সাৰ্বজনীনতাৰ (universal) চৰ্চা কৰে। এই দৃষ্টিভংগীটো এৰিষ্টটলৰ পৰাই আৰম্ভ হৈছিল বুলি ক'ব পাৰি, যি ঘোষণা কৰিছিল যে ইতিহাসতকৈ কবিতা (poetry) 'অধিক দাৰ্শনিক' আৰু 'অধিক গম্ভীৰ', যিহেতু কবিতাই সাধাৰণ সত্যৰ আৰু ইতিহাসে নিৰ্দিষ্ট সত্যৰ চৰ্চা কৰে।[১০] কলিংউডকো[১১] সামৰি পৰৱৰ্তীকালৰ এদল লেখকে বিজ্ঞান আৰু ইতিহাসৰ মাজত একে প্ৰভেদ দেখুৱাইছিল। এইটো এটা ভুল বুজাবুজিৰ ওপৰত প্ৰতিষ্ঠিত যেন লাগে। হব্‌চৰ (Hobbes) বিখ্যাত নীতিবাক্যটো আজিও প্ৰযোজ্য ঃ "জগতত নামৰ বাহিৰে একোৰেই বিশ্বজনীন নহয়, কাৰণ নামকৰণ কৰা বস্তুবোৰৰ প্ৰতিটোৰেই গাইগুটীয়া (individual) আৰু একক (singular)।"[১২] প্ৰাকৃতিক বিজ্ঞানৰ ক্ষেত্ৰত এইটো নিশ্চিতভাৱে সত্য ঃ দুটা ভূ-তাত্ত্বিক গঠন, একে প্ৰজাতিৰে দুটা জন্তু আৰু দুটা পৰমাণু সাইলাখ (identical) নহয়। একেদৰেই, দুটা ঐতিহাসিক ঘটনাও হুবহু একে নহয়। কিন্তু ঐতিহাসিক ঘটনাৰ অনন্যতাৰ ওপৰত নাচোৰবান্দা হৈ থাকিলে বিশ্বপ বাট্‌লাৰৰ (Bishop Butler) পৰা মুৰে (Moore) গ্ৰহণ কৰা আৰু এটা সময়ত ভাষাতাত্ত্বিক দাৰ্শনিকসকলে বিশেষভাৱে ভালপোৱা সেই বৈশিষ্ট্যহীন মন্তব্যটোৰ দৰে একেই পঙ্গুত্বৰ পৰিণামৰ হ'ব ঃ 'প্ৰত্যেকটি বস্তুৱেই যি সিয়েই আৰু আন বেলেগ এটা বস্তু নহয়।' এই বাটত ভৰি দি আপুনি অতি সোনকালেই এক ধৰণৰ দাৰ্শনিক নিৰ্বাণ লাভ কৰিব য'ত কোনো বস্তুৰ বিষয়েই কোনো তাৎপৰ্যপূৰ্ণ কথা ক'ব নোৱাৰিবগৈ।

ভাষাৰ ব্যৱহাৰেই ঐতিহাসিকক বিজ্ঞানীসকলৰ দৰেই সাধাৰণীকৰণৰ প্ৰতি দায়বদ্ধ কৰি তোলে। পেলপনিচিয়ান যুদ্ধখন দ্বিতীয় বিশ্বযুদ্ধখনৰ লগত অতি অমিল (different) আছিল আৰু দুয়োখন যুদ্ধই অনন্য (unique) আছিল। কিন্তু ঐতিহাসিকে দুয়োখনকে যুদ্ধ বুলিয়েই কয় আৰু কেৱল পাণ্ডিত্যাভিমানীয়েহে প্ৰতিবাদ কৰিব। গিবনে যেতিয়া কনষ্টেনটাইনৰ দ্বাৰা খ্ৰীষ্টধৰ্ম প্ৰতিষ্ঠা আৰু ইছলামৰ উত্থান দুয়োটা ঘটনাকে বিপ্লৱ বুলি লেখিছিল[১৩], তেওঁ দুটা অনন্য ঘটনাক সাধাৰণীকৰণ কৰিছিল। আধুনিক ঐতিহাসিকে সেই একেটাকেই কৰে যেতিয়া তেওঁ ইংৰাজ, ফৰাচী, ৰাচিয়ান আৰু চীনা বিপ্লৱৰ বিষয়ে লেখে। ঐতিহাসিকজন বাস্তৱিকতে অনন্যৰ প্ৰতি আগ্ৰহী নহয়, বৰং অনন্যৰ ভিতৰত থকা সাধাৰণৰ প্ৰতিহে আগ্ৰহী। ১৯২০ৰ দশকত ঐতিহাসিকে ১৯১৪ চনৰ যুদ্ধখনৰ কাৰণ আলোচনা কৰোঁতে সাধাৰণতে এই ধাৰণাৰে আগবাঢ়িছিল যে ই হয়

গোপনীয়ভাৱে আৰু জনমতৰ দ্বাৰা অনিয়ন্ত্ৰিত হৈ কূটনীতিজ্ঞসকলৰ কু-পৰিচালনাৰ কাৰণে হৈছিল, নহয় বিশ্বজগতখন ভৌগোলিক সাৰ্বভৌম ৰাষ্ট্ৰত দুৰ্ভাগ্যজনকভাৱে বিভক্ত হৈ পৰাৰ কাৰণে ঘটিছিল। ১৯৩০ৰ দশকত আলোচনা এই ধাৰণাৰে আগবাঢ়িছিল যে ই ক্ষয়িষ্ণু পুঁজিবাদৰ হেঁচাত সাম্ৰাজ্যবাদী শক্তিসমূহে পৃথিৱীখনক তেওঁলোকৰ মাজত ভাগ-বাটোৱাৰা কৰি ল'বলৈ কৰা প্ৰতিদ্বন্দ্বিতাৰ ফলত হৈছিল। যুদ্ধৰ কাৰণ সম্পৰ্কে অথবা অন্ততঃ কুৰি শতিকাৰ পৰিস্থিতিত হোৱা যুদ্ধবোৰৰ সকলোবোৰ আলোচনা সাধাৰণীকৰণৰ ভিত্তিতেই হৈছিল। ঐতিহাসিকে তেওঁৰ প্ৰমাণসমূহক পৰীক্ষা কৰিবলৈ অনবৰতে সাধাৰণীকৰণৰ আশ্ৰয় লয়। যদিহে তেওঁৰ প্ৰমাণ স্পষ্ট নহয়,— এই ধৰক, ৰিচাৰ্ডে ৰাজকুমাৰসকলক টাৱাৰত হত্যা কৰিছিলনে নাই, সম্ভৱতঃ সচেতনভাৱতকৈও অসচেতনভাৱেহে ঐতিহাসিকে নিজকে সুধিব যে সেই সময়ৰ শাসকসকলে তেওঁলোকৰ সিংহাসনৰ সাম্ভাব্য প্ৰতিদ্বন্দ্বীসকলক নিঃশেষ কৰি পেলোৱাটো এটা দস্তুৰেই আছিল নেকি; আৰু তেওঁৰ সিদ্ধান্ত সম্পূৰ্ণ শুদ্ধভাৱেই এই সাধাৰণীকৰণৰ দ্বাৰা প্ৰভাৱান্বিত হ'ব।

ঐতিহাসিকৰ পৰ্যবেক্ষণক তেওঁৰ পৰিচিত আন ঐতিহাসিক প্ৰসংগত অথবা সম্ভৱতঃ তেওঁৰ নিজৰ সময়ত প্ৰয়োগ কৰি লেখকৰ দৰেই ইতিহাসৰ পাঠকো অভ্যাসবশতঃভাৱেই (chronic) সাধাৰণীকাৰ। মই যেতিয়া কাৰ্লাইলৰ French Revolution (ফৰাচী বিপ্লৱ) পঢ়োঁ, মই তেওঁৰ মন্তব্যবিলাকক সাধাৰণীকৰণ কৰি মোৰ বিশেষ অধ্যয়নৰ বিষয় ৰাচিয়াৰ বিপ্লৱৰ ক্ষেত্ৰত প্ৰয়োগ কৰাতহে মই নিজকে বাৰে বাৰে আৱিষ্কাৰ কৰোঁ। উদাহৰণস্বৰূপে সন্ত্ৰাস সম্পৰ্কে এইটো চাওক ঃ

> 'যিবোৰ দেশে ন্যায়বিচাৰৰ সমতা পাইছে, সেইবোৰ দেশৰ বাবে ভয়ংকৰ,— যিবোৰ দেশে কেতিয়াও পোৱা নাই, সেইবোৰৰ কাৰণে সিমান অস্বাভাৱিক নহয়।'

অথবা অধিক তাৎপৰ্যপূৰ্ণভাৱে এইটো চাওক ঃ

> 'বৰ বেছি স্বাভাৱিক যদিও এইটো দুৰ্ভাগ্যজনক যে এই সময়ছোৱাৰ ইতিহাস সাধাৰণতে হিষ্টিৰিয়াগ্ৰস্তসকলে (hysterics) লেখিছিল। ওপচ খাই পৰা অতিৰঞ্জণা, অভিশাপ আৰু আৰ্তনাদ; আৰু সামগ্ৰিকভাৱে তমসাচ্ছন্ন।'[১৪]

নাইবা যোল শতিকাত আধুনিক ৰাষ্ট্ৰৰ গঠন সম্পৰ্কে এইবাৰ বাৰ্কহাৰ্টে কোৱা আৰু এটা চাওক ঃ

> 'যিমানেই বেছি সাম্প্ৰতিক সময়ত ক্ষমতাৰ উৎপত্তি হৈছে, সিমানেই ই কম স্থায়ী হ'ব পাৰিছে,— প্ৰথমতে, এই কাৰণে যে যিসকলে ক্ষমতা সৃষ্টি কৰিছে, সেইসকলেই দ্ৰুত আৰু অধিক আন্দোলনত অভ্যস্ত হৈ পৰিছে আৰু কাৰণ, তেওঁলোকেই বৰ্তমানো যিদৰে উদ্ভাৱক, তেনেদৰেই উদ্ভাৱক হৈয়েই থাকিব; দ্বিতীয়তে, কাৰণ যিবোৰ শক্তি তেওঁলোকে জাগ্ৰত কৰিছিল অথবা পৰাস্ত কৰিছিল, সেইবোৰক আৰু বেছি হিংসাত্মক কাৰ্যকলাপৰ দ্বাৰাহে কামত ব্যৱহাৰ কৰিব পাৰি।'[১৫]

সাধাৰণীকৰণ ইতিহাসত আচহুৱা বুলি কোৱাটো অৰ্থহীন; সাধাৰণীকৰণতহে ইতিহাস বিকশিত হৈ উঠে। নতুন কেম্ব্ৰিজ মডাৰ্ণ হিষ্ট্ৰিৰ খণ্ড এটাত মিষ্টাৰ এল্টনে (Mr. Elton) স্পষ্টকৈ কোৱাৰ দৰে 'সাধাৰণীকৰণেহে ঐতিহাসিক তথ্য সংগ্ৰাহক এজনৰ পৰা ঐতিহাসিকজনক পৃথকাই প্ৰতিপন্ন কৰে।'[১৬] তেওঁ বোধহয় এইটোও সংযোগ কৰি দিব পাৰিলেহেঁতেন যে একেটা বস্তুৱেই এজন প্ৰকৃতিবিদৰ (naturalist) পৰা বা নমুনা সংগ্ৰাহকৰ পৰা এজন প্ৰাকৃতিক বিজ্ঞানীক (natural scientist) পৃথকাই প্ৰতিপন্ন কৰে। কিন্তু এইটো ধৰি নল'ব যে সাধাৰণীকৰণে আমাক ইতিহাসৰ এনে এক বিশাল আঁচনি নিৰ্মাণ কৰিবলৈ অনুমতি দিছে, য'ত বিশিষ্ট ঘটনাৱলীক খাজি দিব পাৰি। আৰু যিহেতু মাৰ্ক্স তেনে লোকসকলৰে এজন, যাক তেনে আঁচনি নিৰ্মাণ কৰা বা তেনে আঁচনিত বিশ্বাস কৰা বুলি অভিযুক্ত কৰা হয়, চমুৰাবৰ বাবে মই তেওঁৰ চিঠিবিলাকৰে এখনৰ পৰা এনে এটা অংশ (passage) উদ্ধৃত কৰিম, যিটোৱে বিষয়টোক সঠিক প্ৰেক্ষাপটত উপস্থাপন কৰিছে ঃ

> 'পৃথক ঐতিহাসিক পৃষ্ঠভূমিত ঘটা লক্ষণীয়ভাৱে অনুৰূপ ঘটনাৱলীৰ সম্পূৰ্ণ বিসদৃশ (dissimilar) ফলাফল হয়। এই বিৱৰ্তনবিলাকৰ প্ৰত্যেকটোকে সুকীয়াকৈ অধ্যয়ন কৰি তাৰ পাছত সেইবোৰ তুলনা কৰিলে ঘটনাটো বুজি পোৱাৰ ছাবি-কাঠি বিচাৰি পোৱাটো সহজ হয়; কিন্তু ইতিহাসৰ ঊৰ্ধ্বত উঠা মহৎ গুণৰ কিবা কিছুমান ঐতিহাসিক দাৰ্শনিক তত্ত্বৰ মাষ্টাৰ-কী (passe-partout) ব্যৱহাৰ কৰি এনে উপলব্ধিত উপনীত হোৱাটো কেতিয়াও সম্ভৱ নহয়।'[১৭]

অনন্য আৰু সাধাৰণৰ মাজৰ সম্পৰ্কই ইতিহাসৰ আলোচ্য বিষয়। এজন ঐতিহাসিক হিছাপে আপুনি যিদৰে তথ্য আৰু ব্যাখ্যাক পৃথক কৰিব নোৱাৰে, ঠিক তেনেদৰেই অনন্য আৰু সাধাৰণকো পৃথক কৰিব নোৱাৰে অথবা ইটোৰ ওপৰত সিটোক অগ্ৰাধিকাৰ দিব নোৱাৰে।

ইতিহাস আৰু সমাজতত্ত্বৰ সম্পৰ্কৰ বিষয়ে এটা চমু মন্তব্য দিয়াৰ বাবে এয়েই বোধকৰোঁ উপযুক্ত ঠাই। বৰ্তমান সমাজতত্ত্ব দুটা বিপৰীতমুখী বিপদৰ সন্মুখীন হৈছে— অতি-তাত্ত্বিক (ultra-theoritical) হোৱাৰ বিপদ আৰু অতি-অভিজ্ঞতাবাদী (ultra-empirical) হোৱাৰ বিপদ। প্ৰথমটো হ'ল, সাধাৰণভাৱে সমাজৰ বিষয়ে বিমূৰ্ত আৰু অৰ্থহীন সাধাৰণীকৰণত ই নিজেই হেৰাই যোৱাৰ বিপদ। বৰফলা 'ই'ৰে (capital) ইতিহাসৰ দৰেই বৰফলা 'স'ৰে সমাজো একেদৰেই বিভ্ৰান্তিকৰ অযুক্তি (fallacy)। ইতিহাসত লিপিবদ্ধ অনন্য ঘটনাৰাজিৰ পৰা সাধাৰণীকৰণ কৰাৰ দায়িত্ব যিসকলে একান্তভাৱে সমাজতত্ত্বৰ ওপৰত ন্যস্ত কৰিছে, সেইসকলেও এই বিপদটো ওচৰ চপাই আনিছে ঃ আনকি এইদৰে কোৱাৰো প্ৰয়াস কৰা হৈছে যে 'সূত্ৰ' (laws) আছে কাৰণেই

সমাজতত্ত্ব ইতিহাসৰ পৰা পৃথক।[১৮] কার্ল মানহেইমে (Karl Mannheim) প্রায় এক পুৰুষৰ পূৰ্বেই পূর্বানুমান কৰা (foresee) আৰু আজিয়ো বাহাল তবিয়তে থকা আনটো বিপদে সমাজতত্ত্বক 'সামাজিক পুনর্বিন্যাসৰ এলানি অসংলগ্ন যান্ত্রিক সমস্যাত খণ্ডিত' বিষয় কৰি তুলিছে।[১৯] সমাজতত্ত্ব এনে ঐতিহাসিক সমাজ সম্পর্কে জড়িত, য'ত প্রতিখন সমাজকেই অনন্য আৰু বিশেষ ঐতিহাসিক পূর্বদৃষ্টান্ত (antecedents) আৰু পৰিস্থিতিয়ে গঢ় দিয়ে। কিন্তু গণনা আৰু বিশ্লেষণৰ তথাকথিত 'যান্ত্রিক' সমস্যাবোৰৰ ভিতৰতে নিজকে আবদ্ধ কৰি ৰাখি সাধাৰণীকৰণ আৰু ব্যাখ্যাক বাদ দিয়াৰ চেষ্টা কৰিলে কেৱল এখন স্থানু সমাজৰ অসচেতন সমার্থকত পৰিণত হ'ব লাগিব। যদিহে ফলপ্ৰসূ অধ্যয়নৰ ক্ষেত্র হ'বই লাগে, তেন্তে ইতিহাসৰ দৰেই সমাজতত্ত্বও অনন্য আৰু সাধাৰণৰ মাজৰ সম্পর্কৰ প্রতি মনোযোগ দিয়া হ'ব লাগিব। কিন্তু ই গতিশীল (dynamic) হ'বই লাগিব— এখন গতিহীন সমাজৰ নহয় (কিয়নো তেনে সমাজৰ অস্তিত্বই নাই), বৰং এক সামাজিক পৰিবৰ্তনৰ আৰু বিকাশৰ চর্চা হ'ব লাগিব। বাকীবোৰৰ বিষয়ে মই মাথোন এইটোকে ক'বলৈ বিচাৰোঁ যে ইতিহাস যিমানেই সমাজতাত্ত্বিক হয় আৰু সমাজতত্ত্ব যিমানেই ঐতিহাসিক হয়, দুয়ো পক্ষৰ বাবে সিমান বেছি মঙ্গলজনক হ'ব। দুয়োৰে মাজৰ সীমান্ত দ্বি-পথী যাতায়াতৰ (two-way traffic) বাবে বহলভাৱে উন্মুক্ত কৰি ৰাখক।

সাধাৰণীকৰণৰ প্রশ্নটো মোৰ দ্বিতীয় প্রশ্নটোৰ লগত ঘনিষ্ঠভাৱে সম্পর্কিত ঃ ইতিহাসৰ শিক্ষা। সাধাৰণীকৰণৰ প্রকৃত কথাটো হ'ল এয়ে যে ইয়াৰ যোগেদি আমি ইতিহাসৰ পৰা শিকাৰ যত্ন কৰোঁ, এক ঘটনাক্রমৰ (set of events) শিক্ষাক আন এটা ঘটনাক্রমত প্রয়োগ কৰোঁ ঃ আমি যেতিয়াই সাধাৰণীকৰণ কৰোঁ, সচেতনভাৱেই হওক বা অসচেতনভাৱেই হওক, এনে কৰাৰে যত্ন কৰোঁ। যিসকলে সাধাৰণীকৰণক প্রত্যাখান কৰে আৰু ইতিহাস একান্তভাৱে অনন্যক লৈহে জড়িত বুলি দৃঢ়তাৰে কয়, যথেষ্ট যুক্তিসংগতভাৱে তেওঁলোকে ইতিহাসৰ পৰা কিবা শিকিব পৰাটো অস্বীকাৰ কৰে। কিন্তু মানুহে ইতিহাসৰ পৰা একোকেই নিশিকে বুলি কৰা দাবীক অগণন পৰ্যবেক্ষিত তথ্যই খণ্ডন কৰে। কোনো অভিজ্ঞতাই সামূহিক (common) নহয়। ১৯১৯ চনত মই বৃটিছ প্রতিনিধি দলৰ কনিষ্ঠ সদস্য হিছাপে পেৰিচৰ শান্তি-আলোচনাত উপস্থিত আছিলো। আমাৰ প্রতিনিধিদলৰ প্রত্যেকেই বিশ্বাস কৰিছিল যে এশ বছৰৰ আগৰ সেই অন্তিম মহান ইউৰোপীয় শান্তিসভা ভিয়েনা কংগ্রেছৰ শিকনিৰ পৰা আমি শিকিব পাৰোঁ। এতিয়াৰ ছাৰ চার্লচ ৱেবষ্টাৰ (Sir Charles Webster) আৰু প্রখ্যাত ঐতিহাসিক, সেই সময়ৰ ৱাৰ অফিচত নিযুক্ত কেপ্টেইন ৱেবষ্টাৰে সেই শিকনিসমূহ কি আছিল সেইটো জনাই এখন ৰচনা লেখিছিল। তাৰে দুটা মোৰ স্মৃতিত ৰৈ গ'ল। এটা আছিল

এয়ে যে যেতিয়া ইউৰোপৰ মেপখন পুনৰ-অংকিত কৰা হৈছিল, আত্ম-নিয়ন্ত্ৰণৰ আদৰ্শটোক অৱজ্ঞা কৰাটো বিপদজনক আছিল। আনটো আছিল এনেধৰণৰ যে গোপনীয় নথি-পত্ৰবোৰ পেলনীয়া কাগজৰ বাস্কেটত দলিয়াই দিয়াটো বিপদজনক, কিয়নো আন কোনোবা প্ৰতিনিধিদলৰ চোৰাংচোৱা সংগঠনে সেইবোৰৰ বিষয়বস্তু নিশ্চয় ক্ৰয় কৰি ল'ব। ইতিহাসৰ এই শিকনিবোৰক অমোঘ শিক্ষা (gospel) বুলি গণ্য কৰা হৈছিল আৰু সেইবোৰে আমাৰ আচাৰ-আচৰণক প্ৰভাৱান্বিত কৰিছিল। এইটো উদাহৰণ নতুন আৰু বৈশিষ্ট্যহীন। কিন্তু তুলনামূলকভাৱে সুদূৰ অতীতৰ ইতিহাসত তাতোতকৈয়ো সুদূৰ অতীতৰ শিক্ষাৰ প্ৰভাৱ বিচাৰি উলিওৱাটো সহজ কাম হ'ব। ৰোমৰ ওপৰত প্ৰাচীন গ্ৰীচৰ প্ৰভাৱৰ কথা প্ৰত্যেকেই জানে। কিন্তু কোনোবা ঐতিহাসিকে ৰোমানসকলে গ্ৰীচৰ ইতিহাসৰ পৰা শিকা শিকনি সম্পৰ্কে অথবা শিকিছিল বুলি তেওঁলোকে নিজে বিশ্বাস কৰিছিল বুলি তাৰ যথাযথ বিশ্লেষণ কৰাৰ চেষ্টা কৰিছিল নে নাই সেই সম্পৰ্কে মই নিশ্চিত নহওঁ। সোতৰ, ওঠৰ আৰু উনৈশ শতিকাৰ পশ্চিম ইউৰোপে ওল্ড টেষ্টামেণ্টৰ ইতিহাসৰ পৰা লোৱা শিকনিসমূহৰ পৰীক্ষাৰ পৰা সন্তোষজনক ফলাফল পাব পৰা গ'লহেঁতেন। ইয়াৰ অবিহনে ইংৰাজৰ পিউৰিটান বিপ্লৱটো সম্পূৰ্ণকৈ বুজি পোৱাটো সম্ভৱ নহ'লহেঁতেন; আৰু বছা বছা মানুহৰ ধাৰণাটো আধুনিক জাতীয়তাবাদৰ উত্থানৰ গুৰুত্বপূৰ্ণ উপাদান আছিল। উনবিংশ শতাব্দীত গ্ৰেট বৃটেইনৰ নতুন শাসক গোষ্ঠীত ক্লাচিকেল শিক্ষাৰ চাব গভীৰভাৱে পৰিছিল। মই ইতিপূৰ্বে উল্লেখ কৰাৰ দৰে নতুন গণতন্ত্ৰৰ নিদৰ্শন হিছাপে গ্ৰ'টেই এথেন্সলৈ আঙুলিয়াই দিছিল; ৰোমান সাম্ৰাজ্যৰ ইতিহাসে সচেতন অথবা অসচেতনভাৱেই হওক বৃটিছ সাম্ৰাজ্য নিৰ্মাতাসকলক বিস্তৃত আৰু গুৰুত্বপূৰ্ণ শিকনি শিকোৱাৰ এক অধ্যয়ন মই দেখিবলৈ পালে ভাল পাম। মোৰ নিজা বিশেষ অধ্যয়নৰ ক্ষেত্ৰতে ৰাচিয়াৰ বিপ্লৱৰ স্ৰষ্টাসকল ফৰাচী বিপ্লৱ, ১৮৪৮ চনৰ বিপ্লৱসমূহ আৰু ১৮৭১ চনৰ পেৰিচ কমিউনৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হৈছিল,— আনকি কোনোৱে সেইটোক চিন্তাবৈকল্য (obsesse) বুলিও ক'ব পাৰে। কিন্তু মই ইয়াত ইতিহাসৰ দ্বৈত চৰিত্ৰই আৰোপ কৰা যোগ্যতাহে (qualification) স্মৰণ কৰিম। ইতিহাসৰ পৰা শিকাটো কেতিয়াও একমুখী যাত্ৰাৰ (one-way) প্ৰক্ৰিয়া নহয়। অতীতৰ আলোকত বৰ্তমানৰ বিষয়ে জনাটোৱে এইটোও বুজায় যে বৰ্তমানৰ আলোকত অতীতক জনা। অতীত আৰু বৰ্তমানৰ পাৰস্পৰিক সম্পৰ্কৰ যোগেদি দুয়োটাৰ সম্পৰ্কে এক গভীৰতৰ উপলব্ধি জগাই তোলাই ইতিহাসৰ কৰ্তব্য।

মোৰ তৃতীয় বক্তব্য হ'ল, ইতিহাসত ভৱিষ্যতবাণীৰ ভূমিকা ঃ কোৱা হয় যে ইতিহাসৰ পৰা কোনো শিক্ষাই লাভ কৰিব নোৱাৰি, কাৰণ, বিজ্ঞানে কৰাৰ দৰে ইতিহাসে ভৱিষ্যত সম্পৰ্কে ভৱিষ্যতবাণী কৰিব নোৱাৰে। এই প্ৰশ্নটো এক ভুল বুজাবুজিৰ

জালত বান্ধ খাই আছে। আমি দেখাৰ দৰে এতিয়া আৰু বৈজ্ঞানিকসকল আগৰ দৰে প্ৰকৃতিৰ সূত্ৰবোৰৰ বিষয়ে ক'বলৈ বৰ বেছি আগ্ৰহী নহয়। আমাৰ সাধাৰণ জীৱনক প্ৰভাৱিত কৰা তথাকথিত বিজ্ঞানৰ সূত্ৰবোৰ প্ৰকৃততে উপায় বা মাৰ্গৰ (tendency) বিবৃতি, অন্যান্য বস্তুবোৰ একেই হ'লে অথবা পৰীক্ষাগাৰৰ পৰিবেশ কি ধৰণৰ হ'লে কি ঘটিব পাৰে সেই সম্পৰ্কীয় বিবৃতি। বিভিন্ন নিৰ্দিষ্ট (concrete) ক্ষেত্ৰত কি ঘটিব, সেইটো ভৱিষ্যতবাণী কৰিব পাৰে বুলি তেওঁলোকে দাবী নকৰে। মাধ্যাকৰ্ষণৰ সূত্ৰই প্ৰমাণ নকৰে যে সেই বিশেষ আপেলটো মাটিত পৰিবই ঃ কোনোবাই সেইটোক বাস্কেটত ধৰি থ'ব পাৰে। পোহৰৰ গতি সৰলৰৈখিক— আলোকবিজ্ঞানৰ (optics) সূত্ৰই এইটো প্ৰমাণ নকৰে যে পোহৰৰ বিশেষ এটা ৰশ্মিক কিবা প্ৰকাৰৰ মধ্যৱৰ্তী বস্তুৱে প্ৰতিসৰিত বা বিচ্ছুৰিত নকৰিব। কিন্তু এইটোৱে এইটোকো নুবুজায় যে এই সূত্ৰবোৰ মূল্যহীন অথবা নীতিগতভাৱে শুদ্ধ নহয়। আমাক কোৱা হৈছে যে আধুনিক ভৌতিক তত্ত্বই (physical theories) সংঘটিত হ'ব পৰা ঘটনাৱলীৰ সম্ভাৱনীয়তাৰহে আলোচনা কৰে। আজিকালি বিজ্ঞানে এইটো কথাহে মনত পেলাবলৈ অধিক আগ্ৰহী যে আৰোহণ পদ্ধতিয়ে (induction) সংগতভাৱে কেৱল সম্ভাৱনীয়তা বা যুক্তিসংগত বিশ্বাসৰ ফালেহে আমাক লৈ যাব পাৰে আৰু ইয়াৰ ঘোষণাবোৰক সাধাৰণ নিয়ম বা পথ-প্ৰদৰ্শক হিছাপেহে গ্ৰহণ কৰিবলৈ অধিক আগ্ৰহী যাৰ স্বীকাৰ্যতা (validity) কেৱল নিৰ্দিষ্ট বা বিশেষ ক্ৰিয়াতহে পৰীক্ষা কৰিব পাৰি। কোঁতে বা কম্‌তে (Comte) কোৱাৰ দৰে 'জ্ঞানৰ পৰা দূৰদৃষ্টি আৰু দূৰদৃষ্টিয়েই কৰ্মৰ উৎস।'[২০] সাধাৰণ আৰু বিশেষ, সাৰ্বজনীন আৰু অনন্যৰ মাজৰ পাৰ্থক্যতেই ইতিহাসত ভৱিষ্যতবাণীৰ প্ৰশ্নটোৰ সূত্ৰ নিহিত হৈ আছে। আমি দেখিছোৱেই যে ঐতিহাসিকে সাধাৰণীকৰণ কৰিবলৈ বাধ্য আৰু তাকে কৰোঁতে তেওঁ ভৱিষ্যত কৰ্মৰ বাবে এনে কিছুমান সাধাৰণ নিৰ্দেশনা (general guide) দিয়ে, যিবোৰ যদিও বিশেষ ভৱিষ্যতবাণী নহয়, দুয়োটাই কিন্তু স্বীকাৰ্য (valid) আৰু ব্যৱহাৰ্য (useful)। কিন্তু তেওঁ নিৰ্দিষ্ট ঘটনাৰ ভৱিষ্যতবাণী কৰিব নোৱাৰে, কাৰণ নিৰ্দিষ্টই হৈছে অনন্য আৰু কাৰণ ইয়াত আকস্মিকতাৰ উপাদানে প্ৰৱেশ কৰে। এই পাৰ্থক্যটোৱে দাৰ্শনিকসকলক বিব্ৰত কৰিলেও সাধাৰণ মানুহৰ বাবে সম্পূৰ্ণ স্পষ্ট। যদি এখন স্কুলৰ দুই বা তিনিজন ল'ৰা-ছোৱালীৰ সৰু আই (measles) ওলাই, আপুনি সিদ্ধান্ত লৈ পেলাব যে মহামাৰীটো বিয়পি পৰিব; আৰু এই ভৱিষ্যতবাণীটো,— যদিহে আপুনি এইটোক সেই বুলি ক'বলৈকে বিচাৰে,— অতীতৰ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰশীল এটা সাধাৰণীকৰণ আৰু এটা কৰ্মসূচীৰ বাবে ই স্বীকাৰ্য আৰু ব্যৱহাৰ্য নিৰ্দেশনা। কিন্তু আপুনি এইবুলি নিৰ্দিষ্টকৈ ভৱিষ্যতবাণী কৰিব নোৱাৰে যে চাৰ্লচ অথবা মেৰীৰো সৰু আই ওলাব। ঠিক একেটা পথেৰেই ঐতিহাসিকো

আগবাঢ়ি যায়। পৰৱৰ্তী মাহত ৰুবিটানিয়াত বিপ্লৱ সংঘটিত হ'ব,— ঐতিহাসিকে এনে ভৱিষ্যতবাণী কৰাটো মানুহে আশা নকৰে। আংশিকভাৱে ৰুবিটানিয়াৰ ঘটনাৱলী সম্পৰ্কে নিৰ্দিষ্ট জ্ঞানৰ পৰা আৰু আংশিকভাৱে তাৰ ইতিহাস অধ্যয়নৰ পৰা তেওঁলোকে স্থি ধৰণৰ সিদ্ধান্তলৈ আহিবলৈ বিচাৰিব, সেইটো হৈছে যে যদিহে কোনোবাই উচটাই দিয়ে অথবা যদিহে চৰকাৰী পক্ষৰ পৰা কোনোৱেই সেইটো বোধ কৰিবলৈ একোকেই নকৰে, ৰুবিটানিয়াৰ পৰিস্থিতি এনে হৈছেগৈ যে অদূৰ ভৱিষ্যতে তাত এটা বিপ্লৱ সংঘটিত হোৱাৰ আশংকা আছে আৰু এই সিদ্ধান্তটো আংশিকভাৱে অন্যান্য বিপ্লৱৰ লগত তুলনা কৰি আৰু বিভিন্ন ক্ষেত্ৰৰ জনসাধাৰণে কেনে দৃষ্টিভংগী গ্ৰহণ কৰাটো আশা কৰিব পাৰি তাৰ এটা মূল্যায়ণ সামৰি লৈ কৰিব পাৰি। এই ভৱিষ্যতবাণী— যদিহে ইয়াক তেনে বুলিয়েই ক'ব পাৰি,— তেনেহ'লে ই ভৱিষ্যতবাণী কৰিব নোৱৰা কেৱল অনন্য ঘটনাৱলীৰ ঘটাৰ মাধ্যমেৰেহে বাস্তৱায়িত হ'ব। কিন্তু ই এইটো নুবুজায় যে ভৱিষ্যত সম্পৰ্কে ইতিহাসৰ পৰা অনুমান আহৰণ কৰাটো মূল্যহীন অথবা, যি একে সময়তে কৰ্মৰ প্ৰদৰ্শক আৰু ঘটনা কিদৰে ঘটে সেই সম্পৰ্কে আমাৰ উপলব্ধিৰ ছাবি-কাঠি হিছাবে কাম কৰে, সেইবোৰৰ মাজত কোনো চৰ্তসাপেক্ষ বৈধতা নাই। মই এইটো ক'ব বিচৰা নাই যে সমাজবিজ্ঞানী বা ঐতিহাসিকৰ ধাৰণাসমূহ (inferences) নিৰ্ভুলতাৰ (precision) ক্ষেত্ৰত ভৌতিক বিজ্ঞানীৰ সমতুল্য অথবা এইক্ষেত্ৰত সিহঁতৰ নিকৃষ্টতাৰ কাৰণ কেৱল সামাজিক বিজ্ঞানসমূহৰ গুৰুতৰ অনগ্ৰসৰতা। যিকোনো দৃষ্টিভংগীৰ মতেই মানুহ আমি জনা আটাইতকৈ জটিল প্ৰাকৃতিক সত্তা আৰু তেওঁৰ আচৰণ অধ্যয়নত এনেধৰণৰ সমস্যা সাঙোৰ খাই থাকিব পাৰে যে যিবোৰ ভৌতিক বিজ্ঞানী সন্মুখীন হ'বলগীয়া হোৱা সমস্যাতকৈ সুকীয়া ধৰণৰ। মই প্ৰতিপন্ন কৰিবলৈ বিচৰাটো এইটোৱেই যে তেওঁলোকৰ লক্ষ্য আৰু পদ্ধতি মূলতঃ বিসদৃশ নহয়।

মোৰ চতুৰ্থ বক্তব্যটোৱে ইতিহাসকে ধৰি সামাজিক বিজ্ঞানসমূহ আৰু ভৌতিক বিজ্ঞানসমূহৰ মাজত পাৰ্থক্যৰ ৰেখা এডাল টনাৰ সপক্ষে এটা বৰ বেছি সুসংহত যুক্তি উত্থাপন কৰে। যুক্তিটো হ'ল এয়ে যে সামাজিক বিজ্ঞানসমূহত আলোচক (subject) আৰু আলোচ্য (object) দুয়োটা একেটা শ্ৰেণীৰে অন্তৰ্ভুক্ত আৰু ইটোৱে সিটোৰ ওপৰত পাৰস্পৰিকভাৱে আন্তঃক্ৰিয়া কৰে। মানৱ সত্তা কেৱল আটাইতকৈ জটিল আৰু তাৰতম্যপূৰ্ণ (variable) প্ৰাকৃতিক সত্তাই নহয়, অন্য প্ৰজাতিৰ স্বতন্ত্ৰ পৰ্যবেক্ষকৰ পৰিবৰ্তে তেওঁলোকক অন্যান্য মানৱ সত্তাই অধ্যয়ন কৰিব লাগিব। জীৱতাত্বিক বিজ্ঞানসমূহৰ দৰে ইয়াত মানুহে তেওঁৰ নিজৰ দৈহিক গঠন আৰু দৈহিক অভিব্যক্তিসমূহ (reactions) অধ্যয়ন কৰিয়েই সন্তুষ্ট নহয়। সমাজবিজ্ঞানী, অৰ্থনীতিবিদ অথবা ঐতিহাসিকে মানুহৰ ইচ্ছাশক্তি সক্ৰিয় হৈ থকা আচৰণৰ বিভিন্ন ৰূপৰ অন্তঃস্থলীত

সোমোৱাৰ প্ৰয়োজন হয়, যাতে তেওঁৰ অধ্যয়নৰ বিষয় মানৱ সত্তাই কিয় তেওঁলোকে কৰাৰ দৰে কাম কৰাৰ বাবে ইচ্ছা কৰিছিল সেইটো নিৰ্ধাৰণ কৰিব পাৰে। ই পৰ্যবেক্ষক আৰু পৰ্যবেক্ষিতৰ মাজত এটা সম্পৰ্ক স্থাপন কৰে যিটো ইতিহাস আৰু সমাজবিজ্ঞানসমূহৰ বাবে বৈশিষ্ট্যপূৰ্ণ। ঐতিহাসিকৰ এই দৃষ্টিভংগী অপৰিবৰ্তনীয়ভাৱে তেওঁ কৰা প্ৰতিটো পৰ্যবেক্ষণতে সোমাই পৰে; ইতিহাস আৰম্ভণিৰ পৰা শেষলৈকে আপেক্ষিকতাৰে (relativity) ভৰা। কাৰ্ল মানহাইমৰ ভাষাত 'আনকি যিবোৰ শ্ৰেণীত অভিজ্ঞতাসমূহ অন্তৰ্ভুক্ত, সংগৃহীত আৰু বিন্যাস কৰা হয় পৰ্যবেক্ষকৰ সামাজিক স্থিতি অনুসৰি ভিন্ ভিন্ হয়।'[২১] কিন্তু এইটোৱেই কেৱল সত্য নহয় যে সমাজবিজ্ঞানীজনৰ পক্ষপাত অপৰিহাৰ্যভাৱে তেওঁৰ সকলোবোৰ পৰ্যবেক্ষণতেই সোমাই পৰিব। এইটোও সত্য যে পৰ্যবেক্ষণৰ প্ৰক্ৰিয়াই যাক পৰ্যবেক্ষণ কৰা হয় তাক প্ৰভাৱিত আৰু সংশোধিত কৰে। আৰু ই দুটা বিপৰীত পথেৰে ঘটিব পাৰে। যিবিলাক মানুহৰ আচৰণক বিশ্লেষণ আৰু ভৱিষ্যত-বাণীৰ বিষয় হিছাপে লোৱা হয়, তেওঁলোকক ভৱিষ্যত-বাণীয়ে আগতীয়াকৈ অবাঞ্ছিত পৰিণামৰ বিষয়ে সতৰ্ক কৰিব পাৰে আৰু তাৰদ্বাৰা তেওঁলোকে তেওঁলোকৰ কামৰ সংশোধন ঘটাবলৈ প্ৰৰোচিত হ'ব পাৰে আৰু তেতিয়া যিমানেই শুদ্ধ বিশ্লেষণৰ ওপৰত নিৰ্ভৰশীল নহওক লাগিলে, ভৱিষ্যত-বাণী আত্ম-ব্যৰ্থতাত পৰ্যবসিত হ'ব। ঐতিহাসিকভাৱে সচেতন ব্যক্তিৰ মাজত কিয় কাচিৎহে ইতিহাসৰ পুনৰাবৃত্তি হয় তাৰ এটা কাৰণ এয়ে যে দ্বিতীয় অভিনয়ৰ সময়ত নাটকীয় চৰিত্ৰসমূহে (dramatis personae) প্ৰথম অভিনয়ৰ চূড়ান্ত পৰিণাম (dinouement) সম্পৰ্কে সতৰ্ক হয় আৰু সেই জ্ঞানে তেওঁলোকৰ কাৰ্য প্ৰভাৱিত কৰে।[২২] বলচেভিকসকলে জানিছিল যে ফৰাচী বিপ্লৱ এজন নেপোলিয়নত শেষ হৈছিল আৰু তেওঁলোকৰ নিজৰ বিপ্লৱবো একেই পৰিসমাপ্তি হ'ব বুলি আশংকা কৰিছিল। সেয়ে তেওঁলোকে তেওঁলোকৰ নেতৃত্বৰ মাজত আটাইতকৈ বেছি নেপোলিয়ন যেন লগা ট্ৰট্স্কিক (Trotsky) অবিশ্বাস কৰিছিল আৰু নেপোলিয়নৰ লগত আটাইতকৈ কম মিল থকা ষ্টেলিনক বিশ্বাস কৰিছিল। কিন্তু এই প্ৰক্ৰিয়াটোৱে বিপৰীত দিশতো কাম কৰিব পাৰে। প্ৰতিষ্ঠিত অৰ্থনৈতিক অৱস্থাসমূহৰ বৈজ্ঞানিক ব্যাখ্যাৰে যিজন অৰ্থনীতিবিদে বজাৰৰ দ্ৰুত উন্নতি (boom) অথবা মন্দাৱস্থা (slump) সমাগত বুলি ভৱিষ্যত-বাণী কৰে, যদি তেওঁৰ প্ৰামাণিকতা (authority) বিশিষ্ট আৰু তেওঁৰ যুক্তিসমূহ প্ৰত্যয়জনক (congent) হয়, তেন্তে তেওঁৰ ভৱিষ্যতবাণীৰ দ্বাৰা ভৱিষ্যত-বাণী কৰা ঘটনাটোলৈ বৰঙণিহে আগবঢ়াব পাৰে। ঐতিহাসিক পৰ্যবেক্ষণসমূহৰ ভিত্তিত যিজন ৰাজনৈতিক বিজ্ঞানীয়ে স্বৈৰতন্ত্ৰ স্বল্পায়ু বুলি প্ৰত্যয় পোষণ কৰে, তেওঁ স্বৈৰাচাৰী শাসকৰ পতনলৈ বৰঙণি যোগাব পাৰে। ভৱিষ্যত-বাণী সফল হোৱাৰ বেছি সম্ভাৱনাৰ প্ৰতি সচেতন উদ্দেশ্যেৰে নিৰ্বাচনত তেওঁলোকৰ নিজৰ

নিজৰ বিজয় সম্পৰ্কে ভৱিষ্যত-বাণী কৰা নিৰ্বাচন প্ৰাৰ্থীৰ আচাৰ-আচৰণৰ লগত আমি প্ৰত্যেকেই পৰিচিত; অৰ্থনীতিবিদ, ৰাজনৈতিক বিজ্ঞানী আৰু ঐতিহাসিকে যেতিয়া ভৱিষ্যত-বাণী কৰাৰ দুঃসাহসিক প্ৰয়াস কৰে, তেতিয়া সেই ভৱিষ্যত-বাণীটো খৰধৰকৈ বাস্তৱত পৰিণত কৰা অ-সচেতন প্ৰত্যাশাৰদ্বাৰা তেওঁলোক কেতিয়াবা অনুপ্ৰাণিত হয় বুলি সন্দেহ হৈ যায়। এই গোটেই জটিল সম্পৰ্কবোৰৰ বিষয়ে নিৰাপদে ক'ব পৰাখিনি এয়ে যে পৰ্যবেক্ষক আৰু তেওঁ যি পৰ্যবেক্ষণ কৰে, সমাজবিজ্ঞানী আৰু তেওঁৰ সমল, ঐতিহাসিক আৰু তেওঁৰ তথ্যৰ মাজৰ পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়া নিৰবচ্ছিন্ন আৰু নিৰবচ্ছিন্নভাবে পৰিবৰ্তন হৈ থাকে আৰু ইয়াক ইতিহাস আৰু সামাজিক বিজ্ঞানসমূহৰ স্বকীয় বৈশিষ্ট্য যেন লাগে।

মই বোধকৰো এইখিনিতে উল্লেখ কৰাটো উচিত হ'ব যে বিগত বছৰবোৰত কিছুমান পদাৰ্থবিদে তেওঁলোকৰ বিজ্ঞানক এনে ভাষাৰে বৰ্ণনা কৰিছে যিটোৱে ভৌতিক বিশ্ব আৰু ঐতিহাসিক জগতৰ মাজত অধিক আকৰ্ষণীয় সাদৃশ্যৰ ইংগিত দিয়ে। প্ৰথমতে, তেওঁলোকৰ অধ্যয়নৰ ফলাফলসমূহত অনিশ্চয়তা আৰু অনিৰ্ণেয়তাৰ নীতি জড়িত হৈ আছে। মোৰ পৰৱৰ্তী বক্তৃতাত মই ইতিহাসত তথাকথিত নিৰ্ণেয়বাদৰ বা ভৱিষ্যবাদৰ (determinism) প্ৰকৃতি আৰু সীমাবদ্ধতাৰ বিষয়ে ক'ম। কিন্তু আধুনিক পদাৰ্থ বিজ্ঞানৰ অনিৰ্ণেয়তা বিশ্ব-প্ৰকৃতিতেই নিহিত আছে অথবা ই কেৱল এতিয়ালৈকে ইয়াৰ সম্পৰ্কে আমাৰ নিজৰ অসম্পূৰ্ণ উপলব্ধিৰহে সূচক (এই বিষয়টো এতিয়াও বিতৰ্কমূলক), ইয়াৰ মাজত আমাৰ ঐতিহাসিক ভৱিষ্যত-বাণী কৰাৰ ক্ষমতা সম্পৰ্কে তাৎপৰ্যপূৰ্ণ সাদৃশ্য বিচাৰি পোৱাৰ বিষয়ে একেই সন্দেহ থকা উচিত, যিদৰে কিছু বছৰৰ পূৰ্বে বিশ্বত স্বাধীন ইচ্ছাৰ ক্ৰিয়া-কলাপ প্ৰমাণৰ সন্ধানত কিছুমান উৎসাহী লোকৰ প্ৰয়াসক সন্দেহ কৰা হৈছিল। দ্বিতীয়তে, আমাক কোৱা হৈছে যে আধুনিক পদাৰ্থ বিজ্ঞানত স্থানৰ দূৰত্ব আৰু সময়ৰ চ্যুতিৰ (lapses) পৰিমাপবোৰ 'পৰ্যবেক্ষকৰ' গতিৰ (motion) ওপৰত নিৰ্ভৰশীল। আধুনিক পদাৰ্থ বিজ্ঞানত 'পৰ্যবেক্ষক' আৰু পৰ্যবেক্ষিত বস্তুৰ মাজত এটা ধ্ৰুৱক সম্পৰ্ক স্থাপন কৰা অসম্ভৱ কাৰণেই সকলোবোৰ পৰিমাপ অন্তৰ্নিহিত তাৰতম্যৰ অধীন; 'পৰ্যবেক্ষক' আৰু পৰ্যবেক্ষিত বস্তু দুয়ো,—অৰ্থাৎ আলোচক (subject) আৰু আলোচ্য (object) দুয়ো,— পৰ্যবেক্ষণৰ চূড়ান্ত ফলাফলত প্ৰৱেশ কৰে। কিন্তু যিহেতু এই বৰ্ণনাসমূহ ঐতিহাসিক আৰু তেওঁৰ পৰ্যবেক্ষণ কৰা বস্তুসমূহৰ মাজত সম্পৰ্কৰ নিম্নতম পৰিবৰ্তনৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব, এই সম্পৰ্কসমূহৰ সাৰমৰ্মটো (essence) প্ৰকৃতাৰ্থত পদাৰ্থবিদ আৰু তেওঁৰ লগত ব্ৰহ্মাণ্ডৰ সম্পৰ্কৰ লগত তুলনীয় বুলি ভাবিবলৈ মই সন্তুষ্টি অনুভৱ নকৰোঁ; আৰু যদিও মই নীতিগতভাৱে বৈজ্ঞানিকৰ দৃষ্টিভংগীৰ পৰা ঐতিহাসিকৰ দৃষ্টিভংগীক পৃথক কৰাৰ পাৰ্থক্যসমূহ অতিৰঞ্জিত নকৰি হ্ৰাস কৰাৰহে

পক্ষপাতী, ত্ৰুটিপূৰ্ণ (imperfect) সাদৃশ্যৰ ওপৰত নিৰ্ভৰ কৰি এই পাৰ্থক্যসমূহক নুই কৰিবলৈ কৰা চেষ্টায়ো একো সহায় নকৰিব।

কিন্তু মোৰ বোধেৰে যিহেতু এইটো কোৱাটো উচিত হ'ব যে সমাজবিজ্ঞানী বা ঐতিহাসিকৰ তেওঁৰ অধ্যয়নৰ বিষয়ৰ লগত একাত্মতা (involvement) ভৌতিক বিজ্ঞানীৰ একাত্মতাৰ ধৰণতকৈ সুকীয়া হ'ব, আৰু আলোচক আৰু আলোচ্যৰ সম্পৰ্কই তোলা প্ৰশ্নসমূহ অন্তহীনভাৱে অধিক জটিল, ইয়াতেই বিষয়টোৰ ইতি নপৰে। গোটেই সোতৰ, ওঠৰ. আৰু ঊনৈশ শতিকা জুৰি বাহাল থকা জ্ঞানৰ ধ্ৰুপদী তত্ত্বসমূহৰ সকলোবোৰে জ্ঞাতা বিষয়ী আৰু জ্ঞাত বিষয়ৰ মাজত এক তীক্ষ্ণ দ্বি-বিভাজন (dichotomy) ধৰি লৈছিল। যি কি নহওক, প্ৰক্ৰিয়াটো ধাৰণা কৰি লোৱা হৈছিল, দাৰ্শনিকসকলে নিৰ্মাণ কৰা আৰ্হিটোৱে বিষয়ী আৰু বিষয়, মানুহ আৰু বহিৰ্জগতক বিভাজিত আৰু বিচ্ছিন্ন হিছাপে দেখুওৱা হৈছিল। এইটো বিজ্ঞানৰ জন্ম আৰু বিকাশৰ মহান যুগ আছিল আৰু জ্ঞানৰ তত্ত্বসমূহ বিজ্ঞানৰ অগ্ৰদূতসকলৰ দৃষ্টিকোণৰ দ্বাৰা প্ৰবলভাৱে প্ৰভাৱিত হৈছিল। মানুহক একেবাৰে বহিৰ্জগতৰ বিপৰীতে প্ৰতিষ্ঠা কৰা হৈছিল। কিবা দুৰ্দম্য আৰু সম্ভাৱনীয়তাৰে ভৰা শত্ৰুৰ সৈতে কৰাৰ দৰে তেওঁ ইয়াৰ লগত হতাহতি যুদ্ধত লিপ্ত হৈছিল,— দুৰ্দম্য কাৰণ ইয়াক বুজি পোৱা কষ্টকৰ আছিল, সম্ভাৱনীয়তাৰে ভৰা শত্ৰু কাৰণ তাক আয়ত্তাধীন কৰাটো কষ্টকৰ। আধুনিক বিজ্ঞানৰ বিজয়ৰ লগে লগে এই দৃষ্টিভংগী ক্ৰান্তিকাৰীভাৱে সংশোধিত হৈছিল। আজিকালিৰ বৈজ্ঞানিকে প্ৰাকৃতিক শক্তিসমূহক যুঁজ কৰিবলগীয়া শত্ৰু বুলি ভবাতকৈ সহযোগ কৰিবলগীয়া আৰু তেওঁৰ উদ্দেশ্যত প্ৰয়োগ কৰিব পৰাকৈ নিয়ন্ত্ৰণ কৰিবলগীয়া শক্তি বুলিহে ভাবে। জ্ঞানৰ ধ্ৰুপদী তত্ত্বসমূহ নতুনত্বৰ বিজ্ঞানৰ লগত খাপ নোখোৱা হৈ পৰিল, পদাৰ্থ বিজ্ঞানৰ লগততো নাখায়েই। আচৰিত হ'বলগীয়া নহয় যে বিগত পঞ্চাশ বছৰৰ ভিতৰত দাৰ্শনিকসকলে সেইবোৰক সন্দেহ কৰিবলৈ আৰম্ভ কৰিলে, আৰু বিষয়ৰ পৰা বিষয়ীক ক্ষিপ্ৰতাৰে বিচ্ছিন্ন কৰাৰ পৰিবৰ্তে জ্ঞানৰ প্ৰক্ৰিয়াটোত সিহঁতৰ ভিতৰত পাৰস্পৰিক সম্পৰ্ক আৰু পাৰস্পৰিক নিৰ্ভৰশীলতাৰ এটা ব্যৱস্থা জড়িত কৰাটো স্বীকাৰ কৰি ল'বলৈ আৰম্ভ কৰিলে। এইটো কথা কিন্তু সামাজিক বিজ্ঞানসমূহৰ বাবে অত্যন্ত তাৎপৰ্যপূৰ্ণ। মোৰ প্ৰথমটো বক্তৃতাত মই পৰামৰ্শ দিছিলো যে ইতিহাসৰ অধ্যয়নক জ্ঞানৰ পৰম্পৰাগত অভিজ্ঞতাবাদী তত্ত্বৰ লগত খাপ খুৱাই লোৱাটো জটিল। মই এতিয়া যুক্তি দৰ্শাব বিচাৰোঁ যে সামগ্ৰিকভাৱে সামাজিক বিজ্ঞানসমূহে যিহেতু মানুহক বিষয়ী আৰু বিষয়, অনুসন্ধানকাৰী আৰু অনুসন্ধান কৰা বিষয় হিছাপে জড়িত কৰে, সিহঁত বিষয়ী আৰু বিষয়ৰ মাজত এক কঠোৰ বিচ্ছেদ ঘোষণা কৰা জ্ঞানৰ তত্ত্বৰ লগত বিৰোধী। সমাজতত্ত্বই এক সংহত তাত্ত্বিক গোট হিছাপে নিজক প্ৰতিষ্ঠা কৰাৰ

চেষ্টাত অত্যন্ত সংগতভাৱেই জ্ঞানৰ সমাজতত্ত্ব নামেৰে এটা শাখা প্ৰতিষ্ঠা কৰিছে। অৱশ্যে ই এতিয়াও বৰ বেছি আগুৱাব পৰা নাই, মই সন্দেহ কৰা মতে মূলতঃ এই কাৰণেই যে ই এটা পৰম্পৰাগত জ্ঞানৰ তত্ত্বৰ পিঞ্জৰাৰ ভিতৰতে ঘূৰি থাকিয়েই সন্তুষ্টি লাভ কৰিছে। দাৰ্শনিকসকলে যদিহে প্ৰথমে আধুনিক ভৌতিক বিজ্ঞানৰ আৰু বৰ্তমান আধুনিক সামাজিক বিজ্ঞানৰ প্ৰভাৱত এই পিঞ্জৰা ভাঙি ওলাই আহিবলৈ আৰম্ভ কৰে, এক নিষ্ক্ৰিয় চৈতন্যৰ (passive conciousness) ওপৰত সমলৰ প্ৰভাৱৰ পুৰণি বিলিয়াৰ্ড-বলৰ আৰ্হিতকৈ জ্ঞানৰ প্ৰক্ৰিয়াসমূহৰ বাবে আটাইতকৈ নতুন (more up-to-date) আৰ্হি নিৰ্মাণ কৰে, তেতিয়াহ'লে সেইটো সামাজিক বিজ্ঞানসমূহৰ বাবে আৰু বিশেষকৈ ইতিহাসৰ বাবে এটা শুভ লক্ষণ হ'ব। এইটো এটা গুৰুত্ব থকা বিষয়, যেতিয়া মই ইতিহাসত বস্তুনিষ্ঠতা বুলিলে আমি কি অৰ্থ কৰোঁ, পিছত সেইটো আলোচনা কৰোঁতে মই এইটো বিষয়লৈ ঘূৰি যাম।

অন্তিম যদিও অন্ত নোহোৱা দৃষ্টিকোণ এই যে ইতিহাস যিহেতু ধৰ্ম আৰু নৈতিকতাৰ প্ৰশ্নসমূহৰ লগত অন্তৰঙ্গভাৱে জড়িত, সিয়ে ইতিহাসক সাধাৰণভাৱে বিজ্ঞানৰ পৰা আৰু বোধহয় আনকি, আন আন সামাজিক বিজ্ঞানসমূহৰ পৰাও পৃথক কৰিছে। ইতিহাসৰ লগত ধৰ্মৰ সম্পৰ্কৰ বিষয়ে মোৰ নিজা স্থিতি স্পষ্ট কৰি দিবৰ বাবে যিমানখিনিৰ প্ৰয়োজন সিমানখিনিহে মই ক'ম। এজন নিষ্ঠাবান জ্যোতিৰ্বিদ হ'বলৈ হ'লে বিশ্ব-ব্ৰহ্মাণ্ডখন সৃষ্টি আৰু শৃংখলিত কৰা এজন ঈশ্বৰৰ ওপৰত থকা বিশ্বাসৰ ৰাহি-যোৰা আহিব লাগিব। কিন্তু গ্ৰহৰ গতিপথ পৰিবৰ্তন কৰিবলৈ, গ্ৰহণ এটা স্থগিত ৰাখিবলৈ অথবা মহাজাগতিক লীলাৰ নিয়ম-কানুন সলাই দিবলৈ ইচ্ছামতে হস্তক্ষেপ কৰা ভগৱানৰ ওপৰত বিশ্বাসৰ সৈতে এই ধৰণৰ বিশ্বাসৰ কোনো সামঞ্জস্য নাই। একেদৰেই মাজে সময়ে কোৱা হয় যে এজন নিষ্ঠাবান ঐতিহাসিকে সামগ্ৰিকভাৱে ইতিহাসৰ গতিধাৰাক শৃংখলিত কৰা আৰু তাক অৰ্থবহ কৰি তোলা ঈশ্বৰ এজনৰ ওপৰত বিশ্বাস কৰিব পাৰে যদিয়ো আমালেকাইট্‌চ্‌সকলক (Amalekites) হত্যা কৰিবলৈ হস্তক্ষেপ কৰা অথবা জোচুৱাৰ (Joshua) সৈন্যবাহিনীৰ সুবিধাৰ্থে দিনৰ পোহৰৰ সময় বৃদ্ধি কৰি দিনপঞ্জী ছলনা (cheats) কৰা অল্ড টেষ্টামেন্টৰ ধৰণৰ ঈশ্বৰত বিশ্বাস কৰিব নোৱাৰে। কোনোবা নিৰ্দিষ্ট ঐতিহাসিক ঘটনাৱলীৰ ব্যাখ্যা হিচাপে তেওঁ ভগৱানৰ দোহাই দিব নোৱাৰে। ফাদাৰ ডা আৰ্চিয়ে (Father D' Arcy) এখন সাম্প্ৰতিক গ্ৰন্থত এই পাৰ্থক্যটো দেখুৱাবলৈ চেষ্টা কৰিছিল ঃ

> 'ছাত্ৰ এজনে ইতিহাসৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰত এইটো ঈশ্বৰৰ আঙুলিৰ নিৰ্দেশ মতে হৈছে বুলি ক'লে নহ'ব। যেতিয়ালৈকে আমি সাংসাৰিক ঘটনাৱলী আৰু মানৱীয় নাটকক আটাইতকৈ বেছিকৈ পৰিপাটী লগাব নোৱাৰোঁ ব্যাপকতৰ বিবেচনাসমূহ আলোচনাৰ মাজলৈ টানি অনাৰ অধিকাৰ নাই।'[৩৩]

এই দৃষ্টিভংগীটোৰ অস্বস্তিকৰ অৱস্থাটো এয়ে যে ই ধৰ্মক তাচপাতৰ জ'কাৰৰ (Joker) দৰে ব্যৱহাৰ কৰা যেন লাগে,— যাক আন কোনো উপায়েৰেই ব্যৱহাৰ কৰিব নোৱাৰি প্ৰকৃততে গুৰুত্বপূৰ্ণ চাল (tricks) সমূহৰ বাবে সংৰক্ষণ কৰি ৰাখি থোৱা হয়। লুথাৰপন্থী ধৰ্মতাত্বিক কাৰ্ল বাৰ্থে (Karl Barth) যেতিয়া ধৰ্মীয় আৰু ধৰ্মনিৰপেক্ষ ইতিহাসৰ মাজত এক সম্পূৰ্ণ বিভাজন ঘোষণা কৰিছিল আৰু দ্বিতীয় বিধক চেকুলাৰসকলৰ হাতত শোধাই দিব লাগে বুলি কৈছিল, তেওঁ ঠিকেই কৰিছিল। মই যদি অধ্যাপক বাটাৰফিল্ডক বুজিছো, তেওঁ যেতিয়া 'যান্ত্ৰিক' (technical) ইতিহাসৰ কথা কৈছিল, তেৰোঁ সেই একে অৰ্থকে বুজাইছিল। যান্ত্ৰিক ইতিহাসেই একমাত্ৰ এক প্ৰকাৰৰ ইতিহাস, যাক আপুনি বা মই লিখাৰ সম্ভাৱনা আছে অথবা তেৰোঁ নিজেই লেখিছে। কিন্তু এই অদ্ভুত বিশেষণটো ব্যৱহাৰ কৰি তেওঁ এক নিগূঢ় অথবা দৈৱিক (providential) ইতিহাসৰ ওপৰত বিশ্বাস কৰাৰ অধিকাৰ সংৰক্ষিত কৰিছে যাৰ সৈতে আমিবোৰে নিজকে জড়িত কৰাৰ কোনো প্ৰয়োজন নাই। বাৰ্ডায়াভ (Berdyaev), নেইবুৰ (Niebuhr) আৰু মাৰিটাইনৰ (Maritain) দৰে লেখকে ইতিহাসৰ স্বয়ংসম্পূৰ্ণ মৰ্যাদাৰ (autonomous status) পোষকতা কৰে বুলি কোৱা হয়, কিন্তু তেওঁলোকে দাবী কৰে যে ইতিহাসৰ উদ্দেশ্য (end) আৰু লক্ষ্যৰ (goal) স্থিতি ইতিহাসৰ বাহিৰতহে। ব্যক্তিগতভাৱে মই ইতিহাসৰ অখণ্ডতাক (integrity) যাৰ ওপৰত ইয়াৰ অৰ্থ আৰু গুৰুত্ব নিৰ্ভৰ কৰে তেনে ধৰণৰ কিবা প্ৰকাৰৰ অতি-ঐতিহাসিক (super-historical) শক্তিৰ সৈতে সমন্বয় সাধন কৰিবলৈ টান পাওঁ,— লাগিলে সেইটো শক্তি প্ৰিয়লোকৰ (chosen people) এজন ঈশ্বৰেই হওক, বা এজন খ্ৰীষ্টিয়ান ঈশ্বৰেই হওক, পৰমেশ্বৰবাদীৰ (deist) অদৃশ্য হাতেই (hidden hand) হওক অথবা হেগেলৰ বিশ্ব সত্তাই (World spirit) হওক। এই বক্তৃতামালাৰ উদ্দেশ্যে মই ধৰি ল'ম যে ঐতিহাসিকে কোনো দৈৱশক্তিৰ (deus ex machina) সহায় নোলোৱাকৈ তেওঁৰ সমস্যাসমূহ সমাধান কৰিব লাগিব, কিয়নো ইতিহাস জ'কাৰ নোহোৱাকৈয়ে খেলা তাচপাতৰ খেলহে।

ইতিহাসৰ লগত নৈতিকতাৰ সম্পৰ্কটো অধিক জটিল আৰু অতীতত এই সম্পৰ্কে হোৱা আলোচনাবোৰৰ বহুবোৰ দ্ব্যৰ্থকতাৰে ভৰা। ঐতিহাসিকে তেওঁৰ কাহিনীৰ চৰিত্ৰবোৰৰ ব্যক্তিগত জীৱন সম্পৰ্কে নৈতিক ৰায় দিয়া নিষ্প্ৰয়োজন বুলি যুক্তি দাঙি ধৰাৰেই প্ৰয়োজন নাই। ঐতিহাসিক আৰু নীতিজ্ঞ লোকৰ দৃষ্টিভংগী অভিন্ন নহয়। বেয়া স্বামী হ'লেও অষ্টম হেন্ৰি এজন ভাল ৰজা আছিল। কিন্তু বেয়া স্বামী হোৱাটোৱে যিমান দূৰলৈকে ঐতিহাসিক ঘটনাৱলী প্ৰভাৱিত কৰে, সিমানলৈকেহে তেওঁ ঐতিহাসিকৰ বিচাৰ্য বিষয় হ'ব। কিন্তু তেওঁৰ যদি নৈতিক দুষ্কাৰ্যবোৰে দ্বিতীয় হেন্ৰিৰ দৰেই ৰাজহুৱা

জীৱনৰ ওপৰতে যৎসামান্য আপাত প্ৰভাৱহে পেলায়, ঐতিহাসিকে সেইবোৰক লৈ মূৰ ঘমোৱাৰ প্ৰয়োজন নাই। এইটো দোষ-গুণ উভয় ক্ষেত্ৰতে প্ৰযোজ্য। কোনোবাই কোৱাৰ দৰে পেষ্টেউৰ (Pasteur) আৰু আইনষ্টাইনৰ পাৰিবাৰিক জীৱন আদৰ্শনীয়, আনকি সন্তসদৃশ আছিল। কিন্তু ধৰক, তেওঁলোক যদি অবিশ্বাসী স্বামী, নিৰ্দয় পিতৃ আৰু অসঙ্গাতী সহকৰ্মী হ'লহেঁতেন, তেওঁলোকৰ ঐতিহাসিক কৃতিত্ব কম হ'লহেঁতেন নেকি? আৰু এনেবোৰেই ঐতিহাসিকক পূৰ্বব্যস্ত (preoccupy) কৰি ৰাখে। ষ্টেলিনে বোলে তেওঁৰ দ্বিতীয়া পত্নীৰ লগত নিৰ্দয়তা আৰু মমতাহীনতাৰে ব্যৱহাৰ কৰিছিল, কিন্তু চোভিয়েট সমস্যাৱলীৰ ঐতিহাসিক হিছাপে মই নিজে সেইটোৰ প্ৰতি আগ্ৰহী নহওঁ। ইয়ে এইটো নুবুজায় যে ব্যক্তিগত নৈতিকতা গুৰুত্বপূৰ্ণ নহয়, অথবা নৈতিকতাৰ ইতিহাস ইতিহাসৰ এটা বৈধ অংগ নহয়। কিন্তু ঐতিহাসিকে তেওঁৰ ৰচনাত আৰ্বিভাৱ হোৱা ব্যক্তিসকলৰ ব্যক্তিগত জীৱনৰ ওপৰত নৈতিক ৰায় ঘোষণা কৰিবলৈ ঘূৰি নাচায়। তেওঁৰ কৰিবলগীয়া আন কাম থাকে।

ৰাজহুৱা কৰ্মৰাজিৰ ওপৰত নৈতিক ৰায় দিয়াৰ প্ৰশ্নটোৱে অধিক গুৰুত্বপূৰ্ণ দ্ব্যৰ্থকতাৰ সৃষ্টি কৰে। তেওঁৰ নাটকীয় চৰিত্ৰসমূহৰ ওপৰত নৈতিক ৰায় প্ৰদান কৰিবলৈ ঐতিহাসিকৰ কৰ্তব্যৰ ওপৰত বিশ্বাসৰ এক দীঘলীয়া ইতিবৃত্ত (pedigree) আছে। কিন্তু যেতিয়া ইয়াক সমসাময়িক যুগৰ নৈতিককৰণৰ প্ৰৱণতা আৰু ব্যক্তিবাদৰ অদমনীয় মতবাদে পুনৰ সুদৃঢ় কৰি তুলিছিল, সেই উনৈশ শতিকাৰ বৃটেইনত ই যিমান শক্তিশালী আছিল, তাৰ পূৰ্বে কেতিয়াও তেনে নাছিল। ৰ'জবেৰিয়ে (Rosebery) মন্তব্য দিছিল যে ইংৰাজসকলে নেপোলিয়নৰ বিষয়ে যিটো জানিবলৈ বিচাৰিছিল সেইটো হৈছে তেওঁ 'এজন ভাল মানুহ' আছিল নে নাই।[২৪] ক্ৰেইটনৰ (Creighton) লগত হোৱা চিঠি-পত্ৰৰ আদান-প্ৰদানত এক্টনে ঘোষণা কৰিছিল যে 'নৈতিক বিধানৰ অনমনীয়তাই ইতিহাসৰ প্ৰামাণিকতা (authority), মৰ্যাদা আৰু উপযোগিতাৰ গোপন ৰহস্য (secret)' আৰু ইতিহাসক 'বাক-বিতণ্ডাৰ এক বিচাৰক, অনাই বনাই ফুৰাৰ এজন পথ-প্ৰদৰ্শক আৰু সেই নৈতিক মানদণ্ডৰ সমৰ্থক যাক জগত আৰু ধৰ্মৰ শক্তিয়ে নিজে অনবৰতে হেঁচা মাৰি ধৰি ৰাখিবলৈ বিচাৰে'[২৫]— এই দৃষ্টিভংগী এক্টনৰ ঐতিহাসিক তথ্যৰ নৈৰ্ব্যক্তিকতা (objectivity) আৰু সাৰ্বভৌমত্বৰ প্ৰায় ৰহস্যবাদী বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত, ইতিহাসৰ নামত এক প্ৰকাৰৰ অতি-ঐতিহাসিক শক্তিৰ দৰে যিয়ে ঐতিহাসিক ঘটনাৱলীত অংশগ্ৰহণ কৰা ব্যক্তিসকলৰ সম্পৰ্কে নৈতিক ৰায় দিয়াৰ বাবে দেখ্‌দেখ্‌কৈ ঐতিহাসিকক দাবী কৰে আৰু অধিকাৰ দিয়ে। এই দৃষ্টিভংগী এতিয়াও মাজেসময়ে অবাঞ্ছিত ৰূপত পুনৰাবিৰ্ভাৱ হয়। অধ্যাপক টয়নবীয়ে মুচোলিনিয়ে ১৯৩৫ চনত আবিচিনীয়া আক্ৰমণ কৰাটোক 'স্বেচ্ছাকৃত ব্যক্তিগত পাপ' বুলি বৰ্ণনা কৰিছিল;[২৬] আৰু ইতিমধ্যে উদ্ধৃত, ছাৰ ইছাইয়া বাৰ্লিনৰ ৰচনাখনত অত্যন্ত উথ্মাৰে সৈতে আঁকোৰগোজ হৈ ধৰিছিল যে 'চাৰ্লিমান

(Charlemagne) বা নেপোলিয়ন বা জেংঘিচ খান বা হিটলাৰ বা ষ্টেলিনক তেওঁলোকে কৰা হত্যাকাণ্ডৰে বিচাৰ কৰাটো' ঐতিহাসিকৰ কৰ্তব্য।[২৭] অধ্যাপক ন'লচে (Knowles) এই দৃষ্টিভংগীক যথেষ্ট ভৎৰ্সনা কৰিছিল, যি তেওঁৰ উদ্বোধনী বক্তৃতাত মট্‌লিয়ে (Motley) দ্বিতীয় ফিলিপক নিন্দা কৰাটো উদ্ধৃত কৰিছিল ('যদি এনে কিবা পাপ আছে যাৰ পৰা তেওঁক ৰেহাই দিয়া হৈছিল, তাৰ কাৰণ এইহে যে আনকি পাপৰ ক্ষেত্ৰতো অত্যুৎকৃষ্টতা অৰ্জন কৰিবলৈ দিবলৈ মানৱ প্ৰকৃতি মান্তি নহয়') আৰু ৰজা জনৰ (King John) বিষয়ে স্তাবে (Stubb) দিয়া বৰ্ণনাটোক ('এজন ব্যক্তিক কলংকিত কৰিব পৰা প্ৰতিটো অপৰাধৰ দ্বাৰাই কলুষিত।') ব্যক্তিৰ ওপৰত নৈতিক ৰায়ৰ উদাহৰণস্বৰূপে উদ্ধৃত কৰিছিল, যি ঘোষণা কৰাটো ঐতিহাসিকৰ যোগ্যতাৰ ভিতৰত নপৰে ঃ 'ঐতিহাসিকজন এজন বিচাৰক নহয়, ফাঁচী দিয়া বিচাৰকতো নহয়েই।'[২৮] এইটো বিষয়ত ক্ৰ'চেৰো এটা সুন্দৰ ছেদ আছে, যিটো মই উদ্ধৃত কৰিম ঃ

> 'অভিযোগটোৱে সেই ডাঙৰ পাৰ্থক্যটো পাহৰি যায় যে আমাৰ ট্ৰিবুনেলবোৰ (ন্যায়িকেই হওক বা নৈতিকেই হওক) হৈছে জীৱন্ত, কৰ্মঠ আৰু বিপদজনক মানুহৰ বাবে গঠন কৰা আজিৰ দিনৰ ট্ৰিবুনেল, যিহেতু সেইবোৰ মানুহ ইতিমধ্যেই তেওঁলোকৰ সময়ৰ ট্ৰিবুনেলত হাজিৰ হৈছিলেই, তেওঁলোকক দ্বিতীয়বাৰৰ বাবে দণ্ডিত অথবা খালাচ দিব নোৱাৰি। যেনে ধৰণৰেই নহওক লাগিলে, তেওঁলোকক কোনো ট্ৰিবুনেলৰ সন্মুখতেই অভিযুক্ত কৰিব নোৱাৰি, কিয়নো তেওঁলোক অতীতৰ মানুহ, যিসকল অতীতৰ শান্তিৰ অন্তৰ্গত আৰু সেয়ে তেওঁলোক ইতিহাসৰহে বিষয়, তেওঁলোকৰ কৰ্মৰ মৰ্মত (spirit) প্ৰৱেশ কৰা আৰু উপলব্ধি কৰাৰ বাহিৰে তেওঁলোক আন কোনো ৰায়ৰ সন্মুখীন হ'ব নালাগে। যিসকলে ইতিহাস বৰ্ণনাৰ অজুহাতত ক'ৰবাত দোষী সাব্যস্ত কৰি আৰু ক'ৰবাত দোষ মাৰ্জনা (absolution) কৰি বিচাৰক হিছাপে কৰ্মব্যস্ততা জাহিৰ কৰে, কাৰণ তেওঁলোকে ভাবে যে এয়াই ইতিহাসৰ বৃত্তি (office)..... সাধাৰণতে তেওঁলোক ইতিহাস-বোধ শূন্য বুলি পৰিচিত হয়।[২৯]

আৰু যদি কোনোবাই এই মন্তব্যক দোষাৰোপ কৰে যে হিটলাৰ বা ষ্টেলিন, অথবা যদি আপুনি বিচাৰে, চিনেটৰ মেক্‌কাৰ্থিৰ (Mc Carthy) ওপৰত নৈতিক ৰায় দিয়াটো আমাৰ কাম নহয়, তেন্তে এইটো এইবাবেই যে তেওঁলোক আমাৰ বহুতৰে সমসাময়িক আছিল, কাৰণ তেওঁলোকৰ কামৰদ্বাৰা প্ৰত্যক্ষ কিম্বা পৰোক্ষভাৱে কষ্ট ভোগ কৰিবলগীয়া হোৱা সকলৰে হাজাৰ-বিজাৰ লোক এতিয়াও জীয়াই আছে আৰু চমুকৈ, সেই কাৰণেই ঐতিহাসিক হিছাপে আমি তেওঁলোকৰ ওচৰ চপাটো আৰু যিয়ে তেওঁলোকৰ কৰ্মৰাজিৰ ওপৰত নৈতিক ৰায় দিয়াৰ ক্ষেত্ৰত আমাক ন্যায়সংগত বুলি ভাবিব পৰা আন সকলোবোৰ ক্ষমতাৰ পৰা নিজকে নিলগাই ৰখাটো মস্কিল কাম ঃ সমসাময়িক ঐতিহাসিকৰ অস্বস্তিবিলাকৰ ভিতৰত ইয়ো এটা অস্বস্তি— মই ক'ম— প্ৰধান অস্বস্তি। কিন্তু চাৰ্লামেন কিম্বা নেপোলিয়নৰ পাপৰ কাৰণে তেওঁলোকক অভিযুক্ত কৰি আজি কাৰ কি লাভ হ'ব?

গতিকে কাঁচিব হুকুম দিয়া বিচাৰক হিচাপে থকা ঐতিহাসিকৰ ধাৰণাটো আমি নাকচ কৰোঁ আৰু অতীতৰ ব্যক্তিৰ বিষয়ে নহয়, তাতোতকৈয়ো অধিক জটিল অথচ অধিক লাভজনক অতীতৰ ঘটনাৱলী, প্ৰতিষ্ঠান আৰু নীতিসমূহৰ বিষয়ে নৈতিক ৰায় দিয়াৰ প্ৰশ্নটোলৈ মনোযোগ দিওঁ। এইবোৰেই ঐতিহাসিকৰ কাৰণে গুৰুত্বপূৰ্ণ ৰায়; আৰু যিসকলে অত্যন্ত আবেগিকভাৱে ব্যক্তিক নৈতিক নিন্দা কৰাটোত জোৰ দিয়ে, তেওঁলোকে কেতিয়াবা সমগ্ৰ গোট আৰু সমাজৰ কাৰণেই অসচেতনভাৱে এটা অজুহাত (alibi) উলিয়াই দিয়ে। ফৰাচী বিপ্লৱক নেপোলনীয় যুদ্ধৰ বিপৰ্যয় আৰু ৰক্তপাতৰ দায়দায়িত্বৰ পৰা ৰেহাই দিবলৈ বিচাৰি ফৰাচী ঐতিহাসিক লেফেভৰে (Lefebvre) সেইবোৰৰ বাবে 'এজন সেনাপতিৰ একনায়কত্ব, যাৰ মেজাজে শান্তি আৰু সংযমক সহজে মানি ল'ব নোৱাৰিছিল'[৩০] বুলি তেওঁত আৰোপ কৰিছিল। যিখন সমাজে হিটলাৰক সৃষ্টি কৰিছিল সেইখন সমাজৰ ওপৰত দিয়া নৈতিক ৰায়ৰ সন্তোষজনক বিকল্প হিচাপে আজিকালি জাৰ্মানসকলে হিটলাৰৰ ব্যক্তিগত দুৰাচাৰক অভিযুক্ত কৰাটোক স্বাগতম জনায়। ৰুচ, ইংৰাজ আৰু আমেৰিকানসকলে তেওঁলোকৰ নিজৰ সামুহিক দুষ্কাৰ্যৰ বাবে বলিৰ পঠাৰ দৰে ষ্টেলিন, নেভিল চেম্বাৰলেইন (Neville Chamberlain) বা মেক্‌কাৰ্থিৰ বিৰুদ্ধে ব্যক্তিগত আক্ৰমণত তৎক্ষণাৎ যোগ দিয়ে। তদুপৰি ব্যক্তি সম্পৰ্কে দিয়া প্ৰশংসাসূচক নৈতিক ৰায় ব্যক্তিগৰাকীৰ নৈতিক নিন্দাবাদৰ দৰেই বিভ্ৰান্তিকৰ আৰু ক্ষতিকাৰক হ'ব পাৰে। দাসত্বক অনৈতিক আছিল বুলি গৰিহণা দিয়াৰ বিপৰীতে কিছুমান দাস-মালিক (slave-owners) উচ্চমনা আছিল বুলি সঘনাই এটা অজুহাত ব্যৱহাৰ কৰা হৈছিল। মাক্স ৱেবাৰে (Max Weber) 'য'ত পুঁজিবাদে শ্ৰমিক অথবা ঋণগ্ৰস্তজনক জালত বন্দী কৰি পেলায়, তাত প্ৰভুবিহীন দাসত্ব'ৰ কথা আঙুলিয়াই দিছে আৰু সঠিকভাৱেই যুক্তি দাঙি ধৰিছে যে ঐতিহাসিকে অনুষ্ঠান সম্পৰ্কেহে নৈতিক ৰায় দিয়া উচিত, যি সেইটো সৃষ্টি কৰিছিল সেই ব্যক্তিসকলৰ সম্পৰ্কে নহয়।[৩১] ঐতিহাসিকে প্ৰাচ্যৰ এজন স্বৈৰাচাৰী শাসকৰ সম্পৰ্কত ৰায় নিদিয়ে। কিন্তু ধৰক, তেওঁ প্ৰাচ্যৰ স্বৈৰতন্ত্ৰ আৰু পেৰিক্লিচীয় এথেন্সৰ অনুষ্ঠানবোৰৰ মাজত উদাসীন আৰু নিৰপেক্ষ হৈ ৰোৱাৰ প্ৰয়োজন নাই। তেওঁ ব্যক্তিগত দাস-মালিকৰ সম্পৰ্কে ৰায় নিদিব। কিন্তু ইয়ে তেওঁক দাস-স্বত্ব থকা সমাজক অভিযুক্ত কৰাৰ বিৰুদ্ধে বাধা নিদিয়ে। আমি ইতিমধ্যে দেখিছো যে ঐতিহাসিক তথ্যই কিছু পৰিমাণৰ ব্যাখ্যা পূৰ্বধাৰণা (presuppose) কৰি লয়; আৰু ঐতিহাসিক ব্যাখ্যাত সদায় নৈতিক ৰায় জড়িত হৈ থাকে, অথবা আপুনি যদি এটা নিৰপেক্ষ যেন লগা নাম পছন্দ কৰে, তেন্তে সেইটো হৈছে মূল্যবোধৰ ৰায় (value judgements)।

অৱশ্যে এয়া মাথোন আমাৰ অসুবিধাৰ আৰম্ভণিহে। ইতিহাস এক সংগ্ৰামৰ প্ৰক্ৰিয়া, য'ত আমি সেইবোৰক ভাল বুলিয়েই বা বেয়া বুলিয়েই ৰায় দিবলৈ লাগিলে, কিছুমান গোষ্ঠীয়ে প্ৰত্যক্ষভাৱেই হওক বা পৰোক্ষভাৱেই হওক— আৰু প্ৰায়েই পৰোক্ষতকৈ প্ৰত্যক্ষভাৱেহে— আনবোৰৰ বিনিময়ত ফলাফল লাভ কৰে। পৰাজিতসকলেই ভৰিবলগীয়া হয়। কষ্টভোগ বা নিৰ্যাতন (suffering) ইতিহাসত সহজাত (indigenous)। ইতিহাসৰ প্ৰতিটো মহান যুগতে যিদৰে বিজয়লাভ আছে, ঠিক তেনেদৰেই আহত-নিহতো (causualities) আছে। এইটো এটা অত্যন্ত জটিল প্ৰশ্ন, কাৰণ আমাৰ হাতত এনে কোনো মাপকাঠি নাই যিয়ে আমাক কিছুমানৰ বাবে বৃহত্তৰ মঙ্গলৰ বিপৰীতে কিছুমানৰ ত্যাগৰ মাজত ভাৰসাম্য ৰক্ষা কৰিবলৈ আমাক সক্ষম কৰিব ঃ তথাপি তেনে কিবা এটা ভাৰসাম্য ৰক্ষা কৰিবই লাগিব। এইটো একান্তভাৱে কেৱল ইতিহাসৰে সমস্যা নহয়। সাধাৰণ জীৱন-যাত্ৰাত আমি মাজে মাজে কম অনিষ্টকাৰীটোক পছন্দ কৰাৰ প্ৰয়োজনীয়তা অথবা শুভপ্ৰাপ্তিৰ সম্ভাৱনাত অশুভটোকে কৰাটো স্বীকাৰ কৰাৰ যত্ন কৰাত খুব সঘনাই জড়িত হওঁ। ইতিহাসত এই প্ৰশ্নটো মাজেসময়ে 'প্ৰগতিৰ খৰচ' অথবা 'বিপ্লৱৰ মূল্য' ধৰণৰ ৰঙীণ শিৰোনামাৰে আলোচনা কৰা হয়। এইটো বিভ্ৰান্তিকৰ। বেকনে On Innovations (উদ্ভাৱনৰ প্ৰসংগত) শীৰ্ষক ৰচনাখনত কোৱাৰ দৰে 'পৰম্পৰাৰ উচ্ছৃংখল অৱধাৰণ (retention) এটা নতুন উদ্ভাৱনৰ (innovation) দৰে একেই অশান্ত বস্তু।' নতুন উদ্ভাৱনৰ বাবে নিজস্ব সা-সুবিধাৰ (priviledges) পৰা বঞ্চিত হোৱা সকলে যিদৰে মূল্য ভৰিবলগীয়া হয়, ঠিক তেনেদৰেই অৱহেলিতসকলেও (under-priviledged) ভীষণভাৱে সংৰক্ষণৰ বাবে মূল্য ভৰিবলগীয়া হয়। কিছুমান লোকৰ মংগলে আন কিছুমান লোকৰ কষ্টভোগক ন্যায়সংগত বুলি প্ৰতিপন্ন কৰা তত্ত্বটো সকলোবোৰ চৰকাৰতে অন্তৰ্নিহিত হৈ থাকে আৰু ই সিমানেই সংৰক্ষণশীল তত্ত্ব, যিমানেই ই বৈপ্লৱিক। প্ৰচলিত বিভিন্ন অসাম্যতা বজায় ৰখাৰ বৈধতা হিছাপে ড° জনচনে বলিষ্ঠতাৰে কম-অশুভৰ যুক্তিটো প্ৰয়োগ কৰিছিল ঃ

> 'এটা সাধাৰণ সমতাৰ ক্ষেত্ৰত কোনোৱেই সুখী নোহোৱাতকৈ কোনোবা কিছুমান অসুখী হোৱাই শ্ৰেয়।'[৩২]

কিন্তু আমূল পৰিৱৰ্তনৰ যুগবোৰত এই বিষয়টো আটাইতকৈ নাটকীয় ৰূপত প্ৰকাশ পাইছিল আৰু এইখিনিতেই ইয়াৰ প্ৰতি ঐতিহাসিক দৃষ্টিভংগী অধ্যয়ন কৰাটো আমি আটাইতকৈ সহজ পাওঁ।

১৭৮০ আৰু ১৮৮০ চনৰ মাজৰ সময়ছোৱাত গ্ৰেট বৃটেইনৰ ঔদ্যোগীকৰণৰ কাহিনীটো চোৱা যাওক। বস্তুতঃ প্ৰত্যেক ঐতিহাসিকেই সম্ভৱতঃ কোনো আলোচনা নকৰাকৈয়ে ঔদ্যোগিক বিপ্লৱটোক এক মহৎ আৰু প্ৰগতিশীল কীৰ্তি হিছাপে গণ্য

কৰিব। কৃষকসকলক কৃষিভূমিৰ পৰা উৎখাত কৰা শ্ৰমিকসকলক জাকে জাকে অস্বাস্থ্যকৰ কাৰখানাত আৰু পূতিগন্ধময় বাসস্থানত ভৰাই দিয়া আৰু শিশু-শ্ৰমিকক শোষণ কৰাৰ কথা ঐতিহাসিকে বৰ্ণনা কৰিব। তেওঁ সম্ভৱতঃ ক'ব যে ব্যৱস্থাটো চালু কৰোঁতে দুৰ্ব্যৱহাৰৰ ঘটনা ঘটিছিল আৰু কিছুমান নিয়োগদাতা আন কিছুমানতকৈ অধিক নিৰ্মম আছিল আৰু এবাৰ যিহেতু ব্যৱস্থাটো প্ৰতিষ্ঠিত হৈ গ'লেই, মানবীয় বিচাৰ-বিবেচনাবোৰো ক্ৰমান্বয়ে বৃদ্ধি পাই আহিব বুলি তেওঁৰ বৰ্ণনাত কৃত্ৰিম শান্তিজল ছটিয়াব। তেওঁ সম্ভৱতঃ একো নোকোৱাকৈয়ে এনে এটা ধাৰণা কৰি ল'ব যে প্ৰথম পৰ্যায়ৰ জোৰ-জোলুম আৰু শোষণমূলক কামবোৰ ঔদ্যোগীকৰণৰ এৰাব নোৱৰা ব্যয়ৰ অংশ। নতুবা মই কেতিয়াও এনে এজন ঐতিহাসিকৰ কথা কেতিয়াও শুনা নাই, ব্যয়ৰ দিশটোৰ ফালৰ পৰা যি কৈছে যে প্ৰগতিৰ অগ্ৰগতি স্তব্ধ কৰি দিয়াহেঁতেনেই আৰু ঔদ্যোগীকৰণ নোহোৱাহেঁতেনেই ভাল হ'লহেঁতেন আৰু যদি তেনে কোনোবা ঐতিহাসিক আছে, তেন্তে তেওঁ নিঃসন্দেহে চেষ্টাৰটন (Chesterton) আৰু বেলকৰ (Belloc) পন্থৰ আৰু সঠিকভাৱেই কোনো গুৰুত্বপূৰ্ণ ঐতিহাসিকে তেওঁক গুৰুত্ব নিদিব। এই উদাহৰণটো মোৰ বাবে বিশেষভাৱে আকৰ্ষণীয়, কাৰণ মোৰ চোভিয়েট ৰাচিয়াৰ ইতিহাসত ঔদ্যোগীকৰণৰ মূল্যৰ অংশ হিচাপে কৃষকৰ যৌথকৰণ সমস্যাটোৰ প্ৰতি মই সোনকালেই মনোযোগ দিব লাগিব আৰু মই ভালদৰেই জানো যে শিল্প-বিপ্লৱৰ বৃটিছ ঐতিহাসিকৰ উদাহৰণটো অনুসৰণ কৰি যদি মই যৌথকৰণৰ পাশৱিকতা আৰু দুষ্কাৰ্যথিনিক গৰিহণা দিওঁ, কিন্তু প্ৰক্ৰিয়াটোক প্ৰত্যাশিত আৰু প্ৰয়োজনীয় ঔদ্যোগীকৰণ নীতিৰ মূল্যৰ এক অপৰিহাৰ্য অংশ বুলি গণ্য কৰোঁ, তেন্তে মই চিনিচিজিম (নিন্দাবাদ) আৰু অশুভ বস্তুক মাৰ্জনা কৰি দিয়াৰ অপৰাধত অভিযুক্ত হ'ম। ঐতিহাসিকসকলে ঊনবিংশ শতিকাত পশ্চিমৰ জাতিসমূহে এচিয়া আৰু আফ্ৰিকাত কৰা ঔপনিবেশিকৰণক কেৱল বিশ্ব অৰ্থনীতিৰ ওপৰত ইয়াৰ তৎকালীন প্ৰভাৱৰ অজুহাততেই নহয়, মহাদেশ দুখনৰ অনগ্ৰসৰ লোকসকলৰ বাবে ইয়াৰ দীৰ্ঘম্যাদী ফলাফলসমূহৰ বাবেও ক্ষমা কৰি (condone) দিছে। মুঠতে এইটো কোৱা হয় যে আধুনিক ভাৰতবৰ্ষ বৃটিছ শাসনৰ সন্তান; আৰু আধুনিক চীন ৰু'চ বিপ্লৱৰ প্ৰভাৱৰ লগত ঊনৈশ শতিকাৰ পশ্চিমীয়া সাম্ৰাজ্যবাদৰ বৰ্ণ-সংকৰ (crossed) সৃষ্টি আছিল। দুৰ্ভাগ্যজনকভাৱে যিসকল চীনা শ্ৰমিকে সন্ধি-বন্দৰৰ পশ্চিমীয়া মালিকাধীন কাৰখানাত অথবা দক্ষিণ আফ্ৰিকাৰ খনি অথবা প্ৰথম বিশ্বযুদ্ধৰ পশ্চিমৰ ৰণাঙ্গণত শ্ৰম কৰিছিল, তেওঁলোক চীন বিপ্লৱৰ যিকোনো গৌৰৱ আৰু উপকাৰ উপভোগ কৰিবলৈ বাচি নাথাকিল। যিসকলে মূল্য ভৰে সেইসকলে কাচিৎহে উপকাৰৰ ফচল চপাব পাৰে। এঙ্গেলচ্‌ৰ বিখ্যাত অলংকাৰেৰে ভৰা ছেদটো অস্বস্তিকৰভাৱে খাপখোৱা ঃ

'সকলোবোৰ দেৱীৰ ভিতৰত ইতিহাসেই নিষ্ঠুৰতম, আৰু কেৱল যুদ্ধৰ সময়তেই নহয় বৰং অৰ্থনৈতিক বিকাশৰ 'শান্তিপূৰ্ণ' সময়তো মৃতদেহৰ স্তূপৰ ওপৰেদি তেওঁ তেওঁৰ বিজয়-ৰথ চলায়। আৰু আমি নৰ-নাৰীসকল দুৰ্ভাগ্যবশতঃ ইমানেই নিৰ্বোধ যে সীমাহীন যাতনাই তাগিদা সৃষ্টি নকৰালৈকে আমি কেতিয়াও প্ৰকৃত প্ৰগতিৰ বাবে সাহস গোটাব নোৱাৰোঁ।' ৩৮

ইভান কাৰামাজভৰ (Ivan Karamazov) ঔদ্ধত্যৰ বিখ্যাত ব্যঞ্জনাটো এক বীৰত্বপূৰ্ণ ভ্ৰান্তি। আমি সমাজত জন্ম গ্ৰহণ কৰোঁ, আমি ইতিহাসতো জন্ম গ্ৰহণ কৰোঁ। এনে কোনো মুহূৰ্ত নাহে, যেতিয়া গ্ৰহণ কিম্বা বৰ্জনৰ বিকল্পৰ সুবিধা দি আমাক প্ৰৱেশৰ বাবে এটা টিকট দিয়া হয়। দুখ-যাতনাৰ সমস্যাটো সম্পৰ্কে থকা ধৰ্মতত্ত্ববিদ এজনৰ উত্তৰতকৈ ঐতিহাসিকৰ বাবে অধিক চূড়ান্ত উত্তৰ নাই। তেৰোঁ লঘিষ্ঠৰ অকল্যাণ আৰু গৰিষ্ঠৰ কল্যাণ তত্ত্বলৈ পশ্চাদ্‌পসৰণ কৰিবলৈ বাধ্য।

কিন্তু বৈজ্ঞানিকৰ বিপৰীতে তেওঁৰ সমলৰ প্ৰকৃতিৰ কাৰণেই নৈতিক ৰায়ৰ এই বিষয়সমূহৰ ক্ষেত্ৰত জড়িত হৈ পৰা কথাটোৱে ঐতিহাসিকক এক অতি-ঐতিহাসিক (super historical) প্ৰমূল্য মানৰ (stardard of value) ওচৰত নতি স্বীকাৰ কৰাটো নুসূচাবনে? মই সূচাব বুলি নেভাবোঁ। আমি ধৰি লওঁ যে 'ভাল' আৰু 'বেয়া'ৰ দৰে বিমূৰ্ত ধাৰণাবিলাক আৰু সিহঁতৰ অধিক মাৰ্জিত বিকাশসমূহ ইতিহাসৰ পৰিসীমাৰ সিপাৰে অৱস্থিত। কিন্তু তৎসত্ত্বেও ঐতিহাসিক নৈতিকতাৰ অধ্যয়নৰ ক্ষেত্ৰত এই বিমূৰ্ততাবোৰে ভৌতিক বিজ্ঞানত গণিত আৰু তৰ্কশাস্ত্ৰৰ ফৰ্মুলাই যি ভূমিকা পালন কৰে, সেই একে ভূমিকাই পালন কৰে। এইবোৰ চিন্তাৰ অপৰিহাৰ্য শ্ৰেণী, কিন্তু সেইবোৰত বিশেষ বক্তব্য ভৰাই নিদিয়ালৈকে সেইবোৰ অৰ্থহীন আৰু প্ৰয়োগহীন। আপুনি যদি সুকীয়া উপমা এটা পছন্দ কৰে, আমি ইতিহাস অথবা দৈনন্দিন জীৱনত যিবোৰ নৈতিক উপদেশ ব্যৱহাৰ কৰোঁ, সেইবোৰ বেংকৰ চেকৰ দৰে ঃ সেইবোৰত এটা ছপা অংশ আৰু এটা লিখিত অংশ থাকে। ছপা অংশটোত স্বাধীনতা আৰু সমতা, ন্যায় আৰু গণতন্ত্ৰ আদি বিমূৰ্ত শব্দসমূহ থাকে। এইবোৰ অত্যাৱশ্যকীয় পৰ্যায়ৰ। কিন্তু আমি আনটো অংশ পূৰাই নিদিয়ালৈকে চেক্‌খন মূল্যহীন, সেইটো অংশই ক'ব কাক কিমান স্বাধীনতা আমি বণ্টন কৰিছো, কাক আমি আমাৰ সৈতে একেই বুলি স্বীকৃতি দিছো আৰু কিমান পৰিমাণলৈকে দিছো। যি পদ্ধতিৰে আমি সময়ে সময়ে চেক্‌খন পূৰাওঁ, সেইটোৱেই ইতিহাসৰ বিষয়। যিটো প্ৰক্ৰিয়াৰে বিমূৰ্ত নৈতিক ধাৰণাসমূহক নিৰ্দিষ্ট ঐতিহাসিক বক্তব্য (content) দিয়া হয়, সেইটোৱেই ঐতিহাসিক প্ৰক্ৰিয়া; প্ৰকৃততে যি এক ধাৰণাগত কাঠামোৰ ভিতৰত থাকি আমি নৈতিক ৰায়বোৰ দিওঁ, সেইটো নিজেও ইতিহাসৰেই সৃষ্টি। নৈতিক প্ৰশ্নসমূহ সম্পৰ্কে সমসাময়িক আন্তৰ্জাতিক বিতৰ্কৰ প্ৰচলিত

ৰূপটো হ'ল স্বাধীনতা আৰু গণতন্ত্ৰ সম্পৰ্কে বিপৰীত দাবীৰ এক বিতৰ্ক। ধাৰণসমূহ বিমূৰ্ত আৰু সাৰ্বজনীন। কিন্তু স্থান ভেদে আৰু সময় ভেদে সেই ধাৰণাসমূহত আৰোপ কৰা বক্তব্য (content) গোটেই ইতিহাস জুৰি বেলেগ বেলেগ হয়; সেইবোৰৰ প্ৰয়োগ সম্পৰ্কীয় বাস্তৱ বিষয়সমূহ কেৱল ঐতিহাসিক পৰিভাষাতেই বুজিব আৰু আলোচনা কৰিব (debated) পাৰি। অলপ কম জনপ্ৰিয় উদাহৰণ এটা ল'ব লাগিলে, অৰ্থনৈতিক নীতিসমূহৰ গ্ৰহণযোগ্যতাক পৰীক্ষা আৰু বিচাৰ কৰি চাবলৈ এক বস্তুনিষ্ঠ আৰু অবিতৰ্কিত মাপকাঠি (criterion) হিছাপে 'অৰ্থনৈতিক যৌক্তিকতা'ৰ ধাৰণাটো প্ৰয়োগ কৰাৰ প্ৰয়াস কৰা হৈছে। সেই প্ৰয়াস তৎক্ষণাৎ ব্যৰ্থ হৈ পৰে। ক্লাচিকেল অৰ্থনীতিৰ বিধানসমূহত (laws) লালিত-পালিত হোৱা তাত্ত্বিকসকলে নীতিগতভাৱে পৰিকল্পনাক (planning) যুক্তিসংগত অৰ্থনৈতিক প্ৰক্ৰিয়াত এক অযৌক্তিক আক্ৰমণ বুলি গৰিহণা দিয়ে; উদাহৰণস্বৰূপে, পৰিকল্পনাকাৰীসকলে তেওঁলোকৰ মূল্য-নীতি যোগান আৰু চাহিদাৰ বিধানেৰে বান্ধ খোৱাটো অস্বীকাৰ কৰে আৰু পৰিকল্পনাৰ অধীনত মূল্যৰ (prices) কোনো যুক্তিসংগত ভিত্তি থাকিব নোৱাৰে। অৱশ্যে এইটোও সত্য হ'ব পাৰে যে পৰিকল্পনাকাৰীসকলে প্ৰায়েই অযৌক্তিকভাৱে আৰু নিৰ্বোধৰ দৰে আচৰণ কৰে। কিন্তু যি মাপকাঠিৰে তেওঁলোকক বিচাৰ কৰিব লাগিব, সেইটো ক্লাচিকেল অৰ্থনীতিৰ সেই পুৰণি 'অৰ্থনৈতিক যৌক্তিকতা' নহয়। ব্যক্তিগতভাৱে মোৰ বিপৰীত যুক্তিটোৰ (arguement) প্ৰতিহে অধিক সহানুভূতি আছে যে এইটো অনিয়ন্ত্ৰিত, অসংগঠিত অবাধ-বাণিজ্য-নীতিৰ (laissez-faire) অৰ্থনীতি যিটো অপৰিহাৰ্যভাৱেই অযৌক্তিক আছিল আৰু প্ৰক্ৰিয়াটোত 'অৰ্থনৈতিক অযৌক্তিকতা' প্ৰচলন কৰাই পৰিকল্পনাৰ এটা প্ৰয়াস। কিন্তু এই মুহূৰ্তত মই কেৱল যিটো কথা ক'বলৈ বিচাৰোঁ, সেইটো হৈছে, যাৰ দ্বাৰা ঐতিহাসিক কাৰ্য্যাৱলী মূল্যায়ণ (judged) কৰিব পৰা যায়, তেনে বিমূৰ্ত আৰু অতি-ঐতিহাসিক মানদণ্ড নিৰ্মাণ কৰাটো অসম্ভৱ। দুয়ো পক্ষই অনিবাৰ্যভাৱে তেওঁলোকৰ নিজা ঐতিহাসিক অৱস্থা আৰু আকাঙ্ক্ষাৰ বাবে উপযুক্ত হোৱা বিশেষ বক্তব্যৰ এক মানদণ্ড বিশ্বাস কৰি ল'ব।

ঐতিহাসিক ঘটনাৱলী অথবা পৰিস্থিতিসমূহৰ ওপৰত ৰায় দিবলৈ যিসকলে এটা অতি-ঐতিহাসিক মানদণ্ড বা মাপকাঠি নিৰ্মাণ কৰিবলৈ বিচাৰে,— সেই মানদণ্ড ধৰ্মতত্ত্ববিদসকলৰ দ্বাৰা কল্পিত কিছুমান ঐশ্বৰিক কৰ্তৃত্বৰ পৰা আহৰণ কৰাই হওক আৰু প্ৰবুদ্ধ যুগৰ (Enlightenment) দাৰ্শনিকসকলৰ দ্বাৰা কল্পিত এক স্থানু যুক্তি অথবা প্ৰকৃতিয়েই হওক, এইটোৱেই তেওঁলোকৰ বিৰুদ্ধে আচল অভিযোগ। এইটো এনে নহয় যে মানদণ্ডৰ প্ৰয়োগতে দোষ-ত্ৰুটি আছে অথবা ত্ৰুটি মানদণ্ডতেই নিহিত হৈ আছে। এইটো এনেহে যে তেনে ধৰণৰ মানদণ্ড এটা নিৰ্মাণৰ প্ৰয়াসটোৱেই অনৈতিহাসিক আৰু

ই ইতিহাসৰ মূল সত্তাটোকে বিৰোধিতা কৰে। ঐতিহাসিক পেচাগতভাৱে নিৰৱচ্ছিন্নভাৱে যিবোৰ প্ৰশ্ন সুধিবলৈ বাধ্য, ই সেইবোৰৰ এক স্বমতান্ধ (dogmatic) উত্তৰ আগবঢ়ায় : যি ঐতিহাসিকে এইবোৰ প্ৰশ্নৰ উত্তৰ আগতীয়াকৈ গ্ৰহণ কৰি লয়, তেওঁ চকুত কাপোৰ বান্ধি কামলৈ আগবাঢ়ে আৰু তেওঁৰ পেচাকেই পৰিত্যাগ কৰে। ইতিহাস হৈছে গতি (movement) আৰু গতিয়ে তুলনা কৰা সূচায়। সেই কাৰণেই ঐতিহাসিকসকলে তেওঁলোকৰ নৈতিক ৰায় 'ভাল' আৰু 'বেয়া'ৰ দৰে অনমনীয় চূড়ান্তব্যঞ্জক (uncompromising absolutes) শব্দৰ পৰিবৰ্তে তুলনামূলক প্ৰকৃতিৰ 'প্ৰগতিশীল' আৰু 'প্ৰতিক্ৰিয়াশীল' শব্দমালাৰে প্ৰকাশ কৰিবলৈ বিচাৰে; এইবোৰ বিভিন্ন সমাজ আৰু ঐতিহাসিক ঘটনাক (phenomena) কিছুমান নিৰঙ্কুশ (absolute) মানৰ পৰিৱৰ্তে সিহঁতৰ ইটোৰ লগত সিটোৰ সম্পৰ্কৰে সংজ্ঞা নিৰ্ধাৰণ কৰাৰ প্ৰয়াস। তদুপৰি আমি যেতিয়া এই অনুমিত নিৰঙ্কুশ (supposedly absolute) আৰু ইতিহাস-বহিৰ্ভূত (extra-historical) প্ৰমূল্যবোৰ (values) পৰীক্ষা কৰো, আমি দেখো যে বাস্তৱিকতে সেইবোৰো ইতিহাসতে শিপাই আছে। এক নিৰ্দিষ্ট স্থান আৰু সময়ত কোনো এটা বিশেষ প্ৰমূল্য বা আদৰ্শৰ আবিৰ্ভাৱক সেই স্থান আৰু সময়ৰ ঐতিহাসিক পৰিস্থিতিৰেই ব্যাখ্যা কৰিব পাৰে। সমতা, স্বাধীনতা, ন্যায় অথবা প্ৰাকৃতিক বিধিৰ দৰে অনুমানসিদ্ধ নিৰঙ্কুশবিলাকৰ ব্যৱহাৰিক বক্তব্য যুগে যুগে, মহাদেশে মহাদেশে ভিন্ ভিন্ হয়। প্ৰতিটো গোষ্ঠীৰে নিজা প্ৰমূল্য আছে, যিবোৰৰ শিপাও ইতিহাসতে পোত খাই থাকে। প্ৰতিটো গোষ্ঠীয়েই বিজাতীয় আৰু প্ৰতিকূল প্ৰমূল্যৰ অনাহুত প্ৰৱেশৰ বিৰুদ্ধে নিজকে সুৰক্ষা দিয়ে, যিবোৰক ই বুৰ্জোৱা, পুঁজিবাদী অথবা অগণতান্ত্ৰিক আৰু একনায়কত্ববাদী অথবা তাতোতকৈয়ো অধিক অমাৰ্জিত অনা- ইংৰাজ আৰু অনা-আমেৰিকান হিছাপে চিহ্নিত কৰে। সমাজৰ পৰা বিচ্ছিন্ন আৰু ইতিহাসৰ পৰা বিচ্ছিন্ন বিমূৰ্ত মানদণ্ড আৰু প্ৰমূল্য বিমূৰ্ত ব্যক্তিৰ দৰেই এক বিভ্ৰম। চিৰিয়াচ ঐতিহাসিক সেইজন, যি সকলো প্ৰমূল্যৰে ঐতিহাসিকভাৱে গঢ় লোৱা (conditioned) চৰিত্ৰ চিনাক্ত কৰে, যি ইতিহাসৰ সিপাৰে তেওঁৰ নিজৰ প্ৰমূল্যৰ বাবে এক বস্তুনিষ্ঠতা দাবী কৰে তেওঁ নহয়। আমি যিবোৰ বিশ্বাস পোষণ কৰোঁ আৰু বিচাৰৰ যিবোৰ মানদণ্ড প্ৰতিষ্ঠা কৰোঁ, সেইবোৰ ইতিহাসৰে অংশ আৰু মানৱীয় আচৰণৰ যিকোনো দিশৰ দৰে সমানেই ঐতিহাসিক অনুসন্ধানৰ অন্তৰ্গত। সকলোবোৰ সমাজবিজ্ঞান বাদেই, আজিকালি নগণ্য সংখ্যক বিজ্ঞানেহে সম্পূৰ্ণ স্বতন্ত্ৰতা দাবী কৰিব পাৰিব। কিন্তু ইতিহাসৰ ইয়াৰ বাহিৰৰ কিবাৰ ওপৰত এনে কোনো মৌলিক নিৰ্ভৰশীলতা নাই, যিয়ে ইয়াক আন যিকোনো বিজ্ঞানৰ পৰা পৃথক কৰিব।

ইতিহাসক বিজ্ঞানৰ অন্তৰ্ভুক্ত কৰাৰ দাবী সম্পৰ্কে মই যিখিনি ক'বলৈ চেষ্টা কৰিছো, সেইখিনিৰ সংক্ষিপ্তকৰণ কৰোঁ। বিজ্ঞান শব্দটোৱে ইতিমধ্যে ইমান বেছি ধৰণৰ

পদ্ধতি আৰু কলা-কৌশল ব্যৱহাৰ কৰি জ্ঞানৰ ইমান বিভিন্ন ঠাল-ঠেঙুলি সামৰি লৈছে যে ইতিহাসক বিজ্ঞানৰ অন্তৰ্ভুক্ত কৰিবলৈ বিচৰাসকলৰ পৰিবৰ্তে বাদ দিবলৈ বিচৰাসকলৰ ওপৰতহে প্ৰমাণ কৰাৰ দায়িত্ব পৰিছে। এইটো তাৎপৰ্যপূৰ্ণ যে বিবৰ্জনৰ যুক্তিবোৰ তেওঁলোকৰ নিৰ্বাচিত সতীৰ্থগোষ্ঠীৰ পৰা ঐতিহাসিকসকলক বাদ দিবলৈ উৎকণ্ঠিত বিজ্ঞানীসকলৰ পৰা অহা নাই, বৰং মানবীয় অধ্যয়নৰ শাখা হিচাপে ইতিহাসৰ মৰ্যাদা প্ৰতিপন্ন কৰিবলৈ উৎসাহী হোৱা ঐতিহাসিক আৰু দাৰ্শনিকসকলৰ পৰাহে আহিছে। বিৰোধটোৱে বিজ্ঞান আৰু হিউমেনিটিজৰ মাজত থকা বিদ্বেষমূলক পুৰণি বিভাজনটোকে প্ৰতিফলিত কৰিছে, য'ত বিজ্ঞানক কেৱল প্ৰযুক্তিবিদৰ কৌশল বুলি ভবাৰ বিপৰীতে হিউমেনিটিজে শাসক শ্ৰেণীৰ বিস্তৃত সংস্কৃতিক প্ৰতিনিধিত্ব কৰিছিল বুলি ভবা হৈছিল। এই প্ৰসংগত 'হিউমেনিটিজ' (Humanities— ভাষা, সাহিত্য, ইতিহাস আৰু দৰ্শন আদি কলা শাস্ত্ৰ) আৰু 'হিউমেন' (humane— মানবীয়) এই শব্দযুগল নিজেই এক কালোত্তীৰ্ণ সংস্কাৰৰ (prejudice) সাক্ষী; আৰু ইংৰাজী ভাষাৰ বাহিৰে বিজ্ঞান আৰু ইতিহাসৰ মাজৰ বিৰোধিতা আন কোনো ভাষাতে গুৰুত্বপূৰ্ণ নোহোৱাটোৱেই সংস্কাৰটোৰ অগতানুগতিকভাৱে নিঃসঙ্গ চৰিত্ৰৰ আভাস দিয়ে। ইতিহাসক বিজ্ঞান বুলি অভিহিত কৰিবলৈ অস্বীকাৰ কৰাৰ বিৰুদ্ধে মোৰ প্ৰধান অভিযোগটো এয়ে যে ইয়ে তথাকথিত 'দুই সংস্কৃতি'ৰ (two cultures) মাজৰ বিভেদটোক ন্যায্য আৰু চিৰস্থায়ী কৰিব। বিভেদটো নিজেই অতীতৰ লগত সাঙোৰ খাই থকা ইংৰাজ সমাজৰ এক শ্ৰেণী কাঠামোৰ ওপৰত নিৰ্ভৰশীল পুৰাতন সংস্কাৰৰ সৃষ্টি আৰু মই নিজেই বিশ্বাস নকৰোঁ যে ঐতিহাসিকক ভূ-তত্ত্ববিদ এজনৰ পৰা পৃথক কৰা ফাঁকটো (chasm) ভূ-তত্ত্ববিদ এজনক পদাৰ্থবিদ এজনৰ পৰা পৃথক কৰাতকৈ বেছি গভীৰ অথবা অধিক অসংযোজনীয়। কিন্তু মোৰ দৃষ্টিভংগী মতে, ঐতিহাসিকক প্ৰাথমিক বিজ্ঞান শিকোৱাটো অথবা বিজ্ঞানীক প্ৰাথমিক ইতিহাস শিকোৱা প্ৰভেদটো মেৰামত কৰাৰ উপায় নহয়। এই ঘোলা চিন্তাই আমাক এই অন্ধ গলিত হাজিৰ কৰাই দিয়ে। মুঠতে, বিজ্ঞানীসকলে নিজে এনে ধৰণৰ আচৰণ নকৰে। অভিযন্তাসকলক উদ্ভিদবিদ্যাৰ প্ৰাথমিক শ্ৰেণীত শিক্ষা গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়া মই কেতিয়াও শুনা নাই।

ইতিহাসক অধিক বিজ্ঞানসম্মত কৰিবলৈ অতি কৃচ্ছ্ৰতাৰে (rigorous) যিসকলে অন্বেষণ কৰিছে, সেইসকলক আমাৰ দাবীবোৰ জনাবলৈ,— যদি মই সাহস কৰি ক'ব পাৰোঁ,— আমাৰ ইতিহাসৰ মানদণ্ড উন্নত কৰাৰ বাবে মই এটা প্ৰতিকাৰৰ পৰামৰ্শ দিওঁ। যিসকলে ক্লাচিক্সক অত্যন্ত জটিল আৰু বিজ্ঞানক অত্যন্ত চিৰিয়াচ বুলি গণ্য কৰে, এইখন বিশ্ববিদ্যালয়ত তেওঁলোকে কেতিয়াবা ইতিহাসক সকলো সামৰি ল'ব পৰা (catch-all) শৈক্ষিক শৃংখলা বুলি ভাবে। এই বক্তৃতা-মালিত মই প্ৰকাশ কৰিবলৈ বিচৰা ধাৰণাটো এয়ে যে ইতিহাস ক্লাচিকচতকৈ অধিক জটিল বিষয় আৰু যিকোনো

বিজ্ঞানৰ সমানেই চিৰিয়াচ। কিন্তু এই প্ৰতিকাৰটোৱে ঐতিহাসিকসকলৰ নিজৰ মাজতে তেওঁলোকে কৰি থকা কামৰ ওপৰত এটা শক্তিশালী বিশ্বাসৰ প্ৰয়োজনীয়তা সূচায়। ছাৰ চাৰ্লচ স্নোৱে (Sir Charles Snow) এই বিষয়ত অলপতে দিয়া এটা বক্তৃতাত বিজ্ঞানীৰ 'উদ্ধত' (Brash) আশাবাদক, যাক তেওঁ 'সাহিত্যিক বুদ্ধিজীৱী' (literary intellectual)[৩৪] বুলি অভিহিত কৰিছিল, তেওঁলোকৰ 'চেপা মাত' আৰু 'সমাজ বিৰোধী অনুভূতি'ৰ লগত প্ৰতিতুলনা (contrasted) কৰোঁতে তেওঁৰ এটা যুক্তি আছিল। কিছুমান ঐতিহাসিক— আৰু বেছিকৈ সেইসকল, যিসকলে ঐতিহাসিক নোহোৱাকৈয়ে ইতিহাসৰ বিষয়ে লেখে,— এই 'সাহিত্যিক বুদ্ধিজীৱী'ৰ শ্ৰেণীৰ অন্তৰ্ভুক্ত। ইতিহাস বিজ্ঞান নহয় আৰু ই কি হ'ব নোৱাৰে আৰু কি হোৱা অনুচিত অথবা ই কৰা অনুচিত, সেইখিনি ব্যাখ্যা কৰি আমাক ক'বলৈ তেওঁলোক ইমানেই ব্যস্ত যে ইতিহাসৰ সাফল্য আৰু সম্ভাবনা সম্পৰ্কে চিন্তা কৰি চাবলৈ তেওঁলোকৰ সময়েই নুকুলায়।

বিৰোধটোৰ নিৰাময়ৰ আনটো উপায় হৈছে বৈজ্ঞানিক আৰু ঐতিহাসিকৰ মাজত লক্ষ্যৰ অভিন্নতাৰ (identity of aim) চিনাক্তকৰণৰ কাৰণে এক গভীৰ উপলব্ধি সৃষ্টিত উৎসাহ দিব লাগিব আৰু ইয়েই ইতিহাস আৰু বিজ্ঞানৰ দৰ্শনৰ প্ৰতি নতুন আৰু ক্ৰমবৰ্ধমান আগ্ৰহৰ প্ৰধান মূল্য। বিজ্ঞানী, সমাজবিজ্ঞানী আৰু ঐতিহাসিক সকলোৱেই একেটা অধ্যয়নৰে বিভিন্ন শাখা-প্ৰশাখাত জড়িত হয় ঃ মানুহ আৰু তাৰ পৰিবেশ অধ্যয়ন, পাৰিপাৰ্শ্বিকতাত মানুহৰ প্ৰভাৱ আৰু মানুহৰ ওপৰত পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ। অধ্যয়নৰ উদ্দেশ্যও একেই ঃ মানুহৰ পাৰিপাৰ্শ্বিকতাৰ ওপৰত মানুহৰ প্ৰজ্ঞা আৰু প্ৰভুত্ব বৃদ্ধি কৰা। পদাৰ্থবিদ, ভূ-তাত্ত্বিক, মনোবৈজ্ঞানিক আৰু ঐতিহাসিকৰ পূৰ্বানুমান আৰু পদ্ধতিসমূহৰ খুটি-নাটিত ব্যাপক পাৰ্থক্য আছে ; মই নিজেই এই প্ৰস্তাৱটো সমৰ্থন কৰিবলৈ অসমৰ্থ যে অধিক বিজ্ঞানসন্মত হ'বলৈ হ'লে ঐতিহাসিকে ভৌতিক বিজ্ঞানৰ পদ্ধতিসমূহ অধিক নিবিড়ভাৱে অনুসৰণ কৰিব লাগিব। কিন্তু ব্যাখ্যাৰ মৌলিক উদ্দেশ্য আৰু প্ৰশ্নোত্তৰৰ মৌলিক পদ্ধতিৰ সম্পৰ্কত ঐতিহাসিক আৰু ভৌতিক বিজ্ঞানী ঐক্যবদ্ধ। অন্যান্য বিজ্ঞানীৰ দৰেই ঐতিহাসিক জনো এক প্ৰাণী, যি নিৰন্তৰ এইটো প্ৰশ্নই সোধে, কিয় (why)? মোৰ পিছৰ বক্তৃতাটোত কি কি উপায়েৰে তেওঁ প্ৰশ্ন উত্থাপন কৰে আৰু কি কি উপায়েৰে সেই উত্তৰ দিয়াৰ প্ৰয়াস কৰে, সেইটো মই পৰীক্ষা কৰি চাম।

চাৰি

ইতিহাসত কাৰ্য-কাৰণ

চচ্‌পেন এটাত যদি গাখীৰ উতলোৱা হয়, ই উতলি ওপচি পৰে। এইটো কিয় হয় মই নেজানো আৰু কেতিয়াও জানিবলৈ বিচৰা নাই। যদি জোৰ দি ধৰে, মই বোধহয় গাখীৰ উতলালে তাৰ ওপচি পৰাৰ প্ৰৱণতাৰ কাৰণেই তেনে হয় বুলি ক'ম, যিটো যথেষ্ট সত্যই কিন্তু ই একোকেই নুবুজায়। কিন্তু মই এজন প্ৰাকৃতিক বিজ্ঞানী নহওঁ। একেদৰেই সেইবিলাক কিয় ঘটিছিল সেইটো জানিবলৈ নিবিচৰাকৈয়ে কোনোৱে অতীতৰ ঘটনাৱলীৰ বিষয়ে পঢ়িব পাৰে অথবা আনকি লেখিবও পাৰে, অথবা হিটলাৰে বিচাৰিছিল বাবেই দ্বিতীয় বিশ্বযুদ্ধখন সংঘটিত হৈছিল বুলি কৈ সন্তুষ্ট হ'ব পাৰে, যিটো যথেষ্ট সত্যই, কিন্তু ই একোকেই নুবুজায়। কিন্তু সেয়ে কোনোৱে নিজকে এজন ইতিহাসৰ ছাত্ৰ বা এজন ঐতিহাসিক বুলি ভাষাৰ বিচ্যুতি (solecism) ঘটোৱা অনুচিত। ইতিহাস অধ্যয়ন মানেই কাৰণৰ অধ্যয়ন। মোৰ শেষৰ বক্তৃতাটোৰ শেষত মই কোৱাৰ দৰে ঐতিহাসিকে নিৰন্তৰ প্ৰশ্ন কৰে, কিয়? আৰু যেতিয়ালৈকে তেওঁ উত্তৰৰ আশা কৰি থাকে, তেতিয়ালৈকে তেওঁ জিৰাব নোৱাৰে। মহান ঐতিহাসিক— নতুবা অধিক বহল অৰ্থত, মই মহান চিন্তাবিদ্ বুলি কোৱাই উচিত— সেইজনেই, যি নতুন বিষয় অথবা নতুন প্ৰসংগৰ বিষয়ে সোধে, কিয়?

ইতিহাসৰ জনক হেৰ'ডটাচে তেওঁৰ গ্ৰন্থৰ আৰম্ভণিতে তেওঁৰ উদ্দেশ্য নিৰ্ধাৰণ কৰি লেখিছিল ঃ গ্ৰীক আৰু বৰ্বৰসকলৰ কীৰ্তিসমূহৰ স্মৃতি সংৰক্ষণ কৰিবলৈ, 'আৰু সকলোবোৰৰ সিপাৰে বিশেষকৈ, তেওঁলোকে ইপক্ষই সিপক্ষৰ বিৰুদ্ধে কৰা যুদ্ধবোৰৰ কাৰণ নিৰ্ণয় কৰিবলৈ।' প্ৰাচীন পৃথিৱীত তেওঁ তেওঁৰ নগণ্য অনুগামীহে পাইছিল ঃ কাৰ্য-কাৰণৰ কোনো স্পষ্ট ধাৰণা নাছিল বুলি আনকি থুকিদাইদিচকো (Thucydides) অভিযুক্ত কৰা হৈছে।[১] কিন্তু অষ্টাদশ শতিকাত যেতিয়া আধুনিক ইতিহাসতত্ত্বৰ (historiography) আধাৰশিলাৰ প্ৰতিষ্ঠা আৰম্ভ হৈছিল, মণ্টেস্কুৱে (Montesquieu) তেওঁৰ Considerations on the Causes of the Greatness of the Romans and of their Rise and Decline গ্ৰন্থত (ৰোমানসকলৰ মহত্ত্ব আৰু তেওঁলোকৰ উত্থান আৰু পতনৰ কাৰণ বিষয়ক বিবেচনা) তেওঁৰ আৰম্ভণি-বিন্দু হিচাপে এই তত্ত্ব গ্ৰহণ কৰিছিল যে 'প্ৰত্যেক ৰাজতন্ত্ৰতে সাধাৰণ, নৈতিক আৰু ভৌতিক কাৰণসমূহে

ক্ৰিয়া কৰে যিয়ে তাৰ উত্থান ঘটাই, তাক পৰিচালনা কৰে অথবা তাক ওফৰাই পেলায়' আৰু 'সকলোবোৰ ঘটনাই এই কাৰণবোৰৰ কাৰণেই ঘটে।' কিছু বছৰৰ পিছত তেওঁৰ Espirit des lois (আইনৰ মৰ্ম) গ্ৰন্থত তেওঁ এই ধাৰণাটোৰ বিকাশ ঘটাইছিল আৰু সাধাৰণীকৰণ (generalized) কৰিছিল। 'অন্ধ নিয়তিয়েই জগতত পৰিদৃশ্যমান হোৱা সকলোবোৰ ফলাফল সৃষ্টি কৰে' বুলি ধৰি লোৱাটো অযৌক্তিক। মানুহ 'কেৱল তেওঁলোকৰ দিবাস্বপ্নৰেই (fantacies) পৰিচালিত নহয়', তেওঁলোকৰ আচাৰ-আচৰণে 'বস্তুৰ প্ৰকৃতি'ৰ[২] পৰা আহৰণ কৰা নিৰ্দিষ্ট বিধান (laws) অথবা প্ৰকৃতিৰ বিধি (principles) অনুসৰণ কৰে। তাৰ পৰৱৰ্তী দুশ বছৰ ধৰি ঐতিহাসিক আৰু ইতিহাসৰ দাৰ্শনিকসকলে ঐতিহাসিক ঘটনাৱলীৰ কাৰণসমূহ আৰু সেইবিলাকক নিয়ন্ত্ৰিত কৰা বিধিসমূহ আৱিষ্কাৰ কৰি মানৱ জাতিৰ অতীত অভিজ্ঞতা সুসংঘবদ্ধ কৰাৰ এটা প্ৰয়াসত ব্যস্ততাৰে জড়িত হৈ পৰিছিল। কাৰণ আৰু বিধিসমূহ কেতিয়াবা যান্ত্ৰিক, কেতিয়াবা জীৱতাত্ত্বিক সংজ্ঞাৰে ভবা হৈছিল আৰু কেতিয়াবা আধিভৌতিক, কেতিয়াবা অৰ্থনৈতিক, কেতিয়াবা মনস্তাত্ত্বিক হিচাপে ভবা হৈছিল। কিন্তু এইটো স্বীকৃত মতবাদ (doctrine) আছিল যে অতীতৰ ঘটনাৱলীক কাৰণ আৰু কাৰ্য বা পৰিণামৰ এক শৃংখলাবদ্ধ অনুক্ৰমত সজোৱাটোৱেই ইতিহাস। বিশ্বকোষৰ বাবে ইতিহাস সম্পৰ্কত লেখা এটা প্ৰবন্ধত ভলটেয়াৰে লেখিছিল যে 'অক্সাচ আৰু জাক্সাৰটিচৰ পাৰত এজন বৰ্বৰৰ পাছত আন এজন বৰ্বৰে ৰাজত্ব কৰিছিল বুলি কোৱাৰ বাহিৰে তোমাৰ যদি আমাক ক'বলগীয়া একোৱেই নাই, সেইটো আমাৰ বাবে কিহৰ প্ৰয়োজন?' বিগত বছৰবোৰত পৰিস্থিতিটো কিছু সলনি হৈছে। মোৰ শেষৰ বক্তৃতাটোত আলোচনা কৰা কাৰণবিলাকৰ কাৰণে আজিকালি আমি আৰু ঐতিহাসিক 'বিধি'ৰ (laws) কথা নকওঁ; আংশিকভাৱে নিৰ্দিষ্ট কিছুমান দাৰ্শনিক দ্ব্যৰ্থকতাৰ কাৰণে, যিটোৰ বিষয়ত মই সোমোৱাৰ প্ৰয়োজন দেখা নাই আৰু আংশিকভাৱে ভৱিষ্যতবাদ বা নিৰ্ণেয়বাদৰ লগত ইয়াৰ সম্ভাব্য আত্মীয়তাৰ কাৰণে, যিটোৰ সম্পৰ্কত মই এতিয়াই আলোচনা কৰিম, আনকি 'কাৰণ' (cause) শব্দটোৱেই অপ্ৰচলিত হৈ পৰিছে। সেই কাৰণে কিছুমান মানুহে ইতিহাসৰ 'কাৰণ'ৰ কথা নকয়, বৰং 'ব্যাখ্যা' (explanation) অথবা 'বিশ্লেষণ' (interpretation) অথবা 'পৰিস্থিতিৰ যুক্তি' অথবা 'ঘটনাৱলীৰ আভ্যন্তৰীণ যুক্তি' (এইটো ডাইচিৰ (Dicey) পৰা অহা), অথবা কাৰ্য-কাৰণৰ দৃষ্টিভংগীক পৰিত্যাগ কৰি (ই কিয় ঘটিল) প্ৰয়োজনাত্মক (functional) দৃষ্টিভংগী গ্ৰহণ কৰাৰ (কেনেকৈ ই ঘটিল) কথাহে কয়; যদিয়ো এইটো অনিবাৰ্যভাৱেই কেনেকৈ এইটো ঘটিবলৈ পালে প্ৰশ্নটোৰ লগত জড়িত হৈ থকা যেন লাগে আৰু আমাক পুনৰ কিয় (why) প্ৰশ্নটোলৈ ঘূৰাই লৈ যায়। আন মানুহে বিভিন্ন প্ৰকাৰৰ কাৰণৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰে— যান্ত্ৰিক, জীৱতাত্ত্বিক, মনস্তাত্ত্বিক ইত্যাদি— আৰু

ঐতিহাসিক কাৰণক এক স্বতন্ত্ৰ শ্ৰেণী হিচাপে গণ্য কৰে। যদিয়ো এই পাৰ্থক্যবোৰৰে কিছুমান কিছু পৰিমাণে বৈধ, তথাপি কিহে সেইবোৰক পৃথক কৰে তাতকৈ সকলো প্ৰকাৰৰ কাৰণৰ ভিতৰত উমৈহতীয়াটোৰ (common) ওপৰত গুৰুত্ব দিয়াটোহে বৰ্তমানৰ উদ্দেশ্যত অধিক লাভজনক হ'ব পাৰে। ব্যক্তিগতভাৱে মই 'কাৰণ' শব্দটো প্ৰচলিত (popular) অৰ্থতে ব্যৱহাৰ কৰিবলৈ ভাল পাম আৰু তাৰ বিশেষভাৱে পৰিশোধিত ৰূপবোৰ আওকাণ কৰিম।

যেতিয়া তেওঁ ঘটনাৱলীৰ কাৰণ আৰোপ কৰাৰ প্ৰয়োজনীতাৰ সন্মুখীন হ'বলগীয়া হয়, ঐতিহাসিকে ব্যৱহাৰিক ক্ষেত্ৰত কি কৰে, সেইটো প্ৰশ্নৰেই আৰম্ভ কৰোঁ। কাৰণৰ সমস্যাটোৰ প্ৰতি ঐতিহাসিকৰ দৃষ্টিভংগীৰ প্ৰথম বৈশিষ্ট্য হ'ল যে তেওঁ একেটা ঘটনাতে কেইবাটাও কাৰণ আৰোপ কৰিব। অৰ্থনীতিবিদ মাৰ্শালে (Marshall) এবাৰ লেখিছিল যে 'যিবোৰৰ ফলাফল ইয়াৰ লগত মিশ্ৰিত হৈ থাকে তেনে ধৰণৰ আনবোৰ কাৰণক বিবেচনা নকৰাকৈ যিকোনো এটা কাৰণৰ পৰা হোৱা কামবোৰ বিবেচনা কৰাৰ পৰা মানুহক প্ৰতিটো সম্ভৱপৰ উপায়েৰেই সতৰ্ক কৰি দিব লাগিব।'* 'ৰাচিয়াত ১৯১৭ চনত বিপ্লৱ কিয় হৈছিল' এই প্ৰশ্নটোৰ উত্তৰত যদি পৰীক্ষাৰ্থীয়ে কেৱল এটা কাৰণ দৰ্শায়, তেওঁ তৃতীয় শ্ৰেণী পাবলৈহে ভাগ্যৱান হ'ব। ঐতিহাসিকে অগণন (multiplicity) কাৰণৰ ওপৰত কাম কৰে। যদি তেওঁ বলচেভিক বিপ্লৱৰ কাৰণসমূহ আলোচনা কৰিবলগীয়া হয়, তেওঁ ৰাচিয়াৰ উপৰ্যুপৰি সামৰিক পৰাজয়, যুদ্ধৰ হেঁচাত ৰাচিয়াৰ অৰ্থনীতি বিধ্বস্ত হোৱা, বলচেভিকসকলৰ কাৰ্যকৰী উদ্দেশ্যধৰ্মী প্ৰচাৰ, কৃষি-সমস্যা সমাধান কৰিবলৈ জাৰৰ চৰকাৰৰ বিফলতা, পেট্ৰোগ্ৰেডৰ কল-কাৰখানাবোৰত এক দৰিদ্ৰ আৰু শোষিত সৰ্বহাৰা শ্ৰেণীৰ ব্যাপক সহ-বসতি (concentration), নিজৰ লক্ষ্য আৰু উদ্দেশ্যৰ প্ৰতি লেনিনৰ আত্ম-প্ৰত্যয়ৰ বিপৰীতে প্ৰতিপক্ষৰ আত্ম-প্ৰত্যয়ৰ অভাৱ,— চমুকৈ অৰ্থনৈতিক, ৰাজনৈতিক, আদৰ্শগত আৰু ব্যক্তিগত কাৰণ আৰু দীৰ্ঘ-ম্যাদী আৰু হ্ৰস্ব-ম্যাদী কাৰণসমূহৰ এক নিৰ্দিষ্ট উদ্দেশ্যহীন সংমিশ্ৰণৰ (random jumble) নাম ল'ব লাগিব।

কিন্তু এইটোৱে আমাক ততালিকে ঐতিহাসিকৰ দৃষ্টিভংগীৰ দ্বিতীয়টো বৈশিষ্ট্যৰ ওচৰলৈ লৈ আহে। আমাৰ প্ৰশ্নৰ উত্তৰত যিজন পৰীক্ষাৰ্থীয়ে এটাৰ পিছত এটাকৈ কুৰি বিপ্লৱৰ এক ডজন কাৰণ পৰিবেশন কৰি তাতেই এৰি দিলে, তেওঁ দ্বিতীয় শ্ৰেণী এটা পালেও প্ৰথম শ্ৰেণী পোৱাটো টান : 'বেছ জনা, কিন্তু কল্পনাপ্ৰৱণহীন' বুলিয়েই বোধকৰো পৰীক্ষকৰ ৰায় হ'ব। তেওঁ নিজে সংগ্ৰহ কৰা কাৰণৰ তালিকাখনৰ সন্মুখীন হৈ প্ৰকৃত ঐতিহাসিকে সেইবোৰক এটা শৃংখলালৈ হ্ৰাস কৰিবলৈ, যিটোৱে সিহঁতৰ ভিতৰত ইটোৰ লগত সিটোৰ সম্পৰ্ক নিৰ্ধাৰণ কৰিবলৈ কাৰণসমূহৰ ক্ৰম এটা প্ৰতিষ্ঠা

কৰিবলৈ সম্ভৱতঃ কোনটো কাৰণক অথবা কোন শ্ৰেণীৰ কাৰণক সৰ্বশেষ (ulitimate) কাৰণ, সকলোবোৰ কাৰণৰ কাৰণ (cause of all causes) হিছাপে 'অন্তিম আশ্ৰয়' অথবা 'চূড়ান্ত বিশ্লেষণ' (ঐতিহাসিকসকলৰ প্ৰিয় খণ্ডবাক্য) হিছাপে গণ্য কৰা হ'ব সেই সম্পৰ্কে তেওঁ এটা বৃত্তিগত বাধ্যবাধকতা অনুভৱ কৰিব। এয়াই তেওঁৰ বিষয়বস্তুৰ (theme) ব্যাখ্যা; তেওঁ প্ৰয়োগ কৰা কাৰণসমূহেই ঐতিহাসিকৰ পৰিচয়। গিবনে বৰ্বৰতা (barbarism) আৰু ধৰ্মৰ বিজয়কে ৰোমান সাম্ৰাজ্যৰ অৱক্ষয় আৰু পতনৰ কাৰণ হিছাপে চিনাক্ত কৰিছিল। সাংবিধানিক স্বাধীনতাৰ আদৰ্শ সম্বলিত ৰাজনৈতিক অনুষ্ঠানৰ বিকাশকে ঊনৈশ শতিকাৰ ইংৰাজ হুইগ ঐতিহাসিকসকলক আজিকালি পুৰণিকলীয়া যেন লাগে কাৰণ, আধুনিক ঐতিহাসিকসকলে পুৰোবৰ্তী (forefront) হিছাপে স্থান দিয়া অৰ্থনৈতিক কাৰণসমূহক তেওঁলোকে আওকাণ কৰে। প্ৰতিটো ঐতিহাসিক যুক্তিয়েই কাৰণসমূহৰ অগ্ৰাধিকাৰক কেন্দ্ৰ কৰি আৱৰ্তন কৰে।

মোৰ শেষৰ বক্তৃতাটোত উদ্ধৃত কৰা হেন্‌ৰি পইন্‌কেয়াৰৰ (Henri Poincare) গ্ৰন্থত উল্লেখ কৰিছিল যে বিজ্ঞানে যুগপৎ 'বিভিন্নতা আৰু জটিলতাৰ ফালে' আৰু 'ঐক্য আৰু সৰলতাৰ ফালে' অগ্ৰসৰ হৈছিল আৰু এই দ্বৈত আৰু আপাততঃ পৰস্পৰ-বিৰোধী প্ৰক্ৰিয়াটো জ্ঞানৰ এক প্ৰয়োজনীয় চৰ্ত আছিল।[৪] ইতিহাসৰ ক্ষেত্ৰতো এইটো কথা কম সত্য নহয়। ঐতিহাসিকে তেওঁৰ গৱেষণা বিস্তৃত আৰু গভীৰ কৰি অবিৰামভাৱে তেওঁ 'কিয়' এই প্ৰশ্নটোৰ অধিকৰ পৰা অধিকতৰ উত্তৰ সংগ্ৰহ কৰে। ৰাজনৈতিক ইতিহাসৰ জটিলতাৰ নতুন অন্তৰ্দৃষ্টি আৰু মনোবিজ্ঞান আৰু পৰিসংখ্যাৰ নতুন কৌশলসমূহৰ কথা বাদ দিলেও বিগত বছৰবোৰত অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু আইনৰ ইতিহাসৰ ঠাল-ঠেঙুলি বৃদ্ধিয়ে অপৰ্যাপ্ত পৰিমাণে আমাৰ উত্তৰৰ সংখ্যা আৰু পৰিসৰ বৃদ্ধি কৰিছে। যেতিয়া বাৰ্ট্ৰাণ্ড ৰাছেলে লক্ষ্য কৰিছিল যে 'যিকোনো বিজ্ঞানৰ প্ৰতিটো অগ্ৰগতিয়েই প্ৰথমে পৰ্যবেক্ষিত স্থূল একেআগিত্বৰ (uniformities) পৰা আমাক পূৰ্বদৃষ্টান্ত (antecedent) আৰু অনুগামী ঘটনা আৰু প্ৰাসংগিক বুলি স্বীকৃত পূৰ্বদৃষ্টান্তসমূহৰ এক নিৰন্তৰ বিস্তৃত আৱৰ্তলৈ আঁতৰাই লৈ যায়',[৫] তেওঁ ইতিহাসৰ অৱস্থাটোৰেই সঠিক বৰ্ণনা কৰিছিল। কিন্তু অতীতক বুজাৰ তেওঁৰ স্পৃহাৰ গুণৰ বাবে বৈজ্ঞানিকৰ দৰেই ঐতিহাসিকেও একে সময়তে তেওঁৰ উত্তৰৰ বহুত্বক সৰল কৰিবলৈ, 'এটা উত্তৰক আনটোৰ অধীনস্থ কৰিবলৈ, ঘটনাৱলীৰ বিশৃংখলতাত কিছু শৃংখলা আৰু ঐক্য প্ৰৱৰ্তন কৰিবলৈ বাধ্য হয়। 'এক ঈশ্বৰ, এটা নিয়ম, এটা উপাদান আৰু এক দূৰণিৰ দৈৱ' অথবা হেন্‌ৰি আদামচ্‌ৰ অন্বেষণৰ 'কাৰোবাৰ শিক্ষিত হোৱাৰ বাসনাক নিঃশেষ কৰি দিয়াৰ কিছু ব্যাপক সাধাৰণীকৰণ'[৬]— এইবোৰক আজিকালি অপ্ৰচলিত কৌতুক যেন লাগে। কিন্তু এইটোও সত্য যে ঐতিহাসিকে কাৰণসমূহৰ সৰলীকৰণ আৰু বহুত্বকৰণৰ

যোগেদি কাম কৰিব লাগিব। বিজ্ঞানৰ দৰেই ইতিহাসো এই দ্বৈত আৰু আপাততঃ পৰস্পৰ-বিৰোধী প্ৰক্ৰিয়াৰ মাজেদিয়েই আগবাঢ়ি যাব লাগিব।

এইখিনিতে মই অনিচ্ছা সত্ত্বেও আমাৰ গোটেই যাত্ৰাপত্ৰ জুৰি থকা দুটা মনোৰম প্ৰৰোচনা সম্পৰ্কে ক'বই লাগিব,— এটাক 'ইতিহাসৰ নিৰ্ণেয়বাদ বা হেগেলৰ দুষ্টামি' আৰু আনটোক 'ইতিহাসত আকস্মিকতা বা ক্লিঅ'পেট্ৰাৰ নাক' হিচাপে আখ্যা দিয়া হয়। সিহঁতৰ কিদৰে ইতিহাসলৈ আগমন ঘটিল, সেই সম্পৰ্কে প্ৰথমেই মই এবাৰ বা দুআবাৰ কোৱা উচিত হ'ব। ১৯৩০ৰ দশকত ভিয়েনাত বিজ্ঞানৰ নতুন দৃষ্টিভংগী সম্পৰ্কে এখন গধুৰ গ্ৰন্থ লেখা,— যিখনক অলপতে The Logic of Scientific Enquiry (বৈজ্ঞানিক অনুসন্ধানৰ যুক্তি) নামেৰে ইংৰাজীলৈ অনুবাদ কৰা হৈছে,— সেইজন অধ্যাপক কাৰ্ল পপাৰে (Karl Popper) যুদ্ধৰ সময়ত The Open Society and It's Enemies (মুক্ত সমাজ আৰু তাৰ শত্ৰু) আৰু The Poverty of Historicism (ইতিহাসবাদৰ দৈন্য) নামেৰে দুখন অধিক জনপ্ৰিয় গ্ৰন্থ প্ৰকাশ কৰিছিল।[৭] ১৯৩০ৰ দশকত বৃটিছ বাওঁপন্থীসকলৰ বৌদ্ধিক জলবায়ুত পৰিণত হোৱা তথা মাৰ্ক্সবাদ আৰু নাজীবাদৰ আধ্যাত্মিক পূৰ্বপুৰুষ বুলি গণ্য কৰা হেগেলৰ লগতে প্লেটোৰ বিৰুদ্ধে তীব্ৰ আৱেগিক প্ৰভাৱৰ প্ৰতিক্ৰিয়া হিচাপে গ্ৰন্থ দুখন লেখা হৈছিল। হেগেল আৰু মাৰ্ক্সৰ ইতিহাসৰ দৰ্শনৰ তথাকথিত নিৰ্ণয়বাদক একে শ্ৰেণীভুক্ত কৰি ইতিহাসবাদ (historicism) হিচাপে অশালীন নামকৰণ কৰি তেওঁ আক্ৰমণৰ মূল লক্ষ্য কৰি লৈছিল।[৮] ১৯৫৪ চনত ছাৰ ইছায়া বাৰ্লিনে তেওঁৰ Historical Inevitability (ঐতিহাসিক অনিবাৰ্যতা) শীৰ্ষক ৰচনাখন প্ৰকাশ কৰিছিল। বোধহয় অক্সফ'ৰ্ড প্ৰশাসনৰ[৯] সেই প্ৰাচীন লাই-খুঁটাটোৰ প্ৰতি থকা দীঘলীয়া অৱশিষ্ট সন্মানৰ কাৰণে তেওঁ প্লেটোৰ ওপৰত আক্ৰমণটো প্ৰত্যাহাৰ কৰিছিল; আৰু পপাৰত বিচাৰি নোপোৱা এটা অভিযোগৰ যুক্তি তেওঁ সংযোগ কৰিছিল যে হেগেল আৰু মাৰ্ক্সৰ 'ইতিহাসবাদ' আপত্তিজনক, কাৰণ, যিটো মই মোৰ শেষৰ বক্তৃতাটোত উল্লেখ কৰিছিলো, ই মানুহৰ কাৰ্যাবলীক নৈমিত্তিক ভাষাৰে (causal terms) ব্যাখ্যা কৰি মানুহৰ মুক্ত চিন্তাক অস্বীকাৰ কৰে আৰু ইতিহাসৰ চাৰ্লেমেগ্‌নে, নেপোলিয়ন আৰু হিটলাৰহঁতক নৈতিক অপৰাধী হিচাপে ঘোষণা কৰিবলৈ ঐতিহাসিকসকলক তেওঁলোকৰ ন্যস্ত দায়িত্ব এৰাই চলিবলৈ উৎসাহ যোগায়। ইয়াৰ বাহিৰে বৰ বিশেষ একো পৰিৱৰ্তন হোৱা নাই। কিন্তু ছাৰ ইছায়া বাৰ্লিন যথাযোগ্যভাৱেই জনপ্ৰিয় আৰু ব্যাপকভাৱে পঠিত লেখক। বিগত পাঁচ বা ছবছৰত এইখন দেশ বা আমেৰিকা যুক্তৰাষ্ট্ৰত ইতিহাস সম্পৰ্কে এটা প্ৰবন্ধ বা আনকি ঐতিহাসিক লেখা সম্পৰ্কত কৰা চিৰিয়াচ পৰ্যালোচনাত প্ৰত্যেকেই হেগেল, মাৰ্ক্স আৰু নিৰ্ণয়বাদ সম্পৰ্কে স্বেচ্ছাকৃতভাৱে অসন্মানজনক দৃষ্টিভংগী গ্ৰহণ কৰিছিল আৰু ইতিহাসত আকস্মিকতাৰ

(accident) ভূমিকাক স্বীকৃতি দিবলৈ বিফল হোৱাৰ অযৌক্তিকতালৈ আঙুলিয়াই দিছিল। ছাৰ ইছায়া বাৰ্লিনিক বোধহয় তেওঁৰ শিষ্যবৰ্গৰ বাবে জগৰীয়া কৰাটো অসংগত হ'ব। আনকি যেতিয়া তেওঁ বাৰে-বাংকৰা ধৰণৰ কথাও কয় (nonsense), সেইবোৰ ইমান মোহনীয় আৰু আকৰ্ষণীয় ধৰণে কয় যে সেইবোৰেও আমাৰ মনোযোগ আকৰ্ষণ কৰে। সেই একেখিনি বাৰে-বাংকৰা কথা তেওঁৰ শিষ্যবৰ্গই পুনৰাবৃত্তি কৰিলে আকৰ্ষণীয় হ'বলৈ বিফল হয়। যিয়েই নহওক লাগিলে, এইবোৰ কথাত নতুনত্ব একোৱেই নাই। আধুনিক ইতিহাসৰ আমাৰ ৰেজিয়াচ অধ্যাপকসকলৰ ভিতৰত ৰৰ বেছি উল্লেখযোগ্য নোহোৱা আৰু সম্ভৱতঃ কেতিয়াও হেগেল নপঢ়া অথবা মাৰ্ক্সৰ নাম নুশুনা চাৰ্লচ কিংগ্ৰেই (Charles Kingsley) ১৮৬০ চনত তেওঁৰ উদ্বোধনী বক্তৃতাত ইতিহাসত একো 'অনিবাৰ্য- পৰিণাম'ৰ (inevitable sequence) অস্তিত্বই থাকিব নোৱাৰে বুলি কোৱাৰ প্ৰমাণ হিছাপে মানুহৰ 'নিজৰ সত্তাৰ নিয়ম ভঙ্গ কৰাৰ ৰহস্যময় ক্ষমতা'ৰ কথা কৈছিল।[১০] কিন্তু সৌভাগ্যক্ৰমে আমি কিংগ্ৰেক পাহৰি গৈছিলো। অধ্যাপক পপাৰ আৰু ছাৰ ইছায়া বাৰ্লিন দুয়োজনেই এই একেবাৰে মৃত ঘোঁৰাটোক কোবাই কোবাই অলপ জীৱন্ত যেন কৰিছে আৰু ঘোলা অৱস্থাটো পৰিষ্কাৰ কৰিবলৈ আৰু অলপমান ধৈৰ্যৰ প্ৰয়োজন হ'ব।

প্ৰথমে মই নিশ্চয়তাবাদ বা নিৰ্ণেয়বাদকে (determinism) লওঁ। মই অবিতৰ্কিতভাৱে তাৰ সংজ্ঞা এনেদৰেই নিৰ্ধাৰণ কৰিম যে সংঘটিত প্ৰতিটো ঘটনাৰে এক বা একাধিক কাৰণ থাকে আৰু সেই কাৰণ বা কাৰণসমূহ সুকীয়া নোহোৱালৈকে সেইবোৰ সুকীয়া ধৰণে ঘটিবই নোৱাৰে বুলি থকা বিশ্বাসটোকে নিশ্চয়তাবাদ বা নিৰ্ণেয়বাদ বুলি কোৱা হয়।[১১] নিশ্চয়তাবাদ কেৱল ইতিহাসৰে সমস্যা নহয়, সকলো প্ৰকাৰৰ মানৱীয় আচাৰ-আচৰণৰেই সমস্যা। আগৰ বক্তৃতাটোত আজি আলোচনা কৰাৰ দৰেই যি ব্যক্তিৰ কাৰ্যকলাপৰ কোনো কাৰণ নাথাকে আৰু সেয়ে সমাজ-বহিৰ্ভূত ব্যক্তিৰ বিমূৰ্ততাৰ দৰেই তেওঁলোক অনিৰ্ণেয়। 'মানুহৰ ক্ষেত্ৰত সকলো সম্ভৱ'[১২]— অধ্যাপক পপাৰৰ এই দাবীটো হয় নিৰৰ্থক, নহয় ভুল। সাধাৰণ জীৱন-যাত্ৰাত এইটোক কোনোৱেই বিশ্বাস নকৰে বা বিশ্বাস কৰিবই নোৱাৰে। প্ৰতিটো কাম বা ঘটনাৰে এটা কাৰণ থাকে— এই স্বতঃসিদ্ধ কথাটো (axiom) আমাৰ চৌদিশে কি হৈ আছে সেইটো বুজাৰ আমাৰ সামৰ্থ্যৰ এক চৰ্ত।[১৩] কাফ্কাৰ উপন্যাসৰ দুঃস্বপ্নমূলক বৈশিষ্ট্যৰ কথাটো এয়ে আছিল যে যি ঘটে তাৰ কোনো বাহ্যিক কাৰণ নাই অথবা নিশ্চিত কৰিব পৰাকৈ কোনো কাৰণ নাথাকে ঃ ইয়ে মানৱীয় ব্যক্তিত্বক সম্পূৰ্ণ খণ্ড-বিখণ্ড কৰি পেলায় আৰু মানৱীয় ব্যক্তিত্ব এই ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত যে ঘটনাৱলীৰ কাৰণ থাকে আৰু মানুহৰ কৰ্মৰ পথ-প্ৰদৰ্শক হিছাপে কাম কৰিবলৈ মানুহৰ মনত অতীত আৰু বৰ্তমানৰ

এটা আৰ্হি নিৰ্মাণ কৰিবলৈ সেইবোৰ কাৰণৰে বহু সংখ্যকক নিৰ্ণয় কৰিবও পাৰি। এসময়ত মানুহে প্ৰাকৃতিক ঘটনাৱলীৰ কাৰণ অনুসন্ধান কৰিবলৈ যোৱাটোক ধৰ্মদ্ৰোহিতা বুলি গণ্য কৰিছিল, যিহেতু সেইবোৰ দেখ্‌দেখ্‌কৈ নিয়তিৰ ইচ্ছাই নিয়ন্ত্ৰণ কৰিছিল। মানুহৰ কাৰ্যকলাপ মানুহৰ ইচ্ছাই নিয়ন্ত্ৰণ কৰে বুলি কোৱাৰ ভিত্তিতে মানুহে কিয় তেওঁ কৰাৰ দৰেই আচৰণ কৰে (acted) বুলি আমি দিয়া ব্যাখ্যাৰ বিৰুদ্ধে ছাৰ ইছায়া বাৰ্লিনে কৰা আপত্তিটো সেই একেই ধাৰণাৰ শৃংখলাৰ অন্তৰ্ভুক্ত আৰু বোধকৰো ই এনে ইংগিতেই দিয়ে যে যেতিয়া এনেধৰণৰ যুক্তি সেইবোৰৰ বিৰুদ্ধেও প্ৰয়োগ কৰা হৈছিল, প্ৰাকৃতিক বিজ্ঞানৰ দৰেই সামাজিক বিজ্ঞানৰ বিকাশো আজি একেটা স্তৰতে আছে।

দৈনন্দিন জীৱনত এই সমস্যাটো আমি কিদৰে চম্ভালো সেইটো চোৱা যাওক। আপুনি দৈনিক কামলৈ বাহিৰ ওলোৱাৰ সময়ত আপুনি স্মিথক লগ পোৱাটো আপোনাৰ অভ্যাস। তেওঁক আপুনি বতৰৰ বিষয়ে বা কলেজৰ অৱস্থাৰ বিষয়ে বা বিশ্ববিদ্যালয়ৰ কাম-কাজৰ বিষয়ে এটা ভদ্ৰোচিত অথচ উদ্দেশ্যবিহীন মন্তব্যৰে অভিনন্দন জনায়; তেৱোঁ বতৰ বা কলেজ-বিশ্ববিদ্যালয়ৰ অৱস্থা আৰু কাম-কাজৰ বিষয়ে একেই ভদ্ৰতা আৰু উদ্দেশ্যবিহীন মন্তব্যৰে উত্তৰ দিয়ে। কিন্তু ধৰক, এদিন ৰাতিপুৱা স্মিথে তেওঁৰ চিৰাচৰিত ধৰণে উত্তৰ দিয়াৰ পৰিবৰ্তে আপোনাৰ ব্যক্তিগত চেহেৰা অথবা চৰিত্ৰ সম্পৰ্কে প্ৰচণ্ডভাৱে গালি-গালাজ কৰিলে। আপুনি সেইটোক স্মিথৰ ব্যক্তিগত স্বাধীনতাৰ প্ৰত্যয়জনক প্ৰদৰ্শন বুলি আৰু মানুহৰ ক্ষেত্ৰত সকলো সম্ভৱ বুলি গণ্য কৰি কান্ধ-মূৰ-হাত জোঁকাৰি উদাসীন হৈ ৰ'বনে? মোৰ সন্দেহ, আপুনি তেনে নকৰিব। তাৰ বিপৰীতে আপুনি বোধকৰো এনেদৰে ক'ব ঃ 'বেচেৰা-স্মিথ! তুমি নিশ্চয় জানা যে মানসিক চিকিৎসালয়ত তেওঁৰ দেউতাক ঢুকাইছিল', অথবা 'বেচেৰা স্মিথ! তেওঁৰ পৰিবাৰৰ লগত নিশ্চয় অধিক কন্দল লাগিছে।' আনকথাত, আপুনি স্মিথৰ আপাততঃ কাৰণহীন ব্যৱহাৰৰ কাৰণ নিৰ্ণয় কৰিবলৈ যত্ন কৰিব এনে দৃঢ় বিশ্বাসত যে তাৰ নিশ্চয় কিবা কিছুমান কাৰণ থাকিবই লাগিব। মোৰ আশংকা এয়ে যে তেনে কৰিলে আপুনি ছাৰ ইছায়া বাৰ্লিনৰ খং তোলাই দিয়া হ'ব যিজনে তিক্ততাৰে সৈতে অভিযোগ কৰিব যে স্মিথৰ ব্যৱহাৰৰ কাৰ্যকাৰণবাদী ব্যাখ্যা আগবঢ়াই আপুনি হেগেল আৰু মাৰ্ক্সৰ নিশ্চয়তাবাদী ধাৰণাক সন্দেহাতীতভাৱে গ্ৰহণ কৰিছে (swallowed) আৰু স্মিথক অপগণ্ড বুলি গৰিহণা দিয়াৰ বাধ্যবাধকতাৰ পৰা পুলুকা মাৰিছে। কিন্তু দৈনন্দিন জীৱন-যাত্ৰাত কোনেও এইটো দৃষ্টিভংগী গ্ৰহণ নকৰে, অথবা নিশ্চয়তাবাদেই হওক বা নৈতিক দায়িত্বই হওক, সংকটজনক অৱস্থাত পৰিছে বুলি ধৰি নলয়। মুক্ত ইচ্ছা আৰু নিশ্চয়তাবাদৰ সম্পৰ্কত যুক্তিসংগত উভয়সংকট বাস্তৱ জীৱনত উদ্ভৱ নহয়। এইটো এনেও নহয় যে কিছুমান মানৱীয় কাৰ্যকলাপ মুক্ত আৰু আনবোৰ নিৰ্ণেয়। প্ৰকৃততে সকলোবোৰ মানৱীয়

কাৰ্যকলাপেই আমি যি দৃষ্টিকোণৰ পৰা সেইবোৰক বিবেচনা কৰোঁ, মুক্তও আৰু নিৰ্ণেয়ও। বাস্তৱিক প্ৰশ্নটো আকৌ সুকীয়া। স্মিথৰ কাৰ্যটোৰ এটা বা একাধিক সংখ্যক কাৰণ আছে; কিন্তু যিমান দূৰলৈকে সেই কাৰ্য কিবা বাহ্যিক বাধ্যবাধকতাৰ পৰিৱৰ্তে তেওঁৰ নিজৰ ব্যক্তিত্বৰ বাধ্যবাধকতাৰ কাৰণে কৰা হৈছিল, তেন্তে তেওঁ নৈতিকভাৱে জগৰীয়া, কিয়নো সামাজিক জীৱনত ইয়ো এটা চৰ্ত যে সুস্থ প্ৰাপ্তবয়স্ক মানৱ সত্তা তেওঁৰ নিজৰ ব্যক্তিত্বৰ কাৰণে নৈতিকভাৱে দায়বদ্ধ। সেই বিশেষ ঘটনাটোৰ কাৰণে আপুনি তেওঁক জগৰীয়া কৰে নে নকৰে, সেইটো আপোনাৰ বাস্তৱিক বিচাৰৰ বিষয়। কিন্তু যদি আপুনি তেওঁক জগৰীয়া কৰে, সেইটোৱে এই অৰ্থ নকৰে যে আপুনি স্মিথৰ কাৰ্যৰ কোনো কাৰণ নাছিল বুলি ধৰিছিল : কাৰণ আৰু নৈতিক দায়বদ্ধতা পৃথক চৰিত্ৰৰ (categories)। এইখন বিশ্ববিদ্যালয়ত অপৰাধতত্ত্বৰ এটা ইনষ্টিটিউট আৰু এখন চেয়াৰ অলপতে প্ৰতিষ্ঠা কৰা হৈছে। মই নিশ্চিত যে অপৰাধৰ কাৰণ অনুসন্ধানত জড়িত কোনো এজনেই ধৰি নলয় যে সেই কাৰ্যই অপৰাধীৰ প্ৰতি থাকিবলগীয়া নৈতিক দায়িত্বক অস্বীকাৰ কৰিবলৈ তেওঁলোক প্ৰতিশ্ৰুতিবদ্ধ।

এতিয়া আমি ঐতিহাসিকৰ প্ৰতি দৃষ্টিপাত কৰোঁ। সাধাৰণ মানুহৰ দৰেই তেওঁ বিশ্বাস কৰে যে মানুহৰ কাৰ্যকলাপবিলাকৰ কাৰণ থাকে, যিবোৰক নীতিগতভাৱে নিৰ্ণয় কৰিব পাৰি। এই ধাৰণা অবিহনে দৈনন্দিন জীৱনৰ দৰেই ইতিহাসো অসম্ভৱ হৈ পৰিব। এই কাৰণসমূহ অনুসন্ধান কৰাই ঐতিহাসিকৰ বিশেষ কৰ্তব্য। ই তেওঁক মানুহৰ আচাৰ-আচৰণৰ নিৰ্ণীত (determined) দিশটোৰ প্ৰতি বিশেষ মনোযোগ দিয়া বুলি ভাবিব পাৰি : কিন্তু স্বেচ্ছাকৃত কাৰ্যকলাপৰ কোনো কাৰণ নাথাকে বুলি থকা অগ্ৰহণীয় ধাৰণাৰ বাহিৰে তেওঁ মুক্ত ইচ্ছাক নাকচ নকৰে। তেওঁক আনকি অনিবাৰ্যতাৰ প্ৰশ্নটোৱেও আমনি নকৰে। আন মানুহৰ দৰেই ঐতিহাসিকসকলো কেতিয়াবা আলংকাৰিক ভাষাৰ কবলত পৰে আৰু কোনো এটা ঘটনাক 'অনিবাৰ্য' বুলি কয় যেতিয়া সিহঁতে কেৱল বুজায় যে বহুবোৰ উপাদানৰ সংযোগে ইয়াক অত্যন্ত শক্তিশালী বুলি ভাবি ল'বলৈ বাধ্য কৰে। অলপতে মই মোৰ নিজৰ ইতিহাস-গ্ৰন্থত এই দোষী শব্দটো বিচাৰি চাইছিলো আৰু মই নিজকে সম্পূৰ্ণ নিৰ্দোষ বুলি ৰায় দিব নোৱাৰিলো : এটা ছেদত মই লেখিছিলো যে ১৯১৭ চনৰ বিপ্লৱৰ পাছত, বলচেভিক আৰু অৰ্থদক্ষ চাৰ্চৰ মাজত সংঘৰ্ষ 'অনিবাৰ্য' (inevitable) আছিল। নিঃসন্দেহে 'অত্যন্ত সম্ভাবনাপূৰ্ণ' (extremely probable) বুলি কোৱাহেঁতেন অধিক জ্ঞানীৰ কাম হ'লহেঁতেন। কিন্তু সংশোধনটোক পাণ্ডিত্যাভিমানৰ এক ঝলক বুলি মোক ক্ষমা কৰিব পাৰিনে? কাৰ্যক্ষেত্ৰত, ঘটনা সংঘটিত হোৱাৰ আগেয়েই ঐতিহাসিকে সেইবোৰ ঘটনাক অনিবাৰ্য বুলি ধাৰণা নকৰে। তেওঁলোকে প্ৰায়েই তেওঁলোকৰ কাহিনীৰ অভিনেতাসকলৰ বাবে বিকল্প পন্থাবোৰ আলোচনা কৰে

এই অনুমানত যে যদিয়ো তেওঁলোকে আন পন্থাতকৈ নির্দিষ্ট পন্থা এটা কিয় বাছি ল'লে সেইটো অতি সঠিকভাৱেই ব্যাখ্যা কৰিব, বিকল্প তেওঁলোকৰ সন্মুখত খোলা থাকে। আনুষ্ঠানিক অর্থৰ বাহিৰে ইতিহাসত একোৱেই অনিবার্য নহয়, কাৰণ কোনো ঘটনা অন্য ধৰণে ঘটিবলৈ হ'লে, তাৰ পূর্ববর্তী (antecedent) কাৰণসমূহো সুকীয়া হ'ব লাগিব। এজন ঐতিহাসিক হিচাপে মই 'অনিবার্য', 'অপৰিহার্য', 'নিষ্কৃতিহীন', (inescapable), 'অমোঘ' আদিক পৰিহাৰ কৰি চলিবলৈ সম্পূর্ণভাৱে প্রস্তুত। জীৱন নিৰানন্দময় হ'ব। কিন্তু তথাপি সেইবিলাক শব্দমালা কবি আৰু দার্শনিকসকললৈ এৰা ভাল।

অনিবার্যতাৰ অভিযোগটো ইমানেই বন্ধ্যা আৰু অর্থহীন আৰু সাম্প্রতিক বছৰবোৰত ইয়াৰ বিৰুদ্ধে ইমান তীব্রতাৰে আক্রমণ অব্যাহত ৰখা হৈছিল যে মই ভাবোঁ তাৰ পশ্চাতত থকা গোপন উদ্দেশ্য আমি বিচাৰিবই লাগিব। মোৰ সন্দেহ, ইয়াৰ প্রধান উৎস হৈছে— যাক মই 'হয়তো হ'ব পাৰিলেহেঁতেন' (might-have-been) গোষ্ঠীৰ আদর্শ অথবা আবেগ বুলি ক'বলৈ বিচাৰোঁ। ই নিজকে প্রায় সম্পূর্ণভাৱে সমসাময়িক ইতিহাসৰ লগত সংযুক্ত কৰে। কেম্ব্রীজ বিশ্ববিদ্যালয়ত যোৱা শিক্ষাবর্ষত কোনোবা এটা সমাজত দিবলগীয়া বক্তৃতা এটা 'ৰুচ বিপ্লৱটো অনিবার্য আছিলনে' শিৰোনামাৰে বিজ্ঞাপন প্রচাৰ কৰিছিল। মই নিশ্চিত যে বক্তৃতাটো সম্পূর্ণভাৱে গুৰুত্বপূর্ণই আছিল। কিন্তু আপুনি যদি 'গোলাপৰ যুদ্ধ অনিবার্য আছিলনে' বুলি বক্তৃতা এটাৰ বিজ্ঞাপন দেখিলেহেঁতেন, আপুনি ততালিকে কিবা বিদ্রূপ বুলি সন্দেহ কৰিলেহেঁতেন। ঐতিহাসিকে নর্মান বিজয় বা আমেৰিকাৰ স্বাধীনতাৰ যুদ্ধৰ সম্পর্কে এনেদৰে লেখে যেন যি ঘটিছিল, বাস্তৱিকতে সেইটো ঘটাটো অনিবার্য আছিল আৰু তেওঁৰ যেন কামেই হ'ল কি ঘটিছিল আৰু কিয় ঘটিছিল কেৱল সেইটো ব্যাখ্যা কৰা আৰু কোনেও তেওঁক নিশ্চয়তাবাদী হোৱা বুলি আৰু বিজেতা উইলিয়াম (William the Conqueror) বা আমেৰিকান বিপ্লৱীসকলৰ পৰাজয় হ'ব পৰা বৈকল্পিক সম্ভাৱনা আলোচনা নকৰাৰ বিফলতাৰ কাৰণে দোষাৰোপ নকৰে। এই একেই নিয়মেৰে মই যেতিয়া ১৯১৭ চনৰ ৰুচ বিপ্লৱৰ বিষয়ে লেখিছো,— ঐতিহাসিকৰ পক্ষে একমাত্র সঠিক উপায়,— মই তেতিয়া মোৰ সমালোচকৰ আক্রমণৰ সন্মুখীন হৈছো এই কাৰণে যে যি কিছু ঘটিছিল, সেইখিনি ঘটাটো অনিবার্য আছিল আৰু অনান্য যিবোৰ ঘটাৰ সম্ভাৱনা আছিল, সেইবোৰ পৰীক্ষা কৰি চোৱাত বিফল হৈছিলো। ধৰক, এইটো কোৱা হয় যে ষ্টলিপিনে (Stolypin) তেওঁৰ কৃষি-সংস্কাৰ সম্পূর্ণ কৰিবলৈ সময় পোৱাহেঁতেন অথবা ৰাচিয়াই প্রথম বিশ্বযুদ্ধত যোগ নিদিয়াহেঁতেন বিপ্লৱটো সংঘটিত নহ'লহেঁতেন; অথবা ধৰক যে কেৰেনস্কিৰ (Kerensky) চৰকাৰে প্রতিশ্রুতি দিয়া মতেই কাম কৰাহেঁতেন আৰু বিপ্লৱৰ নেতৃত্ব বলচেভিকসকলৰ পৰিবর্তে মেন্‌চেভিকসকলে অথবা সামাজিক বিপ্লৱীসকলে হস্তগত

কৰিব পৰাহেঁতেন বিপ্লবটো সংঘটিত নহ'লহেঁতেন। এই পূৰ্বানুমানসমূহ তত্ত্বগতভাৱে বোধগম্য; আৰু কোনোবাই সদায় ইতিহাসৰ 'হয়তো হ'ব পাৰিলেহেঁতেন'ৰ সৈতে পাৰ্লাৰ গেম (Parlour game) খেলিব পাৰে। কিন্তু সেইবোৰৰ নিশ্চয়তাবাদ সম্পৰ্কে কৰিবলৈ একো নাই; কিয়নো নিশ্চয়তাবাদীজনে কেৱল উত্তৰ দিব যে এই ঘটনাসমূহ ঘটিবলৈ হ'লে, কাৰণসমূহো সুকীয়া হ'ব লাগিব। এইবোৰৰ ইতিহাসৰ লগতো কোনো সম্পৰ্ক নাই। কথাটো হ'ল যে আজি আৰু কোনোৱেই গুৰুত্বসহকাৰে নৰ্মান বিজয় বা আমেৰিকাৰ স্বাধীনতা যুদ্ধৰ ফলাফল ওলোটা হোৱাটো কামনা নকৰে, অথবা সেইবোৰ ঘটনাৰ বিৰুদ্ধে কোনো আবেগিক মতামত দিবলৈ নিবিচাৰে আৰু ঐতিহাসিকে সেইবোৰক পৰিসমাপ্ত অধ্যায় (closed chapter) বুলি গণ্য কৰিলেও কোনেও আপত্তি নকৰে। কিন্তু বহু সংখ্যক মানুহে, যিসকলে বলচেভিক বিজয়ৰ পৰিণামত প্ৰত্যক্ষভাৱে অথবা আনৰ কাৰণে (vicariously) কষ্টভোগ কৰিছিল অথবা এতিয়াও তাৰ সুদূৰপৰাহত পৰিণামসমূহক ভয় কৰে, তেওঁলোকে তাৰ বিৰুদ্ধে তেওঁলোকৰ প্ৰতিবাদ সাব্যস্ত কৰিব বিচাৰে আৰু তেওঁলোকে যেতিয়া ইতিহাস পঢ়ে, তেতিয়া ই যি ঘটিব পাৰিলেহেঁতেন সেই সকলোবোৰ মনোমত বস্তু সম্পৰ্কে তেওঁলোকৰ কল্পনাই সকলো সংযম দলিয়াই পেলোৱাৰ, আৰু কি ঘটিছিল আৰু কিয় তেওঁলোকৰ মনোমত কাম্য-স্বপ্ন (wish-dreams) অপূৰ্ণ হৈ ৰ'ল সেই সম্পৰ্কে যি ঐতিহাসিকে নিৰ্বিকাৰচিত্তে তেওঁৰ ব্যাখ্যা আগবঢ়াই, তেওঁৰ বিৰুদ্ধে ক্ষোভৰ ৰূপ লয়। সমসাময়িক ইতিহাসৰ আহুকাল এইটোৱেই যে মানুহে সেই সময়টো মনত পেলাই যেতিয়া সকলোবোৰ বিকল্পই খোলা আছিল আৰু যাৰ বাবে সংঘটিত ঘটনাই (fait accompli) তেওঁলোকৰ বিষয়টোৰ পৰিসমাপ্তি ঘটালে, তেনে ঐতিহাসিকৰ মনোভংগী গ্ৰহণ কৰিবলৈ টান পায়। এইটো একান্তই আবেগিক আৰু অনৈতিহাসিক প্ৰতিক্ৰিয়া। কিন্তু ইয়েই 'ঐতিহাসিক অনিবাৰ্যতা'ৰ অনুমিত তত্ত্বৰ বিৰুদ্ধে সাম্প্ৰতিক প্ৰচাৰ অভিযানৰ অধিকাংশ ইন্ধনৰ যোগান ধৰিছে। এই চিন্তা-বিপথকামিতাৰ (red herring) পৰা আমি চিৰদিনৰ বাবে অব্যাহতি লোৱা উচিত।

আক্ৰমণৰ আনটো উৎস হ'ল ক্লিয়পেট্ৰাৰ নাকটোৰ সেই বিখ্যাত বিপাকটো (crux)। তত্ত্বটো এয়ে যে মোটামুটিভাৱে ইতিহাস আকস্মিক ঘটনাৱলীৰ এক অধ্যায়, দৈৱিক কাকতালীয় সংঘটনে (chance coincidences) নিৰ্ণয় কৰা এলানি ঘটনাৱলী আৰু আটাইতকৈ আকস্মিক কাৰণ আৰোপ কৰিব পৰা ঘটনা। ঐতিহাসিকসকলে সাধাৰণতে যিবোৰ কাৰণ দাবী কৰিছে, এক্টিয়াম (Actium) যুদ্ধৰ পৰিণাম সেইবোৰ কাৰণৰ বাবে হোৱা নাছিল, ক্লিয়পেট্ৰাৰ প্ৰতি এন্টনিৰ মোহান্ধ উদগ্ৰ প্ৰেমৰ বাবেহে হৈছিল। বাত-বেমাৰৰ (gout) আক্ৰমণে যেতিয়া বাজাজেটক (Bajazet) মধ্য ইউৰোপ আক্ৰমণ কৰাত বাধা দিলে, গিবনে মন্তব্য দিছিল যে 'এজন মানুহৰ এডাল পেশীৰ এক

তিক্ততাপূৰ্ণ কৌতুকে বহুকেইটা জাতিৰ দুৰ্ভাগ্যক বোধ কৰিব অথবা স্থগিত ৰখাব পাৰিছিল।'[১৪] ১৯২০ চনৰ শৰত কালত গ্ৰীচৰ ৰজা আলেকজেণ্ডাৰৰ যেতিয়া পোহনীয়া বান্দৰ এটাৰ কামোৰত মৃত্যু হৈছিল, সেই দুৰ্ঘটনাটোৱে এনেনি ঘটনাৰ বিস্ফোৰণ ঘটাইছিল যিয়ে চাৰ উইনষ্টন চাৰ্চিলক মন্তব্য দিবলৈ বাধ্য কৰিছিল যে 'এই বান্দৰটোৰ কামোৰত এক-চতুৰ্থাংশ নিযুত মানুহৰ মৃত্যু হৈছিল।'[১৫] অথবা জিনোভিয়েভ (Zinoviev), কামেনেভ (Kamenev) আৰু ষ্টেলিনৰ লগত হোৱা বিবাদৰ এক গুৰুত্বপূৰ্ণ মুহূৰ্তত ১৯২৩ চনৰ শৰত কালত হাঁহ-চিকাৰ কৰিবলৈ গৈ জ্বৰত ভোগাৰ কাৰণে তেওঁ একো কাম-কাজ কৰিব নোৱৰা হোৱাত ট্ৰট্‌স্কিয়ে দিয়া মন্তব্যটো চাওক : 'কোনোৱে বিপ্লব এটা অথবা যুদ্ধ এখনৰ পূৰ্বানুমান কৰিব পাৰে, কিন্তু শৰত কালত বনৰীয়া হাঁহ চিকাৰ কৰাৰ পৰিণাম পূৰ্বানুমান কৰাটো অসম্ভৱ।'[১৬] স্পষ্ট কৰি দিবলগীয়া প্ৰথম কথাটো এয়ে যে নিশ্চয়তাবাদৰ বিষয়টোৰ লগত এইটো প্ৰশ্নৰ কোনো সম্পৰ্ক নাই। ক্লিয়পেট্ৰাৰ প্ৰতি এণ্টনিৰ মোহান্ধ প্ৰেমৰ উদগ্ৰতা, অথবা বাজাজেটক বাত-বিষে কৰা আক্ৰমণ বা ঠাণ্ডা লাগি ট্ৰট্‌স্কিৰ জ্বৰ হোৱা,— এইবোৰ আন যিকোনো ঘটনা ঘটাৰ দৰেই কাৰ্যকাৰণে নিৰূপণ কৰা ঘটনা। এণ্টনিৰ উদগ্ৰতাৰ কোনো কাৰণ নাই বুলিলে ক্লিয়পেট্ৰাৰ সৌন্দৰ্যৰ প্ৰতি অযথাই অসৌজন্য প্ৰদৰ্শন কৰা হয়। নাৰীৰ সৌন্দৰ্য আৰু পুৰুষৰ কামনাৰ মাজত থকা সম্পৰ্ক আমাৰ দৈনন্দিন জীৱনত পৰিলক্ষিত হোৱা কাৰ্য-কাৰণৰ আটাইতকৈ প্ৰাকৃতিক পৰিণাম (regular sequence)। ইতিহাসৰ এই তথাকথিত আকস্মিকতাবোৰে কাৰণ আৰু ফলাফলৰ এটা পৰিণামক প্ৰতিনিধিত্ব কৰে, যিয়ে ঐতিহাসিকজনে প্ৰধানকৈ অনুসন্ধান কৰিবলৈ লোৱা পৰিণামটোত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে, আৰু সঁচাকথা ক'বলৈ হ'লে, বিৰোধিতাই কৰে। বিউৰিয়ে খুব সঠিকভাৱেই "দুটা স্বতন্ত্ৰ কাৰ্য-কাৰণ শৃংখলৰ মাজত এটা সংঘাত' বুলি কৈছিল।[১৭] বাৰ্ণাড বেৰেণচনৰ (Bernard Berenson) 'ইতিহাসৰ আকস্মিকতাৰ দৃষ্টিভংগী' শীৰ্ষক (The Accidental View of History) প্ৰবন্ধ এটা তেওঁৰ 'ঐতিহাসিক অনিবাৰ্যতা' (Historical Inevitability) শীৰ্ষক ৰচনাখনৰ আৰম্ভণিতে সপ্ৰশংসভাৱে উদ্ধৃত কৰা ছাৰ ইছায়া বাৰ্লিনো সেই সকলৰ ভিতৰৰে এজন, যি কাৰ্য-কাৰণৰ নিৰ্ণেয়তাৰ অভাৱৰ লগত এই অৰ্থত আকস্মিকতাক একাকাৰ কৰি খেলি-মেলি লগাইছে। কিন্তু এই খেলি-মেলিৰ কথা বাদ দিয়ো আমাৰ হাতত এটা বাস্তৱ সমস্যা আছে। কেনেকৈ আমি ইতিহাসত এটা সুসংগত পৰিণাম আৱিষ্কাৰ কৰিব পাৰোঁ, যেতিয়া আমাৰ পৰিণাম আমাৰ দৃষ্টিকোণৰ পৰা অপ্ৰাসংগিক যেন লগা আন কিবা পৰিণামৰ কাৰণে যিকোনো মুহূৰ্ততে ভাগি পৰিব পাৰে অথবা পথভ্ৰষ্ট হ'ব পাৰে, তেতিয়া আমি কিদৰে ইতিহাসত যিকোনো অৰ্থ বিচাৰি পাম?

সাম্প্ৰতিক সময়ত ইতিহাসত আকস্মিকতাৰ ভূমিকা সম্পৰ্কে ব্যাপক গুৰুত্বটোৰ উৎপত্তিৰ প্ৰতি মনোযোগ দিবলৈ আমি এইখিনিতে অলপ ৰ'ব পাৰোঁ। পলিবিয়াচকে (Polybius) এইটো বিষয়ত প্ৰণালীবদ্ধভাৱে আত্ম-নিয়োগ কৰা প্ৰথম ঐতিহাসিক যেন লাগে ; আৰু গিবনে তুৰন্তে তাৰ কাৰণ উদ্‌ঘাটন কৰিছিল। গিবনে লক্ষ্য কৰিছিল যে 'তেওঁলোকৰ দেশখনক এখন প্ৰদেশত পৰিণত কৰি পেলোৱাৰ কাৰণে গ্ৰীকসকলে ৰোমৰ বিজয়ক ৰোমান সকলৰ যোগ্যতাতকৈ (merit) ৰোমান গণতন্ত্ৰৰ সৌভাগ্যতহে আৰোপ কৰিছিল।'[১৮] তেওঁৰ দেশৰ অৱক্ষয়ৰ সময়ৰ ঐতিহাসিক টেচিটাচো (Tacitus) আন এজন প্ৰাচীন ঐতিহাসিক যি আকস্মিকতাৰ ব্যাপক আত্মপ্ৰত্যাবৰ্তনশীলতাক প্ৰশ্ৰয় দিছিল। বৃটিছ লেখকসকলে ইতিহাসত আকস্মিকতাৰ ওপৰত নতুনকৈ জোৰদাৰ গুৰুত্ব দিয়াটো বৰ্তমান শতিকাটোৰ আৰম্ভণিতে অনিশ্চয়তা আৰু আশংকাৰ বাতাৱৰণ (mood) এটাৰ আৰম্ভণিৰ তাৰিখৰ পৰা আৰম্ভ হৈছিল আৰু ১৯১৪ চনৰ পাছত স্পষ্ট হৈ পৰিছিল। বহু বছৰৰ বিৰতিৰ অন্তত সেই সুৰত কথা কোৱা বিউৰিয়েই প্ৰথম বৃটিছ ঐতিহাসিক আছিল, যি ১৯০৯ চনত প্ৰকাশিত 'ইতিহাসত ডাৰউইনবাদ' (Darwinism in History) শীৰ্ষক প্ৰবন্ধ এটাত বহুত পৰিমাণে 'সামাজিক বিৱৰ্তনৰ ঘটনাৱলী নিৰ্ণয় কৰাত সহায় কৰা' 'দৈৱিক সংঘটনৰ উপাদান'লৈ মনোযোগ আকৰ্ষণ কৰিছিল; আৰু ১৯১৬ চনত একেই বিষয়ত 'ক্লিয়পেট্ৰাৰ নাক' শীৰ্ষক সুকীয়া প্ৰবন্ধ এটা লেখিছিল।[১৯] ইতিমধ্যে উদ্ধৃত এইচ. এ. এল. ফিশ্বাৰৰ ছেদটোত, যিটোৱে প্ৰথম বিশ্বযুদ্ধৰ পাছত লিবাৰেলসকলৰ স্বপ্নৰ বিফলতাৰ কাৰণে তেওঁৰ মোহভংগতাক প্ৰতিফলিত কৰে, ইতিহাসত 'অদৃষ্টপূৰ্ব আৰু অদৃশ্য শক্তিৰ লীলা' স্বীকাৰ কৰি ল'বলৈ তেওঁ পাঠকক অনুৰোধ জনাইছে।[২০] এইখন দেশত ইতিহাসক 'আকস্মিক ঘটনাৱলীৰ এক অধ্যায়' হিছাপে ইতিহাসৰ তত্ত্বটোৰ জনপ্ৰিয়তাৰ সমসাময়িকভাৱে ফ্ৰান্সত এক দাৰ্শনিক গোষ্ঠীৰ আবিৰ্ভাৱ হৈছিল, যিয়ে প্ৰচাৰ কৰিছিল যে— মই চাৰ্ত্ৰেৰ (Sartre) বিখ্যাত আস্তিক আৰু নাস্তিক (L'Être et le néant) উদ্ধৃত কৰিছো— 'অস্তিত্বৰ কোনো কাৰণ নাই, কোনো যুক্তি নাই, কোনো অনিবাৰ্যতা নাই।' আমি ইতিমধ্যে দেখিছো যে জাৰ্মানীত প্ৰবীণ ঐতিহাসিক মেইনকেই (Meinecke) তেওঁৰ অন্তিম জীৱনৰ ফালে ইতিহাসত দৈৱৰ ভূমিকা সম্পৰ্কে বেছ আকৰ্ষিত হৈছিল। এইটো বিষয়ৰ প্ৰতি যথোপযুক্ত মনোযোগ নিদিয়াৰ কাৰণে তেওঁ ৰেংকেক গৰিহণা দিছিল আৰু দ্বিতীয় বিশ্বযুদ্ধৰ পাছৰ এলানি আকস্মিক ঘটনাত বিগত চল্লিছ বছৰৰ জাতীয় বিপৰ্যয়ৰ কাৰণ আৰোপ কৰিছিল, যেনে— কাইজাৰৰ অহংকাৰ, ৱেইমাৰ প্ৰজাতন্ত্ৰৰ ৰাষ্ট্ৰপতিৰ পদত হিণ্ডেনবাৰ্গৰ নিৰ্বাচন, হিটলাৰৰ বিকাৰগ্ৰস্ততা আদি— এয়া যেন তেওঁৰ দেশৰ ভাগ্য বিপৰ্যয়ৰ হেঁচাত এজন মহৎ ঐতিহাসিকৰ মনৰ নিঃস্বতা।[২১] কোনো এটা গোষ্ঠী বা এটা জাতি যেতিয়া

ঐতিহাসিক ঘটনাৱলীৰ জোৱাৰৰ পৰিবৰ্তে ভাটাত উঠিবলগীয়া হয়, যি তত্ত্বই ইতিহাসত ভাগ্যৰ (chance) ভূমিকা বা আকস্মিকতাৰ ভূমিকাৰ ওপৰত গুৰুত্ব দিয়ে, তেওঁলোকৰ ওপৰত তাৰেই প্ৰভাৱ পৰে। পৰীক্ষাৰ ফলাফল কেৱল লটাৰী বুলি যিসকলৰ মাজত জনপ্ৰিয়, তেওঁলোকে তৃতীয় বিভাগতহে স্থান পায়।

কিন্তু কোনোবা এটা বিশ্বাসৰ উৎসসমূহ প্ৰকাশ কৰি দিয়াটোৱে বিশ্বাসটোক বাদ দিয়াটো নুবুজায় আৰু ক্লিয়পেট্ৰাৰ নাকটোৱে ইতিহাসৰ পাতত কি কৰি আছে সেইটো আমি এতিয়াও সঠিকভাৱে আবিষ্কাৰ কৰিবলৈ বাকী আছে। মণ্টেস্কুয়েই আপাততঃ প্ৰথম ব্যক্তি, যি প্ৰথমে এইটো অনধিকাৰ প্ৰৱেশৰ বিৰুদ্ধে ইতিহাসৰ বিধানক ৰক্ষা কৰাৰ প্ৰয়াস কৰিছিল। ৰোমানসকলৰ মহত্ত্ব আৰু তেওঁলোকৰ অৱনতি সম্পৰ্কে লেখা গ্ৰন্থত তেওঁ লেখিছিল যে 'যদিহে যুদ্ধ এখনৰ আকস্মিক ফলাফলৰ দৰে বিশেষ এটা কাৰণে ৰাষ্ট্ৰ এখন ধ্বংস কৰে, তেনেহ'লে তাত এটা সাধাৰণ কাৰণো আছিল যিয়ে কেৱল এখন যুদ্ধই ৰাষ্ট্ৰখনৰ পতন অনিবাৰ্য কৰি তুলিছিল।' এইটো প্ৰশ্নত মাৰ্ক্সবাদীসকলৰো কিছু অসুবিধা আছিল। মাৰ্ক্সেও এই বিষয়ে কেৱল এবাৰহে লেখিছিল আৰু তাকো মাত্ৰ এখন চিঠিতহে ঃ

> 'যদিহে ইয়াত অদৃষ্টৰ কোনো স্থানেই নাথাকিলহেঁতেন, বিশ্বৰ ইতিহাস বৰ ৰহস্যবাদী চৰিত্ৰৰ হৈ পৰিলহেঁতেন। এই দৈৱ বা অদৃষ্ট আকৌ নিজেই স্বাভাৱিকতেই বিকাশৰ সাধাৰণ ধাৰাটোৰ অংশ হৈ পৰে আৰু অন্য প্ৰকাৰৰ অদৃষ্টতাৰ দ্বাৰা ই ক্ষতিপূৰণ কৰে কিন্তু ত্বৰণ আৰু বিলম্বন তেনে ধৰণৰ "আকস্মিকতাৰ" ওপৰত নিৰ্ভৰশীল হয় যিটোৱে আন্দোলন এটাৰ আৰম্ভণিৰে পৰা নেতৃত্বত থকা ব্যক্তিসকলৰ "অদৃষ্ট" চৰিত্ৰতো সামৰি লয়।'[২২]

মাৰ্ক্সে তেনেহ'লে তিনিটা শিতানত ইতিহাসত অদৃষ্টৰ কৈফিয়ৎ দিছিল। প্ৰথমতে, এইটো বৰ গুৰুত্বপূৰ্ণ নহয়েই; ই 'ত্বৰান্বিত' অথবা 'বিলম্বিত' কৰিব পাৰে, কিন্তু নিহিতাৰ্থত ঘটনা-প্ৰবাহক আমূল পৰিবৰ্তন কৰিব নোৱাৰে। দ্বিতীয়তে, এটা অদৃষ্ট ঘটনাক আন এটাই ক্ষতিপূৰণ কৰে, সেয়ে পৰিশেষত অদৃষ্ট নিজেই বাতিল হৈ পৰেগৈ। তৃতীয়তে, অদৃষ্টতা বিশেষকৈ ব্যক্তিৰ চৰিত্ৰত চিত্ৰিত হয়।[২৩] ট্ৰটস্কিয়ে অদৃষ্টৰ ক্ষতিপূৰণ আৰু স্ব-বাতিলকৰণৰ তত্ত্বটোক এটা কৌশলী উপমাৰে শক্তিশালী কৰি তুলিছিল ঃ

> 'সমগ্ৰ ঐতিহাসিক প্ৰক্ৰিয়াটোৱেই আকস্মিকতাৰ যোগেদি প্ৰতিসৰিত হোৱা (refraction) ঐতিহাসিক নিয়ম (law)। জীৱবিজ্ঞানৰ ভাষাৰে ক'বলৈ গ'লে আমি ক'ব পাৰোঁ, ঐতিহাসিক নিয়মো আকস্মিকতাৰ প্ৰাকৃতিক নিৰ্বাচন (natural selection)।'[২৪]

মই স্বীকাৰ কৰোঁ যে মই এই তত্ত্বক সন্তোষজনক আৰু বিশ্বাসযোগ্য বুলি নাভাবোঁ। যিসকলে ইয়াৰ গুৰুত্বৰ ওপৰত জোৰ দিবলৈ আগ্ৰহী, সেইসকলে আজিকালি ইতিহাসত আকস্মিকতাৰ ভূমিকাক অতিপাতভাৱে অতিৰঞ্জিত কৰে। কিন্তু ই আছে, আৰু যে কোৱা হয় যে ই কেৱল ত্বৰান্বিত অথবা বিলম্বিতহে কৰে বৰং পৰিবৰ্তন নকৰে,

সেইটো শব্দৰ কাৰচাজিহে। মই এইটো বিশ্বাস কৰাবো কোনো যুক্তি নেদেখোঁ যে এটা আকস্মিক ঘটনাক— ধৰক, ৫৪ বছৰ বয়সত লেনিনৰ অকালমৃত্যু হ'ল,— স্বয়ংক্রিয়ভাৱে আন কিছুমান আকস্মিকতাই ঐতিহাসিক প্রক্রিয়াটোৰ ভাৰসাম্য ৰক্ষাৰ্থে ক্ষতিপূৰণ কৰি দিবহি।

ইতিহাসত আকস্মিকতা কেৱল আমাৰ অজ্ঞতাৰ মাপকাঠি,— যিটোক আমি বুজি পাবলৈ বিফল কেৱল সেইটোৰ এটা মাত্র নাম বুলি ভবা দৃষ্টিভংগীয়ো সমানেই অসম্পূর্ণ।[২৫] নিঃসন্দেহে এইটো কেতিয়াবা ঘটেই। যেতিয়া সিহঁতে উদ্দেশ্যহীনভাৱে আকাশেদি পৰিভ্ৰমণ কৰিব লাগে আৰু সিহঁতৰ গতিৰ নির্দিষ্ট ক্রম বুজি পোৱা নহৈছিল, তেনে পৰিভ্ৰমী চৰিত্ৰৰ কাৰণেই গ্রহবোৰক প্লেনেট (planet) বুলি কোৱা হৈছিল। কিম্বা এটাক এক দুৰ্ঘটনা বুলি বর্ণনা কৰাটো তাৰ কাৰণ অনুসন্ধান কৰাৰ ক্লান্তিকৰ বাধ্যবাধকতাৰ পৰা নিজকে অব্যাহতি দিয়াৰ এক মনোমত উপায় মাত্র আৰু যেতিয়া কোনোবাই মোক কয় যে ইতিহাস আকস্মিকতাৰ এক অধ্যায়, মই তেওঁৰ বৌদ্ধিক সোৰোপালি অথবা স্থূল বৌদ্ধিক প্রাণশক্তিকহে সন্দেহ কৰিম। চিৰিয়াচ ঐতিহাসিকে চিৰাচৰিত ধৰণেই এই পৰ্যন্ত আকস্মিকতা বুলি গণ্য কৰা কিছুমান ঘটনা যে মুঠেই আকস্মিক নহয়, বৰং সেইবোৰক যুক্তিসংগতভাৱে ব্যাখ্যা কৰিব পাৰি আৰু ঘটনাৱলীৰ বহুল বিন্যাসত অর্থপূর্ণভাৱে ব্যৱহাৰ কৰিব পাৰি বুলি আঙুলিয়াই দিব লাগে। কিন্তু ইয়ো আমাৰ প্রশ্নটোৰ উত্তৰ সম্পূর্ণকৈ নিদিয়ে। আকস্মিকতা আমি বুজিবলৈ বিফল হোৱা কিবা এটা নহয়। ইতিহাসত আকস্মিকতাৰ সমস্যাটোৰ সমাধান সম্পূর্ণ সুকীয়া ধাৰণাৰ শৃংখলাত বিচাৰিব লাগিব বুলি মই বিশ্বাস কৰোঁ।

ইয়াৰ আগৰ পৰ্যায় এটাত আমি দেখিছিলো যে ঐতিহাসিক তথ্যত পৰিণত হ'বলৈ ঐতিহাসিকে কৰা তথ্যৰ নির্বাচন আৰু ক্রমানুকৰণেৰে (marshalling) ইতিহাস আৰম্ভ হয়। সকলোবোৰ তথ্যই ঐতিহাসিক তথ্য নহয়। কিন্তু ঐতিহাসিক তথ্য আৰু অনৈতিহাসিক তথ্যৰ মাজৰ পাৰ্থক্য অনমনীয় (rigid) আৰু অপৰিবর্তনীয় (constant) নহয় আৰু ক'বলৈ হ'লে যেতিয়াই ইয়াৰ প্রাসংগিকতা আৰু তাৎপর্য নির্ণীত হয়, তেতিয়াই যিকোনো তথ্যকে ঐতিহাসিক তথ্যলৈ পদোন্নতি দিব পাৰি। এতিয়া আমি দেখিছো যে কাৰণসমূহৰ প্রতি ঐতিহাসিকৰ দৃষ্টিভংগীতো কিছু পৰিমাণৰ সদৃশ প্রক্রিয়া এটাই কাম কৰে। ঐতিহাসিকৰ লগত তথ্যৰ সম্পৰ্কৰ দৰেই ঐতিহাসিকৰ লগত তেওঁৰ কাৰণসমূহৰ সম্পৰ্কও সেই একেই দ্বৈত আৰু পাৰস্পৰিক চৰিত্ৰৰ। কাৰণসমূহেই ঐতিহাসিক প্রক্রিয়াটোৰ ব্যাখ্যা নির্ণয় কৰে আৰু তেওঁৰ ব্যাখ্যাই তেওঁৰ কাৰণসমূহৰ নির্বাচন আৰু অনুক্রমণ নির্ণয় কৰে। কাৰণসমূহৰ শ্ৰেণীক্ৰম (hierarchy), এটা কাৰণৰ অথবা কাৰণ-সমষ্টিৰ লগত আন কাৰণৰ আপেক্ষিক গুৰুত্বই তেওঁৰ ব্যাখ্যাৰ নির্যাস

(essence)। আৰু ইয়েই ইতিহাসত আকস্মিকতাৰ সমস্যাটোৰ আঁত উলিয়াই দিয়ে। ক্লিয়পেট্ৰাৰ নাকৰ গঢ়, বাজাজেটৰ বাতবিৰৰ আক্ৰমণ, ৰজা আলেকজেণ্ডাৰ মৃত্যু হোৱা বান্দৰৰ কামোৰ, লেনিনৰ অকালমৃত্যু— এইবোৰ আকস্মিকতা, যিয়ে ইতিহাসৰ গতিধাৰা সলাই দিছিল। সেইবোৰক আঁতৰাই পেলোৱা অথবা হকে বা বিহকে সেইবোৰৰ কোনো প্ৰভাব নাই বুলি ভাও ধৰাটো বিফল প্ৰয়াস। অন্যহাতেদি, যিমান দূৰলৈকে সেইবোৰ আকস্মিক, সিহঁত ইতিহাসৰ যুক্তিসংগত ব্যাখ্যাৰ অথবা ঐতিহাসিকৰ গুৰুত্বপূৰ্ণ কাৰণৰ শ্ৰেণীক্ৰমৰ অন্তৰ্ভুক্ত নহয়। এইটো গোষ্ঠীৰ (school) আটাইতকৈ বিশিষ্ট আৰু ব্যাপকভাৱে পঠিত প্ৰতিনিধি হিছাপে মই একাধিকবাৰ উল্লেখ কৰা অধ্যাপক পপাৰ আৰু অধ্যাপক বাৰ্লিনে ধাৰণা কৰিছিল যে ঐতিহাসিক প্ৰক্ৰিয়াটোত তাৎপৰ্যৰ অনুসন্ধান কৰাৰ ঐতিহাসিকৰ প্ৰয়াস, আৰু তাৰ পৰা সিদ্ধান্তলৈ অহাটো 'সমগ্ৰ অভিজ্ঞতাকে' এক সামঞ্জস্যপূৰ্ণ শৃংখলাত পৰিণত কৰাৰ সমতুল্য আৰু ইতিহাসত আকস্মিকতাৰ উপস্থিতিয়ে তেনে যিকোনো প্ৰয়াসকে বিফলতাত পৰ্যবসিত কৰিব। কিন্তু কোনো সুস্থ মস্তিস্কৰ ঐতিহাসিকেই 'সমগ্ৰ অভিজ্ঞতাকে' সামৰি লোৱাৰ দৰে ইমান বেছি উদ্ভট এটা কৰিবলৈ ভাও নোজোৰে ; আনকি তেওঁৰ পছন্দৰ ক্ষেত্ৰ অথবা ইতিহাসৰ দিশৰ তথ্যৰ ক্ষুদ্ৰতম ভগ্নাংশও তেওঁ সামৰি ল'ব নোৱাৰে। বৈজ্ঞানিকৰ জগতখনৰ দৰে ঐতিহাসিকৰ জগতখনো বাস্তৱ জগতখনৰ হুবহু প্ৰতিলিপি (photographic copy) নহয়, বৰং এক কাৰ্যক্ষম আৰ্হিহে (working model) যিয়ে তেওঁক কম-বেছি কাৰ্যকৰীভাৱে তাক বুজিবলৈ আৰু আয়ত্তাধীন কৰিবলৈ সক্ষম কৰি তোলে। ঐতিহাসিকে অতীতৰ অভিজ্ঞতাৰ পৰা, অথবা তেওঁৰ আয়ত্তাধীন হোৱা অতীতৰ অভিজ্ঞতাৰ সৰহখিনিৰ পৰা নিষ্কাসন কৰি লয় যে যিটো অংশ যুক্তিসংগত ব্যাখ্যা আৰু বিশ্লেষণৰ কাৰণে পৰস্পৰে নিৰ্ভৰশীল সেইটো চিনাক্ত কৰে আৰু তাৰ পৰা সিদ্ধান্ত আহৰণ কৰে যিটো তেওঁৰ কামৰ পথ-প্ৰদৰ্শক হৈ পৰে। বিজ্ঞানৰ সাফল্যৰ বিষয়ে ক'বলৈ গৈ এগৰাকী সাম্প্ৰতিক জনপ্ৰিয় লেখকে সঠিকভাৱে মানৱ মনৰ প্ৰক্ৰিয়াসমূহ উল্লেখ কৰিছে, যি 'যেতিয়ালৈকে ই "জ্ঞানৰ" ন্যায়সংগত আৰু যুক্তিসংগত নিহালিখন (Quilt) চিলাই নুলিয়াই, তেতিয়ালৈকে পৰ্যবেক্ষিত "তথ্য"ৰ জোলোঙা পাত-পাতকৈ বিচাৰি প্ৰাসংগিক পৰ্যবেক্ষিত তথ্য নিৰ্বাচন কৰি, জোৰা দি আৰু আৰ্হি প্ৰস্তুত কৰাৰ লগতে অপ্ৰাসংগিকখিনিক নাকচ কৰে।'[২৬] অসংগত আত্মানুভূতিবাদৰ (subjectivism) বিপদটো সম্পৰ্কে কিছু চৰ্তৰে (qualification) সৈতে ইয়াক ঐতিহাসিকৰ মনে কিদৰে কাম কৰে তাৰ এক চিত্ৰ হিছাপে মই ইয়াক গ্ৰহণ কৰিম।

এই কাৰ্য-পদ্ধতিটোৱে দাৰ্শনিকসকলক আৰু আনকি কিছুমান ঐতিহাসিককো বিবুধিত পেলাব আৰু স্তম্ভিত কৰি তুলিব। কিন্তু জীৱনৰ ব্যৱহাৰিক কাম-কাজত ব্যস্ত

সাধাৰণ মানুহৰ বাবে ই সম্পূৰ্ণভাৱে পৰিচিত। মই এটা উদাহৰণ দিওঁ। তেওঁৰ সচৰাচৰ বেচনতকৈ বহুত বেছি মদ খাই জোনচ (Jones) যেতিয়া এটা পাৰ্টীৰ পৰা ইতিমধ্যে ব্ৰেক ত্ৰুটিপূৰ্ণ হৈ পৰা কাৰ এখনেৰে উভতি আহিছিল, দৰ্শনসাধ্যতা (visibility) সাংঘাতিক ধৰণে কম থকা অন্ধ কেঁকুৰি এটাত (blind corner) ৰাস্তাৰ কোণত থকা দোকান এখনৰ পৰা চিগাৰেট কিনিবলৈ ৰাস্তাটো অতিক্ৰম কৰোঁতে ৰবিনছনক খুন্দিয়াই মাৰিলে। গণ্ডগোলটো শেষ হোৱাৰ পিছত, ধৰক, আমি ঘটনাটোৰ কাৰণ অনুসন্ধানৰ কাৰণে স্থানীয় পুলিচ হেড্‌কোৱাৰ্টাৰত লগ লাগিলো। ই বাৰু গাড়ীচালকজনৰ অৰ্ধমাতাল অৱস্থাৰ কাৰণেই সংঘটিত হৈছিল নে যাৰ কাৰণে তেওঁৰ বিৰুদ্ধে ফৌজদাৰী গোচৰ ৰুজু হ'ব পাৰে? অথবা ই গাড়ীখনৰ ত্ৰুটিপূৰ্ণ ব্ৰেকৰ কাৰণেই ঘটি গ'ল, যিক্ষেত্ৰত কেৱল এসপ্তাহৰ আগতে গাড়ীখন সম্পূৰ্ণভাৱে মেৰামতি কৰা গেৰেজটোৰ বিৰুদ্ধে কিবা ক'ব পাৰি? অথবা ঘটনাটো অন্ধ কেঁকুৰিটোৰ কাৰণেই ঘটিল— যি ক্ষেত্ৰত ৰাস্তাৰ কৰ্তৃপক্ষক সেই সম্পৰ্কে তেওঁলোকৰ মনোযোগ দিবলৈ আহ্বান জনাব পাৰি? যেতিয়া আমি এই বাস্তৱ প্ৰশ্নবোৰ আলোচনা কৰি আছো, দুজন বিশিষ্ট ভদ্ৰলোক ধুমুহাৰ দৰে কোঠাটোলৈ সোমাই আহিল— মই তেওঁলোকক চিনাক্ত কৰাৰ যত্ন নকৰোঁ— আৰু বেছ বাকচাতুৰ্য আৰু যুক্তিযুক্ততাৰে আমাক ক'লে যে সেইদিনা সন্ধ্যা ৰবিনছনৰ চিগাৰেট শেষ হৈ নোযোৱাহেঁতেন তেওঁ ৰাস্তাটো অতিক্ৰম কৰিব নেলাগিলহেঁতেন আৰু তেতিয়া মৃত্যুৰ মুখতেই নপৰিলহেঁতেন ; সেয়ে চিগাৰেটৰ প্ৰতি ৰবিনছনৰ হেঁপাহেই তেওঁৰ মৃত্যুৰ কাৰণ; এই কাৰণটো আওকাণ কৰি কৰা যিকোনো তদন্তই কেৱল সময়ৰ অপচয়হে হ'ব আৰু তাৰ পৰা গ্ৰহণ কৰা যিকোনো সিদ্ধান্তই নিৰৰ্থক আৰু নিষ্ফল হ'ব। এতিয়া আমি কৰোঁ কি? তেওঁলোকৰ বাগ্মিতাৰ গতি ভংগ কৰিব পৰাৰ লগে লগে আমি অভ্যাগত (visitors) দুজনক ভদ্ৰভাৱে অথচ দৃঢ়তাৰে দুৱাৰৰ ফালে ঠেলি পঠিয়াম আৰু কোনোপধ্যেই যাতে তেওঁলোকক পুনৰ সোমাবলৈ দিয়া নহয় সেই সম্পৰ্কে দাৰোৱানক নিৰ্দেশ দিম আৰু আমি আমাৰ তদন্তত ব্যস্ত হ'ম। কিন্তু আমাৰ কামত ব্যাঘাত সৃষ্টি কৰা অভ্যাগত দুজনক আমি কি উত্তৰ দিম? অৱশ্যে ৰবিনছন মৰিল, কাৰণ তেওঁ ধূম্ৰপায়ী আছিল। ইতিহাসৰ অদৃষ্ট আৰু আকস্মিকতাৰ ভক্তবৃন্দই যিয়েই কৈছে, তাৰ প্ৰত্যেকটোৱেই সম্পূৰ্ণ সত্য আৰু সম্পূৰ্ণ যুক্তিসংগত। ইয়াত Alice in Wonderland (অজানদেশত এলিচ) আৰু Through the Looking Glassৰ (দাপোণৰ মাজেদি) দৰে নিৰ্দয় যুক্তি আছে। কিন্তু যদিও অক্সফ'ৰ্ড পাণ্ডিত্যৰ উপযুক্ত উদাহৰণসমূহক প্ৰশংসা কৰাৰ ক্ষেত্ৰত কোনেও মোক চেৰ পেলাব নোৱাৰে, মোৰ বিভিন্ন প্ৰকাৰৰ যুক্তি (logic) সুকীয়া কোঠালিত মজুত ৰখাৰ মই পক্ষপাতী। ডজচনীয় প্ৰণালী (Dodgsonian mode) ইতিহাসৰ প্ৰণালী নহয়।

ইতিহাস সেয়ে ঐতিহাসিক তাৎপর্যৰ এক নিৰ্বাচন প্ৰক্ৰিয়া। টেলকট পাৰ্চনৰ খণ্ডবাক্যটো আকৌ এবাৰ ধাৰ কৰি লৈ ক'ব পাৰি যে ইতিহাস কেৱল পৰিজ্ঞানশীল (cognative) বাস্তৱৰে নহয়, বৰং কাৰ্য-কাৰণ নিৰ্ণয়ৰো 'এক নিৰ্বাচনমূলক পদ্ধতি'। তথ্যৰ অনন্ত মহাসমুদ্ৰৰ পৰা ঐতিহাসিকে যিদৰে তেওঁৰ উদ্দেশ্যৰ কাৰণে অৰ্থবহখিনিহে নিৰ্বাচন কৰে, তেনেদৰে কাৰ্য আৰু কাৰণৰ অগণন পৰিণামৰ (sequences) পৰা ঐতিহাসিকে সেইখিনি, কেৱল সেইখিনি বাছি উলিয়াব, যিখিনি ঐতিহাসিকভাৱে অৰ্থবহ; সেইখিনিক তেওঁৰ যুক্তিসিদ্ধ ব্যাখ্যা আৰু বিশ্লেষণেৰে সজোৱাটো তেওঁৰ সামৰ্থ্যৰ ওপৰত নিৰ্ভৰ কৰে। কাৰ্য-কাৰণৰ বাকীবোৰ পৰিণামক আকস্মিকতা হিছাপে তেওঁ প্ৰত্যাখান কৰিব, এইকাৰণে নহয় যে কাৰ্য-কাৰণৰ সম্পৰ্কটো সেইবোৰত সুকীয়া, বৰং এই কাৰণেহে যে সেইবোৰ পৰিণাম নিজেই অপ্ৰাসংগিক। এইটোক লৈ ঐতিহাসিকে একো কৰিবলগীয়া নাই; সেইবোৰ যুক্তিবাদী ব্যাখ্যাৰ বাবে খাপ নোখোৱা আৰু সেয়ে অতীত অথবা বৰ্তমানৰ কাৰণে অৰ্থহীন। এইটোও সত্য যে ক্লিয়পেট্ৰাৰ নাক, বা বাজাজেটৰ বাতবিষ, বা আলেকজেণ্ডাক বান্দৰে কামোৰা, বা লেনিনৰ অকাল-মৃত্যু, বা ৰবিনছনৰ চিগাৰেট খোৱাৰ অভ্যাসবোৰৰো ফলাফল আছিল। কিন্তু সাধাৰণ সিদ্ধান্ত হিছাপে এইদৰে ক'বলৈ এইবোৰৰ কোনো অৰ্থ নাই যে সুন্দৰী ৰাণীৰ প্ৰতি প্ৰেমৰ উদগ্ৰতাৰ কাৰণেই সেনাধ্যক্ষসকল যুদ্ধত পৰাস্ত হয়, অথবা ৰজাসকলে পোহনীয়া বান্দৰ ৰাখে কাৰণেই যুদ্ধ সংঘটিত হয়, অথবা চিগাৰেট খোৱাৰ অভ্যাস থাকিলেই ৰাস্তাত মানুহক গাড়ীয়ে খুন্দিয়াই মাৰে। অন্যহাতেদি, যদি আপুনি সাধাৰণ মানুহক কয় যে গাড়ীচালকজন মদ খাই মাতাল আছিল কাৰণে ৰবিনছনক হত্যা কৰিলে বা কাৰণ ব্ৰেকে কাম নকৰিলে বা কাৰণ ৰাস্তাটোত এটা অন্ধ কেঁকুৰি আছিল, এইটো তেওঁৰ বাবে সম্পূৰ্ণ বোধগম্য আৰু যুক্তিসংগত ব্যাখ্যাই হ'ব; তেওঁ যদি সুকীয়াকৈ বিবেচনা কৰিবলৈ বিচাৰে, তেন্তে তেওঁ আনকি এইটোও ক'ব পাৰে যে ৰবিনছনৰ ধুম্ৰপানৰ নিচা নহয়, এইটোহে ৰবিনছনৰ মৃত্যুৰ 'প্ৰকৃত' কাৰণ। একে ধৰণেৰেই আপুনি যদি ইতিহাসৰ ছাত্ৰ এজনক কয় যে ১৯২০ৰ দশকত চোভিয়েট ইউনিয়নত চলা সংঘৰ্ষবোৰ ঔদ্যোগীকৰণৰ হাৰ সম্পৰ্কীয় অথবা নগৰসমূহক খুৱাবলৈ অধিক শস্য উৎপন্ন কৰিবলৈ কৃষকসকলক উদ্‌গনি দিয়াৰ সৰ্বোৎকৃষ্ট উপায় সম্পৰ্কে কৰা আলোচনাবোৰৰ কাৰণে হৈছিল, অথবা আনকি প্ৰতিদ্বন্দ্বী নেতৃবৃন্দৰ ব্যক্তিগত উচ্চাকাঙ্ক্ষাৰ কাৰণে হৈছিল, তেওঁ ভাবিব যে এইবোৰ যুক্তিসংগত আৰু ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ ব্যাখ্যা এই কাৰণেই যে সেইবোৰক অন্যান্য ঐতিহাসিক পৰিস্থিতিতো প্ৰয়োগ কৰিব পাৰি আৰু যি ঘটিছিল সেই সম্পৰ্কে সেইবোৰেই 'প্ৰকৃত' কাৰণ এই অৰ্থত যে— যি অৰ্থত লেনিনৰ অকাল-মৃত্যু হ'ব নোৱাৰে। যদিহে তেওঁ এইবোৰ বিষয়ত গভীৰভাৱে চিন্তা কৰে, তেন্তে তেওঁক আনকি বহু উদ্ধৃত আৰু বেছিভাগেই ভুলকৈ বুজা হেগেলৰ Philosophy of

Right (অধিকাৰৰ দৰ্শন) গ্ৰন্থখনৰ পাতনিৰ নীতিবাক্যটো (dictum) সোঁৱৰাই দিব পাৰি যে, যিয়েই যুক্তিসিদ্ধ, সিয়েই প্ৰকৃত আৰু যিয়েই প্ৰকৃত সিয়েই যুক্তিসিদ্ধ।

অলপ সময়ৰ বাবে আমি ৰবিনছনৰ মৃত্যুৰ কাৰণলৈ ঘূৰি যাওঁহক। কিছুমান কাৰণ যুক্তিসংগত আৰু 'প্ৰকৃত' আৰু আন কিছুমান কাৰণ অযুক্তিকৰ আৰু আকস্মিক হিছাপে চিনাক্ত কৰাত আমাৰ কোনো আহুকাল হোৱা নাছিল। কিন্তু কি মানদণ্ডৰে আমি পাৰ্থক্যটো কৰিছিলো? যুক্তিৰ বৃত্তিটো সাধাৰণতে কিছুমান উদ্দেশ্যতেই ব্যৱহাৰ কৰা হয়। বুদ্ধিজীৱীসকলে কেতিয়াবা কৌতুকৰ কাৰণে যুক্তিৰ প্ৰয়োগ কৰে অথবা তেওঁলোকে যুক্তি প্ৰয়োগ কৰা বুলি ভাবে। কিন্তু বহুলভাৱে ক'বলৈ হ'লে মানুহে কিবা এটা উদ্দেশ্য সাধনৰ বাবেই যুক্তিৰ ব্যৱহাৰ কৰে। আৰু আমি যেতিয়া নিৰ্দিষ্ট ব্যাখ্যা কিছুমানক যুক্তিসংগত আৰু আন বহুবোৰ ব্যাখ্যাক অযুক্তিকৰ বুলি চিনাক্ত কৰো, মই ক'বলৈ বিচাৰো যে আমি কিছুমান উদ্দেশ্যপূৰ্ণ ব্যাখ্যা আৰু উদ্দেশ্যহীন ব্যাখ্যা হিছাপে পাৰ্থক্য কৰোঁ। আলোচ্য ঘটনাটোৰ ক্ষেত্ৰত এইদৰে ধৰি লোৱাটো অৰ্থপূৰ্ণ হ'ব যে গাড়ীচালকসকলৰ সুৰাসক্তি নিয়ন্ত্ৰণ কৰি, বা গাড়ীৰ ব্ৰেকৰ অৱস্থাৰ ওপৰত কঢ়া নিয়ন্ত্ৰণ কৰি অথবা ৰাস্তা নিৰ্মাণৰ ক্ষেত্ৰত সঠিক ঠাই নিৰ্বাচন কৰি যান-বাহনৰ দ্বাৰা সংঘটিত গুৰুতৰ দুৰ্ঘটনাত মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ উদ্দেশ্য সফল হ'ব পাৰে। কিন্তু মানুহক চিগাৰেট খোৱাটো বাৰণ কৰিলে যান-বাহনৰ দুৰ্ঘটনাত মৃত্যুৰ সংখ্যা কমিব বুলি ভবাটো অৰ্থহীন। এই মানদণ্ডৰেই আমি বিভাজনটো কৰিছিলো। আৰু ইতিহাসৰ কাৰণৰ প্ৰতি আমাৰ দৃষ্টিভংগীৰ ক্ষেত্ৰতো একেটাই খাটে। এই ক্ষেত্ৰতো আমি যুক্তিসংগত আৰু আকস্মিক কাৰণসমূহৰ মাজত বিভাজন কৰিছিলো। প্ৰথমবোৰ, অৰ্থাৎ যুক্তিসংগত কাৰণসমূহ যিহেতু সম্ভাৱনীয়তাৰ দিশৰ পৰা আন দেশ, আন সময় আৰু আন পৰিস্থিতিত প্ৰয়োগ কৰিব পৰাৰ সম্ভাৱনা থাকে, সেয়ে সেইবোৰৰ ফলপ্ৰসূ সাধাৰণীকৰণ কৰাৰ তাগিদা অনুভৱ কৰা হয় আৰু সেইবোৰৰ পৰা শিক্ষাও লাভ কৰিব পাৰি; সেইবোৰে আমাৰ উপলব্ধিক ব্যাপকতৰ আৰু গভীৰতৰ কৰাৰ উদ্দেশ্যত কামত লাগে।[২৭] আকস্মিক কাৰণসমূহ সাধাৰণীকৰণ কৰিব নোৱাৰি আৰু যিহেতু শব্দটোৰে বুজোৱা সম্পূৰ্ণ অৰ্থতেই সেইবোৰ অনন্য (unique), সেইবোৰে আমাক কোনো শিক্ষাও নিদিয়ে আৰু সেইবোৰে কোনো সিদ্ধান্তও নিদিয়ে। কিন্তু এইক্ষেত্ৰত মই আৰু এটা কথা ক'ব লাগিব। এক লক্ষ্যৰ ধাৰণাৰ প্ৰতি দৃষ্টি ৰখা চমুকৈ ইয়েই ইতিহাসৰ কাৰ্য-কাৰণ নিৰ্ণয় কৰাৰ ছাবি-কাঠি যোগায় আৰু অৱধাৰিতভাৱেই ইয়াৰ লগত মূল্যবোধ বিচাৰৰ প্ৰশ্নটোও জড়িত। আমি শেষৰ বক্তৃতাটোত দেখাৰ দৰে ইতিহাসৰ ব্যাখ্যা সদায় মূল্যবোধ বিচাৰৰ লগত বান্ধ খাই থাকে আৰু কাৰ্য-কাৰণ আৰু ব্যাখ্যাৰ লগত বান্ধ খাই থাকে। মহান মেইনকে (Meinecke), মানে ১৯২০ৰ দশকৰ মেইনকেৰ ভাষাত— 'মূল্যবোধৰ প্ৰসংগটোৰ অবিহনে ইতিহাসত কাৰ্য-কাৰণৰ অন্বেষণ অসম্ভৱ,......... প্ৰত্যক্ষভাৱেই হওক বা

পৰোক্ষভাৱেই হওক, কাৰ্য-কাৰণৰ অন্বেষণৰ পশ্চাতত সদায় মূল্যবোধৰ অন্বেষণ নিহিত হৈ আছে।'[২৮] ইয়ে মই আগতে কোৱা বৰ্তমানৰ পোহৰত অতীতক আৰু অতীতৰ পোহৰত বৰ্তমানক আমি বুজি উঠাৰ পৃষ্ঠপোষকতা কৰা ইতিহাসৰ দ্বৈত আৰু পাৰস্পৰিক কৰ্তব্যৰ কথা সোঁৱৰাই দিয়ে। ক্লিয়পেট্ৰাৰ নাকটোৰ লগত এন্টনিৰ মোহান্ধ উদগ্ৰতাৰ দৰে যিকোনো বিষয়েই, যি এই দ্বৈত উদ্দেশ্যলৈ বৰঙণি আগবঢ়াবলৈ বিফল, ঐতিহাসিকৰ দৃষ্টিকোণৰ পৰা সেইবোৰ মৃত আৰু বন্ধ্যা।

এই সন্ধিক্ষণতে মই আপোনালোকৰ ওপৰত প্ৰয়োগ কৰা অসৌজন্যমূলক চালাকি এটা স্বীকাৰ কৰি লোৱা উচিত হ'ব, যিহেতু সেইটো বুজি পোৱাত আপোনালোকৰ অলপো কষ্ট হোৱা নাই আৰু যিহেতু ই কেইবাটাও ক্ষেত্ৰত মোক চমু আৰু সহজ কৰিবলৈ সক্ষম কৰিছিল, যদিয়ো আপোনালোকে সম্ভৱতঃ ইয়াক চৰ্টহেণ্ডৰ সুবিধাজনক অংশ এটা বুলি গণ্য কৰি মোক ক্ষমাৰ চকুৰে চাব। মই এতিয়ালৈকে অনবৰতে গতানুগতিক খণ্ডবাক্য 'অতীত আৰু বৰ্তমান' ব্যৱহাৰ কৰিছো। কিন্তু আমি সকলোৱে জানো যে অতীত আৰু ভবিষ্যতৰ মাজত এডাল কাল্পনিক বিভাজন ৰেখাৰ ধাৰণাগত অস্তিত্বতকৈ বৰ্তমানৰ কোনো অস্তিত্বই নাই। বৰ্তমানৰ সম্পৰ্কে ক'বলৈ মই ইতিমধ্যে যুক্তিটোলৈ আন এটা সময়-মাত্ৰা (time-dimension) চোৰাংকৈ আমদানি (smuggled) কৰিছো। মই ভাবোঁ, এইটো দেখুওৱা সহজ হ'ব যে যিহেতু অতীত আৰু ভবিষ্যত একে কাল-ব্যৱধানৰ (time-span) অংশ, অতীতৰ প্ৰতি আগ্ৰহ আৰু ভবিষ্যতৰ প্ৰতি আগ্ৰহ পৰস্পৰে সংযুক্ত। প্ৰাক্-ঐতিহাসিক আৰু ঐতিহাসিক সময়ৰ মাজৰ বিভাজিত ৰেখাডাল তেতিয়াই অতিক্ৰম কৰা হয় যেতিয়া মানুহ কেৱল বৰ্তমানত জীয়াই নাথাকে আৰু সচেতনভাৱে তেওঁলোকৰ অতীত আৰু তেওঁলোকৰ ভবিষ্যত সম্পৰ্কে আগ্ৰহী হৈ পৰে। পৰম্পৰা (tradition) হস্তান্তৰ কৰিয়েই ইতিহাসৰ আৰম্ভণি ; আৰু পৰম্পৰাৰ অৰ্থই হৈছে অতীতৰ অভ্যাস (habits) আৰু শিক্ষাক ভৱিষ্যতলৈ বহন কৰি নিয়া। অতীতৰ নথিসমূহ ভবিষ্যত প্ৰজন্মৰ উপকাৰৰ কাৰণেই সংৰক্ষণ কৰাটো আৰম্ভ হৈছিল। ওলন্দাজ ঐতিহাসিক হুইজিংগাই (Huizinga) লেখা মতে 'ঐতিহাসিক চিন্তা সদায়েই উদ্দেশ্যবাদী (teleological)'[২৯] ছাৰ চাৰ্লচ স্নোৱে (Sir Charles Snow) অলপতে ৰাডাৰফৰ্ড (Ratherford) সম্পৰ্কে লেখিছিল যে 'প্ৰায় ইয়াৰ অৰ্থনো কি সেই সম্পৰ্কে নভবাকৈয়ে, আন সকলো বৈজ্ঞানিকৰ দৰেই তেওঁৰ মজ্জাত ভবিষ্যত আছিল।'[৩০] তেওঁলোকে এই বিষয়ে ভাবেনে নাই নাজানো, মোৰ সন্দেহো এয়ে যে ভাল ঐতিহাসিকৰ মজ্জাত ভবিষ্যত থাকে। কিয়? প্ৰশ্নটোৰ ওপৰিও ঐতিহাসিকে এইটো প্ৰশ্নও সোধে— ক'লৈ?

পাঁচ

প্ৰগতি হিচাপে ইতিহাস

ত্ৰিছ বছৰৰ আগেয়েই অক্সফ'ৰ্ডৰ আধুনিক ইতিহাসৰ ৰেজিয়াচ অধ্যাপক হিচাপে অধ্যাপক প'উইকে (Powicke) দিয়া উদ্বোধনী বক্তৃতাৰ ছেদ এটাৰ উদ্ধৃতিৰেই আৰম্ভ কৰোঁ ঃ

> 'ইতিহাসৰ ব্যাখ্যাৰ প্ৰতি হাবিয়াহ ইমানেই দকৈ শিপোৱা যে অতীত সম্পৰ্কে আমাৰ এটা গঠনমূলক দৃষ্টিকোণ নাথাকিলে আমি হয় ৰহস্যবাদ (mysticism), নহয় অনাস্থাবাদৰ (cynicsm) প্ৰতিহে আকৰ্ষিত হ'ম।'[1]

মই ভাবোঁ 'ৰহস্যবাদ' এই দৃষ্টিকোণৰ সমাৰ্থক যে ইতিহাসৰ অৰ্থ বাৰ্ডায়েভ্ (Berdyaev) বা নেইবুৰ (Neibuhr) বা টয়নবীৰ[2] দৰে লেখকৰ দৃষ্টিকোণ অনুসৰি ইতিহাসৰ বাহিৰত (outside) ধৰ্মতত্ত্ব অথবা অৱতাৰবাদৰ (eschatology) জগতখনৰ ক'ৰবাতহে অৱস্থিত। 'অনাস্থাবাদ', যাৰ উদাহৰণ মই কেইবাবাৰো উদ্ধৃত কৰিছোঁৱেই, এই দৃষ্টিকোণৰ নামান্তৰ যে ইতিহাসৰ কোনো অৰ্থই নাই, অথবা সমানেই বৈধ বা অবৈধ এক বহুধাবিভক্ত অৰ্থ, অথবা সেইটো অৰ্থ, যিটোক আমি যথেচ্ছাৰে ইতিহাসত আৰোপ কৰোঁ। বৰ্তমান সময়ত বোধকৰো এই দুটাই ইতিহাসৰ আটাইতকৈ জনপ্ৰিয় দৃষ্টিকোণ। কিন্তু মই বিনাদ্বিধাই দুয়োটাকে নাকচ কৰিম। ই আমাৰ বাবে সেই অদ্ভুত (odd) অথচ অৰ্থব্যঞ্জক খণ্ডবাক্যটোহে ৰাখিলেগৈ ঃ 'অতীত সম্পৰ্কে এক গঠনমূলক দৃষ্টিকোণ।' খণ্ডবাক্যটো ব্যৱহাৰ কৰাৰ সময়ত অধ্যাপক প'উইকৰ মনত কি আছিল সেইটো জনাৰ কোনো উপায় নাই কাৰণে খণ্ডবাক্যটোত মই মোৰ ব্যাখ্যা আৰোপ কৰিম।

এচিয়াৰ প্ৰাচীন সভ্যতাসমূহৰ দৰেই গ্ৰীচ আৰু ৰোমৰ ধ্ৰুপদী সভ্যতাও মূলতঃ অনৈতিহাসিক আছিল। আমি ইতিমধ্যে দেখাৰ দৰে ইতিহাসৰ পিতৃ হিচাপে হেৰ'ডটাচৰ (Herodotus) নগণ্য সংখ্যক সন্তানহে আছিল আৰু মুঠৰ ওপৰত ধ্ৰুপদী প্ৰাক্-ঐতিহাসিক যুগৰ লেখকসকল অতীতৰ প্ৰতি হোৱাৰ দৰে ভৱিষ্যতৰ প্ৰতিও নগণ্য ধৰণেহে মনোযোগী আছিল। থুকিদাইদিচে বিশ্বাস কৰিছিল যে তেওঁ বৰ্ণনা কৰা ঘটনাৰ সময়ৰ আগতে একো গুৰুত্বপূৰ্ণ ঘটনাই ঘটা নাছিল আৰু তাৰ পাছতো কোনো তাৎপৰ্যপূৰ্ণ ঘটনা ঘটাৰ সম্ভাৱনা নাই। লুক্ৰেটিয়াচে (Lucretius) ভৱিষ্যত সম্পৰ্কে মানুহৰ ঔদাসীন্যক মানুহৰ অতীত সম্পৰ্কে ঔদাসীন্যৰ ফল বুলি ঠাৱৰ কৰিছিল ঃ

'আমাৰ জন্মৰ আগৰ অনন্তকালৰ বিগত যুগবোৰ আমাৰ বিবেচনাৰ বিষয়েই যে নহয়, সেইটো ভাবি চাওকচোন। এয়া আমাৰ মৃত্যুৰ পিছত ভৱিষ্যত সম্পৰ্কে, প্ৰকৃতিয়ে আমাৰ সন্মুখত দাপ্তি ধৰা এখন দাপোণ।'*

এক উজ্জ্বলতৰ ভৱিষ্যতৰ কাব্যিক স্বপ্নই অতীতৰ এটা সোণালী যুগলৈ প্ৰত্যাৱৰ্তনৰ স্বপ্নৰ ৰূপ লয়,—এটা আৱৰ্তনবাদী (cyclical) দৃষ্টিকোণ, যি ঐতিহাসিক প্ৰক্ৰিয়াক প্ৰকৃতিৰ প্ৰক্ৰিয়াৰ সৈতে একাত্ম (assimilate) কৰে। ইতিহাসে কোনো ফালেই গতি কৰা নাছিল ; কাৰণ তাত অতীতৰ কোনো চেতনাই নাছিল আৰু একেদৰেই ভৱিষ্যতৰো কোনো চেতনা নাছিল। যি তেওঁৰ চতুৰ্থ চহাগীতত (eclogue) সোণালী যুগলৈ ঘূৰি যোৱাৰ এক ধ্ৰুপদী চিত্ৰ অংকন কৰিছিল, কেৱল সেই ভাৰ্জিল (Virgil) তেওঁৰ ইনীদত (Aeneid) মুহূৰ্তৰ বাবে আৱৰ্তনবাদী ধাৰণাটোৰ বেহ ভেদ কৰিবলৈ অনুপ্ৰাণিত হৈছিল : 'মই তেওঁলোকক অন্তহীন ৰাজ্য দিছো' (Imperium sine tine dedi) এক অতি অনা-ধ্ৰুপদী চিন্তা আছিল, যিয়ে পৰৱৰ্তী সময়ত ভাৰ্জিলক এজন অৰ্ধ-খ্ৰীষ্টিয়ান পয়গম্বৰ হিচাপে স্বীকৃতি দিছিল।

ইহুদীসকলে আৰু তেওঁলোকৰ পাছত খ্ৰীষ্টিয়ানসকলে ঐতিহাসিক প্ৰক্ৰিয়াটো এটা লক্ষ্যৰ ফালে গতি কৰাটো ধৰি লৈ এটা সম্পূৰ্ণভাৱে নতুন উপাদান উত্থাপন (introduced) কৰিছিল—ইতিহাসৰ উদ্দেশ্যবাদী (teleological) দৃষ্টিকোণ। ইতিহাসে এইদৰে এটা অৰ্থ আৰু উদ্দেশ্য বিচাৰি পালে, কিন্তু ইয়াৰ চেকুলাৰ চৰিত্ৰৰ বিনিময়ত। ইতিহাসৰ লক্ষ্য প্ৰাপ্তিয়ে আপোনা-আপুনি ইতিহাসৰ পৰিসমাপ্তিক বুজাব : ইতিহাস নিজেই এক সৰ্বময় কৰ্তৃত্ববাদত (theodicy) পৰিণত হয়। এইটোৱেই ইতিহাসৰ মধ্যযুগীয় ধাৰণা। নৱজাগৰণে এক মানৱকেন্দ্ৰিক জগতৰ ধ্ৰুপদী মতবাদ আৰু যুক্তিৰ প্ৰাধান্য পুনৰ প্ৰতিষ্ঠা কৰিছিল, কিন্তু ভৱিষ্যত সম্পৰ্কে নিৰাশাবাদী ধ্ৰুপদী ধাৰণাৰ ঠাইত ইহুদী-খ্ৰীষ্টিয়ান পৰম্পৰাৰ পৰা এক আশাবাদী ধাৰণা আহৰণ কৰি লৈছিল। এসময়ৰ বৈৰীভাৱাপন্ন আৰু ক্ষয়ংকৰী সময় (time) বৰ্তমান বন্ধুৱৎ আৰু সৃষ্টিশীল হৈ পৰিল : হোৰাচৰ (Horace) 'ক্ষতিকৰ কালে কাক লঘু নকৰে?'ৰ সৈতে বেকনৰ (Bacon) 'সত্য কালৰ সন্তান'ক ৰিজাই চাওক। আধুনিক ইতিহাসৰ প্ৰতিষ্ঠাতা প্ৰবুদ্ধ যুগৰ (enlightenment) যুক্তিবাদীসকলে ইহুদী খ্ৰীষ্টিয়ানৰ উদ্দেশ্যবাদী ধাৰণাক সংৰক্ষিত কৰি ৰাখিলে কিন্তু লক্ষ্যক চেকুলাৰ কৰি তুলিলে ; তেওঁলোকে এইদৰেই ঐতিহাসিক প্ৰক্ৰিয়াটোৰেই যুক্তিবাদী চৰিত্ৰটো পুনৰ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। ইতিহাস পৃথিৱীত মানুহৰ দশাৰ অত্যুৎকৃষ্ট অৱস্থা প্ৰাপ্তিৰ লক্ষ্যৰ দিশৰ প্ৰগতিত পৰিণত হৈছিল। প্ৰবুদ্ধ যুগৰ ঐতিহাসিকসকলৰ ভিতৰত শ্ৰেষ্ঠতম গিবনক তেওঁৰ বিষয়ৰ চৰিত্ৰই এইটো লিপিবদ্ধ কৰাৰ পৰা বিৰত কৰিব নোৱাৰিছিল, যাক তেওঁ 'মনোৰম উপসংহাৰ বুলি অভিহিত কৰিছিল যে পৃথিৱীৰ প্ৰত্যেকটো যুগেই মানৱ জাতিৰ প্ৰকৃত সম্পদ, সুখ,

জ্ঞান, আৰু সম্ভৱতঃ নৈতিকতা (virtue) বৃদ্ধি কৰি আহিছে আৰু এতিয়াও বৃদ্ধি কৰিয়েই আছে।[৪] বৃটিছৰ সমৃদ্ধি, ক্ষমতা আৰু আত্ম-বিশ্বাস সৰ্বোচ্চ স্তৰত উঠাৰ সময়ত প্ৰগতিৰ তত্ত্বই (cult) শীৰ্ষবিন্দু চুইছিল আৰু বৃটিছ লেখকবৃন্দ আৰু ঐতিহাসিকসকল তত্ত্বটোৰ উগ্ৰ উপাসকসকলৰ অন্যতম আছিল। পৰিলক্ষণটো (phenomenon) ইমানেই পৰিচিত যে তাৰ উদাহৰণ নিষ্প্ৰয়োজন আৰু সাম্প্ৰতিক কালতো প্ৰগতিৰ ওপৰত বিশ্বাস আমাৰ সকলোবোৰ চিন্তা-ভাৱনাত কিদৰে স্বীকাৰ্য হৈ ৰৈছিল, সেই সম্পৰ্কে মই এটা বা দুটা ছেদহে উদ্ধৃত কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছো। ১৮৯৬ চনত কেমব্ৰীজ মডাৰ্ণ হিষ্ট্ৰিৰ প্ৰকল্পটোৰ সম্পৰ্কে দাখিল কৰা প্ৰতিবেদনত, যিটোক মই মোৰ প্ৰথম বক্তৃতাটোতে উদ্ধৃত কৰিছিলো, এক্টনে ইতিহাসক 'এক প্ৰগতিশীল বিজ্ঞান' বুলি উল্লেখ কৰিছিল; আৰু ইতিহাসখনৰ প্ৰথমটো খণ্ডৰ পাতনিত লেখিছিল যে 'যি বৈজ্ঞানিক পূৰ্বানুমানৰ ওপৰত ভিত্তি কৰি ইতিহাস লেখা হ'ব, সেইটোক মানুহৰ কাৰ্যকলাপৰ এক প্ৰগতি হিছাপে ধৰি ল'বলৈ আমি বাধ্য।' ১৯১০ চনত প্ৰকাশিত গ্ৰন্থখনৰ দশম খণ্ডটোত, মই আণ্ডাৰ গ্ৰেজুৱেট থাকোঁতে যি মোৰ শিক্ষাগুৰু আছিল, সেই ডাম্পিয়াৰে (Dampier) নিঃসন্দেহে অনুভৱ কৰিছিল যে 'ভৱিষ্যতৰ যুগবোৰে প্ৰকৃতিৰ সম্পদৰাজিৰ ওপৰত মানুহৰ কৰ্তৃত্ব আৰু তেওঁৰ স্বজাতিৰ মংগলৰ কাৰণে সেইবোৰৰ বুদ্ধিদীপ্ত ব্যৱহাৰৰ কোনো সীমাই দেখিবলৈ নাপাব।'[৫] মই যি ক'বলৈ ওলাইছো সেই পৰিপ্ৰেক্ষিতত মই স্বীকাৰ কৰাটো উচিত হ'ব যে সেই পৰিবেশতে মই শিক্ষা লাভ কৰিছিলো আৰু মোতকৈ আধা প্ৰজন্মৰ অগ্ৰজ বাৰ্ট্ৰাণ্ড ৰাছেলৰ কথাখিনি নিঃচৰ্তভাৱে সমৰ্থন কৰিব পাৰোঁ: 'মই ভিক্টোৰীয় আশাবাদৰ পূৰ্ণ প্ৰাচুৰ্যৰ (full flood) মাজত ডাঙৰ-দীঘল হৈছিলো আৰু তেতিয়াৰ সুলভ আশাশীলতাৰ (hopefulness) কিছু কিছু এতিয়াও আছেগৈ।'[৬]

১৯২০ চনত যেতিয়া বিউৰীয়ে তেওঁৰ গ্ৰন্থ The Idea of Progress (প্ৰগতিৰ ধাৰণা) লেখিছিল, এক হতাশজনক পৰিবেশ ইতিমধ্যেই বিৰাজ কৰিছিল আৰু সমসাময়িক দস্তুৰৰ প্ৰতি আনুগত্য অনুসৰি তেওঁ তাৰ দোষটো 'ৰাচিয়াত সন্ত্ৰাসৰ ৰাজত্ব প্ৰতিষ্ঠা কৰা তাত্ত্বিকসকল'ৰ ওপৰত দিছিল, যদিয়ো তেওঁ তেতিয়াও প্ৰগতিক 'পাশ্চাত্য সভ্যতাৰ প্ৰাণৱন্ত আৰু সংযমী ধাৰণা' বুলি বৰ্ণনা কৰিছিল।[৭] তাৰ পিছত এই সুৰটো স্তব্ধ হৈ গৈছিল। ৰাচিয়াৰ প্ৰথম নিকোলাচে এক আদেশ যোগে 'প্ৰগতি' (progress) শব্দটো নিষিদ্ধ কৰিছিল: আজিকালি পশ্চিম ইউৰোপ আৰু আনকি যুক্তৰাষ্ট্ৰৰ দাৰ্শনিক আৰু ঐতিহাসিকসকল পলমকৈ হ'লেও তেওঁৰ লগত সহমত হোৱা আৰম্ভ কৰিছে। প্ৰগতিৰ পূৰ্বানুমানক নস্যাৎ কৰা হৈছে। পশ্চিমৰ অৱক্ষয় এনে এটা পৰিচিত খণ্ডবাক্যত পৰিণত হৈছে যে উধৰ্বকমা নিষ্প্ৰয়োজন হৈ পৰিছে। কিন্তু এই আটাইবোৰ চিঞৰ-বাখৰ বাদ

দিলে প্ৰকৃততে ঘটিছে কি? কোনে এই নতুন প্ৰচলিত অভিমতটোক গঢ় দিছে? সৌ সিদিনা মই বাৰ্ট্ৰাণ্ড ৰাছেলৰ একমাত্ৰ মন্তব্যটো দেখি স্তম্ভিত হৈ পৰিছিলো যিটোত মোৰ দৃষ্টিত এক তীব্ৰ শ্ৰেণীৰ ধাৰণাক প্ৰত্যাখান কৰা যেন লাগে: 'মুঠতে আজিৰ পৰা এশ বছৰৰ আগতকৈ আজিৰ বিশ্বত তেনেই কম স্বাধীনতাহে আছে।'[৮] স্বাধীনতা জোখাৰ কাৰণে মোৰ হাতত কোনো মাপকাঠি নাই আৰু অল্প সংখ্যকৰ অল্প স্বাধীনতাৰ বিপৰীতে বহু সংখ্যকৰ বহু স্বাধীনতাৰ কিদৰে ভাৰসাম্য ৰক্ষা কৰা হয় সেইটোও মই নাজানো। কিন্তু জোখ-মাখৰ যিকোনো মানৰ ভিত্তিত মই কেৱল বক্তব্যটোক উদ্ভটভাৱে অসত্য বুলি গণ্য কৰিব পাৰোঁ। মিষ্টাৰ এ. জে. পি. টেইলৰে অক্সফৰ্ডৰ একাডেমিক জীৱনৰ বিষয়ে মাজে সময়ে দিয়া কৌতূহলোদ্দীপক (fascinating) আভাসবোৰৰে এটাই মোক বৰ বেছি আকৰ্ষণ কৰে। তেওঁ লেখিছে যে সভ্যতাৰ অবক্ষয়ৰ এই কথা-বাৰ্তাবোৰে 'কেৱল এইটোকে বুজায় যে বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলৰ আগেয়ে ঘৰুৱা চাকৰ আছিল আৰু বৰ্তমান ধোৱা-পখলাবোৰ তেওঁলোকে নিজেই কৰিব লাগে।'[৯] অৱশ্যে পূৰ্বৰ ঘৰুৱা চাকৰৰ ঠাইত অধ্যাপকসকলে নিজেই ধোৱা-পখলা কৰাটো প্ৰগতিৰ প্ৰতীকো হ'ব পাৰে। আফ্ৰিকাত বগা মানুহৰ প্ৰভুত্ব হেৰোৱাটো সাম্ৰাজ্যৰ অনুগামীবৃন্দ, আফ্ৰিকানাৰ প্ৰজাতন্ত্ৰীসকল আৰু সোণ আৰু তামৰ খনিত শ্বেয়াৰ কিনাসকলৰ কাৰণে দুঃশ্চিন্তাৰ কাৰণ হ'লেও অন্যান্যসকলৰ বাবে প্ৰগতি যেন লাগিবও পাৰে। প্ৰগতিৰ এই প্ৰশ্নটোত কিয় মই স্বয়ংসিদ্ধভাৱে (ipso facto) ১৮৯০ৰ দশকৰ সিদ্ধান্ততকৈ ১৯৫০ৰ দশকৰ সিদ্ধান্তক বাচিয়া, এচিয়া আৰু আফ্ৰিকাৰ সিদ্ধান্ততকৈ ইংৰাজী-ভাষী বিশ্বৰ সিদ্ধান্তক, অথবা মিষ্টাৰ মেক্‌মিলানে (Mr. Macmillan) কোৱাৰ দৰে যাৰ অৱস্থা আগেয়ে কেতিয়াও ইমান ভাল নোহোৱা সেই ৰাস্তাৰ মানুহবিলাকৰ সিদ্ধান্ততকৈ মধ্যবিত্ত বুদ্ধিজীৱীৰ সিদ্ধান্তক অগ্ৰাধিকাৰ দিয়া উচিত, তাৰ কোনো যুক্তি দেখা নাই। আমি প্ৰগতিৰ যুগত বাস কৰিছোনে অৱনতিৰ যুগত বাস কৰিছো, সেই প্ৰশ্নটোৰ ওপৰত সিদ্ধান্ত কিছু মুহূৰ্তৰ বাবে স্থগিত ৰাখোঁ আৰু প্ৰগতিৰ ধাৰণা বুলিলে কি বুজায়, ইয়াৰ পশ্চাতত কি কি অনুমান আছে আৰু কিমানদূৰ এইবোৰ অগ্ৰহণীয় হৈ পৰিছে, সেইটো অলপ অধিক সূক্ষ্মভাৱে পৰীক্ষা কৰি চাওঁ।

প্ৰথমতেই মই প্ৰগতি (progress) আৰু ক্ৰমবিকাশ (evolution) সম্পৰ্কে থকা অস্পষ্টতাখিনি পৰিষ্কাৰ কৰি লোৱা উচিত বুলি ভাবোঁ। প্ৰবুদ্ধ যুগৰ চিন্তাবিদসকলে আপাততঃ দুটা পৰস্পৰবিৰোধী দৃষ্টিকোণ গ্ৰহণ কৰিছিল। তেওঁলোকে প্ৰকৃতি জগতত মানুহৰ স্থান প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল: ইতিহাসৰ নিয়মক প্ৰকৃতিৰ বিধানৰ সমকক্ষ বুলি ধৰিছিল। অন্যহাতেদি তেওঁলোকে প্ৰগতিতো বিশ্বাস কৰিছিল। কিন্তু এটা লক্ষ্যৰ দিশত অনবৰতে গতিশীল হোৱা বুলি প্ৰকৃতিক প্ৰগতিশীল বুলি গণ্য কৰাৰ যুক্তি কি?

হেগেলে প্ৰগতিশীল ইতিহাসক সুস্পষ্টভাৱে প্ৰগতিশীল নোহোৱা প্ৰকৃতিৰ পৰা পৃথক কৰি সমস্যাটোৰ মুখামুখি হৈছিল। ডাৰউইনীয় বিপ্লৱে ক্ৰমবিকাশ আৰু প্ৰগতিক সমাৰ্থক কৰি লৈ সকলোবোৰ অস্বস্তি আঁতৰাই দিয়া যেন লাগিল : ইতিহাসৰ দৰেই সৰ্বশেষত প্ৰকৃতিও প্ৰগতিশীল হিছাপে পৰিগণিত হ'ল। কিন্তু ক্ৰমবিকাশৰ উৎস জীৱতাত্বিক বংশগতিক (inheritance) ইতিহাসত প্ৰগতিৰ উৎস সামাজিক আহৰণৰ (acquisition) লগত আউল লগাই ই এটা গভীৰ ভুল বুজাবুজিৰ পথহে মুকলি কৰিলে। পাৰ্থক্যটো পৰিচিত আৰু স্পষ্ট। এটি ইউৰোপীন কেঁচুৱাক এটা চীনা পৰিয়ালত ৰাখক, শিশুটো বগা ছালৰ হৈ ডাঙৰ হ'ব কিন্তু চীনা ভাষা ক'ব। গাৰ বৰণ এটা জীৱতাত্বিক উত্তৰাধিকাৰ, মানৱ মস্তিষ্কৰ মাধ্যমত পৰিবাহিত হোৱা ভাষা এটা সামাজিক আহৰণ। উত্তৰাধিকাৰ যোগেদি হোৱা ক্ৰমবিকাশক কোটি কোটি বছৰত (millennia) অথবা নিযুত নিযুত (millions) বছৰৰ হিছাপত জোখ ল'ব লাগে আৰু লিখিত ইতিহাসৰ আৰম্ভণিৰে পৰা মানুহৰ কোনো পৰিমেয় জীৱতাত্বিক পৰিৱৰ্তন ঘটা নাই। আহৰণৰ যোগেদি হোৱা প্ৰগতিক প্ৰজন্মৰ হিছাপতে জুখিব পাৰি। যুক্তিবাদী প্ৰাণী হিছাপে মানুহৰ শাশ্বতা (essence) এয়ে যে ই বিগত প্ৰজন্মবোৰৰ অভিজ্ঞতা সঞ্চয়ন কৰি তেওঁৰ সম্ভাব্য সামৰ্থ্যক বিকশিত কৰে। এইটো কোৱা হয় যে পাঁচ হেজাৰ বছৰৰ আগৰ পূৰ্বপুৰুষতকৈ আধুনিক মানুহৰ মস্তিষ্ক ডাঙৰ নহয় আৰু সহজাত চিন্তা-শক্তিও অধিক নহয়। কিন্তু শিক্ষা আৰু মাজৰ প্ৰজন্মৰ অভিজ্ঞতাক তেওঁৰ অভিজ্ঞতাৰ অন্তৰ্ভুক্ত কৰি তেওঁৰ চিন্তাৰ কাৰ্যকাৰিতাক বহু গুণ বৃদ্ধি কৰিছে। জীৱবিজ্ঞানীসকলে নাকচ কৰা আহৰিত বৈশিষ্ট্যৰাজিক উত্তৰ-প্ৰজন্মলৈ প্ৰসাৰণ (transmission) কৰাটোৱেই সামাজিক প্ৰগতিৰ প্ৰকৃত আধাৰ। এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ আহৰিত দক্ষতাৰ প্ৰসাৰণৰ প্ৰগতিয়েই ইতিহাস।

দ্বিতীয়তে, আমি প্ৰগতিৰ এটা সীমাবদ্ধ আৰম্ভণি অথবা সামৰণি আছে বুলি ভবাৰ প্ৰয়োজনো নাই আৰু উচিতো নহয়। সভ্যতা খ্ৰীষ্টপূৰ্ব চতুৰ্থ সহস্ৰাব্দত নীল নদীৰ উপত্যকাত আৱিষ্কাৰ হৈছিল বুলি পঞ্চাশ বছৰতকৈয়ো কমসময়ৰ আগলৈকে জনপ্ৰিয় হৈ থকা বিশ্বাসটো খ্ৰীষ্টপূৰ্ব ৪০০৪ চনত জগত সৃষ্টি হৈছিল বুলি কালপঞ্জিয়ে (chronology) নিৰ্ধাৰণ কৰাৰ দৰেই আজি আৰু বিশ্বাসযোগ্য নহয়। যি সভ্যতাৰ জন্মকেই আমি বোধকৰো আমাৰ প্ৰগতিৰ পূৰ্বানুমানৰ আৰম্ভণি-বিন্দু হিছাপে ল'ব পাৰোঁ সেই সভ্যতা নিঃসন্দেহে এক উদ্ভাৱন নাছিল, বৰং অনিৰ্দিষ্টভাৱে মন্থৰ বিকাশৰ এটা প্ৰক্ৰিয়াহে আছিল, য'ত সম্ভৱতঃ মাজে সময়ে লক্ষ্যণীয় বিকাশ সংঘটিত হৈছিল। কেতিয়া প্ৰগতি অথবা সভ্যতাৰ আৰম্ভ হৈছিল সেইটো প্ৰশ্নৰে আমি নিজকে বিব্ৰত কৰা উচিত নহ'ব। প্ৰগতিৰ পৰিমিত (finite) সমাপ্তিৰ পূৰ্বানুমানে গুৰুতৰ ভুল ধাৰণাৰ সৃষ্টি কৰিব পাৰে। প্ৰুচিয়াৰ ৰাজতন্ত্ৰৰ প্ৰগতিৰ পৰিসমাপ্তি ঘোষণা কৰাৰ কাৰণে

হেগেলক সঠিকভাৱেই গৰিহণা দিয়া হৈছিল, — যিটো আপাততঃ ভৱিষ্যত-বাণীৰ অসম্ভৱতা সম্পৰ্কে তেওঁৰ দৃষ্টিভংগীৰ অতিশ্ৰমত ক্লান্তিগ্ৰস্থ হোৱা ব্যাখ্যাৰ পৰিণাম। কিন্তু অক্সফ'ৰ্ডৰ আধুনিক ইতিহাসৰ ৰেজিয়াচ অধ্যাপক হিছাপে ১৮৪১ চনত দিয়া উদ্বোধনী বক্তৃতাত তেওঁ যেতিয়া আধুনিক ইতিহাসক মানৱ ইতিহাসৰ অন্তিম স্তৰ বুলি ভাবিছিল, প্ৰখ্যাত ভিক্টোৰীয়ান ৰাগ্‌বীৰ আৰ্নল্ডে (Arnold of Rugby) হেগেলৰ বিচ্যুতিকো চেৰাই গৈছিল ঃ 'ইয়েই কালৰ পৰিপূৰ্ণতাৰ লক্ষ্য (mark) ধাৰণ কৰা যেন বোধ হয়, যেন ইয়াৰ সিপাৰে আৰু ভৱিষ্যতৰ কোনো ইতিহাসেই নাথাকিব।'[১০] সৰ্বহাৰাৰ বিপ্লৱে এখন শ্ৰেণীহীন সমাজৰ অন্তিম লক্ষ্য বাস্তৱায়িত কৰিব বুলি মাৰ্ক্সে কৰা ভৱিষ্যত-বাণী যুক্তিগত আৰু নৈতিকভাৱে কম ক্ষতিকাৰক; কিন্তু ইতিহাসৰ পৰিসমাপ্তিৰ ধাৰণাটোত ঐতিহাসিকৰ পৰিৱৰ্তে ধৰ্মতত্ত্ববিদ এজনৰ বাবেহে উপযোগী হোৱা অৱতাৰবাদী সুৰ এটা আছে আৰু ইতিহাসৰ বাহিৰতহে তাৰ লক্ষ্য নিৰ্ধাৰিত বুলি থকা বিভ্ৰান্তিটোলৈ আমাক ঘূৰাই লৈ যায়। নিঃসন্দেহে এক পৰিমিত পৰিসমাপ্তিৰ প্ৰতি মানৱ মনৰ আকৰ্ষণ থাকে আৰু মুক্তিৰ দিশে এক অনন্ত প্ৰগতি হিছাপে ইতিহাসৰ যাত্ৰা সম্পৰ্কে থকা এক্টনৰ স্বপ্নক হতাশজনক আৰু অৰ্থহীন যেন লাগে। কিন্তু ঐতিহাসিকে যদি তেওঁৰ প্ৰগতিৰ পূৰ্বানুমানক ৰক্ষা কৰিবই লাগে, মোৰ বোধেৰে তেওঁ ইয়াক এটা প্ৰক্ৰিয়া হিছাপে গণ্য কৰিবলৈ প্ৰস্তুত থাকিব লাগিব, য'ত ক্ৰমায়াত (successive) সময়ৰ চাহিদা আৰু চৰ্তসমূহে সিহঁতৰ নিজস্ব বিশেষ বক্তব্য সন্নিবিষ্ট কৰিব। আৰু এইটোৱেই এক্টনৰ থিচিচৰ অৰ্থ যে ইতিহাস কেৱল প্ৰগতিৰ এক নথিয়েই নহয়, বৰং এক 'প্ৰগতিশীল বিজ্ঞান', অথবা, আপুনি যদি ভাবে, শব্দটোৰ দুয়োটা অৰ্থতে, অৰ্থাৎ ঘটনাৰ ধাৰা হিছাপে আৰু সেইবোৰ ঘটনাৰ নথি হিছাপেও প্ৰগতিশীল। ইতিহাসত স্বাধীনতাৰ অগ্ৰগতি সম্পৰ্কে এক্টনে দিয়া বৰ্ণনা মনত পেলাওক ঃ

> 'বাধ্যবাধকতাত পৰি দৌৰাত্ম্যৰ ৰাজত্ব আৰু নিৰৱচ্ছিন্ন অন্যায়ক প্ৰতিৰোধ কৰিবলৈ দুৰ্বলে কৰা সামূহিক প্ৰচেষ্টাৰ ফলত চাৰিশ বছৰৰ দ্ৰুত পৰিৱৰ্তন অথচ মন্থৰ প্ৰগতিৰ সংৰক্ষণ হৈছে, নিশ্চিত হৈছে, বিস্তৃত হৈছে আৰু সৰ্বশেষত উপলব্ধ হৈছে।'[১১]

ঘটনাবলীৰ গতিধাৰা হিছাপে ইতিহাসক এক্টনে স্বাধীনতা অভিমুখী প্ৰগতি বুলি আৰু ইতিহাসক সেইবোৰ ঘটনাবলীৰ দস্তাবেজ হিছাপে স্বাধীনতাৰ উপলব্ধিৰ অভিমুখে প্ৰগতি হিছাপে ধাৰণা কৰিছিল ঃ দুয়োটা প্ৰক্ৰিয়া সমান্তৰালকৈ আগবাঢ়িছিল।[১২] ক্ৰম-বিৱৰ্তনৰ উপমাবোৰৰ প্ৰাদুৰ্ভাৱৰ যুগত লেখা দাৰ্শনিক ব্ৰেড্‌লিয়ে (Bradley) মন্তব্য দিছিল যে 'ধৰ্ম বিশ্বাসৰ বাবে ক্ৰম-বিৱৰ্তনৰ পৰিসমাপ্তিও যেন ইতিমধ্যেই ক্ৰম-বিৱৰ্তিত হোৱা আৰম্ভ হৈ গৈছে।'[১৩] ঐতিহাসিকৰ কাৰণে প্ৰগতিৰ পৰিসমাপ্তি ইতিমধ্যে ক্ৰম-বিৱৰ্তিত হোৱা নাই। এইটো এতিয়াও অসীম দূৰত্বত; আমি আগুৱাই যোৱাৰ লগে

লগেহে তাৰ আভাস আমাৰ দৃষ্টিগোচৰ হ'ব। এইটোৱে কিন্তু ইয়াৰ গুৰুত্ব লাঘব নকৰে। কম্পাচ এটা মূল্যবান আৰু বাস্তৱিকতেই অপৰিহাৰ্য পথ-প্ৰদৰ্শক। কিন্তু ই যাত্ৰা-পথৰ মানচিত্ৰ নহয়। আমি অভিজ্ঞতা লাভ কৰিলেহে ইতিহাসৰ বক্তব্যক উপলব্ধি কৰিব পৰা যায়।

মোৰ তৃতীয় বক্তব্যটো এয়ে যে কোনো সুস্থ মস্তিষ্কৰ মানুহেই কেতিয়াও ওলোটা পৰিণাম (reverses), বিচ্যুতি আৰু ধাৰাবাহিকতাৰ ছন্দপতন নোহোৱাকৈ অবিৰাম ঋজুৰৈখিক প্ৰগতিত বিশ্বাস নকৰে এই কাৰণেই যে, যাতে আটাইতকৈ চৰম বিপৰ্যয়েও সেই বিশ্বাসক বিনাশ কৰিব নোৱাৰে। এইটো খোলা কথা যে প্ৰগতিৰ যিদৰে একোটা সময় থাকে, একেদৰেই প্ৰগতিৰ পশ্চাদপসৰণৰো (regression) একো একোটা সময় বা যুগ থাকে। তদুপৰি এবাৰ পশ্চাদপসৰণৰ পিছত একেটা বিন্দুৰে পৰাই অথবা একেটা ধাৰাতেই অগ্ৰগতি পুনৰায় আৰম্ভ হ'ব বুলি ধাৰণা কৰাটো অযুগুত হ'ব। হেগেল বা মাৰ্ক্সৰ চাৰি বা তিনিটা সভ্যতা, টয়নবীৰ একৈশটা সভ্যতা, উত্থান, অৱক্ষয় আৰু পতনৰ জীৱনবৃত্তৰ মাজেদি সভ্যতা অতিক্ৰম হোৱাৰ তত্ত্ব,— এইবোৰ আঁচনিৰ নিজা কোনো অৰ্থই নাথাকে। কিন্তু এইবোৰ পৰ্যবেক্ষিত তথ্যৰ লক্ষণ হিচাপে বিবেচিত এইকাৰণেই যে সভ্যতাৰ চালিকা-শক্তিৰ কাৰণে যি প্ৰয়াসৰ প্ৰয়োজন হয়, সেইটোৰ কোনো এক স্থানত মৃত্যু হয় আৰু পৰৱৰ্তী সময়ত আন কোনোবা এটাত প্ৰতিভাত হয় যাতে আমি ইতিহাসত যিধৰণৰেই প্ৰগতিৰ পৰ্যবেক্ষণ কৰোঁ, সেই ইতিহাস স্থান অথবা কালত কেতিয়াও অবিচ্ছিন্ন নহয়। বাস্তৱিকতে ইতিহাসৰ বিধি-বিধান প্ৰণয়নৰ ক্ষেত্ৰত মোৰ আসক্তি থকাহেঁতেন এটা নিয়ম এনেকুৱা হ'লহেঁতেন যে গোষ্ঠীটোৱে— যাক এটা শ্ৰেণী, এটা জাতি, এখন মহাদেশ, এটা সভ্যতা যি বুলিয়েই আপুনি অভিহিত কৰে,— যি এটা যুগত সভ্যতাৰ অগ্ৰগতিৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰে, পৰৱৰ্তী যুগত একে ভূমিকা পালন কৰাৰ সম্ভাৱনা নাথাকে এই কাৰণে যে আগৰ যুগৰ ঐতিহ্য, স্বাৰ্থ আৰু আদৰ্শসমূহৰ দ্বাৰা ইমান বেছি গভীৰভাৱে অনুপ্ৰাণিত হয় যে সেইবোৰক পৰৱৰ্তী যুগৰ চাহিদা আৰু চৰ্তসমূহৰ লগত খাপ খুৱাব নোৱৰা হয়।[১৪] সেয়ে এনেকুৱাও ঘটিব পাৰে যে এটা গোষ্ঠীৰ বাবে কোনো এটা যুগক অৱক্ষয়ৰ যেন লাগিলেও অন্য এটাৰ বাবে সেইটো আকৌ এটা নতুন অগ্ৰগতিৰ সূচনা বুলি বিবেচিত হ'ব পাৰে। সকলোৰেই বাবে সমান আৰু যুগপৎ প্ৰগতি— প্ৰগতিৰ অৰ্থ কেতিয়াও তেনে নহয়, আৰু হ'বও নোৱাৰে। এইটোও তাৎপৰ্যপূৰ্ণ যে পৰৱৰ্তী কালৰ আমাৰ প্ৰায় আটাইবোৰ অৱক্ষয়ৰ প্ৰবক্তা আৰু সংশয়বাদীয়ে, যিসকলে ইতিহাসৰ কোনো অৰ্থই দেখা নাছিল আৰু প্ৰগতিকো মৃত বুলিয়েই ধাৰণা কৰিছিল, সেইসকল পৃথিৱীৰ সেইটো খণ্ডৰ আৰু সমাজৰ সেইটো শ্ৰেণীৰ অন্তৰ্ভুক্ত, যিসকলে কেইবাটাও প্ৰজন্মৰ কাৰণে সভ্যতাৰ

অগ্ৰগতিত বিজয়দীপ্ততাৰে অগ্ৰণী আৰু প্ৰভাৱশালী ভূমিকা পালন কৰিছিল। এইটো তেওঁলোকক সান্ত্বনা দিবলৈ কোৱা কথা নহয় যে তেওঁলোকৰ গোষ্ঠীটোৱে অতীতত যি ভূমিকা পালন কৰিছিল, এতিয়া সেই ভূমিকা আনৰ হাতলৈ গুচি যাব। এইটো দেখা কথা যে যি ইতিহাসে তেওঁলোকক লৈ ইমান জঘন্য খেল এখন খেলিলে, সেই ইতিহাস কেতিয়াও অৰ্থবহ আৰু যুক্তিসংগত প্ৰক্ৰিয়া হ'বই নোৱাৰে। কিন্তু আমি যদি প্ৰগতিৰ পূৰ্বানুমানক মানি ল'বই লাগে, মই ভাবোঁ আমি ভগ্ন-ৰেখাৰ (broken line) পৰিস্থিতিটো মানি ল'বই লাগিব।

শেষত মই ঐতিহাসিক কাৰ্যকলাপ হিছাপে প্ৰগতিৰ মৌলিক বক্তব্য (essential content) কি সেই প্ৰশ্নটোলৈ আহোঁ। যিসকল ব্যক্তিয়ে সকলোলৈকে নাগৰিকৰ অধিকাৰসমূহ প্ৰসাৰিত কৰিবলৈ, অথবা শাস্তি-বিধিৰ সংস্কাৰ কৰিবলৈ, অথবা জাতিগত বা সম্পদৰ বৈষম্য নিৰ্মূল কৰিবলৈ সংগ্ৰাম কৰে, তেওঁলোকে সচেতনভাৱে সেইবোৰ কামেই কৰিবলৈ বিচাৰে ঃ (কিন্তু) তেওঁলোকে সচেতনভাৱে 'প্ৰগতি', প্ৰগতিৰ কিছুমান ঐতিহাসিক 'বিধি' বা 'পূৰ্বানুমান' প্ৰতিষ্ঠা কৰিবলৈ বিচাৰি নহয়। ঐতিহাসিকেহে সেইবোৰক তেওঁৰ প্ৰগতিৰ পূৰ্বানুমানত প্ৰয়োগ কৰে আৰু প্ৰগতি হিছাপে সিহঁতৰ কাৰ্যকলাপ ব্যাখ্যা কৰে। কিন্তু ইয়ে প্ৰগতিৰ ধাৰণাক নস্যাৎ নকৰে। এইটো বিষয়ত মই ছাৰ ইছায়া বাৰ্লিনৰ লগত একমত হ'বলৈ পাই আনন্দিত যে 'প্ৰগতি আৰু প্ৰতিক্ৰিয়া শব্দ দুটাৰ যিমান অপপ্ৰয়োগ নহওক লাগিলে, সিহঁত শূন্যগৰ্ভ ধাৰণা নহয়।'[১৫] ইতিহাসৰ এইটোও এটা পূৰ্বধাৰণা (presupposition) যে মানুহ তেওঁৰ পূৰ্বপুৰুষসকলৰ অভিজ্ঞতাৰ পৰা লাভবান হয় (হ'বই লাগিব বুলি কোনো কথা নাই) আৰু প্ৰকৃতিৰ ক্ৰমবিৱৰ্তনৰ নিচিনাকৈ নহয়, ইতিহাসত প্ৰগতি আহৰিত সম্পদৰ সঞ্চাৰণৰ (transmission) ওপৰত নিৰ্ভৰশীল। এই সম্পদবোৰে বস্তুগত অধিকাৰ আৰু নিজৰ পাৰিপাৰ্শ্বিকতাৰ নিয়ন্ত্ৰণ, পৰিবৰ্তন (transform) আৰু ব্যৱহাৰৰ সামৰ্থ্য দুয়োটাকে সামৰে। বাস্তৱিকতে দুয়োবিধ উপাদান ঘনিষ্ঠভাৱে সংযুক্ত আৰু পৰস্পৰে ক্ৰিয়াশীল। মাৰ্ক্সে মানুহৰ শ্ৰমকে গোটেই সৌধটোৰ আধাৰ হিছাপে গণ্য কৰিছিল আৰু 'শ্ৰম'ৰ লগত যথাযোগ্যভাৱে বহল অৰ্থ এটা আৰোপ কৰিলে এই ফৰ্মূলাটো গ্ৰহণীয় যেন হৈ পৰে। কিন্তু কেৱল সমলৰ সঞ্চয়নেই যথেষ্ট নহয়, যদিহে ই ইয়াৰ লগতে কেৱল বৰ্ধিত প্ৰযুক্তিগত আৰু সামাজিক জ্ঞান আৰু অভিজ্ঞতায়েই নহয়, বৰং বহল অৰ্থত মানুহৰ পাৰিপাৰ্শ্বিকতাৰ ওপৰত মানুহৰ বৰ্ধিত নিয়ন্ত্ৰণো সাব্যস্ত কৰিব নোৱাৰে। মই ভাবোঁ যে বৰ্তমান তেনেই নগণ্য সংখ্যক মানুহেহে বস্তুগত সমল আৰু বৈজ্ঞানিক জ্ঞান এই দুয়োটাকে সঞ্চয়নৰ প্ৰগতি, প্ৰযুক্তিগত অৰ্থত পাৰিপাৰ্শ্বিকতাৰ ওপৰত মানুহৰ প্ৰভুত্বক সন্দেহৰ চকুৰে চাব। যিটোক সন্দেহ কৰিব সেইটো হৈছে, কুৰি শতিকাত আমি আমাৰ সমাজক শৃংখলিত কৰাত কি

প্ৰগতি কৰিছো, সামাজিক পাৰিপাৰ্শ্বিকতাৰ ওপৰত আমাৰ প্ৰভুত্ব, ৰাষ্ট্ৰীয় অথবা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত বাস্তৱিকতে লক্ষ্যণীয় অধোগমন (regression) ঘটিছেনে নাই। সামাজিক সত্তা হিচাপে মানুহৰ ক্ৰমবিৱৰ্তন প্ৰযুক্তিৰ প্ৰগতিতকৈ মাৰাত্মকভাৱে পিছ পৰি থকা নাইনে?

যিবিলাক লক্ষণে এই প্ৰশ্নটো জগাই তুলিছে, সেইবোৰ স্পষ্ট। কিন্তু তথাপি মই সন্দেহ কৰোঁ যে প্ৰশ্নটো ভুলকৈ উত্থাপন কৰা হৈছে। ইতিহাসে বহুতো পৰিবৰ্তন প্ৰত্যক্ষ কৰিছে, য'ত নেতৃত্ব আৰু উদ্যোগ এটা দলৰ পৰা আন এটালৈ, পৃথিৱীৰ এটা খণ্ডৰ পৰা আন এটালৈ হস্তান্তৰিত হৈছে ঃ আধুনিক ৰাষ্ট্ৰৰ উত্থানৰ যুগ আৰু ক্ষমতাৰ কেন্দ্ৰ ভূমধ্যসাগৰৰ পৰা পশ্চিম ইউৰোপলৈ সলনি হৈছে আৰু ফৰাচী বিপ্লৱৰ যুগ উল্লেখযোগ্য আধুনিক উদাহৰণ। সেইবোৰ যুগ সদায় সশস্ত্ৰ ৰাষ্ট্ৰবিপ্লৱ আৰু ক্ষমতা দখলৰ সংগ্ৰামৰ যুগ। পুৰণি ক্ষমতাস্তম্ভবোৰ (authorities) দুৰ্বল হৈছে, পুৰণি সাম্ৰাজ্যৰ সীমা অন্তৰ্ধান হৈ গৈছে; উচ্চাকাঙ্ক্ষা আৰু অসন্তুষ্টিৰ তিক্ত সংঘাতৰ পৰা নতুন শৃংখলাৰ আৱিৰ্ভাৱ ঘটিছে। মই এইটোকে ক'বলৈ বিচাৰোঁ যে আমি বৰ্তমান তেনে এক সময়ৰ মাজেদি আগবাঢ়ি গৈ আছো। মোৰ ধাৰণাত, এইটো এনেদৰে কোৱাটো ভুল হ'ব যে সামাজিক সংগঠন সম্পৰ্কে আমাৰ উপলব্ধি অথবা সেই উপলব্ধিৰ আধাৰত সমাজক সংগঠিত কৰিবলৈ আমাৰ সদিচ্ছা পশ্চাৎমুখী হৈছে ঃ বাস্তৱিকতে মই জোৰ দিয়েই কোৱা উচিত যে সেইবোৰৰ প্ৰচুৰ বৃদ্ধিহে হৈছে। এইটোও নহয় যে আমাৰ সামৰ্থ্য হ্ৰাস পাইছে অথবা আমাৰ নৈতিক গুণৰ অৱক্ষয় ঘটিছে। কিন্তু মহাদেশ, জাতি আৰু শ্ৰেণীসমূহৰ মাজত ক্ষমতাৰ ভাৰসাম্যৰ পৰিবৰ্তন হোৱাৰ কাৰণে আমি যি সংঘৰ্ষ আৰু ৰাষ্ট্ৰবিপ্লৱৰ যুগত বসবাস কৰি আছো, সিয়ে এই সামৰ্থ্য আৰু গুণসমূহৰ ওপৰত অতিপাত হেঁচা বৃদ্ধি কৰিছে আৰু ইতিবাচক সাফল্যৰ বাবে সেইবোৰৰ প্ৰভাৱক সীমিত আৰু নিষ্ফল কৰি পেলাইছে। যদিও বিগত পঞ্চাশ বছৰে পাশ্চাত্য জগতত প্ৰগতিৰ বিশ্বাসৰ বিৰুদ্ধে হোৱা প্ৰত্যাহ্বানৰ শক্তিক অৱমূল্যায়ন কৰাৰ ইচ্ছা মোৰ নাই, ইতিহাসত প্ৰগতিৰ পৰিসমাপ্তি ঘটিছে বুলি মই এতিয়াও বিশ্বাস কৰি ল'ব পৰা নাই। কিন্তু তথাপি আপুনি যদি মোক প্ৰগতি সম্পৰ্কে বক্তব্যত হেঁচা দি থাকে, মই ভাবো মই মাত্ৰ এনেকৈয়েহে উত্তৰ দিব পাৰিম। ঊনৈশ শতিকাৰ চিন্তাবিদসকলে সঘনাই দাবী কৰা মতে ইতিহাসৰ প্ৰগতিৰ এক সসীম আৰু স্পষ্টকৈ সংজ্ঞা দিব পৰা লক্ষ্যৰ ধাৰণাটো অপ্ৰযোজ্য আৰু নিষ্ফল বুলি প্ৰমাণিত হৈছে। প্ৰগতিত বিশ্বাসৰ অৰ্থ কোনো স্বয়ংক্ৰিয় বা অনিবাৰ্য প্ৰক্ৰিয়াৰ ওপৰত বিশ্বাস নহয়, বৰং মানৱীয় সম্ভাৱনাসমূহৰ প্ৰগতিশীল বিকাশৰ ওপৰতহে বিশ্বাস কৰা। প্ৰগতি এটা বিমূৰ্ত সংজ্ঞা; আৰু মানুহে যি মূৰ্ত উদ্দেশ্যৰ অনুসৰণ কৰে, ইতিহাসৰ বাহিৰৰ আন কিবা উৎসৰ পৰা নহয়, সেইটো সময়ে সময়ে ইতিহাসৰ

গতিধাৰাৰ পৰাই উত্তৰ হয়। মানুহৰ সৰ্বশ্ৰেষ্ঠতা (perfectibility) অথবা ভৱিষ্যতে মৰ্ত্যতে স্বৰ্গ প্ৰতিষ্ঠাত মই বিশ্বাস নকৰোঁ। এই ক্ষেত্ৰত মই ধৰ্মতত্ত্ববিদ আৰু ৰহস্যবাদীসকলৰ লগত একমত, যিসকলে ইতিহাসত সৰ্বোৎকৃষ্ট সাধন সম্ভৱ নহয় বুলি ন-দি কয়। কিন্তু মই সীমাহীন প্ৰগতিৰ সম্ভাৱনীয়তাক লৈয়ে সন্তুষ্ট থাকিম— অথবা যাৰ কোনো সীমা দেখিব পাৰি বা দেখাৰ প্ৰয়োজন আছে, সেই প্ৰগতিৰ— সেই সীমাহীন প্ৰগতি এনে লক্ষ্যৰ ফালে আগবাঢ়িছে, যাৰ সংজ্ঞা নিৰ্ধাৰণ কৰিব পৰা যায় কেৱল তাৰ দিশত আগুৱাই যোৱাৰ মাধ্যমেদিহে আৰু যাৰ সত্যতা সেইটোক লাভ কৰাৰ প্ৰক্ৰিয়াতহে নিৰ্ধাৰণ কৰিব পাৰি। প্ৰগতি সম্পৰ্কে তেনে ধৰণৰ কোনো ধাৰণা অবিহনে সমাজ কিদৰে বৰ্তি থাকিব মই নাজানো। প্ৰত্যেক সভ্য সমাজেই অনাগত প্ৰজন্মৰ কাৰণে জীৱিত প্ৰজন্মৰ পৰা ত্যাগ দাবী কৰে। ভৱিষ্যতে এখন শ্ৰেষ্ঠতৰ জগতৰ নামত এই ত্যাগসমূহক ন্যায্য প্ৰতিপন্ন কৰাটো কিবা দৈৱিক উদ্দেশ্যৰ নামত সেইবোৰ ত্যাগক বৈধ বুলি কোৱাটো পাৰ্থিৱ প্ৰতিৰূপহে। বিউৰিৰ ভাষাত, 'উত্তৰ-পুৰুষৰ প্ৰতি কৰ্তব্যবোধৰ নীতি প্ৰগতিৰ ধাৰণাৰ এক প্ৰত্যক্ষ ফলশ্ৰুতি।'[১৬] বোধহয় এই কৰ্তব্যৰ বৈধতা নিৰূপণ নিষ্প্ৰয়োজন। যদিহে প্ৰয়োজন আছে, তেন্তে তাৰ আন কোনো পথৰ সন্ধান মই নাজানো।

ইয়ে মোক ইতিহাসত বস্তুনিষ্ঠতাৰ সেই বিখ্যাত অমীমাংসিত প্ৰশ্নটোলৈ (crux) লৈ আনিছে। শব্দটো নিজেই বিভ্ৰান্তিকৰ আৰু প্ৰশ্ন-উদ্ৰেককাৰী। মই ইয়াৰ আগৰ বক্তৃতা এটাত ইতিমধ্যেই যুক্তি আগবঢ়াইছিলো যে ইতিহাসকো সামৰি সামাজিক বিজ্ঞানসমূহে জ্ঞানৰ এনে এটা তত্ত্বৰ লগত নিজকে খাপ খুৱাই ল'ব নোৱাৰে, যিয়ে বিষয় (subject) আৰু বিষয়ীক (object) পৃথকাই ৰাখে আৰু পৰ্যবেক্ষক আৰু পৰ্যবেক্ষিত বস্তুৰ মাজত এক অনমনীয় বিভাজন বলৱৎ কৰে। আমাক এটা নতুন আৰ্হি (model) লগে, যিয়ে আন্তঃসম্পৰ্ক (interrelation) আৰু আন্তঃক্ৰিয়াৰ (interaction) জটিল প্ৰক্ৰিয়াটোৰ প্ৰতি সুবিচাৰ কৰিব পাৰে। ইতিহাসৰ তথ্যসমূহ সম্পূৰ্ণকৈ বস্তুনিষ্ঠ হ'বই নোৱাৰে, কিয়নো কেৱল ঐতিহাসিকে সেইবোৰৰ ওপৰত তাৎপৰ্য আৰোপ কৰাৰ গুণতহে সেইবোৰ ঐতিহাসিক তথ্যত পৰিণত হয়। ইতিহাসৰ বস্তুনিষ্ঠতা,— আমি যদি এতিয়াও গতানুগতিক শব্দটোকেই ব্যৱহাৰ কৰোঁ,— তথ্যৰ বস্তুনিষ্ঠতা হ'বই নোৱাৰে, বৰং সম্পৰ্কৰ বস্তুনিষ্ঠতাহে হ'ব পাৰে, তথ্য আৰু ব্যাখ্যাৰ মাজৰ সম্পৰ্কৰ, অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সম্পৰ্কৰ বস্তুনিষ্ঠতা। ইতিহাসৰ বাহিৰত আৰু ইতিহাসৰ পৰা স্বতন্ত্ৰভাৱে মূল্যবোধৰ চূড়ান্ত মানদণ্ড এটা থিয় কৰাই তাৰ ভিত্তিত ঐতিহাসিক ঘটনাৱলীক বিচাৰ কৰাৰ প্ৰচেষ্টাক কিয় অনৈতিহাসিক বুলি প্ৰত্যাখ্যান কৰা হৈছিল, সেইটো যুক্তিলৈ ঘূৰি যোৱাৰ প্ৰয়োজন আছে বুলি মই নাভাবোঁ। কিন্তু ইতিহাসৰ জগতখনত ধ্ৰুব সত্যৰ ধাৰণাটো— অথবা মোৰ সন্দেহ, বিজ্ঞানৰ জগতখনতো প্ৰসংগসংগত (appropriate)

নহয়। কেৱল সৰলতম প্ৰকাৰৰ ঐতিহাসিক বিবৃতিকহে ধ্ৰুৱ সত্য অথবা চূড়ান্ত মিথ্যা বুলি ক'ব পৰা যায়। এটা অতি শিষ্টাচাৰী ভুৱতহে, ধৰক, কোনোবা ঐতিহাসিকে তেওঁৰ কোনোবা এজন পূৰ্বসূৰীৰ সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিবাদ কৰিলে সেই সিদ্ধান্তক চূড়ান্তভাৱে মিথ্যা বুলি নস্যাৎ (condemn) নকৰে, বৰং পৰ্যাপ্ত নোহোৱা অথবা একপক্ষীয় বা বিভ্ৰান্তিকৰ, অথবা এনে এটা দৃষ্টিকোণৰ সৃষ্টি বুলি ক'ব, যিটোক পৰৱৰ্তী সাক্ষ্য-প্ৰমাণে অপ্ৰচলিত বা অপ্ৰাসংগিক কৰি তুলিলে। উদাহৰণস্বৰূপে, দ্বিতীয় নিকোলাচৰ মূৰ্খামি অথবা লেনিনৰ প্ৰতিভাৰ কাৰণে ৰুচ বিপ্লৱ সংঘটিত হৈছিল বুলি কোৱাটোক একেবাৰেই পৰ্যাপ্ত কাৰণ নহয়,—ইমানেই পৰ্যাপ্ত নহয় যে যিটোক একেবাৰেই বিভ্ৰান্তিকৰ বুলি ক'ব পাৰি। কিন্তু এইটোক চূড়ান্তভাৱে মিথ্যা বুলি ক'ব নোৱাৰি। ঐতিহাসিকে এনে ধৰণৰ চূড়ান্তবোৰক লৈ লেনদেন নকৰে।

ৰবিনছনৰ মৃত্যুৰ দুখঃজনক ঘটনাটোলৈ ঘূৰি যাওঁ। সেই ঘটনাটো সম্পৰ্কে আমাৰ তদন্তৰ বস্তুনিষ্ঠতা আমি শুদ্ধ তথ্য পোৱাৰ ওপৰত নিৰ্ভৰ কৰা নাছিল— সেই সম্পৰ্কে কোনো বিৰোধেই নাছিল— বৰং যিবোৰৰ প্ৰতি আমি আগ্ৰহান্বিত, সেই প্ৰকৃত আৰু তাৎপৰ্যপূৰ্ণ তথ্য আৰু যিবোৰক আমি আওকাণ কৰিব পাৰোঁ সেই আকস্মিক তথ্যসমূহৰ মাজত পাৰ্থক্য নিৰ্ণয়ৰ ওপৰতহে নিৰ্ভৰ কৰিছিল। আমি এই পাৰ্থক্যটো নিৰ্ণয় কৰাটো সহজ পাইছিলো, কাৰণ আমাৰ বস্তুনিষ্ঠতাৰ ভিত্তিতো আমাৰ গুৰুত্ব নিৰ্ণয়ৰ মানদণ্ড বা পৰীক্ষাটো স্পষ্ট আছিল আৰু আমাৰ কাংক্ষিত লক্ষ্যৰ প্ৰসংগত আধাৰিত আছিল, অৰ্থাৎ ৰাস্তাত মৃত্যুৰ সংখ্যা হ্ৰাস কৰা। কিন্তু ঐতিহাসিকজন তদন্তকাৰীজনতকৈ কম সৌভাগ্যবান, কাৰণ তদন্তকাৰীজনৰ সন্মুখত যান-বাহনৰ দ্বাৰা সংঘটিত মৃত্যুৰ সংখ্যা হ্ৰাস কৰাৰ সহজ আৰু নিৰ্দিষ্ট (finite) উদ্দেশ্যহে থাকে। গুৰুত্বপূৰ্ণ আৰু আকস্মিক কাৰণসমূহক চিনাক্তকৰণৰ কাৰণে তেওঁৰ ব্যাখ্যাৰ কামত ঐতিহাসিকজনৰো গুৰুত্ব নিৰ্ণয়ৰ নিজা মানদণ্ডৰ প্ৰয়োজন, যিটো তেওঁৰ বস্তুনিষ্ঠতাৰো মানদণ্ড আৰু তেৰোঁ ইয়াক কাংক্ষিত লক্ষ্যৰ প্ৰাসংগিকতাতহে বিচাৰি পাব পাৰে। কিন্তু অনিবাৰ্যভাৱেই ই এক বিৱৰ্তিত লক্ষ্য, যিহেতু অতীত সম্পৰ্কে বিৱৰ্তিত (evolving) ব্যাখ্যা ইতিহাসৰ প্ৰয়োজনীয় কৰ্তব্য। পৰিৱৰ্তনক সদায় কিছুমান নিৰ্দিষ্ট (fixed) আৰু অপৰিৱৰ্তনীয় সংজ্ঞাৰে ব্যাখ্যা কৰিব লাগে বুলি থকা পৰম্পৰাগত ধাৰণাটো ঐতিহাসিকৰ অভিজ্ঞতাৰ পৰিপন্থী। বোধকৰোঁ নিজৰ বাবে এখন ক্ষেত্ৰ সংৰক্ষণ কৰি ৰাখি, য'লৈ ঐতিহাসিকে তেওঁক অনুসৰণ কৰা প্ৰয়োজন নাই, অধ্যাপক বাটাৰফিল্ডে ইংগিতেৰে কৈছিল যে 'ঐতিহাসিকৰ বাবে পৰিৱৰ্তনেই একমাত্ৰ ধ্ৰুৱ (absolute)।'[১১] ইতিহাসত চূড়ান্ত বা ধ্ৰুৱ অতীতৰ এনে একোৱেই নহয়, য'ৰ পৰা আমি আৰম্ভ কৰোঁ ; ই বৰ্তমানতো একোৱেই নহয়, যিহেতু বৰ্তমানৰ সকলো চিন্তাই অনিবাৰ্যভাৱে আপেক্ষিক। এইটো এনে কিবা, যিটো এতিয়াও

অসম্পূর্ণ আৰু হৈ উঠাৰ প্ৰক্ৰিয়াত আছে—আমি আগুৱাই যোৱা ভৱিষ্যতৰ কিবা এটা, আমি তাৰ ফালে আগুৱাই গ'লেহে সি তাৰ ৰূপ ধাৰণ কৰা আৰম্ভ কৰে আৰু আমি আগুৱাই গৈ থকাৰ লগে লগে তাৰ আলোকতে আমি ক্ৰমান্বয়ে অতীত সম্পৰ্কে আমাৰ ব্যাখ্যা গঢ় দিওঁ। ইতিহাসৰ অৰ্থ 'অন্তিম বিচাৰৰ দিনা' (day of judgement) প্ৰকাশিত হ'ব বুলি থকা ধৰ্মীয় জনশ্ৰুতিটোৰ (myth) পশ্চাতত থকা চেকুলাৰ সত্যটো এইটোৱেই। যোৱাকালি, আজি আৰু চিৰদিন যি একেই আছে সেই স্থানু অৰ্থত কোনো ধ্ৰুৱক আমাৰ বিচাৰৰ মাপকাঠি নহয় ঃ তেনে ধ্ৰুৱক ইতিহাসৰ প্ৰকৃতিৰ লগত খাপ নাখায়। কিন্তু অতীত সম্পৰ্কে আমাৰ ব্যাখ্যাৰ ক্ষেত্ৰত ই এক ধ্ৰুৱক। এটা ব্যাখ্যা আনটোৰ দৰেই সংগত, অথবা প্ৰতিটো ব্যাখ্যাই তাৰ নিজৰ কাল আৰু স্থানত সত্য,— এই আপেক্ষিকতাবাদী দৃষ্টিভংগীক ই নাকচ কৰে আৰু যি কষটি শিলৰ দ্বাৰা আমাৰ অতীত সম্পৰ্কীয় ব্যাখ্যাৰ বিচাৰ হ'ব, ই তাৰ যোগান ধৰে। ইতিহাসৰ কেৱল এই নিৰ্দেশবোধেই অতীতৰ ঘটনাৱলী বিন্যাস (order) আৰু বিশ্লেষণ কৰাত,— যিটো ঐতিহাসিকৰ কাম,— আৰু অতীতৰ প্ৰতি দৃষ্টি ৰাখি বৰ্তমানত মানুহৰ শক্তিসমূহক মুক্ত আৰু সংগঠিত কৰাত,— যিটো ৰাজনীতিজ্ঞ, অৰ্থনীতিবিদ আৰু সমাজ সংস্কাৰকৰ কাম,—আমাক সহায় কৰে। কিন্তু প্ৰক্ৰিয়াটো নিজেই প্ৰগতিশীল আৰু গতিশীল হৈ ৰয়। আমাৰ কৰ্তব্যবোধ (sence of direction) আৰু অতীত সম্পৰ্কে আমাৰ ব্যাখ্যা আমাৰ অগ্ৰগতিৰ লগে লগে অবিৰাম সংশোধন আৰু ক্ৰমবিৱৰ্তন হৈ থাকে।

হেগেলে তেওঁৰ ধ্ৰুৱক (absolute) এক বিশ্বআত্মা হিছাপে ৰহস্যবাদীৰ ৰূপত সাজপাৰ পিন্ধাই দিছিল আৰু ইতিহাসৰ গতিধাৰাক ভৱিষ্যতৰ পিনে প্ৰক্ষেপ কৰাৰ পৰিৱৰ্তে বৰ্তমানতে তাক পৰিসমাপ্তিলৈ আনি মৌলিক ভুলটো কৰিছিল। তেওঁ অতীতৰ এক নিৰৱচ্ছিন্ন ক্ৰমবিৱৰ্তনৰ প্ৰক্ৰিয়াক চিনাক্ত কৰিছিল, বৰং অন্তৰ্বিৰোধিতাৰে ভৱিষ্যত ক্ৰমবিৱৰ্তনক অস্বীকাৰ কৰিছিল। হেগেলৰ পাছৰ পৰাই যিসকলে ইতিহাসৰ প্ৰকৃতি সম্পৰ্কে গভীৰভাৱে চিন্তা-চৰ্চা কৰিছিল, তেওঁলোকে ইয়াৰ মাজত অতীত আৰু ভৱিষ্যতৰ এটা সমন্বয় (synthesis) দেখা পাইছিল। নিজকে তেওঁৰ সময়ৰ ধৰ্মতাত্ত্বিক কথনভংগিৰ (idiom) পৰা সম্পূৰ্ণভাৱে মুক্ত কৰি ল'ব নোৱৰা আৰু তেওঁৰ ধ্ৰুৱক অত্যন্ত সংকীৰ্ণ মৰ্মাৰ্থ (content) আৰোপ কৰি টকোভিলেও (Tocqueville) বিষয়বস্তুটোৰ সাৰমৰ্ম উপলব্ধি কৰিব পাৰিছিল। সাম্যৰ বিকাশক সাৰ্বজনীন আৰু চিৰন্তন ঘটনা হিছাপে কোৱাৰ পাছত তেওঁ কৈছিল যে,—

> 'যদি আমাৰ সময়ৰ মানুহক তেওঁলোকৰ ইতিহাসৰ অতীত আৰু ভৱিষ্যতৰ সাম্যৰ ক্ৰমশঃ তথা প্ৰগতিশীল বিকাশক একেলগে দেখুৱাব পৰা যায়, এই একক আবিষ্কাৰটোৱেই সেই বিকাশক তেওঁলোকৰ প্ৰভু আৰু মালিকৰ অভীপ্সাক পৱিত্ৰ চৰিত্ৰ দান কৰিব।'[১৮]

সেই এতিয়াও অসমাপ্ত বিষয়বস্তুটোক (theme) লৈ ইতিহাসৰ গুৰুত্বপূৰ্ণ অধ্যায় এটা লেখিব পাৰি। ভৱিষ্যতৰ ফালে দৃষ্টি দিয়াৰ বিষয়ত হেগেলৰ মানসিক বাধা-নিষেধৰ (inhibitions) অংশীদাৰ আৰু তেওঁৰ শিক্ষাক ঘাইকৈ অতীত ইতিহাসত দৃঢ়ভাৱে শিপাই ল'বলৈ বিচৰা মাৰ্ক্সকো তেওঁৰ বিষয়বস্তুৰ প্ৰকৃতিয়ে শ্ৰেণীহীন সমাজৰ তেওঁৰ ধ্ৰুবকক ভৱিষ্যতত প্ৰক্ষেপ কৰিবলৈ বাধ্য কৰিছিল। স্পষ্টভাৱে একেই উদ্দেশ্যেৰে কিন্তু অলপ অমাৰ্জিতভাৱে বিউৰীয়ে প্ৰগতিৰ ধাৰণাক 'অতীতৰ এক সমন্বয় আৰু ভৱিষ্যতৰ এক ভৱিষ্য-বাণী জড়িত থকা এটা তত্ত্ব' হিছাপে বৰ্ণনা কৰিছিল।[১৯] স্বেচ্ছাকৃতভাৱে এক সাঁথৰ-সুলভ (paradoxical) খণ্ডবাক্যৰে তেওঁৰ চিৰাচৰিত উপমাৰ ঐশ্বৰ্যৰে উদাহৰণ দিবলৈ গৈ নেমিয়াৰে (Namier) কৈছিল যে ঐতিহাসিকে 'অতীত কল্পনা কৰে আৰু ভৱিষ্যত সোঁৱৰে।'[২০] কেৱল ভৱিষ্যতেহে অতীত ব্যাখ্যাৰ ছাবিকাঠি যোগাব পাৰে আৰু কেৱল এইটো অৰ্থতে আমি ইতিহাসত চূড়ান্ত বস্তুনিষ্ঠতাৰ কথা ক'ব পাৰোঁ। একে সময়তে ইয়েই ইতিহাসৰ ন্যায্যতা আৰু ব্যাখ্যা যে অতীতে ভৱিষ্যতৰ ওপৰত আলোকপাত কৰে আৰু ভৱিষ্যতে অতীতৰ ওপৰত আলোকপাত কৰে।

তেনেহ'লে আমি যেতিয়া ঐতিহাসিক এগৰাকীক বস্তুনিষ্ঠ হোৱাৰ কাৰণে প্ৰশংসা কৰোঁ, অথবা এইজন ঐতিহাসিক সেইজনতকৈ অধিক বস্তুনিষ্ঠ বুলি কওঁ, সেইটোৰে আমি কি বুজাওঁ? এইটো স্পষ্ট যে সাধাৰণতে সেইটো নহয় যে তেওঁ একেবাৰে সঠিক তথ্য পাইছে, বৰং তেওঁ সঠিক তথ্যহে নিৰ্বাচন কৰিছে, অথবা, আন কথাত ক'বলৈ হ'লে, তেওঁ তথ্য নিৰ্বাচনৰ ক্ষেত্ৰত গুৰুত্বৰ সঠিক মানদণ্ড প্ৰয়োগ কৰিছে। আমি যেতিয়া ঐতিহাসিক এজনক বস্তুনিষ্ঠ বুলি কওঁ, মই ভাবোঁ, আমি দুটা অৰ্থ বুজাওঁ। সৰ্বপ্ৰথমে, আমি বুজাওঁ যে সমাজ আৰু ইতিহাসত তেওঁৰ নিজৰ অৱস্থিতিৰ সীমিত স্বপ্নৰ উৰ্ধলৈ উঠিবলৈ তেওঁৰ সামৰ্থ্য আছে,— মই ইয়াৰ আগৰ বক্তৃতা এটাত কোৱাৰ দৰে, সেই সামৰ্থ্য আংশিকভাৱে তেওঁৰ সেই অৱস্থানত তেওঁৰ কিমান দূৰলৈকে জড়িত সেইটো চিনাক্ত কৰিব পৰাৰ, ক'বলৈ গ'লে, সম্পূৰ্ণ বস্তুনিষ্ঠতা যে অসম্ভৱ, সেইটো চিনাক্ত কৰাৰ সামৰ্থ্যৰ ওপৰত নিৰ্ভৰশীল। দ্বিতীয়তে, আমি বুজাওঁ যে তেওঁৰ স্বপ্নক ভৱিষ্যতত এনে ধৰণে প্ৰক্ষেপ কৰাৰ ক্ষমতা তেওঁৰ আছে যিয়ে তেওঁক যিসকল ঐতিহাসিকৰ দৃষ্টিভংগী তেওঁলোকৰ নিজা তৎকালীন অৱস্থিতিয়ে সম্পূৰ্ণকৈ বান্ধি ৰাখে, সেইসকলতকৈ তেওঁক অতীত সম্পৰ্কে অধিক গভীৰ আৰু অধিক স্থায়ী, অন্তৰ্দৃষ্টি প্ৰদান কৰে। কোনো ঐতিহাসিকেই আজি আৰু 'চূড়ান্ত ইতিহাস'ৰ সম্ভাৱনা সম্পৰ্কে— এক্টনৰ বিশ্বাসৰ প্ৰতিধ্বনি নকৰিব। কিন্তু কিছুমান ঐতিহাসিকে অধিক দীৰ্ঘস্থায়ী ইতিহাস লেখে আৰু আনবোৰতকৈ অধিক চূড়ান্ত আৰু বস্তুনিষ্ঠ চৰিত্ৰৰ হয় আৰু মই ক'বলৈ বিচাৰোঁ যে এইসকল ঐতিহাসিকৰ অতীত আৰু ভৱিষ্যত সম্পৰ্কে

দীৰ্ঘম্যাদী স্বপ্ন থাকে। কেৱল ভৱিষ্যতক উপলব্ধি কৰাৰ যত্ন কৰিলেহে অতীত সম্পৰ্কে লেখা ঐতিহাসিকে বস্তুনিষ্ঠতাক আয়ত্ত কৰিব পাৰে।

সেয়ে যেতিয়া মই আগৰ বক্তৃতা এটাত ইতিহাসক অতীত আৰু বৰ্তমানৰ মাজত এটা সংলাপ বুলি কৈছিলো, মই তাক অতীতৰ ঘটনাৱলী আৰু প্ৰগতিমুখিতাৰে আত্ম-প্ৰকাশ কৰা ভৱিষ্যতৰ লক্ষ্যসমূহৰ মাজৰ সংলাপ বুলি কোৱাটোহে উচিত আছিল। তেওঁৰ নতুন নতুন লক্ষ্যৰ প্ৰগতিশীল আত্ম-প্ৰকাশে ঐতিহাসিকৰ অতীত ব্যাখ্যা, তেওঁৰ গুৰুত্বপূৰ্ণ আৰু প্ৰাসংগিক তথ্যৰ নিৰ্বাচনক ক্ৰমবিবৰ্তিত কৰি তোলে। আটাইতকৈ সৰলতম উদাহৰণটো হ'ল, যিমান দূৰলৈকে সাংবিধানিক স্বাধীনতা আৰু ৰাজনৈতিক অধিকাৰ সংগঠিত কৰাই প্ৰধান লক্ষ্য হৈ পৰে, ঐতিহাসিকে সাংবিধানিক আৰু ৰাজনৈতিক অৰ্থত অতীত বাখ্যা কৰে। যেতিয়া অৰ্থনৈতিক আৰু সামাজিক লক্ষ্যই সাংবিধানিক আৰু ৰাজনৈতিক লক্ষ্যৰ স্থান লয়, ঐতিহাসিকে অতীতৰ অৰ্থনৈতিক আৰু সামাজিক ব্যাখ্যালৈ তেওঁৰ মনোযোগ ঘূৰাই লয়। এনে এটা প্ৰক্ৰিয়াত সংশয়বাদীসকলে বোধহয় সংগতভাৱেই অভিযোগ কৰিব যে নতুন ব্যাখ্যাটো পুৰণিটোতকৈ অধিক সত্য নহয়; নিজৰ নিজৰ যুগৰ বাবে প্ৰত্যেকটোৱেই শুদ্ধ। তথাপি যিহেতু ৰাজনৈতিক আৰু সাংবিধানিক লক্ষ্যৰ মনো-ব্যস্ততাতকৈ (preoccupation) অৰ্থনৈতিক আৰু সামাজিক লক্ষ্যৰ মনো-ব্যস্ততাই মানুহৰ বিকাশৰ এটা ব্যাপকতৰ আৰু অধিক উন্নত স্তৰৰ প্ৰতিনিধিত্ব কৰে, সেয়ে কেৱল ৰাজনৈতিক ব্যাখ্যাতকৈ ইতিহাসৰ অৰ্থনৈতিক আৰু সামাজিক ব্যাখ্যাই ইতিহাসৰ অধিক উন্নত স্তৰ এটাক প্ৰতিনিধিত্ব কৰে বুলি ক'ব পাৰি। পুৰণি ব্যাখ্যাক নাকচ কৰা নহয়, বৰং নতুনটোত দুয়োটাকে সামৰি লোৱাও হয় আৰু নতুনটোৱে পুৰণাটোৰ স্থান দখল কৰিও লয়। ইতিহাস-ৰচনা (historiography) এক প্ৰগতিশীল বিজ্ঞান এইটো অৰ্থত যে ই কোনো এক ঘটনাপ্ৰবাহক অনবৰতে ব্যাপক আৰু গভীৰ অন্তৰ্দৃষ্টি প্ৰদান কৰিবলৈ বিচাৰে, যিটো নিজেই প্ৰগতিশীল। আমাৰ 'অতীতৰ বিষয়ে এটা গঠনমূলক দৃষ্টিভংগী'ৰ প্ৰয়োজন বুলি কওঁতে মই এইটোকেই বুজাবলৈ বিচাৰিছিলো। প্ৰগতি সম্পৰ্কে এই দ্বৈত বিশ্বাসৰ ভিত্তিতে বিগত দুই শতিকাত আধুনিক ইতিহাস-ৰচনাৰ ধাৰা বিকশিত হৈ আহিছে আৰু ইয়াৰ অবিহনে ই বাচি থাকিবও নোৱাৰে, কিয়নো এইটো বিশ্বাসেই ইয়াক ইয়াৰ তাৎপৰ্যৰ মাপকাঠি, প্ৰকৃত আৰু আকস্মিকতাৰ মাজত পাৰ্থক্যৰ কষ্‌টি প্ৰদান কৰে। গ্যেটেই (Goethe) তেওঁৰ জীৱনৰ শেষৰ ফালে এটা কথোপকথনত অলপ কঠুৱা ভাষাৰে আউল লগা সমস্যাটোৰ (Gordian Knot) সমাধান কৰিছিল ঃ

> 'যেতিয়া যুগ অৱক্ষয়ৰ পথত, সকলো মাগেই বিষয়ীনিষ্ঠ (subjective) ; কিন্তু অন্য হাতেদি যেতিয়া এটা নতুন যুগৰ কাৰণে পৰিস্থিতিসমূহ পৰিপক্ক হৈ উঠে, সকলোবোৰ মাগেই বিষয়নিষ্ঠ (objective) হৈ উঠে।'[১১]

ইতিহাসৰ ভৱিষ্যত অথবা সমাজৰ ভৱিষ্যতত বিশ্বাস কৰিবলৈ কোনো বাধ্য নহয়। এনেকুৱাও হ'বগৈ পাৰে যে আমাৰ সমাজ ধ্বংস হৈ যাব পাৰে বা মন্থৰ অৱক্ষয়ৰে লুপ্ত হৈ যাবও পাৰে আৰু ইতিহাস ধৰ্মতত্ত্বটো অধঃপতিত হ'বগৈ পাৰে— অৰ্থাৎ ইতিহাস মানুহৰ সাফল্যৰ অধ্যয়নৰ কাহিনী হিচাপে নহয় বৰং ঐশ্বৰিক উদ্দেশ্যৰ অধ্যয়ন অথবা উদ্দেশ্যহীন আৰু তাৎপৰ্যবিহীন গল্প-গুচ্ছ আৰু উপাখ্যান-মালা কথনৰ সাহিত্যত পৰিণত হ'বগৈ পাৰে। কিন্তু বিগত দুশ বছৰ ধৰি আমি জানি অহা অৰ্থত ই আৰু ইতিহাস নহ'বগৈ।

মই এতিয়াও ভৱিষ্যতে ঐতিহাসিক ৰায়ৰ চূড়ান্ত মানদণ্ড বিচাৰি পোৱা যিকোনো তত্ত্বৰ বিৰুদ্ধে পৰিচিত আৰু প্ৰচলিত অভিযোগৰ বিষয়ে আলোচনা কৰা নাই। এইটো কোৱা হয় যে তেনে এটা তত্ত্বৰ নিহিত অৰ্থ এয়ে যে কৃতকাৰ্যতাই ৰায়ৰ চূড়ান্ত মানদণ্ড আৰু যি আছে সেইটো শুদ্ধ নহ'লেও, যিটো হ'ব, সি শুদ্ধই হ'ব। যোৱা দুশ বছৰ ধৰি অধিকাংশ ঐতিহাসিকেই ইতিহাস যিটো দিশেদি অগ্ৰসৰ হৈছে সেইটো কেৱল অনুধাৱন কৰাই নহয়, বৰং সচেতন অথবা অসচেতনভাৱে বিশ্বাস কৰে যে মোটামুটিভাৱে সেইটোৱেই শুদ্ধ দিশ, যিটোৱেদি মানৱ জাতি অধিক বেয়াৰ পৰা অধিক ভাললৈ, নিম্নস্তৰৰ পৰা উচ্চ স্তৰলৈ আগুৱাই আহিছে। ঐতিহাসিকে এই দিশটোক কেৱল চিনাক্ত কৰাই নহয়, বৰং অনুমোদনো কৰিছে। অতীতৰ প্ৰতি দৃষ্টিভংগীৰ ক্ষেত্ৰত তাৎপৰ্যৰ যি প্ৰমাণ তেওঁ প্ৰয়োগ কৰে, সেইটো যিটো ধাৰাত ইতিহাস প্ৰবাহিত হৈ আছে কেৱল তাৰেই এক অনুভৱ নহয়, বৰং সেই ধাৰাটো তেওঁৰ নিজৰো নৈতিক সম্বন্ধৰ অনুভৱহে। যিটো 'আছে' (is) আৰু 'হোৱা উচিত'ৰ (ought) মাজত, তথ্য আৰু প্ৰমূল্যৰ মাজৰ আপত্তিকৰ দ্বি-বিভাজনটোৰ (dichotomy) সমাধান হৈ গ'ল। ই এক আশাবাদী দৃষ্টিভংগী, ভৱিষ্যতৰ ওপৰত এক অপৰিসীম আস্থাৰ যুগৰ সৃষ্টি : হুইগ আৰু উদাৰনীতিবাদী, হেগেলীয় আৰু মাৰ্ক্সবাদী, ধৰ্মতত্ত্ববিদ্ আৰু যুক্তিবাদী সকলোৱেই কমবেছি পৰিমাণে স্পষ্টকৈয়ে ইয়াৰ প্ৰতি দৃঢ়তাৰে দায়বদ্ধ হৈ পৰিছিল। অধিক অতিৰঞ্জিত নকৰাকৈয়ে দুশ বছৰ ধৰি ইয়াক 'ইতিহাস কাক কয়' এই প্ৰশ্নটোৰ গ্ৰহণীয় আৰু অন্তৰ্নিহিত উত্তৰ হিচাপে বৰ্ণনা কৰিব পাৰি। আশংকা আৰু নৈৰাশ্যৰ প্ৰচলিত অনুভূতিৰ (mood) লগে লগে ইয়াৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া হ'ল, যি ইতিহাসৰ বাহিৰত ইতিহাসৰ অৰ্থ বিচাৰিছিল সেই ধৰ্মতত্ত্ববিদসকলৰ আৰু ইতিহাসৰ কোনো অৰ্থই বিচাৰি নোপোৱা সংশয়বাদীসকলৰ বাবে ক্ষেত্ৰখন মুকলি কৰি দিলে। সকলোপ্ৰকাৰে আৰু চূড়ান্ত গুৰুত্বসহকাৰে আমাক আশ্বাস দিয়া হ'ল যে 'আছে' আৰু 'হোৱা উচিত'ৰ মাজৰ দ্বি-বিভাজনটো চূড়ান্ত আৰু সি মীমাংসাৰ অতীত, আৰু 'প্ৰমূল্য'ক 'তথ্য'ৰ পৰা আহৰণ কৰিব নোৱাৰি। মই ভাবোঁ, এইটো এটা ভুল পথ। কম-বেছি পৰিমাণে উধামুধাকৈ (random) নিৰ্বাচন কৰা

কেইজনমান ঐতিহাসিক বা ইতিহাস সম্পৰ্কে লেখা লেখকে এই প্ৰশ্নটোৰ সম্পৰ্কত কিদৰে ভাবে চোৱা যাওক।

গিবনে তেওঁৰ ইতিহাসত ইচলামৰ বিজয়সমূহৰ বৰ্ণনাত যিমান ঠাই খৰচ কৰিছে, তাৰ নায্যতা এই যুক্তিত প্ৰতিপন্ন কৰিছে যে 'মহম্মদৰ শিষ্যসকলে এতিয়াও প্ৰাচ্য জগতৰ অসামৰিক আৰু ধৰ্মীয় ৰাজদণ্ড নিজৰ হাতৰ মুঠিত ৰাখিছে।' কিন্তু তেওঁ সংযোগ কৰিছে যে 'সপ্তম আৰু দ্বাদশ শতিকাৰ মাজৰ সময়খিনিত চিথিয়াৰ সমভূমিৰ পৰা নামি অহা বৰ্বৰবিলাকৰ জাকবোৰৰ ওপৰত সম পৰিমাণৰ শ্ৰম ব্যয় কৰিলে অপাত্ৰত আৰোপ কৰাৰ দৰেহে হ'ব', যিহেতু 'বাইজেন্টাইন সিংহাসনৰ ৰাজপ্ৰতাপে এইবোৰ বিশৃংখল আক্ৰমণ প্ৰতিহত কৰি বৰ্তি থাকিব পাৰিছিল।'[২২] এইটোক অযুক্তিকৰ যেন নালাগে। মোটামুটিভাৱে মানুহে যি কৰিছিল ইতিহাস তাৰহে নথি, তেওঁলোকে কৰিবলৈ বিফল হোৱাটোৰ নথি নহয় ঃ এইখিনিলৈকে ইতিহাস অনিবাৰ্যভাৱেই এক সাফল্যৰ কাহিনী। অধ্যাপক টনিয়ে (Tawney) মন্তব্য দিছিল যে ঐতিহাসিক সকলে 'বিজেতা শক্তিসমূহক প্ৰসিদ্ধি প্ৰদান কৰি আৰু তেওঁলোকে গিলি পেলোৱাবোৰক পশ্চাতলৈ ঠেলি দি' এটা প্ৰতিষ্ঠিত ব্যৱস্থাক 'অনিবাৰ্যতাৰ ৰূপ' প্ৰদান কৰে।[২৩] কিন্তু এক অৰ্থত এয়েই জানো ঐতিহাসিকৰ কামৰ সাৰমৰ্ম নহয়? ঐতিহাসিকে প্ৰতিপক্ষক (opposition) কেতিয়াও অৱমূল্যায়ণ কৰা উচিত নহয়; কাণে কাণ মাৰিহে জয়লাভ কৰাটোক অপ্ৰতিদ্বন্দ্বী বিজয় হিছাপে তেওঁ জাহিৰ কৰিব নালাগে। কেতিয়াবা কেতিয়াবা বিজিতসকলেও বিজেতাসকলৰ দৰেই চূড়ান্ত পৰিণামলৈ মহৎ বৰঙণি আগবঢ়ায়। প্ৰত্যেক ঐতিহাসিকেই এই আপ্তবাক্যবোৰ জানে। কিন্তু মোটামুটিভাৱে বিজেতা বা বিজিত যিয়েই নহওক লাগিলে, যিসকলে কিবা সাফল্য অৰ্জন কৰিছে, ঐতিহাসিক সেইসকলৰ প্ৰতি আকৃষ্ট হয়। মই ক্ৰিকেটৰ ইতিহাসৰ বিশেষজ্ঞ নহওঁ। কিন্তু যিসকলে শূন্য ৰাণ কৰিছে (duck) আৰু দলৰ পৰাই বাদ পৰিছে, সেই সকলতকৈ চেঞ্চুৰী কোৱোৱাসকলৰ নামেই পৃষ্ঠায় পৃষ্ঠায় খচিত হৈছে। ইতিহাসত 'কেৱল সেইবোৰ মানৱ গোষ্ঠীৰ ওপৰতেই আমাৰ দৃষ্টি পৰে যিবোৰে এখন ৰাষ্ট্ৰ গঠন কৰে'[২৪]—হেগেলৰ এই বিখ্যাত মন্তব্যটোক ন্যায়সংগতভাৱেই সমালোচনা কৰা হৈছে এই কাৰণেই যে ই এক প্ৰকাৰৰ সামাজিক সংগঠনৰ ওপৰত এক বিশেষ (exclusive) প্ৰমূল্য আৰোপ কৰি এক অনিষ্টকৰ ৰাষ্ট্ৰ উপাসনাৰ বাট মুকলি কৰি দিয়ে। কিন্তু হেগেলে যিটো ক'বলৈ বিচাৰিছে, নীতিগতভাৱে সেইটো শুদ্ধই আৰু প্ৰাক্-ইতিহাস আৰু ইতিহাসৰ মাজত পৰিচিত পাৰ্থক্যটো প্ৰতিফলিত কৰে; যিবোৰ মানৱ গোষ্ঠীয়ে তেওঁলোকৰ সমাজক সংগঠিত কৰাৰ ক্ষেত্ৰত কিছু পৰিমাণে সফল হ'ব পাৰিছে, একমাত্ৰ তেওঁলোকেই আদিম বৰ্বৰতাৰ অৱসান ঘটায় আৰু ইতিহাসত প্ৰৱেশ কৰে। কাৰ্লাইলে তেওঁৰ French

Revolution (ফৰাচী বিপ্লৱ) প্ৰসূত পঞ্চদশ লুইক (Louis XV) 'এক অত্যন্ত বিশ্ব-অশিষ্টৰ অৱতাৰ' (World solecism incarnate) বুলি অভিহিত কৰিছিল। দেখ্‌দেখ্‌কে তেওঁ খণ্ডবাক্যটো ভাল পাইছিল, কিয়নো পৰৱৰ্তী সময়ৰ দীঘল ছেদ এটাত তেওঁ এইটোক কাৰ্শীপি (embroidered) কৰি দিছিল :

> 'প্ৰতিষ্ঠান, সামাজিক বিন্যাস আৰু ব্যক্তিৰ মনৰ এয়া কেনে নতুন বিশ্বজনীন মূৰ আচল্লাই কৰি যোৱা গতি, যিবোৰে এসময়ত সহযোগী হৈ কাম কৰিছিল, এতিয়া তেওঁলোকেই বিক্ষিপ্ত সংঘৰ্ষত ঘূৰ্ণিত আৰু চূৰ্ণিত হৈ গৈছে? এয়াই এক বিশ্বৰ শিষ্টাচাৰ- ভংগৰ ভাণ্ডোন, অৱশেষত উৰ্বলি যাব।'[২৫]

এইবাৰো আকৌ মানদণ্ডটো ঐতিহাসিকেই : এটা যুগত যিটো সংগত, আনটো যুগত সিয়েই বিসংগতি হৈ পৰে আৰু সেইকাৰণেই দোষী সাব্যস্ত কৰা হয়। আনকি চাৰ ইছায়া বাৰ্লিনেও যেতিয়া দাৰ্শনিক বিমূৰ্ততাৰ শিখৰৰ পৰা নামি আহি মূৰ্ত ঐতিহাসিক পৰিস্থিতিৰ কথা বিবেচনা কৰে, এই দৃষ্টিভংগীলৈ মত পৰিৱৰ্তন কৰা যেন লাগে। Historical Inevitability (ঐতিহাসিক অনিবাৰ্যতা) শীৰ্ষক ৰচনাখনৰ প্ৰকাশৰ পিছতে ৰেডিঅ'ত প্ৰচাৰিত ভাষণ এটাত নৈতিক ক্ৰটি-বিচ্যুতি সত্তেও তেওঁ বিচৰ্মাকক এজন 'প্ৰতিভাধৰ' আৰু 'অন্তিম শতিকাটোৰ ৰাজনৈতিক বিচাৰ-বুদ্ধিৰ সৰ্বোৎকৃষ্ট শক্তিৰ এক ৰাজনীতিজ্ঞৰ সৰ্বশ্ৰেষ্ঠ উদাহৰণ' বুলি প্ৰশংসা কৰিছিল আৰু এই ক্ষেত্ৰত তেওঁক অষ্ট্ৰিয়াৰ দ্বিতীয় যোচেফ, ৰবচ্‌পীয়েৰ (Robespierre), লেনিন আৰু হিটলাৰ, যিসকলে 'তেওঁলোকৰ ইতিবাচক লক্ষ্য' সাধন কৰিবলৈ বিফল হৈছিল, তেওঁলোকৰ লগত পক্ষপাতিত্বমূলকভাৱে প্ৰতিতুলনা কৰিছিল। এই ৰায়টোক মই উদ্ভট বুলি ভাবোঁ। কিন্তু এই মুহূৰ্তত মোক যিহে আকৰ্ষণ কৰিছে সেইটো হ'ল বিচাৰৰ মানদণ্ড। চাৰ ইছায়াই কৈছে যে, বিচমাৰ্কে তেওঁ কাম কৰি থকা সমলক বুজি পাইছিল আৰু বাকীসকলক বিমূৰ্ত তত্ত্বই পথভ্ৰষ্ট কৰিছিল যিবোৰ অকাৰ্যকৰী হৈছিল। নীতি-শিক্ষাটো হ'ল এয়ে যে, 'সাৰ্বজনীন বৈধতা দাবী কৰা কিছুমান প্ৰণালীবদ্ধ পদ্ধতি অথবা নীতিৰ সপক্ষে থাকি আটাইতকৈ কাৰ্যক্ষম পদ্ধতিক প্ৰতিৰোধ কৰিলেই বিফলতা আছে।'[২৬] আন কথাত, ইতিহাসত বিচাৰৰ মানদণ্ড কিছুমান 'সাৰ্বজনীন বৈধতা দাবী কৰা নীতি' নহয়, বৰং 'আটাইতকৈ কাৰ্যক্ষম পদ্ধতি'হে।

এইটো নক'লেও চলে যে কেৱল অতীতক বিশ্লেষণ কৰাৰ ক্ষেত্ৰতেই আমি এই 'আটাইতকৈ কাৰ্যক্ষম পদ্ধতি'ৰ মানদণ্ড প্ৰয়োগ নকৰোঁ। যদি কোনোবাই আপোনাক জনায় যে বৰ্তমান পৰিস্থিতিত গ্ৰেট বৃটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ এটা একক সাৰ্বভৌম শক্তিৰ অধীনত এখন ৰাষ্ট্ৰত পৰিণত হোৱাটো বাঞ্ছনীয় বুলি তেওঁ ভাবে, সেই এটা সম্পূৰ্ণ যুক্তিসংগত দৃষ্টিভংগী বুলি আপুনি হয়তো একমত হ'ব পাৰে। যদি তেওঁ এইটো কোৱাও আৰম্ভ কৰে যে ৰাষ্ট্ৰপতি শাসিত গণতান্ত্ৰিক ব্যৱস্থাতকৈ সাংবিধানিক

ৰাজতন্ত্ৰৰ চৰকাৰ এখনহে অধিক গ্ৰহণযোগ্য হ'ব, সেইটোও সমীচিন বুলি বোধকৰো আপুনি মান্তি হ'ব। কিন্তু ধৰক, তেওঁ যদি তেতিয়া আপোনাক কয় যে বৃটিছ সম্ৰাটৰ অধীনত দুয়োখন দেশকে পুনৰ একত্ৰিত কৰিবলৈ তেওঁ প্ৰচাৰ অভিযানত আত্মনিয়োগ কৰিব বিচাৰে, আপুনি বোধকৰোঁ উত্তৰ দিব যে তেওঁ তেওঁৰ সময়ৰ অপব্যয় কৰিছে। যদিহে আপুনি কাৰণটো ব্যাখ্যা কৰাৰ যত্ন কৰে, আপুনি তেওঁক ক'ব লাগিব যে এই ধৰণৰ বিষয়বিলাক সাধাৰণভাৱে প্ৰযোজ্য হোৱা কোনো নীতিৰ আধাৰত নহয়, বৰং বিশেষ ঐতিহাসিক পৰিস্থিতিত সেইবোৰ কিদৰে কাৰ্যকৰী কৰিব পৰা হ'ব, সেই সম্পৰ্কেহে বিতৰ্ক হ'ব লাগিব; ইতিহাসৰ আগত ৰৰফলা বৰ্ণটো বহুৱাই দি (with a capital H) আপুনি আনকি প্ৰধান পাপটোও কৰিব পাৰে আৰু তেওঁক ক'ব পাৰে যে ইতিহাস আপোনাৰ বিপক্ষে। যিটো নৈতিক অথবা তত্ত্বগতভাৱে বাঞ্ছনীয় কেৱল সেইটো বিবেচনা কৰাই ৰাজনীতিবিদৰ কাম নহয়, বৰং পৃথিৱীত থকা শক্তিসমূহ আৰু সেই শক্তিসমূহক কিদৰে নিজৰ অভীষ্ট সিদ্ধিৰ অৰ্থে পৰিচালিত কৰা অথবা ব্যৱহাৰ কৰিব পাৰি সেইটো বিবেচনা কৰাহে তেওঁৰ কাম। আমাৰ ইতিহাস ব্যাখ্যাৰ পোহৰত লোৱা আমাৰ ৰাজনৈতিক সিদ্ধান্তসমূহ এই আপোচতে আধাৰিত। মনে বিচৰা কিছুমান পূৰ্বকল্পিত বিমূৰ্ত মানদণ্ড প্ৰতিষ্ঠা কৰি লৈ তাৰ আধাৰতে অতীতক নস্যাৎ কৰাতকৈ অধিক মৌলিক মিথ্যা আৰু আন একোৱেই নাই। ঈৰ্ষাজনক অৰ্থ প্ৰকাশ কৰে কাৰণে আমি 'সাফল্য' (success) শব্দটোৰ ঠাইত সকলো দিশৰ পৰাই নিৰপেক্ষ যেন লগা 'আটাইতকৈ কাৰ্যক্ষম পদ্ধতি' প্ৰয়োগ কৰিম। যিহেতু এই বক্তৃতামালাত মই চাৰ ইছায়া বাৰ্লিনৰ লগত কেইবাবাৰো বিতৰ্কত জড়িত হৈছো, সেয়ে মই অন্ততঃ এইটো ক্ষেত্ৰত তেওঁৰ লগত সহমত হৈ এই বিষয়টো সামৰণি মাৰিবলৈ সুখী হ'ম।

কিন্তু 'আটাইতকৈ কাৰ্যক্ষম পদ্ধতি'ৰ মানদণ্ডটো গ্ৰহণ কৰিলেও তাৰ প্ৰয়োগ সহজ অথবা স্বয়ংসিদ্ধ (self-evident) নহয়। ই এনে এক মানদণ্ড নহয় যি হৰমুৰ সিদ্ধান্তত (snap verdicts) উৎসাহ যোগায়, অথবা, যি আছে ঠিকেই আছে, দৃষ্টিভংগীৰ ওচৰত নতি স্বীকাৰ কৰে। সম্ভাৱনাময় (pregnant) ব্যৰ্থতা ইতিহাসত অজানা নহয়। আমি যাক 'বিলম্বিত সাফল্য' (delayed achievement) বুলি কওঁ, ইতিহাসে সেইটো স্বীকাৰ কৰি লয় ঃ আজিৰ আপাততঃ বিফলতাই অহাকালিৰ সফলতালৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াব পাৰে,— প্ৰফেটসকলে তেওঁলোকৰ যুগৰ পূৰ্বেই জন্ম গ্ৰহণ কৰে। বাস্তৱিকতে, এক পূৰ্বকল্পিত নিৰ্দিষ্ট আৰু সাৰ্বজনীন নীতিৰ মানদণ্ডতকৈ এই মানদণ্ডৰ সুবিধাসমূহৰে এটা এয়ে যে ই আমাৰ সিদ্ধান্ত স্থগিত ৰাখিবলৈ অথবা এতিয়াও নঘটা ঘটনাৰ পোহৰত পৰীক্ষা কৰি চাবলৈ আমাক বাধ্য কৰে। বিমূৰ্ত নৈতিক আদৰ্শৰ পৰিভাষাত অবাধে কথা কোৱা প্ৰুধোঁৱে (Proudhon) সফল হোৱাৰ পাছত তৃতীয়

নেপোলিয়নৰ ৰাজবিপ্লৱক (Coup d'eat) মাৰ্জনা কৰি দিছিল; বিমূৰ্ত নৈতিক আদৰ্শৰ মানদণ্ডক নাকচ কৰা মাৰ্ক্সে তৃতীয় নেপোলিয়নক ক্ষমা কৰি দিয়াৰ কাৰণে প্ৰুধোঁক গৰিহণা দিছিল। এক দীৰ্ঘ ঐতিহাসিক পৰিপ্ৰেক্ষিতৰ পৰা উভতি চালে আমি বোধকৰো মানি ল'ব লাগিব যে প্ৰুধোঁ ভুল আছিল আৰু মাৰ্ক্স শুদ্ধই আছিল। ঐতিহাসিক ৰায়ৰ এই সমস্যাটো পৰীক্ষা কৰি চোৱাৰ কাৰণে বিচমাৰ্কৰ সাফল্যটো এটা অত্যুৎকৃষ্ট আৰম্ভণিৰ বিষয় হ'ব পাৰে আৰু চাৰ ইছায়া বাৰ্লিনৰ 'আটাইতকৈ কাৰ্যক্ষম পদ্ধতি'ৰ মানদণ্ডটো যদিয়ো মই গ্ৰহণ কৰি লৈছোৱেই, তথাপি তেওঁ তাক যি সংকীৰ্ণ আৰু হ্ৰস্ব-ম্যাদী গণ্ডীৰ ভিতৰতে প্ৰায়োগ কৰি আপাততঃ সন্তুষ্ট হয়, সেইটোৱে মোক বিমোৰত পেলাই দিয়ে। বিচমাৰ্কে যি সৃষ্টি কৰিছিল প্ৰকৃততে সি ভালদৰে কাম কৰিছিলনে? মোৰতো ভাব হয়, সি এক ভয়ংকৰ বিপৰ্যয়ৰ সৃষ্টি কৰিছিল। ইয়াৰ অৰ্থ এইটো নহয় যে জাৰ্মান সাম্ৰাজ্যৰ (Reich) স্ৰষ্টা বিচমাৰ্ক অথবা সেই সাম্ৰাজ্য সৃষ্টি কামনা কৰা আৰু সৃষ্টিত সহায় কৰা বৃহৎ জাৰ্মান জনসাধাৰণক মই নস্যাৎ কৰিব বিচাৰিছো। কিন্তু এজন ঐতিহাসিক হিচাপে মোৰ এতিয়াও বহুত প্ৰশ্নই সুধিবলগীয়া আছে। পৰৱৰ্তী বিপৰ্যয় এই কাৰণেই ঘটিছিল নেকি যে সাম্ৰাজ্যখন গঠনত কিবা গোপন ত্ৰুটি বৈ গৈছিল? অথবা কাৰণ যি আভ্যন্তৰীণ পৰিস্থিতিসমূহে ইয়াক জন্ম দিছিল, সেইবোৰেই ইয়াক আত্ম-প্ৰত্যয়ী (self-assertive) আৰু আক্ৰমণাত্মক হোৱাটো নিৰ্দিষ্ট কৰি দিছিল? অথবা কাৰণ যেতিয়া ৰাইখ্ সৃষ্টি কৰা হৈছিল, তেতিয়া ইউৰোপীয় বা বিশ্বৰ দৃশ্যপটত ইতিমধ্যেই ইমান ভিৰ হৈছিল আৰু সম্প্ৰসাৰণশীল প্ৰৱণতা ইমানেই শক্তিশালী হৈ উঠিছিল যে আন এটা সম্প্ৰসাৰণশীল মহান শক্তিৰ আবিৰ্ভাৱেই এক প্ৰবল সংঘৰ্ষৰ সূত্ৰপাত ঘটাবলৈ যথোপযুক্ত কাৰণ হৈ পৰিছিল আৰু সমগ্ৰ ব্যৱস্থাটোকে ধ্বংসৰ গৰাহত পেলাই দিছিল? শেষোক্ত পূৰ্বানুমানটোৰ ভিত্তিত বিপৰ্যয়টোৰ কাৰণে বিচমাৰ্ক আৰু জাৰ্মান জাতিক জগৰীয়া বা একমাত্ৰ জগৰীয়া কৰাটো ভুল হ'ব : আপুনি বাস্তৱিকতে উটৰ পিঠিত বোজাই দিয়া শেষ খেৰডালক জগৰীয়া কৰিব নোৱাৰে। কিন্তু বিচমাৰ্কৰ সাফল্য সম্পৰ্কে এক বস্তুনিষ্ঠ ৰায় দিবলৈ হ'লে আৰু সি কিদৰে ক্ৰিয়া কৰিছিল, সেইটোৱে ঐতিহাসিকৰ পৰা এইবোৰ প্ৰশ্নৰ এটা উত্তৰ বিচাৰিব আৰু মই নিশ্চিত নহওঁ যে তেওঁ এতিয়াও সেইবিলাকৰ খাটাং উত্তৰ এটা দিব পৰা অৱস্থাত উপনীত হৈছে। মই যিটো ক'বলৈ বিচাৰিছো সেইটো এয়ে যে ১৮৮০ৰ দশকৰ ঐতিহাসিকতকৈ ১৯২০ৰ দশকৰ ঐতিহাসিকজন বস্তুনিষ্ঠ সিদ্ধান্তৰ অধিক ওচৰ চাপিছিল আৰু আজিকালি ঐতিহাসিক ১৯২০ৰ দশকৰ ঐতিহাসিকতকৈয়ো বেছি ওচৰ চাপিছে আৰু ২০০০ চনৰ ঐতিহাসিক আৰু অধিক ওচৰ চাপিব পাৰিব। ইয়ে মোৰ তত্ত্বৰ দৃষ্টান্ত দাঙি ধৰে যে ইতিহাসৰ বস্তুনিষ্ঠতা ইয়াতেই আৰু এতিয়াই মজুত থকা কোনো নিৰ্দিষ্ট আৰু স্থায়ী ৰায়ৰ মানদণ্ডৰ ওপৰত নিৰ্ভৰশীল নহয়ো আৰু হ'বও

নোৱাৰে, বৰং এনে এটা মানদণ্ডৰ ওপৰতহে পাৰে যি কেৱল ভৱিষ্যততহে প্ৰতিষ্ঠিত হ'ব আৰু ইতিহাসৰ গতিধাৰাৰ অগ্ৰগতিৰ লগে লগে বিৱৰ্তিত হ'ব। ইতিহাসে অৰ্থ আৰু বস্তুনিষ্ঠতা কেৱল তেতিয়াহে আহৰণ কৰিব পাৰে, যেতিয়া ই অতীত আৰু ভৱিষ্যতৰ মাজত এক সুসংহত সম্পৰ্ক প্ৰতিষ্ঠা কৰিব পাৰে।

এতিয়া তথ্য আৰু প্ৰমূল্যৰ মাজত থকা আপত্তিকৰ দ্বি-বিভাজনটোলৈ আৰু এবাৰ দৃষ্টি দিওঁহক। তথ্যৰ পৰা প্ৰমূল্য আহৰণ কৰিব নোৱাৰি। এই বক্তব্যটো আংশিকভাৱে সত্য কিন্তু আংশিকভাৱে অসত্য। আপুনি যিকোনো যুগত বা যিকোনো দেশত প্ৰচলিত প্ৰমূল্যৰ ব্যৱস্থাটোক পৰীক্ষা কৰি চালেই বুজিব পাৰিব ই কিমান পৰিমাণে পাৰিপাৰ্শ্বিকতাৰ দ্বাৰা গঢ় লৈছে। ইয়াৰ আগৰ বক্তৃতা এটাত মই স্বাধীনতা, সমতা বা ন্যায়ৰ দৰে প্ৰমূল্যসূচক শব্দবোৰৰ পৰিবৰ্তিত ঐতিহাসিক বক্তব্যলৈ (content) দৃষ্টি আকৰ্ষণ কৰিছিলো। অথবা নৈতিক প্ৰমূল্যসমূহৰ প্ৰচাৰৰ (propogation) বাবে ব্যাপকভাৱে জড়িত প্ৰতিষ্ঠান হিছাপে খৃষ্টিয়ান চাৰ্চৰ কথাকেই ধৰক। আদি খৃষ্টধৰ্মৰ প্ৰমূল্যৰ লগত মধ্যযুগীয় পোপতন্ত্ৰৰ (papacy) প্ৰমূল্য, অথবা মধ্যযুগীয় পোপতন্ত্ৰৰ প্ৰমূল্যৰ লগত ঊনৈশ শতিকাৰ প্ৰটেষ্টাণ্ট চাৰ্চৰ প্ৰমূল্যৰ প্ৰতিতুলনা (contrast) কৰি চাওক। অথবা ধৰক, আজি স্পেইনৰ খৃষ্টিয়ান চাৰ্চে ঘোষণা কৰা প্ৰমূল্যৰ লগত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰমূল্যৰ প্ৰতিতুলনা কৰি চাওক। প্ৰমূল্যৰ এই পাৰ্থক্যসমূহ ঐতিহাসিক তথ্যৰ পাৰ্থক্যৰ পৰা উদ্ভৱ হৈছে। অথবা সেই ঐতিহাসিক তথ্যৰাজি বিবেচনা কৰক যিবোৰ বিগত ডেৰ-শতিকা ধৰি দাসত্ব বা জাতিগত বৈষম্য বা শিশুৰ শ্ৰম শোষণক সাধাৰণতে অনৈতিক বুলি গণ্য কৰা হৈছে, সেইবোৰেই এটা সময়ত নৈতিকভাৱে নিৰপেক্ষ বা সম্মানীয় বুলি গ্ৰহণীয় আছিল। তথ্যৰ পৰা প্ৰমূল্যৰ সিদ্ধান্ত ল'ব নোৱাৰি বুলি দিয়া পৰামৰ্শটো কমকৈ হ'লেও একপক্ষীয় আৰু বিভ্ৰান্তিকৰ। কিম্বা কথাটো ওলোটাকৈ কোৱা যাওকচোন। প্ৰমূল্যৰ পৰা তথ্যৰ সিদ্ধান্ত কৰিব নোৱাৰি। এইটো আংশিকভাৱে সত্য, কিন্তু ই বিভ্ৰান্তিকৰো হ'ব পাৰে আৰু সেয়ে সংশোধনৰ প্ৰয়োজন হ'ব পাৰে। আমি যেতিয়া তথ্যসমূহ জানিবলৈ বিচাৰো, আমি যিবোৰ প্ৰশ্ন কৰো আৰু সেয়ে যিবোৰ উত্তৰ আহৰণ কৰো, সেইবোৰ আমাৰ মূল্যবোধৰ পদ্ধতিটোৱে উদগাই দিয়ে। আমাৰ পাৰিপাৰ্শ্বিকতাৰ তথ্যৰ ছবিখন আমাৰ প্ৰমূল্যই গঢ় দিয়ে, অৰ্থাৎ যি প্ৰকাৰৰ প্ৰমূল্যৰ যোগেদি আমি তথ্যৰ ওচৰ চাপো আৰু এই ছবিখনো আমি গ্ৰহণ কৰিবলগীয়া গুৰুত্বপূৰ্ণ তথ্যসমূহৰে এটা। প্ৰমূল্যই তথ্যত প্ৰৱেশ কৰে আৰু সেয়ে তথ্যৰ অপৰিহাৰ্য অংশ হৈ পৰে। মানুহ হিছাপে আমাৰ প্ৰমূল্যসমূহ আমাৰ ক্ষমতাৰ (equipment) এক অপৰিহাৰ্য অংশ। এইটো কেৱল আমাৰ প্ৰমূল্যসমূহৰ যোগেদিহে আমি নিজকে আমাৰ পাৰিপাৰ্শ্বিকতাৰ লগত খাপ খুৱাই ল'বলৈ আৰু আমাৰ

পাৰিপাৰ্শ্বিকতাক আমাৰ লগত খাপ খুৱাবলৈ, আমাৰ পাৰিপাৰ্শ্বিকতাৰ ওপৰত কৰ্তৃত্ব অৰ্জন কৰিবলৈ আমি সমৰ্থ হওঁ যিয়ে ইতিহাসক প্ৰগতিৰ এক দন্দ্বাবেজ্জত পৰিণত কৰে। কিন্তু মানুহৰ লগত তেওঁৰ পাৰিপাৰ্শ্বিকতাৰ সংগ্ৰামক নাটকীয় ৰূপ দিবলৈ গৈ তথ্য আৰু প্ৰমূল্যৰ মাজত এক ভ্ৰান্ত বিৰোধিতা আৰু এক ভ্ৰান্ত পাৰ্থক্য সৃষ্টি নকৰিব। তথ্য আৰু প্ৰমূল্যৰ পাৰস্পৰিক নিৰ্ভৰশীলতা আৰু পাৰস্পৰিক ক্ৰিয়াৰ যোগেদিহে ইতিহাসৰ প্ৰগতি অৰ্জন কৰিব পাৰি। বস্তুনিষ্ঠ ঐতিহাসিক সেইজনেই যি এই পাৰস্পৰিক প্ৰক্ৰিয়াটোৰ আটাইতকৈ গভীৰতাত প্ৰৱেশ কৰিব পাৰে।

তথ্য আৰু প্ৰমূল্যৰ এই সমস্যাটোৰ সমাধানৰ এটা ইংগিত পোৱা যায় 'সত্য' (truth) শব্দটোৰ আমি কৰা সাধাৰণ ব্যৱহাৰত— এটা শব্দ, যি তথ্যৰ জগত আৰু প্ৰমূল্যৰ জগত উভয়তে ভৰি ৰাখে (straddles) আৰু দুয়োটা উপাদানেৰেই গঠিত। এইটো ইংৰাজী ভাষাৰ এক মেজাজৰ বৈশিষ্ট্য (idiosyncrasy) নহয়। লেটিন ভাষাগোষ্ঠীতে 'truth'অৰ (সত্য) যিমানবোৰ প্ৰতিশব্দ আছে, যেনে জাৰ্মান ভাহ্ৰহাইট (Wahrheit), ৰুচ প্ৰাভ্‌দা (Pravda),[২১] সকলোবোৰৰে এই দ্বৈত চৰিত্ৰ আছে। প্ৰত্যেক ভাষাতেই এই শব্দটো এটা সত্যৰ বাবে প্ৰয়োজন যেন লাগে যি তথ্যৰ কেৱল এক বিবৃতি নহয়, আৰু কেৱল এটা প্ৰমূল্য বিচাৰ নহয় বৰং দুয়োটা উপাদানকেই সামৰি লয়। যোৱা সপ্তাহত মই লণ্ডনলৈ গৈছিলো— এইটো এটা তথ্য হ'ব পাৰে। কিন্তু সচৰাচৰ ইয়াক আপুনি সত্য বুলি নকয় ঃ ই যিকোনো ধৰণৰ প্ৰমূল্যমূলক বক্তব্য বৰ্জিত। অন্যহাতেদি যেতিয়া যুক্তৰাষ্ট্ৰৰ প্ৰতিষ্ঠাপক পিতৃসকলে স্বাধীনতাৰ ঘোষণাত সকলো মানুহকে সমানভাৱে সৃষ্টি কৰিছে বুলি স্বতঃসিদ্ধ সত্যটো উল্লেখ কৰিছিল, আপুনি উপলব্ধি কৰে যে, বিবৃতিটোৰ প্ৰমূল্যসূচক বক্তব্যই তথ্যগত বক্তব্যতকৈও অধিক প্ৰভুত্ব লাভ কৰে আৰু সেইটো ক্ষেত্ৰতেই ইয়াক সত্য হিচাপে গণ্য কৰাৰ ইয়াৰ অধিকাৰক প্ৰত্যাহ্বান জনায়। প্ৰমূল্যহীন তথ্যৰ উত্তৰ মেৰু আৰু প্ৰমূল্য বিচাৰৰ দক্ষিণ মেৰুৰে তেতিয়াও নিজে নিজেই তথ্যলৈ ৰূপান্তৰিত হোৱাৰ সংগ্ৰামত ব্যস্ত হৈ থকাৰ সময়ত দুই মেৰুৰ ক'ৰবাত ঐতিহাসিক সত্যৰ ৰাজ্যখন অৱস্থিত আছিল। মই মোৰ প্ৰথম বক্তৃতাত কোৱাৰ দৰে ঐতিহাসিকজন তথ্য আৰু ব্যাখ্যাৰ মাজত, তথ্য আৰু প্ৰমূল্যৰ মাজত সমতাপূৰ্ণ (balanced) হৈ থাকে। তেওঁ সেইবোৰক বিচ্ছিন্ন কৰিব নোৱাৰে। এখন স্থানু (static) জগতত এনেকুৱাও হ'ব পাৰে যে আপুনি তথ্য আৰু প্ৰমূল্যৰ মাজত বিচ্ছেদ ঘোষণা কৰিবলৈ বাধ্যও হ'ব পাৰে। কিন্তু এখন স্থানু সমাজত ইতিহাস তেনেই অৰ্থহীন। ইতিহাসৰ সাৰমৰ্মই (essence) হ'ল পৰিবৰ্তন, গতি বা— যদিহে আপুনি পুৰণিকলীয়া শব্দটোৰ ক্ষেত্ৰত আপত্তি নকৰে তেন্তে— প্ৰগতি।

সামৰণিত সেয়ে মই প্ৰগতিক 'বৈজ্ঞানিক পূৰ্বানুমান যাৰ ওপৰত ইতিহাস ৰচনা হ'ব লাগে' বুলি একৈনে দিয়া বৰ্ণনালৈ ঘূৰি যাওঁ। ইতিহাস-বহিৰ্ভূত আৰু অতি-যৌক্তিক কোনো ক্ষমতাৰ ওপৰত অতীতৰ অৰ্থক নিৰ্ভৰশীল বুলি ধৰি লৈ আপুনি ইতিহাসক ধৰ্মতত্ত্বত পৰিণত কৰিব পাৰে। কোনো অৰ্থ অথবা তাৎপৰ্য নোহোৱা অতীতৰ কাহিনী আৰু কিংবদন্তীৰ এক সংকলন হিছাপে ইচ্ছা কৰিলে আপুনি ইতিহাসক সাহিত্যতো পৰিণত কৰিব পাৰে। সঠিকভাৱে অভিহিত ইতিহাস মাথোন সেই সকলেহে লেখিব পাৰে যিসকলে ইতিহাসতেই সঠিক দিশৰ সন্ধান বিচাৰি পায় আৰু তাক গ্ৰহণ কৰে। আমি ক'ৰবাৰ পৰা আহিছো বুলি কৰা বিশ্বাসটোৰ লগত ঘনিষ্ঠভাৱে আমি ক'ৰবালৈ গৈয়েই আছো বুলি থকা বিশ্বাসটো জড়িত হৈ আছে। ভৱিষ্যতে প্ৰগতি অৰ্জন কৰা সামৰ্থ্যত যি সমাজে বিশ্বাস হেৰুৱাই পেলাইছে, সেই সমাজে অতীতত ই কিবা প্ৰগতি অৰ্জন কৰাৰ ওপৰটো আগ্ৰহ হেৰুৱাব। মই মোৰ প্ৰথম বক্তৃতাতোৰ আৰম্ভণিতে কোৱাৰ দৰে, ইতিহাসৰ প্ৰতি আমাৰ দৃষ্টিভংগীয়ে আমাৰ সমাজৰ প্ৰতি থকা দৃষ্টিভংগীকো প্ৰতিফলিত কৰে। বৰ্তমান মই সমাজৰ ভৱিষ্যতৰ ওপৰত আৰু ইতিহাসৰ ভৱিষ্যতৰ ওপৰত মোৰ বিশ্বাস ঘোষণা কৰি মোৰ আৰম্ভণিৰ বিন্দুলৈ ঘূৰি যাওঁ।

ছয়
প্ৰসাৰমান দিগন্ত

এই বক্তৃতামালাত ইতিহাসক মই লগত ঐতিহাসিকজনকো ইয়াৰ মাজতে সামৰি লৈ এক নিৰৱচ্ছিন্ন চলন্ত প্ৰক্ৰিয়া বুলি যি ধাৰণা এটা আগবঢ়াইছিলো, সিয়ে মোক আমাৰ সময়ৰ ইতিহাস আৰু ঐতিহাসিকৰ বিষয়ে কিছু সামৰণিসূচক প্ৰতিচ্ছবি দাঙি ধৰাৰ দায়িত্ব অৰ্পণ কৰিছে। যদিয়ো ইতিহাসত প্ৰথমবাৰৰ বাবে নহয়, আমি এনে এটা যুগত বাস কৰিছো, যেতিয়া বিশ্ব- মহাপ্ৰলয়ৰ ভৱিষ্যতবাণীৰে আকাশ-বতাহ ভৰি পৰিছে আৰু ইয়াৰ হেঁচা গুৰুতৰভাৱে সকলোৰে ওপৰত পৰিছে। সেইবোৰ প্ৰমাণ কৰিবও নোৱাৰি অথচ মিছা বুলিয়ো ক'ব নোৱাৰি। কিন্তু যি কোনো প্ৰকাৰেই নহওক লাগিলে সেইবোৰ আমি সকলোৱেই মৰিম বুলি কোৱা ভৱিষ্যতবাণীতকৈ বহুত বেছি অনিশ্চিত; আৰু যিহেতু সেই ভৱিষ্যতবাণীৰ নিশ্চয়তাই আমাৰ নিজৰ ভৱিষ্যতৰ বাবে আঁচনি প্ৰস্তুত কৰাত আমাক বাধা নিদিয়ে, সেয়ে মই আমাৰ সমাজৰ বৰ্তমান আৰু ভৱিষ্যত সম্পৰ্কে আলোচনা কৰিবলৈ আগবাঢ়িম এইটো ধাৰণাৰে যে এইখন দেশ— অথবা, এইখন দেশ নহ'লেও পৃথিৱীৰ কোনোবা বৃহৎ অংশ এটা— আমাক ভাবুকি দিয়া আকস্মিক বিপৰ্যয়টো (hazards) বৰ্তি থাকিব আৰু ইতিহাসো অব্যাহত থাকিব।

কুৰি শতিকাৰ মাজৰ বছৰ কেইটাত পৃথিৱীখন পৰিৱৰ্তনৰ এনে এক প্ৰক্ৰিয়াৰ মাজেদি আগবাঢ়িছে, যি পোন্ধৰ আৰু ষোল্ল শতিকাত মধ্যযুগীয় জগতখন ভাগি-চিগি ধ্বংসাৱশেষত পৰিণত হোৱা আৰু আধুনিক পৃথিৱীৰ আধাৰ প্ৰতিষ্ঠাৰ সময়ৰ পৰা চেৰ পেলাই আগবঢ়া যিকোনো পৰিৱৰ্তনতকৈ সম্ভৱতঃ অধিক গভীৰ আৰু অধিক সৰ্বাত্মক (sweeping)। এই পৰিবৰ্তন নিঃসন্দেহে অৱশেষত বৈজ্ঞানিক আৱিষ্কাৰ আৰু উদ্ভাৱনৰ, সেইবোৰৰ ক্ৰমবৰ্ধিত ব্যাপক প্ৰয়োগৰ আৰু সেইবোৰৰ পৰা প্ৰত্যক্ষ কিম্বা পৰোক্ষভাৱে উদ্ভৱ হোৱা বিকাশৰ পৰিণাম। এই পৰিৱৰ্তনৰ সৰ্বাধিক লক্ষণীয় দিশ হ'ল এক সামাজিক বিপ্লব যিটো পোন্ধৰ আৰু ষোল্ল শতিকাৰ সেই বিপ্লৱৰ লগত তুলনীয় যি পুঁজি আৰু বাণিজ্য আৰু পৰৱৰ্তী সময়ত শিল্পোদ্যোগৰ ভিত্তিত এটা নতুন শ্ৰেণীৰ ক্ষমতা আৰোহণৰ শুভাৰম্ভ কৰিছিল। আমাৰ উদ্যোগৰ নতুন গাঁথনিয়ে আৰু আমাৰ সমাজৰ নতুন গাঁথনিয়ে জন্ম দিয়া সমস্যাসমূহ ইমানেই বিশাল যে ইয়াত সেইবোৰৰ আলোচনা সম্ভৱ নহয়। কিন্তু পৰিৱৰ্তনটোৰ দুটা দিশ মোৰ বিষয়টোৰ ক্ষেত্ৰত অত্যন্ত প্ৰাসংগিক— যাক মই

এক গভীৰতাৰ পৰিবৰ্তন আৰু এক ভৌগোলিক পৰিসৰৰ পৰিৱৰ্তন বুলি ক'বলৈ বিচাৰো। মই দুয়োটাৰ বিষয়েই চমুকৈ উল্লেখ কৰাৰ চেষ্টা কৰিম।

ইতিহাস তেতিয়াই আৰম্ভ হয় যেতিয়া মানুহে ঋতুচক্ৰ, মানুহৰ জীৱনচক্ৰ আদি প্ৰাকৃতিক প্ৰক্ৰিয়াৰে নহয় বৰং য'ত মানুহ সচেতনভাৱে জড়িত আৰু যাক তেওঁলোকে সচেতনভাৱে প্ৰভাৱিত কৰিব পাৰে তেনেধৰণৰ এলানি নিৰ্দিষ্ট ঘটনাৰ সময়-প্ৰবাহৰ পৰিভাষাৰে ভাবিবলৈ আৰম্ভ কৰে। বাৰ্কহাৰ্টে কৈছে যে, ইতিহাস 'চেতনাৰ জাগৃতিয়ে সৃষ্টি কৰা প্ৰকৃতিৰ লগত বিচ্ছেদ।'[১] নিজৰ পাৰিপাৰ্শ্বিকতাক বুজি পাবলৈ আৰু সেইমতে কাম কৰিবলৈ যুক্তিৰ প্ৰয়োগেৰে মানুহে কৰা সুদীৰ্ঘ সংগ্ৰামেই হ'ল ইতিহাস। কিন্তু আধুনিক যুগে সেই সংগ্ৰামক বৈপ্লৱিক ধৰণে বিস্তৃত কৰিছে। বৰ্তমান মানুহে কেৱল তেওঁৰ পাৰিপাৰ্শ্বিকতাক বুজি পাবলৈ আৰু সেইমতে কাম কৰিবলৈকে নিবিচাৰে, বৰং নিজকো বুজিবলৈ আৰু সেইমতে কাম কৰিবলৈ বিচাৰে; আৰু ক'বলৈ হ'লে, ইয়েই যুক্তিৰ লগত আৰু ইতিহাসতো এক নতুন মাত্ৰাৰ সংযোগ কৰিছে। সকলো যুগৰ ভিতৰত বৰ্তমান যুগটোৱেই আটাইতকৈ বেছি ইতিহাস সচেতন। আধুনিক মানুহ এক অভূতপূৰ্ব মাত্ৰাত আত্ম-সচেতন আৰু সেয়ে ইতিহাস সচেতনো। তেওঁ য'ৰ পৰা আহিছিল সেই ছাঁ-পোহৰলৈ (twilight) আগ্ৰহেৰে ঘূৰি চাইছে এনে এক প্ৰত্যাশাৰে যে সিয়ে যেন তেওঁ আগবাঢ়িবলৈ ধৰা পথৰ অস্পষ্টতাত তাৰ দুৰ্বল পোহৰৰ ৰেখা বিচাৰি পায়; তাৰ বিপৰীতে (conversely) তেওঁৰ সন্মুখত পৰি ৰোৱা পথৰ বিষয়ে তেওঁৰ আশা-আকাংক্ষা আৰু উৎকণ্ঠাই তেওঁৰ পশ্চাতত এৰি অহাখিনিৰ বাবে তেওঁৰ অন্তৰ্দৃষ্টি ক্ষিপ্ৰতৰ কৰি তোলে। অতীত, বৰ্তমান আৰু ভৱিষ্যতক যেন ইতিহাসৰ অন্তহীন জিঞ্জিৰিয়ে গাঁথি পেলালে।

আধুনিক জগতৰ পৰিৱৰ্তন যি মানুহৰ নিজৰ বিষয়ে সচেতনতাৰ বিকাশক লৈ গঠিত, ডেকাৰ্টেৰ (Descartes) পৰা আৰম্ভ হৈছিল বুলি ক'ব পাৰি, যি প্ৰথমেই এক সত্তা হিছাপে মানুহৰ স্থান প্ৰতিষ্ঠা কৰিছিল, যি কেৱল চিন্তা কৰিব পৰাই নহয়, বৰং তেওঁৰ নিজৰ চিন্তাৰ বিষয়েও চিন্তা কৰিব পাৰিছিল, যি অন্য পৰ্যবেক্ষণ কৰাৰ লগতে নিজকো পৰ্যবেক্ষণ কৰিব পাৰিছিল যাৰ ফলত মানুহ যুগপৎ চিন্তা আৰু পৰ্যবেক্ষণৰ আলোচক (subject) আৰু আলোচ্য (object) হৈ পৰিছিল। কিন্তু অষ্টাদশ শতিকাৰ শেষভাগ পৰ্যন্ত এই বিকাশ সম্পূৰ্ণকৈ প্ৰকট হৈ উঠা নাছিল, যেতিয়া ৰুচোৱে মানুহৰ আত্মোপলব্ধি (self-understanding) আৰু আত্ম-সচেতনতাৰ নতুন গভীৰতা মুকলি কৰি দিছিল আৰু মানুহক প্ৰকৃতি- জগত আৰু পৰম্পৰাগত সভ্যতাৰ বিষয়ে এক নতুন দৃষ্টিকোণ প্ৰদান কৰিছিল। টকোভিলে (Tocqueville) কৈছিল যে ফৰাচী বিপ্লৱ অনুপ্ৰাণিত হৈছিল 'এই বিশ্বাসৰ দ্বাৰা যে যিটোক অপসাৰণ কৰিবলৈ বিচৰা হৈছে,

সেইটো হৈছে সেই সময়ৰ সামাজিক শৃংখলাক শাসন কৰি থকা জটিল পৰম্পৰাগত ৰীতি-নীতিসমূহক মানুহৰ যুক্তিৰ অনুশীলন আৰু প্ৰাকৃতিক বিধানৰ পৰা আয়ত্ত কৰা সৰল, প্ৰাথমিক বিধি-বিধানেৰে অপসাৰণ কৰা।'[২] এক্টনে তেওঁৰ খচৰা টোকা এটাত লেখিছিল যে 'তাৰ আগলৈকে কেতিয়াও মানুহে কি বিচাৰিছিল সেইটো জানি লৈ স্বাধীনতা বিচৰা নাছিল'[৩]; কাৰণ হেগেলৰ দৰে এক্টনৰ বাবেও স্বাধীনতা আৰু যুক্তি কেতিয়াও পৰস্পৰে দূৰৈত নাছিল আৰু ফৰাচী বিপ্লৱৰ লগত আমেৰিকাৰ বিপ্লৱকো সংযোগ কৰা হৈছিল।

> 'চাৰি কুৰি সাত বছৰৰ আগেয়ে আমাৰ পিতৃপুৰুষসকলে এই মহাদেশখনলৈ এটা নতুন জাতি লৈ আহিছিল, স্বাধীনতাৰ ধাৰণাত আধাৰিত আৰু এই অভিলাষত উৎসৰ্গিত যে সকলো মানুহকে সমানভাৱে সৃষ্টি কৰা হৈছে।'

লিঙ্কনৰ (Lincoln) কথাই জনাই দিয়ে যে এইটো এক অনন্য ঘটনা আছিল— ইতিহাসত প্ৰথম উপলক্ষ্য আছিল যেতিয়া মানুহে স্বেচ্ছাকৃতভাৱে আৰু সচেতনতাৰে তেওঁলোকে এটা জাতি (nation) গঢ় দিলে আৰু তাৰ পিছত সচেতনভাৱে আৰু স্বেচ্ছাকৃতভাৱে আন মানুহক সেই সাঁচত গঢ়িবলৈ আগবাঢ়ি আহিল। সোতৰ আৰু ওঠৰ শতিকাত মানুহ তেওঁৰ চৌপাশৰ জগত আৰু ইয়াৰ বিধি-বিধান সম্পৰ্কে ইতিমধ্যে সম্পূৰ্ণ সচেতন হৈ উঠিছিল। সেইবোৰ আৰু এক অজ্ঞেয় দৈৱৰ ৰহস্যময় আদেশ (decree) হৈ নাথাকিল, বৰং যুক্তিৰ বোধগম্য আইন হৈ পৰিল। কিন্তু সেইবোৰ এনে আইন আছিল যে মানুহক সেইবোৰৰ অধীন কৰা হৈছিল, সেইবোৰ মানুহে নিজে সৃষ্টি কৰা আইন নাছিল। পিছৰ পৰ্যায়ত মানুহ তেওঁৰ পাৰিপাৰ্শ্বিকতা, তেওঁৰ নিজৰ ওপৰত আৰু তেওঁ যাৰ অধীনত জীয়াই থাকিব সেই আইন প্ৰণয়ন কৰিব পৰা তেওঁৰ অধিকাৰ সম্পৰ্কে তেওঁৰ ক্ষমতাৰ বিষয়ে সম্পূৰ্ণ সচেতন হৈ পৰিল।

ওঠৰ শতিকাৰ পৰা আধুনিক জগতলৈ হোৱা উত্তৰণ দীঘলীয়া আৰু লেহেমীয়া (gradual) আছিল। ইয়াৰ প্ৰতিনিধিত্বমূলক দাৰ্শনিক আছিল হেগেল আৰু মাৰ্ক্স। দুয়োজনেই এক স্ব-বিৰোধী (ambivalent) স্থান দখল কৰিছে। হেগেল যুক্তিৰ নিয়মলৈ ৰূপান্তৰিত হোৱা দৈৱৰ নিয়মৰ ধাৰণাত আধাৰিত আছিল। হেগেলৰ বিশ্ব-আত্মাই (world spirit) এহাতেৰে দৈৱক আৰু আনটো হাতেৰে যুক্তিক দৃঢ়ভাৱে খামুচি ধৰি আছে। তেওঁ আদাম স্মিথৰেই প্ৰতিধ্বনি কৰে। ব্যক্তিয়ে 'তেওঁলোকৰ নিজা স্বাৰ্থকেই চৰিত্ৰাৰ্থ কৰে; কিন্তু তাৰ দ্বাৰা এনে অধিক কিছুমান কাম তেওঁলোকে কৰি পেলায় যি তেওঁলোকৰ চৈতন্যত উপস্থিত নাথাকিলেও তেওঁলোকৰ কৰ্মত সুপ্ত হৈ থাকে।' বিশ্ব-আত্মাৰ যৌক্তিক উদ্দেশ্য সম্পৰ্কে তেওঁ লেখিছিল যে মানুহে 'বাস্তৱায়িত কৰাৰ প্ৰয়াসৰ যোগেদিয়েই তেওঁলোকৰ বাসনা চৰিতাৰ্থ কৰাৰ উপলক্ষ্য ঠিক কৰি লয়, যাৰ নিহিতাৰ্থ সেই উদ্দেশ্যৰ পৰা পৃথক।' এইটো জাৰ্মান দৰ্শনৰ ভাষালৈ অনুবাদ কৰা স্বাৰ্থৰ

সঙ্গতি (harmony) মাথোন।" স্মিথৰ 'প্ৰচ্ছন্ন হাত'ৰ (hidden hand) হেগেলৰ সমাৰ্থক হ'ল সেই বিখ্যাত 'যুক্তিৰ চালাকি' (cunning of reason) যিয়ে মানুহক উদ্দেশ্য সাধনাৰ্থে এনে কামত লগাই যিবোৰ সম্পৰ্কে তেওঁলোক নিজেই সচেতন নহয়। কিন্তু তৎসত্ত্বেও হেগেল ফৰাচী বিপ্লৱৰ দাৰ্শনিক, ঐতিহাসিক পৰিবৰ্তনত আৰু মানুহৰ আত্ম-চৈতন্যৰ বিকাশত বাস্তৱৰ সাৰমৰ্ম প্ৰত্যক্ষ কৰা তেৱেঁই প্ৰথম গৰাকী দাৰ্শনিক আছিল। ইতিহাসৰ বিকাশৰ অৰ্থ আছিল স্বাধীনতাৰ ধাৰণাৰ বিকাশ। কিন্তু ১৮১৫ চনত ফৰাচী বিপ্লৱৰ প্ৰেৰণা ৰাজতন্ত্ৰৰ পুনৰ প্ৰতিষ্ঠাৰ অৱসাদত অধঃপতিত হৈছিল। হেগেল ৰাজনৈতিকভাৱে অত্যন্ত ভীৰু আছিল আৰু তেওঁৰ জীৱনৰ শেষৰ ফালে তেওঁৰ সময়ৰ প্ৰশাসনত ইমান বেছি দৃঢ়ভাৱে খোপনি পুতি লৈছিল যে তেওঁৰ আধিভৌতিক প্ৰতিপাদ্যসমূহত কোনো বাস্তৱ অৰ্থ সঞ্চাৰ কৰিব নোৱাৰিছিল। 'বিপ্লৱৰ এল্‌জেব্ৰা' হিছাপে হেগেলৰ তত্ত্ব সম্পৰ্কে হাৰ্‌জেনৰ (Herzen) বৰ্ণনা একান্তই যথাৰ্থ আছিল। হেগেলে কেৱল স্বৰলিপিহে (notation) যোগাইছিল, কোনো কাৰ্যকৰী আধেয় (content) দিয়া নাছিল। হেগেলৰ বীজগণিতীয় সমীকৰণত পাটীগণিত লেখাৰ দায়িত্ব মাৰ্ক্সৰ ভাগত পৰিছিল। মাৰ্ক্সৰ-ম্বাবে এৰা হৈছিল।

আদাম স্মিথ আৰু হেগেল দুয়োজনৰে শিষ্য মাৰ্ক্সে প্ৰকৃতিৰ যুক্তিসংগত বিধানৰ দ্বাৰা শৃংখলিত হোৱা এক জগতৰ ধাৰণাৰ পৰা আৰম্ভ কৰিছিল। হেগেলৰ দৰেই, কিন্তু এইবাৰ এক বাস্তৱসম্মত আৰু মূৰ্ত ৰূপত মানুহৰ বৈপ্লৱিক উদ্যমৰ সহঁৰিত এক যুক্তিসংগত প্ৰক্ৰিয়াৰে বিৱৰ্তিত বিধানৰ দ্বাৰা শৃংখলিত হোৱা এখন জগতৰ ধাৰণালৈ তেওঁ উত্তৰণ ঘটাইছিল। মাৰ্ক্সৰ অন্তিম সমন্বয়ত (synthesis) ইতিহাস মানে পৰস্পৰৰ পৰা অবিচ্ছিন্ন আৰু এক সু-সংহত আৰু যুক্তিসংগত সমগ্ৰতাক গঢ় দিয়া তিনিটা বস্তু আছিল ঃ বস্তুনিষ্ঠ আৰু মূলতঃ অৰ্থনৈতিক নিয়ম অনুসৰি ঘটনাৱলীৰ গতিপ্ৰবাহ, এক দ্বান্দ্বিক প্ৰক্ৰিয়াৰ যোগেদি চিন্তাৰ অনুৰূপ বিকাশ আৰু বিপ্লৱৰ তত্ত্ব (theory) আৰু প্ৰয়োগৰ (practice) সমন্বয় সাধন কৰা আৰু একত্ৰিত কৰা শ্ৰেণী সংগ্ৰামৰ ৰূপত অনুৰূপ কাৰ্য। মাৰ্ক্সে যিটো ক'বলৈ বিচাৰিছে সেইটো হৈছে প্ৰয়োগলৈ ৰূপান্তৰিত কৰিবলৈ বস্তুনিষ্ঠ বিধান আৰু মানুহৰ সচেতন কৰ্মৰ এক সমন্বয়, যাক কেতিয়াবা (যদিও বিভ্ৰান্তিকৰভাৱে) নিশ্চয়তাবাদ (determinism) আৰু ঐচ্ছিকতাবাদ (voluntarism) বুলি কোৱা হয়। মাৰ্ক্সে অবিৰাম সেইবোৰ বিধানৰ কথা লেখে মানুহ এতিয়ালৈকে যিবোৰৰ অধীন অথচ সেই সম্পৰ্কে তেওঁলোক সচেতন নহয় ঃ পুঁজিবাদী অৰ্থনীতি আৰু পুঁজিবাদী সমাজৰ ফান্দত পৰা সকলৰ 'ভ্ৰান্ত সচেতনতা'লৈ তেওঁ একাধিকবাৰ দৃষ্টি আকৰ্ষণ কৰিছিল ঃ 'উৎপাদনৰ নিয়ম সম্পৰ্কে উৎপাদন আৰু বিতৰণৰ (circulation) এজেন্টৰ মনত গঢ় লোৱা ধাৰণাসমূহ প্ৰকৃত বিধানৰ পৰা ব্যাপকভাৱে

পৃথক হ'ব।'[৫] কিন্তু মাৰ্ক্সৰ ৰচনাত সচেতন বৈপ্লৱিক কৰ্মৰ আহ্বানৰ আকৰ্ষণীয় উদাহৰণ বিচাৰি পোৱা যায়। ফুয়েৰবাখ (Feuerbach) সম্পৰ্কে লেখা বিখ্যাত থিচিছত (thesis) তেওঁ লেখিছিল যে 'দাৰ্শনিকসকলে জগতক বিভিন্ন ধৰণে কেৱল ব্যাখ্যাহে কৰিছে, কিন্তু মূল কথা হ'ল তাক পৰিৱৰ্তন কৰাহে।' সাম্যবাদী ইস্তাহাৰে (Communist Manifesto) ঘোষণা কৰিছিল যে 'সৰ্বহাৰাসকলে নিজৰ ৰাজনৈতিক প্ৰভুত্বক লাহে লাহে বুৰ্জোৱা শ্ৰেণীটোৰ পৰা সমস্ত মূলধন কাঢ়ি লোৱাত প্ৰয়োগ কৰিব আৰু উৎপাদনৰ সকলোবোৰ উপায় ৰাষ্ট্ৰৰ হাতত কেন্দ্ৰীভূত কৰিব' আৰু লুই বোনাপাৰ্টৰ অষ্টাদশ ব্ৰুমেয়াৰত (The Eighteenth Brumaire of Louis Bonaparte) মাৰ্ক্সে 'এক শতিকা— প্ৰাচীন প্ৰক্ৰিয়াৰে সকলোবোৰ পৰম্পৰাগত ধাৰণা গলাই দিয়া বৌদ্ধিক আত্ম-সচেতনতা'ৰ কথা কৈছিল। সৰ্বহাৰাসকলেই পুঁজিবাদী সমাজৰ ভ্ৰান্ত সচেতনতাক (false consciousness) গলাই দিব আৰু শ্ৰেণীহীন সমাজৰ সঁচা সচেতনতা প্ৰৱৰ্তন কৰিব। কিন্তু ১৮৪৮ চনৰ বিপ্লৱসমূহৰ বিফলতা মাৰ্ক্সে কাম আৰম্ভ কৰাৰ সময়ত আসন্ন যেন লগা বিকাশৰ প্ৰতি এক গুৰুতৰ আৰু নাটকীয় বিপৰ্যয় আছিল। উনৈশ শতিকাৰ দ্বিতীয়াৰ্ধ তেতিয়াও ঘাইকৈ সমৃদ্ধি আৰু নিৰাপত্তাৰ বাতাৱৰণত অতিবাহিত হৈছিল। শতিকাটো শেষ হোৱাৰ সময়তহে আমি ইতিহাসৰ সমসাময়িক যুগলৈ উত্তৰণ সম্পূৰ্ণ কৰিছো, যি সময়ত সমাজত মানুহৰ আচৰণক নিয়ন্ত্ৰিত কৰা বস্তুনিষ্ঠ বিধানক উপলব্ধি কৰাটোৱেই যুক্তিৰ প্ৰধান কাম হৈ নাথাকিল, বৰং সচেতন কৰ্মৰ দ্বাৰা সমাজ আৰু যি ব্যক্তিক লৈ সমাজ গঠন হয় তাক নতুন ৰূপ দিয়াটোহে প্ৰধান কাম হৈ পৰিল। মাৰ্ক্সৰ ৰচনাত 'শ্ৰেণী'ৰ (class) কোনো সুনিৰ্দিষ্ট সংজ্ঞা নাথাকিলেও মোটামুটিভাৱে অৰ্থনৈতিক বিশ্লেষণেৰে প্ৰতিষ্ঠা কৰিব পৰা এক বস্তুনিষ্ঠ ধাৰণা হৈ ৰ'ল। লেনিনৰ হাতত গুৰুত্বটো 'শ্ৰেণী'ৰ পৰা 'পাৰ্টী'লৈ সলনি হ'ল, যি শ্ৰেণীৰ অগ্ৰগামী সৈনিকত (vanguard) পৰিণত হৈ পৰিল আৰু যি দলক (party) শ্ৰেণী চেতনাৰ প্ৰয়োজনীয় উপাদানেৰে উদ্দীপিত কৰি তুলিলে। মাৰ্ক্সত 'আদৰ্শ' (ideology) এক নেতিবাচক সংজ্ঞা— পুঁজিবাদী ব্যৱস্থাৰ সমাজৰ ভ্ৰান্ত চেতনাৰ সৃষ্টি। লেনিনত 'আদৰ্শ' নিৰপেক্ষ বা ইতিবাচক হৈ উঠিল— এক শ্ৰেণীসচেতন এলিট নেতৃত্বই সম্ভাৱনাপূৰ্ণ শ্ৰেণীসচেতন শ্ৰমিকৰ বৃহৎ অংশ এটাৰ (mass) অন্তৰত ৰোপণ কৰি দিয়া বিশ্বাসত পৰিণত হৈ পৰিল। শ্ৰেণীচেতনা গঢ় দিয়াটো এক স্বয়ংক্ৰিয় প্ৰক্ৰিয়া হৈ নাথাকিল, বৰং উদ্যোগ লৈ কৰিবলগীয়া কৰ্তব্যকৰ্ম হৈ পৰিল।

আমাৰ সময়ত যুক্তিক এক সতেজ মাত্ৰা প্ৰদান কৰা আন এগৰাকী মহান চিন্তাবিদ হ'ল ফ্ৰয়ড (Freud)। আজিলৈকে ফ্ৰয়ড কিছু পৰিমাণে প্ৰহেলিকাময় ব্যক্তি হৈ ৰৈছে। শিক্ষা আৰু পটভূমিৰ (background) ফালৰ পৰা তেওঁ এজন উনৈশ

শতিকাৰ লিবাৰেল ব্যক্তিস্বাতন্ত্র্যবাদী আছিল আৰু বিনা-প্ৰশ্নেই ব্যক্তি আৰু সমাজৰ মাজৰ এক মৌলিক বিৰোধিতাৰ (antithesis) সাধাৰণ অথচ বিভ্ৰান্তকাৰী ধাৰণা এটা গ্ৰহণ কৰি লৈছিল। মানুহক এক সামাজিক সত্তাৰ বিপৰীতে এক জীৱতাত্ত্বিক সত্তা হিছাপে গ্ৰহণ কৰি ফ্ৰয়ডে সামাজিক পাৰিপাৰ্শ্বিকতাক সৃষ্টি আৰু মানুহে নিজৰ দ্বাৰাই কৰা ৰূপান্তৰ (transformation) কিছু অবিৰাম প্ৰক্ৰিয়াৰ বিপৰীতে ঐতিহাসিকভাৱে প্ৰদত্ত বুলি গণ্য কৰিবলৈ বিচাৰিছিল। বাস্তৱিকতে সামাজিক সমস্যাসমূহক ব্যক্তিগত দৃষ্টিকোণৰ পৰা বিচাৰ কৰাৰ কাৰণে তেওঁক মাৰ্ক্সবাদীসকলে সদায় আক্ৰমণ কৰিছিল আৰু সেইটো কাৰণতে তেওঁক প্ৰতিক্ৰিয়াশীল হিছাপে গৰিহণা দিয়া হৈছিল আৰু এই অভিযোগটো, যিটো কেৱল আংশিকভাৱেহে ফ্ৰয়ডৰ নিজৰ বিৰুদ্ধে খাটে, সেইটো আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৰ্তমান নব্য-ফ্ৰয়ডীয় গোষ্ঠীৰ (neo-Freudian school) ক্ষেত্ৰত বহুত বেছি সম্পূৰ্ণভাৱে প্ৰযোজ্য, যি এইটো ধৰি লয় যে, অসমঞ্জসতাসমূহ (maladjustments) ব্যক্তিতহে অন্তৰ্নিহিত হৈ থাকে, সমাজৰ গাঁথনিত নাথাকে আৰু তেওঁলোকে ব্যক্তিক সমাজৰ লগত খাপ খুওৱাটোক মনস্তত্ত্বৰ অপৰিহাৰ্য কৰ্তব্য বুলিও গণ্য কৰে। অযুক্তিৰ (irrational) ভূমিকাক মানুহৰ কৰ্মকাণ্ডলৈ সম্প্ৰসাৰিত কৰা বুলি ফ্ৰয়ডৰ বিৰুদ্ধে প্ৰচলিত আনটো অভিযোগ সম্পূৰ্ণভাৱে মিছা আৰু সেইটো মানুহৰ আচৰণত অযুক্তিৰ উপাদান চিনাক্তকৰণ আৰু এক অযুক্তিৰ উপাসনাৰ মাজৰ স্থূল অস্পষ্টতাৰ ওপৰত নিৰ্ভৰশীল। যাইকে সাফল্যৰ অৱমূল্যায়ন আৰু যুক্তিৰ সম্ভাৱনীয়তাৰ ৰূপত ইংৰাজী-ভাষী বিশ্বত আজিয়ো অযুক্তিৰ উপাসনা বৰ্তি থকাটো দুৰ্ভাগ্যজনকভাৱে সত্য; এইটো নৈৰাশ্যবাদ আৰু অতি-সংৰক্ষণশীলবাদৰ প্ৰবাহিত হৈ থকা টৌৰে অংশ, যাৰ বিষয়ে পিছত মই আলোচনা কৰিম। কিন্তু যি ফ্ৰয়ড এজন অৰ্হতাবিহীন আৰু বৰঞ্চ প্ৰাথমিক স্তৰৰ (primitive) যুক্তিবাদী, তেওঁৰ পৰা এইটো উদ্ভৱ হোৱা নাই। ফ্ৰয়ডে যিটো কৰিছিল, সেইটো হৈছে মানুহৰ আচৰণৰ অচেতন শিপাসমূহক সচেতনতা আৰু যৌক্তিক অনুসন্ধানলৈ খুলি দি আমাৰ জ্ঞান আৰু উপলব্ধিৰ পৰিধি প্ৰসাৰিত কৰিছিল। এয়া আছিল যুক্তিৰ আধিপত্য বিস্তাৰ, মানুহে নিজকে উপলব্ধি আৰু নিয়ন্ত্ৰণ কৰিবলৈ মানুহৰ ক্ষমতা বৃদ্ধি কৰা আৰু সেইদৰেই তেওঁৰ পাৰিপাৰ্শ্বিকতাকো নিয়ন্ত্ৰণ কৰা আৰু ই এক বৈপ্লৱিক আৰু প্ৰগতিশীল সাফল্যক প্ৰতিনিধিত্ব কৰিছিল। এই ক্ষেত্ৰত ফ্ৰয়ডে মাৰ্ক্সক বিৰোধিতা কৰাৰ পৰিবৰ্তে পৰিপূৰক হিছাপেহে ভূমিকা পালন কৰিছিল। যদিও তেওঁ নিজেই এক নিৰ্দিষ্ট আৰু অপৰিৱৰ্তনীয় মানৱ চৰিত্ৰৰ ধাৰণাৰ পৰা সম্পূৰ্ণকৈ হাত সাৰি থাকিব নোৱাৰিছিল, তথাপি তেওঁ সমসাময়িক জগতৰ মানুহেই আছিল এই অৰ্থত যে মানুহৰ আচৰণৰ শিপাৰ এক গভীৰতৰ উপলব্ধিৰ অৰ্থে আৰু এইদৰেই যৌক্তিক প্ৰক্ৰিয়াৰে ইয়াৰ সচেতন সংশোধনৰ বাবে আহিলাৰ যোগান ধৰিছিল।

ঐতিহাসিকৰ বাবে ফ্ৰয়ডৰ বিশেষ তাৎপৰ্য দ্বিগুণ পৰিমাণৰ (twofold)। প্ৰথমতে, মানুহে যি অভিপ্ৰায়ৰ পৰা কাম কৰা বুলি নিজকে দায়ী কৰে বা বিশ্বাস কৰে, সেইটোৱেই তেওঁলোকৰ কৰ্মৰ ব্যাখ্যা কৰিবলৈ যথেষ্ট বুলি থকা প্ৰাচীন মৰীচিকাটোৰ কফিনত ফ্ৰয়ডে অন্তিম গজালটো মাৰিছিল ঃ এইটো এটা গুৰুত্বপূৰ্ণ নেতিবাচক সাফল্য, যদিয়ো মনোবিশ্লেষণেৰে (Psycho-analysis) ইতিহাসৰ মহান লোকসকলৰ আচৰণত আলোকপাত কৰিব পাৰি বুলি কোনো কোনো উৎসাহী লোকে কৰা ইতিবাচক দাবীক কেৱল নগণ্য গুৰুত্ব দিয়াহে উচিত। যিজন ৰোগী সম্পৰ্কে অনুসন্ধান কৰা হৈছে, তেওঁক জেৰা কৰিব পৰাতহে মনোবিশ্লেষণ পদ্ধতি নিৰ্ভৰ কৰে ঃ আপুনি মৃত ব্যক্তিক জেৰা কৰিব নোৱাৰে। দ্বিতীয়তে, মাৰ্ক্সৰ কৰ্মক পুনৰাই শক্তিশালী কৰি ফ্ৰয়ডে ঐতিহাসিকক নিজকে আৰু ইতিহাসত তেওঁৰ নিজৰ স্থান, উদ্দেশ্যসমূহ— সম্ভৱতঃ গোপন উদ্দেশ্য,— পৰীক্ষা কৰি চাবলৈ, যিবোৰে তেওঁৰ বিষয়বস্তু বা যুগ, তেওঁৰ তথ্য আৰু ব্যাখ্যা নিৰ্বাচন কৰিবলৈ, তেওঁৰ দৃষ্টিকোণ নিৰ্ধাৰণ কৰা জাতীয় আৰু সামাজিক পটভূমি, যিয়ে তেওঁৰ অতীতৰ ধাৰণা গঢ় দিয়ে সেই ভবিষ্যতৰ ধাৰণা পৰীক্ষা কৰি চাবলৈ উৎসাহ যোগায়। মাৰ্ক্স আৰু ফ্ৰয়ডে লেখাৰ পিছৰে পৰা ঐতিহাসিকে নিজকে সমাজ আৰু ইতিহাসৰ বাহিৰত অৱস্থিত বিচ্ছিন্ন ব্যক্তি বুলি ভবাৰ অজুহাত নাথাকিল। এইটোৱেই আত্ম-সচেতনতাৰ যুগ ঃ তেওঁ কি কৰি আছে, ঐতিহাসিকে সেইটো জানিব পৰা হ'ল আৰু জনাটো উচিত হ'ল।

সমসাময়িক জগতলৈ উত্তৰণ বুলি মই যিটোক কৈছো,— কৰ্মৰ নতুন ক্ষেত্ৰ আৰু যুক্তিৰ ক্ষমতাৰ প্ৰসাৰ এতিয়াও সম্পূৰ্ণ হোৱা নাই ঃ কুৰি শতিকাৰ পৃথিৱী যি বৈপ্লৱিক পৰিৱৰ্তনৰ মাজেদি অতিবাহিত হৈ আছে, ই তাৰেই অংশ। সেই উত্তৰণৰ কিছুমান প্ৰধান লক্ষণ মই পৰীক্ষা কৰি চাম।

মই অৰ্থনীতিৰেই আৰম্ভ কৰো। ১৯১৪ চন পৰ্যন্ত অৰ্থনীতিৰ বস্তুনিষ্ঠ বিধানবোৰৰ প্ৰতি থকা বিশ্বাস, যিবোৰে ব্যক্তি আৰু জাতিসমূহৰ অৰ্থনৈতিক আচৰণ নিয়ন্ত্ৰিত কৰিছিল আৰু কেৱল নিজৰ ক্ষতিৰ খৰচেৰেহে তেওঁলোকে যিবোৰ উলংঘা কৰিব পাৰিছিল, কাৰ্যতঃ তেতিয়াও কোনো প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা নাছিল। বাণিজ্য-চক্ৰ, মূল্যৰ উঠা-নমা, নিবনুৱা সমস্যা সেইবোৰ বিধানেই নিৰ্ধাৰণ কৰিছিল। বহুত পিছত ১৯৩০ চনত যেতিয়া বিৰাট মন্দা (great depression) আৰম্ভ হৈছিল, তেতিয়াও সেই দৃষ্টিভংগীয়েই নিয়ন্ত্ৰক (dominant) আছিল। তাৰ পিছত ঘটনা প্ৰৱাহ দ্ৰুততৰ হ'ল। ১৯৩০ৰ দশকত মানুহে 'অৰ্থনৈতিক ব্যক্তিৰ দিন উকলাৰ' কথা কোৱা আৰম্ভ কৰিছিল, অৰ্থাৎ যি ব্যক্তিয়ে অৰ্থনৈতিক বিধান অনুসৰি অবিৰাম তেওঁ অৰ্থনৈতিক স্বাৰ্থ সিদ্ধি অনুসৰণ কৰিছিল; আৰু তেতিয়াৰ পৰা উনৈশ শতিকাৰ এমুঠিমান ৰিপ্ ভান্

উয়িংকেলৰ বাহিৰে সেইটো অৰ্থত কোনোৱেই অৰ্থনৈতিক বিধানসমূহত বিশ্বাস নকৰা হ'ল। আজিকালি অৰ্থনীতি হয় এলানি তাত্বিক গণিতীয় সমীকৰণ, নহয় কিছুমান মানুহে আন কিছুমান মানুহক ঠেলা-হেঁচাৰে বাহিৰ কৰি দিব পাৰে, তাৰ কাৰ্যকৰী অধ্যয়নত পৰিণত হৈছে। পৰিবৰ্তনটো মূলতঃ ব্যক্তিগত পুঁজিবাদৰ পৰা বৃহদাকাৰ পুঁজিবাদলৈ উত্তৰণৰ পৰিণাম আছিল। যিমান দিনলৈকে ব্যক্তিগত উদ্যোগী আৰু সদাগৰে আধিপত্য চলাইছিল, তেতিয়ালৈকে অৰ্থনীতিটোৰ নিয়ন্ত্ৰণত কাকোৱেই দেখা পোৱা নগৈছিল অথবা কোনো তাৎপৰ্যপূৰ্ণ দিশত ইয়াক প্ৰভাৱিত কৰিবলৈ সমৰ্থ নহৈছিল আৰু নৈৰ্ব্যক্তিক বিধি-বিধানসমূহ আৰু প্ৰক্ৰিয়াসমূহৰ বিভ্ৰান্তি (illusion) সংৰক্ষিত হৈ আছিল। আনকি বেংক অৱ ইংলেণ্ডকো ক্ষমতাৰ সৰ্বোচ্চ দিনবোৰতো দক্ষ বেপাৰী (operator) আৰু চতুৰ নিয়ন্ত্ৰকৰ (manipulator) দৰে ভবাই নহৈছিল, বৰং অৰ্থনৈতিক বিকাশৰ ধাৰাসমূহৰ (trends) এক বস্তুনিষ্ঠ আৰু অৰ্ধ-স্বয়ংক্ৰিয় (quasi-automatic) পঞ্জীয়ক হিচাপেহে ভবা হৈছিল। কিন্তু অবাধ বাণিজ্যনীতিৰ (laissez-faire) অৰ্থনীতিৰ পৰা নিয়ন্ত্ৰিত অৰ্থনীতিলৈ (managed economy) উত্তৰণৰ লগে লগে (এক নিয়ন্ত্ৰিত পুঁজিবাদী অৰ্থনীতিয়েই হওক বা এক সমাজবাদী অৰ্থনীতিয়েই হওক, বৃহদাকাৰ পুঁজিপতি আৰু নামমাত্ৰ ব্যক্তিগত ব্যৱসায়ীয়েই পৰিচালনা কৰা হওক বা ৰাষ্ট্ৰই পৰিচালনা কৰাই হওক) এই বিভ্ৰান্তিটো ভাগি গৈছিল। এইটো স্পষ্ট হৈ পৰিল যে, কিছুমান নিৰ্দিষ্ট মানুহে কিছুমান নিৰ্দিষ্ট লক্ষ্যৰেহে (ends) কিছুমান নিৰ্দিষ্ট সিদ্ধান্ত লৈছে; আৰু এই সিদ্ধান্তসমূহেই আমাৰ বাবে অৰ্থনৈতিক গতি নিৰ্ধাৰণ কৰিছে। আজিকালি প্ৰত্যেকেই জানে যে যোগান আৰু চাহিদাৰ বস্তুনিষ্ঠ বিধান অনুসৰি তেল বা চাবোনৰ মূল্য উঠা-নমা নকৰে। প্ৰত্যেকেই জানে অথবা অন্ততঃ তেওঁ জানে বুলি ভাবে যে বজাৰ মন্দা (Slumps) আৰু নিবনুৱা সমস্যা মানুহৰ সৃষ্টি ঃ চৰকাৰবোৰে স্বীকাৰ কৰে আৰু প্ৰকৃততে তেওঁলোকে দাবীয়েই কৰে যে সেইবোৰ কিদৰে নিৰাময় কৰিব লাগে তেওঁলোকে জানে। অবাধ বাণিজ্যৰ অৰ্থনীতিৰ পৰা (laissez-faire) পৰিকল্পিত অৰ্থনীতিলৈ (planning), অসচেতনৰ পৰা আত্ম-সচেতনলৈ, বস্তুনিষ্ঠ অৰ্থনৈতিক বিধানৰ বিশ্বাসৰ পৰা মানুহে তেওঁৰ নিজৰ কৰ্মৰ দ্বাৰা তেওঁৰ অৰ্থনৈতিক ভাগ্যৰ গৰাকী হ'ব পাৰে বুলি বিশ্বাসলৈ উত্তৰণ ঘটিছিল। অৰ্থনৈতিক নীতিৰ হাতত হাত ধৰি সামাজিক নীতি আগুৱাই আহিল ঃ বাস্তৱিকতে সামাজিক নীতিত অৰ্থনৈতিক নীতিক অন্তৰ্ভুক্ত কৰা হৈছিল। ১৯১০ চনত প্ৰকাশিত প্ৰথম 'কেম্ব্ৰীজ মডাৰ্ণ হিষ্ট্ৰি'ৰ অন্তিম খণ্ডটোৰ পৰা যি কেতিয়াও মাৰ্ক্সবাদী নাছিল আৰু সম্ভৱতঃ কেতিয়াও লেনিনৰ নাম শুনা নাছিল তেনে এজন লেখকৰ এটা অত্যন্ত অন্তৰ্দৃষ্টিসম্পন্ন (perceptive) মন্তব্য উদ্ধৃত কৰিম ঃ

'সচেতন প্ৰয়াসৰ দ্বাৰা সমাজ সংস্কাৰৰ সম্ভাৱনীয়তাৰ ওপৰত বিশ্বাসেই ইউৰোপীয় মনৰ প্ৰভাৱশালী ধাৰা; স্বাধীনতাই একমাত্ৰ মকৰধ্বজ (panacea) বুলি থকা বিশ্বাসক ই পিছ পেলাই থৈ আহিছে (superseded)।.... বৰ্তমান ইয়াৰ প্ৰচলন ৰুছীয় বিপ্লৱৰ সময়ৰ মানৱ অধিকাৰৰ ওপৰত থকা বিশ্বাসৰ দৰেই তাৎপৰ্যপূৰ্ণ আৰু সম্ভাৱনাময় (pregnant)?'[৬]

এই ছেদটো লেখাৰ পঞ্চাশ বছৰৰ পাছত, ৰুচ বিপ্লৱৰ চল্লিশ বছৰৰো অধিক পিছত আৰু বিখ্যাত অৰ্থনৈতিক মন্দাৰ ত্ৰিশ বছৰৰ পাছত আজি এইটো সচৰাচৰ বিশ্বাসত পৰিণত হৈছে; আৰু যদিও যুক্তিসংগত বুলিয়েই অনুমেয়, মানুহৰ নিয়ন্ত্ৰণৰ সিপাৰৰ বস্তুনিষ্ঠ অৰ্থনৈতিক বিধানসমূহৰ প্ৰতি মানুহৰ অধীনতা স্বীকাৰৰ পৰা সচেতন কৰ্মৰ দ্বাৰা তেওঁৰ অৰ্থনৈতিক ভাগ্য নিয়ন্ত্ৰণ কৰিব পাৰে বুলি মানুহৰ সামৰ্থ্যৰ ওপৰত বিশ্বাসলৈ ঘটা উত্তৰণে মোৰ দৃষ্টিত মানুহৰ জীৱনযাত্ৰাত (human affairs) যুক্তিৰ প্ৰয়োগৰ এক অগ্ৰগতি, নিজকে উপলব্ধি কৰিবলৈ আৰু নিজৰ ওপৰত আৰু পাৰিপাৰ্শ্বিকতাৰ ওপৰত অধিকাৰ সাব্যস্ত কৰিবলৈ এক বৰ্ধিত সামৰ্থ্যকে প্ৰতিনিধিত্ব কৰে, যিটোক, যদিহে প্ৰয়োজন হয়, পুৰণি ঢঙৰ নামকৰণ প্ৰগতি বুলি ক'বলৈকে মই প্ৰস্তুত।

আন ক্ষেত্ৰসমূহত ক্ৰিয়াশীল অনুৰূপ প্ৰক্ৰিয়াসমূহৰ বিষয়ে বিতং আলোচনা কৰিবলৈ মোৰ ঠাইৰ অভাৱ। আমি দেখিবলৈ পাইছো যে আনকি বিজ্ঞানেও এতিয়া প্ৰকৃতিৰ বস্তুনিষ্ঠ বিধানসমূহ অনুসন্ধান আৰু প্ৰতিষ্ঠা কৰাতকৈ যাৰ দ্বাৰা মানুহে তেওঁৰ উদ্দেশ্যৰ লগত খাপ খোৱাকৈ প্ৰকৃতিক নিজৰ নিয়ন্ত্ৰণলৈ অনিব পাৰে আৰু তেওঁৰ পাৰিপাৰ্শ্বিকতাক ৰূপান্তৰিত কৰিব পাৰে তেনেধৰণৰ কাৰ্যকৰী পূৰ্বানুমান গঠনতহে অধিক আগ্ৰহী। তাতোতকৈয়ো তাৎপৰ্যপূৰ্ণ কথা এয়ে যে যুক্তিৰ সচেতন প্ৰয়োগৰ দ্বাৰা মানুহে কেৱল তেওঁৰ পাৰিপাৰ্শ্বিকতাকে নহয়, তেওঁ নিজকো ৰূপান্তৰিত কৰাটো আৰম্ভ কৰিলে। অষ্টাদশ শতিকাৰ শেষত মালথুচে (Malthus) এখন যুগান্তকাৰী গ্ৰন্থত আদম স্মিথৰ বজাৰৰ বিধানৰ নিচিনাকৈ প্ৰক্ৰিয়াটো সম্পৰ্কে কোনোৱেই একো নজনাকৈয়ে জনসংখ্যা সম্পৰ্কে বস্তুনিষ্ঠ বিধান প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰিছিল। আজিকালি কোনেও তেনেধৰণৰ বস্তুনিষ্ঠ বিধানত বিশ্বাস নকৰে; কিন্তু জনসংখ্যা নিয়ন্ত্ৰণ যুক্তিসংগত আৰু সচেতন সামাজিক নীতিৰ বিষয় হৈ পৰিল। আমাৰ সময়তেই মানৱ জীৱনৰ আয়ুস দীঘলীয়া কৰিবলৈ আৰু আমাৰ জনসংখ্যাৰ প্ৰজন্মসমূহৰ মাজৰ ভাৰসাম্য পৰিৱৰ্তন কৰিবলৈ কৰা মানুহৰ প্ৰচেষ্টা আমি দেখিবলৈ পাইছো। মানুহৰ আচৰণক প্ৰভাৱান্বিত কৰিবলৈ ঔষধৰ সচেতন প্ৰয়োগ আৰু মানুহৰ চৰিত্ৰ পৰিৱৰ্তন কৰাৰ উদ্দেশ্যে অস্ত্ৰোপচাৰৰ প্ৰয়োগৰ কথা আমি শুনিছো। আমাৰ চকুৰ আগতে মানুহ আৰু সমাজ দুয়োটাই পৰিৱৰ্তন হোৱা আৰু মানুহৰ সচেতন প্ৰয়াসেৰে পৰিৱৰ্তন কৰি থকা আমি

দেখিছো। কিন্তু এই পৰিবৰ্তনসমূহৰ ভিতৰত সম্ভৱতঃ আটাইতকৈ তাৎপৰ্যপূৰ্ণ পৰিবৰ্তন সেইবোৰ, যিবোৰ বুজনি (persuasion) আৰু তত্ত্বৰ শিকনিৰ (indoctrination) আধুনিক পদ্ধতিৰ বিকাশ আৰু প্ৰয়োগৰ দ্বাৰা কাৰ্যত পৰিণত কৰা হৈছে। আজিকালি সৰ্বস্তৰতে শিক্ষাবিদসকলে এটা বিশেষ সাঁচত সমাজক গঢ় দিয়াৰ ক্ষেত্ৰত তেওঁলোকৰ বৰঙণি আগবঢ়াবলৈ আৰু উঠি অহা প্ৰজন্মত সেই সমাজৰ বাবে উপযুক্ত হোৱা দৃষ্টিভংগী, আনুগত্য আৰু বিশ্বাস (opinion) ৰোপণ কৰিবলৈ তেওঁলোক অধিকৰ পৰা অধিকতৰভাৱে সচেতনভাৱে জড়িত হৈ পৰিছে ঃ শিক্ষা নীতি যিকোনো যুক্তিসংগতভাৱে পৰিকল্পিত সামাজিক নীতিৰ এক অবিচ্ছেদ্য অংশ। সমাজভুক্ত মানুহৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাৰ দৰে যুক্তিৰ প্ৰধান কাম কেৱল অনুসন্ধান কৰাই নহয়, বৰং ৰূপান্তৰ কৰাহে আৰু যুক্তিবাদী প্ৰক্ৰিয়া প্ৰয়োগ কৰি মানুহে তেওঁৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক কাৰ্যাৱলী পৰিচালনাৰ উন্নতি কৰিবলৈ মানুহৰ ক্ষমতাৰ বৰ্ধিত চেতনাবোধকেই কুৰি শতিকাৰ বিপ্লৱৰ প্ৰধান দিশবোৰৰে এটা যেন অনুমান হয়।

যুক্তিৰ এই সম্প্ৰসাৰণ কেৱল সেই প্ৰক্ৰিয়াটোৰে অংশ, যাক মই আগৰ বক্তৃতা এটাত 'ব্যক্তিস্বতন্ত্ৰীকৰণ' (individualization) বুলি কৈছিলো— য'ত ব্যক্তিগত দক্ষতা, জীৱিকা আৰু সা-সুবিধাসমূহৰ বহুমুখীকৰণ (diversification) এক অগ্ৰগামী সভ্যতাৰ সহযাত্ৰী। যিসকলে চিন্তা কৰিবলৈ শিকিলে আৰু তেওঁলোকৰ যুক্তি প্ৰয়োগ কৰা আৰম্ভ কৰিলে, তেওঁলোকৰ ক্ৰমবৰ্ধিত সংখ্যাই হ'ল ঔদ্যোগিক বিপ্লৱৰ আটাইতকৈ সুদূৰপ্ৰসাৰী সামাজিক পৰিণাম। গ্ৰেট বৃটেইনত ক্ৰমান্বয়বাদৰ (gradualism) প্ৰতি আমাৰ আসক্তি এনেধৰণৰ যে ধাৰাটো কেতিয়াবা কাচিৎহে বোধগম্য (perceptible) হয়। এটা শতিকাৰ সৰহখিনি সময় আমি সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ সাফল্যৰ (laurels) ভৰসাত অতিবাহিত কৰিলো আৰু এতিয়াও সাৰ্বজনীন উচ্চ শিক্ষাৰ দিশত বৰ বেছি দূৰ বা বৰ বেছি ক্ষিপ্ৰতাৰে আগুৱাব পৰা নাই। যেতিয়া আমি বিশ্বক নেতৃত্ব দিছিলো, তেতিয়া এইটো বিশেষ ধৰ্তব্য কথা নাছিল। কিন্তু আনসকলে আমাতকৈয়ো এক প্ৰবল খৰখেদাৰে আমাক অতিক্ৰম কৰি যাবলৈ ওলোৱাত আৰু যেতিয়া প্ৰযুক্তিৰ পৰিবৰ্তনে সেই গতি সৰ্বত্ৰত আৰু ত্বৰান্বিত কৰি তুলিছে, এইটো এতিয়া ধৰ্তব্য হৈ পৰিছে। কাৰণ সামাজিক বিপ্লৱ, প্ৰযুক্তিগত বিপ্লৱ আৰু বৈজ্ঞানিক বিপ্লৱ একেটা প্ৰক্ৰিয়াৰে অবিচ্ছেদ্য অংগ। আপুনি যদি ব্যক্তিস্বাতন্ত্ৰ্যকৰণৰ একাডেমিক উদাহৰণ এটা বিচাৰে তেন্তে বিগত পঞ্চাশ বা ষাঠি বছৰ ধৰি ইতিহাসৰ, অথবা বিজ্ঞানৰ অথবা যিকোনো বিশেষ বিজ্ঞানৰ বিপুল বহুমুখিতা (diversification) আৰু ই আগবঢ়োৱা অপৰিমিতভাৱে বৰ্ধিত বিচিত্ৰ ধৰণৰ ব্যক্তিগত বিশেষজ্ঞতাৰ (specializations) কথাটো মনত পেলাওক। কিন্তু এটা বেলেগ পৰ্যায়ত এই প্ৰক্ৰিয়াটোৰ এটা বৰ বেছি চমৎকাৰ উদাহৰণ মোৰ হাতত আছে। ত্ৰিশ

বছৰবো আগেয়ে এজন উচ্চপদস্থ জাৰ্মান সামৰিক বিষয়াই চোভিয়েট ৰাচিয়া ভ্ৰমণ কৰোঁতে ৰেড্ এয়াৰ ফোৰ্চ গঠন কৰা সম্পৰ্কে চোভিয়েট বিষয়া এজনৰ পৰা কিছু দৃষ্টান্তকাৰী (illuminating) মন্তব্য শুনিছিল ঃ

> "আমি ৰুচসকলে এতিয়াও আদিম মানৱীয় সমলেৰেই কাম কৰি থাকিবলগীয়া হৈছে। আমাৰ হাতত যিধৰণৰ বৈমানিক আছে, উৰণ যন্ত্ৰটো তেওঁলোকৰ লগত খাপ খোৱা কৰিবলৈ আমি বাধ্য হৈছো। যিটো পৰিসৰলৈকে আমি নতুন টাইপৰ মানুহ বিকাশ কৰিবলৈ সফলকাম হ'ম, সমলৰ প্ৰযুক্তিগত বিকাশো সিমানলৈকে নিখুঁত কৰি তোলা হ'ব। এই দুয়োটা উপাদানেই (factors) পৰস্পৰক নিৰ্ধাৰিত (condition) কৰে। আদিম মানুহক জটিল যন্ত্ৰৰ দায়িত্ব অৰ্পণ কৰিব নোৱাৰি।"

কেৱল এটা প্ৰজন্মৰ ব্যৱধানত আমি আজি জানো যে ৰুচসকলৰ যন্ত্ৰসমূহ মুঠেই আদিম নহয় আৰু যি নিযুত নিযুত ৰুচ-পুৰুষ মহিলাই সেইবোৰ যন্ত্ৰৰ পৰিকল্পনা কৰে, নিৰ্মাণ কৰে আৰু চলায়, তেওঁলোকো আজি আৰু আদিম হৈ থকা নাই। ঐতিহাসিক হিছাপে মই পিছৰ ঘটনাটি সম্পৰ্কেহে অধিক আগ্ৰহী। উৎপাদনৰ যুক্তিসংগতকৰণৰ (rationalization) অৰ্থ বৰ বেছি গুৰুত্বপূৰ্ণ— মানুহক যুক্তিসংগতকৰণ। আজি গোটেই বিশ্বতে এসময়ত আদিম হৈ থকা মানুহে জটিল যন্ত্ৰ ব্যৱহাৰ কৰিবলৈ শিকি আহিছে আৰু তাকে কৰি তেওঁলোকে ভাবিবলৈ আৰু তেওঁলোকৰ যুক্তি ব্যৱহাৰ কৰিবলৈকো শিকিছে। এই বিপ্লৱটোক, যাক আপুনি সঠিকভাৱেই এক সামাজিক বিপ্লৱ বুলি ক'ব, বৰ্তমানৰ প্ৰসংগত যাক মই কিন্তু যুক্তিৰ সম্প্ৰসাৰণ বুলি ক'ম, প্ৰকৃততে সেইটোৰ এয়া আৰম্ভণিহে। কিন্তু বিগত প্ৰজন্মৰ আশ্চৰ্যজনক (staggering) প্ৰযুক্তিগত অগ্ৰগতিৰ লগত খোজ মিলাবলৈ ইয়ো এক আশ্চৰ্যজনক গতিত অগ্ৰসৰ হৈ আছে। মোৰ বোধেৰে আমাৰ কুৰি শতিকাৰ বিপ্লৱৰ ই প্ৰধান দিশসমূহৰে এটা দিশ।

সমসাময়িক জগতত যুক্তিক যি ভূমিকা দিয়া হৈছে, মই যদি এই মুহূৰ্তত তাৰ বিপদ আৰু দ্ব্যৰ্থক দিশবোৰলৈ লক্ষ্য নকৰো, আমাৰ কোনোবা নিৰাশাবাদী আৰু সংশয়বাদীসকলে মোক স্তব্ধ কৰি দিব। আগৰ বক্তৃতা এটাত মই উনুকিয়াই দিছিলো যে বৰ্ণনা কৰা অৰ্থত ক্ৰমবৰ্ধমান ব্যক্তিস্বাতন্ত্ৰ্যকৰণে সমৰূপ (conformity) আৰু একৰূপৰ (uniformity) হকে সামাজিক হেঁচাক দুৰ্বল কৰি তোলাটো নুবুজায়। বাস্তৱিকতে এইটো আমাৰ জটিল আধুনিক সমাজৰ পেৰাডক্সবোৰৰে এটা। যি শিক্ষা ব্যক্তিগত সামৰ্থ্য আৰু সা-সুবিধা বিস্তাৰৰ বিকাশ ঘটোৱাৰ বাবে এক প্ৰয়োজনীয় আৰু শক্তিশালী আহিলা আৰু সেয়ে বৰ্ধিত ব্যক্তিস্বাতন্ত্ৰ্যকৰণৰো আহিলা, সেই শিক্ষা কিন্তু সামাজিক একৰূপতা বিকশাই তোলাৰ বাবে সংশ্লিষ্ট দলবোৰৰ হাতবো শক্তিশালী হাতিয়াৰ। অধিক দায়িত্বসম্পন্ন অনাতাঁৰ আৰু দূৰদৰ্শন অথবা অধিক দায়িত্বসম্পন্ন সংবাদ-পত্ৰৰ

বাবে সঘনাই শুনিবলৈ পোৱা গোহাৰিবোৰ সহজেই গৰিহণা দিব পৰা নিৰ্দিষ্ট নেতিবাচক সংঘটনৰ (phenomena) বিৰুদ্ধে নিয়োজিত হয়। কিন্তু এই আবেদনবোৰ অতি সোনকালে বাঞ্ছিত ৰুচি (taste) আৰু বাঞ্ছিত মতামত গঢ় দিয়াৰ গণ-বুজনিৰ (mass persuasion) শক্তিশালী হাতিয়াৰ হিছাপে ব্যৱহাৰ কৰাৰ যুক্তিত পৰিণত হয়— বাঞ্ছনীয়তাৰ মানদণ্ড সমাজে গ্ৰহণ কৰা ৰুচি আৰু মতামতত (opinion) বিচাৰি পোৱা যায়। তেনে প্ৰচাৰ অভিযানবোৰ পৃষ্ঠপোষকসকলে ব্যক্তিগত সদস্যক গঢ় দি এক কাংক্ষিত দিশত সমাজক গঢ় দিবলৈ কৰা সচেতন আৰু যুক্তিবাদী প্ৰক্ৰিয়া। এই বিপদসমূহৰ আন কেতবোৰ জ্বলন্ত উদাহৰণ বাণিজ্যিক বিজ্ঞাপক আৰু ৰাজনৈতিক প্ৰচাৰকত দেখিবলৈ পোৱা যায়। প্ৰকৃততে দুয়োটা ভূমিকাতে সঘনাই এজনেই অভিনয় কৰে; আমেৰিকা যুক্তৰাষ্ট্ৰত প্ৰকাশ্যভাৱে আৰু গ্ৰেট বৃটেইনত বৰং লাজ লাজকৈ (sheepishly) ৰাজনৈতিক দলবোৰে আৰু প্ৰাৰ্থীসকলে তেওঁলোকক স্পষ্টকৈ দাঙি ধৰিবৰ বাবে পেচাদাৰী বিজ্ঞাপক নিয়োগ কৰে। দুয়োটা কায়দা দেখাত ভিন্ন হ'লেও লক্ষণীয়ভাৱে কিন্তু একেই। ডাঙৰ ৰাজনৈতিক দলবোৰৰ পেচাদাৰী বিজ্ঞাপক আৰু প্ৰচাৰ বিভাগৰ মুৰব্বীসকল অত্যন্ত বুদ্ধিমন্ত লোক হোৱাৰ কাৰণে তেওঁলোকৰ কামৰ বাবে প্ৰাসংগিক যুক্তিৰ সমুদায় সমলৰ সমাহাৰ ঘটাই। অনান্য ক্ষেত্ৰত আমি পৰীক্ষা কৰাৰ দৰে যুক্তি কেৱল অনুসন্ধানৰ (exploration) ক্ষেত্ৰতে নিযুক্ত হোৱা নাই, বৰং গঠনমূলকভাৱে প্ৰয়োগ হৈছে আৰু তাকো নিশ্চলভাৱে নহয়, বৰং গতিশীলভাৱেহে। পেচাদাৰী বিজ্ঞাপক আৰু প্ৰচাৰ অভিযানৰ মেনেজাৰসকল হাততে পোৱা (existing) তথ্যৰ ওপৰত প্ৰধানকৈ নিৰ্ভৰশীল নহয়। সৰ্বশেষ উৎপাদনৰ (end product) ক্ষেত্ৰত গ্ৰাহক অথবা নিৰ্বাচকে বৰ্তমান কি বিশ্বাস কৰে অথবা বিচাৰে তাক লৈহে তেওঁলোক আগ্ৰহী, অৰ্থাৎ গ্ৰাহক বা নিৰ্বাচকক কৌশলী প্ৰচেষ্টাৰে কিবা এটা বিশ্বাস কৰিবলৈ বা বিচাৰিবলৈ প্ৰলোভিত কৰিব পাৰি। তদুপৰি তেওঁলোকৰ গণমনস্তত্ব অধ্যয়নে তেওঁলোকক দেখুৱাইছে যে তেওঁলোকৰ দৃষ্টিভংগীক গ্ৰহণ কৰাৰ আটাইতকৈ দ্ৰুততৰ উপায় হৈছে উপভোক্তা বা নিৰ্বাচকৰ মনস্তত্বত অযৌক্তিক (irrational) উপাদানৰ প্ৰতি এক আৱেদন (appeal) জনোৱা, যাতে যিখন ছবি আমাৰ সন্মুখ হ'ব, সেইখন এনে, য'ত পেচাদাৰী উদ্যোগপতি বা দলৰ নেতৃবৰ্গৰ শিৰোমণি গোষ্ঠীটোৱে (élite) আগতকৈয়ো বহু বেছি উন্নত যৌক্তিক প্ৰক্ৰিয়াৰে জনসাধাৰণৰ অযৌক্তিকতাবাদক (irritionalism) বুজি উঠি আৰু তাক লৈ ব্যৱসায় কৰি তেওঁলোকৰ লক্ষ্য সাধন কৰিব। এই আৱেদনটো প্ৰাথমিকভাৱে যুক্তিৰ প্ৰতি আৱেদন নহয়; এই আৱেদন অস্কাৰ ৱাইল্ডে (Oscar Wilde) কোৱাৰ দৰে 'প্ৰজ্ঞাৰ তলত আঘাত কৰা' (hitting below the intellect) পদ্ধতিৰে প্ৰধানকৈ আগবাঢ়ে। ছবিখন মই অলপ ডাঙৰকৈয়ে অংকন কৰিলো যাতে বিপদটোৰ অৱমূল্যায়ন

কৰা বুলি মোক অভিযুক্ত নকৰে।" কিন্তু মোটামুটিভাৱে এইটো সঠিক আৰু অনান্য ক্ষেত্ৰতো সহজেই ইয়াক প্ৰয়োগ কৰিব পাৰি। প্ৰতিখন সমাজতে শাসকীয় দলবোৰে (groups) জনমত সংগঠিত আৰু নিয়ন্ত্ৰণ কৰিবলৈ কম বেছি পৰিমাণে দমন-পীড়ণমূলক ব্যৱস্থা প্ৰয়োগ কৰে। আন কিছুমানতকৈ এইটো পদ্ধতিক নিকৃষ্ট যেন লাগে, কাৰণ ইয়াত যুক্তিৰ অপব্যৱহাৰ কৰা হয়।

এই গুৰুতৰ আৰু সুপ্ৰতিষ্ঠিত অভিযোগটোৰ উত্তৰত মই মাত্ৰ দুটা যুক্তি দাঙি ধৰিব পাৰো। খুবেই পৰিচিত প্ৰথমটো যুক্তি এয়ে যে, ইতিহাসৰ পৰিক্ৰমাত হোৱা প্ৰতিটো উদ্ভাৱন, প্ৰতিটো উন্নীতকৰণ (innovation), প্ৰতিটো নতুন কৌশলৰ আবিস্কাৰতে তাৰ ইতিবাচকৰ দৰেই নেতিবাচক দিশো আছে। সদায়েই কোনোবাই তাৰ মূল্য ভৰিবলগীয়া হয়। মই নাজানো ছপাখানা আবিস্কাৰৰ কিমান দিনৰ পাছৰ পৰা সমালোচকসকলে দেখুৱাবলৈ আৰম্ভ কৰিছিল যে বিভ্ৰান্তিকৰ মতামত বিয়পাই দিয়াত ই সহায় কৰিলে। মটৰ-গাড়ীৰ আগমনে পথ দুৰ্ঘটনাত মৃতকৰ সংখ্যাক লৈ অনুশোচনা কৰাটো আজিকালি সাধাৰণ কথা; যি সৰ্বনশীয়া প্ৰয়োগ কৰিব পাৰি আৰু সৰ্বনশীয়া প্ৰয়োগ হৈ আছে, সেই পাৰমাণৱিক শক্তি নিৰ্গমনৰ উপায় আৰু অৱলম্বনৰ (ways and means) তেওঁলোকৰ নিজা আৱিষ্কাৰক লৈ আনকি কিছুমান বৈজ্ঞানিকে অনুশোচনা কৰে। নতুন আবিস্কাৰ আৰু উদ্ভাৱনৰ অগ্ৰগতি ৰোধ কৰিবলৈ এনে আপত্তিয়ে অতীততো কোনো কাম দিয়া নাছিল আৰু ভৱিষ্যতেও কাম দিব বুলি মনে নধৰে। গণপ্ৰচাৰৰ (mass propaganda) কৌশল আৰু অৰ সম্ভাব্য ক্ষমতা (potentialities) সম্বন্ধে আমি যি শিকিলো, সেইখিনি সতকাই মচি পেলাব নোৱাৰি। আমি ঘোঁৰা আৰু বাগী (buggy) অথবা আদি অবাধ নীতি পুঁজিবাদলৈ (early laissez-faire capitalism) প্ৰত্যাৱৰ্তন কৰাটো সম্ভৱ হ'লেও উনৈশ শতিকাৰ মাজৰ বছৰবোৰত গ্ৰেট বৃটেইনত আংশিকভাৱে লিবাৰেল তত্ত্ব বা লকৰ মত অনুসৰি প্ৰতিষ্ঠা হোৱা (Lockeian) ক্ষুদ্ৰায়তনৰ ব্যক্তিস্বাতন্ত্ৰ্যবাদী গণতন্ত্ৰলৈ আজি আৰু ঘূৰি যাব নোৱাৰো। কিন্তু শুদ্ধ উত্তৰ এয়ে যে, এই অমঙ্গলবোৰে (evils) নিজৰ লগতে সেইবোৰৰ নিজা সংশোধকো (corrective) কঢ়িয়াই লৈ ফুৰে। অযৌক্তিকতাৰ উপাসনা (cult of irrationalism) অথবা আধুনিক সমাজত যুক্তিৰ প্ৰসাৰিত ভূমিকাক বৰ্জন কৰাত (renunciation) ইয়াৰ প্ৰতিকাৰ নাই, বৰং যুক্তিয়ে যি ভূমিকা পালন কৰিব পাৰে, সেই সম্পৰ্কে তলৰ দৰেই ওপৰৰ পৰাও হোৱা এক ক্ৰমবৰ্ধমান সচেতনতাতহে ইয়াৰ প্ৰতিকাৰ বিচাৰি পোৱা যাব। যিটো সময়ত আমাৰ প্ৰযুক্তিগত আৰু বৈজ্ঞানিক বিপ্লৱে সমাজৰ সকলো স্তৰতে যুক্তিৰ ক্ৰমবৰ্ধিত প্ৰয়োগ আমাৰ ওপৰত বলবৎ কৰিছে, সেইটো সময়ত এইটো এটা কল্পৰাজ্যৰ স্বপ্ন (utopian dream) নহয়। ইতিহাসৰ অনান্য প্ৰতিটো বিৰাট

অগ্ৰগতিৰ দৰেই এইটো অগ্ৰগতিৰো খৰচ (costs) আছে আৰু ক্ষয়ক্ষতি (losses) আছে, যিবোৰ ভৰিবলগীয়া হ'ব আৰু ইয়াৰ বিপদসমূহৰ সন্মুখীন হ'ব লাগিব। তথাপি, সংশয়বাদী, নিন্দাবাদী (cynics) আৰু দুৰ্যোগৰ ভৱিষ্যতবক্তাসকলে (prophets of disaster), বিশেষকৈ পূৰ্বৰ সুবিধাভোগী স্থান হেৰুওৱা দেশবোৰৰ বুদ্ধিজীৱীসকলে যিয়েই নকওক, মই ইয়াক ইতিহাসৰ প্ৰগতিৰ এটা বিশিষ্ট (signal) উদাহৰণ বুলি গণ্য কৰিবলৈ লাজ নেপাম। এইটোৱেই সম্ভৱতঃ আমাৰ সময়ৰ আটাইতকৈ চমকপ্ৰদ আৰু বৈপ্লবিক ঘটনা (phenomenon)।

যি প্ৰগতিশীল বিপ্লবৰ মাজেদি আমি আগবাঢ়িছো, তাৰ দ্বিতীয় দিশটো হ'ল পৃথিৱীৰ পৰিবৰ্তিত আকাৰ। পঞ্চদশ আৰু ষোড়শ শতিকাৰ মহান যুগটো, য'ত মধ্যযুগীয়া পৃথিৱীখন অৱশেষত ভাগি ধ্বংসাৱশেষত পৰিণত হৈছিল আৰু আধুনিক বিশ্বৰ আধাৰ প্ৰতিষ্ঠা হৈছিল, নতুন মহাদেশৰ আৱিষ্কাৰ আৰু পৃথিৱীৰ ভাৰকেন্দ্ৰ (centre of gravity) ভূমধ্যসাগৰৰ তীৰৰ পৰা আটলাণ্টিকৰ উপকূললৈ স্থানান্তৰ হোৱাটো বৈশিষ্ট্যপূৰ্ণ ঘটনাত পৰিণত হৈছিল। আনকি ফৰাচী বিপ্লৱৰ ক্ষুদ্ৰতৰ আলোড়ণৰো ভৌগোলিক পৰিণাম আছিল, যি পুৰণি বিশ্বৰ ভাৰসাম্য সঠিক কৰাৰ কাৰণে নতুন বিশ্বক আহ্বান জনাবলগীয়া হৈছিল। কিন্তু কুৰি শতিকাৰ বিপ্লৱে গঢ় দিয়া পৰিবৰ্তনসমূহ ষোড়শ শতিকাৰ পৰা ঘটা আটাইখিনিতকৈয়ো বহুত বেছি সৰ্বাত্মক আছিল। প্ৰায় চাৰিশ বছৰৰ পাছত বিশ্বৰ ভাৰকেন্দ্ৰ নিশ্চিতভাৱে পশ্চিম ইউৰোপৰ পৰা আঁতৰি আহিল। ইংৰাজী-ভাষী বিশ্বৰ বহিৰাংশবোৰৰ লগতে পশ্চিম ইউৰোপ উত্তৰ আমেৰিকা মহাদেশৰ এক জমিদাৰীত (appanage) পৰিণত হ'ল অথবা আপুনি যদি ক'বলৈ বিচাৰে এক পুঞ্জ বা সংঘত (agglomeration) পৰিণত হ'ল, য'ত যুক্তৰাষ্ট্ৰই ক্ষমতা-কেন্দ্ৰ (power-house) আৰু নিয়ন্ত্ৰণ-স্তম্ভ (control-tower) হিছাপে দায়িত্ব পালক হৈ পৰিল। এইটোৱেই একমাত্ৰ বা সম্ভৱতঃ আটাইতকৈ তাৎপৰ্যপূৰ্ণ পৰিবৰ্তন নহয়। কোনোভাৱেই এইটো স্পষ্ট হৈ উঠা নাই যে বিশ্বৰ ভাৰকেন্দ্ৰ পশ্চিম ইউৰোপীয় সংযোজন (annex) সহ ইংৰাজী-ভাষী বিশ্বৰ হাততেই এতিয়া আছে অথবা দীৰ্ঘদিন ধৰি অব্যাহত থাকিব। এইটো পৰিলক্ষিত হৈছে যে আফ্ৰিকালৈকে প্ৰসাৰিত পূব ইউৰোপ আৰু এচিয়াৰ বিশাল ভূ-খণ্ডই আজি বিশ্বৰ ঘটনাৱলীত নিজৰ প্ৰভাৱ বিস্তাৰ কৰিছে। 'অপৰিবৰ্তনীয় প্ৰাচ্য' আজিকালি এটা উৱলি যোৱা শ্লোগান (cliche)।

বৰ্তমান শতিকাত এচিয়াত কি ঘটিছে সেই সম্পৰ্কে আমি এক দ্ৰুত দৃষ্টিপাত কৰো। ১৯০২ চনৰ ইঙ্গ-জাপানী মিত্ৰতাৰে কাহিনীটো আৰম্ভ হৈছে— সেয়াই এখন এচীয় দেশৰ ইউৰোপীয় মহান শক্তিসমূহৰ মোহনীয় মণ্ডলীত (charmed circle) প্ৰথম নামভৰ্তি। এইটোক সম্ভৱতঃ এক কাকতালীয় ঘটনা হিছাপে গণ্য কৰিব পাৰি যে

ৰুচিয়াক প্ৰত্যাহ্বান জনাই আৰু পৰাভূত কৰি জাপানে নিজৰ পদোন্নতিৰ সংকেত প্ৰেৰণ কৰিছিল (signalized) আৰু তাকে কৰি প্ৰথম স্ফুলিংগটো প্ৰজ্বলিত কৰিছিল, যিয়ে মহান কুৰি শতিকাৰ বিপ্লৱ জ্বলাই তুলিছিল। ১৭৮৯ আৰু ১৮৪৮ চনৰ ফৰাচী বিপ্লৱে ইউৰোপত তেওঁলোকৰ অনুকৰণকাৰী পাইছিল। ১৯০৫ চনৰ প্ৰথম ৰুচ বিপ্লৱে ইউৰোপত কোনো প্ৰতিধ্বনি নুতুলিছিল, কিন্তু এচিয়াত তাৰ অনুকৰণকাৰী বিচাৰি পাইছিল ঃ তাৰ পৰৱৰ্তী কেইবছৰমানতে পাৰস্য, তুৰ্কী আৰু চীনদেশত বিপ্লৱ সংঘটিত হৈছিল। প্ৰথম বিশ্বযুদ্ধখন প্ৰকৃততে এখন বিশ্বযুদ্ধ নাছিল, বৰং বিশ্বজোৰা পৰিণামেৰে এক ইউৰোপীয় গৃহযুদ্ধহে (civil war) আছিল— ইউৰোপ বুলি কিবা সত্তা এটাৰ অস্তিত্ব যদি ধাৰণা কৰি লোৱা হয় ঃ এই পৰিণামবিলাকে বহু এচীয় দেশক ঔদ্যোগিক বিকাশ, চীনত বিদেশী-বিৰোধী চেতনা আৰু ভাৰতীয় জাতীয়তাবাদ জগাই তুলিছিল আৰু আৰব জাতীয়তাবাদৰ জন্ম দিছিল। ১৯১৭ চনৰ ৰুচ বিপ্লৱে এক উচ্চতৰ আৰু নিৰ্ণায়ক অনুপ্ৰেৰণা জগাই তুলিছিল। ইয়াৰ তাৎপৰ্যপূৰ্ণ কথাটো এয়ে আছিল যে ইয়াৰ নেতৃবৰ্গই বিফলতাৰে হ'লেও নিৰন্তৰভাৱে (persistently) ইউৰোপত অনুকৰণকাৰীৰ সন্ধান কৰিছিল আৰু অৱশেষত এচিয়াত বিচাৰি পাইছিল। ইউৰোপ 'অপৰিৱৰ্তনীয়' (unchanging) হৈ ৰ'ল, এচিয়া আগুৱাই গৈ থাকিল। বৰ্তমান সময়লৈকে এই পৰিচিত কাহিনীটো অব্যাহত ৰখাটো নিষ্প্ৰয়োজন। ঐতিহাসিক এতিয়াও এচীয় আৰু আফ্ৰিকীয় বিপ্লৱৰ পৰিধি আৰু তাৎপৰ্যৰ মূল্যায়ণ কৰাৰ স্থিতিলৈ আহিব পৰা নাই। কিন্তু এচিয়া আৰু আফ্ৰিকাৰ কোটি কোটি জনসাধাৰণক আধুনিক প্ৰযুক্তিগত আৰু ঔদ্যোগিক প্ৰক্ৰিয়াসমূহৰ প্ৰসাৰে আৰু শিক্ষা আৰু ৰাজনৈতিক চেতনাৰ আৰম্ভণিয়ে সেই মহাদেশ দুখনৰ চেহেৰা পৰিৱৰ্তন কৰি আনিছে; আৰু যদিও মই ভৱিষ্যতলৈ জুমি চাব নোৱাৰো, তথাপি বিচাৰৰ এনে মাপকাঠিও মোৰ জ্ঞাত নহয় যে বিশ্ব ইতিহাসৰ পৰিপ্ৰেক্ষিতত ইয়াক এক প্ৰগতিশীল বিকাশৰ বাহিৰে আন কিবা বুলি ক'বলৈ অনুমতি দিব। এই ঘটনাবালীৰ ফলশ্ৰুতি হিছাপে পৃথিৱীৰ পৰিবৰ্তিত আকাৰে (shape) বিশ্বৰ ঘটনা প্ৰৱাহত নিশ্চিতভাৱে এইখন দেশ আৰু সম্ভৱতঃ সামগ্ৰিকভাবে গোটেই ইংৰাজী ভাষী দেশবোৰৰ গুৰুত্বৰ (weight) ক্ষেত্ৰত এক আপেক্ষিক অৱনতি ঘটাইছে। কিন্তু আপেক্ষিক অৱনতি মানেই চূড়ান্ত অৱনতি নহয়; আৰু মোক যিয়ে উৎকণ্ঠিত আৰু শংকিত কৰি তুলিছে সেইটো এচিয়া আৰু আফ্ৰিকাৰ প্ৰগতিৰ জয়যাত্ৰা নহয়, বৰং এই দেশৰ কৰ্তৃত্বশীল গোষ্ঠীবোৰৰ মনোভাৱ (tendency) — আৰু সম্ভৱতঃ সৰ্বত্ৰ সেই গোষ্ঠীবোৰৰ এই বিকাশসমূহৰ প্ৰতি এক অন্ধ অথবা নিৰ্বোধ দৃষ্টিপাত, সেইবোৰৰ প্ৰতি অবিশ্বাসী তাচ্ছিল্য (mistrustful disdain) আৰু অমায়িক দাক্ষিণ্যৰ মাজত দোদুল্যমান আৰু অতীত সম্বন্ধে এক বিৱশকাৰী নষ্টালজিয়াত ডুব যাবলৈ গ্ৰহণ কৰা এক দৃষ্টিভংগী দেখিহে উৎকণ্ঠিত আৰু শংকিত হৈছো।

আমাৰ কুৰি শতিকাৰ বিপ্লৱত, যাক মই যুক্তিৰ বিস্তাৰ বুলি অভিহিত কৰিছিলো, ঐতিহাসিকৰ কাৰণে তাৰ বিশেষ পৰিণাম আছিল; মূলতঃ যুক্তিৰ প্ৰসাৰে ইতিহাসত গোষ্ঠী আৰু শ্ৰেণী, জাতি আৰু মহাদেশৰ আবিৰ্ভাৱ ঘটালে যিবোৰ তেতিয়ালৈকে ইতিহাসৰ বাহিৰত ৰৈ গৈছিল। মোৰ প্ৰথম বক্তৃতাতে মই কৈছিলো যে, মধ্যযুগীয় ঐতিহাসিকসকলে মধ্যযুগক ধৰ্মৰ চশমাৰে চোৱাৰ প্ৰৱণতাটো তেওঁলোকৰ সমলৰ বিশেষ (exclusive) চৰিত্ৰতে নিহিত হৈ আছে। মই এই ব্যাখ্যাটোক আৰু অলপ আগুৱাই নিব বিচাৰো। যদিও নিঃসন্দেহে কিছু অতিৰঞ্জনা আছে, মই ভাবো যে এইটো সঠিকভাবেই কোৱা হয় যে খৃষ্টিয়ান গিৰ্জা 'মধ্যযুগৰ এটা যুক্তিবাদী অনুষ্ঠান।'* এক যুক্তিবাদী অনুষ্ঠান হিছাপে ই এক ঐতিহাসিক অনুষ্ঠানো; ইয়েই কেৱল বিকাশৰ এক যুক্তিবাদী ধাৰাৰ অধীন আছিল যিটোক ঐতিহাসিকে অনুধাৱন কৰিব পাৰিছিল। গিৰ্জায়েই ধৰ্মনিৰপেক্ষ সমাজ গঢ়িছিল আৰু পৰিচালনাও কৰিছিল, তাৰ বাহিৰে তাৰ নিজা কোনো যুক্তিবাদী জীৱন নাছিল। প্ৰাক্-ঐতিহাসিক মানৱৰ দৰেই বৃহৎ জনসাধাৰণো ইতিহাসৰ পৰিবৰ্তে প্ৰকৃতিৰহে অন্তৰ্গত আছিল। মানুহ যেতিয়া ক্ৰমে বেছি ধৰণে সামাজিক আৰু ৰাজনৈতিক চেতনাবোধেৰে উদ্ভাসিত হৈ আহিল, এক অতীত আৰু এক ভৱিষ্যত সম্বলিত নিজৰ নিজৰ গোষ্ঠীসমূহক ঐতিহাসিক সত্তাত পৰিণত কৰিলে, আধুনিক ইতিহাস তেতিয়াৰ পৰাই আৰম্ভ হ'ল আৰু তেওঁলোকে সম্পূৰ্ণভাৱে ইতিহাসত প্ৰৱেশ কৰিলে। খুব বেছি কেৱল দুশ বছৰমানৰ ভিতৰত আনকি কিছুমান উন্নত দেশতো বৃহৎ জনসাধাৰণৰ মাজত সামাজিক, ৰাজনৈতিক আৰু ঐতিহাসিক চেতনা তীব্ৰতৰভাৱে প্ৰসাৰিত হৈছে। কেৱল মাথোঁ আজি সৰ্বপ্ৰথমবাৰৰ বাবে যিসকল সম্পূৰ্ণ অৰ্থত ইতিহাসত প্ৰৱেশ কৰিছে, সেই সকলো মানুহকে সামৰি এখন সামগ্ৰিক বিশ্বৰ (whole world) কল্পনা কৰাটো সম্ভৱ হৈছে আৰু যিখন ঔপনিবেশিক প্ৰশাসক অথবা নৃতত্ত্ববিদৰ পৰিবৰ্তে ঐতিহাসিকৰ বিবেচ্য বিষয় হৈ পৰিছে।

আমাৰ ইতিহাসৰ ধাৰণাত ই এক বিপ্লৱ। অষ্টাদশ শতিকাত ইতিহাস তেতিয়াও শিৰোমণি-শ্ৰেণীৰ (élites) ইতিহাস হৈয়েই আছিল। উনবিংশ শতিকাত বৃটিছ ঐতিহাসিকসকলে খোৰাই-লেকেচিয়াই (haltingly) আৰু যন্ত্ৰণাক্লিষ্টভাৱে (spasmodically) সমগ্ৰ জাতীয় সম্প্ৰদায়ৰ ইতিহাস হিছাপে ইতিহাসৰ এক দৃষ্টিকোণৰ ফালে আগুৱাই যাবলৈ আৰম্ভ কৰিছিল। জে, আৰ, গ্ৰীণ (J.R. Green) নামৰ নিতান্তই বৈশিষ্ট্যহীন (pedestrian) ঐতিহাসিকজনে প্ৰথম প্ৰথম *হিষ্ট্ৰি অৱ্ দা ইংলিচ পিপ'ল* (ইংৰাজ মানুহৰ ইতিহাস) লেখি খ্যাতি অৰ্জন কৰিছিল। কুৰি শতিকাত প্ৰত্যেক ঐতিহাসিকেই এই দৃষ্টিভংগীৰ প্ৰতি আন্তৰিকতাহীন সমৰ্থনহে (lip-service) প্ৰদৰ্শন কৰিছিল; আৰু যদিও বৃত্তিতকৈ (profession) কৃতি (performance) পাছ পৰি

ৰৈছে, তথাপি মই এই ত্ৰুটি-বিচ্যুতিবোৰক লৈ ব্যস্ত নহ'ম, কিয়নো ইতিহাসৰ প্ৰসাৰমান দিগন্তৰ কাহিনী এই দেশখনৰ (গ্ৰেট বৃটেইন) আৰু পশ্চিম ইউৰোপৰ বাহিৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত আমাৰ ঐতিহাসিকসকলৰ বিফলতাক লৈহে মই বহুত বেছি চিন্তিত। ১৮৯৬ৰ তেওঁৰ প্ৰতিবেদনত এক্টনে বিশ্বজনীন (Universal) ইতিহাসৰ কথা কৈছিল 'যি সকলোবোৰ দেশৰ একত্ৰ (combined) ইতিহাসতকৈ পৃথক'। তেওঁ আৰু কৈছিল যে—

> 'ই এক অণুক্ৰমানুসাৰে (succession) আগবাঢ়ে, য'ত নেকি জাতিসমূহ প্ৰতিপোষক (subsidiary) হৈ পৰে। তেওঁলোকৰ কাহিনীও কোৱা হ'ব, কিন্তু তেওঁলোকৰ কাৰণে নহয়, বৰং মানব জাতিৰ উমৈহতীয়া সৌভাগ্যলৈ তেওঁলোকৰ বৰঙণিৰ সংখ্যা (time) আৰু মাত্ৰা অনুসাৰে এক উচ্চতৰ ধাৰাৰ প্ৰসংগ আৰু গৌণ বিষয় হিছাপেহে।'[১০]

তেওঁ যেনেদৰে ধাৰণা কৰিছিল, এইটো নকলেও চলে যে এক্টনৰ বাবে বিশ্বজনীন ইতিহাস কেৱল চিৰিয়াচ ঐতিহাসিকৰহে বিষয়। এই অৰ্থত বিশ্বজনীন ইতিহাসৰ প্ৰতি দৃষ্টিভংগী সুচল কৰিবলৈ বৰ্তমান আমি কি কৰি আছো?

এই বক্তৃতামালাত এই বিশ্ববিদ্যালয়ত ইতিহাস চৰ্চাৰ বিষয়ে উনুকিয়াই যাবলৈ মোৰ মুঠেই অভিপ্ৰায় নাছিল; কিন্তু যিটো মই ক'বলৈ প্ৰয়াস কৰি আছো সেইটো এয়ে যে ই মোক এনে জ্বলন্ত উদাহৰণ দাঙি ধৰিছে যে চোৰাতপাত খামুচি ধৰাটো পৰিহাৰ কৰিবলৈ গ'লে কাপুৰুষালি কৰাৰ সমতুল্যহে হ'ব। বিগত চল্লিশ বছৰত আমাৰ পাঠ্যপুথিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইতিহাসৰ বাবে যথেষ্ট স্থান দিছো। ই এক উল্লেখযোগ্য অগ্ৰগতি। কিন্তু ই ইয়াৰ লগতে ইংৰাজী ইতিহাসৰ সংকীৰ্ণতাৰ (parochialism) শক্তিবৃদ্ধিৰ (reinforcing) এক নিশ্চিত বিপদশংকা (risk) বহন কৰিছে, ইংৰাজী-ভাষী বিশ্বৰ এক অধিক সূক্ষ্ম (insidious) আৰু সমানেই বিপদজনক সংকীৰ্ণতাৰ সৈতে যি ইতিমধ্যেই আমাৰ পাঠ্যক্ৰমত এক নিষ্ঠুৰ অশৰীৰি প্ৰভাৱৰ (dead hand) দৰে চাপ সৃষ্টি কৰিছে। বিগত চাৰিশ বছৰৰ ইংৰাজী-ভাষী বিশ্বৰ ইতিহাস নিঃসন্দেহে ইতিহাসৰ এক মহান যুগ। কিন্তু ইয়াক বিশ্বজনীন ইতিহাসৰ মধ্যমণি (centre-piece) বুলি আৰু বাকী সকলোবোৰকে ইয়াৰ প্ৰান্তীয় (peripheral) বুলি গণ্য কৰাটো প্ৰেক্ষাপটটোৰ এক প্ৰকাৰৰ অশুভ বিকৃতি হ'ব। এইধৰণৰ প্ৰচলিত (popular) বিকৃতিবোৰ সংশোধন কৰাটোৱেই বিশ্ববিদ্যালয় এখনৰ কৰ্তব্য। এই বিশ্ববিদ্যালয়ৰ আধুনিক ইতিহাস বিভাগ এই কৰ্তব্য পালনত খুব আশব্যঞ্জক নহয় যেন লাগে। ইংৰাজীৰ ওপৰিও কোনো আধুনিক ভাষাৰ যথাৰ্থ জ্ঞান নোহোৱা প্ৰাৰ্থীক এখন ডাঙৰ বিশ্ববিদ্যালয়ত ইতিহাসৰ অনাৰ্চত ভৰ্তি হ'বলৈ অনুমতি দিয়াটো নিশ্চিতভাৱে ভুল; প্ৰাচীন আৰু সন্মানীয় দৰ্শন শৃংখলাত যেতিয়া তাৰ প্ৰয়োগকৰ্তাসকলে (practitioners) এই সিদ্ধান্তলৈ আহিছিল

যে প্ৰাত্যহিক (everyday) গতানুগতিক (plain) ইংৰাজী ব্যৱহাৰ কৰিয়েই তেওঁলোকে সুন্দৰভাৱে কাম চলাব পাৰিব, তেতিয়া অক্সফোৰ্ডত যি ঘটিছিল সেইটোক সতৰ্কবাণী হিচাপে গ্ৰহণ কৰিব লাগিব। যিকোনো মহাদেশীয় ইউৰোপীয় দেশৰ ইতিহাস অধ্যয়নৰ ক্ষেত্ৰত পাঠ্যপুথিৰ স্তৰতকৈ উন্নত ধৰণৰ সা-সুবিধা প্ৰাৰ্থীক নিদিয়াটো নিঃসন্দেহে ভুল। এচিয়া, আফ্ৰিকা অথবা লেটিন আমেৰিকাৰ ঘটনাৱলী সম্পৰ্কে কিছু জ্ঞান থকা প্ৰাৰ্থীয়ে ঐশ্বৰ্যশালী উনবিংশ শতিকাৰ কীৰিতিৰ পাখি (panache) বুলি অভিহিত কৰা 'ইউৰোপৰ সম্প্ৰসাৰণ' শীৰ্ষক প্ৰশ্নকাকত এখনত বৰ্তমান তেওঁৰ জ্ঞান প্ৰদৰ্শন কৰাৰ নিচেই সীমিত সুবিধাহে পাব। শিৰোনামাটো দুৰ্ভাগ্যজনকভাৱে বক্তব্যৰ লগত খাপ খাই পৰাই ঃ ইউৰোপীয়সকলে সেইবোৰ দেশ অধিকাৰ কৰি লওঁতে যি ঘটিছিল, তাৰ বাহিৰে আনকি এক গুৰুত্বপূৰ্ণ আৰু সাক্ষ্য-প্ৰমাণ সম্বলিত চীন বা পাৰস্যৰ বিষয়ে কোনো কথাকেই জানিবলৈ ছাত্ৰজনক সুবিধা দিয়া (invited) নহয়। মোক জানিবলৈ দিছে যে, এই বিশ্ববিদ্যালয়ত ৰাচিয়া, পাৰস্য আৰু চীনৰ সম্পৰ্কে বক্তৃতা দিয়া হয়,— কিন্তু ইতিহাসৰ অধ্যাপকৰ দ্বাৰা নহয়। পাঁচ বছৰৰ পূৰ্বে চীনা ভাষাৰ অধ্যাপকজনে তেওঁৰ উদ্বোধনী ভাষণত 'চীনক মানৱ ইতিহাসৰ ঘাইসুঁতিৰ বাহিৰৰ বুলি গণ্য কৰিব নোৱাৰি'[11] বুলি প্ৰকাশ কৰা বিশ্বাসটো কেম্ব্ৰীজৰ ঐতিহাসিকবৃন্দৰ বধিৰ কাণত নোসোমাল। যিখন গ্ৰন্থ ভৱিষ্যতে মহৎ ঐতিহাসিক কৰ্ম বুলি সঠিকভাৱেই গণ্য হ'ব পাৰে, বিগত দশকটোত কেম্ব্ৰীজত সৃষ্টি হোৱা সেইখন গ্ৰন্থ কিন্তু সম্পূৰ্ণভাৱে ইতিহাস বিভাগৰ বাহিৰত ইয়াৰ কোনো সহায় নোহোৱাকৈ লেখা হৈছিল ঃ মই ডঃ নীধামৰ (Dr. Needham) *Science and Civilization in China (চীনত বিজ্ঞান আৰু সভ্যতা)* শীৰ্ষক গ্ৰন্থখনৰ কথা কৈছো। এয়া এক সুবিবেচনাপূৰ্ণ চিন্তা। মই এই ঘৰুৱা ঘা-বোৰ ৰাইজৰ আগত ফাদিল কৰি দিয়াটো উচিত হোৱা নাই, কিন্তু এই কাৰণেই কৰিছো যে মই সেইবোৰক কুৰি শতিকাৰ মধ্যভাগৰ বৃটিছ বিশ্ববিদ্যালয়বোৰ আৰু বৃটিছ বুদ্ধিজীৱিসকলৰ সৰহ ভাগৰে সাধাৰণ বৈশিষ্ট্য বুলিয়েই ভাবোঁ। '(ইংলিচ) চেনেলত ধুমুহা— বিচ্ছিন্ন মহাদেশ'— ভিক্টোৰীয় নিঃসংগতা (insularity) সম্পৰ্কে থকা বাহী হোৱা পুৰণি কৌতুকটো যেন অস্বস্তিকৰভাৱে আজিও প্ৰাসংগিক। সিপাৰৰ পৃথিৱীখনক পুনৰ ধুমুহাই কোবাইছে; আৰু আমি ইংৰাজী-ভাষী দেশবোৰত একেলগে কোঁচ-মোচ খাই সাধাৰণ গতানুগতিক ইংৰাজীতে নিজকে নিজে কৈছো যে অন্যবোৰ দেশ আৰু মহাদেশ তেওঁলোকৰ অদ্ভুত আচৰণৰ বাবে আমাৰ সভ্যতাৰ প্ৰসাদ আৰু আশীৰ্বাদৰ পৰা বিচ্ছিন্ন, কেতিয়াবা আমাৰ বুজাৰ অক্ষমতা অথবা অনিচ্ছাৰ কাৰণে এইটো এনে যেন লাগে যে পৃথিৱীখনত বাস্তৱিকতে যি ঘটি আছে, আমি যেন তাৰ পৰা নিজকে বিচ্ছিন্ন কৰি লৈছো।

মোৰ প্ৰথম বক্তৃতাটোৰ আৰম্ভণি বাক্য কেইটাত ঊনৈশ শতিকাৰ শেষৰ বছৰবোৰৰ লগত কুৰি শতিকাৰ মাজৰ বছৰবোৰক পৃথকাই চোৱাৰ দৃষ্টিভংগীৰ তীব্ৰ পাৰ্থক্যৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছিলো। সামৰণিত মই এই বৈপৰীত্যক আৰু স্পষ্টতৰ কৰাৰ যত্ন কৰিম; আৰু এই প্ৰসংগত মই যদি 'লিবাৰেল' আৰু 'সংৰক্ষণশীল' শব্দ দুটা প্ৰয়োগ কৰো, মই যে সেইটো বুটিছ ৰাজনৈতিক দল দুটাৰ নামানুসাৰে লেবেল ব্যৱহাৰ কৰা নাই বুলি ততালিকেই বুজি পাব। এক্টনে যেতিয়া প্ৰগতিৰ কথা কৈছিল, তেওঁ জনপ্ৰিয় বৃটিছ ধাৰণা ক্ৰমান্বয়বাদৰ (gradualism) ধাৰণাৰ অৰ্থত চিন্তা কৰা নাছিল। ১৮৮৭ চনৰ চিঠি এখনৰ 'বিপ্লৱ অথবা আমি কোৱা লিবাৰেলিজ্‌ম' এটা চকুত পৰা খণ্ডবাক্য। তাৰ দহ বছৰৰ পাছত আধুনিক ইতিহাস সম্পৰ্কীয় বক্তৃতা এটাত তেওঁ কৈছিল যে 'আধুনিক প্ৰগতিৰ পদ্ধতিটো আছিল বিপ্লৱ'; আৰু আন এটা বক্তৃতাত তেওঁ 'সাধাৰণ ধ্যান-ধাৰণাৰ অভ্যুদয় (advent) যাক আমি বিপ্লৱ বুলি কওঁ' বুলি কৈছিল। তেওঁৰ অপ্ৰকাশিত টোকাৰ পাণ্ডুলিপিসমূহৰ এটাত তেওঁ এইটো কথা কৈছিল যে ঃ 'হুইগসকলে আপোচেৰে শাসন কৰিছিল ঃ লিবাৰেলসকলে চিন্তা-ধাৰণাৰ (ideas) ৰাজত্ব আৰম্ভ কৰিছিল।'[১২] এক্টনে বিশ্বাস কৰিছিল যে 'চিন্তা-ধাৰণাৰ ৰাজত্ব' মানেই লিবাৰেলিজম আৰু সেই লিৱাৰেলিজম অৰ্থ— বিপ্লৱ। এক্টনৰ সময়ত লিবাৰেলিজমে সামাজিক পৰিবৰ্তনৰ এক চালিকা শক্তি (dynanic) হিছাপে ইয়াৰ শক্তি নিঃশেষ কৰা নাছিল। আমাৰ দিনত লিবাৰেলিজমৰ যি অৱশেষ ৰৈছেগৈ সি সৰ্বত্ৰ সমাজত এক সংৰক্ষণশীল উপাদানত পৰিণত হৈছে। আজি আৰু এক্টনৰ যুগলৈ প্ৰত্যাবৰ্তন কৰাৰ উপদেশ দিয়াটো অৰ্থহীন হ'ব। কিন্তু এক্টনৰ স্থিতি ক'ত আছিল সেইটো নিশ্চিত কৰাটো ঐতিহাসিকৰ প্ৰথম কৰ্তব্য হ'ব, দ্বিতীয়তে, সমসাময়িক চিন্তাবিদৰ লগত তেওঁৰ স্থানক (position) ৰিজাই চাব লাগিব আৰু তৃতীয়তে, তেওঁৰ অৱস্থানৰ কোনবোৰ উপাদান (elements) আজিও প্ৰাসংগিক (valid) সেইটো অনুসন্ধান কৰা। এক্টনৰ প্ৰজন্ম নিঃসন্দেহে আত্ম-বিশ্বাস আৰু আশাবাদৰ আত্মম্ভৰিতাত (overweening) ভুগিছিল আৰু যি বিশ্বাসৰ আধাৰত ই আধাৰিত আছিল, সেই কাঠামোটোৰ সংকটজনক চৰিত্ৰটো যথোচিতভাৱে উপলব্ধি কৰিব নোৱাৰিছিল। কিন্তু ই দুটা বস্তুৰ অধিকাৰী আছিল, যি দুটা আজিও আমাৰ অত্যন্ত প্ৰয়োজন ঃ ইতিহাসৰ প্ৰগতিশীল উপাদান হিছাপে পৰিবৰ্তনৰ এক ধাৰণা (sense) আৰু ইয়াৰ জটিলতাসমূহ বুজি পাবৰ কাৰণে আমাৰ দিগ্‌দৰ্শী (guide) হিছাপে যুক্তিৰ ওপৰত বিশ্বাস।

এতিয়া আমি ১৯৫০ৰ দশকৰ কিছু অভিমতলৈ (voices) মনোযোগ দিওঁ। পূৰ্বৰ বক্তৃতা এটাত মই চাৰ লেউইচ নেমিয়েৰৰ (Lewis Namier) সন্তুষ্টি প্ৰকাশক 'নিৰ্দিষ্ট সমস্যাবলীৰ' (concrete problems) যিহেতু 'কাৰ্যকৰী সমাধান' (practical

solutions) বিচৰা হৈছিল, 'দুয়োপক্ষই কৰ্মসূচী আৰু আদৰ্শাবলী পাহৰি যায়' আৰু ইয়াক 'জাতীয় পৰিপক্কতা'ৰ'[১৩] লক্ষণ হিছাপে তেওঁৰ বৰ্ণনা উদ্ধৃত কৰিছিলো। ব্যক্তিৰ জীৱন-কালৰ (life-span) লগত জাতিৰ জীৱন-কালৰ এইবোৰ তুলনা (analogies) কৰা মই পচন্দ নকৰো; আৰু তেনে এক তুলনা যদি কৰাও হয়, তেন্তে ই এইটো সুধিবলৈ প্ৰলোভিত কৰে যে আমি যেতিয়া 'পৰিপক্কতাৰ' (maturity) স্তৰ অতিক্ৰম কৰিম, তাৰ পিছত কি হ'ব। কিন্তু ব্যৱহাৰিক আৰু নিৰ্দিষ্ট,— যিটো বন্দিত,—'কৰ্মসূচী আৰু আদৰ্শবলী',— যিটো নিন্দিত,— এই দুটাৰ মাজৰ তীব্ৰ পাৰ্থক্যটোৱেহে মোৰ আগ্ৰহ উদ্ৰেক কৰে। আদৰ্শভিত্তিক তত্ত্ব সৃষ্টিৰ ওপৰত কাৰ্যকৰী কৰ্মক স্থান দিয়াটো অৱশ্যে ৰক্ষণশীলতাৰ (conservatism) উৎকৃষ্ট প্ৰমাণ। নেমিয়েৰৰ চিন্তাত এক্টনৰ বিপ্লৱ আৰু চিন্তা-ধাৰণাৰ ৰাজত্বৰ আসন্ন আৰম্ভণিৰ বিৰুদ্ধে ই ওঠৰ শতিকাৰ, তৃতীয় জৰ্জৰ সিংহাসনাৰোহণৰ সময়ৰ ইংলেণ্ডৰ অভিমতৰ প্ৰতিনিধিত্ব কৰিছে। কিন্তু দেখ্‌দেখ্‌কৈ অভিজ্ঞতাবাদৰ (empiricism) ৰূপত ৰক্ষণশীলতাৰ সেই একেই প্ৰকাশ আমাৰ সময়তো অতিপাত জনপ্ৰিয়। আটাইতকৈ জনপ্ৰিয় ৰূপত ইয়াক অধ্যাপক ট্ৰেভৰ ৰোপৰৰ মন্তব্যত পোৱা যায় যে 'তেওঁলোকৰ বিজয় অনিবাৰ্য বুলি যেতিয়া ৰেডিকেলসকলে চিএঞৰ-বাখৰ কৰেঁ, সংবেদনশীল (sensible) ৰক্ষণশীলসকলে তেওঁলোকৰ নাকত লথিয়াই।'[১৪] অধ্যাপক ওকৃশ্বতে আমাৰ বাবে এই চৌখিন অভিজ্ঞতাবাদৰ এটা আৰু অধিক মাৰ্জিত সংস্কৰণ আগবঢ়াইছে: তেওঁ কৈছে যে আমাৰ ৰাজনৈতিক সমস্যাবোৰত (concerns) আমি 'এক অসীম আৰু অতল সমুদ্ৰত পাল তৰি দিওঁ' য'ত 'কোনো সূচনা বিন্দু অথবা পূৰ্বনিৰ্দিষ্ট গন্তব্য স্থল নাই' আৰু য'ত আমাৰ একমাত্ৰ লক্ষ্য হ'ব পাৰে 'এক মসৃণ নৌকাৰ পিঠিত নিজকে ভহাই ৰখা।'[১৫] যিসকল সাম্প্ৰতিক লেখকে ৰাজনৈতিক 'কল্পৰাজ্যবাদ' (utopianism) আৰু 'অৱতাৰবাদ'ক (messianism) গৰিহণা দিছে, মই সেইসকলৰ তালিকা দীঘল কৰাৰ প্ৰয়োজন আছে বুলি নেভাবোঁ; সমাজৰ ভৱিষ্যত সম্পৰ্কে সুদূৰপ্ৰসাৰী ৰেডিকেল ধ্যান-ধাৰণাৰ প্ৰতি এইবোৰেই বৰ্তমান প্ৰচলিত তিৰস্কাৰ হৈ পৰিছে। যুক্তৰাষ্ট্ৰৰ সাম্প্ৰতিক ধাৰাসমূহৰ বিষয়েও মই আলোচনা কৰাৰ কোনো প্ৰয়াস নকৰো, য'ত ৰক্ষণশীলতাৰ প্ৰতি মুকলিকৈ তেওঁলোকৰ আনুগত্য ঘোষণা কৰাৰ ক্ষেত্ৰত এইখন দেশৰ (গ্ৰেট বৃটেইনৰ) সতীৰ্থসকলতকৈ ঐতিহাসিক আৰু ৰাজনৈতিক তত্ত্ববিদসকলৰ মানসিক বাধা-নিষেধ (inhibitions) তুলনামূলকভাৱে যথেষ্ট পৰিমাণে কম। মই আমেৰিকাৰ আটাইতকৈ বিশিষ্ট আৰু আটাইতকৈ নৰমপন্থী (moderate) ৰক্ষণশীল ঐতিহাসিকসকলৰে এজন, হাৰ্ভাডৰ অধ্যাপক চেমুৱেল মৰিচনৰ (Samuel Morison) কেৱল এটা মন্তব্য উদ্ধৃত কৰিম, যি ১৯৫০ চনৰ ডিচেম্বৰ মাহত আমেৰিকাৰ ঐতিহাসিক সন্মিলনৰ (American Historical Association) সভাপতিৰ ভাষণত

লক্ষ্য কৰিছিল যে,— 'জেফাৰচন-জেকচন- এফ, ডি, ৰুজভেল্টৰ ধাৰা'ৰ (line) (যাক তেওঁ সেইবুলিয়েই অভিহিত কৰিছিল) বিৰুদ্ধে প্ৰতিক্ৰিয়া প্ৰকাশৰ সময় সমাগত হৈছে আৰু 'এক সুস্থ ৰক্ষণশীল দৃষ্টিভংগীৰে লেখা'[১৬] আমেৰিকা যুক্তৰাষ্ট্ৰৰ এখন ইতিহাসৰ পক্ষে ওকালতি কৰিছিল।

কিন্তু অধ্যাপক পপাৰেহে অন্ততঃ গ্ৰেট বৃটেইনত আকৌ এবাৰ আটাইতকৈ স্পষ্টতম্ আৰু আটাইতকৈ আপোচবিহীন ৰূপত এই সতৰ্কিত ৰক্ষণশীল দৃষ্টিভংগী প্ৰকাশ কৰিছিল। নেমিয়েৰৰ 'কৰ্মসূচী আৰু আদৰ্শ'ৰ প্ৰত্যাখানক প্ৰতিধ্বনিত কৰি তেওঁ সেইবোৰ নীতিক (policies) আক্ৰমণ কৰিছে, অভিযোগ কৰা মতে যিবোৰৰ লক্ষ্য হ'ল 'এক নিৰ্দিষ্ট পৰিকল্পনা অনুসৰি 'সমগ্ৰ সমাজকে' পুনৰনিৰ্মাণ কৰা', প্ৰশংসা কৰিছে সেইখিনিক, যাক তেওঁ 'খণ্ডিত (piecemeal) সামাজিক ইঞ্জিনিয়াৰিং' বুলি অভিহিত কৰিছিল আৰু 'খণ্ডিত মেৰামতি' (piecemeal tinkering) আৰু 'বিভ্ৰান্তিৰ মাজেদিয়েই সমাধান কৰা'ৰ'[১৭] অভিযোগৰ পৰাও প্ৰত্যক্ষভাৱে আঁতৰি অহা নাছিল। বাস্তৱিকতে, এটা কথাৰ বাবে মই অধ্যাপক পপাৰক সন্মান যাচিবই লাগিব। তেওঁ যুক্তিৰ এজন বলিষ্ঠ সমৰ্থক হৈ ৰৈছে আৰু অযুক্তিবাদৰ অতীত বা বৰ্তমানৰ বিনোদ-ভ্ৰমণত (excursions) চামিল নহয়। কিন্তু আমি যদি তেওঁৰ 'খণ্ডিত সামাজিক ইঞ্জিনিয়াৰিঙ'ৰ বিধানলৈ চাওঁ, তেতিয়া আমি দেখিম যে তেওঁ যুক্তিৰ কাৰণে যি ভূমিকা ন্যস্ত কৰিছে, সেয়া কিমান সীমিত। যদিও তেওঁৰ 'খণ্ডিত ইঞ্জিনিয়াৰিঙ'ৰ সংজ্ঞা বৰ বেছি স্পষ্ট (precise) নহয়, আমাক বিশেষভাৱে কৈ দিয়া হৈছে যে, 'লক্ষ্য'ৰ সমালোচনা পৰিহাৰ কৰা হৈছে; আৰু বৈধ কামকাজসমূহৰ তেওঁ যিবোৰ সতৰ্ক দৃষ্টান্ত দিছে,— 'সাংবিধানিক সংস্কাৰ' আৰু 'আয়ৰ এক অধিকতৰ সমতাৰ দিশৰ প্ৰতি এক প্ৰৱণতা',— এইবোৰে সৰলভাৱে ইয়াকে দেখুৱায় যে, ই আমাৰ বৰ্তমানৰ সমাজৰ ধ্যান-ধাৰণাসমূহৰ মাজতেই কাম-কাজ কৰিব।[১৮] অধ্যাপক পপাৰৰ আঁচনি (scheme) অনুসৰি যুক্তিৰ স্থান বাস্তৱিকতে এজন বৃটিছ অসামৰিক বিষয়াৰ (civil servant), ক্ষমতাসীন চৰকাৰৰ নীতি অনুসৰি শাসন চলাবলৈ উপযুক্ত (qualified) আৰু আনকি সেইখিনিক অধিক কাৰ্যক্ষম কৰি তুলিবলৈ কাৰ্যকৰী উৎকৰ্ষ সাধনৰো পৰামৰ্শ দিব পাৰে, কিন্তু সেইবোৰৰ মৌলিক পূৰ্বনিৰ্ণয়সমূহ (presuppositions) অথবা চূড়ান্ত উদ্দেশ্য সম্পৰ্কে কোনো প্ৰশ্ন কৰিব নোৱাৰিব। এয়া কামত অহা কামেই ঃ মোৰ সময়ত ময়ো এজন অসামৰিক বিষয়া আছিলো। কিন্তু যুক্তিক প্ৰচলিত ব্যৱস্থাৰ পূৰ্বধাৰণাসমূহৰ বহতীয়া কৰাটো শেষ বিচাৰত সম্পূৰ্ণভাৱেই অগ্ৰহণীয়। বিপ্লৱ=লিবাৰেলিজম=ধ্যান-ধাৰণাৰ ৰাজত্ব,— এক্টনে এই সমীকৰণটো উত্থাপন কৰাৰ সময়ত যুক্তিৰ কথা এনেদৰে ভবা নাছিল। বিজ্ঞান বা ইতিহাস অথবা সমাজেই হওক, যি ধৰণে কামবোৰ কৰা হৈছে, সেইবোৰৰ খণ্ডিত উৎকৰ্ষৰ সন্ধানতে

তেওঁলোকক আবদ্ধ নাৰাখি ঘাইকৈ মানুহৰ বলিষ্ঠ প্ৰস্তুতিৰ মাধ্যমেৰেই মানুহৰ ক্ষেত্ৰত প্ৰগতি আহিছে, কাম কৰাৰ প্ৰচলিত ধাৰা আৰু প্ৰকাশ্য অথবা গোপন যিবোৰ ধাৰণাৰ ওপৰত ই আধাৰিত, তাৰ বিৰুদ্ধে মৌলিক প্ৰত্যাহ্বান আগবঢ়াইহে প্ৰগতি আহিছে। মই এনে এটা সময়ৰ প্ৰতীক্ষাত আছো, যেতিয়া ইংৰাজী-ভাষী বিশ্বৰ ঐতিহাসিক আৰু সমাজতাত্ত্বিক তথা ৰাজনৈতিক চিন্তাবিদসকলে সেই কামৰ বাবে সাহস ঘূৰাই পাব।

অৱশ্যে ইংৰাজী-ভাষী বিশ্বৰ বুদ্ধিজীৱি আৰু ৰাজনৈতিক চিন্তাবিদসকলৰ মাজত যুক্তিৰ প্ৰতি বিশ্বাস নিস্তেজ হৈ অহাটোৱে মোক আটাইতকৈ বিচলিত কৰা নাই, বৰং এক বিশ্বৰ পৰিব্যাপ্ত ধাৰণাটো হেৰাই যোৱাটো চিৰন্তনভাৱে গতিশীল হৈ পৰাটোতহে বিচলিত হৈছো। প্ৰথম দৃষ্টিত ইয়াক বিৰোধাভাস (paradoxical) যেন লাগে; কাৰণ আমাৰ চৌপাশৰ পৰিৱৰ্তনসমূহ সম্পৰ্কে ইয়াৰ আগেয়ে ইমান বেছি তৰল (superficial) আলোচনা শুনা নগৈছিল। কিন্তু তাৎপৰ্যপূৰ্ণ কথাটো এয়ে যে, পৰিৱৰ্তনক এতিয়া আৰু সাফল্য, সুযোগ, প্ৰগতি হিছাপে ভবা নহয়, বৰং ভয়ৰ কাৰণ বুলিহে ভবা হয়। যেতিয়া আমাৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক পণ্ডিতবৃন্দই বিধান দিয়ে, ৰেডিকেল আৰু সুদূৰপ্ৰসাৰী ধ্যান-ধাৰণাক অবিশ্বাস কৰিবলৈ, বিপ্লৱৰ গোন্ধ থকা সকলোবোৰ পৰিত্যাগ কৰিবলৈ আৰু যদি আগুৱাই যাব লগা হয়, যিমান মন্থৰ গতিৰে সম্ভৱ সিমান মন্থৰ গতিৰে আৰু সতৰ্কতাৰে আগবাঢ়িবলৈ সতৰ্কবাণী শুনায়। এনে এক মুহূৰ্তত, যেতিয়া পৃথিৱীখন বিগত ৪০০ বছৰৰ যিকোনো এটা সময়তকৈ অধিক দ্ৰুতভাৱে আৰু অধিক ৰেডিকেলি ইয়াৰ গঢ় সলনি কৰি আনিছে, এইটোক মোৰ একক অন্ধতা যেন লাগিছে, যিয়ে শংকাৰ যুক্তি দাঙি ধৰে,— এই কাৰণে নহয় যে বিশ্বব্যাপ্ত আন্দোলনটোক স্থবিৰ কৰি দিব, বৰং এইখন দেশ,— আৰু সম্ভৱতঃ আন ইংৰাজী-ভাষী দেশসমূহ— সাধাৰণ অগ্ৰগতিত পিছ পৰি ৰ'ব আৰু অসহায়ভাৱে আৰু অভিযোগবিহীনভাৱে কোনো নষ্টালজিক ওভতনি পানীত পতিত হৈ ৰ'ব। মই নিজে এজন আশাবাদী হৈয়েই ৰৈছো; আৰু যেতিয়া চাৰ লেউইচ নেমিয়েৰে মোক কৰ্মসূচী আৰু আদৰ্শ বিসৰ্জন দিবলৈ সঁকিয়াই আৰু অধ্যাপক ওক্শ্বতে যেতিয়া মোক কয় যে আমি কোনো নিৰ্দিষ্ট স্থানলৈ গৈ থকা নাই আৰু মন কৰিবলগীয়া কথা এইটোহে যে কোনেও যাতে নাওখন নুডুবায় আৰু অধ্যাপক পপাৰে যেতিয়া মৰমৰ পুৰণা টি-মডেলৰ গাড়ীখনকেই সামান্য খণ্ডিত ইঞ্জিনিয়াৰিঙেৰে ৰাস্তাত চলাই থাকিবলৈ বিচাৰে আৰু অধ্যাপক ট্ৰেভৰ ৰোপাৰে চিএৰ মৰা ৰেডিকেলইঁতৰ নাকত লথিয়াই আৰু অধ্যাপক মৰিচনে সুস্থ ৰক্ষণশীল আদৰ্শৰে ইতিহাস লেখাৰ ওকালতি কৰে, মই তেতিয়া এখন বিক্ষুব্ধ বিশ্বলৈ আৰু এখন প্ৰসৱযন্ত্ৰণাকাতৰ পৃথিৱীৰ ফালে চাই পঠিয়াম আৰু উত্তৰ দিম এজন মহান বৈজ্ঞানিকৰ বহুজীৰ্ণ কথাৰে ঃ 'আৰু তথাপি ই (পৃথিৱী) গৈয়েই আছে।'

সাত

পাদটীকা

(পাদটীকাত উল্লেখ কৰা গ্ৰন্থ আৰু গ্ৰন্থকাৰৰ নামবোৰৰ অসমীয়া অনুবাদ অথবা লিপ্যন্তৰ পৰিহাৰ কৰি মূলৰ ৰূপটোকে ৰখা হৈছে— অনুবাদক)

(এক) ঐতিহাসিক আৰু তেওঁৰ তথ্য ঃ

১। *The Cambridge Modern History : Its Origin, Authorship and Production* (1907), pp. 10-12.

২। *The New Cambridge Modern History*, i (1957), pp. xxiv-xxx.

৩। ACTON, *Lectures on Modern History* (1906) p. 318.

৪। *Quoted in The Listener*, June 19, 1952, p. 992.

৫। M. MANILII ASTRONOMICON *: Liber Primus* (2nd ed., 1937) p. 87.

৬। T. PARSONS AND E. SHILS, *Towards a General Theory of Action* (3rd Ed., 1954), p. 167.

৭। LORD GEORGE SANGER, *Seventy Years a Showman* (2nd ed., 1926), pp. 188-189.

৮। These will shortly be published under the title *The Making of Victorican England.*

৯। J.B. BURY, *Selected Essays* (1930), p. 52.

১০। G. BARRACLOUGH, *History in a changing World* (1955), p. 14.

১১। LYTTON STRACHEY, *Preface to Eminent Victorians.*

১২। Quoted in G.P. GOOCH, *History and Historians in the Nineteenth Centary, p. 385;* পিছত এক্টনে ডলিঞ্জাৰৰ বিষয়ে কৈছিল যে, "মানুহে এতিয়ালৈকে পোৱা বৃহত্তম আৰোহী (induction) সিদ্ধান্তৰ ওপৰত ই তেওঁক তেওঁৰ ইতিহাসৰ দৰ্শন গঢ় দিয়াত সহায় কৰিছিল।" *(History of Freedom and Other Essays* (1907) p.. 435)

১৩। *Cambridge Modern History*, i (1902), 4.

১৪। GUSTAV STRESEMANN, *His Diaries, Letters and Papers*, i (1935), Editor's Note.

১৫। H. BUTTERFIELD, *The Whig Interpretation of History*, (1931), p. 67.

১৬। A.L. ROWSE, *The End of an Epoch* (1947), pp. 282-283.

১৭। এই বিখ্যাত আপ্তবাক্যটোৰ প্ৰসংগটো এনেধৰণৰ আছিল ঃ "প্ৰত্যেক ঐতিহাসিক বিচাৰৰ বিবোৰ অন্তৰ্নিহিত প্ৰায়োগিক প্ৰয়োজনীয়তা থাকে, সিয়ে সকলো ইতিহাসকে 'সমসাময়িক ইতিহাস'ৰ চৰিত্ৰ প্ৰদান কৰে, কাৰণ, এইদৰে বৰ্ণিত ঘটনাবলী সময়ৰ হিচাপত যিমানেই সুদূৰৰ নহওক লাগিলে, বাস্তৱিকতে ইতিহাসে বৰ্তমানৰ প্ৰয়োজন আৰু বৰ্তমানৰ পৰিস্থিতিলৈ

আঙুলিয়াই য'ত সেইবোৰ ঘটনা স্পন্দিত হৈ উঠে'। (B. Croce, History as the Story of Liberty (Engl. transl., 1941) p. 19.

১৮। *Atlantic Monthly,* October 1910, p. 528.

১৯। M. OAKESHOTT, *Experience and Its Modes* (1933) p. 99.

২০। G.M. TREVELYAN, *An Autobiography* (1949), p. 11.

২১। J. BURCKHARDT, *Judgements on History and Historians* (1959), p. 179.

২২। Introduction to J. BURCKHARDT, *Judgements on History and Historians* (1959) p. 17.

২৩। নীৎসেৰ ইতিহাসৰ দৃষ্টিভংগী তুলনা কৰক ঃ "বৃদ্ধ বয়সত বৃদ্ধ মানুহৰ পিছলৈ উভতি চোৱাৰ আৰু তেওঁৰ হিচাপ-পত্ৰ মিলোৱাৰ কামৰ ওপৰিও অতীতৰ স্মৃতিত, ঐতিহাসিক সংস্কৃতিত সান্ত্বনাৰ সন্ধান কৰা হয়।" *[Thoughts Out of Season* (Engl. transl., 1909), ii, 65-66.]

২৪। R. COLLINGWOOD, *The Idea of History* (1946), p. xii.

২৫। A. FROUDE, *Short Stadies on Great Subjects,* i (1894), 21.

২৬। *Beyond Good and Evil,* ch. i.

(দুই) সমাজ আৰু ব্যক্তি ঃ

১। *Devotions upon Emergent Occasions,* No. xvii.

২। J. S. MILL, *A System of Logic,* vii, 1.

৩। আত্মহত্যা সম্পৰ্কে তেওঁৰ সুখ্যাত অধ্যয়নত তেওঁৰ সমাজৰ পৰা অকলশৰীয়া (isolated) হৈ পৰা ব্যক্তিৰ অৱস্থা বুজাবলৈ ডাৰ্কহাইমে (Durkheim) anomie শব্দটো সৃষ্টি কৰি লৈছিল— এক অৱস্থা যিটো বিশেষকৈ আবেগিক অস্থিৰতা আৰু আত্মহত্যাৰ অনুকূল; কিন্তু তেওঁ এইটোও দেখুৱাইছিল যে, আত্মহত্যা যিকোনো পথেই সামাজিক অৱস্থাসমূহৰ পৰা স্বতন্ত্ৰ নহয়।

৪। এইটো বোধহয় উল্লেখৰ যোগ্য যে, দুয়োখন বিশ্বযুদ্ধৰ মাজৰ সময়ছোৱাত অন্য জন উল্লেখনীয় বৃটিছ কন্‌জাৰভেটিভ লেখক টি, এচ, এলিয়টেও এক অনা-বৃটিছ পশ্চাদভূমিৰ সুবিধা ভোগ কৰিবলৈ পাইছিল; ১৯১৪ চনৰ আগৰছোৱাত গ্ৰেট বৃটেইনত ডাঙৰ-দীঘল হোৱা কোনোৱেই লিবাৰেল ঐতিহ্যৰ বাধা-বাধকতাৰ (inhibiting) প্ৰভাৱৰ পৰা সম্পূৰ্ণ হাত সাৰি থাকিব পৰা নাছিল।

৫। ১৯৫০ চনৰ ২৮ আগষ্টত *The Time Literary Supplement*-অত বেনামীভাৱে প্ৰকাশ পোৱা *The Namier View of History* শীৰ্ষক প্ৰবন্ধটোত মূল সমালোচনাটো এনে ধৰণৰ আছিল ঃ 'বিশ্ব-ব্ৰহ্মাণ্ডৰ (universe) পৰা মনক উলিয়াই পেলালে বুলি ডাৰ্‌উইনক অভিযুক্ত কৰা হৈছিল; আৰু একাধিক অৰ্থত চাৰ লিউইচ ৰাজনৈতিক ইতিহাসৰ ডাৰ্‌উইন হৈ পৰিছে।'

৬। L. NAMIER, *Personalities and Powers* (1955), pp. 5,7.

৭। এইক্ষেত্ৰত মই *Die Idee der Staatsräson* (ৰাষ্ট্ৰীয় অস্তিত্বৰ ধাৰণা) গ্ৰন্থখনৰ ১৯৫৭ চনত Machiavellism শিৰোনামাৰে প্ৰকাশিত ইংৰাজী অনুবাদ এটাৰ পাতনিত মেইন্‌কেৰ বিকাশ সম্পৰ্কে ড° ডব্লিউ ষ্টাৰ্কৰ উৎকৃষ্ট বিশ্লেষণটিৰ ওচৰত ঋণী ; ড° ষ্টাৰ্ক সম্ভৱতঃ

মেইন্‌কেৰ তৃতীয়টো যুগৰ (period) অতি-যৌক্তিক (super-rational) উপাদানটো অতিৰঞ্জিত কৰিছে।

৮। H. BUTTERFIELD, *The Whig Interpretation of History* (1931); ৫৭ পৃষ্ঠা গ্ৰন্থকাৰে 'বিমূৰ্ত যুক্তি'ৰ 'এক স্বাস্থ্যকৰ ধৰণৰ অনাস্থা'ৰ কথা স্বীকাৰ কৰিছে।

৯। H. BUTTERFIELD, *The Whig Interpretation of History* (1931) pp. II, 31-32.

১০। H. BUTTERFIELD, *The Englishman and his History* (1944), pp. 2, 4-5.

১১। ৰোমান সাম্ৰাজ্যৰ পতনোন্মুখ (twilight) অৱস্থাত মাৰ্কাচ অৰেলিয়াচে (Marcus Aurelius) নিজকে এই চিন্তাৰে সান্ত্বনা দিছিল যে 'বৰ্তমানে ঘটি থকা সকলোবোৰ ঘটনাই অতীততো ঘটিছিল আৰু ভৱিষ্যতেও ঘটিব' *(To Himself*, X, 27); এইটো কথা সৰ্বজনবিদিত যে টয়নবীয়ে ধাৰণাটো স্পেংলাৰৰ (Spengler) *Decline of the West*-অৰ পৰা লৈছিল।

১২। *Preface*, dated December 4, 1934, to *A History of Europe*.

১৩। ACTON, *Lectures on Modern History* (1906), p. 33.

১৪। *American Historical Review*, lvi, No. 1 (January 1951), p. 270.

১৫। C.V. WEDGWOOD, *The King's Peace* (1955), p. 17.

১৬। A.L. ROWSE, *The England of Elizabeth* (1950), pp. 261-262, 382, এইটো আঙুলিয়াই দিয়া সমীচিন হ'ব যে, আগৰ ৰচনা এখনত মিঃ ৰাউজে সেইসকল ঐতিহাসিক নাকচ (condemned) কৰিছিল, যিসকল "ঐতিহাসিকে ভাবিছিল যে, পঞ্চম হেন্‌ৰীৰ প্ৰধানমানি বগা পতাকা এখনৰ প্ৰতি থকা আকৰ্ষণৰ কাৰণেই ১৮৭০ চনৰ পাছত বুৰ্বনসকলে ফ্ৰান্সত ৰাজতন্ত্ৰৰ পুনৰ প্ৰতিষ্ঠা কৰিবলৈ বিফল হৈছিল *[The End of an Epoch (1949), p. 275]*; বোধহয় তেওঁ ইংৰাজৰ ইতিহাসৰ কাৰণে তেনেধৰণৰ ব্যক্তিগত ব্যাখ্যা সংৰক্ষণ (reserves) কৰি ৰাখিছে।

১৭। I. BERLIN, *Historical Inevitability* (1954), p. 42.

১৮। তথাপি এই ভ্ৰান্তিৰ কাৰণে আধুনিক মনস্তত্ত্ববিদসকলক জগৰীয়া কৰা হয় : "গোষ্ঠী (group) হিছাপে মনস্তত্ত্ববিদসকলে ব্যক্তিক এক ক্ৰিয়াশীল সামাজিক পদ্ধতিত এক একক হিছাপে গণ্য নকৰে, কিন্তু বৰং মানৱ সত্তা হিচাবেহে গণ্য কৰে যি তাৰ পিছত সামাজিক ব্যৱস্থা গঠন কৰাৰ দিশত আগুবাই যোৱা বুলি ধাৰণা কৰি লোৱা হয়। যি ক্ষেত্ৰত তেওঁলোকৰ গোষ্ঠীবোৰ (categories) বিমূৰ্ত, সেয়ে তেওঁলোকে যথোপযুক্তভাবে, সেই বিশেষ অৰ্থত তেওঁলোকক ধৰ্তব্য বুলি গণ্য নকৰে।" [PROFESSOR TALCOTT PARSONS in the Introduction to *Max Weber, The Theory of Social and Economic Organizations* (1947), p. 27]; ......এইখন গ্ৰন্থৰ...... পৃষ্ঠাত ফ্ৰয়দৰ মন্তব্যও চাওক।

১৯। *Home and Foreign Review*, January, 1863, p. 219.

২০। হাৰ্বাট স্পেন্‌চাৰে (Herbert Spencer) তেওঁৰ *The Study of Sociology* গ্ৰন্থৰ দ্বিতীয় অধ্যায়ত তেওঁৰ আটাইতকৈ গাম্ভীৰ্যপূৰ্ণ ষ্টাইলত এই ধাৰণাটো বহলাই ব্যাখ্যা কৰিছে : "আপুনি যদি কাৰোবাৰ মানসিক সামৰ্থ্য মোটামুটিভাৱে জুখি চাব খোজে, তেনেহলে তেওঁৰ কথোপকথনৰ মাজত বিভিন্ন ব্যক্তিত্ব সম্পৰ্কে সাধাৰণীকৰণৰ অনুপাত পৰ্যবেক্ষণ কৰাতকৈ আন একো বেছি ভাল ব্যৱস্থা হ'ব নোৱাৰে,— ব্যক্তি সম্পৰ্কে সৰল সত্যক

কিমান পৰিমাণে মানুহ আৰু বস্তুৰ সম্পৰ্কে আয়ত্ব কৰা অলেখ অভিজ্ঞতাৰ পৰা আহৰণ কৰা সত্যৰ দ্বাৰা নিৰূপণ কৰে সেইটোৱেই জোখ লোৱাৰ উত্তম উপায়। আৰু যেতিয়া আপুনি এইদৰে বহুজনৰ জোখ লয়, তেতিয়া আপুনি দেখিব যে অ'ত-ত'ত দুই এজনেহে মানুহৰ কাৰ্যাবলীৰ জীৱনীকেন্দ্ৰিক দৃষ্টিভংগীতকৈ সুকীয়া আন দৃষ্টিভংগী গ্ৰহণ কৰিছে।"

২১। H.R. TREVOR-ROPER, *Historical Essays* (1957), p. 281.

২২। MARX-ENGELS : *Gesamtausgabe* (ৰচনা সমগ্ৰ) I, iii, 625.

২৩। *History of the French Revolution,* III, iii, ch. I.

২৪। LENIN, *Selected works,* vii, 295.

২৫। CLARENDON, *A Brief View of Survey of the Dangerous of Pernicious Errors to Church of State in Mr. Hobbes' Book entitled Leviathan* (1676), p. 320.

২৬। L. TOLSTOY, *War and Peace,* ix, ch. I.

২৭। H. BUTTERFIELD, *The Englishman and His History* (1944), p. 103.

২৮। Quoted in B.W. TUCHMAN, *The Timmermann Telegram* (N.Y., 1958), p. 180.

২৯। এই খণ্ডবাক্যটো I. BERLIN-অৰ Historical Inevitabilityৰ (1954, p. 7) পৰা উদ্ধৃত, য'ত সেইধৰণে লেখা ইতিহাসক প্ৰশংসা কৰিছে যেনেই লাগিছে।

৩০। A.J.P. TAYLOR, *From Napoleon to Stalin* (1950), p. 74.

৩১। GIBBON, *Decline and Fall of the Roman Empire, ch. ixx.*

৩২। V.G. CHILDE, *History* (1947), p. 43.

৩৩। *Philosophy of Right* (English transl., 1942), p. 295.

৩৪। F.R. LEAVIS, *The Great Tradition (1948), p.2.*

৩৫। J. BURCKHARDT, *Judgements on History and on Historians* (1959), p. 158.

(তিনি) ইতিহাস, বিজ্ঞান আৰু নৈতিকতা

১। B. RUSSELL, *Portraites form Memory* (1958), p.20.

২। যথেষ্ট পলমকৈ ১৮৭৪ চনত ব্ৰেড্‌লেই *(Bradley)* ইতিহাসৰ পৰা বিজ্ঞানক পৃথক কৰিছিল এই কাৰণেই যে বিজ্ঞানৰ বিবেচ্য হ'ল কালাতীত (timeless) আৰু 'স্থায়ী' (aboding) (F.H. BRADLEY, *Collected Essays (1935), i, 36).*

৩। *Thoughts and Details on Scarcity (1795) in The Works of Edmund Burke (1846),* iv, 270; বাৰ্ক এই সিদ্ধান্তলৈ আহিছিল যে, "এয়া চৰকাৰ হিছাপে চৰকাৰৰ, অথবা ধনীক ধনী হিছাপে ধৰিলেও দৰিদ্ৰসকলক সেইবোৰ প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰাৰ ক্ষমতা নাই যিবোৰক বিশ্বনিয়ন্তাই ক্ষন্তেকৰ বাবে হ'লেও তেওঁলোকৰ পৰা আঁতৰাই ৰাখে।"

৪। M.R. COHEN AND E. NAGEL, *Introduction to Logic and Scientific Method* (1934), p. 596.

৫। SIR CHARLES ELLIS *in Trinity Review,* (Cambridge, Lent Term, 1960), p. 14.

৬। MARX-ENGELS : *Gesamtausgabe*, I, vi, 179.
৭। W. SOMBART, *The Quintessence of Capitalism* (Engl. transl., 1915), p. 354.
৮। G. SOREL, *Materiaux d'une theorie du proletariat (1919), p. 7.* (সৰ্বহাৰা বিষয়ক এটি তত্ত্বৰ মালমচলা)
৯। DR. J. ZIMAN *in The Listener,* August 18, 1960.
১০। *Poetics*, ch. ix.
১১। R.G. COLLINGWOOD, *Historical Imagination* (1935), p.5.
১২। *Leviathan*, I, iv.
১৩। *Decline and Fall of the Roman Empire*, ch. xx, ch. I.
১৪। *History of the French Revolution*, I, V, ch. 9; III, i, ch. 1.
১৫। J. BURCKHARDT, *Judgements on History and Historians* (1959), p. 34.
১৬। *Cambridge Modern History*, ii (1958), 20.
১৭। MARX AND ENGELS, Works (Russian ed.), XV, 378; যিখন চিঠিৰ পৰা এই ছেদটো উদ্ধৃত কৰা হৈছে, সেইটো বচ আলোচনী *Otechestvennye Lapiski* ১৮৭৭ চনত প্ৰকাশ হৈছিল। অধ্যাপক পপাৰে যাক 'ইতিহাসবাদৰ কেন্দ্ৰীয় ভ্ৰান্তি' বুলি কৈছে, তাৰ লগত তেওঁ মাৰ্ক্সক জড়িত কৰিবলৈ বিচৰা যেন লাগে, যিটোৱে বিশ্বাস কৰে যে, ঐতিহাসিক প্ৰৱণতা বা ধাৰাসমূহ "কেবল সাৰ্বজনীন বিধিসমূহৰ (laws) পৰাই তুৰন্তে আহৰণ কৰিব পাৰি" *[The Poverty of Historicism* (1957), pp. 128-129] : এই কথাটোকেই মাৰ্ক্সে অস্বীকাৰ কৰিছিল।
১৮। এইটোকেই অধ্যাপক পপাৰৰ মত যেন লাগে (*The Open Society*, 2nd ed., 1952, ii, 322)। দুৰ্ভাগ্যজনকভাবে তেওঁ এক সমাজতাত্ত্বিক নিয়মৰ উদাহৰণ এটা দিছে : "য'তেই চিন্তাৰ স্বাধীনতা আৰু চিন্তা প্ৰকাশৰ স্বাধীনতা সাৰ্থকভাৱে আইনগত প্ৰতিষ্ঠানে ৰক্ষণাবেক্ষণ দিয়ে আৰু সেই প্ৰতিষ্ঠানেই আলোচনা-বিলোচনা প্ৰচাৰ কৰে, তাতেই বৈজ্ঞানিক প্ৰগতি হ'ব।" এইটো ১৯৪২ অথবা ১৯৪৩ চনত লেখিছিল আৰু দেখ্‌দেখ্‌কৈ এই বিশ্বাসৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল যে, সিবিলাকৰ প্ৰতিষ্ঠানিক ব্যৱস্থাৱলীৰ ফলত পশ্চিমীয়া গণতন্ত্ৰসমূহ বৈজ্ঞানিক প্ৰগতিৰ প্ৰথমশাৰীত (van) থাকিব— এই বিশ্বাসক চোভিয়েট ইউনিয়নত ঘটা বিকাশসমূহে দূৰ কৰিলে বা প্ৰচণ্ডভাৱে সীমিত কৰিলে। নিয়ম (law) হোৱা দূৰৰে কথা, ই আনকি গ্ৰহণযোগ্য (valid) সাধাৰণীকৰণো নহ'লগে।
১৯। K. MANNHEIM, *Ideology and Utopia* (Engl. trans. 1936), p. 228.
২০। *Cours de philosophie positive (প্ৰত্যক্ষবাদী দৰ্শন বিষয়ক বক্তৃতাৱলী),* i, 51.
২১। K. MANNHEIM, *Ideology and Utopia* (1936), p. 130.
২২। এই যুক্তিটোক গ্ৰন্থকাৰে তেওঁৰ *The Bolshevik Revolution*, 1917-1923, i (1950), 42 ত বিস্তাৰিতভাৱে লেখিছে।
২৩। M.C. D'ARCY, *The Sense of History : Secular and Sacred* (1959), p. 159; পলিবিয়াচে তেওঁৰ আগেয়েই ভাবিছিল : "য'তেই ঘটি থকা ঘটনা এটাৰ কাৰণ নিৰ্ণয় কৰাটো সম্ভৱ, তাত কোনোৱে ঈশ্বৰৰ আশ্ৰয় ল'ব নালাগে।" [Quoted in K. VON FRITZ, *The Theory of the Mixed Constitution in Antiquity* (N.Y., 1954), p. 390.]

২৪। ROSEBERY, *Napoleon : The Last Phase*, p. 364.

২৫। ACTON, *Histotical Essays and Studies (1907), p. 505.*

২৬। *Survey of International Affairs*, 1935, ii, 3.

২৭। I. BERLIN, *Historical Inevitability*, pp. 76-77. চাৰ ইছাইয়াৰ দৃষ্টিভংগীয়ে উনৈশ শতিকাৰ বলিষ্ঠ কন্‌জাৰভেটিভ আইনবিদ ফিট্‌জেমচ্ ষ্টিফেনৰ (Fitzjames Stephen) দৃষ্টিভংগীলৈ মনত পেলাই দিয়ে ঃ "ফৌজদাৰী আইন এই নীতিৰ ওপৰত আগবাঢ়ে যে অপৰাধীক ঘৃণা কৰাটো নৈতিকভাৱে সঠিক।..... এইটো অত্যন্ত বাঞ্ছনীয় যে অপৰাধীক ঘিণ কৰা উচিত, তেওঁলোকৰ ওপৰত যিবোৰ শাস্তি বিহা হয়, সেইবোৰ এনেভাৱে উদ্ভাৱন কৰি লোৱা উচিত যে, যাতে সেইবোৰতো সেই ঘৃণাৰ প্ৰকাশ ঘটে আৰু সেইটো যেন সিমানদূৰ পৰ্যন্ত যুক্তিযুক্ত হয় যিমানদূৰ পৰ্যন্ত এক স্বাস্থ্যকৰ আৰু স্বাভাবিক আবেগক প্ৰকাশ কৰাৰ উদ্দেশ্যে যিবোৰ চৰকাৰী ব্যৱস্থা আছে সেইবোৰে শাস্তি প্ৰদানৰ নাৰ্যতা দিয়ে আৰু ইয়াক উৎসাহিত কৰে।" *(A History of the Criminal Law of England* (1883), ii, 81-82, quoted in L. RADZINOWIEZ, *Sir James Fitzjames Stephen*, 1957, *p. 30)*. এইবোৰ দৃষ্টিভংগীক আজি আৰু অপৰাধতত্ত্ববিদসকলে ব্যাপকভাৱে সমৰ্থন নকৰে; কিন্তু তেওঁলোকৰ লগত এইক্ষেত্ৰত মোৰ বিবাদ এই কাৰণেই যে, অন্য ক্ষেত্ৰত সেইবোৰৰ বৈধতা যিয়েই নহওক লাগিলে, সেইবোৰ ইতিহাসৰ ৰায়ৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

২৮। D. KNOWLES, *The Historian and Character* (1955), pp. 4-5, 12, 19.

২৯। B. CROCE, *History as the Story of Liberty* (Engl. transl., 1941), p. 47.

৩০। *Peuples et civilisations*, vol. xiv : Napoleon, p. 58 (মানুহ আৰু সভ্যতা)।

৩১। Quoted in From MAX WEBER *of Essays in Sociology* (1947), p. 58.

৩২। *Boswell, Life of Doctor Johnson*, A.D. 1776 *(Everyman ed. ii, 20)*. উক্তিটোৰ স্বচ্ছতা আছে; বাৰ্কহাৰ্টে (Judgements on History and Historians, p. 85) প্ৰগতিৰ পীড়িতসকলৰ (victims) 'বোবা বিননি'ত (silenced moans) অশ্ৰুপাত কৰিছে, যি সাধাৰণতে নিজৰ আৰ্জিত অংশৰ (Parta tueri) বাহিৰে আন একোকেই বিচৰা নাই, তেওঁ নিজেই পুৰণি ৰাজত্বৰ (ancient regime– ফৰাচী বিপ্লৱৰ আগৰ শাসনকাল) পীড়িতসকলৰ বিননিত নিশ্চুপ হৈ আছে, যি সংৰক্ষণ কৰিবলৈ একোৱেই নাছিল।

৩৩। *Letter of February 24, 1893, to Danielson in* KARL MARX AND FRIEDRICH ENGELS : *Correspondence 1846-1895* (1934), p-510.

৩৪। *C. P. Snow, The Two Cultures and the Scientific Revolution* (1959), pp. 4-8.

(চাৰি) ইতিহাসত কাৰ্য-কাৰণ

১। F.M. CORNFORD, *Thucydides Mythistoricus, passim*

২। *De l'esprit des lois* (আইনৰ আত্মা), *Preface and ch. 1.*

৩। *Memorials of Alfred Marshall*, ed. A.C. PIGOU (1925), p. 428.

৪। H. POINCARE, *La Science et l'hypothese (বিজ্ঞান আৰু প্ৰকল্প), 1902, pp. 202-203.*

৫। B. RUSSELL, *Mysticism and Logic* (1918), p. 188.

৬। *The Education of Henry Adams* (Boston, 1928), p. 224.

৭। *The Poverty of Historicism* প্ৰথমে গ্ৰন্থকাৰে ১৯৫৭ চনত প্ৰকাশ পাইছিল, কিন্তু মূলতঃ ১৯৪৪ আৰু ১৯৪৫ চনত প্ৰকাশিত প্ৰবন্ধাৱলীক অন্তৰ্ভুক্ত কৰিছিল।

৮। বিষয়টোৰ ওপৰত অধ্যাপক পপাৰৰ বহুপঠিত লেখাসমূহে নামটোৰ (term) যথাযথ অৰ্থ শূন্যত পৰ্যবসিত কৰাৰ কাৰণে মই যথাৰ্থতাৰ প্ৰয়োজন নোহোৱা দুই এঠাইত প্ৰয়োগ কৰাৰ বাহিৰে 'ইতিহাসবাদ' (historicism) শব্দটো পৰিহাৰ কৰিছো। নামৰ (term) সংজ্ঞা নিৰ্ণয়ত নেৰানেপেৰাকৈ লাগি থকাটো পাণ্ডিত্যাভিমান (pedantic)। কিন্তু আমি যাৰ বিষয়ে কথা কৈ থাকো, সেইটো বিষয়ে জানি ল'বই লাগিব আৰু অধ্যাপক পপাৰে 'ইতিবাসবাদ' ইতিহাসৰ বিষয়ে তেওঁ বেয়া পোৱা যিকোনো মতামতৰ বিষয়ে সৰ্বঢাক (catch-all) হিছাপে ব্যৱহাৰ কৰিছে, যাৰ কিছুমানক মোৰ যুক্তিপূৰ্ণ (sound) যেনেই লাগিছে আৰু মই সন্দেহ কৰো যে, বাকীবোৰক আজিকালি কোনো চিৰিয়াচ লেখকে গ্ৰহণ নকৰে। তেওঁ নিজেই স্বীকাৰ কৰিছে (*The Poverty of Historicism*, p. 3) যে, তেওঁ 'ইতিহাসবাদী' (historicist) যুক্তি উদ্ভাৱন কৰিছে যদিও কোনো বিখ্যাত 'ইতিহাসবাদী'য়ে তাক প্ৰয়োগ কৰা নাই। তেওঁৰ লেখনীত ইতিহাসবাদে বিজ্ঞানৰ লগত ইতিহাসৰ সমন্বয় সাধন কৰা আৰু দুয়োটাকে তীক্ষ্ণভাৱে পৃথক পৃথক কৰা দুয়োটা মতবাদকে সামৰিছে। *The Open Society* গ্ৰন্থত যিজন হেগেলে ভৱিষ্যতবাণী পৰিহাৰ কৰিছিল, সেইজন হেগেলক ইতিহাসবাদৰ প্ৰধান পুৰোহিত হিছাপে গণ্য কৰিছে; *The Poverty of Historicism*-অৰ পাতনিত ইতিহাসবাদক 'সামাজিক বিজ্ঞানসমূহৰ প্ৰতি এক দৃষ্টিভংগী যিয়ে ধৰি লয় যে ঐতিহাসিক ভৱিষ্যতবাণীয়েই তাৰ প্ৰধান লক্ষ্য' বুলি বৰ্ণনা কৰিছিল। এই পৰ্যন্ত 'ইতিহাসবাদ'ক জাৰ্মান 'Historismus'ৰ ইংৰাজী ভাষ্য (version) হিছাপে সাধাৰণভাৱে ব্যৱহাৰ কৰা হয়; এতিয়া অধ্যাপক পপাৰে 'historism'ৰ পৰা 'historicism'ক পৃথক কৰিছে আৰু এইদৰে ইতিমধ্যে বিভ্ৰান্তিকৰ হৈ পৰা নামটোত (term) বিভ্ৰান্তিৰ আৰু অধিক উপাদানহে সংযোগ হ'ল। M.C. D'ARCY এ তেওঁৰ *The Sense of History : Secular and Sacred* (1959, p. 11)ত 'ইতিহাসবাদ' শব্দটো 'এবিধ ইতিহাসৰ দৰ্শনৰ সমাৰ্থক' হিছাপে ব্যৱহাৰ কৰিছে।

৯। প্ৰথম ফেচিবাদী হিছাপে প্লেটোৰ ওপৰত প্ৰথম আক্ৰমণ আৰম্ভ কৰিছিল অক্সফোৰ্ডৰ আৰ, এইচ, ক্ৰচমেনে (R.H. CROSSMAN) এলানি অনাত্ৰাৰ প্ৰচাৰত, *Plato Today*, 1937.

১০। C. KINGSLEY, *The Limits of Exact Science as Applied to History* (1860), p. 22.

১১। "নিশ্চয়তাবাদৰ (determinism) অৰ্থ হ'ল যে, তথ্যখিনি তেনেকুৱা হ'লে যিয়েই ঘটিছে, দ্ব্যৰ্থহীনভাৱে (definitely) সেয়াই ঘটিছে আৰু তাতকৈ সুকীয়াকৈ ঘটিবই নোৱাৰে। অন্যধৰণে ঘটিব পাৰে বুলি ভবাৰ অৰ্থ এয়ে হ'ব যে তথ্যখিনি পৃথক হ'লেহে অন্যৰকমে ঘটিব।" (S.W. ALEXANDER in *Essays Presented to Ernest Cassier,* 1936, P. 18).

১২। K.R. POPPER, *The open Society* (2nd ed., 1952), ii, 197.

১৩। "কাৰ্য-কাৰণৰ বিধান বিশ্বই আমাৰ ওপৰত জাপি দিয়া নাই", বৰং "ই আমাৰ বাবে আমি নিজকে বিশ্বৰ লগত খাপ খুৱাই ল'বলৈ আটাইতকৈ সুবিধাজনক পদ্ধতি" (J. RUEFF,

From the physical to the Social Sciences, Baltimore, 1929, p. 52; অধ্যাপক পপাৰে নিজেই কৈছে যে, কাৰ্য-কাৰণৰ ওপৰত বিশ্বাস হৈছে "এক সম্পূৰ্ণ ন্যায়সংগত পদ্ধতিগত বিধানৰ এক আধিভৌতিক সাৰবস্তু" (metaphysical hypostatization of a well-justified methodological rule). *The Logic of Scientific Enquiry*, p. 248.

১৪। *Decline and Fall of the Roman Empire*, ch. xiv.

১৫। W. CHURCHILL, *The World Crisis : The Aftermath* (1929), p. 386.

১৬। L. TROTSKY, *My Life* (Engl. tranl. 1930) p. 425.

১৭। এইটো বিষয়ত বিউৰীৰ যুক্তিৰ কাৰণে তেওঁৰ *The Idea of Progress*, 1920, pp. 303-304 দ্ৰষ্টব্য।

১৮। *Decline and Fall of the Roman Empire*, ch. 38. এইটো মন কৰিবলগীয়া আমোদজনক কথা যে, ৰোমানসকলে তেওঁলোকক জয় কৰাৰ পিছত গ্ৰীকসকলেও পৰাজিতৰ প্ৰিয় সান্ত্বনা 'হয়তো হ'ব পাৰিলেহেঁতেন' (might-have-beens) নামৰ ঐতিহাসিক খেলটোত জড়িত হৈ পৰিছিল : তেওঁলোকে নিজকে কৈছিল যে, মহান আলেকজেণ্ডাৰ ডেকা বয়সতে নমৰাহেঁতেন "তেওঁ পাশ্চাত্য জয় কৰিলেহেঁতেন আৰু ৰোম গ্ৰীক ৰজাসকলৰ পৰাধীন হ'লহেঁতেন।" (K. VON FRITZ, The Theory of the Mixed Constitution in Antiquity, N.Y., *1954, p. 395).*

১৯। দুয়োটা প্ৰবন্ধই J.B. BURYৰ *Selected Essays*ত (1930) পুনৰ মুদ্ৰিত হৈছিল; বিউৰীৰ দৃষ্টিভংগী সম্পৰ্কে কলিংউদৰ মন্তব্যৰ বাবে তেওঁৰ *The Idea of History* চাওক, pp. 148-150.

২০। ছেদটোৰ বাবে ফিছাৰৰ *A History of Europe*-অৰ *Preface* চাওক। টয়নবীয়ে *A study of History (vol. v, p. 414)*-অত উদ্ধৃত কৰা ফিছাৰৰ নীতিবাক্যটোৱে (dictum) এটা সম্পূৰ্ণ ভুল ধাৰণা প্ৰকাশ কৰিছে : তেওঁ ইয়াক 'আধুনিক পাশ্চাত্যৰ দৈৱৰ সৰ্বশক্তিমান ক্ষমতাৰ ওপৰত বিশ্বাসৰ' ফচল বুলি গণ্য কৰিছিল যিয়ে অবাধ বাণিজ্য-নীতিৰ 'জন্ম দিছিল।' মুক্ত বাণিজ্য নীতিৰ (laissez-faire) তাত্ত্বিকসকলে দৈৱৰ ওপৰত বিশ্বাস কৰা নাছিল, বৰং মানবীয় ব্যবহাৰৰ বিভিন্নতাৰ ওপৰত আৰোপ কৰা অদৃশ্য হাতৰ কল্যাণকাৰী নিয়মৰ ওপৰতহে বিশ্বাস কৰিছিল; আৰু ফিছাৰৰ মন্তব্য মুক্ত বাণিজ্য-নীতিৰ লিবাৰেলিজমৰ সৃষ্টি নহয়, বৰং ১৯২০ - অৰ আৰু ১৯৩০ - অৰ দশকত তাৰ ভাঙোনৰ ফচলহে।

২১। F. MEINECKEৰ *Machiavellism* গ্ৰন্থৰ পাতনিত (p.p. xxxv-xxxvi) W. STARK এ এই ছেদটো উদ্ধৃত কৰিছে।

২২। MARX AND ENGELS, *Works* (Russian ed.) xxvi, 108.

২৩। টলষ্টয়ে *War and Peace*-অৰ Epilogue, i, ত 'দৈৱ' (chance) আৰু 'প্ৰতিভা'ক (genius) সমাৰ্থক হিচাপে গণ্য কৰি অন্তিম কাৰণসমূহ বুজাৰ ক্ষেত্ৰত মানবীয় অসমৰ্থতা প্ৰকাশক শব্দ বুলি কৈছে।

২৪। L. TROTSKY, *My Life* (1930), p. 422.

২৫। টলষ্টয়ে এই দৃষ্টিভংগী গ্ৰহণ কৰিছিল : "অযৌক্তিক ঘটনাসমূহৰ, অৰ্থাৎ ক'বলৈ হ'লে, যিবোৰ ঘটনাৰ যৌক্তিকতা আমি বুজিব নোৱাৰো, সেইবোৰৰ এক ব্যাখ্যা হিচাপে আমি অদৃষ্টবাদলৈ পিছুৱাই যাবলৈ বাধ্য হওঁ" (*War and Peace*, Bk. ix, ch. i); ওপৰৰ ২৩ নম্বৰ পাদটীকাও দ্ৰষ্টব্য।

২৬। L. PAUL, *The Annihilation of Man* (1944), p. 147.

২৭। অধ্যাপক পপাৰে এটা মুহূৰ্তত এইটো কথাত খুন্দা মাৰিছিল কিন্তু সেইটো দেখা পাবলৈ বিফল হ'ল। 'এক একাধিক ব্যাখ্যা' ধাৰণা কৰি লৈ 'যিবোৰ মূলতঃ ব্যঞ্জনাময়ীতা (suggestiveness) আৰু যথেচ্ছাচাৰিতাৰ (arbitrariness) ক্ষেত্ৰত দুয়োটা সম পৰ্যায়ৰ' (শব্দ দুটাই প্ৰকৃততে যিয়েই অৰ্থ নকৰক— Whatever exactly these two words imply), এটা বক্তৃতাৰ ভিতৰত তেওঁ সংযোগ কৰিছে যে "সিহঁতৰে কিছুমানক সিহঁতৰ উৰ্বৰতাৰ কাৰণে চিনাক্ত কৰিব পাৰি— এটা কিছু গুৰুত্বপূৰ্ণ কথা" (*The Poverty of Historicism*, p. 151)। এইটো কিছু গুৰুত্বপূৰ্ণ কথাই নহয় : এইটোৱেই সেইটো কথা, যিটোৱে প্ৰমাণ কৰে যে 'ইতিহাসবাদ' (শব্দটোৰ কিছুমান অৰ্থত) সৰ্বক্ষেত্ৰত সিমান দৰিদ্ৰ নহয়।

২৮। *Kausalitdten und Werte in der Geschichte (ইতিহাসত কাৰ্য-কাৰণ বিধি আৰু মূল্য)* (1928) *translated in* F. Stem, *Varieties of History* (1957), pp. 268, 273.

২৯। J. HUIZINGA, *translated in Varieties of History, ed.* F. STERN (1957), p. 293.

৩০। *The Baldwin Age, ed.* JOHN RAYMOND (1960), p. 246.

(পাঁচ) প্ৰগতি হিছাপে ইতিহাস

১। F. POWIEKE, *Modern Historians and the study oj History* (1955), p. 174.

২। টয়নবীয়ে বিজয়গৰ্বেৰে ঘোষণা কৰিছিল "ইতিহাস ধৰ্মতত্ত্বত পৰিণত হয়" *[Civilization on Trial (1948), preface]*

৩। *De Rerum Natura*, iii, 992-995. (প্ৰকৃতিৰ স্বভাব)

৪। *The Decline and Fall of the Roman Empire*, ch. xxxviii; পশ্চিম সাম্ৰাজ্যৰ পতনেই এই প্ৰসঙ্গান্তৰৰ কাৰণ আছিল। ১৯৬০ চনৰ ১৮ নৱেম্বৰ সংখ্যাৰ *The Times Literary Suppliment*-অত এজন সমালোচকে এই ছেদটো উদ্ধৃত কৰি সুধিছিল— গিবনে সচাঁই এই কথাকে বুজাইছেনে? অবশ্যে গিবনে তাকেই বুজাইছিল; এজন লেখকৰ দৃষ্টিভংগীয়ে, তেওঁ যিটো সময়ৰ বিষয়ে লেখে তাতকৈ তেওঁ বসবাস কৰা সময়কহে অধিকভাৱে প্ৰতিফলিত কৰে। এই সত্যটো এই সমালোচকেই সুন্দৰভাৱে ব্যাখ্যা কৰিছে, যি তেওঁৰ নিজৰ মধ্য-কুৰি শতিকাৰ সংশয়বাদক এজন শেষ-অষ্টাদশ শতিকাৰ লেখকলৈ পাত্ৰান্তৰ (transfer) কৰিবলৈ বিচাৰিছে।

৫। *Cambridge Modern History : Its Orihgin, Authorship and Production* (1907), p. 13; *Cambridge Modern History*, i (1902), 4; xii (1910), 791.

৬। B. RUSSELL, *Portraites From Memory* (1956), p. 17.

৭। J.B. BURY, *The Idea of Progress* (1920), pp. vii-viii.

৮। B. RUSSELL, *Portraites From Memory* (1956), p. 124.

৯। *The Observer*, June 21, 1959.

১০। T. ARNOLD, *An Inaugural Lecture on the Study of Modern History* (1841), p. 38.

১১। ACTON, *Lectures on Modern History* (1906), p. 51.

১২। K. MANNHEIM, *Ideology and Utopia* (Engl. tranl. 1936), p. 236, মানুহৰ 'ইতিহাসক গঢ় দিয়াৰ ইচ্ছাক' তেওঁৰ 'ইয়াক বুজাৰ সামৰ্থ্য'ৰ লগত সংযুক্ত কৰিছে।

১৩। F.H. BRADLEY, *Ethical Studies* (1876), p. 293.

১৪। এনে এক পৰিস্থিতিৰ এক অনুধাবনৰ (diagnosis) কাৰণে দ্ৰষ্টব্য— R.S. LYND, *Knowledge for What?* N.Y., 1939, p. 88 : "আমাৰ সংস্কৃতিৰ বয়সস্থ ব্যক্তিসকল সঘনাই তেওঁলোকৰ শৌৰ্য আৰু ক্ষমতাৰ সময় অতীতৰ প্ৰতি আকৰ্ষিত হয় আৰু ভৱিষ্যতক ভাবুকি হিছাপে গণ্য কৰি প্ৰতিৰোধ কৰে।" এইটো সম্ভৱ যে, আপেক্ষিক ক্ষমতা হেৰুওৱাৰ আৰু ভাঙোনৰ অগ্ৰগামী (advanced) ভৰত এটা সামগ্ৰিক সংস্কৃতি এইদৰে এক হেৰোৱা স্বৰ্ণময় যুগৰ প্ৰতি অপ্ৰতিৰোধ্যভাৱে ঢাল খায়, যি ক্ষেত্ৰত বৰ্তমানত কৰ্মব্যস্তহীন জীৱন যাপন কৰি থাকে।

১৫। *Foreign Affairs*, xxviii, No. 3 (June 1950), p. 380.

১৬। J.B. BURY, *The Idea of Progress* (1920), p. ix.

১৭। H. BUTTERFIELD, *The Whig Interpretation of History* (1931), p. 58; অধিক বিশদ বক্তব্য তুলনা কৰক— *A. von Martin, The Sociology of the Renaissance* (Engl. tranl. 1945), p. i : "জড়তা আৰু গতি, স্থিৰ আৰু গতিশীল— এই মৌলিক আহিলাবোৰক (categories) লৈয়ে ইতিহাসৰ এক সমাজতাত্ত্বিক দৃষ্টিভংগী (approach) আৰম্ভ হয়। কেৱল এক আপেক্ষিক অৰ্থতহে ইতিহাসে জড়তাক জানে : সিদ্ধান্তকাৰী প্ৰশ্নটো হ'ল এয়ে যে জড়তা অথবা পৰিবৰ্তনৰ কোনটো প্ৰভাৱশালী হয়।" ইতিহাসত পৰিবৰ্তন স্বয়ংসিদ্ধ (positive) আৰু ধ্ৰুৱ (absolute), জড়তা ব্যক্তিনিষ্ঠ (subjective) আৰু আপেক্ষিক উপাদান।

১৮। DE TOCQUEVILLE, *Preface to Democracy in America.*

১৯। J.B. BURY, *The Idea of Progress* (1920), p. 5.

২০। L.B. NAMIER, *Conflicts* (1942), p. 70.

২১। Quoted in *Men and Ideas* (1959), p. 50.

২২। GIBBON, *The Decline and Fall of the Roman Empire*, ch. lv.

২৩। R.H. TAWNEY, *The Agrarian Problem in the sixteenth Century* (1912), p. 177.

২৪। *Lecturers on the Philosophy of History* (Engl. transl. 1884), p. 40.

২৫। T. CARLYLE, *The French Revolution*, I, i ch. 4; I, iii, ch. 7.

২৬। *Broadcasted in 'Political Jadgement'* in the Third Programme of the B.B.C., June 19, 1957.

২৭। Pravadaৰ কথাটো বিশেষভাৱে চিত্তাকৰ্ষককাৰী, যিহেতু পুৰণি ৰুচ ভাষাত istina বুলি সত্যক বুজোৱা আন এটা শব্দও আছে। কিন্তু পাৰ্থক্যটো তথ্য হিছাপে সত্য আৰু প্ৰমূল্য হিছাপে সত্যৰ মাজত নহয়; Pravada দুয়োটা অৰ্থতেই মানৱীয় সত্য, istina দুয়োটা অৰ্থতে দৈৱিক সত্য— ভগৱানৰ বিষয়ে সত্য আৰু ভগৱানে ব্যক্ত কৰা সত্য।

(ছয়) প্ৰসাৰমান দিগন্ত

১। J. BURCKHARDT, *Reflections on History* (1959), p. 31.

২। A. DE TOEQUEVILLE, *De l' Ancient Regime*, III, ch. I.

৩। *Cambridge University Library :* Add. MSS. 4870.

৪। *The Quotations are from Hegel's Philosophy of History.*

৫। *Capital, iii* (Engl. transl., 1909), 369.

৬। *Cambridge Modern History,* xii (1910), 15; the author of the chapter was S. LEATHES, one of the editors of the History and a Civil service Commissioner.

৭। *Vierteljahrshefte für Leitgeschichte* (Munich), i (1953), *38 (সময়ৰ ইতিহাস বিষয়ক ত্ৰৈমাসিক-পত্ৰ)*

৮। এক সম্পূৰ্ণ আলোচনাৰ বাবে গ্ৰন্থকাৰৰ *The New Society* (1951, Ch. 4 passion) দ্ৰষ্টব্য।

৯। A. vON MARTIN, *The Sociology of the Renaissance* (Engl. transl., 1945), p. 18.

১০। *Cambridge Modern History : Its Origin, Authorship and Production* (1907), p. 14.

১১। E.G. PULLEYBLANK, *Chinese History and World History* (1955), p. 36.

১২। *For these passages see ACTON, Selections from Correspondance* (1917), p. 278; *Lectures on Modern History (1906), pp. 4, 32; Add - MSS. 4949 (in Cambridge University Library).* ওপৰত উদ্ধৃত ১৮৮৭ চনৰ চিঠিত এক্টনে 'পুৰণি'ৰ পৰা 'নতুন' হইগলৈ (অৰ্থাৎ লিবাৰেললৈ) পৰিবৰ্তনক 'বিবেকৰ আবিষ্কাৰ' বুলি চিহ্নিত কৰিছে ঃ 'বিবেক'ক ইয়াত 'চেতনা'ৰ (consciousness) বিকাশৰ লগত সংযুক্ত কৰা হৈছে আৰু ই 'ধাৰণাৰ বাজত্বৰ' সমৰূপ। Stubbs ও আধুনিক ইতিহাসক ফৰাচী বিপ্লৱে বিভাজন কৰা দুটা কালত (periods) ভাগ কৰিছিল ঃ "প্ৰথমটো, ক্ষমতা, শক্তি আৰু ৰাজবংশৰ ইতিহাস; দ্বিতীয়তো, সেই ইতিহাস, য'ত ধাৰণাই অধিকাৰ আৰু গঠনশৈলীৰ স্থান দখল কৰি লৈছে।" (W. STUBBS, *Seventeen Lectures on the Study of Mediaeval and Modern History* (3rd, ed., 1990), p. 239.

১৩। আগৰ......... পৃষ্ঠা চাওক।

১৪। *Encounter,* vii, No. 6, June 1957, p 17

১৫। M. OAKESHOTT, *Political Education* (1951), p. 22.

১৬। *American Historical Review,* No. Ivi, No. 2 (January, 1951) p. 272-273.

১৭। K. POPPER, *The Poverty of Historicism (1957), pp. 67, 74.*

১৮। *Ibid, pp. 64, 68.*

আঠ

ই. এইচ. কাৰৰ ফাইলৰ পৰা ঃ
'ইতিহাস কাক কয়'ৰ দ্বিতীয় সংস্কৰণ এটাৰ বাবে যুগুতোৱা টোকা

আৰ. ডব্লিউ. ডেভিচ
(R. W. Davies)

১৯৮২ চনৰ নৱেম্বৰত মৃত্যু হোৱাৰ আগৰ বছৰ কেইটাত ই. এইচ. কাৰে 'ইতিহাস কাক কয়'ৰ লেখত ল'বলগীয়া নতুন সংস্কৰণ এটা প্ৰস্তুত কৰি আছিল। ১৯৬১ চনত প্ৰথম সংস্কৰণৰ পৰা পাৰ হৈ যোৱা কুৰিটা বছৰ মানৰ প্ৰগতিৰ বিপৰ্যয়ৰে বৈশিষ্ট্যপূৰ্ণ আছিল যদিও সেইবোৰৰ প্ৰতি নিৰ্ভীক হৈ কাৰে তেওঁৰ পাতনিত ঘোষণা কৰিছিল যে তেওঁৰ নতুন সংস্কৰণটোৰ উদ্দেশ্য হ'ল 'ভবিষ্যত সম্পৰ্কে আশাবাদী নহ'লেও অন্ততঃ এক সুস্থতৰ আৰু অধিক সমতাপূৰ্ণ দৃষ্টিভংগী গ্ৰহণৰ নতুন দাবী জনোৱা।'[১]

কেৱল পাতনিখনহে লেখা শেষ হৈছিল। কিন্তু কাৰৰ কাগজপত্ৰৰ ভিতৰত এটা ডাঙৰ বাকচৰ ভিতৰত ১৯৬১ চনৰ সংস্কৰণৰ পুনৰীক্ষণ আৰু চিঠিপত্ৰৰে ঠাই খাই থকা খাম এটা সহ আধা ডজন মুগা ৰঙৰ ফুলস্কেপ ফ'ল্ডাৰ পোৱা গৈছিল, যাৰ শিৰোনামাবোৰ আছিল— 'ইতিহাস— সাধাৰণ; কাৰ্যকাৰণ— নিশ্চয়তাবাদ— প্ৰগতি; সাহিত্য আৰু কলা; বিপ্লৱৰ তত্ত্ব আৰু হিংসা; ৰুচ বিপ্লৱ; মাৰ্ক্সবাদ আৰু ইতিহাস; মাৰ্ক্সবাদৰ ভবিষ্যত।' দ্বিতীয় সংস্কৰণটো সম্পূৰ্ণ কৰাৰ আগেয়ে তেওঁ দেখ্‌দেখ্‌কৈ বহু কাম কৰাৰ কথা ভাবিছিল। ফ'ল্ডাৰবোৰত বহুবোৰ গ্ৰন্থ আৰু প্ৰবন্ধৰ নাম আছিল, যিবোৰৰ ওপৰত তেওঁ টোকা প্ৰস্তুত কৰাই নাছিল। কিন্তু সেইবোৰত এনে সমলো আছিল যিবোৰ ইতিমধ্যেই আংশিকভাৱে সংসাধন (process) কৰা হৈছিল ঃ আলোচনীৰ পৰা ফালি অনা চিন দিয়া ছেদৰ উদ্ধৃতি (off-print) আৰু প্ৰবন্ধ, আৰু বিভিন্ন আকাৰৰ পেপাৰ কাটিঙৰ ওপৰত অসংখ্য হাতেলিখা চমুটোকা পোৱা গৈছিল। ফ'ল্ডাৰসমূহত আইজাক ডিউচাৰ (Issac Deutscher), ইছাইয়া বাৰ্লিন, কুয়েন্টিন স্কিনাৰ (Quention Skinner) আৰু অনান্যৰ লগত ইতিহাসৰ দৰ্শন আৰু পদ্ধতি সম্পৰ্কে আদান-প্ৰদান কৰা চিঠিপত্ৰও আছে, দেখ্‌দেখ্‌কৈ নতুন সংস্কৰণটোত সেইবোৰ প্ৰয়োগ কৰিলেহেঁতেন।

মাজে মাজে টাইপ কৰা বা হাতেলিখা টোকাবোৰ দেখ্‌দেখ্‌কৈ বাক্য অথবা ছেদৰ প্ৰথম খচৰা আছিল। প্ৰস্তাৱিত নতুন সংস্কৰণটোৰ কোনো পৰিকল্পনা পোৱা নাই, কিন্তু এটা সংক্ষিপ্ত টোকাত এইদৰে পোৱা যায় ঃ

ইতিহাসৰ বিশৃংখলতা

পৰিসংখ্যাৰ আক্ৰমণ

মনস্তত্ত্ব

সংগঠনবাদ

সাহিত্যৰ বিশৃংখলতা

ভাষাতত্ত্ব

কল্পৰাজ্য ইত্যাদি

[আৰু এখন টুকুৰা কাগজত লেখা আছে ঃ

শেষ অধ্যায়

কল্পৰাজ্য (utopia)

ইতিহাসৰ অৰ্থ]

স্পষ্টভাবে কাৰে প্ৰথম সংস্কৰণত অৱহেলিত বা পৰ্যাপ্ত পৰিমাণে আলোচনা নকৰা বিষয়সমূহক সামৰি নতুন ভাগ (sections) বা অধ্যায় লেখিবলৈ বিচাৰিছিল, সমালোচকসকলৰ উত্তৰত আৰু অতিৰিক্ত সমলেৰে উদাহৰণ দি আৰু কেতিয়াবা তেওঁৰ যুক্তিক সংশোধন কৰি তেওঁ 'ইতিহাস কাক কয়'ৰ বৰ্তমানৰ অধ্যায়বোৰ বহলাই লেখিবলৈ বিচাৰিছিল। আমাৰ বৰ্তমানৰ অসন্তুষ্টি আৰু আমি যিখন জগত কামনা কৰো, তেওঁৰ ব্যাপক পৰিসৰৰ টোকাবোৰৰ পৰা এখন একেবাৰে নতুন গ্ৰন্থই জন্মৰ বাবে সংগ্ৰাম কৰি আছিল যেন লাগে। নিশ্চিতভাৱে তেওঁ এটা চূড়ান্ত বা একাধিক অধ্যায় সংযোগ কৰিবলৈ ইচ্ছা কৰিছিল, বোধহয় 'প্ৰসাৰমান দিগন্ত'ৰ ওপৰত ষষ্ঠ বক্তৃতাটোৰ এটা সম্পূৰ্ণ পুনৰলিখিত সংস্কৰণ, যিটোৱে ইতিহাসৰ অৰ্থ সম্পৰ্কে তেওঁৰ নিজা দৃষ্টিভংগী আৰু ভৱিষ্যত সম্পৰ্কে তেওঁৰ স্বপ্ন উপস্থাপন কৰিব, যিটো সাম্প্ৰতিক ৰাজনৈতিক চিন্তা-ভাৱনাৰ সম্পৰ্কত তেওঁৰ পূৰ্বৰ যিকোনো লেখাতকৈ সি প্ৰত্যক্ষভাৱে সম্পৰ্কিত হ'ব।

স্পষ্টভাৱেই কাৰে তেওঁৰ প্ৰথম দুটা বক্তৃতা— ঐতিহাসিক আৰু তেওঁৰ তথ্য আৰু ইতিহাস আৰু সমাজ— সংশোধন কৰাৰ বিশেষ কাৰণ দেখা নাছিল। ঐতিহাসিক তথ্যৰ প্ৰতি অভিজ্ঞতাবাদী দৃষ্টিভংগীৰ ভ্ৰান্ত দাবীৰ উদাহৰণ হিছাপে তেওঁ প্ৰখ্যাত নৌ ঐতিহাসিক ৰস্কিলক (Roskill) উদ্ধৃত কৰিছিল, যিয়ে 'ঐতিহাসিকৰ আধুনিক ধাৰাটোক' প্ৰশংসা কৰিছিল, যি 'তেওঁলোকৰ কৰ্তব্যক নৈষ্ঠিক যথাৰ্থতা আৰু পক্ষপাতশূণ্যভাৱে

তেওঁলোকৰ যুগৰ তথ্যক সংগ্ৰহ কৰা আৰু লিপিবদ্ধ কৰাতকৈ আন একো নহয় বুলি গণ্য কৰে।' এইসকল ঐতিহাসিকে যদি তেওঁলোকে দাবী কৰাৰ দৰেই আচৰণ কৰে, কাৰৰ কাৰণে তেনে ঐতিহাসিকবৃন্দ আৰ্জেণ্টিনাৰ ঔপন্যাসিক বৰ্জেচৰ (Borges) (স্মৃতিধৰ ফুনেচ নামেৰে অনূদিত) চুটিগল্প এটাৰ নায়কৰ দৰে হ'ব, যি তেওঁ দেখা বা শুনা বা অভিজ্ঞতা লাভ কৰা কোনো কথাই কেতিয়াও নেপাহৰে, কিন্তু স্বীকাৰ কৰিছে যে পৰিণাম হিচাপে 'মোৰ স্মৃতি এটা জাবৰৰ দ'ম।' ফুনেচৰ 'বৰ চিন্তা কৰিব পৰা সাৰ্মথ্য নাছিল' যিহেতু 'চিন্তা কৰা মানেই বৈষম্যবোৰ পাহৰি যোৱা, সাধাৰণীকৰণ কৰা, সাৰাংশ প্ৰস্তুত কৰা।'[১] ইতিহাস আৰু সমাজবিজ্ঞানত অভিজ্ঞতাবাদক (empiricism) কাৰে সংজ্ঞা নিৰ্ণয় কৰিছিল আৰু নাকচ কৰিছিল এইবুলি যে, ই এনে এক 'বিশ্বাস যাৰ মতে কিছুমান বৈজ্ঞানিক প্ৰমূল্য-মুক্ত (value-free) পদ্ধতিৰ প্ৰয়োগৰ দ্বাৰা সকলো সমস্যা সমাধান কৰিব পাৰি, অৰ্থাৎ তাত এক বস্তুনিষ্ঠ শুদ্ধ সমাধান আছে আৰু সেইটো প্ৰাপ্তিৰ উপায়ো আছে— বিজ্ঞানৰ সত্যকল্পিত ধাৰণাসমূহক (supposed assumptions) সমাজবিজ্ঞানলৈ আমদানি কৰিছিল।' কাৰে লক্ষ্য কৰিছিল যে, অভিজ্ঞতাবাদী ঐতিহাসিক সকলৰ বাবে এক ৰক্ষা-কবচ ৰেংকেক (Ranke) লুকাচে (Lukace) ইতিহাস- বিৰোধী বুলি গণ্য কৰিছিল এই অৰ্থত যে এটাৰ পৰা অন্য এটালৈ এক বিকাশৰ প্ৰক্ৰিয়াতকৈ তেওঁ ঘটনাৱলী, সমাজ প্ৰতিষ্ঠানৰ এটা সংগ্ৰহ উপহাৰ দিছিল; লুকাচে লেখিছিল যে 'ইতিহাস অদ্ভুত উপাখ্যানৰ এক সংগ্ৰহত পৰিণত হৈছে।'[২]

কাৰৰ টোকাসমূহত অভিজ্ঞতাবাদৰ ওপৰত কৰা এই আক্ৰমণৰ গুৰুত্বপূৰ্ণ সমৰ্থন পোৱা যায়। গিবনে বিশ্বাস কৰিছিল যে, সৰ্বোকৃষ্ট (best) ইতিহাস কেৱল এজন 'ঐতিহাসিক দাৰ্শনিকে'হে (historian-philosopher) লেখিব পাৰে, যি এটা সম্পৰ্কৰ ব্যৱস্থা (system) নিয়ন্ত্ৰণ কৰা তথ্যৰাজিক চিনাক্ত কৰিব পাৰে ঃ[৩] তেওঁ টেচিটাচৰ ((Tacitas) প্ৰতি তেওঁৰ ঋণ মুক্তকণ্ঠে স্বীকাৰকৰি তেওঁক 'দৰ্শনৰ বিজ্ঞানক (Science of philosophy) তথ্যৰ অধ্যয়নত প্ৰয়োগ কৰাৰ ক্ষেত্ৰত ঐতিহাসিকসকলৰ ভিতৰত প্ৰথম'[৪] বুলি অভিহিত কৰিছিল। ভিকোৱে (Vico) il Certoক (যিটো তথ্যগতভাৱে শুদ্ধ) il veroৰ পৰা পৃথক কৰিছিল; il certo, অৰ্থাৎ coscienza (বিবেক)ৰ বিষয়টো ব্যক্তিৰ ক্ষেত্ৰত বিশিষ্ট, il vero অৰ্থাৎ Scienza অৰ্থাৎ জ্ঞানৰ বিষয়টো সাৰ্বজনীন বা সাধাৰণ।[৫] কাৰে 'ইমানবোৰ সাম্প্ৰতিক সময়ৰ ইংৰাজী ভাষাৰ ৰাজনৈতিক আৰু ঐতিহাসিক লেখাৰ টুলুঙা আৰু অগভীৰতাৰ কাৰণ' ঐতিহাসিক পদ্ধতিৰ পাৰ্থক্যৰ ওপৰত আৰোপ কৰিছিল যি 'অত্যন্ত মাৰাত্মকভাৱে মাৰ্ক্সক ইংৰাজী-ভাষী জগতৰ চিন্তাবিদসকলৰ পৰা নিগলাই পেলাইছিল ঃ'

'ইংৰাজী ভাষী জগতৰ ঐতিহ্য গভীৰভাৱে অভিজ্ঞতাবাদী। তথ্যই নিজে নিজেই সকলো কয়। এটা বিশেষ বিষয়ত 'তাৰ নিজৰ যোগ্যতাৰ' ওপৰত বিতৰ্ক হয়। কিছুমান অঘোষিত আৰু সম্ভৱতঃ অচেতন প্ৰাসংগিকতাৰ মানদণ্ডৰ আলোকত বিষয়বস্তু (themes), ঘটনাৱলী (episodes) আৰু কালক ঐতিহাসিক অধ্যয়নৰ পৰা পৃথক কৰা হয়। এই সকলোবোৰেই বোধহয় মাৰ্ক্সৰ বাবে অভিশাপৰ (anathema) নামান্তৰ হ'লহেঁতেন। মাৰ্ক্স অভিজ্ঞতাবাদী নাছিল। সমগ্ৰৰ প্ৰসংগ অহিবনে অংশৰ, তাৎপৰ্যৰ প্ৰসংগ অবিহনে তথ্য, কাৰণ অথবা পৰিণাম অবিহনে ঘটনা, সাধাৰণ পৰিস্থিতিৰ প্ৰসংগ অবিহনে বিশেষ সংকটৰ অধ্যয়ন মাৰ্ক্সৰ বাবে বন্ধ্যা অনুশীলন হ'লহেঁতেন। পাৰ্থক্যটোৰ নিজৰ ঐতিহাসিক শিপা আছে। ইংৰাজী- ভাষী জগতখন যে ইমান আকোৰগোঁজভাৱে অভিজ্ঞতাবাদী হৈ ৰৈছে, সেইটোৰ একো কাৰণ নোহোৱাও নহয়। দৃঢ়ভাৱে প্ৰতিষ্ঠিত সামাজিক শৃংখলাত, যাৰ বিশ্বাসযোগ্যতা প্ৰশ্নাতীত, অভিজ্ঞতাবাদে তাত প্ৰয়োজনীয় (running) মেৰামতিৰ সেৱা আগবঢ়ায়। উনৈশ শতিকাৰ বৃটেইন তেনে এখন জগতৰ সৰ্বোৎকৃষ্ট (perfect) আৰ্হি। কিন্তু এনে এটা সময়ত যেতিয়া প্ৰতিটো আধাৰেই প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে আৰু কোনো প্ৰকাৰৰ নিৰ্দেশিকাৰ অভাৱত আমি এটা সংকটৰ পৰা আন সংকটৰ মাজত ককবকাই ফুৰো (flounder), অভিজ্ঞতাবাদেই যথেষ্ট নহয়।'*

যাইকি নহওক, তথাকথিত অভিজ্ঞতাবাদৰ ওৰণিখনে নিৰ্বাচনৰ অচেতন আদৰ্শক গোপন কৰাত সহায় কৰে। কাৰে লেখিছে যে, 'ইতিহাস হৈছে মানবীয় যুক্তিযুক্ততাক (rationality) লৈ গঠিত হোৱা এটা বিশেষ ধাৰণা ঃ প্ৰতিজন ঐতিহাসিক এই সম্পৰ্কে জ্ঞাত কিম্বা অজ্ঞাত, তেনে এটা ধাৰণা থাকেই।' তেওঁৰ 'ইতিহাস কাক কয়'ত কাৰে ঐতিহাসিকে তথ্য নিৰ্বাচন আৰু ব্যাখ্যা কৰাৰ ক্ষেত্ৰত ঐতিহাসিক আৰু সামাজিক পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱৰ প্ৰতি যথেষ্ট মনোযোগ দিছিল, মানৱীয় পৰিস্থিতিৰ এনে এটা দিশৰ প্ৰতি তেওঁ তেওঁৰ ছাত্ৰাৱস্থাৰ পৰাই আকৰ্ষিত হৈছিল। নতুন সংস্কৰণটোৰ বাবে লেখা টোকাবোৰে ঐতিহাসিক জ্ঞানৰ আপেক্ষিকতাৰ আৰু অধিক উদাহৰণ দাঙি ধৰে। পাৰস্যৰ যুদ্ধবোৰত ই পালন কৰা ভূমিকাৰ বাবে হেৰ'ডোটাচে এথেন্সৰ প্ৰভুত্বত এক নৈতিক ন্যায্যতা বিচাৰি পাইছিল; চিন্তাশীল গ্ৰীকসকলে তেওঁলোকৰ চিন্তাৰ দিগন্ত প্ৰসাৰিত কৰা উচিত বুলি যুদ্ধবোৰে হেৰ'ডোটাচক তেওঁৰ অনুসন্ধান অধিক জনসংখ্যা আৰু স্থানলৈ বিস্তৃত কৰিবলৈ প্ৰেৰণা যোগাইছিল।' যাযাবৰী জীৱনযাত্ৰাৰ প্ৰতি সহানুভূতিয়ে ইতিহাস সম্পৰ্কে আৰবসকলৰ দৃষ্টিভংগী প্ৰচণ্ডভাৱে প্ৰভাৱিত কৰিছিল। আৰবসকলে ইতিহাসক এক নিৰবচ্ছিন্ন (continuous) অথবা চক্ৰাকাৰ প্ৰক্ৰিয়া বুলি গণ্য কৰিছিল য'ত মৰুভূমিৰ অঘৰীবিলাকে (nomads) নগৰ আৰু মৰুদ্যানবোৰৰ বাসিন্দাবোৰক উৎখাত কৰি নিজে বসতি স্থাপন কৰিছিল আৰু মৰুভূমিৰ পৰা হোৱা নতুন আক্ৰমণত তেওঁলোকো নিজেই উৎখাত হৈ গৈছিল; সেয়ে আৰব ঐতিহাসিকসকলৰ

কাৰণে স্থায়ী বসতিয়ে জীৱনৰ বিলাসৰ জন্ম দিয়ে যিয়ে বৰ্বৰবিলাকৰ তুলনাত সভ্য মানুহক দুৰ্বল কৰি তোলে। তাৰ বিপৰীতে গিবনে অষ্টাদশ শতিকাৰ ইংলেণ্ডত ইতিহাসক চক্ৰাকাৰ (cyclical) নহয় বৰং বিজয়োন্মত্ত অগ্ৰগতি হিচাপেহে দেখিছিল : তেওঁ বিখ্যাত বাগ্‌বৈশিষ্ট্যত 'প্ৰতিটো যুগেই মানৱ জাতিৰ প্ৰকৃত সম্পদ, সুখ, জ্ঞান আৰু সম্ভৱতঃ সদাচাৰৰ ক্ষেত্ৰত আগবাঢ়ি আহিছে আৰু আগবাঢ়িয়েই আছে।' আৰু গিবনে ইতিহাসক বহুদিনৰ পূৰ্বেই প্ৰতিষ্ঠিত স্থায়ী সভ্যতাৰ এক আত্ম-বিশ্বাসী শাসকশ্ৰেণীৰ শ্ৰেষ্ঠতাৰ দৃষ্টিকোণৰ পৰা অৱলোকন কৰিছিল। তেওঁ কৈছিল যে ইউৰোপ বৰ্বৰসকলৰ পৰা নিৰাপদ, কিয়নো, 'তেওঁলোকে পৰাস্ত কৰিব পৰাৰ আগেয়েই তেওঁলোক বৰ্বৰ হোৱাৰ ইতি পৰিব লাগিব।' কাৰে মন্তব্য দিছে যে, বৈপ্লবিক যুগবোৰে ইতিহাস অধ্যয়নৰ ওপৰত এক বৈপ্লবিক প্ৰভাৱ পেলায় : 'ইতিহাস সম্পৰ্কে এটা আগ্ৰহ সৃষ্টিৰ কাৰণে এক বিপ্লৱতকৈ আন একোকেই হ'ব নোৱাৰে।' অষ্টাদশ শতিকাৰ ইংৰাজ ঐতিহাসিকসকলৰ আৱিৰ্ভাৱ ঘটিছিল ১৬৮৮ চনৰ 'গৌৰৱময় বিপ্লৱ'ৰ বিজয়ৰ পটভূমিত। 'মানৱ প্ৰকৃতিৰ অপৰিৱৰ্তনীয়তাৰ ধাৰণাৰ ওপৰত নিৰ্ভৰশীল ফৰাচী এন্‌লাইটমেণ্টৰ অনৈতিহাসিক দৃষ্টিকোণ'ক ফৰাচী বিপ্লৱে খৰ্ব কৰি দিছিল। দ্ৰুত পৰিৱৰ্তনৰ তেনে সময়বোৰত ঐতিহাসিক জ্ঞানৰ আপেক্ষিকতা ব্যাপকভাৱে স্বীকৃত হৈছিল। মেক্‌লেই (Macaulay) তেওঁৰ সমসাময়িকসকলক কেৱল জল্‌জল্‌- পট্‌পট্‌ কথাটোকে কৈছিল যেতিয়া তেওঁ ঘোষণা কৰিছিল যে 'যিজন মানুহে ১৭৮৯, ১৭৯৪, ১৮০৪, ১৮৩৪ আৰু ১৮১৪ চনৰ বিপ্লৱ সম্পৰ্কে ঠিক একে মতকে পোষণ কৰে, হয় তেওঁ স্বৰ্গীয়ভাৱে অনুপ্ৰাণিত মহাপুৰুষ (Prophet) হ'ব লাগিব, অথবা এক আঁকোৰগোজ মূৰ্খ হ'ব লাগিব।'[৮]

ঐতিহাসিক জ্ঞানৰ আপেক্ষিকতালৈ, কি অৰ্থত বস্তুনিষ্ঠ ইতিহাসৰ অস্তিত্ব আছে বুলি কোৱা হ'ব? 'ইতিহাস কাক কয়'ত কাৰে যুক্তি দৰ্শাইছিল যে, যিহেতু কোনো ঐতিহাসিকেই ইতিহাসৰ সিপাৰে তেওঁৰ নিজা প্ৰমূল্যৰ (values) এক বস্তুনিষ্ঠতা দাবী কৰিব নোৱাৰে, তেওঁকেই বস্তুনিষ্ঠ ঐতিহাসিক বুলি ক'ব পৰা যায়, যি 'সমাজ আৰু ইতিহাসত তেওঁৰ নিজৰ পৰিস্থিতিৰ সীমাবদ্ধ স্বপ্নৰ উৰ্ধ্বত উঠাৰ এক সামৰ্থ্য থাকে' আৰু 'সেই সামৰ্থ্যৰে ভৱিষ্যতত নিজৰ স্বপ্ন এনেদৰে প্ৰক্ষেপ কৰিব পাৰে যিয়ে তেওঁক অতীত সম্পৰ্কে এক অধিক গভীৰ আৰু অধিক স্থায়ী অন্তৰ্দৃষ্টি প্ৰদান কৰে।' ইতিহাস কাক কয়ৰ বহু সমালোচকে 'বস্তুনিষ্ঠতা'ৰ এনে প্ৰয়োগৰ তীব্ৰ বিৰোধিতা কৰিছিল আৰু পৰম্পৰাগত দৃষ্টিভংগীটোৰ সমৰ্থন কৰি কৈছিল যে, তেওঁৰ নিজস্ব পূৰ্বধাৰণা (preconceptions) সত্ত্বেও বস্তুনিষ্ঠ ঐতিহাসিক সেইজনেই যি সাক্ষ্য-প্ৰমাণৰ ভিত্তিত নিজৰ সিদ্ধান্ত গঢ় দিয়ে। কাৰে এইটোক এক চিৰিয়াচ সমালোচনা বুলি গণ্য কৰা

নাছিল। পৰম্পৰাগত অৰ্থত তেওঁৰ History of Soviet Russiaত প্ৰায় এক অসাধাৰণ মাত্ৰাত 'বস্তুনিষ্ঠতা' প্ৰদৰ্শন কৰিছিল এনে সাক্ষ্য-প্ৰমাণ উপস্থাপন কৰি যে যিবোৰক অন্য ঐতিহাসিকে তেওঁলোকৰ ব্যাখ্যাৰ সমৰ্থনত প্ৰয়োগ কৰিছিল কাৰৰ ব্যাখ্যাৰ বিৰোধিতা কৰি। কিন্তু এনেধৰণৰ বিবেকবুদ্ধিসম্পন্নতাক (conscientiousness) তেওঁ যোগ্যবান ঐতিহাসিকৰ বাবে প্ৰয়োজনীয় দায়িত্ব বুলি গণ্য কৰিছিল; ইয়াৰ অৰ্থ এনে নাছিল যে সাক্ষ্য-প্ৰমাণৰ প্ৰতি ঐতিহাসিকৰ দৃষ্টিভংগী তেওঁৰ সামাজিক আৰু সাংস্কৃতিক প্ৰভাৱৰ পৰা মুক্ত আছিল।

সেয়ে হ'লেও কাৰে কিছু সতৰ্কতাৰে মানি ল'বলৈ প্ৰস্তুত আছিল যে সমাজৰ দৰেই ইতিহাস অধ্যয়নত প্ৰগতি হৈছে আৰু ঐতিহাসিক জ্ঞানৰ প্ৰগতি ক্ৰমবৰ্ধিত বস্তুনিষ্ঠতাৰ লগত সংযুক্ত হৈ আছে। 'ইতিহাস কাক কয়'ত বিগত দুই শতিকাত ইতিহাসৰ বিৰাট অগ্ৰগতি তেওঁ স্বীকাৰ কৰি লৈছিল আৰু সম্ভ্ৰান্ত গোষ্ঠীৰ (elite) ইতিহাসৰ পৰা সমগ্ৰ বিশ্বৰে জনগণৰ ইতিহাসলৈ আমাৰ দিগন্ত প্ৰসাৰিত হোৱাটোক অভিনন্দন (acclaimed) জনাইছিল। ইটোৰ পিছত সিটো প্ৰজন্মৰ ঐতিহাসিকে বিচমাৰ্কৰ (Bismarck) সাফল্যৰ মূল্যায়ণ কৰাটোক উদাহৰণ হিছাপে আঙুলিয়াই দি তেওঁ যুক্তি দৰ্শাইছিল (অথবা স্বীকাৰ কৰিছিল) 'যে ১৮৮০ৰ দশকৰ ঐতিহাসিকতকৈ ১৯২০ৰ দশকৰ ঐতিহাসিকসকল বস্তুনিষ্ঠ সিদ্ধান্তৰ অধিক নিকটতৰ আছিল আৰু আজিৰ ঐতিহাসিক ১৯২০ৰ দশকৰ ঐতিহাসিকতকৈ অধিক নিকটতৰ।' কিন্তু তেওঁ ঐতিহাসিকৰ বস্তুনিষ্ঠতাৰ মানদণ্ডৰ এক চূড়ান্ত উপাদান দেখ্‌দেখ্‌কৈ গ্ৰহণ কৰাত চৰ্ত আৰোপ কৰি জোৰ দিছিল যে 'ইতিহাসত বস্তুনিষ্ঠতা কিছুমান অ'ত-ত'ত অৱস্থিত নিৰ্ণীত (fixed) আৰু অপৰিৱৰ্তনীয় (immovable) সিদ্ধান্তৰ মানদণ্ডৰ ওপৰত প্ৰতিষ্ঠিত (rest) নহয় আৰু হ'বও নোৱাৰে, বৰং কেৱল এনে এক মানদণ্ডৰ ওপৰত প্ৰতিষ্ঠিত যিটো ভৱিষ্যততহে নিহিত আৰু ইতিহাসৰ অগ্ৰগতিৰ গতিপথৰ লগে লগেহে উদ্ভৱ হয়।' ইতিহাসত বস্তুনিষ্ঠতাৰ সমস্যাই স্পষ্টভাৱে তেওঁক 'ইতিহাস কাক কয়'ক সম্পূৰ্ণ কৰাৰ পাছৰে পৰা জুমুৰি দিবলৈ আৰম্ভ কৰিছিল। তেওঁৰ টোকাবোৰত যিহেতু 'এক অবাস্তৱ বিমূৰ্ততা'ৰ দৰে 'চূড়ান্ত আৰু কালাতীত বস্তুনিষ্ঠতা'ক নাকচ কৰি তেওঁ লেখিছিল যে, 'ঐতিহাসিকে গ্ৰহণ কৰা বস্তুনিষ্ঠতাৰ কিছুমান মূলনীতি (principle) অথবা নমুনাৰ (norm) আলোকত ইতিহাসে অতীতৰ বিষয়ে তথ্যৰ নিৰ্বাচন আৰু শৃংখলা কৰাটো দাবী কৰে, যিটোয়ে অনিবাৰ্যভাৱেই ব্যাখ্যাৰ উপাদানকো সামৰি লয়। ইয়াৰ অবিহনে অতীত অগণন বিক্ষিপ্ত (isolated) আৰু তাৎপৰ্যহীন ঘটনাৱলীৰ এক বিশৃংখলাত (Jumble) হেৰাই যাব আৰু তেতিয়া ইতিহাস আৰু লেখিবই পৰা নহ'ব।'

'ইতিহাস কাক কয়'ত কাৰে অন্য এটা দৃষ্টিকোণৰ পৰাও ঐতিহাসিক বস্তুনিষ্ঠতাৰ প্ৰশ্নটো বিচাৰ কৰি চাইছিল (যদিও এই প্ৰসংগত- 'বস্তুনিষ্ঠতা' শব্দটো প্ৰয়োগ নকৰাকৈ)।

তেওঁ ইতিহাস আৰু প্ৰাকৃতিক বিজ্ঞানসমূহৰ মাজৰ পদ্ধতিৰ সাদৃশ্য আৰু পাৰ্থক্য পৰীক্ষা কৰি চাইছিল। পাৰ্থক্যতকৈ সাদৃশ্যৰ সংখ্যাই সৰহ হ'ল। প্ৰাকৃতিক বিজ্ঞানীসকলেও নিজে পৰ্যবেক্ষিত তথ্যৰ পৰা আৰোহী পদ্ধতিৰে সাৰ্বজনীন বিধি (universal laws) প্ৰতিষ্ঠা কৰিব পাৰি বুলি আজি আৰু নেভাবে, বৰং পূৰ্বানুমান আৰু তথ্যৰ মাজৰ পাৰস্পৰিক ক্ৰিয়াৰ (interaction) যোগেদি আবিষ্কাৰত জড়িত থাকিহে পাৰে বুলি ভাবে। প্ৰাকৃতিক বিজ্ঞানৰ দৰেই ইতিহাসো কেতিয়াবা ভবাৰ দৰে অনন্য (unique) ঘটনাবলীৰ লগত জড়িত নহয়, বৰং অনন্য আৰু সাধাৰণৰ মাজৰ পাৰস্পৰিক ক্ৰিয়াৰ সৈতেহে জড়িত হয়। ঐতিহাসিক সাধাৰণীকৰণৰ প্ৰতি দায়বদ্ধ (committed) আৰু 'বাস্তৱিকতে ঐতিহাসিক অনন্যৰ প্ৰতি প্ৰকৃততে আগ্ৰহী নহয়, বৰং অনন্যৰ মাজত যি সাধাৰণ, তাৰ প্ৰতিহে আগ্ৰহান্বিত'।

নতুন সংস্কৰণটোৰ কাৰণে কাৰে বিজ্ঞানৰ পদ্ধতিতত্ত্বৰ (methodology) ওপৰত বিস্তৃত টোকা সংগ্ৰহ কৰিছিল। তেওঁৰ টোকাবোৰত তেওঁৰ চিন্তাৰ ধাৰাটো (trend) পৰিস্ফুট হৈছিল আৰু সেইবোৰৰ ওপৰৰ কাৰৰ অলিখিত যুক্তি সম্পৰ্কে মোৰ নিজা ভাষ্য জাপি নিদিয়াকৈ সেইবোৰৰে এটা নিৰ্বাচিত অংশ মই উদ্ধৃত কৰিছো (মই প্ৰতিটো সুকীয়া টোকাক সুকীয়াকৈ ক্ৰমিক নম্বৰ দিছো) ঃ

(১) বৈজ্ঞানিক সত্যৰ বাহ্যিক (formal) আৰু যুক্তিসংগত (logical) মান (criterion); পপাৰে বিশ্বাস কৰিছিল যে 'প্ৰকৃত' (genuine) বিজ্ঞানক এক সময়হীন যৌক্তিক নীতিৰে পৃথক কৰে।.....

টি. কুহনে (T. Kuhn) আপেক্ষিকতাবাদী পদ্ধতিৰ এক অনুক্ৰমৰ (succession) সপক্ষে এটা একক (single) বৈজ্ঞানিক পদ্ধতিক প্ৰত্যাখান কৰিছিল......

বিজ্ঞানৰ স্থিতিশীলৰ পৰা গতিশীল দৃষ্টিভংগীলৈ উত্তৰণ; আকাৰৰ পৰা কাৰ্যলৈ (function) (অথবা উদ্দেশ্য)।

আপেক্ষিকতাবাদ (কোনো এটা 'বৈজ্ঞানিক পদ্ধতি' নহয়) ফেয়েৰাবেণ্ডক (Feyerabend) তেওঁৰ "Against Method-অত যুক্তিবাদক সম্পূৰ্ণ নাকচ কৰিবলৈ অনুপ্ৰাণিত কৰিছে।[৯]

(২) Meno-অত প্লেটোৱে প্ৰশ্ন তুলিছিল যে আমি কি বিচাৰি আছো সেই সম্পৰ্কে অজ্ঞ হ'লে এটা অনুসন্ধান অনুসৰণ কৰা কেনেকৈ সম্ভৱ হ'ব (para 80d)।

'আমাৰ মনত গোপন হৈ থকা এটা ধাৰণাৰ নিৰ্দেশানুসৰি গৃহনিৰ্মাণৰ সমলৰ দৰে প্ৰয়োগ কৰিবলৈ বহুদিন ধৰি খেলিমেলিভাৱে আমি পৰ্যবেক্ষণ সংগ্ৰহ নকৰালৈকে আৰু বাস্তৱিকতে সেই সমলসমূহক প্ৰযুক্তিগতভাৱে কামত লগোৱাৰ কাৰণে আমি যথেষ্ট

সময় খৰচ কৰাৰ পাছতহে আৰু সামগ্ৰিকভাৱে স্থাপত্যবিদ্যা অনুসৰি ৰূপৰেখা তৈয়াৰ কৰিহে আমি আমাৰ ধাৰণাটোক প্ৰথম এক স্পষ্টতৰ পোহৰত দেখিবলৈ সক্ষম হওঁ।'

কাণ্ট, Critique of Pure Reason, 1781, p. 835. এক প্ৰকল্প, যি পৰীক্ষণীয় সিদ্ধান্ত সৃষ্টি কৰাত বিফল, তাৰ কোনো তাৎপৰ্য নাই বুলি কোৱা পপাৰৰ তত্ত্বটো গ্ৰহণীয় নহয় (প্ৰাকৃতিক নিৰ্বাচন)।

[See] M. Polanyi, Encounter, January, 1972 য'ৰ পৰা নিম্নোক্তখিনি লোৱা হৈছে........

১৯২৫ চনত আইনষ্টাইনে হাইজেনবাৰ্গক (Heisenberg) কৈছিল যে 'আপুনি কোনো এটা বস্তু পৰ্যবেক্ষণ কৰিব পাৰে নে নোৱাৰে, সেইটো আপুনি ব্যৱহাৰ কৰা তত্ত্বৰ ওপৰত নিৰ্ভৰ কৰে। তত্ত্বইহে কি পৰ্যবেক্ষণ কৰা হ'ব সেইটো নিৰ্দ্ধাৰণ কৰে।'

(৩) W.F. Weisskopf এ লেখা বক্তৃতা এটাত কাৰে চিহ্ন দিছিল :

পৃথিৱীৰ খোলাটোৰ বিবৰ্তনিক (tectonic) কাৰ্যাৱলীৰে হোৱা এই ধৰণৰ (পৰ্বত) মালাৰ গঠন আমি বুজিব পাৰো, কিন্তু আজি আমি দেখা মাউণ্ট ব্লেঙ্কৰ (Mt. Blanc) বিশেষ আকাৰটো (shape) কিয় হ'ল আমি ব্যাখ্যা কৰি ক'ব নোৱাৰো, আনকি পৰৱৰ্তী উদ্‌গীৰণৰ সময়ত মাউণ্ট চেণ্ট হেলেনচ্‌ৰ (Mt. St. Helens) কোনফালে গহ্বৰ সৃষ্টি হ'ব সেইটোও ভৱিষ্যতবাণী কৰিব নোৱাৰো...........

'ভৱিষ্যতবাণী কৰিব নোৱাৰা ঘটনাৱলী ঘটাটোৱে এইটো নুবুজায় যে প্ৰকৃতিৰ বিধানসমূহ ভংগ কৰা হৈছে।'

(৪) D. Struik-অৰ Concise History of Mathematics (1963) এ গণিতৰ সামাজিক শিপাডাল দেখুৱাইছে।

(৫) বিশ্বব্ৰহ্মাণ্ডখন উদ্দেশ্যবিহীনভাৱে (random) বিৰাট বিস্ফোৰণ বা মহানাদেৰে (big bang) আৰম্ভ হৈছিল বুলি কোৱা আৰু কৃষ্ণ গহ্বৰত (black holes) বিলীন হৈ (dissolve) যোৱাটো তাৰ নিয়তি বুলি কোৱা তত্ত্বটো এইটো যুগৰ সাংস্কৃতিক নৈৰাশ্যবাদৰ প্ৰতিফলন। নিৰ্দিষ্ট বিধিহীনতা (randomness) অজ্ঞতাৰ এক প্ৰকাৰৰ সিংহাসনত অভিষেক।

(৬) বংশগতিৰ (heredity) প্ৰভুত্বশীল গুৰুত্বত বিশ্বাস তেতিয়ালৈকে প্ৰগতিশীল (progressive), যেতিয়ালৈকে আপুনি বিশ্বাস কৰে যে আৰ্জিত (acquired) বৈশিষ্ট্যসমূহ উত্তৰাধিকাৰ সূত্ৰে পোৱা।

এইটোক যেতিয়া নাকচ কৰা হৈছিল, বংশগতিত বিশ্বাস প্ৰতিক্ৰিয়াশীল হৈ পৰিছিল।

C.E. Rosenberg-অৰ No Other Gods : On Science and American Social Thought, 1976, বিশেষকৈ ১০ পৃষ্ঠাত চাওক।

এইবোৰ টুকুৰা-টুকুৰি টোকাৰ পৰা (jottings) এইটো স্পষ্ট যে কাৰ এই সিদ্ধান্তলৈ আহিছিল যে বৈজ্ঞানিক জ্ঞানৰ আপেক্ষিকতা তেওঁ পূৰ্বতে ভবাতকৈয়ো অধিক গুৰুত্বপূৰ্ণ আছিল। কাল আৰু স্থানে প্ৰাকৃতিক বৈজ্ঞানিকৰ তত্ত্ব আৰু প্ৰয়োগত ভাঙুৰ প্ৰভাব পেলায়। প্ৰাকৃতিক বিজ্ঞানত পূৰ্বানুমান (hypothesis) আৰু মূৰ্ত (concrete) সমলৰ মাজৰ পাৰস্পৰিক ক্ৰিয়াৰ লগত ইতিহাসৰ সাধাৰণীকৰণ আৰু তথ্যৰ মাজৰ পাৰস্পৰিক ক্ৰিয়াৰ ঘনিষ্ঠ সাদৃশ্য আছে। বৈধ বৈজ্ঞানিক পূৰ্বানুমান মানেই সঠিক ভৱিষ্যতবাণী কৰাৰ ক্ষমতা নাথাকে যিটোক প্ৰায়ে পূৰ্বানুমানবোৰত আৰোপ কৰা হয়; কিছুমান প্ৰাকৃতিক বিজ্ঞানত সেইবোৰৰ লগত ঐতিহাসিকৰ সাধাৰণীকৰণৰ ঘনিষ্ঠ সাদৃশ্য আছে।

'ইতিহাস কাক কয়'ৰ 'ইতিহাসত কাৰ্য-কাৰণ' শীৰ্ষক বক্তৃতাটোত কাৰে ঐতিহাসিক সাধাৰণীকৰণৰ চৰিত্ৰ অধিক গভীৰভাৱে পৰীক্ষা কৰিছিল। ঐতিহাসিকজন একোটা ঐতিহাসিক ঘটনাৰ অসংখ্য কাৰণৰ সন্মুখীন হয় আৰু 'কাৰণসমূহৰ কিবা এটা ক্ৰম (hierarchy), যি সেইবোৰৰ ইটোৰ লগত সিটোৰ সম্পৰ্ক নিৰ্দ্ধাৰণ কৰিব' প্ৰতিষ্ঠা কৰি ল'বলৈ বিচাৰে। নতুন সংস্কৰণটোৰ বাবে যুগুতোৱা টোকাত কাৰে মণ্টেস্কু (Montesquieu) আৰু টক'ভিলৰ (Tocqueville) পৰা ছেদ কিছুমান উদ্ধৃত কৰিছে যিয়ে এক সদৃশ দৃষ্টিকোণ গ্ৰহণ কৰিছে। মণ্টেস্কুৱে লেখিছিল যে, কাৰণসমূহ 'কম স্বেচ্ছাচাৰী হয় যিহেতু সিহঁতৰ এটা অধিক সাধাৰণ প্ৰভাৱ (effect) থাকে। সেয়ে এজন ব্যক্তিক এক বিশেষ মানসিকতা কিহে দিলেতকৈ এটা জাতিক এটা নিৰ্দিষ্ট বৈশিষ্ট্য (character) কিহে প্ৰদান কৰিলে, এজন একক ব্যক্তিৰ চৰিত্ৰ কিদৰে গঠন হয় তাতকৈ কিহে এখন সমাজৰ প্ৰবৃত্তি (spirit) গঠন কৰিছে যাৰ কাৰণে এটা জীৱনযাত্ৰা আঁকোৱালি লৈছে, সেইটো আমি অধিক ভালদৰে জানো।'[১০] আৰু টক'ভিলৰ 'প্ৰাচীন আৰু সাধাৰণ কাৰণসমূহ' আৰু 'বিশেষ আৰু সাম্প্ৰতিক কাৰণসমূহ'ৰ[১১] মাজৰ পাৰ্থক্য (distinction) নিৰ্ণয়ৰ বিষয়ত কাৰে মন্তব্য দিছিল যে 'এইটো বোধগম্য, (sensible); সাধাৰণ দীৰ্ঘ-ম্যাদীৰ সমতুল্য; ঐতিহাসিক ঘাইকৈ দীৰ্ঘ-ম্যাদীৰ প্ৰতি আগ্ৰহ।'

বৃত্তিজীৱী (practising) ঐতিহাসিকৰ পক্ষে ঐতিহাসিক ঘটনাৱলীক দীৰ্ঘ-ম্যাদী, সাধাৰণ অথবা তাৎপৰ্যপূৰ্ণ কাৰণৰ নামেৰে ব্যাখ্যা কৰিবলৈ প্ৰয়াস কৰিলেই সি তৎমুহূৰ্ততে ইতিহাসত আকস্মিকতাৰ (accident) ভূমিকাৰ সমস্যাটোৰ জন্ম দিব। 'ইতিহাস কাক কয়'ত কাৰে স্বীকাৰ কৰিছিল যে, আকস্মিকতাই ইতিহাসৰ গতিধাৰা সংশোধন কৰি দিব (modify) পাৰে, কিন্তু এই বুলিয়ো যুক্তি দৰ্শাইছিল যে সেইবোৰ ঐতিহাসিকৰ তাৎপৰ্যপূৰ্ণ কাৰণৰ ক্ৰমত অন্তৰ্ভুক্ত হোৱা উচিত নহয়। লেনিনৰ অকাল মৃত্যুৰ আকস্মিকতাই ১৯২০-অৰ দশকত চোভিয়েট ইউনিয়নৰ ইতিহাসত এটা ভূমিকা পালন কৰিছিল, কিন্তু

কি ঘটিছিল সেই সম্পৰ্কে ই 'প্ৰকৃত' (real) কাৰণ নাছিল এইটো অৰ্থত যে ই এক যুক্তিসংগত আৰু ঐতিহাসিকভাৱে তাৎপৰ্যপূৰ্ণ ব্যাখ্যা আছিল যিটোক অনান্য ঐতিহাসিক পৰিস্থিতিত প্ৰয়োগ কৰিব পাৰি। 'ইতিহাস কাক কয়'ৰ প্ৰকাশৰ পাছত এইটো ধাৰণাৰ আৰু বিকাশ ঘটাই তেওঁৰ টোকাত তেওঁ লেখিছিল যে, 'ইয়াক চিৰিয়াচ অধ্যয়ন কৰি তুলিবলৈ হ'লে ইতিহাস বাস্তৱিকতে যথেষ্ট নিয়মানুবৰ্তিতাৰ (regularities) অধীন হ'ব লাগিব, যদিয়ো সময়ে সময়ে এই নিয়মানুবৰ্তিতাবলী বাহিৰা ঘটনাৰ (extraneous events) দ্বাৰা বিপৰ্যস্ত হয়।'

আকস্মিকতাৰ সমস্যাটো ইতিহাসত ব্যক্তিৰ ভূমিকা এই বিশেষ আকস্মিকতাৰ ক্ষেত্ৰত বিশেষভাৱে বিৰক্তিকৰ বুলি প্ৰমাণিত হৈছিল। বাৰে বাৰে কাৰ এইটো বিষয়লৈ ঘূৰি আহিছিল, যিটো অৱশ্যে ষ্টেলিনৰ ক্ষমতা আৰোহণৰ সময়ত চোভিয়েট ৰুচিয়াৰ বিকাশ সম্পৰ্কে তেওঁৰ নিজা অধ্যয়নৰ বেলিকা গুৰুতৰ আকাৰ ধাৰণ কৰিছিল। 'ইতিহাসত ব্যক্তি' শীৰ্ষক তেওঁৰ ফাইলটোৱে সমস্যাটো বহল ঐতিহাসিক প্ৰসংগত উপস্থাপন কৰিছে। তেওঁ পৰামৰ্শ দিছে যে, ব্যক্তিৰ মতবাদটো (cult) 'এক সম্ৰান্ত তত্ত্ব', কাৰণ 'ব্যক্তিবাদে কেৱল এক নৈৰ্ব্যক্তিক (impersonal) জনতাৰ প্ৰেক্ষাপটৰ বিপৰীতে ব্যক্তিগত প্ৰতিনিধিক প্ৰতিষ্ঠা কৰাটোকহে অৰ্থ কৰে।' মুক্ত ব্যক্তিৰ নিৰঙ্কুশ অধিকাৰসমূহৰ বাবে চূড়ান্ত জোৰ দিয়াটোত বুদ্ধিজীৱিসকলৰ মাজত ব্যাপক সমৰ্থন বিচাৰি পোৱা যায়। ১৯২০ৰ আৰু ১৯৩০-অৰ দশকত এই দৃষ্টিভংগীৰ অগ্ৰগণ্য বৃটিছ সমৰ্থক (proponent) অল্ডাচ হাক্সলীয়ে (Aldous Huxley) তেওঁৰ সংগতভাৱে নামাকৰণ কৰা Do As You Will গ্ৰন্থত দাবী কৰিছিল যে, 'জীৱনৰ উদ্দেশ্য হৈছে আমি তাত যি উদ্দেশ্য আৰোপ কৰো। ইয়াৰ অৰ্থ হৈছে যিহকেই আমি অৰ্থ বুলি অভিহিত কৰিবলৈ পছন্দ কৰো। প্ৰত্যেক মানুহৰে তেওঁৰ জীৱন দৰ্শনৰ প্ৰধান প্ৰধান ক্ষেত্ৰবোৰৰ ওপৰত এক অবিচ্ছেদ্য অধিকাৰ থাকে।'[১২] ১৯৩০-অৰ দশকত চাৰ্ত্ৰেৰ (Sartre) প্ৰভাৱশালী Being and Nothingness এ 'নিজৰ কাৰণে' সত্তা (being for itself) – ব্যক্তিৰ বিশুদ্ধ সচেতনতা, নিৰঙ্কুশ স্বাধীনতা আৰু দায়িত্ব,— আৰু 'নিজৰ মাজত' সত্তা (being in-itself)– উপাদান, বস্তুনিষ্ঠা, অ-চেতন জগত,— এই দুটাৰ মাজত পাৰ্থক্য উল্লেখ কৰিছে। এইটো স্তৰত তেওঁ 'নৈৰাজ্যবাদৰ লক্ষণ'ৰ সৈতে (চাৰ্ত্ৰেৰ মাজত যিটো কেতিয়াও অনুপস্থিত নাছিল) মাৰ্ক্সবাদ- বিৰোধী আছিল আৰু ১৯৬০ চনত যদিয়ো Critique of Dialectical Reason এ মাৰ্ক্সবাদক 'আমাৰ যুগৰ সৰ্বশেষ দৰ্শন' বুলি স্বীকাৰ কৰাটো বুজাইছিল, কাৰৰ মতে বাস্তৱিকতে 'তেওঁৰ মাৰ্কা অস্তিত্ববাদ, সম্পূৰ্ণ স্বাধীনতা, ব্যক্তিত্ব আৰু বিষয়নিষ্ঠা মাৰ্ক্সবাদৰ লগত বিৰোধাত্মক আছিল।' একেদৰেই মাৰ্ক্সবাদৰ দ্বাৰা প্ৰভাৱান্বিত হৈ এডৰ্ণোৱে (Adorno) 'ব্যক্তিক প্ৰযুক্তিতন্ত্ৰ আৰু আমোলাতন্ত্ৰৰ জগত

এখনৰ সম্পূৰ্ণ বন্যতাৰ পৰা আৰু দৰ্শনৰ সীমিত (closed) পদ্ধতিৰ জগত এখনৰ পৰাও (হেগেলৰ আদৰ্শবাদ, মাৰ্ক্সৰ বস্তুবাদ) উদ্ধাৰ কৰিবলৈ বিচাৰিছিল' আৰু ফ্ৰয়দৰ বাবে ব্যক্তিৰ স্বাধীনতা সভ্যতাৰ ফচল নাছিল; তাৰ বিপৰীতে সভ্যতাৰ প্ৰভাৱে ব্যক্তিক সীমাবদ্ধহে কৰিছিল।[১৩]

ব্যক্তি সমাজৰ দ্বাৰা জিঞ্জিৰিবদ্ধ আৰু এই শৃংখলৰ পৰা তেওঁলোকক মুক্ত কৰিব লাগে— এই দাবীটো সমানেই দীৰ্ঘ প্ৰতিষ্ঠিত আন এটা দাবী যেনে কিছুমান ব্যক্তি প্ৰকৃততে সমাজৰ দ্বাৰা শৃংখলিত নোহোৱাকৈয়ো কাম কৰিবলৈ সমানেই প্ৰতিষ্ঠিত আন এটা দাবী যেনে কিছুমান ব্যক্তি প্ৰকৃততে সমাজৰ দ্বাৰা শৃংখলিত নোহোৱাকৈ কাম কৰিবলৈ সক্ষম আংশিকভাৱে সগোত্ৰীয় (congnate) আৰু আংশিকভাৱে সংঘাটপূৰ্ণ (conflict) অথচ সমানেই দীৰ্ঘ প্ৰতিষ্ঠিত দাবী যে কিছুমান ব্যক্তি প্ৰকৃততে সমাজৰ দ্বাৰা শৃংখলিত নোহোৱাকৈয়ো কাম কৰিবলৈ সমৰ্থ, যিটো সঘনাই ইতিহাসৰ মহান ব্যক্তিৰ (Great Men in History) ওপৰত অতিমাত্ৰা গুৰুত্ব দিয়াৰ ওপৰত জোৰ দিয়াৰ ৰূপত প্ৰকাশ পায়। এন্ড্ৰু মাৰ্ভেলে (Andrew Marvell) ক্ৰমৱেলৰ বাবে তেনে এটা ভূমিকাৰ বাবে সজোৰে দাবী উত্থাপন কৰিছিল ঃ

এৱেঁই সেইজন যি সিঁচৰতি সময়ৰ শক্তিক একত্ৰিত কৰে আৰু এবছৰতে যুগ-যুগৰ কাম সম্পূৰ্ণ কৰে।

তাৰ বিপৰীতে চেমুৱেল জনছনে ঘোষণা কৰিছিল ঃ

মানুহৰ হৃদয়ে যিমানখিনি সহ্য কৰে, তাৰ কি যে নগণ্য অংশ এটা ৰজা বা আইনে দিয়ে বা নিৰাময় কৰে।

কাৰে লেখিছে , 'ৰজা আৰু আইনে অমঙ্গল ঘটোৱা আৰু গুচোৱাৰ বিশ্বাসৰ বিপৰীতে' জনছনৰ প্ৰতিক্ৰিয়া 'পশ্চাদপসৰণ কৰা সেনা বাহিনীৰ পিচৰ অংশ ৰক্ষাৰ্থে কৰা যুদ্ধৰ নিচিনা (rearguard action)।'

যিসকলে ব্যক্তিৰ ইচ্ছাৰ (Will) কাৰণে এটা নিৰ্ণয়াত্মক ভূমিকা দাবী কৰে, যিটো সমাজৰ পৰা স্বাধীন অথবা স্ব-নিয়ন্ত্ৰিত (autonomous), সেইসকলৰ বিৰুদ্ধে মাৰ্ক্সে যুক্তি দৰ্শাইছিল যে যি দৃষ্টিভংগীয়ে 'বিচ্ছিন্ন মানুহক ইয়াৰ সূচনা- বিন্দুৰ দৰে গ্ৰহণ কৰে', সেইটো 'অলীক' (absurd– abgeschmackt)। মানুহ উৎপত্তিগতভাৱে (originally) এক বংশগত (generic) সত্তা, এক জাকবন্ধা জন্তু (herd animal) হিছাপে উদ্ভৱ হৈছিল যি 'ইতিহাসৰ প্ৰক্ৰিয়াৰ যোগেদি নিজকে ব্যক্তিত পৰিণত (individualizes) কৰে'; 'আদান-প্ৰদান' (exchange) নিজেই এই ব্যক্তিকৰণৰ (individualization) এটা প্ৰধান কাৰক (agent)।[১৪] মিল্টনৰ বিষয়ে লেখোতে মেক্‌লেই লক্ষ্য কৰিছিল যে, 'মানুহে যিমান বেছিকৈ জানে আৰু যিমান বেছিকৈ ভাবে, সেই অনুপাতে তেওঁলোকে

ব্যক্তি কমকৈ চায় আৰু শ্ৰেণীক বেছিকৈ চায়।'[15] ১৮৫২ চনত টক্‌ভিলে এই ধাৰণাটোৰ প্ৰণালী প্ৰকাশ কৰিছিল এইবুলি যে, ব্যক্তি- ৰাজনীতিকৰ কাৰ্যাৱলী তেওঁলোকৰ বাহিৰৰ বিভিন্ন শক্তিৰ দ্বাৰা নিৰ্ধাৰিত হয় ঃ

> 'সকলো সভ্য মানুহৰ মাজত ৰাজনৈতিক বিজ্ঞানে হয়তো সাধাৰণ ধাৰণা সৃষ্টি কৰে অথবা অন্ততঃ গঢ় দিয়ে; আৰু এইবোৰ সাধাৰণ ধাৰণাৰ পৰাই সমস্যাসমূহ গঢ় লৈ উঠে যাৰ মাজত ৰাজনীতিকে সংগ্ৰাম কৰিবলগীয়া হয় আৰু তেওঁলোকে কল্পনা কৰা আইনসমূহ সৃষ্টি কৰে। ৰাজনৈতিক বিজ্ঞানসমূহে এক প্ৰকাৰৰ বৌদ্ধিক বাতাবৰণ গঠন কৰে য'ত সমাজৰ শাসক আৰু শাসিত দুয়ো উশাহ-নিশাহ লয় আৰু দুয়ো পক্ষই তাৰ পৰাই নিজৰ অজ্ঞাতসাৰেই তেওঁলোকে কাৰ্যাবলীৰ নীতি আহৰণ কৰে।'

এইটো দৃষ্টিভংগীৰ প্ৰতি টলষ্টয়ে দৃঢ়তাৰে চূড়ান্তভাৱেই প্ৰকাশ কৰিছিল যে ইতিহাসত ব্যক্তিয়ে তেনেই মামুলি (insignificant) ভূমিকা পালন কৰে ঃ War and Peace-অৰ উপসংহাৰৰ (epilogue) খচৰাবোৰৰে এটাত তেওঁ কৰ্কশ ভাষাৰেই (bluntly) বৰ্ণনা কৰিছিল যে, 'ঐতিহাসিক ব্যক্তিসকল তেওঁলোকৰ সময়ৰ সৃষ্টি, সমসাময়িক আৰু পূৰ্ববৰ্তী ঘটনাবলীৰ যোগসূত্ৰৰ পৰাই তেওঁলোকৰ উদ্ভৱ হয়।'[16] ১৮৬৭ চনৰ ভিতৰত তেওঁৰ এই দৃষ্টিভংগী ইতিমধ্যেই গঢ় লৈছিল ঃ

> 'জেমষ্টভো (Zemstvo— ৰুচিয়াৰ স্থানীয় চৰকাৰ), আদালত, যুদ্ধ অথবা অনা-যুদ্ধ আদি সকলোবোৰেই সামজিক সংগঠনৰ বহিঃপ্ৰকাশ— জাক জাক (swarm) সংগঠন (মৌ-মাখিৰ দৰে) ঃ যিকোনোৰেই ইয়াত প্ৰকাশ হ'ব পাৰে আৰু বাস্তৱিকতে সৰ্বোৎকৃষ্ট সেইবাৰেই হয় যিবোৰে নিজেই নাজানে তেওঁলোকে কি আৰু কিয় কৰি আছে— আৰু তেওঁলোকৰ সামূহিক পৰিশ্ৰমৰ ফলাফল সদায়েই এক একেআগী কাৰ্যকলাপ হয় আৰু সেইটো প্ৰাণীবিদ্যাৰ বিধিবোৰৰ লগত পৰিচিত। সৈনিক, সম্ৰাট, সম্ভ্ৰান্ত শ্ৰেণীৰ সেনাপতি অথবা হালোৱাজনৰ জৈব-বৈজ্ঞানিক (Zoological) কাৰ্যকলাপ আটাইতকৈ নিম্ন প্ৰকাৰৰ কাৰ্য-কলাপ যিবোৰত— বস্তুবাদীসকলে ঠিকেই কয়— কোনো স্বেচ্ছাচাৰিতা নাই।'[17]

আৰু ত্ৰিশ বছৰৰ পিছত বুৰৰ যুদ্ধৰ (Boer War) আৰম্ভণিতে তেওঁ লেখিছিল যে, 'চেম্বাৰলেইন আৰু উইলিয়াম সকলৰ' বিৰুদ্ধে খং কৰাটো কোনো ভাল কথা নহয়; 'সকলো ইতিহাসেই হৈছে সকলো ৰাজনীতিকেই কৰা ঠিক তেনে ধৰণৰেই এলানি কাম' নতুন নতুন বজাৰেৰে এমুঠিমান লোকৰ ব্যতিক্ৰম পৰিমাণৰ' সম্পদক সমৰ্থন কৰাৰ প্ৰয়াসৰ পৰাই সৃষ্টি 'যেতিয়া জনতাৰ বৃহৎ অংশক কঠোৰ পৰিশ্ৰমে নিপিষ্ট কৰি পেলাইছে।'[18]

কাৰ বহলভাৱেই মাৰ্ক্স আৰু টক্‌ভিলৰ দৃষ্টিভংগীৰ লগত একমত আছিল। তেওঁ লক্ষ্য কৰিছিল যে, 'ইতিহাসত ব্যক্তিসকলৰ 'ভূমিকা' আছে; কিছুমান অৰ্থত এই ভূমিকা ব্যক্তিতকৈয়ো গুৰুত্বপূৰ্ণ।' তেওঁ ৰামজে মেক্‌ডনাল্ডৰ (Ramsay Macdonald)

বিষয়ে লক্ষ্য কৰিছিল যে তেওঁৰ 'সিদ্ধান্তৰ অস্থিৰতা (wobbling) সিমান তেওঁৰ ব্যক্তিগত চৰিত্ৰৰ পৰিণাম নাছিল (যিমান দূৰ ই তেওঁক নেতৃত্বৰ বাবে উপযোগী কৰি দিছিল সিমানলৈকে গুৰুত্বপূৰ্ণ) লেবাৰ পাৰ্টীয়ে প্ৰতিনিধিত্ব কৰা সমগ্ৰ গোষ্ঠীটোৰ উভয়সংকট (dilemma) যিমান আছিল।' 'তেওঁলোকৰ গোষ্ঠীগত স্বাৰ্থ আৰু তেওঁলোকৰ চিন্তাক গঢ় দিয়া দৃষ্টিভংগী ব্যাখ্যা কৰিবলৈ' সাধাৰণভাৱে তেওঁ ব্যক্তি-ৰাজনীতিকসকলক মূল্যায়ণ কৰিবলৈ সিমান বেছি আগ্ৰহী নাছিল বুলি দাবী কৰিছিল। তেওঁ লেখিছিল যে যি ধৰণে ব্যক্তিৰ মনে কাম কৰে, 'সেই আটাইখিনি এজন ঐতিহাসিকৰ বাবে গুৰুত্বপূৰ্ণ নহয়', আৰু 'ইতিহাসত সচেতন ব্যক্তিগত আচাৰ-আচৰণৰ প্ৰসংগ কমকৈ আৰু অৱচেতন গোষ্ঠী পৰিস্থিতি আৰু দৃষ্টিভংগীৰ প্ৰসংগ বেছিকৈ দৃষ্টি দিয়াটো' বেছি ভাল। এইটো মেজাজেৰেই তেওঁ তিৰ্যকভাৱে লক্ষ্য কৰিছিল যে হিটলাৰৰ বিষয়ে গ্ৰন্থ এখন 'আৰম্ভ হয় সকলোখিনি হিটলাৰৰ ব্যক্তিত্বত আৰোপ কৰি আৰু শেষ হয় ভাইমাৰ ৰাজত্বৰ (Weimar regime) অস্থিৰতা আৰু অক্ষমতাৰ কথাৰে।"[১১]

কিন্তু কাৰে টলষ্টয়ৰ চূড়ান্ত স্থিতিয়ো গ্ৰহণ কৰা নাই ঃ কৰ্মঠ ঐতিহাসিক হিছাপে তেওঁৰ যন্ত্ৰাই তেওঁক অনবৰতে 'ক্লিয়পেট্ৰাৰ নাকটোলৈ' ঘূৰাই লৈ গৈছিল। তেওঁ মন্তব্য দিছিল যে ইতিহাসত আকস্মিকতাৰ সমস্যাটোৱে 'এতিয়াও মোৰ আগ্ৰহ জন্মায় আৰু দোধোৰ-মোধোৰতো পেলায়', 'ইতিহাস কাক কয়'ত কৰাৰ দৰেই তেওঁৰ টোকাত তেওঁ পুনৰ দোহাৰিছিল যে যদিয়ো লেনিনৰ মৃত্যুৰ কাৰণ ইতিহাস বহিৰ্ভূত আছিল, ই ইয়াৰ ধাৰাটো প্ৰভাৱিত কৰিছিল। ইয়াৰ লগত তেওঁ আৰু সংযোগ কৰিছিল যে, 'আনকি আপুনি যদি এই বুলিয়ো কয় যে পৰিশেষত সকলোখিনিয়েই হয়তো একেই হ'লহেঁতেনগৈ, তেতিয়াহ'লেও তাত এটা চমু সময় আছে যিটো গুৰুত্বপূৰ্ণ আৰু বহুত মানুহৰ কাৰণে বহুত পাৰ্থক্য ঘটায়।' 'ইতিহাস কাক কয়'ত ঐতিহাসিক আকস্মিকতা সম্পৰ্কীয় তেওঁৰ আলোচনাৰ তুলনাত ইয়াত গুৰুত্ব আৰোপ কৰাৰ ক্ষেত্ৰত তেওঁৰ এটা লক্ষ্যণীয় পৰিৱৰ্তন দেখা যায়। তেওঁৰ ইতিহাসখন (চোভিয়েট ৰুচিয়াৰ ইতিহাসখন) সম্পূৰ্ণ হোৱাৰ উপলক্ষে পেৰি এণ্ডাৰচনৰ (Perry Anderson) লগত হোৱা তেওঁৰ সাক্ষাৎকাৰত তেওঁ লেনিন আৰু ষ্টেলিন সম্পৰ্কে কৰা গুৰুত্বপূৰ্ণ মন্তব্যৰ এয়া যেন পাতনি আছিল। তেওঁ দোহাৰিছিল (insisted) যে 'তেওঁৰ কাৰ্যক্ষমতাৰ পূৰ্ণতাৰ সৈতে তেওঁ কুৰিৰ আৰু ত্ৰিশৰ দশক ধৰি জীয়াই থাকিলহেঁতেন, তেতিয়া লেনিনো ঠিক একেখিনি সমস্যাৰে সন্মুখীন হ'লহেঁতেন' আৰু তেৱোঁ বৃহদাকাৰৰ যন্ত্ৰচালিত কৃষি ব্যৱস্থা, দ্ৰুত ঔদ্যোগিকৰণ, বজাৰ নিয়ন্ত্ৰণ আৰু শ্ৰমৰ নিয়ন্ত্ৰণ, নিৰ্দেশনা সৃষ্টি কৰিলেহেঁতেন। কিন্তু তেওঁ 'বলপ্ৰয়োগৰ উপাদানটো সৰ্বনিম্ন আৰু হ্ৰাস' কৰিবলৈ সক্ষম হ'লহেতেন ঃ

লেনিনৰ অধীনতো সেই যাত্ৰা সম্পূৰ্ণভাৱে মসৃণ নহ'লহেঁতেন, কিন্তু যিখিনি ঘটিল, তেনেকুৱাও নহ'লহেঁতেন। ষ্টেলিনে যিটো সদায়েই কৰিছিল, লেনিনে সেইদৰে নথি জাল কৰাটো সহ্য নকৰিলেহেতেন। লেনিনৰ অধীনত চোভিয়েট যুক্তৰাষ্ট্ৰ কেতিয়াও কিলিগাৰ (Ciliga) আপ্তবাক্যৰ ভাষাত 'বিৰাট মিথ্যাৰ দেশ'ত পৰিণত নহ'লহেঁতেন। এয়াই মোৰ অনুমান (speculations)।[২০]

কাৰে ইয়াত চোভিয়েট ইতিহাসৰ এক সংকটপূৰ্ণ কালত আকস্মিকতাত এক গুৰুত্বপূৰ্ণ ভূমিকা আৰোপ কৰিছিল। সযত্নে বিবেচিত সিদ্ধান্ততকৈ এইটো এটা মৌখিক বিবৃতি আছিল। কিন্তু অধিক সংযত ভাষাৰে তেওঁৰ 'ইতিহাস'ত তেৱেঁই লেখিছিল যে, 'ৰুচিয়াৰ আমোলাতন্ত্ৰৰ আদিম আৰু নিৰ্মম ঐতিহ্যৰ সৈতে ষ্টেলিনৰ ব্যক্তিত্বৰ সংযোগে বিপ্লৱটোলৈ ওপৰৰ পৰা এক বিশেষ ধৰণৰ নিষ্ঠুৰ চৰিত্ৰ প্ৰদান কৰিছিল।'[২১] 'ওপৰৰ পৰা অহা বিপ্লৱ'টো দীৰ্ঘ-ম্যাদী কাৰণসমূহে নিৰ্দ্ধাৰণ কৰিছিল, যিটো ঐতিহাসিকৰ বাবে প্ৰধান বিবেচনাৰ বিষয় হ'ব লাগিব, কিন্তু যিমান পৰিমাণৰ বলপ্ৰয়োগ ব্যৱহাৰ কৰা হৈছিল, সেইটো ইতিহাসৰ এক আকস্মিকতা আছিল।

তেওঁৰ ফাইলৰ বিভিন্ন টোকা আৰু চিঠিপত্ৰত কাৰে ঐতিহাসিক অধ্যয়নৰ বৰ্তমানৰ অৱস্থাৰ মূল্যায়ণ কৰিছিল। মাৰ্ক্সীয় প্ৰভাৱক বিগত ষাঠি বছৰত এটা প্ৰধান নতুন ধাৰা বুলি তেওঁ উল্লেখ কৰিছিল ঃ

প্ৰথম বিশ্বযুদ্ধৰ পৰাই ঐতিহাসিক লেখনিৰ ওপৰত ইতিহাসৰ বস্তুবাদী ধাৰণাৰ প্ৰভাৱ অত্যন্ত প্ৰবল। দৰাচলতে এইদৰেও ক'ব পৰা যায় যে, এইটো পৰ্বত সকলোবোৰ চিৰিয়াচ ঐতিহাসিক কৰ্মক ইয়াৰ প্ৰভাৱে গঢ় দিছে। সাধাৰণ বিবেচনাত এই পৰিবৰ্তনৰ লক্ষণ হ'ল— যুদ্ধ, কূটনৈতিক কুচকাৱাজ, সাংবিধানিক বিতৰ্ক আৰু ৰাজনৈতিক ষড়যন্ত্ৰ আদিবোৰেই ইতিহাসৰ প্ৰধান বিষয়বস্তু হিছাপে বিবেচিত হোৱা,— যাক বহল অৰ্থত 'ৰাজনৈতিক ইতিহাস' বুলি কোৱা যায়,— এইবোৰক অৰ্থনৈতিক উপাদান, সামাজিক পৰিস্থিতি, জনসংখ্যাৰ পৰিসংখ্যা, শ্ৰেণীসমূহৰ উত্থান-পতনৰ অধ্যয়নে অপসাৰণ (replacement) কৰা। সমাজতত্ত্বৰ ক্ৰমবৰ্ধিত জনপ্ৰিয়তা সেই একেটা বিকাশৰ আন এটা বৈশিষ্ট্য; মাজে সময়ে ইতিহাসক সমাজতত্ত্বৰ এটা শাখা হিছাপে গণ্য কৰাৰো প্ৰয়াস কৰা হৈছে।

'ইতিহাস কাক কয়'ত কাৰে ইতিমধ্যে ওপৰত সমাজতত্ত্বৰ ইতিবাচক প্ৰভাৱ লক্ষ্য কৰি এইবুলি মন্তব্য দিছিল যে, 'যিমানেই ইতিহাস সমাজতাত্ত্বিক আৰু যিমানেই সমাজতত্ত্ব ঐতিহাসিক হয়, সিমানেই দুয়োটাৰ পক্ষে আৰু বেছি মংগল হ'ব।' নতুন সংস্কৰণৰ টোকাত তেওঁ অধিক জোৰালভাৱে ঘোষণা কৰিছিল ঃ 'সামাজিক ইতিহাসেই আধাৰশিলা (bedrock)। কেৱল আধাৰশিলা অধ্যয়ন কৰাটোৱেই যথেষ্ট নহয়; বিৰক্তিকৰ হৈ উঠে; ঘটনাপঞ্জীত (Annals) বোধকৰো এইটোৱেই ঘটে। কিন্তু আপুনি এইটোক বাদ দিবও নোৱাৰে।'

এইবিলাক ইতিবাচক বিকাশ স্বীকাৰ কৰি লৈয়ো কাৰে জোৰ দিছিল যে সাধাৰণ অথবা প্ৰচলিত ধাৰাৰ হিছাপত ইতিহাস আৰু সমাজবিজ্ঞান দুয়োটাই সংকটত। 'ইতিহাসৰ পৰা খণ্ডিত বিশেষীকৰণলৈ পলায়ন'ৰ তবল অভিজ্ঞতাবাদ (যিটোক তেওঁ 'এক ধৰণৰ আত্মহনন' বুলি গৰিহণা দিছে) আৰু ঐতিহাসিকে পদ্ধতিতত্ত্বত (methodology) আত্মগোপন কৰাৰ প্ৰৱণতা (তেওঁ মন্তব্য দিছে যে "'পৰিমাণগত' (quantitative) ইতিহাসৰ মতবাদ, যিয়ে পৰিসংখ্যাৰ তথ্যক সকলোবোৰ ঐতিহাসিক অনুসন্ধানৰ সমল বুলি গণ্য কৰে, সম্ভৱতঃ ইতিহাসৰ বস্তুবাদী ধাৰণাক অলীকতাত পৰিণত কৰে") কাৰে লক্ষ্য কৰিছিল আৰু ইতিহাসৰ নিজৰ ভিতৰৰে এই সংকটৰ লগত ইতিহাসৰ পৰা সমাজবিজ্ঞানলৈ পলায়ন জড়িত হৈ আছে, যিটোক কাৰেও এক ৰক্ষণশীল অথবা আনকি প্ৰতিক্ৰিয়াশীল ধাৰা হিছাপে গণ্য কৰিছিল ঃ

> ইতিহাস পৰিবৰ্তনৰ মৌলিক প্ৰক্ৰিয়াসমূহেৰে ভাৰাক্ৰান্ত। আপুনি যদি এইবোৰ প্ৰক্ৰিয়াৰ প্ৰতি বিৰূপ (allergic), আপুনি ইতিহাস পৰিত্যাগ কৰক আৰু সমাজবিজ্ঞানত আশ্ৰয় লওক। আজিকালি নৃতত্ত্ব, সমাজতত্ত্ব ইত্যাদিৰ জয়জয় ময়ময়। ইতিহাস ৰুগ্ন। কিন্তু সেয়ে আমাৰ সমাজো ৰুগ্ন।

তেওঁ এইটোলৈকো আঙুলিয়াইছে যে "অৱশ্যে 'আশ্ৰয় লোৱাটো' (taking cover) সমাজবিজ্ঞানসমূহৰ মাজতো চলিছে— অৰ্থনীতিবিদসকলে অৰ্থপৰিমাপবিদ্যা (econometrics), দাৰ্শনিকসকলে তৰ্কশাস্ত্ৰ আৰু ভাষাতত্ত্বত আৰু সাহিত্য সমালোচকসকলে ৰচনাশৈলীৰ কৌশলত আশ্ৰয় লৈছে।" টালকট পাৰচন্সে (Talcott Parsons) এজন সমাজতাত্ত্বিকৰ এটা স্পষ্ট উদাহৰণ দাঙি ধৰিছে, যিজনে 'বিমূৰ্ততাক (abstraction) ইমান দূৰ লৈ আহিছিল যে তেওঁ ইতিহাসৰ সকলো সংস্পৰ্শ হেৰুৱাই পেলাইছিল।'

কাৰে গঠনমূলকবাদৰ (Structuralism) প্ৰতি যথেষ্ট মনোযোগ দিছিল (অথবা- 'গঠনাত্মক সক্ৰিয়তাবাদ'— Structural Functionalism)। এবাৰ কথোপকথনত তেওঁ মন্তব্য দিছিল যে অতি বিশেষীকৰণৰ ফান্দত ভৰি নিদিয়াকৈ গঠনমূলকবাদীসকলৰ অন্ততঃ অতীতক সামগ্ৰিকভাৱে গণ্য কৰাৰ গুণটো আছিল। কিন্তু তেওঁ এইটোও বিশ্বাস কৰিছিল যে সামগ্ৰিকভাৱে গঠনমূলকবাদে ইতিহাস অধ্যয়নৰ ওপৰত এক ক্ষতিকাৰক প্ৰভাৱ পেলাইছিল। তেওঁ গঠনাত্মক বা আনুভূমিক (horizontal) দৃষ্টিভংগীক 'যি এখন সমাজক ইয়াৰ অংশ বা দিশৰ সক্ৰিয়তা (functional) অথবা গঠনাত্মক (structural) আন্তঃসম্পৰ্কৰ বিশ্লেষণ কৰে' আৰু ঐতিহাসিক বা 'অভিলম্বীয়' (vertical) দৃষ্টিভংগীক 'যিয়ে ই ক'ৰ পৰা আহিল আৰু ক'লৈ গৈ আছে সেইটো বিশ্লেষণ কৰে' তুলনা কৰিছে। তেওঁ পৰামৰ্শ দিছে যে, 'প্ৰতিজন সচেতন ঐতিহাসিকেই

মানি ল'ব যে দুয়োটা দৃষ্টিভংগীয়েই প্ৰয়োজনীয়' [এটুকুৰা কাগজৰ এটা হুটা টোকাত তেওঁ মন্তব্য দিছে যে, বৰ্ণনাত্মক ইতিহাস আৰু গঠনাত্মক ইতিহাসৰ মাজৰ পাৰ্থক্যটো ভিত্তিহীন (bogus)] ঃ

> কিন্তু ই প্ৰচুৰ পাৰ্থক্যৰ সৃষ্টি কৰে যিয়ে (ঐতিহাসিকৰ) প্ৰধান গুৰুত্ব আৰু বিবেচনা আকৰ্ষণ কৰে। নিঃসন্দেহে এইটো আংশিকভাৱে তেওঁৰ মেজাজৰ ওপৰত কিন্তু প্ৰধানকৈ তেওঁ কাম কৰা পৰিবেশৰ ওপৰত নিৰ্ভৰ কৰে। আমি এনে এখন সমাজত বসবাস কৰো যি পৰিবৰ্তনৰ কথা ভাবে যাইকৈ অশুভৰ (worse) কাৰণেহে, ইয়াক ভয়ো কৰে আৰু 'আনুভূমিক' দৃষ্টিভংগীক পছন্দ কৰে যি কেৱল সৰুসুৰা সামঞ্জস্য (adjustment) দাবী কৰে।

অন্য এঠাইত কাৰে মন্তব্য দিছে যে, 'আগৰটো দৃষ্টিভংগী ৰক্ষণশীল এই অৰ্থত যে ই এক স্থানু (static) অৱস্থা পৰীক্ষা কৰে, পিছৰটো ক্ৰান্তিকাৰী (radical) এই অৰ্থত যে ই পৰিবৰ্তনমুখী হয়' ঃ

> এল. এচে. (Levi-Strauss) তেওঁৰ প্ৰয়োজনত মাৰ্ক্সক যিমান বেছি উদ্ধৃত নকৰক লাগিলে, মই সন্দেহ কৰো যে গঠনমূলকবাদ ৰক্ষণশীল যুগ এটাৰ চৌখিন (fashionable) দৰ্শন।

কাৰৰ টোকাসমূহে লেভি' ষ্ট্ৰাউচৰ সম্পৰ্কে বহুত বস্তুকে (items) সামৰিছে, উল্লেখযোগ্যভাৱে Le Monde ত এটা সাক্ষাৎকাৰ, যাৰ শিৰোনামাটোৱেই কাৰৰ আটাইতকৈ নিকৃষ্টতম সন্দেহবোৰক নিশ্চিত কৰে ঃ "L' ideologie marxiste, Communiste et totalitaire n'est qu'une ruse de l'histore"[২২] (মাৰ্ক্সবাদী মতাদৰ্শ, সাম্যবাদ আৰু একনায়কত্ববাদ ইতিহাসৰ ছল-চাতুৰীৰ বাহিৰে আন একো নহয়)।

ঐতিহাসিক অধ্যয়নৰ বৰ্তমান অৱস্থা সম্পৰ্কে কাৰৰ সুদূৰ-প্ৰসাৰী সমালোচনা আৰু সামগ্ৰিকভাৱে নেতিবাচক মূল্যায়ণৰ লগতে শৃংখলা হিছাপে ইতিহাসৰ নিজা অধিকাৰৰ গুৰুত্ব সম্পৰ্কে এটা ইতিবাচক দাবীও আছে। তেওঁ 'সাধাৰণ ইতিহাস'ৰ প্ৰয়োজন ঘোষণা কৰিছে, যিয়ে আইনী, সামৰিক, জনতাত্ত্বিক, সাংস্কৃতিক আৰু ইতিহাসৰ অনান্য শাখাবোৰক একত্ৰ কৰে আৰু সেইবোৰৰ ভিতৰৰ আন্তঃসম্পৰ্ক বিচাৰ কৰে। একেদৰেই তেওঁ জোৰ দিছে যে, ইতিহাস সমাজবিজ্ঞানসমূহৰ কেৱল হাতধৰা লিগিৰা নহয়যে ইয়াৰ তত্ত্ব আৰু সেইবোৰক সমল যোগান দিবলৈ ইতিহাস সমাজবিজ্ঞানসমূহৰ ওচৰলৈ যাব লাগিব ঃ

> মই স্বীকাৰ কৰো যে বৰ্তমান সময়ৰ বহু ঐতিহাসিক মৃত, কাৰণ তেওঁলোকৰ কোনো তত্ত্বই নাই। কিন্তু তেওঁলোকৰ যি তত্ত্বৰ অভাৱ, সেয়া হৈছে ইতিহাসৰ তত্ত্ব, বাহিৰৰ পৰা যোগান ধৰা তত্ত্ব নহয়। যিটোৰ প্ৰয়োজন সেইটোৱেই হৈছে এক দ্বি-মুখী যাতায়াত ব্যৱস্থা। ঐতিহাসিকে অৰ্থনীতি, জনসংখ্যাতত্ত্ব, সামৰিক

> ইত্যাদি ইত্যাদি বিশেষজ্ঞৰ পৰাও শিকিব লাগিব। কিন্তু অৰ্থনীতিবিদ্, জনসংখ্যাতাত্ত্বিক আদিৰো মৃত্যু হ'ব যেতিয়ালৈকে তেওঁ এক ব্যাপকতৰ ঐতিহাসিক বিন্যাসৰ মাজত থাকি কাম নকৰে যিটো কেৱল 'সাধাৰণ' ঐতিহাসিকেহে যোগান ধৰিব পাৰে। সমস্যাটো হ'ল এয়ে যে, স্বাভাৱিকভাৱেই ঐতিহাসিক তত্ত্বাজি হৈছে পৰিবৰ্তনৰ তত্ত্ব আৰু আমিয়ে এখন সমাজত বসবাস কৰো যি এক সুস্থিৰ ঐতিহাসিক সাম্যাবস্থাত (equilibrium) কেৱল গৌণ (subsidiary) অথবা 'বিশেষীকৃত' পৰিবৰ্তন কামনা কৰে অথবা অনিচ্ছাসত্ত্বেও গ্ৰহণ কৰে।

কিন্তু কাৰে অৱশ্যেই বিশ্বাস কৰিছিল যে ঐতিহাসিকৰ দৃষ্টিভংগী তেওঁৰ সামাজিক পাৰিপাৰ্শ্বিকতাৰ ওপৰত নিৰ্ভৰ কৰে ; আৰু ১৯৭০-ৰ দশকত তেওঁৰ পৰামৰ্শযে তেনেই সংখ্যালঘু ক্ৰান্তিকাৰী অথবা বিসম্বাদী ঐতিহাসিকৰ বাহিৰে আনে অভিনন্দন জনাব, সেইটো তেওঁ আশা কৰিব নোৱাৰিছিল।

> যিখন সমাজ বৰ্তমান সম্পৰ্কে বিভ্ৰান্তিৰে ভৰপূৰ আৰু ভৱিষ্যতত বিশ্বাস হেৰুৱাই পেলাইছে, সেইখন সমাজৰ বাবে অতীতৰ ইতিহাস সম্পৰ্কহীন ঘটনাৱলীৰ এক অৰ্থশূণ্য জগাখিচিৰি (Jumble) যেন লাগিব পাৰে। যদিহে আমাৰ সমাজে বৰ্তমানৰ ইয়াৰ প্ৰভুত্ব আৰু ভৱিষ্যত সম্পৰ্কে ইয়াৰ স্বপ্ন পুনৰুদ্ধাৰ কৰে, একেটা প্ৰক্ৰিয়াৰ গুণতেই ই অতীত সম্পৰ্কে ইয়াৰ অন্তৰ্দৃষ্টিক পুনৰুজ্জীবিত কৰিব পাৰিব।

এই ছেদটো ১৯৭৪ চনত বৃটেইনত ৰক্ষণশীল মতবাদ আৰু এক ৰক্ষণশীল ভৱিষ্যতৰ ওপৰত নতুন বিশ্বাসৰ অভ্যুত্থান হোৱাৰ আগতে লেখিছিল। তেতিয়াৰ পৰাই আৰু কাৰৰ মৃত্যুৰ পাছৰ পৰাই ভৱিষ্যতৰ ওপৰত আস্থা হেৰুওৱাটোৰ আৰু তাৰ লগতে বৃটিছ ঐতিহাসিকসকলৰ মাজত পূৰ্বৰে পৰা যি গোড়ামি প্ৰচলিত আছিল সেই অভিজ্ঞতাবাদৰ এক বিকল্পৰ আৱিৰ্ভাৱ হৈছিল। ইতিহাসৰ পাঠ্যক্ৰমৰ কেন্দ্ৰবিন্দু হিছাপে বৃটিছ স্বদেশপ্ৰেমৰ ইতিহাসক পুনৰপ্ৰতিষ্ঠা কৰি ৰক্ষণশীল ৰাজনীতিক আৰু ঐতিহাসিকসকলে ভৱিষ্যতৰ প্ৰতি বিশ্বাসক উৎসাহ যোগাবলৈ উল্লেখনীয় প্ৰচেষ্টা চলাইছিল। চাৰ কীথ জোচেফ (Sir Keith Joseph) যেতিয়া শিক্ষামন্ত্ৰী আছিল, লৰ্ড হিউ টমাচৰ (Lord Hugh Thomas) সমৰ্থনত স্কুলবোৰক বৃটিছ ইতিহাসৰ প্ৰতি অধিক মনোযোগ দিবলৈ আৰু বিশ্ব ইতিহাসৰ প্ৰতি কম মনোযোগ দিবলৈ দিহা দিয়া হৈছিল। আধুনিক ইতিহাসৰ ৰেজিয়াচ অধ্যাপক হিছাপে অধ্যাপক জি. আৰ. এল্টনে (G.R. Elton) তেওঁৰ উদ্বোধনী বক্তৃতাত কেম্‌ব্ৰিজত স্নাতক পৰ্যায়ত (undergraduate) ইতিহাস শিক্ষণত সামাজিক বিজ্ঞানসমূহৰ ক্ষতিকৰ প্ৰভাৱক নিন্দা কৰিছিল আৰু ইতিহাসৰ অনাৰ্চত (tripos) ইংৰাজৰ ইতিহাসৰ অধ্যয়নে প্ৰধান স্থান পোৱা উচিত বুলি গুৰুত্ব আৰোপ কৰিছিল। 'যি ধৰণে এই সমাজে ক্ষমতাক মাৰ্জিত কৰিছে আৰু অবিৰাম পৰিবৰ্তনৰ মাজেদি নিজকে শৃংখলিত কৰিছে', ইংৰাজৰ ইতিহাসে সেইটো প্ৰমাণ কৰিব ; মিথ্যা বিশ্বাস আৰু অবিৰাম নতুনত্বৰ প্ৰফেটসকলৰ দ্বাৰা জ্বলা-

কলা দেখা অনিশ্চয়তাৰ এটা যুগে তাৰ নিজস্ব শিপাক চিনি পোৱাটো অত্যন্ত প্ৰয়োজন।[২৩] কাৰৰ কাৰণে এইবোৰ ঘটনা এখন অসুস্থ সমাজৰ লক্ষণ যেন লাগিব, যি নিজৰ গৌৰৱময় অতীতত সান্ত্বনাৰ সন্ধান কৰে আৰু সমাজৰ প্ৰচলিত যি ধাৰাসমূহ ঐতিহাসিকে যিমান দুৰ্বলৈকে প্ৰতিফলিত কৰে তাৰ এক উল্লেখনীয় উদাহৰণ দাঙি ধৰে।

'ইতিহাস কাক কয়'ৰ নতুন সংস্কৰণটোৱে আমাৰ সময়ৰ সামাজিক আৰু বৌদ্ধিক সংকটটোৰ বহল প্ৰসংগত ঐতিহাসিক অধ্যয়নৰ সংকটটো সামৰি ল'ব বুলি কাৰে আশা কৰিছিল। এই উদ্দেশ্যে তেওঁ সাহিত্য আৰু শিল্পৰ (art) সম্পৰ্কে এটা ফাইল সংগ্ৰহ কৰিছিল যিখিনি তেওঁৰ মূল বক্তৃতালানিত পৃথককৈ আলোচনা কৰা নাছিল। এই ফাইলটোৱে সাহিত্য তথা সাহিত্যিক আৰু শৈল্পিক সমালোচনাৰ টোকাও সামৰিছিল। কামটো তাৰ একেবাৰে প্ৰস্তুতি পৰ্বতে থাকিল। তেওঁৰ যুক্তিৰ আঁতডাল আছিল যে ইতিহাস, প্ৰাকৃতিক বিজ্ঞান আৰু সমাজবিজ্ঞানসমূহৰ নিচিনাকৈ সাহিত্য আৰু সাহিত্যিক সমালোচনাত সামাজিক পাৰিপাৰ্শ্বিকতাৰ দ্বাৰা প্ৰভাৱিত হয় অথবা গঢ় লয়। তেওঁৰ টোকাবোৰত দুটা পৰস্পৰ বিৰোধী উদ্ধৃতি চকুৰ আগত দাঙি ধৰিছে। অৰৱেলে (Orwell) যিক্ষেত্ৰত ঘোষণা কৰিছিলযে 'সকলো শিল্পই প্ৰচাৰ'[২৪] (propaganda), যি নিজেই শিল্পৰ ওপৰত সমাজৰ প্ৰভাৱ সম্পৰ্কে অজস্ৰ টোকা এৰি থৈ গৈছিল, সেই মাৰ্ক্সে তেওঁৰ Introduction to the Critique of Political Economy গ্ৰন্থত সতৰ্ক কৰি দিছিল যে, 'শিল্পৰ ক্ষেত্ৰত এইটো সকলোৱে ভালকৈ জনা কথা যে ইয়াৰে কিছুমান সৰ্বোচ্চ কীৰ্তি কোনোটো দিশৰ পৰাই সমাজৰ সাধাৰণ বিকাশৰ লগত সম্পৰ্কিত নহয় ; অথবা সেয়ে সেইবোৰ সমাজৰ বস্তুগত কাঠামোৰ (material Structure) লগতো সম্পৰ্কিত নহয়, সেইবোৰ যেন ইয়াৰ সংগঠনৰ কংকালটোহে।'[২৫]

কাৰৰ মূল্যায়ণ মতে মাৰ্ক্সৰ অসম্মতিসমূহ (reservations) কুৰি শতিকাত প্ৰযোজ্য নহয়, যিটো প্ৰধানকৈ নৈৰাশ্যবাদ, নিষ্ক্ৰিয়তা আৰু আশাহীনতাত মূৰ্ত হৈ উঠিছিল। কাৰৰ মতে হাৰ্ডি (Hardy) 'এনে এখন জগতৰ ঔপন্যাসিক যাৰ কোনো অৰ্থই নাই, মূলতঃ দিক্‌ভ্ৰষ্ট (away) এই কাৰণে নহয় যে, ভুল পথে গৈছে বা শুদ্ধ পথলৈ আনিব পৰা যাব, বৰং এক সময়হীন ভ্ৰান্তি আৰু অৰ্থহীনতাৰ জগতহে— সেয়ে এক চূড়ান্ত নৈৰাশ্যবাদ। এ. ই. হাইচমেনে (A.E. Housman) মন্তব্য দিছিল যে, 'মই অসুস্থ নহ'লে কাচিৎহে কবিতা লেখা হয়'[২৬] আৰু টি. এচ. এলিয়টে (T.S. ELiot) সহানুভূতিশীলতাৰে মন্তব্য দিছিল যে 'মই ভাবো যে মই বাক্যটো বুজি পাইছো।' 'দুয়োজনেই 'ৰুগ্ন' কাব্য লেখিছিল, কোনোজনেই বিদ্ৰোহী নাছিল' কাৰে কৰ্কশভাৱে (Sharply) মন্তব্য কৰিছিল। কাৰৰ টোকাসমূহত থকা এলানি উদ্ধৃতিয়ে এলিয়েটৰ আশাহীনতা আৰু নৈৰাশ্যবাদৰ উদাহৰণ দাঙি ধৰে। যিক্ষেত্ৰত শেক্সপীয়েৰৰ ৯৮ নম্বৰ

চনেটটো এপ্ৰিলৰ এক প্ৰশংসা উদ্‌যাপন (celebration) আছিল, এলিয়টৰ The Waste Land এ এপ্ৰিলক নিষ্ঠুৰতম্ মাহ হিচাপেহে দেখিছে। ১৯২০ চনত লেখা Gerontion-অত এলিয়টে অভিযোগ তুলিছিল যে, ইতিহাসে 'মনভুলোৱা আকাংক্ষাৰে প্ৰবঞ্চনা কৰে, অনৰ্থকতাৰে পথ প্ৰদৰ্শায়।'[২৭] The Waste Land এ লণ্ডন ব্ৰীজ পাৰ হৈ যোৱা বৃহৎ শ্ৰমিকক মৃত ব্যক্তি হিচাপে গণ্য কৰে, যিক্ষেত্ৰত ৱেইণ্ডাম লেউচে (Wyndham Lewis) 'অৰ্ধ-মৃত জনতা'ৰ কথা লেখিছে, যিসকল নিঃশেষ হৈ গ'লেও কাৰো একো হানি-বিঘিনি নঘটে।[২৮] বিফলতাৰ মহাপুৰুষ (prophet) কাফ্‌কাই (Kafka) তেওঁৰ ইচ্ছাপত্ৰত (testament) তাৎপৰ্যপূৰ্ণভাৱে তেওঁৰ লেখনিসমূহ ধ্বংস কৰি পেলাবলৈ নিৰ্দেশ দিছিল; এবাৰ কাফ্‌কাই কৈছিল যে, আমাৰ পৃথিৱীখন ভগৱানৰ 'বদ মেজাজ'বোৰৰে এটা; আমাৰ বিশ্বখনৰ বাহিৰে 'ঈশ্বৰৰ বাবে অলেখ আশা আছে, কেৱল আমাৰ বাবেহে নাই।'[২৯] আৰু কাৰৰ মতে আনকি অৰৱেলেও 'এলিয়টৰ দৰেই একেই অৱস্থাত শেষ কৰিছে— মানৱ জাতিৰ প্ৰতি হতাশা, বিশেষকৈ নিম্নতৰ শ্ৰেণীসমূহৰ প্ৰতি বিতৃষ্ণাৰ ৰূপত,— এক ধৰণৰ সন্ত্ৰাস্ততন্ত্ৰ।' তাৎপৰ্যপূৰ্ণভাৱে এক কাকতালীয় শিৰোনামাৰে দুখন আধুনিক ধ্ৰুপদী গ্ৰন্থ কাভাফিৰ (Cavafy) 'বৰ্বৰবোৰৰ প্ৰতীক্ষাত' (Waiting for the Barbarians) আৰু বেকেটৰ (Beckett) 'ঈশ্বৰৰ প্ৰতীক্ষাত' (Waiting for Godot) দুয়োখনেই 'নিঃসহায় প্ৰত্যাশিত নিষ্ক্ৰিয়তা' উপহাৰ দিছে। আৰু হেৰমেন হেছেৰ (Hermann Hesse) তত্ত্বটোৱে (cult) এজন লেখকক প্ৰশংসা কৰাটোক কাৰে 'এখন জগতৰ পৰা অহা এক স্ব-অস্তিত্ববাদী (solipsist) শৰণাৰ্থী য'ত তেওঁ বিশ্বাস হেৰুৱাই পেলাইছিল' বুলি বৰ্ণনা কৰিছিল।

টোকাৰ আন এটা সমষ্টিয়ে কুৰি শতিকাৰ সাহিত্য সমালোচনাক তাৰ সামাজিক প্ৰসংগৰ পৰিপ্ৰেক্ষিতত প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছে। এফ. আৰ. লিবিছে 'যিসকলক লৈ এখন সমাজৰ সৰ্বশ্ৰেষ্ঠ (flower) শ্ৰেণীটো গঢ় লৈ উঠিছে আৰু তাৰ ওপৰত প্ৰতিষ্ঠিত হৈছে, মেথিউ আৰ্ণল্ডৰ (Matthew Arnold) এক অনাগ্ৰহী বুদ্ধিজীৱিৰ শ্ৰেণীটোৰ স্বপ্নক পুনৰুজ্জীৱিত কৰিছিল।' নতুন সাহিত্য সমালোচনা 'আই. এ. ৰিচাৰ্ডচৰে (I.A. Richards) আৰম্ভ হৈছিল, যি সাহিত্যত বস্তুনিষ্ঠ (বৈজ্ঞানিক) আৰু বিষয়ীনিষ্ঠ (আৱেগজাত) উপাদানৰ মাজত বৈশিষ্ট্য চিহ্নিত কৰিছিল' ; তেওঁৰ উত্তৰসূৰীসকলে পাঠৰ (text) ক্ষেত্ৰত বস্তুনিষ্ঠ মানদণ্ড প্ৰয়োগ কৰি ব্যুৎপত্তি বা প্ৰসংগৰ সকলো প্ৰশ্ন আওকাণ কৰি সাহিত্য সমালোচকত বৈজ্ঞানিক পৰ্যবেক্ষকৰ লগত একাকাৰ কৰাৰ যত্ন কৰিছিল।' এইবিলাক বিকাশ সম্পৰ্কে কাৰে মন্তব্য দিছে যে ঃ

> ১৯৩০, ১৯৪০, আৰু ১৯৫০-অৰ দশকৰ ৰূপকল্পবাদীসকল (formalists) আৰু ১৯৬০ আৰু ১৯৭০-অৰ দশকৰ গঠনবাদীসকলে (structuralists)

> সাহিত্যক 'এক বিশুদ্ধ' (pure) সত্তা হিচাপে বিছিন্ন কৰি ভাবাৰ সীমাৰ মাজতে আবদ্ধ কৰি অনান্য সত্তাৰ দ্বাৰা কলুষিত নোহোৱাকৈ ৰাখিবলৈ বিচাৰিছিল। কিন্তু সাহিত্য সমালোচনা কেতিয়াও সম্পূৰ্ণভাবে সাহিত্যতে প্ৰোথিত (rooted) নহয়, যিহেতু সমালোচকজন নিজেই সাহিত্যৰ বাহিৰৰ আৰু তেওঁৰ লগত অনান্য ক্ষেত্ৰৰ উপাদান কঢ়িয়াই আনে। 'কলাকৈবল্যবাদ'ৰ দৰেই 'ভাষাতাত্ত্বিক দৰ্শন'বো (এক ভ্ৰান্ত নাম কিয়নো দৰ্শন সম্পৰ্কে পৰম্পৰাগতভাবে থকা ধাৰণাৰ পৰা ই এক পলায়ন মাত্ৰ) ধাৰণা সম্পৰ্কে কোনো দায়বদ্ধতা নাই।[৩০]

নীতিশাস্ত্ৰ অথবা ৰাজনীতিত ইয়াৰ কোনো প্ৰয়োগ নাই আৰু ইতিহাসৰ প্ৰতিয়ো ইয়াৰ কোনো মনোযোগ নাই ঃ 'আনকি শব্দৰ অৰ্থও যে সলনি হয়, সেই ধাৰণাও অনুপস্থিত।'

কাৰৰ নতুন সংস্কৰণটোৰ শেষৰ অধ্যায় কেইটাত সাম্প্ৰতিক বছৰবোৰৰ প্ৰচলিত নিৰাশাবাদৰ বিপৰীতে মোটামুটিভাবে মানুহৰ অতীতযে এক প্ৰগতিৰ কাহিনী সেইটো তেওঁ পুনৰ প্ৰমাণ (reassert) কৰিবলৈ বিচাৰিছিল আৰু মানুহৰ ভৱিষ্যতৰ ওপৰত তেওঁৰ আস্থা ঘোষণা কৰিবলৈ বিচাৰিছিল। 'ইতিহাস কাক কয়'ত তেওঁ লক্ষ্য কৰিছিল যে, প্ৰবুদ্ধযুগৰ (Enlightenment) যুক্তিবাদীসকলে আৰম্ভ কৰা প্ৰগতি হিছাপে ইতিহাসৰ দৃষ্টিভংগীয়ে সৰ্বোৎকৃষ্ট প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছিল যেতিয়া বৃটিছৰ আত্ম-বিশ্বাস আৰু ক্ষমতা শীৰ্ষস্থানত আছিল। যাইকি নহওক, কুৰি শতিকাত পাশ্চাত্য সভ্যতাৰ সংকটে বহু ঐতিহাসিক আৰু বুদ্ধিজীৱিক প্ৰগতিৰ ধাৰণাটোক (hypothesis) নাকচ কৰিবলৈ বাধ্য কৰিছিল। নতুন সংস্কৰণৰ বাবে প্ৰস্তুত কৰা টোকাত তেওঁ প্ৰগতিৰ যুগৰ (Age of Progress) তিনিটা দিশ চিনাক্ত কৰিছিল ঃ ১৪৯০ চনতে আৰম্ভ হোৱা বিশ্বৰ সম্প্ৰসাৰণ ; সম্ভৱতঃ যোল্ল শতিকাত আৰম্ভ হোৱা অৰ্থনৈতিক বিকাশ ; আৰু ১৬০০ চনৰ পৰৱৰ্তী কালৰ পৰা আৰম্ভ হোৱা জ্ঞানৰ বিস্তাৰ। পৃথিৱীৰ বিস্তাৰ সম্পৰ্কে সচেতন এলিজাবেথীয় যুগ এই প্ৰগতিৰ যুগৰ প্ৰথমটো চমকপ্ৰদ (brilliant) পৰ্ব (phase) আছিল। সৰ্বশ্ৰেষ্ঠ হুইগ ঐতিহাসিক মেক্‌লেই সংস্কাৰ বিলত (Reform Bill) পৰিপূৰ্ণতা লাভ কৰা ইতিহাসক বিজয়দীপ্ত প্ৰগতি হিছাপে অংকিত কৰিছিল।[৩১] কাৰৰ টোকাসমূহৰ পৰা এইটো স্পষ্ট যে, 'ইতিহাস কাক কয়'ৰ নতুন সংস্কৰণটোত তেওঁ প্ৰগতি সম্পৰ্কে চিকিৎসাবিজ্ঞান আৰু অনান্য ক্ষেত্ৰৰ পৰাও সাক্ষ্য দাঙি ধৰি ক'বলৈ বিচাৰিছিল যে, প্ৰগতি মূলতঃ এক প্ৰজন্মৰ পৰা অন্য এক প্ৰজন্মলৈ সঞ্চাৰিত হোৱা আৰ্জিত দক্ষতাৰ ওপৰত নিৰ্ভৰশীল আৰু তাৰ পৰিণামতেই সম্ভৱ হয়।

প্ৰথম বিশ্বযুদ্ধৰ সময়ৰ পৰাই প্ৰগতি হিছাপে ইতিহাসৰ ওপৰত বিশ্বাসটো ক্ৰমবৰ্ধিতভাৱে খাপনোখোৱা (unfashionable) হৈ আহিল। হতাশাৰ অতলত বুৰ যোৱাটো মাজে সময়ে এক তুচ্ছ অকালজাতত (premature) পৰিণত হৈছে ঃ 'মানৱ জাতিৰ অন্তিম দিনকেইটা, (The Last Days of Mankind) শীৰ্ষক গ্ৰন্থত কাৰ্ল

ক্রাউচে (Karl Kraus) অষ্ট্রো-হাঙেৰীয় সাম্রাজ্যৰ পতনক এক নাটকীয় হাস্যোদ্দীপকতাৰে (extravaganza) উদ্‌যাপন কৰিছিল।' কিন্তু কুৰি শতিকাটো আগবঢ়াৰ লগে লগে অতীতত প্ৰগতিৰ বিষয়ে সংশয় আৰু ভৱিষ্যত সম্ভাৱনাৰ প্ৰতি হতাশা অধিক শক্তিশালী আৰু অধিক প্ৰত্যয়ী (assertive) হৈ উঠিল। পঁচিশ বছৰৰ আগেয়ে যিজন পপাৰে (Popper) 'আমাৰ সময়ৰ ইতিহাস ঃ জনৈক আশাবাদীৰ দৃষ্টিভংগী' শীৰ্ষক এটা বক্তৃতা দিছিল, ১৯৭৯ চনত তেওঁ দিয়া পৰবৰ্তী বক্তৃতা এটাত তেৱেঁই মন্তব্য দিছিল যে, 'এইটো এনেদৰে ঘটিল যে মই আৰু প্ৰগতিত বিশ্বাস নকৰো।'[৩২] কোনো কোনো ঐতিহাসিকৰ বাবে প্ৰগতিৰ ধাৰণাটো এক অপ্ৰচলিত কৌতুক (outmoded joke) ঃ ৰিচাৰ্ড কব্বে (Richard Cobb) লেফেভ্‌ৰ (Lefebvre) সম্পৰ্কে লেখিছিল যে, 'তেওঁ এজন বৰ অজলা (naive) মানুহ, যি মানুহৰ প্ৰগতিত বিশ্বাস কৰিছিল।'[৩৩]

কাৰে অতীতৰ মানৱ প্ৰগতিত বিশ্বাস কৰিছিল আৰু বিশ্বাস কৰিছিল যে, 'অতীত সম্পৰ্কে এক উপলব্ধিয়েহে ভৱিষ্যত সম্পৰ্কে এক বৰ্দ্ধিত অন্তৰ্দৃষ্টি ইয়াৰ লগত বহন কৰি আনে।' সেয়ে তেওঁ হব্‌চৰ (Hobbes) লগত একমত হৈছিল যে, 'অতীত সম্পৰ্কে আমাৰ ধাৰণাৰ পৰাই আমি এক ভৱিষ্যত প্ৰস্তুত কৰো'।[৩৪] কিন্তু তেওঁ গুৰুত্বপূৰ্ণ মন্তব্যটো সংযোগ কৰিছিল যে, 'তাৰ বিপৰীতটোও প্ৰায় সমানেই সত্য হ'ব' ; আমাৰ ভৱিষ্যতৰ স্বপ্নই আমাৰ অতীত সম্পৰ্কে অন্তৰ্দৃষ্টি প্ৰভাৱিত কৰে। যিটো আপ্তবাক্যৰ আৰ্ণেষ্ট ব্লখে (Ernst) Bloch) তেওঁৰ Das Prinzip Hoftmung খন (আশাৰ নীতি) সামৰিছিল, সেইটোত শৌৰ্য আছিল ঃ 'প্ৰকৃত সৃষ্টি আৰম্ভণিত নহয়, বৰং সামৰণিতহে।'[৩৫]

এক শংকা আৰু হতাশাৰ সময়ত কাৰে চিন্তা কৰিছিল যে, ঐতিহাসিক হিছাপে বৰ্তমান সম্পৰ্কে তেওঁৰ উপলব্ধি আৰু ভৱিষ্যত সম্পৰ্কে স্বপ্নক পৰীক্ষা কৰা আৰু ঘোষণা কৰাটো তেওঁৰ বাবে বিশেষভাৱে গুৰুত্বপূৰ্ণ। পূৰ্ববৰ্তী চল্লিশ বছৰৰো অধিক কাল তেওঁ যুক্তি দৰ্শাইছিল যে, ৰাজনৈতিক বিজ্ঞানত কল্পৰাজ্য (Utopia) আৰু বাস্তৱতা দুটা অপৰিহাৰ্য স্থিতি, আৰু 'নিৰ্ভুল ৰাজনৈতিক চিন্তা আৰু সুস্থ ৰাজনৈতিক জীৱন কেৱল তেতিয়াহে বিচাৰি পোৱা যাব য'ত দুয়োটাৰে স্থান আছে।'[৩৬] অন্তৰ্বৰ্তী বছৰবোৰত তেওঁ এজন আত্মসংযমী (austere) বাস্তৱবাদী (realist) ৰূপে এক খ্যাতি অৰ্জন কৰিছিল। কিন্তু তেওঁৰ মৃত্যুৰ কেইবছৰমান আগতে তেওঁ প্ৰস্তুত কৰা চমু আত্মজীৱনীমূলক স্মৃতিকথাত তেওঁ মন্তব্য দিছিল যে ঃ সম্ভৱতঃ পৃথিৱীখন ক'তোৱেই একো অৰ্থ বিচাৰি নোপোৱা অনাস্থাবাদী (cynics) আৰু ভৱিষ্যত সম্পৰ্কে কিছুমান চমৎকাৰ (magnificent) অনিৰ্ণেয় অনুমানৰ ভিত্তিত বস্তুৰ অৰ্থ বিচাৰি পোৱা কল্পৰাজ্যবাদীৰ (Utopians) মাজত ভাগ হৈ গৈছে। মই পিছৰটোহে পছন্দ কৰো'।

'আশা' শীৰ্ষক তেওঁৰ ফাইলৰ টোকা এটাত তেওঁ মন্তব্য কৰিছে যে ঃ 'দিবা-স্বপ্নক সাকাৰ কৰাই কল্পৰাজ্যৰ কাম..... কল্পৰাজ্যই বিশ্বজনীনৰ লগত ব্যক্তিগত আগ্ৰহৰ সমন্বয় ঘটাই। প্ৰকৃত কল্পৰাজ্য অলস (idle) (unmotivated - অপ্ৰণোদিত) আশাবাদতকৈ পৃথক।'

কাৰৰ দৃষ্টিত ধ্ৰুপদী বৃটিছ পুঁজিবাদৰ দুজন মহান ছাত্ৰ আদাম স্মিথ আৰু কাৰ্ল মাৰ্ক্সৰ প্ৰতিজনেই সমাজৰ প্ৰতি এক সুগভীৰ অন্তৰ্দৃষ্টিক অন্তৰ্নিহিত কল্পৰাজ্যৰ লগত সংযোগ কৰিছিল ঃ

> Wealth of Nations-অত এক Theroy of Modern Sentiments-অৰ (আধুনিক আবেগৰ তত্ত্ব) অধ্যায় লেখা আদম স্মিথে মানৱ কাৰ্যাৱলীৰ প্ৰধান চালিকা শক্তি হিছাপে 'বিনিময় আৰু আদান-প্ৰদানক (barter and exchange) 'প্ৰচলন কৰাৰ' প্ৰৱণতাক পৃথক কৰিছিল।
>
> এয়া প্ৰতিভাবানৰ এক অন্তৰ্দৃষ্টি আছিল,— ঠিক মানৱ প্ৰকৃতিৰ প্ৰতি নহয়, বৰং এনে এখন সমাজৰ চৰিত্ৰৰ প্ৰতি, যিখন সমাজ পশ্চিম ইউৰোপত (আৰু আমেৰিকা যুক্তৰাষ্ট্ৰত) বিকাশ হ'বলৈ আৰম্ভ কৰিছিল; আৰু সেয়ে সেই বিকাশৰ পৃষ্ঠপোষকতা কৰিছিল।
>
> তাৰ লগত নিহিত থকা শোষণৰ মাত্ৰা সহ্য কৰিবলৈ শ্ৰমিকৰ অসন্মতিৰ প্ৰকোপত পুঁজিবাদ বিধ্বস্ত হৈ যাব বুলি থকা মাৰ্ক্সৰ অন্তৰ্দৃষ্টিও সমানেই সত্য।
>
> কিন্তু স্মিথৰ অদৃশ্য হাতৰ জগতৰ কল্পৰাজ্য আৰু মাৰ্ক্সৰ সৰ্বহাৰাৰ একনায়কত্ববাদৰ কলংকিত দিশবোৰে (seamy sides) বিকশিত হ'বলৈ আৰম্ভ কৰিছিল যেতিয়াই সেই অন্তৰ্দৃষ্টিক বাস্তৱত ৰূপায়ণ কৰাৰ প্ৰয়াস কৰা হৈছিল।

১৯৩৩ চনতে কাৰে মাৰ্ক্সক 'ঊনৈশ শতিকাৰ আটাইতকৈ দূৰদৰ্শী প্ৰতিভাধৰ হিছাপে আৰু ইতিহাসৰ আটাইতকৈ সফল ভৱিষ্যতবক্তা সকলৰ এজন হিছাপে গণ্য কৰিব পৰাকৈ দাবীদাৰ' হিছাপে উল্লেখ কৰিছিল।[৩৭] 'মাৰ্ক্সবাদ আৰু ইতিহাস' আৰু 'মাৰ্ক্সবাদ আৰু ভৱিষ্যত' শীৰ্ষক তেওঁৰ ফাইলত মাৰ্ক্স, এঞ্জেলচ, লেনিন আৰু তেওঁলোকৰ অগ্ৰণী অনুগামীসকলৰ পৰা বহু টোকা সংৰক্ষিত আছে, যাৰ পৰা এইটো প্ৰতীয়মান হয় যে, মাৰ্ক্স আৰু মাৰ্ক্সবাদ সম্পৰ্কে এক সতৰ্ক মূল্যায়ণৰ আধাৰত বৰ্তমান আৰু ভৱিষ্যত সম্পৰ্কে তেওঁৰ নিজা মূল্যায়ণ কৰাৰ অভিপ্ৰায় আছিল। তেওঁৰ বহুবোৰ সাম্প্ৰতিক ৰচনাত তেওঁৰ বন্ধু হাৰ্বাট মাৰ্কিউজৰ (Herbert Marcuse) নিচিনাকৈ তেওঁ এইটো স্পষ্ট কৰি দিছিল যে, 'পশ্চিমত আজিকালি সৰ্বহাৰাসকল, — সেইটো শব্দেৰে মাৰ্ক্সে যাক শিল্প উদ্যোগৰ সংগঠিত শ্ৰমিকক বুজাইছিল— এক বিপ্লৱীতো নহয়েই, সম্ভৱতঃ আনকি এক প্ৰতি- বিপ্লৱী শক্তিহে।'[৩৮] তেওঁ লক্ষ্য কৰিছিল যে, সৰ্বহাৰাসকলে শাসন কৰাৰ অক্ষমতাৰ বিষয়ে সংশয়বাদৰ পৰিণতি আছিল 'নিৰাশাবাদলৈ ট্ৰটস্কিৰ চূড়ান্ত প্ৰত্যাবৰ্তন',[৩৯] আৰু মাৰ্কিউজৰ নিৰাশাবাদৰ অভ্যন্তৰত সৰ্বহাৰা সম্পৰ্কে এক নেতিবাচক মূল্যায়ণ ঃ

মুক্তি আৰু বিপ্লব। নেতিকৰণৰ (negation) ক্ষমতা সৰ্বহাৰাতেই নিহিত হৈ থাকে। নিপীড়ণমূলক সমাজৰ পৰা ব্যক্তিগত ব্যক্তিত্বৰ মুক্তিৰ প্ৰতি আগ্ৰহ— ফ্ৰয়দ।

(মাৰ্কিউজৰ) *মৈথুনাগ্ৰহ আৰু সভ্যতা* (Eros and Civilization)– এখন নিপীড়ণহীন সমাজ সৃষ্টি কৰিবলৈ সৰ্বহাৰাৰ সামৰ্থ্যৰ বিষয়ে সন্দেহ।

চোভিয়েট মাৰ্ক্সবাদ। চোভিয়েট ইতিহাসে উৎপীড়নহীন সমাজ সৃষ্টি কৰাত কচ সৰ্বহাৰাৰ বিফলতাক প্ৰমাণ কৰিছে— এই ব্যৰ্থতাৰ কাৰণ উন্নত দেশবোৰৰ সৰ্বহাৰাৰ ব্যৰ্থতা।

এক-মাত্ৰিক মানৱে (One Dimensional Man) দেখুৱাইছে যে ঔদ্যোগিক সমাজে সৰ্বহাৰাসকলক গ্ৰাস কৰি পেলালে যাতে নীতিগতভাৱে সমাজ অপৰিবৰ্তনীয় হৈ পৰিল। পৰিণাম হ'ল সম্পূৰ্ণ হতাশাবাদ— বাস্তৱতাৰ পৰা বামপন্থী তত্ত্বৰ বিচ্ছেদ : 'এনে কোনো ক্ষেত্ৰ নাই য'ত তত্ত্ব আৰু প্ৰয়োগ, চিন্তা আৰু কৰ্ম একেলগ হয়।'[৪০]

মাৰ্ক্স সম্পৰ্কে এনে সমালোচনা কাৰে মানি লৈছিল, কিন্তু তেওঁ এনে নিৰাশাজনক সিদ্ধান্ত গ্ৰহণ কৰা নাছিল। তেওঁৰ আত্মজীৱনীমূলক স্মৃতিকথাত তেওঁ ঘোষণা কৰিছিল যেঃ

> 'ইয়াৰ বৰ্তমানৰ ৰূপত বৰং অবক্ষয় আৰু অৱনতিৰ বাহিৰে পাশ্চাত্য সমাজৰ কাৰণে বাস্তৱিকতে মই কোনো ধৰণৰ সম্ভাৱনাৰে পূৰ্বাভাস দেখা পোৱা নাই, অনিবাৰ্য নহ'লেও সম্ভৱতঃ এক নাটকীয় বিনাশেই তাৰ পৰিসমাপ্তি। কিন্তু মই বিশ্বাস কৰো যে, ইয়াতেই হওক বা অন্যত্ৰই, বহিৰ্পৃষ্ঠৰ তলত নতুন শক্তি আৰু আন্দোলন অংকুৰিত হৈ আহিছে, যাৰ আকাৰ এতিয়াও আমাৰ অনুমানৰ অগোচৰ।' সেয়েই মোৰ অনিৰ্ণেয় কল্পৰাজ্য। মই ভাবো, মই ইয়াক 'সমাজবাদী' (Socialist) বুলি কোৱা উচিত আৰু এইখিনিলৈকে মই মাৰ্ক্সবাদী। কিন্তু কেইটামান ইউটোপীয়ান খণ্ডবাক্যৰ বাহিৰে মাৰ্ক্সে সমাজবাদৰ বিষয়বস্তুৰ সংজ্ঞা ক'তো নিৰ্ধাৰণ কৰা নাছিল ; আৰু ময়ো নোৱাৰো।

তেনেহ'লে কিদৰে কাৰে নিজে পুঁজিবাদী ব্যৱস্থাৰ বিকাশ আৰু অবক্ষয়ৰ মূল্যায়ণ কৰিছিল, কি 'নতুন শক্তি আৰু আন্দোলন' তেওঁ চিনাক্ত কৰিছিল? 'মাৰ্ক্সবাদ আৰু ইতিহাস' শীৰ্ষক তেওঁ টোকাবোৰৰ অসংশোধিত খচৰা (rough draft) এটাত তেওঁ ইয়াৰ আংশিক উত্তৰ দিছিল, যিখিনি ১৯৭০ চন মানত লেখা যেন লাগে। যিহেতু টোকাটো অসম্পূৰ্ণ আৰু প্ৰকাশৰ পূৰ্বে নিশ্চিতভাৱে যথোপযুক্তকৈ সংশোধন কৰিলেহেঁতেন, টোকাখিনিয়ে বৰ্তমান আৰু ভৱিষ্যত সম্পৰ্কে কাৰৰ দৃষ্টিভংগীৰ মেজাজটো (spirit) ভালদৰেই বহন কৰিছেঃ

> বিগত পঞ্চাশ বছৰত পৃথিৱীৰ গঢ় চিনিব নোৱাৰাকৈ সলনি হৈ গৈছে। পশ্চিম ইউৰোপীয় শক্তিসমূহৰ পূৰ্বৰ উপনিবেশবোৰ— ভাৰত, আফ্ৰিকা, ইণ্ডোনেচীয়া

আদিয়ে তেওঁলোকৰ পূৰ্ণ স্বাধীনতা সাব্যস্ত কৰিলে। লেটিন আমেৰিকাৰ দেশসমূহৰ ভিতৰত কেৱল মেক্সিকো আৰু কিউবাই বিপ্লৱৰ পথ গ্ৰহণ কৰিছে ; কিন্তু অন্যত্ৰ অৰ্থনৈতিক বিকাশে অধিক পূৰ্ণ স্বাধীনতাৰ পথ দেখুৱাইছে। পূৰ্বৰ ৰুচ সাম্ৰাজ্যৰ পৰা চোভিয়েট যুক্তৰাষ্ট্ৰৰ উত্থান আৰু অতি সাম্প্ৰতিক চীন বিশ্বশক্তিৰ স্থানলৈ আৰু বিশ্বগুৰুত্বৰ স্থানলৈ উত্থান এইটো সময়ৰ আটাইতকৈ লক্ষণীয় ঘটনা। এইবোৰ পৰিৱৰ্তনে সৃষ্টি কৰা অনিশ্চয়তাৰ চেতনাই, যাৰ পৰিণামসমূহ এতিয়াও ভৱিষ্যতৰ গৰ্ভত, উনবিংশ শতিকাৰ বিশ্ব বিন্যাসৰ আপেক্ষিক স্থায়িত্ব আৰু নিৰাপত্তাৰ তীব্ৰ বৈপৰীত্যক প্ৰমাণ কৰে। অনিশ্চয়তা আৰু নিৰাপত্তাহীনতাৰ এই বাতাৱৰণৰ মাজৰ পৰাই নতুন সমাজৰ বৰ্তমানৰ স্বপ্নৰ জন্ম হৈছে।

ই এক আটাইতকৈ তাৎপৰ্যপূৰ্ণ কথা যে ৰুচ বিপ্লৱ, আৰু তাৰ পিছত চীন আৰু কিউবাৰ বিপ্লৱ কাৰ্লমাৰ্ক্সৰ শিকনিৰ ওপৰত নিৰ্ভৰশীল বুলি তেওঁলোকে নিজেই ঘোষণা কৰিছে। উনৈশ শতিকাৰ পুঁজিবাদী ব্যৱস্থাৰ অৱক্ষয় আৰু পতনৰ মাৰ্ক্সেই আছিল আটাইতকৈ শক্তিশালী ভৱিষ্যতবক্তা, অৱশ্যে মাৰ্ক্সে যেতিয়া লেখিছিল, তেতিয়াও পুঁজিবাদৰ জয়জয়-ময়ময় অৱস্থা। বিসকলে পুঁজিবাদী ব্যৱস্থাটোক প্ৰত্যাহ্বান জনাব বিচাৰিছিল আৰু তাৰ বিনাশত উৎফুল্লিত হৈ পৰিছিল, তেওঁলোক মাৰ্ক্সৰ কৰ্তৃত্বৰ প্ৰতি আকৃষ্ট হোৱাটো স্বাভাৱিক। এইটোও স্বাভাৱিক যে, এখন নতুন সমাজৰ স্বপ্নৰে উনৈশ শতিকাৰ পুঁজিবাদ সলনি কৰিবলৈ মাৰ্ক্সবাদৰ পৰাই প্ৰেৰণা আহৰণ কৰিব লাগিব। এইখিনি স্বপ্ন আংশিকভাৱে অনিবাৰ্যভাৱেই ইউটোপীয়ান ; ভৱিষ্যত সমাজ সম্পৰ্কে মাৰ্ক্সৰ লেখনি স্বল্প পৰিমাণৰ আৰু প্ৰায়ে ইউটোপীয়ান চৰিত্ৰৰ। তেওঁৰ ভৱিষ্যতবাণীসমূহৰে কিছুমান হতাশাজনক অথবা অকাৰ্যকৰী বুলি প্ৰমাণিত আৰু ইয়ে তেওঁৰ অনুগামীসকলৰ মাজত ইতিমধ্যেই বিতৰ্ক আৰু বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। কিন্তু তেওঁৰ বিশ্লেষণৰ ক্ষমতা অনস্বীকাৰ্য ; আৰু এখন ভৱিষ্যতৰ সমাজ সম্পৰ্কে যি ছবিকেই অংকন কৰা নহওক লাগিলে,— সেয়া লাগিলে যিমানেই কল্পনামূলক নহওক,— মাৰ্ক্সীয় ধ্যান-ধাৰণাৰ এক বৃহৎ অনুপ্ৰেৰণা (infusion) তাত থাকিবই লাগিব।

মাৰ্ক্স উৎপাদনশীলতাৰ (productivity), সৰ্বোচ্চ ধৰণৰ উৎপাদনশীলতাৰ পথ হিচাপে ঔদ্যোগিকৰণৰ আৰু আটাইতকৈ বিকশিত ধৰণৰ প্ৰযুক্তিৰ প্ৰয়োগৰ দ্বাৰা আধুনিকতাৰ ভৱিষ্যতবক্তা আছিল। Communist Manifestoৰ পৰা আৰম্ভ কৰি তেওঁৰ ৰচনাসমূহ পুঁজিবাদৰ সাফল্যসমূহৰ প্ৰশংসাৰে ভৰপূৰ, যি সামন্তবাদী বন্ধনৰ পৰা উৎপাদনৰ প্ৰক্ৰিয়াসমূহক মুক্ত কৰিছিল আৰু গোটেই বিশ্বজুৰি এটা আধুনিক, প্ৰযুক্তিগতভাৱে বিকশিত, বিস্তাৰশীল (expansive) অৰ্থনীতিৰ গতি সঞ্চাৰ কৰিছিল। কিন্তু মাৰ্ক্সে তেওঁৰ নিজৰ বিশ্লেষণেই প্ৰমাণ কৰিছিল বুলি বিশ্বাস কৰিছিল যে, মানুহৰ ব্যক্তিগত (private) উদ্যোগৰ নীতিত আধাৰিত বুৰ্জোৱা পুঁজিবাদে তাৰ নিজৰ সাফল্যৰেই নতুন শৃংখল (fetters) গঢ়িছিল, যিয়ে উৎপাদনৰ পৰৱৰ্তী বিস্তাৰক ভঙ্গ কৰি দিব যিয়ে উৎপাদনৰ নিয়ন্ত্ৰণ বুৰ্জোৱা পুঁজিবাদীৰ হাতৰ পৰা আঁতৰাই দি তাৰ ঠাইত শ্ৰমিকসকলৰ নিজৰেই একধৰণৰ সামাজিক নিয়ন্ত্ৰণ বিকল্প হৈ পৰিব। কেৱল এইদৰেহে উৎপাদনশীলতাৰ সম্প্ৰসাৰণ বজাই ৰাখিব

আৰু প্ৰবল কৰি তুলিব পৰা হ'ব। এখন ভৱিষ্যতৰ সাম্যবাদী সমাজৰ বহুবোৰ চিত্ৰৰ ভিতৰৰে মাৰ্ক্সে আগবঢ়োৱা এখনতহে 'সম্পদৰ নিজৰাবোৰ অধিক অপৰ্যাপ্তভাৱে ব'ব।'

বিশ্বৰ জগতত জনগণৰ বৃহৎ অংশই এতিয়াও আধুনিক সভ্যতাৰ আটাইতকৈ প্ৰাথমিক বস্তুগত সা-সুবিধাসমূহ ভোগ কৰিবলৈ পোৱা নাই, এইবোৰ তত্ত্বই (doctrines) এখন নতুন সমাজৰ সামূহিক স্বপ্নক (popular visions) প্ৰচণ্ডভাৱে প্ৰভাৱিত কৰাটো কোনো আশ্চৰ্যৰ বিষয় নহয়। এইটোও আশ্চৰ্যৰ কথা নহয় যে, (যদিও মাৰ্ক্সে যি আশা কৰিছিল এইটো তাৰ বিপৰীত) এই তত্ত্বসমূহে উন্নত দেশবোৰত নহয়, য'ৰ জনসাধাৰণে অতীতত বুৰ্জোৱা পুঁজিবাদৰ মহান সাফল্যসমূহ উপভোগ কৰিছিল আৰু সেইটো ব্যৱস্থাৰ সম্ভাৱনীয়তাসমূহ ইতিমধ্যে নিঃশেষ হৈ যোৱাটো বিশ্বাস কৰি ল'বলৈ টান পাইছিল, বৰং য'ত বুৰ্জোৱা পুঁজিবাদৰ অবিৰ্ভাৱেই নহ'ল, অথবা বিদেশী হিছাপে আবিৰ্ভাৱ হ'ল আৰু প্ৰধানকৈ নিপীড়ণমূলক শক্তি হিছাপেহে আবিৰ্ভাৱ হ'ল, সেই অনগ্ৰসৰ দেশসমূহতহে সিবিলাকৰ আটাইতকৈ প্ৰত্যয়জনক আবেদন জনালে। ৰুচ বিপ্লৱ প্ৰযুক্তিগতভাৱে অনগ্ৰসৰ দেশ এখনত সংঘটিত হৈছিল য'ত— অৰ্থনীতি আৰু সমাজত বুৰ্জোৱা পুঁজিবাদী ৰূপান্তৰ কাচিৎতে আৰম্ভ হৈছিল; লেনিনে কোৱাৰ দৰে ইয়াৰ প্ৰথম কাম আছিল ই সমাজবাদী বিপ্লৱলৈ পাৰ হোৱাৰ পূৰ্বে 'বুৰ্জোৱা বিপ্লৱ সম্পূৰ্ণ কৰা।' দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ পৰা বিপ্লৱ সেইবোৰ দেশলৈ বিয়পি পৰিল য'ত এটা বুৰ্জোৱা বিপ্লৱ তেতিয়াও আৰম্ভই হোৱা নাছিল। বৰ্তমান অপ্ৰচলিত হৈ পৰা বুৰ্জোৱা পুঁজিবাদী বিপ্লৱক অতিক্ৰম কৰি এখন ভৱিষ্যতৰ সমাজৰ স্বপ্নই অৰ্থনীতিৰ ঔদ্যোগিকৰণ আৰু আধুনিকীকৰণত সাফল্য অৰ্জন কৰিব আৰু ইয়াৰ আহ্বানিকৈ উচ্চতৰ উৎপাদনশীলতাই কিবা প্ৰকাৰৰ উৎপাদনৰ সামাজিক আৰু পৰিকল্পিত নিয়ন্ত্ৰণৰ যোগেদি আজি পশ্চিম ইউৰোপীয় জাতিসমূহৰ আওতাৰ বাহিৰৰ সমগ্ৰ বিশ্বতে প্ৰাধান্য বিস্তাৰ কৰিছে।

কাৰে আৰু সংযোগ কৰিছিল যে, 'তৎসত্ত্বেও এই দৃষ্টিভংগীৰ ৰাজনৈতিক দিশবোৰ অস্পষ্ট আৰু ভ্ৰমাত্মক (elusive) হৈ ৰৈছে। মাৰ্ক্সবাদে ইয়াত একো সহায় কৰি দিয়া নাই। শ্ৰমিকে নিয়ন্ত্ৰিত কৰা সমাজ এখনৰ ধাৰণাৰ ৰাচিয়াতে নামমাত্ৰ প্ৰাসংগিকতা আছে, য'ত সৰ্বহাৰাৰ সংখ্যা তাকৰীয়া ; কম উন্নত দেশবোৰত, য'ত সৰ্বহাৰা শ্ৰেণী এটাৰ অস্তিত্বই নাই, তাত ইয়াৰ কোনো প্ৰাসংগিকতাই নাই।' তথাপিয়ো এইবোৰ দেশত বিপ্লৱে পুঁজিবাদী ব্যৱস্থাটোৰ অৱসান ঘটোৱাৰ সম্ভাৱনা আছিল আৰু কাৰৰ 'অনিৰ্ণেয় কল্পৰাজ্য' অৰ্জন কৰাৰ সম্ভাৱনা যোগাইছিল ঃ

মই ভাবো আমি এই পূৰ্বানুমানটো (hypothesis) গুৰুত্ব সহকাৰে বিবেচনা কৰিব লাগিব (তেওঁ ১৯৭৮ চনৰ ছেপ্টেম্বৰত ঘোষণা কৰিছিল) যে, বিশ্ববিপ্লৱ, যাৰ প্ৰথম পৰ্যায় (বলচেভিক বিপ্লৱ) আছিল আৰু যিয়ে পুঁজিবাদৰ পতন সম্পূৰ্ণ কৰি তুলিব, সি প্ৰকৃততে সাম্ৰাজ্যবাদৰ বেশত পুঁজিবাদৰ বিৰুদ্ধে ঔপনিবেশিক জনগণৰ বিদ্ৰোহ।'[১]

টোকা

(১) J. L. BORGES, *A Personal Anthology,* 1972, pp. 32-3.

(২) G. LUKACE, *The Historical Novel,* 1962, pp. 176, 182.

(৩) EDWARD GIBBON, *Essai sur l'etude de la literature (সাহিত্য অনুশীলন বিষয়ক প্ৰবন্ধ),* 1761।

(৪) GIBBON, *Decline and Fall of the Roman Empire,* Bury edited, 1909, ch. 9, p.230.

(৫) G. VICO, *Principi di Scienza nuovo (নতুন বিজ্ঞানৰ নীতি),* 1744, Books I, ix and x, translated as *New Science of vico,* 1968, Paras 137, 321.

(৬) তেওঁৰ টোকাবোৰৰ ভিতৰত টাইপ কৰি থোৱা এই ছেদটো কাৰৰ লুকাচৰ ওপৰত লিখা নিবন্ধটো কাৰৰে *From Napoleon to Stalin*-অত প্ৰকাশ হৈছিল, ১৯৮০, পৃঃ ২৫০।

(৭) M. I. FINLEY (ed), *The Greek Historians, 1959, Introduction,* pp. 4,6.

(৮) G. MACAULAY, *Works* (1898) viii, 431 *(from an essay on Sir James Mackintosh).*

(৯) P. FEYERABENDএ *Against Method : Outline of an Anarchistic Theory of Knowledge* (1975)ত 'ইতিহাসে যোগান দিয়া সমৃদ্ধ সমল'ৰ পৰা সিদ্ধান্ত কৰিছে যে, সকলো পৰিস্থিতি আৰু সময়ত কেৱল এটা নীতিকহে প্ৰতিৰক্ষা দিব পাৰি : 'সকলোবোৰেই যায়।' পৃঃ ২৯।

(১) *'An Essay on Causes affecting Minds and Characters', in Montesquieu, The spirit of Laws,* ed. D.W. CARRUTHERS (1977), p. 417.

(১১) *See A. de Tocqueville, De l'ancien regime (প্ৰাচীন ৰাজত্ব), transl.* S. GILBERT, 1966, II, III, especially p. 160.

(১২) A. HUXLEY, *Do As you Will* (1929), *p. 101.*

(১৩) S. FREUD, *Civilization and its Discontents* (1975), p. 32; আন এটা টোকাত কাৰে লক্ষ্য কৰিছিল যে 'ফ্ৰয়দৰ অচেতনেই হ'ল মানুহ; য়ুঙৰ (Jung) 'সামূহিক অচেতনতা'ৰ লগত কোনো সম্পৰ্ক নাই।

(১৪) GRUNDRISSE (নক্সা), *Berlin,* 1953, PP. 395-6.

(১৫) *Works* (1898) vii, 6.

(১৬) L. TOLSTOY, *Polnoe Sobranie Sochirunii* (সম্পূৰ্ণ ৰচনা সংগ্ৰহ), XV (1955), 279.

(১৭) *Letter to Samarin, 10 January, 1867, in Tolstoy's Letters,* R.F. CHRISTIAN (ed), i (1973), 211.

(১৮) *Letter to Volkonsky, 4/16 December, 1899, Ibid,* ii, 585.

(১৯) SEBASTIAN HAFFNER-ৰ *The Meaning of Hitler*-ত (1979) এইদৰে উল্লেখ কৰিছে।

(২০) *From Napoleon to Stalin* (1980), pp. 262-63 *(interview with* PERRY ANDERSON, *September, 1978)*

(২১) A History of Soviet Russia (1978) XI, 448.

(২২) LE MONDE, 21-22 January, 1979.

(২৩) G.R. ELTON, *The History of England : Inaugural Lecture delivered 26 January 1984* (Cambridge, 1984) *especially* pp. 9-11, 26-9 : see also his *attack on family history in* NEW YORK REVIEW OF BOOKS, 14 June, 1984.

(২৪) G. ORWELL, *Collected Essays, Journalism and Letters (*1968), i, 448 (originally appeared in *Inside the Whale* (1940).

(২৫) *Translated in* K. MARX, *The German Ideology,* C. J. ARTHUR (ed), 1970, p. 179.

(২৬) A.E. HOUSMAN, *The Name and Nature of Poetry,* (1933), p. 49.

(২৭) T.S. ELIOT, *Collected Poems, 1909-1962* (1963), p. 40.

(২৮) D.B. WYNDHAM LEWIS, *Blasting and Bombardiering* (1937), p. 115.

(২৯) MAX BROD, *Kafka : A Biography* (1947) p. 61.

(৩০) See J. STURROCK, *Structuralism and since* (1979).

(৩১) *Works* (1898), xi 456-8 and et. 489-91 ; কিন্তু কাৰেও প্ৰশ্ন কৰিছিল যে, নিউজীলেণ্ডবাসীসকলৰ প্ৰতি মেক্‌লেৰ দৃষ্টিভংগী *(Essay on Ranke's History of the Popes)* প্ৰগতিৰ প্ৰতি বিশ্বাসৰ পৰিপন্থী? মেকলেই ভাৱীকালৰ নিউজীলেণ্ডবাসী এজনৰ কল্পনা কৰিছিল লণ্ডন ব্ৰীজৰ ভগ্ন হাত এখনৰ ওপৰত থিয় হৈ চেইণ্ট পলৰ (St. Paul) ধ্বংসাৱশেষৰ ৰেখা চিত্ৰ (Sketch) অংকন কৰা, কিন্তু একেটা পেৰাগ্ৰাফতে নতুন বিশ্বৰ ভাৱী মহত্ত্বৰ কথা উল্লেখ কৰিছিল (Macaulay's Essays, selected and introduced by H. TREVOR-ROPER (1965), p. 276.

(৩২) *Encounter, November, 1979*, p. 11 ; in this lecture Popper nevertheless still claimed to be an optimist.

(৩৩) *A Second Identity (1969) p. 100.*

(৩৪) THOMES HOBBES *on Human Nature, Works* (1840) iv, 16.

(৩৫) ERNST BLOCH, *Das Prinzip Hoffnung (1956) iii, 489.*

(৩৬) The Twenty Years' Crisis, *1919-1939* (1939).

(৩৭) *Fortnightly Review,* March 1933, p. 319.

(৩৮) *From Napoleon to Stalin* (1980) p. 271.

(৩৯) See KNEI-PAZ, *The Social and Political Thought of Leon Trotsky* (1978) p. 423.

(৪০) H. MARCUSE, *One Dimensional Man* (1968) pp. 11-12.

(৪১) *From Napoleon to stalin* (1980) p. 275.